

মহাবিদ্যালয়ৰ ৰূপালী জয়ন্তীৰ প্ৰথম পৰ্যায়ৰ মূল পতাকা উত্তোলনৰ সময়ত উদযাপন সমিতিৰ সভাপতি মাননীয় সাংসদ আব্দুল খালেক চাহাব আৰু অন্যান্য গণ্য-মান্য ব্যক্তি সকল।



মাননীয় সাংসদ আব্দুল খালেক চাহাবৰ অধ্যক্ষতাত ৰূপালী জয়ন্তীৰ দ্বিতীয় তথা চূড়ান্ত পৰ্বৰ প্ৰস্তুতি সম্পৰ্কে অভয়াপুৰী আৱৰ্ত ভৱনত অনুষ্ঠিত পৰ্যালোচনা সভাৰ এটি দৃশ্য



ৰূপালী জয়ন্তী উদযাপনৰ মূল কমিটিৰ বিষয়ববীয়া সকলৰ সৈতে ভাৰপ্ৰাপ্ত অধ্যক্ষ ড০ ৰীতা শৰ্মা

# ৰূপালীম

## ৰাজীৱ গান্ধী মেম'ৰিয়েল কলেজৰ ৰূপালী জয়ন্তী

# স্মৃতিগ্ৰন্থ

১৯৯২ - ২০২০ ইং বৰ্ষ

প্ৰতি,

মাননীয় ..............................................................................

..............................................................

সম্পাদক
ড০ আব্দুছ ছবুৰ

***RUPALIM :*** A Souvenir published on the occasion of Rajiv Gandhi Memorial College Silver Jubilee on dated 15th March 2020. The souvenir reflects the past glorious history of the college as well as the locality of Lengtisinga area under Bongaigaon District of Assam.

ISBN: 978-93-84589-80-6
Published by : Union Book Publication
S.C. Goswami Road, Panbazar, Guwahatii-1,
Ph.- 8486888840

Price : Rs.-175/-

# ৰূপালীম

## সম্পাদনা সমিতি

**উপদেষ্টাদ্বয়**

এম. ছফিউৰ ৰহমান, প্ৰতিষ্ঠাপক অধ্যক্ষ

ড০ ৰীতা শৰ্মা, ভাৰপ্ৰাপ্ত অধ্যক্ষ

**সভাপতি**

আয়ুব খান

**সম্পাদক**

ড০ আব্দুছ ছবুৰ

## সদস্য মণ্ডলী

ৰঞ্জিত কুমাৰ শৰ্মা

শাহজাহান আলী

আবু বক্কৰ ছিদ্দিক

নাজিৰ হুছেইন

আমজেদ আলী

আনোৱাৰ হুছেইন (বৰতাৰী)

আনোৱাৰ হুছাইন

আব্দুল জলিল আহমেদ

দেৱাশীষ পাঠক

বিনোদ কুমাৰ বৰ্মন

জেকৰুল ইছলাম সিকদাৰ

আব্দুল কুদ্দুছ

- আমন্ত্ৰিত সদস্য -

শেখ ছৈয়দ আহমেদ

শিবেন কুমাৰ ঘোষ

প্ৰচ্ছদ : ড০ আব্দুছ ছবুৰ

অংগসজ্জা আৰু অক্ষৰ বিন্যাস : আনোৱাৰ হুছাইন

মুদ্ৰণ : হাসিন অফচেট প্ৰেছ, লেংটিছিঙা ।। ভ্ৰাম্যভাষ : [illegible]

# লেংটিছিঙাত মহাবিদ্যালয় স্থাপন সম্পৰ্কত সাধাৰণ সভা ।

স্থান :- ঝাবপাৰা এল, পি, স্কুল ।

তাৰিখ :- ১১-১৮-৯২ ইং । সময় :- আবেলি ১ বজাত

## :: সাধাৰণ সভাৰ কাৰ্য্যবিৱৰণী ::

আজিৰ সভাখন মোঃ হাতেম আলিৰ প্ৰস্তাৱ আৰু মোঃ আব্দুল ৱাহেদ চাহাবৰ সমৰ্থনত স্থানীয় বিধায়ক শ্ৰীযুত চন্দন কুমাৰ সৰকাৰদেৱৰ সভাপতিত্বত বহে ।

উক্ত সাধাৰণ সভাত বিভিন্ন বিষয় সম্পৰ্কে আলোচনাৰ অন্তত বহুকেইটা গুৰুত্বপূৰ্ণ প্ৰস্তাৱ গ্ৰহণ কৰা হৈছিল। তাৰে ভিতৰত মহাবিদ্যালয় স্থাপন সম্পৰ্কীয় প্ৰস্তাৱটো তলত হুবহু ৰূপত উপস্থাপন কৰা হ'ল :

১ম প্ৰস্তাৱ : ক) আজিৰ সভাই বঙাইগাওঁ জিলাৰ উত্তৰ শালমাৰা মহকুমাৰ অভয়াপুৰী চহৰৰ পূব দামমি চৰ-অঞ্চলত ৬ (ছয়)খন উচ্চতৰ মাধ্যমিক, ১৭ (সোতৰ)খন উচ্চ মাধ্যমিক বিদ্যালয় থকা স্বত্বেও উচ্চ-পৰ্য্যায়ৰ শিক্ষাৰ কোনো স্নাতক মহাবিদ্যালয় নথকাত এক বিস্তৃত চৰ এলেকাৰ নাভিকেন্দ্ৰ লেংটিছিঙা'ত স্নাতক কলা শাখাৰ এখন মহাবিদ্যালয় পতা হওঁক বুলি সৰ্ব্বসন্মতিক্ৰমে সিদ্ধান্ত গ্ৰহণ কৰা হয় ।

খ) সভাত আজাহাকিল ইছলামে এই কলেজখন বিধায়ক শ্ৰী চন্দন কুমাৰ সৰকাৰৰ নামাকৰণত কৰা হওঁক বুলি প্ৰস্তাৱ আগ-বঢ়োৱাত উপস্থিত ৰাইজে হাত-চাপৰিৰে সমৰ্থন জনায় যদিও বিধায়ক শ্ৰী চন্দন কুমাৰ সৰকাৰে থিয়হৈ উপস্থিত ৰাইজৰ এই প্ৰস্তাৱ খণ্ডন কৰি স্বৰ্গীয় ৰাজীৱ গান্ধীৰ সোঁৱৰণত কলেজখনৰ নামাকৰণ কৰা হওঁক বুলি এক গুৰুত্বপূৰ্ণ প্ৰস্তাৱ আগবঢ়োৱাত সভাই এই মহা-বিদ্যালয়খনৰ নামাকৰণ প্ৰয়াত প্ৰধানমন্ত্ৰী ৰাজীৱ গান্ধীৰ সোঁৱৰণত "ৰাজীৱ গান্ধী মেম'ৰিয়াল কলেজ, লেংটিছিঙা" কৰা হওঁক বুলি সৰ্ব্বসন্মতিক্ৰমে সিদ্ধান্ত গ্ৰহণ কৰা হয় ।

গ) সভাই ১৯৯৩-৯৪ ইং চনৰ শিক্ষা বছৰৰ পৰা এই কলেজখনৰ পাঠদান আৰম্ভ কৰা হওঁক বুলি সিদ্ধান্ত লোৱা হয় ।

# ৰূপালী জয়ন্তীৰ প্ৰাক্ ক্ষণত শ্ৰদ্ধাৰে সুঁৱৰিছো

ৰাজীৱ গান্ধী মেম'ৰিয়েল কলেজখন লেংটিছিঙাত
স্থাপন কৰি অঞ্চলবাসীৰ দুৰ্জেয় আশা-আকাংখাক
বাস্তৱত পৰিণত কৰা
জননেতা,
মুখ্য পৃষ্ঠপোষক তথা প্ৰতিষ্ঠাপক সভাপতি
প্ৰয়াত চন্দন কুমাৰ সৰকাৰদেৱক
আমি ৰূপালী জয়ন্তীৰ প্ৰাক্‌ক্ষণত
শ্ৰদ্ধাৰে সুঁৱৰিছো।
তেখেতে পিছপৰা অঞ্চলত
জ্ঞানৰ প্ৰদীপ জ্বলাই
যি মহৎ কাম কৰিলে
তাৰ প্ৰতি
মহাবিদ্যালয় পৰিয়াল
চিৰ কৃতজ্ঞ হৈ থাকিব।।



সম্পাদনা সমিতি
'ৰূপালীম'

# উছৰ্গা

ৰাজীৱ গান্ধী
মেম'ৰিয়েল কলেজৰ
ৰূপালী জয়ন্তী উপলক্ষে প্ৰকাশিত
স্মৃতিগ্ৰন্থ
'ৰূপালীম' খন
কলেজখনৰ
প্ৰতিষ্ঠাপক তথা প্ৰাক্তন মন্ত্ৰী
স্বৰ্গীয় চন্দন কুমাৰ সৰকাৰদেৱৰ লগতে
প্ৰাক্তন অধ্যক্ষ মৰহুম আবুল হুছেইন শ্বেখ,
প্ৰাক্তন সম্পাদক স্বৰ্গীয় মাণিক চন্দ্ৰ প্ৰামাণিক
আৰু কলেজখনৰ অন্যতম গুৰিধৰোতা
মৰহুম আজাহাৰুল ইছলাম চাহাবৰ
নামত উচৰ্গা
কৰা হ'ল।

সম্পাদনা সমিতি

# কৃতজ্ঞতা স্বীকাৰ

ৰূপালীমখন সজাই-পৰাই তোলাত যিসকল স্বনামধন্য লেখক লেখিকাই অৰিহণা যোগাইছে তেওঁলোক আটাইলৈ সম্পাদনা সমিতিৰ তৰফৰ পৰা আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

এই ছেগতে 'ৰূপালীম'ৰ প্ৰচ্ছদ পৰিকল্পনা, আৰ্হি চোৱাকে আদি কৰি সামগ্ৰিক ভাৱে সহায়-সহযোগ কৰা বন্ধুবৰ শ্ৰী ৰঞ্জিৎ কুমাৰ শৰ্মা, আমজেদ আলী, হাসিন অফছেট প্ৰেছৰ স্বত্ত্বাধিকাৰী আনোৱাৰ হুছাইন, আদৰণি সমিতিৰ বিষয়ববীয়া শ্ৰী শিবেন কুমাৰ ঘোষ, শ্বেখ ছৈয়দ আহমেদ, আব্দুল খালেক (উপাধ্যক্ষ)ৰ লগতে সংশ্লিষ্ট সকলোলৈ আমাৰ তৰফৰ পৰা আন্তৰিক কৃতজ্ঞতা প্ৰকাশ কৰিছোঁ।

প্ৰসংগক্ৰমে উল্লেখযোগ্য যে, 'ৰূপালীম'ৰ লেখনি সমূহৰ শুদ্ধ-শুদ্ধতা তথা মৌলিকতা পৰীক্ষা কৰাৰ যত্ন কৰা হৈছিল যদিও তাৰ মাজতো যদি অন্য কোনো লেখকৰ লেখনি কাৰোবাৰ নামত অনিচ্ছাকৃতভাৱে প্ৰকাশ হৈছে, তাৰ বাবে সংশ্লিষ্ট লেখকজনহে দায়ী হ'ব। ধন্যবাদ।

সম্পাদক

ৰূপালীম

Phone : 23014481

# Congress Parliamentary Party

**Sonia Gandhi**
**Chairperson**

## MESSAGE

On the auspicious occasion of the Silver Jubilee of the Rajiv Gandhi Memorial College, Lengtisinga, I send my warm felicitations to all the students and staff of the college.

The Silver Jubilee is a fitting occasion to recall Shri Rajiv Gandhi's special warmth towards Assam and the whole North East. It is also an occasion for you, the students of this college, to pledge to uphold the sacred principles of secularism, communal harmony, social justice and democracy, enshrined in our Constitution. The future of our country lies in your hands, and even as you pursue your studies and your future careers, you must remember that it is equally important to also serve your community and your country as good, responsible citizens.

I wish the Rajiv Gandhi Memorial College and all those associated with it every success in the future. May you all go on to realize your hopes and help build the India of your dreams.

December 12,2019
New Delhi

# অসম সাহিত্য সভা

১৮৬০ চনৰ ২১নং আইন অনুসৰি ১৯২৪ চনত পঞ্জীকৃত আৰু ২০১৫ খ্ৰীষ্টাব্দত নবীকৃত

পঞ্জীয়ন নং - যো১/২৩৫/কি/১৮

কেন্দ্ৰীয় কাৰ্যালয় ঃ চন্দ্ৰকান্ত সন্দিকৈ ভৱন, যোৰহাট - ৭৮৫০০১ ▶ ☎(০৩৭৬)২৩২০০৭১

গুৱাহাটী কাৰ্যালয় ঃ ভগৱতী প্ৰসাদবৰুৱা ভৱন, গুৱাহাটী-৭৮১০০১ ▶ ☎(০৩৬১)২৫১৫৮৩০

ডিফু কাৰ্যালয় ঃ বাহিনী ভৱন, ডিফু - ৭৮২৪৬০ ▶ ☎(০৩৬৭১)২৭২৫৬০

ধুবুৰী আঞ্চলিক কাৰ্যালয়, ধুবুৰী - ৭৮৩৩০১ ▶ ☎(০৩৬৬২)২৩২৫২৮

ডিব্ৰুগড় আঞ্চলিক কাৰ্যালয়, ৰামেশ্বৰলাল চহৰীয়া সাহিত্য ভৱন, ডিব্ৰুগড় - ৭৮৬০০৩ ▶ ☎(০৩৭৩)২৩১৫১২৮

শিলচৰ আঞ্চলিক কাৰ্যালয়, শিলচৰ-৭৮৮০০১ ফোন- ☎(০৩৮৪)২২৩৩৭৯৭

উত্তৰ লখীমপুৰ আঞ্চলিক কাৰ্যালয়, উত্তৰ লখীমপুৰ- ৭৮৭০০১

নগাঁও আঞ্চলিক কাৰ্যালয়, কমলাদেৱী যোশী স্মৃতি ভৱন, মহিচন্দ্ৰ বৰা পথ, নগাঁও- ৭৮২০০১

ডলাই আঞ্চলিক কাৰ্যালয়, অম্বুজ-নিবেদিতা মেধি ভৱন, ডলাই, ডালসহতি- ৭৮০২৭

Website:www.asamsahityasabha.org E-mail-asam.sahitya.sabha@gmail.com

ড০ কুলধৰ শইকীয়া
সভাপতি


## শুভেচ্ছাবাণী

বঙাইগাঁও জিলাৰ লেংটিছিঙাৰ অগ্ৰণী শিক্ষানুষ্ঠান 'ৰাজীৱ গান্ধী মেম'ৰিয়েল কলেজখনে পচিশটা বছৰ অতিক্ৰম কৰা বাবে অহা ১৪ আৰু ১৫ মাৰ্চ তাৰিখে দুদিনীয়া কাৰ্যসূচীৰে 'ৰূপালী জয়ন্তী' উদ্‌যাপন কৰিব বুলি জানিব পাৰি মই আনন্দিত। লগতে, এই উপলক্ষে 'ৰূপালীম' নামৰ এখন স্মৃতিগ্ৰন্থ প্ৰকাশৰ যো-জা কৰাটো মোৰ বাবে পৰম সন্তোষৰ বিষয়।

'ৰূপালীম' সৰ্বাঙ্গসুন্দৰ ৰূপত প্ৰকাশ হৈ পঢ়ুৱৈৰ সমাদৰ অৰ্জন কৰিব বুলি মই আশা কৰিলোঁ আৰু সমগ্ৰ অনুষ্ঠানটো সফলভাৱে সম্পন্ন হোৱাৰ বাবে আন্তৰিক শুভেচ্ছা জনালোঁ।

।। চিৰ চেনেহী মোৰ ভাষা জননী ।।

(ড০ কুলধৰ শইকীয়া)
সভাপতি
অসম সাহিত্য সভা
তাৰিখ ঃ ৪ মাৰ্চ, ২০২০ খ্ৰীষ্টাব্দ

**Phani Bhusan Choudhury**
Minister
Food & Civil Supplies and Consumer Affairs
Pension & Public Grievance
Govt. of Assam

সত্যমেৱ জয়তে

Block-B, 3rd Floor, Room No. 312
Assam Secretariat, Dispur, Guwahati- 781006
Tel : 0361-2237023 (O)
Mob : +91 9435021325
e-mail :

## শুভেচ্ছা বাণী



বঙাইগাঁও জিলাৰ অন্যতম শিক্ষানুষ্ঠান হিচাবে ৰাজীৱ গান্ধী মেম'ৰিয়েল কলেজ, লেংটিছিঙাই শিক্ষাৰ সৌৰভ বিলাই আজি ৰূপালী জয়ন্তীৰ সুবাসেৰে সিক্ত হ'ব পৰা কথাটোৱে মহাবিদ্যালয়খনৰ অধ্যক্ষকে প্ৰমুখ্য কৰি অন্যান্য শিক্ষক-শিক্ষয়িত্ৰীসকলৰ ভূমিকাই অন্যতম চালিকা শক্তি হিচাপে চিহ্নিত হোৱাত আমি সুখী হৈছোঁ। মানৱ সম্পদ সৃষ্টিৰ ক্ষেত্ৰত মণুষ্য জনমৰ সাৰ্থকতাই বিশিষ্ট ৰূপত উদ্ভাসি উঠা উচিত বুলি আমি অনুভৱ কৰোঁ। ভৱিষ্যতৰ সু-নাগৰিক হিচাপে সমাজৰ দায়িত্ব কান্ধ পাতি ল'ব পৰা জ্ঞানৰ অধিকাৰী হ'ব পৰা গৰিমাৰে ছাত্ৰ-ছাত্ৰীসকল অনুপ্ৰাণিত হোৱা শিক্ষাৰ বিস্তাৰ হোৱা অতি জৰুৰী বুলি আমি ভাবোঁ।

মহাবিদ্যালয়খনৰ ৰূপালী জয়ন্তী উদ্‌যাপনৰ লগত সংগতি ৰাখি এখনি স্মৰণিকা প্ৰকাশ পাব বুলি জানিব পাৰি আমি আনন্দিত হৈছোঁ। গ্ৰন্থখনে সেই অঞ্চলৰ ইতিহাস সম্বলিত অনন্য এক দলিল হৈ ন-পুৰণি লিখকৰ লিখনিৰে এখন বিশিষ্ট গ্ৰন্থ হ'ব বুলি আশা কৰি সংশ্লিষ্ট সকলোকে আমাৰ হিয়াভৰা শুভেচ্ছা জ্ঞাপন কৰিলোঁ।

सत्यमेव जयते

**Smti Gitimoni Phukan, ACS**
Director of Higher Education, Assam, Kahilipara, Guwahati-19
directorhigherassam123@gmail.com

Ref No. DHE/PA/6/2017/51 Date 20-01-2020.

## MESSAGE

*It gives me immense pleasure to learn that Rajiv Gandhi Memorial College, Lengtisinga is celebrating the Silver Jubilee of its foundation.*

*I sincerely appreciate and congratulate the Principal, the faculties, students, the Organizing Body and the entire management of the College on this historical occasion.*

*The long journey endured by this premier institution is truly worth mentioning. It is praiseworthy that the Organizing Body has decided to bring out a souvenir to commemorate this occasion.*

*I hope that this historical event will make a grand success shall be able to continue its streak of excellence.*

20/1/020

(Smti. Gitimoni Phukan, ACS)
Director of Higher Education, Assam

**ড০ হাফিজ আহমেদ**
সভাপতি
চৰ-চাপৰি সাহিত্য পৰিষদ, অসম
হাটিখোৱাপাৰা ঃ ডাকঘৰ ঃ আজাৰা
গুৱাহাটী - ১৭

ভ্ৰাম্যভাষ ঃ ৯৯৫৪০০৮২৮০
ই-মেইল ঃ hafiz357@gmail.com

## শুভেচ্ছাবাণী

বঙাইগাঁও জিলাৰ লেংটিছিঙাত অৱস্থিত ৰাজীৱ গান্ধী মেম'ৰিয়েল কলেজ'খনে ৰূপালী জয়ন্তী উৎসৱ পালন কৰিবলৈ লোৱা বুলি জানিব পাৰি আমি নথৈ আনন্দিত হৈছোঁ। অনগ্ৰসৰ সংখ্যালঘু অধ্যুষিত অঞ্চলত প্ৰতিষ্ঠিত এইখন মহাবিদ্যালয়ে শিক্ষাৰ পোহৰ বিলাই অশিক্ষাৰ অন্ধকাৰ দূৰ কৰাৰ ক্ষেত্ৰত এক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহন কৰিছে।

ৰূপালী জয়ন্তী উপলক্ষে প্ৰকাশিত হ'ব স্মৃতিগ্ৰন্থ 'ৰূপালীম'। আশা কৰোঁ স্মৃতিগ্ৰন্থখনিত অসমৰ সমাজ জীৱনৰ বিশেষকৈ চৰ-চাপৰিবাসীৰ সমাজ জীৱনৰ বিভিন্ন দিশ প্ৰতিফলিত হ'ব।

ৰূপালী জয়ন্তী উৎসৱৰ সফলতা কামনা কৰিলোঁ।

ড০ হাফিজ আহমেদ
৬ ফেব্ৰুৱাৰী, ২০২০

Office of the
**ALL ASSAM MINORITIES STUDENTS' UNION**
সদৌ অসম সংখ্যালঘু ছাত্ৰ ইউনিয়ন
*H.O. 4th Floor, TM Complex, Near Rajdhani Masjid, Dispur, Guwahati-6*
e-mail : aamsu1980@gmail.com

***Date : 08-02-2020***

# শুভেচ্ছাবাণী



নামনি অসমৰ এক উল্লেখযোগ্য শিক্ষা প্ৰতিষ্ঠান ৰাজীব গান্ধী মেম'ৰিয়েল কলেজ, লেংটিছিঙা। এই কলেজখনে ২৫ বছৰ পূৰ্ণ হোৱা উপলক্ষে ৰূপালী জয়ন্তী উৎসৱ উদ্‌যাপনৰ যো-জা কৰাৰ কথা জানিব পাৰি অতিশয় আনন্দিত হৈছোঁ। শিক্ষা হৈছে জাতিৰ মেৰুদণ্ড আৰু এই মহাবিদ্যালয়খনে বিগত বছৰসমূহত বৃহত্তৰ লেংটিছিঙা আঞ্চলত উচ্চ শিক্ষাৰ পোহৰ বিলাই জাতিৰ মেৰুদণ্ড পোণ কৰাত অৰিহণা যোগাই আহিছে। শিক্ষাৰ এই মহান অনুষ্ঠানটি স্থাপনৰ ক্ষেত্ৰত আগভাগ লোৱা সদৌটিলৈ মোৰ শ্ৰদ্ধা জনাইছোঁ।

ৰূপালী জয়ন্তী উপলক্ষে 'ৰূপালীম' নামৰ এখনি স্মৃতিগ্ৰন্থ প্ৰকাশ কৰা হ'ব বুলি উদ্যোগক্তাসকলে জানিবলৈ দিছে। স্মৃতিগ্ৰন্থখনি তথ্যসমৃদ্ধ আৰু সৰ্বাঙ্গ সুন্দৰ হ'ব বুলি আশা ৰাখিলোঁ। ৰূপালী জয়ন্তী উৎসৱৰ প্ৰতিটো কাৰ্যসূচীৰ সফলতা কামনাৰে -

08/02/2020

(ৰেজাউল কৰিম চৰকাৰ)
সভাপতি
সদৌ অসম সংখ্যালঘু ছাত্ৰ ইউনিয়ন (আমছু)

# প্ৰতিষ্ঠাকালৰ পৰা বৰ্তমানলৈ ৰাজীৱ গান্ধী মেম'ৰিয়েল কলেজৰ অধ্যক্ষৰ পদ শুৱনি কৰা ব্যক্তিসকল

| | | |
|---|---|---|
| এম. ছফিউৰ ৰহমান | (প্ৰতিষ্ঠাপক অধ্যক্ষ) | ১১-১০-১৯৯২ ৰ পৰা ০৪-০৯-১৯৯৬ |
| আবুল হুছেইন সেখ | (অধ্যক্ষ) | ০৫-০৯-১৯৯৬ ৰ পৰা ০১-০৮-২০০২ |
| আছিৰ উদ্দিন আহমেদ | (ভাৰপ্ৰাপ্ত অধ্যক্ষ) | ০২-০৮-২০০২ ৰ পৰা ৩০-০৪-২০০৭ |
| জহিৰুল ইছলাম | (ভাৰপ্ৰাপ্ত অধ্যক্ষ) | ০৩-০৫-২০০৭ ৰ পৰা ২২-১০-২০০৮ |
| ডঃ জহিৰুল ইছলাম | (অধ্যক্ষ) | ২৩-১০-২০০৮ ৰ পৰা ২০-০৩-২০১৭ |
| ছফিউৰ ৰহমান | (ভাৰপ্ৰাপ্ত অধ্যক্ষ) | ২১-০৩-২০১৭ ৰ পৰা ০৭-০৪-২০১৭ |
| ডঃ ৰীতা শৰ্মা | (ভাৰপ্ৰাপ্ত অধ্যক্ষ) | ০৮-০৪-২০১৭ ৰ পৰা |

# GOVERNING BODY OF THE COLLEGE



Sri Ananta Kr. Malo, Hon'ble MLA
35 No. Abhayapuri South (SC) LAC
Special Invitee Member G.B.



Sri Ram Chandra Pathak
President G.B.



Dr. Reeta Sarma
Principal, i/c



Dr. Shashadhar Adhikary
G.U. Nominee, G.B.



Narayan Medhi
G.U. Nominee, G.B.



Alhaj Amjad Hussin
G.B. Member



Ayub Khan
Teachers'
Representative to G.B.



Akter Hussain
Teachers'
Representative to G.B.



Muzafor Ali Ahmed
Ex-officio Member



Kamela Begum
G.B. Member



Sri Bankim Ch. Sarkar
G.B. Member



[illegible]
Non-Teaching Staff
Representative to G.B.

# আদৰণী সমিতিৰ সভাপতিৰ অনুভৱ



ৰাজীৱ গান্ধী মেম'ৰিয়েল কলেজৰ ৰূপালী জয়ন্তী উৎসৱৰ লগত জড়িত সমূহ কৰ্মকৰ্তা, শিক্ষকমণ্ডলী, ছাত্ৰ-ছাত্ৰী আৰু শ্ৰদ্ধাভাজন ৰাইজ, আন্তৰিক অভিনন্দন আৰু শুভেচ্ছা জ্ঞাপন কৰিছোঁ। লেংটিছিঙাৰ দৰে এখন পিছপৰা আঞ্চলত ৰাইজে যি উৎসাহ-উদ্দীপনা আৰু আশাৰে কলেজখন স্থাপন কৰিছে, সেই উদ্দেশ্য আৰু আশাক সাকাৰ কৰি কলেজখনে ৰূপালী জয়ন্তী উৎসৱ অনুষ্ঠিত কৰিবলৈ লোৱাটো আনন্দৰ বতৰা, ইতিবাচক মনৰ বহিঃ প্ৰকাশ।

১৯৯২ খ্ৰীষ্টাব্দৰ ১১ অক্টোবৰ তাৰিখে জননেতা প্ৰয়াত চন্দন কুমাৰ সৰকাৰদেৱৰ লগতে বৃহত্তৰ লেংটিছিঙা অঞ্চলৰ ৰাইজৰ অভূতপূৰ্ব সহায়-সহযোগত টিঙ'ৰ চালিৰে পাঠদান কাৰ্য আৰম্ভ হোৱা কলেজখনে হাজাৰ বাধা-বিঘিনি হেলাৰঙে অতিক্ৰম কৰি আজি ২৭ বছৰীয়া চফল ডেকাৰ দৰে মূৰ দাঙি থিয় হ'ব পৰাটো গৌৰৱৰ কথা। সেই গৌৰৱৰ পথত যিসকল ব্যক্তিৰ ত্যাগ, কষ্ট, পৰিশ্ৰম আৰু পৰিকল্পনা জড়িত হৈ আছে, তেওঁলোক আটাইলৈ আমাৰ আন্তৰিক শ্ৰদ্ধা যাচিছোঁ।

শিক্ষাৰ লগতে কৌশলগত জ্ঞানৰ সু-প্ৰয়োগ কৰিলে সেই জ্ঞান প্ৰজ্ঞালৈ ৰূপান্তৰ হয় আৰু ইয়েই সাফল্য সুনিশ্চিত কৰে। অকল পুথিগত অধ্যয়নে আজিৰ জটিল সমাজখনত সফলতা আনিবলৈ সক্ষম নহ'বও পাৰে। সমাজ ব্যৱস্থাৰ অগ্ৰগতিৰ লগে লগে ৰাজনৈতিক, অৰ্থনৈতিক, সাংস্কৃতিক আদি ক্ষেত্ৰবোৰ দ্ৰুতগতিত সলনি হ'বলৈ ধৰিছে। পৰিৱৰ্তিত বিশ্ব ব্যৱস্থাত নিজকে খাপ-খুৱাবলৈ হ'লে আমি পৰম্পৰাগত অধ্যয়নৰ লগতে ব্যৱহাৰিক আৰু গৱেষণাধৰ্মী অধ্যয়নশৈলী তৈয়াৰ কৰাটো নিতান্তই প্ৰয়োজন। আশা কৰোঁ ৰাজীৱ গান্ধী মেম'ৰিয়েল কলেজখনে সেই পথত অগ্ৰসৰ হৈ সকলোৰে সহযোগত নৱ দিগন্তৰ সূচনা কৰিবলৈ সক্ষম হ'ব।

আধুনিক ভাৰতৰ তথ্য-প্ৰযুক্তি, দূৰ-সংযোগ আৰু বৈজ্ঞানিক দৃষ্টিভংগী গ্ৰহণ কৰি সমগ্ৰ বিশ্বত ভাৰতবৰ্ষৰ সুনাম অৰ্জন কৰিবলৈ প্ৰয়াত প্ৰধানমন্ত্ৰী ৰাজীৱ গান্ধীয়ে নিদৰ্শনমূলক কাম কৰিছিল। তেখেতৰ তৎপৰতাতে ১৯৮৬ চনত ৰাষ্ট্ৰীয় শিক্ষা নীতি গ্ৰহণ কৰা হৈছিল। সেই শিক্ষা নীতিৰ আধাৰতে জৱাহৰ নৱোদয় বিদ্যালয় প্ৰতিষ্ঠাৰ কাম কৰি সকলোকে গুণগত শিক্ষাৰ ব্যৱস্থা কৰি দিছে। তেখেতৰ দিনতেই মোবাইল ফোন সেৱা আৰম্ভ কৰি সৰ্বস্তৰৰ ৰাইজক আধুনিক যোগাযোগ ব্যৱস্থাৰ উপকৰণ যোগান ধৰিছিল। তেখেতৰ সপোন আছিল এখন 'শক্তিশালী, স্বতন্ত্ৰ, স্ব-নিৰ্ভৰশীল ভাৰতবৰ্ষ গঢ়াৰ। সেই সপোনক বাস্তৱায়িত কৰাৰ কাৰণে তেখেতে দিন-ৰাতি একাকাৰ কৰি কাম কৰিছিল। তেনে এজন মহান স্বপ্নদ্ৰষ্টাৰ নামত লেংটিছিঙাত এখন কলেজ স্থাপন কৰি ৰাইজে প্ৰমাণ কৰিছে যে এই অঞ্চলৰ মানুহৰো উন্নতমানৰ সৃজনীশীল স্বপ্ন দেখাৰ যোগ্যতা আছে।

ব্যক্তিগতভাৱে আমি ৰাজনীতিৰ লগত জড়িত হ'লেও শিক্ষা বিস্তাৰ, সাহিত্য চৰ্চা, সংস্কৃতি, ঐক্য-সংহতি ৰক্ষা কৰা আদি কৰ্মত নিয়োজিত হৈ ভাল পাওঁ। আজিৰ অসমত যি সমূহ সমস্যাই আমাক অহৰহ ব্যতিব্যস্ত কৰি ৰাখিছে, সেই সমূহ সমাধান কৰিবলৈ হ'লে শিক্ষা বিস্তাৰৰ লগতে অন্যান্য দিশ সমূহতো গুৰুত্ব প্ৰদান কৰিব লাগিব। সমাজৰ পৰা কু-সংস্কাৰ, বাল্য বিবাহ, নিৰক্ষৰতা দূৰ কৰাৰ লগতে নাৰী শিক্ষা বিস্তাৰৰ কামত হাতে-কামে খাটিব লাগিব। ৰাইজে ইতিবাচক দৃষ্টিভংগীৰে কাম কৰি সমন্বয়ৰ সেঁতু গঢ়িব লাগিব।

শেষত ৰূপালী জয়ন্তী উপলক্ষে প্ৰকাশ হ'বলগীয়া 'ৰূপালীম' স্মৃতিগ্ৰন্থখনিয়ে ভৱিষ্যত প্ৰজন্মক সোণোৱালী ইতিহাসৰ সন্ধান দিব বুলি আশা কৰিলোঁ।

শ্ৰদ্ধা সহকাৰে ...

আব্দুল খালেক (সাংসদ)
সভাপতি
আদৰণী সমিতি

# মহাবিদ্যালয় পৰিচালনা সমিতিৰ সভাপতিৰ কলমৰ পৰা



নৈপৰীয়া গ্ৰাম্য সংস্কৃতিৰ বৰণীয়া সমলেৰে সমৃদ্ধ লেংটিছিঙা হ'ল এখন আকৰ্ষণীয় ঠাই। বঙাইগাঁও জিলাৰ উত্তৰ শালমাৰা মহকুমাৰ সদৰ অভয়াপুৰী নগৰৰ পৰা ইয়াৰ দূৰত্ব প্ৰায় ছয় কিলোমিটাৰ। উচ্চ শিক্ষাৰ কোনো শিক্ষানুষ্ঠান নথকাৰ বাবে এই অঞ্চলৰ ছাত্ৰ-ছাত্ৰী সকলে উচ্চ শিক্ষাৰ বাবে এসময়ত অভয়াপুৰী মহাবিদ্যালয় বা দূৰৰ আন মহাবিদ্যালয়লৈ যাবলগীয়া হৈছিল। যাতায়াতৰ ব্যৱস্থা বৰ সুবিধাজনক নাছিল আৰু আৰ্থিকভাৱে দুৰ্বল ছাত্ৰ-ছাত্ৰীৰ বাবে সেয়া সম্ভৱ নাছিল।সেয়ে এই অঞ্চলৰ ৰাইজে লেংটিছিঙাত এখন মহাবিদ্যালয় স্থাপন কৰাৰ মানসেৰে অভয়াপুৰী দক্ষিণ সমষ্টি বিধায়ক তথা অসম চৰকাৰৰ প্ৰাক্তন মন্ত্ৰী প্ৰয়াত চন্দন কুমাৰ সৰকাৰৰ ওচৰ চাপে। তেখেতৰ উদ্যোগতেই ১৯৯২ চনৰ ১১অক্টোবৰত লেংটিছিঙাত 'ৰাজীৱ গান্ধী মেম'ৰিয়েল কলেজ' নামে শিক্ষানুষ্ঠানখন স্থাপন হয়। এই মহাবিদ্যালয়খনেই 'সৰস্বতী শ্ৰুতিমহতাং মহীয়তাম্' মন্ত্ৰেৰে জ্ঞানৰ জ্যোতি বিলাই ২০১৭ চনৰ ১১ অক্টোবৰত সুদীৰ্ঘ পচিশ বছৰ অতিক্ৰম কৰে।

বহু ঘাত-প্ৰতিঘাতেৰে প্ৰায় একৈশ বছৰ অতিক্ৰম কৰাৰ পিছত ২০১৩ চনৰ ১ জানুৱাৰীৰ পৰা মহাবিদ্যালয়খন প্ৰাদেশীকৃত হয়। অসম চৰকাৰৰ উচ্চ শিক্ষাধিকৰ্তাৰ নিযুক্তি মৰ্মে আমি ২০১৭ চনৰ ২০ চেপ্তেম্বৰত মহাবিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি হিচাপে কাৰ্যভাৰ গ্ৰহণ কৰোঁ। কাৰ্যভাৰ গ্ৰহণ কৰি আমি অনুভৱ কৰিলোঁ যে বিভিন্ন কাৰণবশতঃ মহাবিদ্যালয়খনে যেন এক ৰক্তশূন্যতাত ভুগিছে। ইয়াৰ উত্তৰণ যিমানখিনি হ'ব লাগিছিল সিমান হোৱা নাই। তদুপৰি ৰাইজৰ সহযোগিতাও কিছু কম যেন অনুভৱ হয়। সেয়ে ২০১৭ চনৰ ১১ অক্টোবৰত পোন প্ৰথমবাৰৰ বাবে 'মহাবিদ্যালয় প্ৰতিষ্ঠা দিৱস' পাতো। এই প্ৰতিষ্ঠা দিৱসত শুভাকাংক্ষী ৰাইজৰ উপস্থিতিত আমি উৎসাহিত হওঁ আৰু মহাবিদ্যালয় পৰিচালনা সমিতিৰ সভাত 'ৰূপালী জয়ন্তী' উৎসৱ পতাৰ প্ৰস্তাৱ গ্ৰহণ কৰা হয়। কথা মতেই কাম। বৰপেটা লোকসভাৰ মাননীয় সাংসদ আব্দুল খালেক মহোদয়ক সভাপতি হিচাপেলৈ এখন পূৰ্ণাংগ পৰ্যায়ৰ উদ্‌যাপন সমিতি গঠন কৰা হয়। মহাবিদ্যালয়খনৰ লগত স্থানীয় ৰাইজ সক্ৰিয়ভাৱে জড়িত হ'ল।

মহাবিদ্যালয় এখনৰ উত্তৰণত চৰকাৰ, স্থানীয় ৰাইজ, শিক্ষক-কৰ্মচাৰী আৰু ছাত্ৰ-ছাত্ৰীৰ যথেষ্ট অৰিহণা অপৰিহাৰ্য। প্ৰাদেশীকৃত হ'লেও অধিকাংশ শিক্ষক-কৰ্মচাৰীৰ চাকৰী এতিয়াও নিয়মীয়া নোহোৱাৰ বাবে তেওঁলোক হতাশাগ্ৰস্ত হৈছে। তদুপৰি পৰ্যাপ্ত শ্ৰেণীকোঠা, উন্নতমানৰ পুথিভঁৰাল বা ছাত্ৰ-ছাত্ৰীৰ লগত জড়িত আন আন বহুত অভাৱ আছে। আমি পৰিচালনা সমিতিয়ে পৰ্যায়ক্ৰমে সেইবোৰ দূৰ কৰাৰ চেষ্টা চলাই আছোঁ।

বৰ্তমান নাক'(NAAC) ৰ দ্বাৰা মানদণ্ড নিৰূপিত নহ'লে মহাবিদ্যালয় এখনে বিশ্ববিদ্যালয় অনুদান আয়োগ, কেন্দ্ৰীয় তথা ৰাজ্য চৰকাৰৰ পৰা পৰ্যাপ্ত আৰ্থিক অনুদান বা আন আন সুবিধা সমূহ নাপায়। সেয়ে পৰিচালনা সমিতিৰ সভাপতি হিচাবে আমি চেষ্টা অব্যাহত ৰাখিছোঁ যাতে ২০২০-২০২১ চনৰ ভিতৰত মহাবিদ্যালয়খনে নাক' (NAAC) ৰ দ্বাৰা মূল্যাংকণকৃত হয়। ইয়াৰ বাবে সকলোৰে সক্ৰিয় সহযোগিতা আৰু শুভাকাংখা বিচাৰিছোঁ।

শেষত মহাবিদ্যালয়খনৰ প্ৰতিষ্ঠাৰ নিচিনা মহৎ কাৰ্য এটাৰ লগত জড়িত মৃত তথা জীৱিত সকলো ব্যক্তিলৈ আমাৰ ফালৰ পৰা শ্ৰদ্ধা জ্ঞাপন কৰিলোঁ আৰু অনুষ্ঠানখনৰ সৰ্বাঙ্গীন উন্নতি কামনা কৰিলোঁ।

ৰামচন্দ্ৰ পাঠক
সভাপতি
মহাবিদ্যালয় পৰিচালনা সমিতি

# আদৰণী ভাষণ



নমস্কাৰ, আচ্ছালামু আলাইকুম,

আজি ৰূপালী জয়ন্তীৰ শুভক্ষণত আমাৰ আমাৰ মাজত উপস্থিত থকা বৰপেটা লোকসভা সমষ্টিৰ সাংসদ সম্মানীয় আব্দুল খালেক মহাশয়, মহাবিদ্যালয় পৰিচালনা সমিতিৰ সভাপতিদেৱ, মহাবিদ্যালয় স্থাপনৰ বাবে ভূ-দান কৰি আমাক কৃতাৰ্থ কৰা আমাৰ আটাইবে শ্ৰদ্ধাৰ সুধীবৃন্দ, ৰূপালী জয়ন্তীৰ পতাকা উত্তোলনৰ বাবে আমন্ত্ৰণ কৰি অনা আদৰণীয় অতিথিবৃন্দ, বিভিন্ন বিষয়ত সহায়-সহযোগিতা আগবঢ়োৱা সদাশয় ব্যক্তি, ৰূপালী জয়ন্তী উদ্‌যাপন সমিতিৰ সমূহ বিষয়ববীয়া, মহাবিদ্যালয়ৰ শিক্ষক-কৰ্মচাৰী-ছাত্ৰ-ছাত্ৰী আৰু উপস্থিত সুহৃদ আটাইলৈ মোৰ ফালৰ পৰা মৰম-চেনেহ,ওলগ-অভিনন্দন আৰু বয়োজেষ্ঠসকললৈ সাদৰ-সম্ভাষণ যাচিছোঁ।

অসতো মা সদ্‌গময়।
তমসো মা জ্যোতিৰ্গময়।
মৃত্যোৰ্মামৃতং গময়। ...

অসত্যৰ পৰা মোক সত্যলৈ লৈ যোৱা,অন্ধকাৰৰ পৰা জ্যোতিৰ পথলৈ লৈ যোৱা, মৃত্যুৰ পৰা অমৃতলৈ লৈ যোৱা। ঠিক এই একে উদ্দেশ্য আগত ৰাখিয়েই আজিৰ পৰা সাতাইশ বছৰ আগত লেংটিছিঙা অঞ্চলত স্থাপিত হৈছিল 'ৰাজীৱ গান্ধী মেম'ৰিয়েল কলেজ' । মানুহক অসত্যৰ পৰা সত্যৰ পথলৈ লৈ যাবলৈ অৰ্থাৎ অসত্য স্বৰূপ অজ্ঞানতাৰ পৰা জ্ঞান স্বৰূপ সত্যৰ পথলৈ, অজ্ঞানতাৰূপী অন্ধকাৰৰ মাজত জ্ঞানৰ জ্যোতি বিলোৱাৰ উদ্দেশ্যেৰে শিক্ষানুষ্ঠানসমূহ স্থাপন কৰা হয়। এই অঞ্চলৰো ধনী-দুখীয়া সকলো শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীয়ে যাতে উচ্চ শিক্ষাৰে শিক্ষিত হৈ দেশ উজ্জ্বল কৰি তুলিব পাৰে সেই আশাৰে তদানীন্তন বিধায়ক প্ৰয়াত চন্দন কুমাৰ সৰকাৰদেৱে অগ্ৰণী ভূমিকা গ্ৰহণ কৰি অতিকে পিছপৰা এই অঞ্চলত মহাবিদ্যালয়খন স্থাপন কৰিছিল। তেওঁৰেই আহ্বানত উদাৰ হৃদয়ৰ বহু ব্যক্তিয়ে ব্যক্তিগত লাভালাভৰ কথা চিন্তা নকৰি একমাত্ৰ উঠি অহা ল'ৰা-ছোৱালীবোৰৰ ভবিষ্যতৰ বাবে অকুণ্ঠ চিত্তে দান কৰিছিল তেওঁলোকৰ সঞ্চিত উঁৰাল স্বৰূপ বহুমূলীয়া মাটি ; যিবোৰ হয়তো আজি বহু মূল্যৰ বিনিময়তো বিচাৰি পোৱা সম্ভৱ নহয়। মাটি দিব নোৱাৰা বহুজনে বিভিন্ন প্ৰকাৰে — শাৰীৰিক-মানসিক ভাবে ত্যাগ স্বীকাৰ কৰি গৈছে ; এই সকলোবোৰৰ ফলশ্ৰুতি আজিৰ "ৰাজীৱ গান্ধী মেম'ৰিয়েল কলেজ"।

বিভিন্ন পৰ্য্যায় আৰু এই পৰ্য্যায়সমূহত হোৱা পৰিবৰ্তন, ঘাত-প্ৰতিঘাত অতিক্ৰমি আজি ৰাজীৱ গান্ধী মেম'ৰিয়েল কলেজে ২৭ বছৰত ভৰি দি নিজৰ গৌৰৱ ধ্বজা বহন কৰি স্ব-মহিমাৰে উজলি উঠিবলৈ সক্ষম হৈছে। প্ৰথম পৰ্য্যায়ত ছাত্ৰ-ছাত্ৰীসকলে অভয়াপুৰী মহাবিদ্যালয়ত গৈ পৰীক্ষা দিবলগীয়া হৈছিল; পৰৱৰ্তী পৰ্য্যায়ত পৰীক্ষা কেন্দ্ৰ স্থাপনৰ অনুমতি পোৱাত মহাবিদ্যালয়খনে এখোজ আগুৱাবলৈ সক্ষম হ'ল। চৰকাৰী আৰ্থিক সাহায্য পোৱাটো দ্বিতীয় পৰ্য্যায়। ২০১৩ চনত প্ৰাদেশিকীকৰণ হোৱাৰ লগে লগে মহাবিদ্যালয়খন চৰকাৰী খৰত স্থায়ী ভাবে নিজৰ নাম অন্তৰ্ভুক্ত কৰিবলৈ সক্ষম হ'ল। বৰ্তমান মহাবিদ্যালখনে ২০১৮-১৯ বৰ্ষৰ চৰকাৰৰ পৰা আন্তঃগাঁথনি উন্নয়নৰ বাবে এক কোটি টকাৰ অনুদান লাভ কৰিছে আৰু ইয়াৰ অধীনত কাম ইতিমধ্যে আৰম্ভ হৈছে। ই এক সুখবৰ। কিন্তু ই অন্তিম পৰ্য্যায় নহয়। কাৰণ মহাবিদ্যালয়ৰ উন্নতিৰ বাবে কৰি থাকিবলগীয়া কামবোৰ এক অহৰহ প্ৰক্ৰিয়া, যেন ইয়াৰ অন্ত নাই। সুদীৰ্ঘ এই সময়চোৱাত কেবা হেজাৰ ছাত্ৰ-ছাত্ৰীয়ে মহাবিদ্যালয়ৰ পৰা স্নাতক ডিগ্ৰী লাভ কৰাৰ লগতে নাৰী শিক্ষাত ই যথেষ্ট প্ৰভাৱ পেলোৱাপৰিলক্ষিত হয়। মূল চহৰৰ পৰা আঁতৰতীয়া ঠাইত অৱস্থিত এই মহাবিদ্যালয়খনে এই কেইটা বছৰত বহু ভিতৰুৱা অঞ্চললৈ নিজৰ প্ৰভাৱ বিস্তাৰ কৰি জ্ঞানৰ শিখা বিয়পাবলৈ সক্ষম হৈছে। সুদীৰ্ঘ এই সময়চোৱাত ইয়াৰ প্ৰেক্ষাপট যথেষ্ট সলনি হোৱা দৃশ্যও পৰিলক্ষিত হৈছে; সেয়া হ'ল প্ৰথম অৱস্থাত পিছপৰা অঞ্চলত হোৱা বাবে আৰু ওচৰতে প্ৰতিষ্ঠিত মহাবিদ্যালয় থকা বাবে ছাত্ৰ-ছাত্ৰীৰ সংখ্যা ইয়াত হয়তো কম আছিল কিন্তু বৰ্তমান আন অঞ্চলৰ পৰাও ইয়ালৈ ছাত্ৰ-ছাত্ৰী আহিবলৈ ধৰিছে। বিশেষকৈ ছাত্ৰীসকলৰ বাবে ইয়াত পঢ়া যথেষ্ট সুবিধাজনক। এই মহাবিদ্যালয়ৰ পৰা স্নাতক ডিগ্ৰী লাভ কৰা বহু সংখ্যকে চৰকাৰী-বেচৰকাৰী খণ্ডত নিয়োজিত হৈ প্ৰতিষ্ঠা লাভ কৰি সু-নাগৰিক হিচাপে পৰিচয় দিবলৈ সক্ষম হৈছে। তেওঁলোকৰ এই প্ৰতিষ্ঠা মহাবিদ্যালয়ৰ গৌৰৱোজ্জ্বল ইতিহাসৰ এক সংযোজিত অধ্যায়।

সুদীৰ্ঘ ২৭ বছৰ আগতে এই মহাবিদ্যালয়ত কৰ্মত যোগদান কৰি বৰ্তমান ভাৰপ্ৰাপ্ত অধ্যক্ষ হিচাপে কাৰ্য্যনিৰ্বাহ কৰি মই একালে প্ৰথম প্ৰৱক্তা হিচাপে গৌৰৱৰ অধিকাৰী, আনফালে মহাবিদ্যালয়ৰ সুদীৰ্ঘ বৰ্ণিল ইতিহাসৰ অন্যতম প্ৰধান সাক্ষীস্বৰূপ। এই দীঘলীয়া কাৰ্য্যকালৰ তিতা-মিঠা বহু অভিজ্ঞতা স্মৃতিৰ মণিকোঠাত সঞ্চিত হৈ আছে। ড০ ভূপেন হাজৰিকাদেৱৰ ভাষাৰে ক'বলৈ গ'লে এই স্মৃতিবোৰৰ মোৰ বাবে ---"এটি এটি ক্ষণ যেন মুকুতাৰ ধন , এনেয়ে হেৰুৱালে নাহে উভতি"।

মহাবিদ্যালয়ৰ প্ৰতিগৰাকী ছাত্ৰ-ছাত্ৰী আমাৰ বাবে, সমাজৰ বাবে আশাৰ বন্তি স্বৰূপ; এই আশা ভৱিষ্যত সমাজত জ্ঞানৰ পোহৰ বিলোৱাৰ আশা। বিশ্বায়নৰ আগ্ৰাসনৰ মাজেৰে ছাত্ৰসমাজক সঠিক পথ দেখুওৱাত মহাবিদ্যালয়সমূহে প্ৰকাৰান্তৰে শিক্ষকসমাজে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। এই ক্ষেত্ৰত আমাৰ শিক্ষকসকলে নিজৰ দায়িত্ব নিয়াৰিকৈ পালন কৰি ছাত্ৰসমাজক সঠিক মাৰ্গ দৰ্শন কৰি আহিছে আৰু আহিব। পৰৱৰ্তী সময়ত এই মহাবিদ্যালয় অসমৰ এখন আগশাৰীৰ মহাবিদ্যালয় হিচাপে নিজৰ পৰিচয় বহন কৰিব বুলি আমি আশাবাদী।। জয়তু ৰাজীৱ গান্ধী মহাবিদ্যালয়।

ড০ ৰীতা শৰ্মা

# আদৰণি সমিতিৰ সম্পাদকৰ দু-আষাৰ



মানুহে সপোন দেখিব লাগে। সপোন দেখা মানুহৰ মনত যেতিয়া আলোড়ন সৃষ্টি হয়, সপোনে যেতিয়া মানুহৰ মন-মগজুক খেদি ফুৰে, দেহ-মন আন্দোলিত কৰে, তেতিয়া মানুহে কিবা এটা কৰে। সপোন সাকাৰাত্মক হ'লে সৃষ্টি কৰ্ম ফলপ্ৰসু হয়। সেই সৃষ্টিয়ে সমাজক গতি প্ৰদান কৰে। আৰম্ভ হয় নব-জোৱাৰ। যি জোৱাৰে সকলোকে ছুই যায় আৰু নতুন চিন্তাৰ উদ্ৰেক ঘটাই সন্ধান দিয়ে এক নতুন বিপ্লৱৰ।

১৯৭৯-৮৫ চনৰ সময়ছোৱাত অসমত যি বিদেশী বিতাৰণ আন্দোলন হৈছিল, সেই আন্দোলনে এই অঞ্চলকো বেয়াকৈ চুই গৈছিল। এই অঞ্চলৰে ভুমেৰগুৰীৰ মিজানুৰ ৰহমান নামৰ চফল ডেকাজন আন্দোলনৰ ফলত চিৰদিনলৈ আমাৰ মাজৰ পৰা হেৰাই গ'ল। বহু মানুহ আঘাতপ্ৰাপ্ত হৈ দিন নিয়াব লগা হ'ল। ছাত্ৰ শিক্ষকৰ লগতে সৰ্বস্তৰৰ জনসাধাৰণৰ মনত সেই সময়ত শিক্ষা গ্ৰহণ, শিক্ষা বিস্তাৰৰ সপোনে দোলা দিব ধৰিলে। তেনে এক পৰিস্থিতি শাম কটাৰ পিছত অতদিনে ৰাইজে দেখি থকা সপোন দিঠকত পৰিণত কৰাৰ বাবে ১৯৮৯ চনত এই অঞ্চলৰ ৰাইজে সাধাৰণ সভা অনুষ্ঠিত কৰি এখন মহাবিদ্যালয় স্থাপনৰ সিদ্ধান্ত গ্ৰহণ কৰে। এই সিদ্ধান্ত কাৰ্যকৰী কৰাৰ বাবে সেই সময়ত প্ৰায় ৮৫ হাজাৰ টকা সংগ্ৰহ কৰি এটুকুৰা মাটি ক্ৰয় কৰা হয়। পৰৱৰ্তী সময়ত বিভিন্ন কাৰণত মহাবিদ্যালয় স্থাপন কৰা নহ'ল যদিও সেই টকাৰে ক্ৰয় কৰা মাটিত এখন ক্ষুদ্ৰ স্বাস্থ্য কেন্দ্ৰ স্থাপন কৰা হয়। বৰ্তমান মহাবিদ্যালয়খনৰ গাতে লাগি থকা উক্ত স্বাস্থ্য কেন্দ্ৰই অঞ্চলবাসীৰ যথেষ্ট উপকাৰ সাধন কৰি আছে। এই চেগতে মহাবিদ্যালয় স্থাপনৰ প্ৰথম পদক্ষেপৰ লগতে জড়িত থকা আৰু পৰৱৰ্তী সময়ত স্বাস্থ্যকেন্দ্ৰ গঢ়াত সহায় কৰা সকলো সদাশয় ব্যক্তিলৈ আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

মহাবিদ্যালয় প্ৰতিষ্ঠাৰ প্ৰথম পদক্ষেপ ব্যৰ্থ হ'লেও তাৰ প্ৰভাৱ মাৰ যোৱা নাছিল। ইতিমধ্যে ১৯৯১ চনৰ অসম বিধানসভাৰ নিৰ্বাচনত অভয়াপুৰী দক্ষিণ (অনু:) সমষ্টিৰ পৰা বিধায়ক হিচাপে নিৰ্বাচিত হোৱা শ্ৰীযুত চন্দন কুমাৰ সৰকাৰদেৱক ৰাইজৰ সপোনৰ কথা বিৱৰি কোৱাত ১১/১০/১৯৯২ ইং তাৰিখে এখনি সাধাৰণ সভা আহ্বান কৰা হয়। উক্ত সভাতেই মহাবিদ্যালয় স্থাপনৰ বাবে হোৱা আলোচনাত অন্যান্য বহুতৰে লগতে মইয়ো এটি আবেগ বিহ্বল ভাষণ প্ৰদান কৰিছিলোঁ। মোৰ দৰে সেই সময়ৰ এজন যুৱকৰ কথাত মুগ্ধ হৈ উপস্থিত সকলোৰে লগতে তদানীন্তন বিধায়ক মহাশয়ে কলেজ স্থাপনৰ বাবে ৰাইজৰ পৰামৰ্শ বিচাৰে আৰু সেই পৰামৰ্শৰ ভিত্তিতে এইখন মহাবিদ্যালয় প্ৰতিষ্ঠিত কৰা হয়। যি সকল বৰেণ্য ব্যক্তিয়ে এই সাধাৰণ সভাখনত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছিল তেওঁলোকৰ ভিতৰত উল্লেখযোগ্য আছিল আলহাজ আজাহাৰুল ইছলাম, আলহাজ হাতেম আলী, আব্দুছ ছামাদ ভূঞা, নুৰুল হক প্ৰমাণিক, মৰহুম আব্দুল কৰিম, আব্দুৰ ৰহিম, স্বৰ্গীয় মুকুল সৰকাৰ, আবুল কাশেম, স্বৰ্গীয় হীৰালাল সৰকাৰ, মৰহুম আলহাজ আজগৰ আলী, মৰহুম ফয়েজ উদ্দিন সৰকাৰ, অশ্বিনী কুমাৰ সৰকাৰ, মৰহুম মজিবৰ ৰহমান, মৰহুম আলহাজ আছেৰ আলী সেখ, জুবান আলী, প্ৰহ্লাদ চন্দ্ৰ পাল, আলহাজ শুকুৰ আলী ইত্যাদি। শ্ৰীযুত চন্দন কুমাৰ সৰকাৰ আছিল সভাৰ মধ্যমণি। সেইখন সভাতেই মেৰেৰচৰ নিবাসী, ভুমেৰগুৰী এম.আৰ. এম. হাইস্কুলৰ প্ৰধান শিক্ষক এম. ছফিউৰ ৰহমান চাহাবক অধ্যক্ষ হিচাপে লৈ মহাবিদ্যালয় স্থাপনৰ যাৱতীয় কাম -কাজ আৰম্ভ কৰা হয়। আজি আদৰণি সমিতিৰ সম্পাদকীয় প্ৰতিবেদন লিখাৰ প্ৰাক্ মুহূৰ্তত সেইসকল ব্যক্তিৰ কথা বাৰে বাৰে মনত পৰি আছে। তেওঁলোকৰ মাজৰ যি সকলে আমাৰ মাজৰ পৰা চিৰদিনৰ বাবে গুচি গ'ল, তেখেতসকলৰ আত্মাৰ সদগতি আৰু যিসকল জীৱিত আছে, তেওঁলোকৰ দীৰ্ঘায়ু কামনা কৰিলোঁ। লগতে মাটি, বাঁহ, কাঠ, শাৰিৰীক পৰিশ্ৰম, টকা-পইচা দান কৰা বৃহত্তৰ লেংটিছিঙা অঞ্চলৰ ৰাইজৰ লগতে দীৰ্ঘদিন বিনা বেতনত মহাবিদ্যালয়খনক সেৱা আগবঢ়োৱা সমূহ শিক্ষক-শিক্ষয়িত্ৰী আৰু কৰ্মচাৰীসকলৈ আন্তৰিক শ্ৰদ্ধা আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

এইবেলি মহাবিদ্যালয়খনে 'ৰূপালী জয়ন্তী' উৎসৱৰ সম্পাদকৰ দৰে এক গুৰু দায়িত্ব এই অভাজনৰ ওপৰত ন্যস্ত কৰাত আমি আমাৰ সীমাবদ্ধতাৰ মাজতো যৎপৰনাস্তি চেষ্টা অব্যাহত ৰাখিছোঁ। ৰূপালী জয়ন্তী উৎসৱটো সফল হ'লে এই অঞ্চলৰ বৌদ্ধিক উত্তোৰণৰ ক্ষেত্ৰত সি মাইলৰ খুটি হিচাপে চিহ্নিত হ'ব। এই উৎসৱৰ আদৰণি সমিতিৰ সভাপতি হিচাপে সন্মানীয় সাংসদ আব্দুল খালেক চাহাবে আগবঢ়োৱা অনবদ্য সহযোগিতাতাই আমাক যথেষ্ট প্ৰেৰণা যোগাইছে। মহাবিদ্যালয়খনৰ অধ্যক্ষা ড০ ৰীতা শৰ্মা বাইদেউৰ পৰিকল্পনা আৰু অন্যান্য সকলৰ সহায়-সহযোগত ৰূপালী জয়ন্তী সফল হ'লে আমাৰ শ্ৰম সাৰ্থক হ'ব। ধন্যবাদেৰে ...

।। জয়তু ৰাজীৱ গান্ধী মেম'ৰিয়েল কলেজ।।

(শ্বেইখ ছৈয়াদ আহমেদ)

# সভাপতিৰ কাপেদি



লেংটিছিঙা। নামেই যাৰ পৰিচয়, সেই ঠাইখনৰ নতুনকৈ পৰিচয় দিয়াৰ প্ৰয়োজন নাই। মই মাত্ৰ ক'ব বিচাৰিছোঁ যে এই ঠাইখন নামনি অসমৰ সংখ্যালঘু জনগণৰ প্ৰাণকেন্দ্ৰস্বৰূপ, অঘোষিত ৰাজনৈতিক ৰাজধানী আৰু বিদ্যা-শিক্ষাৰ কেন্দ্ৰস্বৰূপ।

"গোৰ মাৰি গংগাত পেলোৱা" কথাষাৰ লেংটিছিঙা আৰু ৰাজীৱ গান্ধী মেম'ৰিয়েল কলেজৰ ক্ষেত্ৰত এশ শতাংশই শুদ্ধ বুলি প্ৰমাণিত হৈছে। ১৯৭৯-৮৫ চনৰ ভয়াবহ অসম আন্দোলনৰ ফলত সংখ্যালঘু অধ্যুষিত লেংটিছিঙা আৰু ইয়াৰ ওচৰ-পাজৰৰ কলেজীয়া ছাত্ৰ-ছাত্ৰীসকলক যি অৱজ্ঞা আৰু অত্যাচাৰ কৰা হৈছিল, তাৰ পৰিণতিতে মুছলমান আৰু বঙালী হিন্দু সমাজখনৰ চিন্তাৰ ফচল হিচাপে ৰাজীৱ গান্ধী মেম'ৰিয়েল কলেজখন স্থাপন হৈছে।

এই কলেজখনত আৰম্ভণিৰে পৰা প্ৰবক্তা হিচাপে সেৱা আগবঢ়াবলৈ পাই নিজকে ধন্য মানিছোঁ। দেখোতে দেখোতে কেনেকৈ ২৭ টা বছৰ অতিক্ৰম কৰি আজিৰ এই সন্ধিক্ষণত আহি পালো, টলকিবই নোৱাৰিলোঁ। মাজে মাজে তিতা-কেঁহাৰ সোৱাদো পালোঁ। ৰাজনৈতিক পট পৰিৱৰ্তনে ১৯৯৬ চনত অসমৰ লগতে আমাৰ সমষ্টিতো ৰাজনৈতিক ধুমুহাই প্ৰবল জোকাৰণিৰ সৃষ্টি কৰিলে। মহাবিদ্যালয়খনৰ প্ৰতিষ্ঠাপক সভাপতি স্বৰ্গীয় চন্দন কুমাৰ সৰকাৰদেৱৰ শোচনীয় পৰাজয়ৰ ফলত নিৰাপত্তাজনিত কাৰণত আত্মগোপন কৰে। তাদুপৰি মহাবিদ্যালয় পৰিচালনা সমিতিৰ সাধাৰণ সম্পাদক তথা অধ্যক্ষৰ দায়িত্বত থকা মাননীয় এম. ছফিউৰ ৰহমান ছাৰেও ব্যক্তিগত কাৰণত ছুটিলৈ ভাৰপ্ৰাপ্ত অধ্যক্ষৰ দায়িত্ব মোৰ ওপৰত অৰ্পণ কৰি কলেজৰ পৰা আঁতৰি থাকে। ১৯৯৬ চনৰ মে' মাহৰ ১৩ তাৰিখৰ পৰা মোক দায়িত্ব দিয়াত নতুন পৰিচালনা কমিটি গঠন নোহোৱালৈকে কলেজখন গতিশীল অৱস্থাত ৰখাৰ উদ্দেশ্যে মৰহুম মহম্মদ আলী (অধিবক্তা) আৰু হোছেন আলী (অধিবক্তা) ছাৰৰ অপৰিসীম প্ৰচেষ্টাত ৮ খন মান কাৰ্যকৰী সভাৰ অন্তত ১৬/০৮/১৯৯৬ ইং তাৰিখৰ সাধাৰণ সভাৰ সিদ্ধান্ত মৰ্মে নৱ নিৰ্বাচিত বিধায়ক শ্ৰীযুত ৰবিন বণিক্য ছাৰক সভাপতি হিচাপে লৈ এখন কলেজ পৰিচালনা কমিটি গঠন কৰা হয় আৰু ঠিক এমাহৰ অন্তত ১৬/০৯/১৯৯৬ ইং তাৰিখত বহা কাৰ্যকৰী সভাৰ আগদিনাখনে ৰাতিপুৱা কলেজত উপস্থিত হৈ মোৰ পৰা হিচাপ পত্ৰাদি বুজি লয় আৰু ১৬/০৯/১৯৯৬ ইং তাৰিখত মোক ভাৰপ্ৰাপ্ত অধ্যক্ষৰ দায়িত্বৰ পৰা অব্যাহতি দিয়ে। সেইদিনাখনে এম. ছফিউৰ ৰহমান ছাৰে দায়িত্বৰ পৰা আঁতৰি আহে আৰু মৰহুম আবুল হোছেইন ছাৰে নতুন অধ্যক্ষৰ দায়িত্বভাৰ গ্ৰহণ কৰে।

বিভিন্ন ধৰণৰ ঘাত-প্ৰতিঘাতৰ লগত ধৈৰ্য, নিষ্ঠা আৰু সাহসৰে মোকাবিলা কৰি মহাবিদ্যালয়খনক ভাল পোৱা প্ৰতিজন শুভাকাংক্ষী, স্থানীয় ৰাইজ, ভূমিদাতা সকল, শিক্ষক-কৰ্মচাৰী সকল আৰু বিভিন্ন সময়ত গঠন হোৱা পৰিচালনা সমিতিৰ সদস্য বৃন্দৰ ঐকান্তিক প্ৰচেষ্টাত মহাবিদ্যালয়খনে বৰ্তমানৰ অৱস্থাত উপনিত হ'বলৈ সক্ষম হৈছে।

কলেজখনৰ ৰূপালী জয়ন্তী উৎসৱ অনুষ্ঠিত কৰাৰ কাৰণে যিসকল সদাশয় ব্যক্তিয়ে আমাক উৎসাহ উদ্দীপনা যোগাই আহিছে, সেইসকল ব্যক্তিলৈ জনাইছোঁ আন্তৰিক শুভেচ্ছা। ৰূপালী জয়ন্তীৰ মুখপত্ৰ 'স্মৃতিগ্ৰন্থ' ৰ বাবে যিসকল সদাশয় ব্যক্তিয়ে ব্যস্ততাৰ মাজতো সময় উলিয়াই প্ৰবন্ধ আদি লিখি আমাক সহায়-সহযোগিতা আগবঢ়ালে, সেই সকল নমস্য ব্যক্তিলৈ আমাৰ ফালৰ পৰা আন্তৰিক ধন্যবাদ জনালোঁ।

**আয়ুব খান, সভাপতি**
**'ৰূপালীম'**

# সম্পাদকীয়...



সময় বৰ নিষ্ঠুৰ। ই কাৰো ফলীয়া নহয়। সময়ে শিকায় বহু কথা। সময়ে সৃষ্টি কৰে দৃষ্টান্তমূলক অনুষ্ঠান-প্ৰতিষ্ঠান। সময় নিজৰ মতেই চলে।

১৯৭৯-৮৫ চনৰ কালছোৱাত অসমত যি বিদেশী বিতাৰণ আন্দোলন হৈছিল, সেই আন্দোলনৰ সময়ত অসমৰ সৰ্বত্তৰৰ সংখ্যালঘু জনসাধাৰণ ব্যাপক ক্ষতিৰ মুখত পৰিছিল। স্কুল-কলেজত পঢ়ি থকা সংখ্যালঘু ছাত্ৰ-ছাত্ৰী সকল লাঞ্ছনা-গঞ্জনাৰ সন্মুখীন হ'ব লগা হৈছিল। চৰিওফালৰ পৰা চেপি ধৰা এইসকল মানুহৰ মনত হতাশা, আশংকাই ছানি ধৰিছিল। এই লাঞ্ছনা-গঞ্জনাৰ মূলতেই যে নিৰক্ষতা, সামাজিক জীৱনৰ পশ্চাদপদতা, সেইকথা গাঁৱৰ সহজ-সৰল লোকেও বুজি উঠিছিল। ইয়াৰ ফলস্বৰূপে অসমৰ সংখ্যালঘু অধ্যুষিত অঞ্চল সমূহত গঢ়ি উঠিছিল কিছুমান উচ্চ শিক্ষাৰ অনুষ্ঠান। লেংটিছিঙাৰ 'ৰাজীৱ গান্ধী মেম'ৰিয়েল কলেজ' খনো সেই চিন্তা-চৰ্চাৰ ফচল বুলি কোৱা হয়।

১৯৯২ চনৰ ১১ অক্টোবৰ তাৰিখে প্ৰতিষ্ঠিত এই কলেজখনে চাওঁতে চাওঁতে ২৭ টা বসন্ত অতিক্ৰম কৰিলে। কলেজখনৰ এই সুদীৰ্ঘ যাত্ৰাপথত অনেক ঘাত-প্ৰতিঘাত আহিছে যদিও এই অঞ্চলৰ বিদ্যানুৰাগী ৰাইজৰ সহযোগত কৰ্তৃপক্ষই সেইবোৰ অতিক্ৰম কৰি আহিবলৈ সক্ষম হৈছে। প্ৰতিষ্ঠা কালৰ পৰা কলেজখনে বিদ্যায়তানিক দিশত যি সফলতাৰ ধাৰা অক্ষুন্ন ৰাখিব পাৰিছে, সেয়াও কম কৃতিত্বৰ কথা নহয়। এই সফলতাৰ সংজ্ঞা কি? আমি কেনেকৈ সাফল্য চিনিব পাৰিম? কোনো লোকৰ বাবে সাফল্যই সম্পদ বুজাব পাৰে। আন কাৰোবাৰ বাবে সাফল্য এক স্বীকৃতি, সন্তুষ্টি আৰু মানসিক শান্তি। ই ভিন্নজনৰ বাবে ভিন্ন অৰ্থ বুজাব পাৰে। আৰ্ল নাইটিংগেলৰ মতে, "সাফল্য হ'ল এক যোগ্য লক্ষ্যৰ প্ৰতি ক্ৰমাগত উপলব্ধি।" এই ক্ৰমাগত শব্দটোৱে বুজাইছে যে সাফল্য এটা যাত্ৰাপথ, এক লক্ষ্যস্থান নহয়। এই যাত্ৰাপথৰ অন্ত নাই। ৰাজীৱ গান্ধী মেম'ৰিয়েল কলেজখনো সেই যাত্ৰাপথৰ পথিক। এই পথিক ভাগৰুৱা হ'লে নহ'ব, ই হ'ব লাগিব উদ্যমী, উৎসাহী আৰু বটবৃক্ষৰ দৰে ছাঁ দিব পৰা ক্ষমতাৰ অধিকাৰী।

এখন কলেজ এটা অঞ্চলৰ পৰিচয় আৰু মৰ্যদাৰ ধাৰক-বাহক হ'ব পাৰে। উদাহৰণস্বৰূপে, কব পাৰো যে বৃহত্তৰ কলগাছিয়া অঞ্চল বা যোৰহাটৰ জে. বি. কলেজখনে সেই বিশেষ অঞ্চল দুটাৰ বিদ্যা-শিক্ষা, সংস্কৃতি আদিক প্ৰতিনিধিত্ব কৰিছে। কটন কলেজখনে সমগ্ৰ অসমক বাহিৰা জগতৰ সৈতে পৰিচয় কৰি দিবলৈ সক্ষম হৈছে। অন্যান্য শিক্ষানুষ্ঠান সমূহেও নিজ নিজ অঞ্চলক সু-প্ৰতিষ্ঠিত কৰাত সহায় কৰিছে। কিন্তু একে সময়তে আমি এই কথাও ক'ব লাগিব যে এখন কলেজ কেনেকৈ তেনে গুণ-গৰিমাৰে কোনো এটা অঞ্চলক উজলাব পাৰিব, যেতিয়া কলেজখনৰ লগত জড়িত চাৰিটা উপাদানৰ সমন্বয় সাধন হ'ব। সেই উপাদান কেইটা হ'ল - শিক্ষক, ছাত্ৰ, অভিভাৱক আৰু পৰিচালক মণ্ডলী। শিক্ষক সকলে নিয়মিত ক্লাছ কৰাৰ উপৰিও ছাত্ৰ-ছাত্ৰী সকলক উদ্যমী, উৎসাহী কৰিব লাগিব। তেওঁলোকৰ মনত 'সপোন' সৃষ্টি কৰিব লাগিব। নিজে সমাজ সেৱাৰ মনোভাৱেৰে আহিঁ দেখুৱালে ছাত্ৰ-ছাত্ৰীৰ কাৰণে ম'বাইল ফোন নিষিদ্ধ কৰি শিক্ষক সকলে উচ্চস্বৰত ম'বাইলত ভিডিও চোৱা, বাতৰি শুনা, কোনো নেতাৰ ভাষণ শুনা কোনোপধ্যেই

গ্ৰহণযোগ্য নহয়। কিন্তু কাৰ্যক্ষেত্ৰত সেয়াই হৈ আছে। এয়া কেনেধৰণৰ শিক্ষকৰ বৈশিষ্ট সেয়া আমাৰ বুজিবলৈ টান হয়।

আনহাতে আন এচাম শিক্ষকে কোনো ধৰণৰ গঠনমূলক কাম নকৰি সদায় আনক সমালোচনা কৰোতেই ব্যস্ত থাকে। এই ধৰণৰ শিক্ষকো আমাৰ সমাজত বহুত আছে। তেওঁলোকে কেতিয়াবা আনৰ দ্বাৰা পৰিচালিত হৈও কিছুমান অনুচিত কাৰ্য কৰা দেখা যায়।এইসকল শিক্ষকে নিজ অনুষ্ঠানৰ লগতে বৃহত্তৰ অঞ্চল একোটাৰ মান-সন্মান নিজে নজনাকৈ ভূ-লুণ্ঠিত কৰি আছে। ভগৱানে তেনে শিক্ষকক সুমতি দিয়ক।

আজিকালিৰ ছাত্ৰ-সমাজ নিজৰ দায়িত্ব-কৰ্তব্যৰ প্ৰতি পিঠি দি গল্প-আড্ডা, ম'বাইল ফোন আদিত ব্যস্ত থকা দেখা যায়। দৰিদ্ৰ পিতৃ-মাতৃৰ কষ্টৰ ধন খৰচ কৰি পঢ়িবলৈ অহা এনে এচাম ছাত্ৰই নাজানে যে তেওঁলোকৰ ভৱিষ্যত তওঁলোকে নিজেই তিমিৰাচ্ছন্ন কৰি আছে। অৱশ্য তাৰ বিপৰীতে তুলনামূলকভাৱে ছাত্ৰী সকলে পঢ়া-শুনাৰ প্ৰতি যি উৎসাহ দেখুৱাই আহিছে, সেয়া যথেষ্ট ইতিবাচক, প্ৰশংসাযোগ্য। বৰ্তমানৰ এই ধাৰাটো অব্যাহত থাকিলে অনাগত ভৱিষ্যতে মহিলা সকলৰ অৱস্থা জয় জয়কাৰ হ'ব বুলি আশা কৰিব পাৰি।

অভিভাৱক সকলৰ অনুশাসন, মৰম-স্নেহ আৰু শিক্ষানুষ্ঠানৰ প্ৰতি আন্তৰিকতা থাকিলে, মাজে সময়ে খা-খবৰ ল'বলৈ আহিলে, পঢ়া-শুনাৰ পৰিৱেশ উন্নত হয়। তেওঁলোকে নিজৰ ল'ৰা বা ছোৱালীজনীয়ে ঠিকমতে ক্লাছ আদি কৰে নে নাই, বা শিক্ষক সকলে ৰুটিন মতে ক্লাছ আদি লয় নে নাই, আদি বিষয়বোৰ তদাৰক কৰিলে শিক্ষাৰ মানদণ্ড উন্নত হোৱাৰ লগতে নিজৰ নিজৰ সপোনবোৰো বাস্তবায়িত হ'ব। অভিভাৱকৰ কাৰণে শিক্ষানুষ্ঠানৰ দুৱাৰ সদায় মুকলি কৰি ৰাখিব লাগে। মাজে সময়ে অভিভাৱক সভা অনুষ্ঠিত কৰি শিক্ষাৰ মানদণ্ড সম্পৰ্কে চিন্তা-চৰ্চা, আলোচনা আদি কৰা নিতান্তই দৰকাৰ।

শিক্ষানুষ্ঠান এখনৰ সঠিক পথ দেখুৱায় পৰিচালনা সমিতিয়ে। এই সমিতিৰ সদস্য তথা বিষয়ববীয়া সকলে নিখুত ভাৱে কাম কৰাৰ লগতে ছাত্ৰ-শিক্ষক-কৰ্মচাৰীৰ মাজত সু-সমন্বয় ৰক্ষা কৰিব পৰিলে কৰ্ম-সংস্কৃতি, শিক্ষাৰ পৰিৱেশ আদি গঢ়ি উঠে। তাৰবাবে পৰিচালক সকল মানৱতাবাদী হোৱাৰ লগতে অনুশাসনৰ সঠিক প্ৰয়োগ কৰা দৰকাৰ।

আমাৰ সমাজ তথা দেশৰ ভালেমান সমস্যা আছে। আমাৰ মাজত মানবীয় গুণ থকাৰ বাবে আমি সেই সমূহৰ পৰা আঁতৰি থাকিব নোৱাৰো। সদ্যহতে অসমত ৰাষ্ট্ৰীয় নাগৰিক পঞ্জী (এন.আৰ.চি.), নাগৰিকত্ব সংশোধনী আইন (চি.এ.এ.) আদিক লৈ অগ্নিগৰ্ভ পৰিস্থিতিৰ উদ্ভৱ হৈছে। আমি এই পৰিস্থিতিত জীৱন-যাপন কৰি থকাৰ বাবে আমাকো এইবোৰে চুঁই গৈছে। এজন সাধাৰণ ব্যক্তি হিচাপে কওঁ যে ৰাজনীতিয়ে সমাজক ভাগ ভাগ কৰে, সাহিত্য, সংস্কৃতিয়ে সমাজত এক তাৰ সৃষ্টি কৰে। আমাৰ শিক্ষিত যুৱক-যুৱতী সকলে এই সমস্যা সমূহ অনুধাৱন কৰা উচিত। তেওঁলোকেও এই সমস্যা সমূহ সমাধানৰ কথা চিন্তা কৰক। শিক্ষা-দীক্ষা, কলম-কাগজৰ পৰিৱৰ্তে অন্য কোনো পন্থাৰে মানুহে নিজৰ জীৱন সলনি কৰিব নোৱাৰে। গতিকে আমাৰ ছাত্ৰ-ছাত্ৰীসকলে শিক্ষা গ্ৰহন, শিক্ষাৰ প্ৰচাৰ আৰু প্ৰসাৰ কৰি দেখুৱাই দিয়ক "কলম তৰোৱালতকৈ তীক্ষ্ণ।" ৰাজীৱ গান্ধী মেম'ৰিয়েল কলেজখন প্ৰতিষ্ঠাকালৰ পৰা বৰ্তমানলৈকে উন্নয়নৰ পথত আগবঢ়াই নি য়াত অশেষ পৰিশ্ৰম আৰু ত্যাগ স্বীকাৰ কৰিছে সেইসকলৰ প্ৰতি আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। লগতে আমাৰ প্ৰাক্তন অধ্যক্ষসকলৰ ভিতৰত বিশেষকৈ এম. হুফিউৰ ৰহমান, মৰহুম আবুল হুছেইন সেখ, ড০ জহৰুল ইছলাম চাহাবলৈ আমাৰ আন্তৰিক ধন্যবাদ আৰু শ্ৰদ্ধা নিবেদন কৰিলোঁ। বৰ্তমানৰ অধ্যক্ষা ড০ ৰীতা শৰ্মা বাইদেউলৈয়ো ধন্যবাদ জ্ঞাপন কৰিলোঁ।

আমাৰ কলেজখনৰ সমস্যা বহুত। আজিৰ তাৰিখতো প্ৰায় ২০ জন মান অধ্যাপক-কৰ্মচাৰীৰ চাকৰি প্ৰদেশীকৰণ নোহোৱাত তেওঁলোক অথাই সাগৰত পৰি আছে। চৰকাৰে মানৱীয়তাৰ খাতিৰত হ'লেও আমাৰ কলেজখনৰ দৰেই অন্যান্য কলেজতো এনে সমস্যাৰ সন্মুখীন হৈ থকা শিক্ষক-কৰ্মচাৰীৰ সমস্যা সমূহ আন্তৰিকতাৰে সমাধানৰ ব্যৱস্থা কৰিলে বহুতো সমস্যা সমাধান হ'ব। শিক্ষাৰ পৰিৱেশো উন্নত হ'ব। অসম চৰকাৰে এই বিষয়বোৰ গুৰুত্ব সহকাৰে বিবেচনা কৰিব বুলি আশা কৰিলোঁ। চৰকাৰৰ সদিচ্ছাই ইতিবাচক চিন্তা-ভাৱনাৰ পৰিৱেশ তৈয়াৰ কৰিব বুলি আশা কৰিব পাৰো।

কৰবাত পঢ়িছিলো, " আমাৰ চিন্তা-ভাৱনাই কৰ্ম ক্ষেত্ৰলৈ লৈ যায়। কৰ্ম অভ্যাসত পৰিণত হ'লে কৰ্ম-সংস্কৃতি গঢ়ি উঠে। সুন্দৰ কৰ্মসংস্কৃতিয়ে আমাৰ ভাগ্য নিৰ্ণয় কৰে।"

**ড০ আব্দুছ ছবুৰ**
**সম্পাদক, ৰূপালীম**

# 'ৰূপালীম' সম্পাদনা সমিতি



এম. ছফিউৰ ৰহমান
উপদেষ্টা



ড০ ৰীতা শৰ্মা
উপদেষ্টা



আয়ুব খান
সভাপতি



ড০ আব্দুছ ছবুৰ
সম্পাদক



শাহজাহান আলী
সদস্য



আবু বক্কৰ ছিদ্দিক
সদস্য



আনোৱাৰ হুছাইন
সদস্য



নাজিৰ হুচেইন
সদস্য



শ্ৰী ৰণজিত কুমাৰ শৰ্মা
সদস্য



আমজেদ আলী
সদস্য



আনোৱাৰ হুছেইন
সদস্য



আব্দুল জলিল আহমেদ
সদস্য



শেখ ছৈয়দ আহমেদ
আমন্ত্ৰিত সদস্য



শ্ৰী শিবেন কুমাৰ ঘোষ
আমন্ত্ৰিত সদস্য



শ্ৰী বিনোদ কুমাৰ বৰ্মন
সদস্য



শ্ৰী দেৱাশীষ পাঠক
সদস্য



ৰেজাউল ইছলাম বিশ্বাস
সদস্য



আব্দুল কুদ্দুছ
সদস্য

# 'ৰূপালীম' ৰ পাতে পাতে


ৰাজীৱ গান্ধী মেম'ৰিয়েল কলেজৰ ইতিবৃত্ত ➢ আলহাজ হাতেম আলী / ১

সংখ্যালঘু মুছলমানসকলৰ পশ্চাদপদতাৰ কাৰণ বিচাৰি ➢ ড° আতোৱাৰ ৰহমান / ৭

ভাৰতবৰ্ষৰ ৰাজনৈতিক প্ৰেক্ষাপট আৰু ছাত্ৰসমাজ ➢ ড° ৰীতা শৰ্মা / ১১

এক মহান ব্যক্তিত্বৰ মহাপ্ৰয়াণ ➢ আব্দুল খালেক / ১৫

স্মৃতিৰ কিছু অৱলোকন ➢ বিল্লাল হুছেইন / ১৭

চৰ-চাপৰিবাসী অসমীয়াৰ ইতিহাস আৰু অসমীয়া ভাষা-সাহিত্যলৈ তেওঁলোকৰ অৱদান ঃ এক অৱলোকন ➢ ড° হাফিজ আহমেদ / ২০

স্বৰ্গীয় মাণিক চন্দ্ৰ প্ৰামাণিক আৰু মৰহুম আবুল হুছেইন শেখৰ চিন্তা আৰু দৰ্শন ➢ আজাহাৰ আলী / ২৭

ইতিহাস সমৃদ্ধ লেংটিছিঙাৰ অতীত আৰু বৰ্তমান ➢ আমজাদ আলী / ৩৩

চৰ-চাপৰিৰ মুছলমান সমাজ ঃ অসমীয়া জাতি গঠন প্ৰক্ৰিয়াত চৰ-চাপৰিবাসীৰ ভুমিকা আৰু আত্ম সমালোচনা ➢ আয়ুব খান / ৩৬

আমাৰ শিক্ষা ব্যৱস্থা আৰু শিক্ষা সংকট ➢ অশ্বিনী বেজবৰুৱা / ৪৮

ৰাজীৱ গান্ধী মেম'ৰিয়েল কলেজ ঃ অতীত আৰু বৰ্তমান ➢ শিৰাজুল হক প্ৰামানিক / ৫১

আমাক এক গ্ৰন্থ আন্দোলন লাগে ➢ ড° ধীৰেন শৰ্মা / ৫৬

বিশ্ববিশ্ৰুত এখন উপন্যাসৰ এটা সংলাপ ➢ অশ্বিনী দাস / ৬১

শিক্ষাৰ গুৰুত্ব আৰু কৰণীয় ➢ আব্দুল জলিল আহমেদ / ৬৮

মোৰ চৰ-চাপৰি যাত্ৰা আৰু কিছু অনুভৱ ➢ জুৰি শইকীয়া / ৭২

শিশুৰ উত্তৰণ আৰু শিক্ষাৰ অধিকাৰ ➢ ৰফিকুল ইছলাম / ৭৫

এ.এফ. গোলাম ওচমানী ঃ অন্যায়ৰ বিৰুদ্ধে আজীৱন সংগ্ৰামেই যাৰ পৰিচয় ➢ ছফিউৰ ৰহমান / ৭৭

ৰূপালী জয়ন্তীৰ দুৱাৰ ডলিত আমাৰ অনুভৱ ➢ ছানিয়াৰা খাতুন / ৮২

চৰ-চাপৰিৰ মুছলমান সমাজৰ প্ৰচলিত লোকগীত ➢ লিলি দাস / ৮৪

ইছলাম আৰু নাৰী ➢ দাবিৰ উদ্দিন আহমেদ / ৮৯

মোৰ কৰ্মস্থলী ঃ অনুভৱ আৰু অভিজ্ঞতাৰ সমাহাৰ ➢ মহৰ আলী মণ্ডল / ৯২

নাৰী শিক্ষাৰ প্ৰয়োজনীয়তা আৰু অগ্ৰগতি ➢ ছোবহাব আলী মণ্ডল / ৯৭

প্ৰতিবাদৰ ভাষা ➢ শ্ৰী বিপুঞ্জয় গগৈ / ১০১

মোৰ স্মৃতিপটত ৰাজীৱ গান্ধী সৌৰৱণী মহাবিদ্যালয় ➢ আতাউৰ আনছাৰী / ১০৪

অসমীয়া ভাষা সাহিত্য-সংস্কৃতিলৈ চৰ-চাপৰিবাসীৰ অৱদান ঃ এটি আলোকপাত ➢ তাহমিনা খাতুন / ১০৭

লেংটিছিঙা অঞ্চলত বৃত্তিমূলক শিক্ষাৰ গুৰুত্ব আৰু প্ৰাসংগিকতা ➢ শ্ৰী সুভাষ চন্দ্ৰ সূত্ৰধৰ / ১১৩

বঙালী সমাজৰ 'পন' (যৌতুক) ব্যৱস্থা ঃ এটি বিশ্লেষণ ➢ লক্ষ্মী সাহা / ১১৬

জীৱন বৃক্ষৰ দৰে ধৈৰ্য্যশীল হ'ব লাগে ➤ ইকবাল হুছাইন / ১১৮
আমাৰ মহাবিদ্যালয়, আমাৰ গৌৰৱ ➤ শ্বাবানা আকতাৰ / ১১৯
অবিভক্ত গোৱালপাৰা জিলাৰ চৰ অঞ্চলত
প্ৰচলিত লোকগীত ঃ এটি আলোচনা ➤ ড° বন্দনা কলিতা / ১২২
অতীতে ৰিভিয়ায় ঃ বিলুপ্তিৰ পথত পৰম্পৰাগত
খেল-ধেমালি আৰু লোক-সংস্কৃতি ➤ আনোৱাৰ হুছাইন / ১২৬
স্বাস্থ্য সজাগতা ➤ ফজলুৰ ৰহমান / ১৩০
বিশ্ব বন্য প্ৰাণী দিৱস ➤ ড° মৰমী বৰঠাকুৰ তালুকদাৰ / ১৩১
সম্পূৰ্ণ শিক্ষাৰ ক্ষেত্ৰত ছাত্ৰ-ছাত্ৰী,
শিক্ষক আৰু অভিভাৱকৰ ভূমিকা ➤ আছাদুল ইছলাম / ১৩২
ৰাজীৱ গান্ধী মেম'ৰিয়েল কলেজত প্ৰথম ভৰ্ত্তি হোৱা
ছাত্ৰৰ মনৰ কথা ➤ আছান আলী আহমেদ / ১৩৩
নাৰী শিক্ষাৰ প্ৰয়োজনীয়তা ➤ ৰেহেনা খাতুন / ১৩৫
ৰূপালী জয়ন্তীৰ প্ৰাক্ক্ষণত মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ প্ৰথম সাধাৰণ
সম্পাদকৰ অনুভৱ ➤ জয়নাল আবেদিন / ১৩৮
ৰাজীৱ গান্ধী মেম'ৰিয়েল কলেজৰ ৰূপালী জয়ন্তীৰ অনুভৱ ➤ / ১৩৯
Fight for right ➤ Liakat Ali Ahmed / 143
Impact of Literature on Society ➤ Abul Kalam Azad / 150
Education System in the Char-Chaparis of Assam :
Problems and Remedies ➤ Dr. Md. Eakub Ali / 152
Land Tenure System in Char areas of
Assam : An Analysis ➤ Shahjahan Ali Sheikh / 163
Quran and Science on the Creation of
Human Structure : A Concise Discussion ➤ Shahidur Rahman / 177
Assam Tea ➤ Nibedita Das Gayan / 180
Formation and Function of NAAC ➤ Abdul Khaleque/ 183
Need for Digization in College Libraries ➤ Muzafor Ali Ahmed / 186
Beneath the Demise ➤ Zahidul Islam / 189
RGM College NSS Unit : A Flashback ➤ Golam Sarrowar / 190
What is Real Success in Life ➤ Abu Bakkar Siddique / 193
Silver Jubilee Celebration Committe / 194
Various Sub-Committes in Collection with
Silver Jubilee Celebration, 2019-2020 / 196
Results of the College at a Glance / 200

# ৰাজীৱ গান্ধী মেম'ৰিয়েল কলেজৰ ইতিবৃত্ত



আলহাজ হাতেম আলী, বি.এ.বি.টি.
অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক

লেংটিছিঙা এখনি ধৰ্মীয় আৰু ভাষিক সংখ্যালঘু অধ্যুষিত অঞ্চল। এই অঞ্চলৰ মানুহে নিজকে অসমীয়া হিচাপে পৰিচয় দি গৌৰব অনুভৱ কৰে। ই এখন কৃষি প্ৰধান ঠাই। অতীজৰে পৰা বেপাৰ-বাণিজ্যৰ বাবে বিখ্যাত। অতীতত আন্তঃৰাজ্যিক বেহা বেপাৰৰ বাবে ই বিখ্যাত আছিল। সেয়ে লেংটিছিঙা ব্যৱসায়-বাণিজ্যৰ প্ৰাণ কেন্দ্ৰ স্বৰূপ। ৰাজ্যৰ অৰ্থনৈতিক গাঁথনিত এই অঞ্চলে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰি আহিছে। এই অঞ্চলত বসবাস কৰা হিন্দু-মুছলমানৰ মাজত সাম্প্ৰদায়িক সম্প্ৰীতিৰ ধাৰা ইতিহাসে ঢুকি নোপোৱা দিনৰে পৰাই চলি আহিছে আৰু আজিলৈ ই অটুট আছে। এই কথালৈ বৃহত্তৰ লেংটিছিঙাবাসীয়ে গৌৰব অনুভৱ কৰে।

লেংটিছিঙা অঞ্চলৰ প্ৰাচীন ইতিহাস জানিবলৈ আমি উভতি যাব লাগিব বহু অতীতলৈ। ১৮৯৭ চনৰ ১২ জুনত এটা ডাঙৰ ভূমিকম্প হৈছিল। সেই ভূমিকম্পৰ তীব্ৰ জোকাৰণিত বহু ঠাই বহি যায় আৰু লগে লগে ধ্বংস স্তুপত পৰিণত হয়, বিজনী ৰাজ্যৰ ৰাজধানী ডুমুৰীয়া। ইয়াৰ দালান ভাঙি পৰাৰ লগতে ৰাজধানীৰ ঘৰ-দুৱাৰ চূৰ্ণ বিচূৰ্ণ হয়। সেয়ে আজিও এই ঠাইৰ নাম দালানভাঙ্গা বুলি কয়। ভুঁইকপ আৰু বানপানীৰ তাণ্ডৱ অসহনীয় হৈ পৰাত উপযুক্ত স্থানত ৰাজধানী পুনঃ প্ৰতিষ্ঠা কৰিবলৈ বিষয়াসকলে প্ৰথমতে যোগীঘোপাক নিৰ্বাচন কৰিছিল। কিন্তু দূৰদৰ্শী ৰাণী অভয়েশ্বৰীয়ে যোগীঘোপাত ৰাজধানী পাতিলে সেই ঠাইৰ পৰা বহু প্ৰজাক উচ্ছেদ কৰিব লাগিব বুলি জানি বৰ্তমানৰ অভয়াপুৰী নামৰ ঠাইখিনিতে অটব্য হাবি-বন পৰিস্কাৰ কৰি ৰাজধানী স্থাপনৰ সিদ্ধান্ত লয়। প্ৰচলিত প্ৰবাদ মতে ৰাণী অভয়েশ্বৰীৰ নামেৰে অভয়াপুৰীৰ নামাকৰণ হয়। কিছুমানে কুলদেৱী অভয়াদেৱীৰ নামেৰে অভয়াপুৰী হোৱা বুলিও ক'ব খোজে। যদিও বিজনী আৰু ডুমুৰীয়াত ৰাজধানী থকাৰ সময়তো ৰাজগৃহত অভয়াদেৱীৰ পূজা পাতল হৈছিল। কিংবদন্তী মতে এসময়ত মানাহ নদীখন সৰু নিজৰাৰ দৰে আছিল আৰু খোজ কাঢ়ি নদী পাৰ হ'ব লাগিছিল। কিন্তু বাৰিষাত ইয়াৰ সোঁত ইমান প্ৰবল হৈছিল যে ইপাৰৰ পৰা সিপাৰলৈ পাৰ হওঁতে সেই সময়ত লাজ নিবাৰণৰ বাবে পিন্ধা লেংটিডাল টানোতে টানোতে কেনেবাকৈ ছিঙি গৈছিল আৰু তেতিয়াৰ পৰাই মানাহ নৈৰ পশ্চিম পাৰৰ এই ঠাই ডোখৰৰ নাম লেংটিছিঙা হয় বুলি প্ৰবাদ আছে।

ভাৰতবৰ্ষই স্বাধীনতা লাভ কৰাৰ পিছত বিজনী ৰাজ্যৰ জমিদাৰী প্ৰথা ১৯৫৬ ইং চনত শেষ হয়। অভয়াপুৰীও নগৰলৈ পৰিৱৰ্তন হয়। পিছলৈ অভয়াপুৰীক উত্তৰ শালমাৰা মহকুমাৰ সদৰ হিচাবে ঘোষণা কৰাত ৰাণী অভয়েশ্বৰীৰ দিনৰ ৰাজ

প্ৰশাসনৰ পৰিৱৰ্তে চৰকাৰী শাসনৰ কেন্দ্ৰ হৈ পৰে। এই অভয়াপুৰী চহৰৰ পৰা প্ৰায় ৫ (পাঁচ) কিলোমিটাৰ পূবফালে অৱস্থিত তাহানিৰ বিজনী ৰাজ্যৰ ৰাজধানী ডুমুৰীয়াৰ ভগ্নৱশেষ এতিয়াও বিদ্যমান। ইয়াৰ প্ৰায় ১ (এক) কিলোমিটাৰ পূৱে বৰ্তমানৰ লেংটিছিঙা বজাৰ। এই বজাৰখন প্ৰকৃত লেংটিছিঙা বজাৰৰ পঞ্চম অৱস্থান। এই অঞ্চলত বৰ্তমানে কেইবাখনো প্ৰাইমাৰী বিদ্যালয়, মধ্য ইংৰাজী বিদ্যালয়, উচ্চ আৰু উচ্চতৰ মাধ্যমিক বিদ্যালয় আছে। কিন্তু বহু বছৰ ধৰি উচ্চ শিক্ষাৰ বাবে এখনি মহাবিদ্যালয়ৰ প্ৰয়োজন অনুভৱ কৰি অহা হৈছিল।

ইতিমধ্যে ১৯৭৯ ইং চনৰ পৰা অসমত প্ৰথমতে বহিৰাগত পিছত বিদেশী খেদা আন্দোলন আৰম্ভ হয়। সেই সময়ত অভয়াপুৰী মহাবিদ্যালয়ৰ বাদে এই চৰ-চাপৰি অঞ্চলত কোনো মহাবিদ্যালয় স্থাপন হোৱা নাছিল। সেয়ে এই বৃহৎ চৰ অঞ্চলৰ ল'ৰা-ছোৱালীসকলৰ অধিকাংশই অভয়াপুৰী মহাবিদ্যালয়ত অধ্যয়ন কৰিছিল। কিন্তু কিছু উগ্ৰজাতীয়াবাদী মনোভাৱৰ আন্দোলনকাৰীয়ে অভয়াপুৰীৰ চাৰিওফালৰ পিছপৰা অঞ্চলৰ ছাত্ৰ-ছাত্ৰীসকলক নিৰ্যাতন, অত্যাচাৰ কৰাৰ ফলত অভয়াপুৰী মহাবিদ্যালয়ত পঢ়া-শুনা কৰাত নানা বাধাৰ সন্মুখীন হৈছিল। ইয়াৰ ফলত সময়ে সময়ে কিছু অপ্ৰীতিকৰ পৰিস্থিতিৰ উদ্ভৱ হৈছিল। যাৰ বাবে অভয়াপুৰী চহৰৰ কেইগৰাকীমান সু-মতিসম্পন্ন নেতৃস্থানীয় ব্যক্তিয়ে লেংটিছিঙা অঞ্চলত আহি ইয়াৰ মুখীয়াল ব্যক্তিসকলৰ লগত বহি কাজিয়া-পেচাল মীমাংসা কৰিছিল। এনে পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত এই বৃহৎ চৰ অঞ্চলৰ ল'ৰা-ছোৱালীৰ উচ্চ শিক্ষাৰ বাবে লেংটিছিঙাত এখন কলেজ স্থাপন কৰাৰ চিন্তা-চৰ্চা কৰি ইয়াৰ কেইগৰাকীমান শিক্ষানুৰাগী আৰু সামাজিক চিন্তাধাৰাৰ ব্যক্তিসকলে ১৯৮১ ইং চনত লেংটিছিঙা বজাৰত এখনি সাধাৰণ সভা অনুষ্ঠিত কৰি লেংটিছিঙাত কলেজ স্থাপনৰ বাবে প্ৰস্তুতি কমিটি গঠন কৰে। সেইমতে ডুমুৰীয়াৰ মৰহুম আবুল হাশেম দেৱানীক সভাপতি, স্বৰ্গীয় হীৰালাল সৰকাৰক উপ-সভাপতি, মোঃ হাতেম আলীক সম্পাদক, শ্ৰী প্ৰহ্লাদ চন্দ্ৰ পালক কোষাধ্যক্ষ হিচাপে লৈ এটি ৩১ জনীয়া কলেজ নিৰ্মাণ প্ৰস্তুতি কমিটি গঠন কৰা হয়। এই প্ৰস্তুতি কমিটিয়ে কলেজখনৰ বাবে মাটি কিনাৰ পুঁজি সংগ্ৰহ কৰিবলৈ বিভিন্ন আনন্দমেলা আৰু আন আন উৎসৱ পৰা ধন সংগ্ৰহ কৰি কলেজৰ নামত প্ৰায় ৪ (চাৰি) বিঘা মাটি চাৰকবলা ৰেজিষ্টাৰ কৰি কিনা হয়। কিন্তু সেই সময়ৰ অগ্নিগৰ্ভা পৰিস্থিতিৰ বাবে ১৯৮০ ইং চনত গঠন কৰা সদৌ অসম সংখ্যালঘু ছাত্ৰ ইউনিয়ন চমুকৈ 'আমছু'ৰ তদানীন্তন সভাপতি আব্দুল হাই নাগৰি, আমছুৰ কৰ্মকৰ্তা প্ৰয়াত চন্দন কুমাৰ সৰকাৰ আৰু আন আন নেতৃবৃন্দই বিভিন্ন সময়ত সংখ্যালঘু ৰাইজৰ বিভিন্ন সমস্যা সম্পৰ্কে প্ৰধান মন্ত্ৰী ইন্দিৰা গান্ধী, গৃহমন্ত্ৰী জেইল সিং আৰু অন্যান্য নেতাসকলৰ লগত আলোচনা কৰিবলৈ সঘনে দিল্লীলৈ যাবলগা হোৱাত কলেজৰ বাবে সংগৃহীত পুঁজিৰ পৰা সহায় কৰি থকাত আৰু অন্যান্য কিছুমান কাৰণত কলেজ প্ৰস্তুতিৰ কাম স্থবিৰ হৈ পৰে। ইতিমধ্যে লেংটিছিঙাত এটি প্ৰাথমিক স্বাস্থ্যকেন্দ্ৰ স্থাপনৰ বাবে বিভাগীয় কৰ্তৃপক্ষই জনোৱাত কলেজ প্ৰস্তুতি কমিটিয়ে সৰ্ব্বসন্মতিক্ৰমে ৩ (তিনি) বিঘা মাটি লেংটিছিঙা প্ৰাথমিক স্বাস্থ্যকেন্দ্ৰৰ নামত আৰু ১ (এক) মাটি বিঘা লেংটিছিঙা পশু চিকিৎসা উপকেন্দ্ৰৰ নামত দলিল কৰি দিয়া হয়।

ইতিমধ্যে ১৯৯১ চনত অসম বিধান সভাৰ নিৰ্বাচন অনুষ্ঠিত হয়। প্ৰয়াত মুখ্যমন্ত্ৰী হিতেশ্বৰ

শইকীয়াৰ আশীষত প্ৰয়াত চন্দন কুমাৰ সৰকাৰে ৩৫ নং অভয়াপুৰী দক্ষিণ (অনুঃ) বিধান সভা সমষ্টিৰ পৰা অসম বিধানসভালৈ বিধায়ক হিচাপে নিৰ্বাচিত হয়। স্বৰ্গীয় সৰকাৰে বিধায়ক নিৰ্বাচিত হোৱাৰ কিছুদিন পিছত লেংটিছিঙা অঞ্চলৰ উদ্যমী ডেকা সমাজসেৱক আৰু শিক্ষানুৰাগী ব্যক্তিসকলে নৱ নিৰ্বাচিত বিধায়ক মহোদয়ক লৈ বহি লেংটিছিঙাত এখন মহাবিদ্যালয় প্ৰতিষ্ঠা কৰিবলৈ প্ৰথম প্ৰাধান্য দিবলৈ অনুৰোধ জনায় আৰু পূৰ্ব্বৰ কলেজ স্থাপনৰ প্ৰস্তুতি সম্পৰ্কে বিতং আলোচনা কৰে। উক্ত আলোচনা সভাত অংশগ্ৰহণ কৰা ব্যক্তিসকল আছিল যথাক্ৰমে মোঃ হাতেম আলী, টাপাট্টাৰী আঞ্চলিক পঞ্চায়তৰ সভাপতি আব্দুৰ ৰহিম, আবুল কাশেম, নুৰুল হক প্ৰামাণিক, আব্দুছ ছামাদ ভূঞা, প্ৰয়াত মুকুল চন্দ্ৰ সৰকাৰ, প্ৰয়াত আজহাৰুল ইছলাম, প্ৰয়াত হীৰালাল সৰকাৰ আদিয়ে অগ্ৰণী ভূমিকা গ্ৰহণ কৰিছিল। এই সকল ব্যক্তিৰ অনুৰোধত বিধায়ক প্ৰয়াত চন্দন কুমাৰ সৰকাৰে লেংটিছিঙা কলেজ প্ৰস্তুতি কমিটিৰ লগত জড়িত ব্যক্তিসকলৰ উপৰিও এতদ অঞ্চলৰ বিভিন্ন শিক্ষানুষ্ঠানৰ মুৰব্বী, পঞ্চায়ত প্ৰতিনিধি যুৱক আৰু বিভিন্ন শ্ৰেণীৰ মানুহক লৈ ১১/১০/১৯৯২ ইং তাৰিখে স্থানীয় ঝাৰপাৰা এম.ভি. স্কুলত সাধাৰণ সভা আহ্বানৰ অনুমতি দিয়ে আৰু সংশ্লিষ্ট ব্যক্তি কেইজনৰ ওপৰত দায়িত্ব দিয়ে। সেইমতে নিৰ্দ্দিষ্ট তাৰিখত কলেজ প্ৰতিষ্ঠাৰ বাবে সাধাৰণ সভা অনুষ্ঠিত হয়।

সভাত মোঃ হাতেম আলীৰ প্ৰস্তাৱমৰ্মে মেৰেৰচৰ হাইস্কুলৰ প্ৰায়ত প্ৰধান শিক্ষক আব্দুল ওয়াহাব চাহাবৰ সমৰ্থন মৰ্মে স্থানীয় বিধায়ক প্ৰয়াত চন্দন কুমাৰ সৰকাৰদেৱে সভাপতিৰ আসন গ্ৰহন কৰি সভাৰ কাম আৰম্ভ কৰে। সভাপতিৰ নিৰ্দ্দেশমৰ্মে আহ্বায়ক সকলৰ হৈ মোঃ হাতেম আলীয়ে সভাৰ উদ্দেশ্য ব্যাখ্যা কৰি কয় যে বঙাইগাঁও জিলাৰ উত্তৰ শালমাৰা মহকুমাৰ সদৰ ঠাই অভয়াপুৰী চহৰৰ নামনি অঞ্চলৰ চৰ-চাপৰিত উচ্চ শিক্ষাৰ কোনো কলেজ নথকাত এতদ অঞ্চলৰ ল'ৰা -ছোৱালীৰ উচ্চ শিক্ষাৰ ক্ষেত্ৰত অসুবিধাৰ বিষয়ে আলোচনা কৰি লেংটিছিঙাত এখন স্নাতক মহাবিদ্যালয় স্থাপন কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰে।

সভাত উপস্থিত থকা বিভিন্ন অঞ্চলৰ শিক্ষানুৰাগী ব্যক্তি, শিক্ষাবিদ, সমাজকৰ্মী সকলৰ মাজৰ পৰা লেংটিছিঙা কলেজ স্থাপন সম্পৰ্কত মত ব্যক্ত কৰিবলৈ সভাপতি সৰকাৰদেৱে আহ্বান জনায়। বিধায়ক চন্দন সৰকাৰৰ অনুৰোধ মৰ্মে সংখ্যালঘু অধ্যুসিত এই বিস্তৃত চৰ-চাপৰিৰ পিছপৰা দুখীয়া ৰাইজৰ বৃহত্তৰ স্বাৰ্থৰ খাতিৰত মহাবিদ্যালয়খন স্থাপনৰ ওপৰত ৰাইজক আহ্বান জনায়। সভাপতি প্ৰয়াত বিধায়ক চন্দন সৰকাৰৰ অনুৰোধ মৰ্মে পুৰণি ইতিহাস পৰিহাৰ কৰি এক নতুন চিন্তাধাৰাৰে নতুন মন আৰু প্ৰতিশ্ৰুতিৰে লেংটিছিঙাত স্নাতক মহাবিদ্যালয় স্থাপন কৰিবলৈ সদৌটি ৰাইজ সংকল্পবদ্ধ হয়। সভাত উপস্থিত ৰাইজৰ এই সংকল্পবদ্ধতাত এক নতুন উদ্যম আৰু উৎসাহিত সভাপতি প্ৰয়াত সৰকাৰদেৱে এই সভাতেই এক সৰ্ব্ব ধৰ্ম প্ৰাৰ্থনা কৰিবলৈ আহ্বান জনায় যাতে নিৰ্বিঘ্নে এই মহাবিদ্যালয়খন স্থাপন কৰিব পৰা যায়। এই সৰ্ব্ব ধৰ্মীয় প্ৰাৰ্থনাৰ অন্তত সভাই এক নতুন প্ৰতিশ্ৰুতিৰে বঙাইগাঁও জিলাৰ উত্তৰ শালমাৰা মহকুমাৰ অভয়াপুৰী চহৰৰ পুৱ প্ৰান্তৰ নামনি চৰ অঞ্চলত ৬ (ছয়) খন উচ্চতৰ মাধ্যমিক, ১৭ (সোঁতৰ)খন উচ্চ মাধ্যমিক বিদ্যালয় থকা স্বত্বেও উচ্চ পৰ্যায়ৰ শিক্ষাৰ কোনো স্নাতক মহাবিদ্যালয়

নথকাত বঙাইগাঁও-বৰপেটাৰ নাভিকেন্দ্ৰ খ্যাত লেংটিছিঙাত স্নাতক কলা শাখাৰ এখন মহাবিদ্যালয় পতা হওঁক বুলি সৰ্ব্বসন্মতি ক্ৰমে সিদ্ধান্ত গ্ৰহন কৰা হয়। সভাই সৰ্ব্বসন্মতিক্ৰমে নৱগঠিত মহাবিদ্যালয়খন "স্বৰ্গীয় ৰাজীৱ গান্ধীৰ সোঁৱৰণত "ৰাজীৱ গান্ধী সোঁৱৰণী মহাবিদ্যালয়", লেংটিছিঙা বুলি নামাকৰণ কৰে। লগতে ১৯৯৩-৯৪ চনৰ শিক্ষা বৰ্ষৰ পৰা পাঠদান আৰম্ভ কৰাৰ সিদ্ধান্ত লয়। উক্ত সাধাৰণ সভাতেই প্ৰস্তাৱিত ৰাজীৱ গান্ধী মেমোৰিয়েল কলেজখনৰ স্থান নিৰ্দ্ধাৰণ সম্পৰ্কে আলোচনা কৰি লেংটিছিঙা বজাৰৰ ওচৰত থকা লেংটিছিঙা আৰক্ষী চকী আৰু ঝাৰপাৰা বাপুজী ছোৱালী এম.ভি স্কুলৰ পশ্চিম সীমা সংলগ্ন ঠাইত নিৰ্মাণ কৰাৰ সিদ্ধান্ত লয়। উক্ত সাধাৰণ সভাতেই লেংটিছিঙা ৰাজীৱ গান্ধী কলেজ পৰিচালনা কমিটি তলত দিয়া ধৰণে গঠন কৰা হয়। তদানীন্তন বিধায়ক স্বৰ্গীয় চন্দন কুমাৰ সৰকাৰক সভাপতি, অধিবক্তা হোছেন আলী আৰু মৰহুম মহম্মদ আলীক উপ-সভাপতি এম, ছফিয়ৰ ৰহমানক সম্পাদক, স্থানীয় শিক্ষাবিদ হাতেম আলী আৰু কলেজৰ অধ্যক্ষক যুটীয়া সম্পাদক, শ্ৰী প্ৰহ্লাদ চন্দ্ৰ পালক কোষাধ্যক্ষ হিচাপে লৈ এখনি কলেজ পৰিচালনা কমিটি গঠন কৰি দিয়ে। উক্ত সভাতেই প্ৰয়াত চন্দন সৰকাৰে ঘোষণা কৰে যে আপোনালোকে মাটি দিয়ক বাকী সকলোখিনি তেখেতে দিব। তেওঁৰ আহ্বানত এই অঞ্চলৰ সদাশয় ব্যক্তিসকলে নিঃস্বাৰ্থভাৱে তলত দিয়া ধৰণে মাটি দান দিয়ে ঃ-

১) মৰহুম আলহাজ আজহাৰুল ইছলাম,ঝাৰপাৰা ১ বিঘা।

২) আলহাজ হাতেম আলী, ঝাৰপাৰা ১ বিঘা।

৩) হাজী আমজাদ হুছেইন, ভাদাইপাৰা - ১ বিঘা।

৪) মৰহুম ছোৰহাব আলী , ঝাৰপাৰা, - ৪ কঠা।

৫) মৰহুম ফয়েজ উদ্দিন সৰকাৰ, ঝাৰপাৰা - ১ বিঘা।

৬) মৰহুম মোকছেদ আলী, ঝাৰপাৰা - ১ বিঘা।

৭) মৰহুম ছামছুল হক (মাষ্টাৰ), ভাদাইপাৰা - ১ বিঘা।

৮) মৰহুম আলহাজ আজগৰ আলী, ঝাৰপৰা - ১ বিঘা।

৯) প্ৰহ্লাদ চন্দ্ৰ পাল, লেংটিছিঙা - ২ বিঘা।

১০) আব্দুল কৰিম, ভাদাইপাৰা - ১ বিঘা।

১১) মৰহুম আলহাজ আছেৰ আলী সেখ, ডুমুৰীয়া ১ম খণ্ড - ১ বিঘা।

১২) মৰহুম, নৈমুদ্দিন দেৱানী, ঝাৰপৰা - ১ বিঘা।

১৩) জহৰ আলী ওৰফে গোলাম ৰাব্বানী, ভাদাইপাৰা - ১ বিঘা।

১৪) জয়নাল আবেদিন, ভাদাইপাৰা-৩ কঠা ১৫ লেছা

১৫) আব্দুছ ছালাম, ভাদাইপাৰা -২ কঠা ১০ লেছা।

১৬)আব্দুল কাদেৰ, নসত্ৰ - ১ বিঘা।

১৭) মৰহুম মতিয়ৰ ৰহমান, ঝাৰপাৰা - ১ বিঘা।

১৮) মহৰ আলী মণ্ডল, নসত্ৰ - ১ বিঘা।

১৯) খলিলুৰ ৰহমান, নসত্ৰ - ১ বিঘা।

২০) স্বপন কুমাৰ সৰকাৰ, ঝাৰপাৰা - ১ কঠা, ১০ লেছা

২১) চৰকাৰী আবণ্টন - ১০ বিঘা।

(চৰকাৰী মাটি আৱণ্টন দিয়াৰ ক্ষেত্ৰত তদানীন্তন বঙাইগাঁও জিলাৰ অতিৰিক্ত উপায়ুক্ত কে. কে. জখৰীয়া মহোদয়ে যথেষ্ট সহায় কৰিছিল)

কলেজৰ মাটিৰ ব্যৱস্থা হোৱাৰ লগে লগে তদানীন্তন বিধায়ক প্ৰয়াত চন্দন কুমাৰ সৰকাৰে সদ্যহতে টিনপাতৰ চালিঘৰ নিৰ্মাণৰ বাবে

৫০,০০০.০০ (পঞ্চাশ হাজাৰ) টকা দান হিচাপে আগবঢ়ায়। উক্ত সাধাৰণ সভাতেই প্ৰয়াত বিধায়ক মহোদয়ক তদানীন্তন মুখ্যমন্ত্ৰী প্ৰয়াত হিতেশ্বৰ শইকীয়াদেৱৰ দ্বাৰা লেংটিছিঙা ৰাজীৱ গান্ধী মেম'ৰিয়েল কলেজৰ আধাৰশিলা স্থাপন কৰাৰ সিদ্ধান্ত লৈ বিধায়ক চন্দন সৰকাৰৰ ওপৰত দায়িত্ব ন্যস্ত কৰে।

সেইমতে ১৯৯৩ ইং চনৰ ২৩ মে' তাৰিখে স্বৰ্গীয় মুখ্যমন্ত্ৰী হিতেশ্বৰ শইকীয়াদেৱে ৰাজীৱ গান্ধী মেম'ৰিয়েল কলেজৰ আধাৰশিলা স্থাপন কৰে আৰু ১৯৯৪ চনৰ নভেম্বৰ মাহৰ ১৯ তাৰিখে অসমৰ তদানীন্তন ৰাজ্যপাল শ্ৰীযুত লোকনাথ মিশ্ৰদেৱে মহাবিদ্যালয়খনৰ স্থায়ী গৃহৰ শুভদ্বাৰ মুকলি কৰে।

কলেজ পৰিচালনা সমিতিয়ে ডুমেৰগুৰিৰ মিজানুৰ ৰহমান সৌৰৱণী উচ্চ ইংৰাজী বিদ্যালয়ত কৰ্মৰত প্ৰধান শিক্ষক, এম. ছফিউৰ ৰহমানক অধ্যক্ষ হিচাপে নিযুক্তি দিয়ে আৰু যথাসময়ত পাঠদানৰ কাম আৰম্ভ কৰে। পৰ্যায়ক্ৰমে অন্যান্য সহ-অধ্যাপক আৰু আন আন কৰ্মচাৰীক নিযুক্তি দিয়া হয়।

ইতিমধ্যে ১৯৯৬ চনৰ বিধান সভা নিৰ্বাচনত বিধায়ক চন্দন সৰকাৰে পৰাজয় বৰণ কৰে আৰু অসমত অসম গণ পৰিষদ দলে চৰকাৰ গঠন কৰে। এই সময়ত কলেজখনলৈ অনিশ্চয়তা আহি পৰে। এনে সংকটময় পৰিস্থিতিত আইনজীৱি হোছেন আলী আৰু মৰহুম মহম্মদ আলী চাহাবে আগবাঢ়ি আহি কলেজখনৰ যাতে কোনো ক্ষতি নহয় সেই উদ্দেশ্যে ৩৫ নং অভয়াপুৰী দক্ষিণ (অনুঃ) বিধান সভা সমষ্টিৰ বিধায়ক মাননীয় ৰবীন বনিক্যৰ নেতৃত্বত নতুনকৈ কলেজ পৰিচালনা সমিতি গঠন কৰা হয়। উক্ত কলেজ পৰিচালনা সমিতিয়ে লেংটিছিঙা উচ্চতৰ মাধ্যমিক বিদ্যালয়ত কৰ্মৰত অধ্যক্ষ স্বৰ্গীয় মানিক চন্দ্ৰ প্ৰমানিকক সম্পাদক আৰু একেখন বিদ্যালয়ৰে কৰ্মৰত বিষয় শিক্ষক মৰহুম আবুল হোছেইন সেখ চাহাবক অধ্যক্ষ হিচাপে নিয়োগ কৰে। তদানীন্তন বিধায়ক শ্ৰীযুত ৰবীন বনিক্যৰ কাৰ্যকালতে কলেজৰ পুথিভঁৰালৰ কিতাপ আৰু প্ৰয়োজনীয় আলমাৰী, আচবাব পত্ৰ কিনাৰ বাবে স্থানীয় মুখীয়াল ব্যক্তিসকলৰ সহায়ত কলেজ খেল পথাৰত আনন্দ মেলা অনুষ্ঠিত কৰি সংগৃহীত ধনেৰে কলেজৰ প্ৰয়োজনীয় কিতাপপত্ৰ আৰু আচবাব পত্ৰৰ ব্যৱস্থা কৰা হয়। এনেদৰে চলি থকাৰ সময়তে ২০০১ চনত বিধান সভাৰ সাধাৰণ নিৰ্বাচনত পুনৰাই প্ৰয়াত চন্দন কুমাৰ সৰকাৰদেৱে বিধায়ক নিৰ্বাচিত হয় আৰু সহঃ অধ্যাপক আছিৰ উদ্দিনক ভাৰপ্ৰাপ্ত অধ্যক্ষ হিচাপে দায়িত্ব দিয়া হয়। কেইবছৰমান ভালদৰে অধ্যক্ষৰ দায়িত্ব পালন কৰাৰ পিছত হঠাৎ আছিৰ উদ্দিনে পৰিচালনা কমিটিৰ লগত সহযোগ কৰা বন্ধ কৰি দিয়ে। ফলত কলেজ-খনৰ সকলো ধৰণৰ কাম-কাজত অসুবিধাৰ সৃষ্টি হোৱাত স্থায়ী অধ্যক্ষ নিযুক্তিৰ বাবে বিজ্ঞপ্তি যোগে দৰখাস্ত আহ্বান কৰি পৰিচালনা সমিতিৰ সিদ্ধান্তমতে জহৰুল ইছলামক অধ্যক্ষ হিচাপে নিযুক্তি দিয়ে। কলেজখনে ২০০৬ - ০৭ বৰ্ষৰ পৰা বিত্তীয় অনুদান লাভ কৰে। ইতিমধ্যে অসমৰ অন্যান্য কলেজৰ লগতে ৰাজীৱ গান্ধী মেম'ৰিয়েল কলেজখনো ০১/০১/২০১৩ ইং তাৰিখৰ পৰা কাৰ্যকৰী হোৱাকৈ ২২/০১/২০১৪ ইং তাৰিখে প্ৰাদেশীকৃত হৈছে। মহাবিদ্যালয়খনতবৰ্তমানে ৪০ জন শিক্ষক- কৰ্মচাৰীয়ে কাম কৰি আছে। ইয়াৰে ২৭ জন সহঃ অধ্যাপক আৰু ১৩ জন কৰ্মচাৰীৰ মাজৰ পৰা ১৬ জন সহঃ অধ্যাপক আৰু ৩ জন কৰ্মচাৰীৰ চাকৰী প্ৰাদেশীকৰণ হোৱা নাই।

ইতিমধ্যে কলেজখনৰ স্থায়ী অধ্যক্ষ জহৰুল

ইছলামৰ পি.এইচ.ডি ডিগ্ৰীত কিবা আসোঁৱাহ থকা বুলি সন্দেহ কৰি অসমৰ উচ্চ শিক্ষা সঞ্চালক মহোদয়ে বৰ্তমানে চাকৰীৰ পৰা নিলম্বন কৰিছে আৰু কলেজ পৰিচালনা কমিটিয়ে সহঃ অধ্যাপিকা ড° ৰীতা শৰ্মাক ভাৰপ্ৰাপ্ত অধ্যক্ষা হিচাপে দায়িত্ব ন্যস্ত কৰিছে। অধ্যক্ষ ড° জহৰুল ইছলামৰ কাৰ্যকালত প্ৰয়াত বিধায়ক শ্ৰী চন্দন কুমাৰ সৰকাৰৰ প্ৰচেষ্টাত তদানীন্তন অসমৰ ৰাজ্যসভাৰ সাংসদ প্ৰধান মন্ত্ৰী ড° মনোমোহন সিং মহোদয়ে কলেজৰ চাৰিওঁফালৰ বাউণ্ডাৰী ওৱাল (পকী দেৱাল), কলেজৰ গেট আৰু ছোৱালী হোষ্টেলৰ বাবে সাংসদ পুঁজীৰ পৰা ৩০ (ত্ৰিশ) লাখ টকা অনুদান দিছিল। লগতে প্ৰয়াত চন্দন কুমাৰ সৰকাৰে কলেজৰ পুঁথিভঁৰালৰ গৃহ নিৰ্মাণৰ বাবে অনুদান দিয়া টকাৰে এটি পুথিভঁৰাল গৃহ নিৰ্মাণ কৰা হৈছে।

উল্লেখ্য যে ২০১৭ চনৰ ১১ আক্টোবৰ তাৰিখে কলেজখনে ২৫ বছৰ সম্পূৰ্ণ কৰিলে। কিন্তু বিভিন্ন এৰাব নোৱাৰা কাৰণত সময়মতে ৰূপালী জয়ন্তী উৎসৱ পতা সম্ভৱ হোৱা নাই। অৱশেষত বৰপেটা লোকসভা সমষ্টিৰ নৱ নিৰ্বাচিত সাংসদ মাননীয় আব্দুল খালেক চাহাবক ৰূপালী জয়ন্তী উদ্‌যাপন কমিটিৰ সভাপতি, মাননীয় আলহাজ মোঃ হাতেম আলী আৰু কলেজ পৰিচালনা সমিতিৰ সভাপতি শ্ৰীযুত ৰামচন্দ্ৰ পাঠক দেৱক কাৰ্যকৰী সভাপতি হিচাবে লৈ এটি শক্তিশালী ৰূপালী জয়ন্তী উদ্‌যাপন কমিটি গঠন কৰে আৰু দুটা পৰ্যায়ত ৰূপালী জয়ন্তী উদ্‌যাপন কৰাৰ সিদ্ধান্ত লৈ প্ৰথম পৰ্যায়ত ১১ অক্টোবৰ ২০১৯ ইং তাৰিখে দিনজোৰা কাৰ্যসূচীৰে পালন কৰা হয়। এই কাৰ্যসূচীৰ মূল আকৰ্ষণ আছিল কলেজৰ পতাকা উত্তোলন কৰাৰ পিছত ৰূপালী জয়ন্তী উৎসৱৰ পতাকাখন উত্তোলন কৰে উদ্‌যাপন কমিটিৰ সভাপতি ও সাংসদ আব্দুল খালেক চাহাবে। লগে লগে আন ২৬ খন পতাকা উত্তোলন কৰে এই অঞ্চলৰ বিশিষ্ট ব্যক্তি সকলে।

অনুষ্ঠানৰ মাজতে ভূমিদাতা সকলক মানপত্ৰ প্ৰদান কৰা হয়। বন্তিপ্ৰজ্বলন আৰু শ্ৰদ্ধাঞ্জলি অনুষ্ঠান আৰম্ভ কৰি প্ৰয়াত মন্ত্ৰী চন্দন কুমাৰ সৰকাৰৰ সহধৰ্মিনীয়ে আৱেগিক হৈ পৰা দেখা গ'ল। ৰূপালী জয়ন্তীৰ ২য় পৰ্যায়ৰ কাৰ্যসূচী চলিত বৰ্ষৰ মাৰ্চ মাহৰ ১৪ আৰু ১৫ তাৰিখে দুদিনীয়াকৈ অনুষ্ঠিত হ'ব।

মহাবিদ্যালয়খনৰ কৰিব লগা কাম বহুত আছে। ৰাইজ আৰু চৰকাৰৰ যুটীয়া প্ৰচেষ্টাত বাকী থকা কামখিনি হোৱাৰ আশা ৰাখিছোঁ। ইতিমধ্যে অসম চৰকাৰৰ উচ্চ শিক্ষা সঞ্চালকে কেইবা মহলীয়া বিল্ডিং নিৰ্মাণৰ বাবে ১ (এক) কোটি টকা মঞ্জুৰী দিছে আৰু ইতিমধ্যে নিৰ্মাণৰ কাম আৰম্ভ কৰা হৈছে। ৰাজীৱ গান্ধী মেম'ৰিয়েল কলেজখন সমগ্ৰ চৰ-চাপৰি অঞ্চলৰ ৰাইজৰ আত্মা স্বৰূপ। ইয়াত বৰ্তমানে মাত্ৰ কলা শাখা চলোৱা হৈছে। অদূৰ ভৱিষ্যতত এই কলেজখনত ক'লা বিষয়ৰ উপৰিও বিজ্ঞান আৰু বাণিজ্য শাখা খোলাৰ ব্যৱস্থা কৰিবলৈ ৰাইজ আশাবাদী।

কলেজখনৰ ইতিবৃত্ত সম্পৰ্কে লিখোতে যদি কিবা বিষয় বাদ পৰিছে বা অপ্ৰয়োজনীয় বিষয় সন্নিবিষ্ট কৰা হৈছে তাৰ বাবে পঢ়ুৱৈ সমাজৰ ওচৰত ক্ষমা-প্ৰাৰ্থনা কৰিছোঁ। ৰাজীৱ গান্ধী মেম'ৰিয়েল কলেজখন এটি আদৰ্শ কলেজলৈ ৰূপান্তৰিত হওঁক, এয়ে আন্তৰিকতাৰে কামনা কৰিছোঁ। জয়তু ৰাজীৱ গান্ধী মেম'ৰিয়েল কলেজ।○

(লেখক, আলহাজ হাতেম আলী মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক যুটীয়া সম্পাদক আছিল।)

# সংখ্যালঘু মুছলমানসকলৰ পশ্চাদপদতাৰ কাৰণ বিচাৰি



ড° আতোৱাৰ ৰহমান

মানুহে কিছুমান বিশেষ উদ্দেশ্যৰ বাবেহে এই জীৱন লাভ কৰিছে। তেওঁ সেই লক্ষ্যত উপনীত হ'ব পাৰিব তেওঁৰ ওপৰত ন্যস্ত দায়িত্ব বা কৰ্তব্য পালন কৰিহে। এটা অৰ্থপূৰ্ণ কৰ্তব্যশীল জীৱন-যাপনৰ বাবে যি বস্তুটোৰ প্ৰয়োজন সেইটো হৈছে 'জ্ঞান'। মানুহৰ জীৱনত কৰিবলগা বহুত কাম আছে। তেওঁৰ আছে ব্যক্তিগত বা নিজৰ বাবে কাম যেনে - নামাজ পঢ়া, ৰোজা ৰখা ইত্যাদি। তেওঁৰ আছে পাৰিবাৰিক কাম যেনে - পিতৃ-মাতৃৰ পৰিচৰ্যা কৰা, স্ত্ৰী, ল'ৰা-ছোৱালীৰ বাবে দায়িত্ব পালন কৰা। সেইদৰে ব্যক্তি এজনৰ আছে সমাজৰ বাবে দায়িত্ব বা কৰিবলগা কাম, দেশৰ বাবে আৰু সমগ্ৰ জগতৰ বাবে কাম। এইবোৰ কাম আৰু দায়িত্ব পালন কৰাৰ মাজে দিয়েই ধৰ্ম পালন কৰা হয়। অৰ্থাৎ আল্লাহৰ এবাদত কৰা হয়। দেখা গৈছে এই কামবোৰ সু-কলমে পালন কৰিবলৈ 'জ্ঞান' অৰ্জন কৰি স্ত্ৰী-পুৰুষ নিৰ্বিশেষে সকলোৱে সামৰ্থৱান হ'ব লাগিব। ইয়াকেই ইছলামী জীৱন ব্যৱস্থা বুলিও কোৱা হয়। মানুহে সৰুৰে পৰাই বিভিন্ন বিষয়ৰ জ্ঞান অৰ্জন কৰি নিজকে উপযুক্ত কৰি ল'ব লাগিব যাতে জীৱনৰ প্ৰত্যেক ক্ষেত্ৰতেই তেওঁ সঠিক সিদ্ধান্ত ল'ব পাৰে আৰু জীৱনৰ উদ্দেশ্য বা লক্ষ্যস্থানত উপনীত হ'বলৈ দক্ষতাৰে কৰ্তব্য পালন কৰিব পাৰে। আল্লাহে জ্ঞান আহৰণ কৰি সকলো জানি-শুনি আগবাঢ়িবলৈ মানুহক উপদেশ দি পবিত্ৰ কোৰআনত এইদৰে কৈছে - " কোৱাচোন, যিসকলে জানে আৰু যিসকলে নেজানে সেই সকলে কি সমান?" - আল্-কোৰআন, ৩৯:৯

জ্ঞানৰ অপৰিহাৰ্যতা অপৰিসীম হোৱাৰ বাবেই, ইছলামে জ্ঞানক মাথোন প্ৰশংসাই কৰা নাই, জ্ঞান আহৰণ কৰা অন্য কথাত লিখা-পঢ়া কৰা জীৱনৰ এটা অংগ বা বাধ্যতামূলক কাম বুলি ধাৰ্য কৰি দিছে। প্ৰিয় নবী হজৰত মুহাম্মদ (ছঃ) য়ে কৈছে - " জ্ঞান আহৰণ কৰা প্ৰত্যেক মুছলমানৰ বাবে এক বাধ্যতামূলক কৰ্তব্য।" (ইবনে মাজাহ)। তেখেতে আকৌ কৈছে - " সুদূৰ চীনলৈ গৈ হলেও জ্ঞান আহৰণ কৰা।" - (বায়হাকী)।

জ্ঞান এনেকুৱা অপৰিহাৰ্য যে, যিজনে জ্ঞান আহৰণ কৰি ধন্য হৈছে তেওঁৰ বাবে ভাল আৰু বেয়া সহজে ধৰা পৰে, তেওঁ জীৱনত সঠিক সিদ্ধান্ত ল'ব পাৰে, নিজৰ তথা পৰিয়ালৰ আহাৰ, বস্ত্ৰ, বাসস্থান ইত্যাদিৰ ব্যৱস্থা সহজে কৰিব পাৰে। তেওঁৰ ওপৰত ন্যস্ত সকলো দায়িত্ব সু-কলমে পালন কৰিব পাৰে। এইবোৰৰ উপৰি জ্ঞানী মানুহে সৃষ্টি জগতৰ মাজত নিহিত হৈ থকা আল্লাহৰ অসংখ্য নিদৰ্শন উপলব্ধি কৰিব পাৰে। ফলস্বৰূপে সৃষ্টিকৰ্তাৰ প্ৰতি তেওঁৰ বিশ্বাস (ঈমান), ভয় (তাকৱা), আৰু নিৰ্ভৰতা (তাওৱাক্কুল) বহুগুণে বৃদ্ধি পাই থাকে। প্ৰিয় নবী (দঃ) য়ে সেইবাবে তেখেতৰ অনুসৰণকাৰীসকলক দূৰ দেশত গৈ হলেও জ্ঞান আহৰণ কৰিবলৈ উপদেশ দি গৈছে। তেখেতে কৈছে - "পিতৃ-মাতৃয়ে ল'ৰা-

ছোৱালীক ভাল শিক্ষাদান কৰাতকৈ উত্তম উপহাৰ আৰু একো হ'ব নোৱাৰে।" (তিৰমিজী)।

বৰ্তমানৰ আধুনিক যুগত জ্ঞান আহৰণৰ বাবে ক'লা আৰু বিজ্ঞানৰ বিভিন্ন বিষয় আৰু বিভাগ আছে। এই বিষয়বোৰৰ জ্ঞান আহৰণৰ বাবে স্কুল, কলেজ, বিশ্ববিদ্যালয় আৰু আন আন শিক্ষানুষ্ঠান খোলা হৈছে। লগতে আধুনিক আহিলা আৰু যন্ত্ৰপাতিৰে সু-সজ্জিত লেবৰেটৰী স্থাপন কৰা হৈছে যাতে উচ্চ মানদণ্ডৰ শিক্ষাদান আৰু গৱেষণা কৰা যায়। স্কুলবোৰত দশম শ্ৰেণীলৈকে কম-বেচি প্ৰায় সকলো বিষয়ে জ্ঞান দান কৰা হয়। দশম শ্ৰেণীৰ পিচত দ্বাদশ শ্ৰেণীলৈ নিজৰ ইচ্ছা আৰু সক্ষমতা অনুযায়ী ক'লা নাইবা বিজ্ঞানৰ বিষয়ত এজনে শিক্ষা লাভ কৰিব পাৰে। দ্বাদশ শ্ৰেণী উত্তীৰ্ণ হোৱাৰ পিচত ল'ৰা-ছোৱালীয়ে যিকোনো এটা বিষয়ত যেনে মেডিকেল, ইঞ্জিনিয়াৰিং, বি.এ. বি.এছ.ছি. ইত্যাদি ক্ষেত্ৰত শিক্ষা লাভ কৰাৰ সুযোগ আছে। এইবোৰৰ পিছতহে কোনোবাই ইচ্ছা কৰিলে কোনো বিষয়ৰ কোনো বিশেষ সমস্যাৰ ওপৰত গৱেষণাৰ কাম কৰিব পাৰে।

মানুহৰ জন্মসূত্ৰে কিছুমান সীমাবদ্ধতা আছে। মানুহৰ মগজু তথা অংগ-প্ৰতংগবোৰে সীমাহীন কাম কৰিব নোৱাৰে আৰু সেইবাবে সীমাহীন জ্ঞানও আহৰণ কৰিব নোৱাৰে। সৃষ্টিজগতৰ বিভিন্ন বিষয়ৰ জ্ঞানৰ পৰিধি যথেষ্ট ব্যাপক হোৱা বাবে এজন মানুহে সকলো বিষয়ত যথেষ্ট জ্ঞান আহৰণ কৰিবলৈ সমৰ্থ নহয়। কিন্তু সকলো বিষয়ত নিজৰ প্ৰয়োজনীয় সীমিত জ্ঞান আহৰণ কৰিব পাৰে। সেইবাবে স্কুলৰ দশম শ্ৰেণীলৈ সকলোৱে অধ্যয়ন কৰিব লাগে যাতে কিছুমান প্ৰধান বিষয়ৰ প্ৰাথমিক জ্ঞান লাভ কৰিব পাৰে। দশম শ্ৰেণীলৈ পাঠ্যক্ৰম সেই ধৰণে সজোৱা থাকে। যিবোৰ শিক্ষানুষ্ঠানত ধৰ্মীয় জ্ঞান দান কৰা হয় সেইবোৰতো দশম শ্ৰেণীলৈ ইতিহাস, ভূগোল, অংক, বিজ্ঞান আদি বিষয় থকাটো অতি প্ৰয়োজন। কাৰণ এই বিষয়বোৰৰ সাধাৰণ জ্ঞান প্ৰত্যেকজন মানুহৰ দৈনন্দিন কামকাজত প্ৰয়োজনহে থাকে। দশম শ্ৰেণীলৈ সকলো বিষয়ৰ কিছু জ্ঞান লাভৰ পিচত ইচ্ছা হ'লে মৌলবী, ক্বাৰী, হাফিজ ইত্যাদি হ'ব পাৰে। মানৱ সভ্যতাৰ অগ্ৰগতিৰ লগে লগে শিক্ষাৰ প্ৰসাৰতা বাঢ়িছে আৰু বিভিন্ন বিষয়ত মানুহৰ জ্ঞানৰ পৰিধিও বৃদ্ধি পাইছে। অতীতত মানুহে তেওঁলোকৰ বাবে যিধৰণৰ জ্ঞান আহৰণৰ প্ৰয়োজনবোধ কৰিছিল আৰু তাৰ বাবে যি শিক্ষা ব্যৱস্থা কৰি লৈছিল, সেই জ্ঞান আৰু সেই শিক্ষা ব্যৱস্থা আজিৰ যুগৰ বাবে তেনেই আদিম বুলি গণ্য হ'ব পাৰে বা অচল হ'ব পাৰে। জীৱন ধাৰণৰ উপকৰণ বৃদ্ধিৰ লগে লগে মানুহৰ জ্ঞানৰ পিপাশাও বহুগুণে বৃদ্ধি পাইছে। মানুহৰ সমাজ, জাতি বা দেশৰ যেনেকুৱা সীমাৰেখা নোহোৱা হৈছে, তেনেকৈ জ্ঞান আহৰণ মাথোন কোনো বিশেষ বিষয় বা ধৰ্মৰ মাজত সীমাবদ্ধ হৈ থকা নাই। জীয়াই থাকিবলৈ জাতি-ধৰ্ম নিৰ্বিশেষে যেনেকৈ সকলোৱে সংগ্ৰাম কৰিব লগা হৈছে, সেই সংগ্ৰামৰ বাবে উপযুক্ত হ'বলৈ তেনেকৈ প্ৰয়োজনীয় সাধাৰণ জ্ঞান আৰু কাৰিকৰী জ্ঞান আহৰণ কৰিবলৈ প্ৰতিযোগিতাত নামিব লগা হৈছে। জ্ঞান আহৰণৰ বাবে এই সংগ্ৰাম তথা প্ৰতিযোগিতাৰ পৰা আঁতৰি থকাৰ উপায় নাই। কোনো সমাজ বা জাতি ইচ্ছাকৃত ভাবে বা অজ্ঞতাবশতঃ ইয়াৰ পৰা আঁতৰি থাকিলে অদূৰ ভৱিষ্যতে আজিৰ পৃথিৱীত জীৱন সংগ্ৰামত আনৰ লগত তিষ্ঠিব নোৱাৰি আৰু কোনো কামতেই উপযুক্ত বুলি গণ্য নহব। সেই সমাজ বা জাতি আনৰ দ্বাৰা পদদলিত আৰু লাঞ্ছিত হৈ সময়ৰ গৰ্ভত নিশ্চিহ্ন হোৱাৰ সম্ভৱনা নুই কৰিব নোৱাৰি।

ভাৰতবৰ্ষ স্বাধীন হোৱাৰ পিচত চৰকাৰে

শিক্ষাৰ ক্ষেত্ৰত বিশেষ ব্যৱস্থা গ্ৰহণ কৰে আৰু স্কুল, কলেজ, বিশ্ববিদ্যালয় ইত্যাদি শিক্ষানুষ্ঠান বিভিন্ন ঠাইত স্থাপন কৰিবলৈ ধৰে। নগৰ-চহৰ আৰু যিবোৰ অঞ্চলত যাতায়তৰ সুবিধা আছে আৰু যিবোৰ অঞ্চলত শিক্ষাৰ প্ৰসাৰৰ বাবে আগ্ৰহী আৰু দায়িত্বশীল মানুহ আছে সেইবোৰ অঞ্চলত শিক্ষানুষ্ঠানবোৰ বেছিকৈ গঢ়ি উঠে। সংখ্যালঘু মুছলমান বেচি সংখ্যকেই কৃষিজীৱি হোৱা হেতুকে তেওঁলোকে নদী কাষৰীয়া আৰু চৰ অঞ্চলত বসতি কৰে। সেইবোৰ ঠাইত কলেজ তো দূৰৰ কথা, ভাল দুই এখন স্কুলো গঢ়ি উঠা নাছিল। এইবোৰ অঞ্চলৰ কৃষক সকলৰ সামৰ্থও নাছিল, চিন্তাধাৰাও শিক্ষামুখী নাছিল যে, তেওঁলোকে সংঘবদ্ধহৈ ভাল শিক্ষানুষ্ঠান গঢ়ি তুলিব। আচলতে চৰ অঞ্চলৰ মানুহবোৰৰ বাৰিষা, নদীৰ উত্তাল সোঁত, বানপানী আৰু গড়াখহনীয়াৰ লগত নিজৰ স্থিতিৰ বাবে সংগ্ৰাম কৰোতেই যায়। শিক্ষাৰ বাবে নাইবা আন কোনো প্ৰগতিমূলক কামৰ বাবে সংঘবদ্ধ হোৱাৰ সময় নাইবা সুযোগ নাপায়।

অতীতত যিয়েই হওঁক আশীৰ দশকত অসম আন্দোলনৰ সময়ত সংখ্যালঘু মুছলমান সকলৰ ল'ৰা-ছোৱালীবোৰে যেতিয়া নগৰ-চহৰৰ যিকোনো স্কুল-কলেজত পঢ়া-শুনা কৰিবলৈ অসুবিধাৰ সন্মুখীন হ'ল তেতিয়াহে এই সম্প্ৰদায়ৰ সামান্য হ'লেও গা লৰিল আৰু কিছুমান দায়িত্বশীল ব্যক্তি আৰু নেতাৰ অক্লান্ত পৰিশ্ৰমত সংখ্যালঘু অধ্যুষিত কিছুমান ঠাইত উচ্চ শিক্ষাৰ অনুষ্ঠান গঢ়লৈ উঠা দেখা গ'ল। লেংটিছিঙা, কলগাছিয়া, খাৰুপেটীয়া ইত্যাদিৰ লগতে আন কেইবাখনো ঠাইত কলেজ স্থাপন হ'ল আৰু এই প্ৰচেষ্টা এতিয়াও অব্যাহত থকা পৰিলক্ষিত হৈছে। কিন্তু এতিয়াও বহুত দুৰ্গম ঠাই আৰু চৰাঞ্চলবোৰত চাহিদা অনুযায়ী স্কুল-কলেজৰ অভাৱ হৈয়েই আছে। ধুবৰীৰ পৰা উজনিলৈ সুবিশাল ব্ৰহ্মপুত্ৰৰ মাজৰ অসংখ্য চৰ আৰু নদীৰ দুই পাৰৰ অসংখ্য ল'ৰা-ছোৱালীৰ পঢ়া-শুনাৰ বাবে ভাল উচ্চ শিক্ষানুষ্ঠান এটাও নাই বুলি ক'ব পাৰি। এই অঞ্চলবোৰৰ পৰা সামৰ্থবান সকলে তেওঁলোকৰ ল'ৰা-ছোৱালীক উচ্চ শিক্ষাৰ বাবে দূৰলৈ পঠাবলগীয়া হৈ আছে।

২০১১ চনৰ সমীক্ষামতে ভাৰতৰ ধৰ্মভিত্তিক শিক্ষিত লোকৰ শতকৰা হাৰ হৈছে এনেকুৱা ঃ- মুছলিম - ৬৮.৫, হিন্দু ৭৩.৩, খ্ৰীষ্টিয়ান - ৮৪.৫, শিখ - ৭৫.৪, জৈন - ৯৪.৯। গতিকে দেখা যায় আন আন সম্প্ৰদায়তকৈ মুছলিম শিক্ষিত লোকৰ হাৰ যথেষ্ট কম। পুৰুষ আৰু মহিলাৰ শিক্ষিতৰ হাৰ চাবলৈ গ'লে মুছলমান মহিলাৰ হাৰ বহুত কম হ'ব। এটা সমীক্ষাত ধৰ্ম আৰু লিংগ ভিত্তিক অশিক্ষিত লোকৰ শতকৰা হাৰ দেখুৱা হৈছে - মুছলিম মহিলা ৪৮.১, পুৰুষ- ৩৭.৫৯ আৰু হিন্দু ঃ- মহিলা - ৪৪.০২ আৰু পুৰুষ - ২৯.২২। কিছুমান মানুহে কব খোজে যে, মুছলমান সকল আন আন সম্প্ৰদায়তকৈ কম পক্ষে ৫০-১০০ বছৰ পিছুৱাই আছে।

ছাচাৰ কমিটিৰ ৰিপোৰ্ট মতে, ভাৰতবৰ্ষৰ মুছলমান সকল অনুসুচিত জাতি-উপজাতি সকলতকৈও পিচুৱাই আছে। এই ৰিপোৰ্টৰ পৰা কিছুমানে কব খোজে যে, এই জাতিটো সদায় প্ৰগতিৰ বিৰুদ্ধাচৰণ কৰে, এওঁলোক অজ্ঞ প্ৰকৃতিৰ লোক আৰু আদিম যুগৰ প্ৰতিহে ধাবমান। ৰংগনাথ মিশ্ৰ কমিছনৰ ৰিপোৰ্টত এই সম্প্ৰদায়ৰ বাবে সংৰক্ষণৰ ব্যৱস্থা কৰিবলৈ উপদেশ আগবঢ়াইছিল। কিন্তু চৰকাৰে সেই উপদেশ আওঁকান কৰিছে। ছাচাৰ কমিটিয়ে মুছলমান সকলৰ সামাজিক আৰু শৈক্ষিক সমস্যাবোৰ আৰু তাৰ কাৰণবোৰৰ ভিতৰত সোমাই কিছুমান সিদ্ধান্তত আহিছিল আৰু সম্প্ৰদায়টোক অধঃগতিৰ পৰা উদ্ধাৰ পাবলৈ কিছুমান পৰামৰ্শ

আগবঢ়াইছিল। এইক্ষেত্ৰতো চৰকাৰে কোনো পদক্ষেপ গ্ৰহন কৰা দৃষ্টিগোচৰ হোৱা নাই। গতিকে মুছলমানসকলে চৰকাৰ বা অন্য কাৰোৱে ওপৰত নিৰ্ভৰ নকৰি নিজৰ অৱস্থাৰ উন্নতিৰ বাবে নিজেই চেষ্টা কৰা উচিত। মুছলমান সকল সকলো ক্ষেত্ৰতে পশ্চাদপদতাৰ বহুত কাৰণ আছে। কিন্তু তাৰ মূলতেই হৈছে সময়োপযোগী উপযুক্ত শিক্ষাৰ অভাৱ। এওঁলোকে পৰাধীন ভাৰতৰ বৃটিছ শাসনৰ সময়ত নতুনকৈ প্ৰৱৰ্তন কৰা আধুনিক অথবা পশ্চিমীয়া শিক্ষাৰ প্ৰতি সন্দিহান আছিল। বহুত পলমকৈ তেওঁলোকে আধুনিক জ্ঞান-বিজ্ঞান সম্বলিত শিক্ষাৰ গুৰুত্ব উপলব্ধি কৰিব ধৰে যদিও ৰক্ষণশীল মনোভাৱৰ বাবে জ্ঞান-বিজ্ঞানৰ প্ৰতি সিমান মনোযোগ দিয়া নাছিল। তেওঁলোকৰ শিক্ষা হাদীছ, কোৰআন, ধৰ্ম বিশ্বাস আৰু ধৰ্মীয় সংস্কৃতিৰ মাজতেই আৱদ্ধ আছিল। আধুনিক শিক্ষাৰ প্ৰবল বিৰোধী। তাৰ মাজতেই ছাৰ ছৈয়দ আহমদ চাহাবে অতিকষ্টেৰে আলিগড় মুছলিম বিশ্ববিদ্যালয় স্থাপন কৰিব লগা হৈছিল। তথাপি ৰাইজৰ আৰু ধৰ্মীয় নেতা সকলৰ সমৰ্থন খুব কম আছিল। এইদৰে মুছলমান সমাজ জ্ঞান-বিজ্ঞান বৰ্জ্জিত অকল ধৰ্মীয় শিক্ষাৰে সন্তুষ্ট থাকি ভাৰতবৰ্ষত অন্য সম্প্ৰদায়তকৈ বহুত পিচ পৰি যায়।

এতিয়াও মুকলিকৈ আধুনিক শিক্ষা, সাধাৰণ বিজ্ঞান, চিকিৎসা বিজ্ঞান, কাৰিকৰী বিজ্ঞান ইত্যাদিৰ শিক্ষাৰ প্ৰয়োজনীয়তাৰ কথা ধৰ্মীয় পণ্ডিত সকলে ৰাইজৰ মাজত প্ৰচাৰ কৰা দেখা নাযায়। তেওঁলোকে ইছলামৰ বিভিন্ন হাদীছ, নিয়ম-কানুনৰ কথা প্ৰচাৰ কৰে, কিন্তু কেতিয়াও জ্ঞান-বিজ্ঞানৰ শিক্ষাৰ কথা নকয়। ৮ বছৰৰ ল'ৰা-ছোৱালীয়ে যদি সম্পূৰ্ণ কোৰআন মুখস্থ কৰিব পাৰে, তেন্তে সেই ল'ৰা-ছোৱালীয়ে সহজেই মেডিকেল, ইঞ্জিনিয়াৰিং ইত্যাদিৰ বাবে প্ৰয়োজনীয় অৰ্হতা আহৰণ কৰিব পাৰিব। ইছলামী অনুষ্ঠানবোৰে আৰু ইছলামী পণ্ডিত (মৌলভী, মুফ্‌তী) সকলে যদি নিৰ্দেশ দিয়ে যে ইছলামী শিক্ষাৰ লগতে প্ৰত্যেকজনে বিজ্ঞান আৰু কাৰিকৰী শিক্ষাত মনোযোগ দিব লাগে, তেতিয়া নিশ্চয় শিক্ষাৰ ক্ষেত্ৰত কম সময়তেই এটা ডাঙৰ পৰিৱৰ্তন আহিব বুলি আশা কৰা যায়।

মুছলমান সকলৰ শৈক্ষিক ক্ষেত্ৰত আৰু এটা ডাঙৰ বিপৰ্যয় হৈছে যে, নাৰী শিক্ষাৰ বাবে ইছলাম ধৰ্মই পুৰুষৰ সমানেই নাৰীৰ মৰ্যদা দিছে যদিও, অধিকাংশ ক্ষেত্ৰতে নাৰীক সেই অধিকাৰৰ পৰা বঞ্চিত কৰা দেখা যায়। নাৰী অশিক্ষিত হৈ থাকিলে সেই সমাজ আগবাঢ়িব নোৱাৰে। পৰিয়ালত শিক্ষিতা মহিলা থাকিলেহে পৰিয়ালৰ ল'ৰা-ছোৱালীৰ আদব-কায়দা ভাল হয়, মাৰ্জিত হয়। শিক্ষিত মাকবোৰে ল'ৰা-ছোৱালীক শিক্ষিত কৰিবলৈ যত্নপৰ হয়। মুছলমান সমাজৰ শৈক্ষিক পৰিৱেশ উন্নত বা সুস্থ কৰিবলৈ হ'লে এই সমাজৰ ছোৱালীবোৰক শিক্ষাৰ বাবে বিশেষ আঁচনি গ্ৰহন কৰিব লাগিব।

প্ৰকৃততে মুছলমান সমাজৰ ল'ৰা-ছোৱালীৰ শিক্ষাৰ বাবে এক আন্দোলনৰ প্ৰয়োজন হৈছে। মুছলমান ল'ৰা-ছোৱালীৰ উচ্চ শিক্ষাৰ হাৰ বঢ়াবলৈ হ'লে মুছলমান অধ্যুষিত ঠাইবোৰত কিছুমান ভাল বিদ্যালয় স্থাপন কৰা প্ৰয়োজন। লগতে প্ৰচাৰ মাধ্যম, ছেমিনাৰ, মিটিং আদিৰ সহায়ত এই সমাজত উচ্চ শিক্ষাৰ বাবে সচেতনতা অনাটো জৰুৰী। এই কামত সকলোৰে সহযোগ আগবঢ়াব লাগিব। ○

(লেখক ড° আতোৱাৰ ৰহমান গুৱাহাটী বিশ্ববিদ্যালয়ৰ পদাৰ্থ বিজ্ঞান বিভাগৰ অৱসৰপ্ৰাপ্ত অধ্যাপক, সোণৰ পদকপ্ৰাপ্ত যশস্বী লেখক, বুদ্ধিজীৱি তথা গুৱাহাটী বিশ্ববিদ্যালয়ৰ দ্বাৰা মনোনীত ৰাজীৱ গান্ধী মেম'ৰিয়েল কলেজ পৰিচালনা সমিতিৰ প্ৰাক্তন সদস্য)

# ভাৰতবৰ্ষৰ ৰাজনৈতিক প্ৰেক্ষাপট আৰু ছাত্ৰসমাজ



ড° ৰীতা শৰ্মা, ভাৰপ্ৰাপ্ত অধ্যক্ষা
ৰাজীৱ গান্ধী মেম'ৰিয়েল কলেজ, লেংটিছিঙা

**ভাৰতবৰ্ষ** এখন গণতান্ত্ৰিক গণৰাজ্য। এইখন পৃথিৱীৰ ভিতৰত সৰ্ববৃহৎ গণতান্ত্ৰিক দেশ। ইয়াত পৰোক্ষভাৱে ৰাইজেই ৰজা। প্ৰতিগৰাকী ভোটদাতাই নিজৰ পচন্দৰ প্ৰাৰ্থীক ভোট দি প্ৰতিনিধি নিৰ্বাচনত প্ৰত্যক্ষ ভূমিকা গ্ৰহণ কৰে, আইন প্ৰণয়নত অংশগ্ৰহণৰ সুবিধা পায়। ভোট প্ৰদানৰ বাবে বয়সৰ নূন্যতম সীমা ১৮ বছৰ ; অৰ্থাৎ ১৮ বছৰৰ ওপৰৰ প্ৰতিগৰাকী সুস্থ ব্যক্তিয়ে ভোটাধিকাৰ লাভ কৰে। বয়সৰ সীমাৰেখাৰ পিনৰ পৰা চালে দেখা যায় যে, ইয়াত ছাত্ৰসকলে ৰাজনীতিত পোনপটীয়া অংশ গ্ৰহণৰ সুযোগ লাভ কৰিবলৈ সক্ষম হয়। কিন্তু বিচাৰ্য্য বিষয় এইটোৱে যে ৰাজনীতিত প্ৰত্যক্ষ অংশ গ্ৰহণৰ বাবে ছাত্ৰসমাজ এই বয়সত কিমান দূৰ পৰিপক্ক হৈ উঠে?

পৃথিৱী নামৰ গ্ৰহটোত থকা মুঠ সাতখন মহাদেশৰ অন্তৰ্গত দেশসমূহৰ ভিতৰত জনসংখ্যাৰ ফালৰপৰা ভাৰতবৰ্ষ দ্বিতীয় বৃহৎ দেশ আৰু সৰ্ববৃহৎ গণতান্ত্ৰিক গণৰাজ্য। সাংস্কৃতিক, ভাষিক, ধৰ্মীয় বিচিত্ৰতাই থকা স্বত্বেও আত্মিক ঐক্যতাই এই দেশক মহানতা প্ৰদান কৰিছে। ২০১৯ চনৰ হিচাপ অনুসৰি ইয়াৰ জনসংখ্যা ১.৩৭ বিলিয়ন হ'বগৈ বুলি অনুমান কৰা হৈছে। এই বৃহৎ সংখ্যক জনসংখ্যাই নিজে ভোট দি দেশ চলাবলৈ উপযুক্ত প্ৰাৰ্থী বাছনি কৰে। গণতান্ত্ৰিক দেশ হিচাপে ইয়াত প্ৰতিজন নাগৰিকে নিৰ্বাচনত প্ৰতিদন্দ্বিতা কৰিবৰ বাবে নিজাকৈ দল গঠন কৰিব পাৰে ; মাত্ৰ কিছু নীতি-নিয়ম মানি চলিলেই হ'ল। নিজৰ পচন্দৰ প্ৰাৰ্থীক নিৰ্বাচিত কৰি অনাৰ বাবে এই দলসমূহে যৎপৰনাস্তি চেষ্টা কৰে। তাৰ বাবে প্ৰতিটো দলে ভোটদাতাক আকৰ্ষণৰ বিভিন্ন ব্যৱস্থা গ্ৰহণ কৰে। বৃহৎ গণতান্ত্ৰিক দেশ এখনৰ সুন্দৰ উজ্জ্বল ভৱিষ্যতৰ বাবে ভোটদাতাসকলে সঠিক বিচাৰ বিবেচনাৰে ভোট প্ৰদান কৰা অতীৱ প্ৰয়োজন। ইয়াৰ বাবে ভোটদাতাসকলৰ সজাগতা জৰুৰী।

ভোট প্ৰদানৰ বাবে বয়সৰ নিম্নতম সীমা ১৮ বছৰ। পৃথিৱীৰ বিভিন্ন ঠাইত এই সীমা ভিন ভিন। সৰহ সংখ্যক দেশতেই এই সীমা ১৮ বছৰ যদিও কোনো কোনো দেশত ২১ বছৰ অথবা ২২ বছৰো আছে। বাহৰেইন, কেমেৰুণ, নৌৰু, টাইৱান, আদি দেশত ২০ বছৰ; টংগা, টকেলাও, চলমন আইলেণ্ড, চিঙ্গাপুৰ, ওমান আদি দেশত ২১ বছৰ। দুই এখন দেশত ১৬ অথবা ১৭ বছৰতো ভোট প্ৰদানৰ ক্ষমতা লাভ কৰে। কিন্তু বিচাৰ্য্য বিষয় এইটোৱে যে ভোট প্ৰদানৰ বাবে ই উপযুক্ত সময় হয় নে নহয়?

ভাৰতবৰ্ষ এখন উন্নয়নশীল দেশ। বৰ্তমানৰ উন্নত দেশসমূহৰ তুলনাত ই যথেষ্ট পিছপৰা। জীৱন-যাপনৰ প্ৰণালী, শিক্ষা-দীক্ষা, বাৰ্ষিক জনমুৰি আয় আদি সকলো দিশতে ই পিছপৰা। আনকি ইয়াৰ জনসাধাৰণৰ চিন্তা-চৰ্চাও পিছপৰা। ইয়াৰ যুৱক-যুৱতী সকলৰ চিন্তা-চৰ্চাই আন ঠাইৰ যুৱক-যুৱতীৰ তুলনাত পলমকৈ পৰিপক্কতা লাভ কৰে, অৰ্থাৎ স্বাৱলম্বী হয়। তেনে ক্ষেত্ৰত তেওঁলোকৰ ভোট দান প্ৰক্ৰিয়াই কিমান পৰিশুদ্ধতা লাভ কৰিব সেয়া চিন্তনীয়। তেৰ বছৰৰ পৰা ওঠৰ বছৰ বয়সলৈ এই সময়চোৱা কৈশোৰ আৰু যৌৱনৰ বয়ঃসন্ধিৰ কাল। মনোবিজ্ঞানৰ দৃষ্টিভঙ্গীৰে এই সময়চোৱাত সকলোৰে মন চঞ্চল আৰু অস্থিৰ হৈ থাকে। তেওঁলোকে পৃথিৱীখন নতুন দৃষ্টিৰে চাবলৈ আৰম্ভ কৰে। এই সময়চোৱা প্ৰত্যেক ব্যক্তিৰ বাবে জীৱনৰ মধুৰতম সময়। ইয়াৰ মাজতে ওঠৰ বছৰ বয়সত ভোটাধিকাৰ লাভ কৰি স্বভাৱতে তেওঁলোক উৎফুল্লিত হৈ পৰে আৰু নিজৰ অধিকাৰ সাব্যস্ত কৰি নিজকে নাগৰিক হিচাপে প্ৰতিপন্ন কৰাত গুৰুত্ব আৰোপ কৰে। দেখাত সাধাৰণ কথা হ'লেও ভোটাধিকাৰ এক গুৰু দায়িত্ব। দেশৰ ভৱিষ্যত ইয়াৰ ওপৰতে নিৰ্ভৰ কৰে। কাৰণ এগৰাকী সুনাগৰিকেহে সুপৰিচালক হ'ব পাৰে। সেয়ে প্ৰকৃত বিচাৰ বিবেচনাৰে ভোট নিদিলে অনুপযুক্ত প্ৰাৰ্থী নিৰ্বাচিত হোৱাৰ সম্ভাৱনাই দেখা দিয়ে। বয়ঃসন্ধিৰ এই সময়চোৱাত ল'ৰা-ছোৱালীবোৰ বাহিৰৰ ৰংচঙীয়া পৃথিৱীখনৰ প্ৰতি সহজে আকৰ্ষিত হয়। তদুপৰি এই সময়চোৱাত শৰীৰৰ পৰিৱৰ্তনৰ লগে লগে মানসিক ভাৱেও বহুতো অগতানুগতিক পৰিৱৰ্তনৰ সন্মুখীন হয়। এই সময়খিনি স্বপ্ৰতিভা বিকাশৰ অগ্ৰসৰ হোৱাৰ উপযুক্ত সময়। একেলগে ই পংকিলতাই গ্ৰাস কৰিব পৰা বিপজ্জনক সময়ো। পোন প্ৰথমবাৰৰ বাবে মাক-দেউতাকৰ নিয়ন্ত্ৰণৰ পৰা ওলাই আহি ব্যক্তিগত ৰুচি-অভিৰুচিৰে মতামত প্ৰকাশ কৰিব পৰা সময়। স্বকীয় দৃষ্টিভঙ্গী গঠনৰ লগতে জীৱনৰ বিভিন্ন দিশৰ পৰীক্ষা-নিৰীক্ষা আৰম্ভ কৰাৰ সময়। এই সময়ত তেওঁলোকে মনৰ জোৰেৰে, গাৰ জোৰেৰে সকলো কাম কৰাৰ সপোন দেখে; বহুতে বেয়াখিনি ভাল কৰিবলৈ মনত সাহ বান্ধে, বহুতে আকৌ বেয়া কাম ভাল কাম বিবেচনা নকৰি নিজৰ লাভ বিচাৰি কাম কৰিবলৈ আগবাঢ়ে। মুঠতে যদিও আইনগত ভাৱে বিচাৰ ক্ষমতা লাভ কৰে যদিও, পৰিপক্ক চিন্তাধাৰা নথকা বাবে ভাল-বেয়া বিচাৰৰ ক্ষমতা গঢ়ি নুঠে। গতিকে স্পৰ্শকাতৰ এই সময়ত ল'ৰা-ছোৱালী সহজে বিভিন্ন প্ৰলোভনৰ চিকাৰ হয়। শিক্ষাৰম্ভৰ বয়সৰ ফালৰ পৰা বিচাৰ কৰিলে দেখা যায় যে মহাবিদ্যালয়ত প্ৰৱেশ কৰা বা সময়তে ছাত্ৰ বা ছাত্ৰী এগৰাকীয়ে নাগৰিকত্ব লাভ কৰে। মহাবিদ্যালয়ত প্ৰৱেশৰ এই সময়চোৱাত তেওঁলোক স্কুলীয়া শিক্ষাৰ বান্ধোনৰ পৰা মুক্তি লাভ কৰে আৰু স্বাধীনচিতীয়া জীৱন যাপন কৰিবলৈ ইচ্ছা প্ৰকাশ কৰে। গতিকে দুয়োটা মিলাই তেওঁলোকে পৃথিৱীৰ ৰঙীন আৰু সুন্দৰ দিশটোহে প্ৰকৃত বুলি ভাৱে। তাৰেই সুযোগ লয় ৰাজনৈতিক দলসমূহে। ফলস্বৰূপে গঢ় লৈ উঠে ছাত্ৰ ৰাজনীতি। যুগৰ পৰিৱৰ্তনৰ লগে লগে ছাত্ৰ সমাজলৈ যথেষ্ট পৰিৱৰ্তন আহিছে। পৰিৱেশৰ প্ৰতি, সমাজৰ প্ৰতি ছাত্ৰসকল দায়বদ্ধ হৈ পৰিছে। সেয়ে বৰ্তমান সমাজে ছাত্ৰসকলৰ পৰা বহুতো আশা কৰে। কিন্তু চিন্তনীয়

বিষয় এইটোৱে যে বৰ্তমান সময়ত ছাত্ৰ ৰাজনীতিয়ে মহাবিদ্যালয় তথা বিশ্ববিদ্যালয়সমূহত এনেদৰে শিপাইছে যে বহুসময়ত ই শিক্ষাৰ পৰিবেশো বিনষ্ট কৰি পেলোৱা পৰিলক্ষিত হয়। বিশ্ববিদ্যালয় অনুদান আয়োগৰ তৰফৰ পৰা বান্ধি দিয়া নিৰ্দিষ্ট নিয়ম অনুসৰি মহাবিদ্যালয় তথা বিশ্ববিদ্যালয়সমূহে নিৰ্বাচন পাতিবলৈ দায়বদ্ধ। স্বাধীন গণতান্ত্ৰিক দেশৰ জনসাধাৰণে নিজৰ মতামত প্ৰকাশৰ ক্ষেত্ৰত অপৰিসীম গুৰুত্ব লাভ কৰে। ভাৰতীয় সংবিধানৰ ১৯নং দফাৰ যোগেদি ৰাষ্ট্ৰৰ প্ৰতিজন নাগৰিককে নিজৰ মতামত প্ৰকাশৰ স্বাধীনতা প্ৰদান কৰা হৈছে। এই সম্পৰ্কে আমি অথবা ছাত্ৰসমাজ বিশেষ ভাৱে সচেতন। কিন্তু ১৯নং দফাৰে ২নং অনুচ্ছেদত কিছুমান বিষয়ত মতামত প্ৰকাশৰ স্বাধীনতা সংবিধানে খণ্ডন কৰিছে; যি বিষয়ত হয়তো ছাত্ৰসমাজ সচেতন নহয়। ফলস্বৰূপে ৰাজনীতিত পৰিপক্ক ৰাজনৈতিক দলসমূহে বাহিৰৰ পৰা কৰা নিজাববীয়াকৈ ছাত্ৰসমাজক বিভিন্ন প্ৰকাৰে বুজাই নিৰ্বাচন প্ৰক্ৰিয়াত হস্তক্ষেপ কৰি সুচাৰুৰূপে সমাপন কৰাত বাধাৰ সৃষ্টি হয়। ইয়াৰ বাবে ৰাজনৈতিক বিভিন্ন দল-সংগঠনে মহাবিদ্যালয়-বিশ্ববিদ্যালয়তো তেওঁলোকৰ দ্বাৰা নিৰ্বাচিত একোগৰাকী প্ৰাৰ্থী থিয় কৰায়। কিদৰে নিজৰ পচন্দৰ প্ৰাৰ্থীগৰাকী নিৰ্বাচিত কৰি আনিব পাৰে তাৰবাবে ধন-জন সকলো প্ৰয়োগ কৰে। ফলস্বৰূপে নিয়ম বহিৰ্ভূত ভাৱেই বহিঃ সংগঠনসমূহ জড়িত হৈ পৰে। এনেদৰে নতুনকৈ ভোট প্ৰদানৰ ক্ষমতা লাভ কৰা ছাত্ৰসমূহ নিজে নজনাকৈয়ে ৰাজনৈতিক দলৰ দ্বাৰা প্ৰভাৱান্বিত হৈ নিজৰ শিক্ষা জীৱন জটিলতাৰ মুখলৈ ঠেলি দিয়ে। ৰাজনীতিয়ে তেওঁলোকক বাট এৰি কেতিয়া অবাটে লৈ যায় বুজি উঠোতে পলম হৈ যায়। যিহেতু এই সময় নিজৰ ভৱিষ্যত গঢ়াৰ সয়স সেয়ে ছাত্ৰ-ছাত্ৰীক নিৰ্বাচনৰ অযথা জটিলতাৰ পৰা আঁতৰাই ৰাখি ভৱিষ্যত গঢ়াৰ সুযোগ দিয়া উচিত। যদিও আনুষ্ঠানিক শিক্ষাৰ লগত ৰাজনীতিৰ জ্ঞানৰ প্ৰয়োজন, সেই জ্ঞান কিন্তু দেশৰ আৰু দহৰ মঙ্গলৰ বাবে হোৱা উচিত। এনে কৰিলেহে দেশে ভৱিষ্যত সঠিক সময়ত একোগৰাকী বিচক্ষণ ৰাজনীতিক লাভ কৰিবলৈ সক্ষম হ'ব।

দলীয় ৰাজনীতিৰ পৰা ছাত্ৰসমাজক আঁতৰাই ৰাখিব পাৰিলেহে ৰাজনৈতিক দলসমূহৰ ক্ষুদ্ৰ স্বাৰ্থৰ পৰা ছাত্ৰ সমাজক ৰক্ষা কৰিব পৰা যাব। দলৰ ক্ষুদ্ৰ স্বাৰ্থৰ দ্বাৰা ছাত্ৰসমাজ যাতে প্ৰলোভিত নহয় বা ৰাজনৈতিক দলসমূহে যাতে ছাত্ৰসমাজক প্ৰলোভিত কৰিব নোৱাৰে তাৰ বাবে ছাত্ৰসকলক পৰিপক্ক কৰি তোলা প্ৰয়োজন।

গতিকে সুস্থিৰ ভৱিষ্যতৰ স্বাৰ্থত, দেশৰ ৰাজনীতি সুস্থিৰ কৰি ৰাখিবলৈ দেশখনক উন্নত দেশৰ শাৰীলৈ উন্নীত কৰাৰ স্বাৰ্থত ভৱিষ্যত নাগৰিকসকলক পৰিপক্ক কৰি তোলাৰ স্বাৰ্থত ভোটাধিকাৰ লাভ কৰা বয়সৰ সময় সীমা নতুনকৈ নিৰ্ধাৰণ কৰা সম্পৰ্কে চিন্তা-চৰ্চা কৰা প্ৰয়োজন আহি পৰিছে। মহাবিদ্যালয়ত প্ৰৱেশৰ মুহূৰ্তত ভোটাধিকাৰ লাভ কৰা সহজ-সৰল ছাত্ৰ সমাজক ৰাজনৈতিক দলসমূহে বিভিন্ন প্ৰলোভনেৰে আকৰ্ষণ কৰি নিজৰ স্বাৰ্থত ব্যৱহাৰ কৰা সহজ হৈ পৰে। এচাম ব্যক্তিয়ে তাকেই কৰি সহজ-সৰল ভোটাদাতাসকলক নিজৰ ফলীয়া কৰি লয় আৰু ৰাজনৈতিক মুনাফা আদায় কৰে। কিন্তু তাৰ বিনিময়ত এই ভোটাৰসকলক দিয়া প্ৰতিশ্ৰুতি পাহৰি যায়। এই সমগ্ৰ ঘটনা প্ৰক্ৰিয়াত

ব্যক্তিগত লাভ-লোকচানক আঁতৰাই ৰাখি বিচাৰ কৰিলে দেখিবলৈ পোৱা যায় যে গণতান্ত্রিক দেশত যদিও ৰাইজে ইচ্ছা কৰিলে চৰকাৰ সলনি কৰিব পাৰে বুলি ধৰি লোৱা হয় বা কোৱা হয় কিন্তু বাস্তৱ দৃষ্টিভংগীত ই সত্য নহয় ; কাৰণ এবাৰ নিৰ্বাচিত হোৱাৰ পিছত এজন ব্যক্তিক সলনি কৰাৰ কোনো ব্যৱস্থা গণতান্ত্রিক নির্বাচন পদ্ধতিত নাই। যিহেতু ই দলীয় ব্যৱস্থা দলৰ লগত আদর্শগত মিল নাথকিলে বহু ব্যক্তি অংশীদাবিত্বৰ পৰা আঁতৰি থাকে। ফলত সুস্থ আৰু নিকা প্ৰতিনিধি বিচৰা নবীন ভোটদাতাসকল আশাহত হয়। ইয়াৰ উপৰি অসাধু বহু ৰাজনীতিকে এই সময়তে সৎ-অসৎ দুয়ো প্ৰকাৰে সম্পত্তিৰ পাহাৰ গঢ়ি পৰৱৰ্তী সময়ত তাৰ সহায়তে দুখীয়া ভোটদাতা সকলক সামান্য সহায়ৰ বিনিময়ত পুনৰ নিৰ্বাচন জিকিবলৈ সক্ষম হয়। ভাৰতবৰ্ষৰ দৰে দুখীয়া দেশ এখনত সাধাৰণ মানুহ আকৰ্ষণৰ বাবে বৰ বেছি কষ্ট কৰিবলৈ প্ৰয়োজন নহয়।

নৱপ্ৰজন্মক দেশৰ ভৱিষ্যত, আশা-ভৰষাৰ থল বুলি বিবেচনা কৰা হয় ; সুস্থ সমাজ এখন, দেশ এখন গঢ়াৰ দায়িত্ব তেওঁলোকৰ ওপৰত ন্যস্ত কৰা হয় । সেই বাবে সুস্থ সমাজ এখন গঢ়িবলৈ তেওঁলোকৰ মন-মগজু পৰিপক্ক হোৱাটো বাঞ্ছনীয়। সেয়ে এই ক্ষেত্ৰত ভোট প্ৰদানৰ সময়টোৱে প্ৰথমে মনলৈ আহে। যাতে বয়ঃসন্ধিৰ পৰা তেওঁলোক ওলাই আহিব পাৰে। সকলো কথা সুস্থিৰ মস্তিষ্কৰে চিন্তা কৰিব পৰা হয়। সেয়ে ভোটদান কৰিবলৈ সঠিক সময় নিৰ্দ্ধাৰণ কৰিবলৈ হ'লে ২১ বছৰৰ পিছত কৰা প্ৰয়োজন ; এই সময়লৈ ছাত্ৰ বা ছাত্ৰী এগৰাকী বিশ্ববিদ্যালয় স্তৰত অধ্যয়ন কৰে বা কৰাব অৱস্থাপ্ৰাপ্ত হয়। অৰ্থাৎ তেওঁলোকৰ মগজে পূৰ্ণতা লাভ কৰিবলৈ আৰম্ভ কৰে। গতিকে লাহে লাহে কথাবোৰ আৱেগৰ সলনি বিবেকেৰে চালি-জাৰি চাবলৈ আৰম্ভ কৰে। যিহেতু নিৰ্বাচন হঠাতে আহি পৰা ব্যৱস্থা নহয় বহুত দিন আগৰ পৰা ইয়াৰ প্ৰস্তুতি চলে। গতিকে ভোট দানৰ আগতে নতুন ভোটাৰসকলে কথাবোৰৰ , ৰাজনৈতিক দলৰ উদ্দেশ্য বিচাৰ কৰিবলৈ সুবিধা পায়। ৰাজনীতি কি অনুধাৱন কৰিবলৈ সক্ষম হয়। ফলস্বৰূপে নিৰ্বাচন প্ৰক্ৰিয়া নিকা আৰু সুস্থ হোৱাৰ আশা কৰিব পাৰি। যিহেতু আজিৰ ছাত্ৰসমাজেই অহাকালি দেশৰ ভৱিষ্যত ,সেয়ে সুস্থ দেশ এখনৰ প্ৰয়োজনত ,অথবা সুস্থ জাতি এটা গঢ়াৰ স্বাৰ্থত অথবা সুস্থ সমাজৰ বাবে এই দিশৰ চিন্তা-চৰ্চাৰ থল আছে। প্ৰতিগৰাকী নাগৰিকৰ সুপৰিচালিত বিচাৰ ধাৰাইহে নিৰ্ণয় কৰে এখন সুস্থ সমাজৰ ধাৰণা। ❍



*কেমেৰাৰ লেন্সত নতুন বজাৰ কালী মন্দিৰ, লেংটিছিঙা*

# এক মহান ব্যক্তিত্বৰ মহাপ্ৰয়াণ



আব্দুল খালেক
সহকাৰী অধ্যাপক , বুৰঞ্জী বিভাগ

সেয়া আছিল ১৯৯২ ইং চনৰ কোনোবা এটা দিনৰ কথা। খানখোৱা চৰৰ পৰা দিছপুৰলৈ বুলি ৰাওঁনা হলোঁ। ৰাতিপুৱা ১০-০০ টা মান বজাত গোৱালপাৰাৰ পৰা গুৱাহাটীলৈ বাছেৰে যাত্ৰা আৰম্ভ কৰিছিলোঁ। বিয়লি ৪-৩০ টা বজাত ৯৬ নং পূৰণি বিধায়ক আৱাস গৃহত প্ৰৱেশ কৰিছিলোঁ আৰু তাতেই প্ৰথমবাৰৰ বাবে লগ পাইছিলো তেতিয়াৰ বিধায়ক তথা প্ৰয়াত আমাৰ সকলোৰে প্ৰিয় নেতা শ্ৰী চন্দন কুমাৰ সৰকাৰদেৱক। ইয়াৰ আগতেও তেখেতক খানখোৱা চৰত লগ পাইছিলো যদিও তেতিয়া মোৰ বয়স আছিল মাত্ৰ ২০ বছৰ। কলেজীয়া ছাত্ৰ হোৱা হেতুকে তেখেতৰ তাতে মই হিচাপৰ মানুহ নাছিলোঁ। সি যি কি নহওঁক, বিধায়ক আৱাসত প্ৰথম আনুষ্ঠানিক বাৰ্তালাপৰ পিছত তেখেতৰ মহান ব্যক্তিত্বৰ প্ৰতি মোহিত হৈ ৰাজনৈতিকভাৱে তেখেতৰ ওচৰত শৰাণাপন্ন হলো আৰু তেতিয়াৰ পৰা মৃত্যুৰ আগলৈ এই বিশাল বট বৃক্ষৰ ছাঁত দিন অতিবাহিত কৰিছিলোঁ।

১৯৯১-১৯৯২ ইং চনৰ পৰা তেখেতে বিধায়ক তথা মীন বিভাগৰ অধ্যক্ষ পদত কাৰ্যনিবাহ কৰি যথেষ্ট দক্ষতাৰ পৰিচয় দি প্ৰয়াত মুখ্যমন্ত্ৰী হিতেশ্বৰ শইকীয়াৰ দৃষ্টি আকৰ্ষণ কৰিছিল। চাকৰি-বাকৰিকে আদি কৰি বিভিন্ন উন্নয়নমূলক কামৰ যোগেদি এজন কৰ্মদক্ষ বিধায়ক হিচাপে নামনি অসম তথা গোটেই অসমত পৰিচিতি লাভ কৰিছিল। সমষ্টিৰ জনসাধাৰণেও এই কথাটো ভাবি আচৰিত মানিছিল যে, এজন বিধায়কে কেনেকৈ ইমান কাম নিষ্ঠাৰে কৰি যাব পাৰে।

কিন্তু ১৯৯৬ ইং চনত যি নিৰ্বাচন অনুষ্ঠিত হৈছিল, সেই নিৰ্বাচনত গোটেই অসমত যি প্ৰতিষ্ঠান বিৰোধী ঢৌ আৰম্ভ হৈছিল সেই ঢৌৱে এইজন জনপ্ৰিয় বিধায়কক উটুৱাই লৈ গৈছিল। অৱশেষত পৰিস্থিতি এনেকুৱা হৈছিল গৈ যে নিৰ্বাচনত পৰাজিত হোৱাৰ পিছত অসম এৰি বংগলৈ যাব লগা হৈছিল। প্ৰায় এবছৰ মান পিছত পুনৰ তেখেতে অভয়াপুৰীৰ নিজ বাসগৃহলৈ প্ৰত্যাৱৰ্তন কৰিছিল আৰু ২০০১ ইং চনৰ নিৰ্বাচনত অৱতীৰ্ণ হৈ বিপুল ভোটত জয়ী হৈ পুনৰ নিজৰ জনপ্ৰিয়তাৰ প্ৰমাণ দিবলৈ সক্ষম হৈছিল। আকৌ ২০০৬ ইং চনৰ নিৰ্বাচনত পৰাজয় স্বীকাৰ কৰি সকলোকে হতাশ কৰিছিল। ইমানৰ পিছতো তেখেতে কিন্তু কেতিয়াও হাৰ মনা নাছিল। হৰা-জিকাৰ মাজতো কেতিয়াও নিৰাশ নহৈ দুৰন্ত গতিত জনগণৰ কল্যাণৰ কাৰণে কাম কৰি গৈছিল।

২০১১ ইং চনৰ নিৰ্বাচনত পুনৰবাৰ জয়ী হৈ ৰাইজৰ সেৱাত আত্মনিয়োগ কৰিছিল। নিজৰ ৰাজনৈতিক বিচক্ষণাতৰ বলত অসমৰ সংসদীয়

সচিব পদত দক্ষতাৰে কাৰ্যনবাহ কৰিছিল আৰু ইয়াৰ কিছুদিন পিছতেই অসম মন্ত্ৰীসভাৰ কেবিনেট মন্ত্ৰী হিচাপে দায়িত্বভাৰ গ্ৰহন কৰি পুনৰ নিজৰ দক্ষতাৰ প্ৰমাণ দিবলৈ সক্ষম হৈছিল। নামনি অসমৰ ভাষিক আৰু ধৰ্মীয় সংখ্যালঘু লোক সকলক নেতৃত্ব দিয়াৰ ওপৰিও গোটেই অসমত তেওঁৰ এটা সুকীয়া পৰিচয় আছিল। ইমানৰ পিছতো ২০১৬ ইং চনৰ নিৰ্বাচনত প্ৰতিষ্ঠান বিৰোধী ঢৌৰ বলি হৈ সামান্য ভোটৰ ব্যৱধানত পৰাজিত হ'ব লগা হৈছিল।

অদম্য কৰ্মপ্ৰেৰণা আৰু কৰ্মদক্ষতা তেখেতৰ জীৱনৰ প্ৰধান বৈশিষ্ট্য আছিল। অতি দৰিদ্ৰ পৰিয়ালত জন্ম গ্ৰহণ কৰা এইজন মহান ব্যক্তিৰ আনুষ্ঠানিক শিক্ষা তেনেই সামান্য আছিল যদিও বাস্তৱিকতে তেখেত অত্যন্ত বিদ্যানুৰাগী আছিল। শিক্ষাই জাতিৰ মেৰুদণ্ড আৰু শিক্ষা অবিহনে কোনো জাতিৰ উন্নতি সম্ভৱ নহয়, এই কথাটো উপলব্ধি কৰি নিজ সমষ্টিত তিনিখন কলেজ আৰু তেখেতৰ জন্মস্থান চাক্‌লাত এখন কলেজ স্থাপন কৰি এক অভিলেখ সৃষ্টি কৰিছিল। ইয়াৰ ওপৰিও অন্যান্য শিক্ষানুষ্ঠান, সামাজিক অনুষ্ঠান, ৰাস্তা-ঘাট, ধৰ্মীয় অনুষ্ঠান আদি নিৰ্মাণ কৰি সকলোৰে দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হৈছিল।

জনসাধাৰণৰ সৰ্বাংগীন উন্নতিৰ কাৰণে তেওঁ গোটেই জীৱন আপ্ৰাণ চেষ্টা কৰি গৈছিল। মানুহৰ জীৱনত অসাধ্য সাধন কৰিবলৈ নিৰ্দিষ্ট লক্ষ্য, ধৈৰ্য, পৰিশ্ৰম আৰু আত্মপ্ৰত্যয়ৰ দৰকাৰ হয় আৰু সেই গোটেইখিনি গুণেই তেওঁৰ গাত আছিল। সমাজ সেৱাক জীৱনৰ প্ৰাথমিক লক্ষ্য হিচাবে বাছি লৈ ডেকা বয়সৰ পৰাই এইবোৰত সক্ৰিয় ভাবে অংশ গ্ৰহণ কৰিছিল।

অসমৰ ভাষিক আৰু ধৰ্মীয় সংখ্যালঘু লোকসকলৰ বিভিন্ন সমস্যাৰ লগত জড়িত হৈ সন্মুখৰ পৰা নেতৃত্ব দি সেইবোৰৰ যথাযথ সমাধান সূত্ৰ উলিয়াবলৈ চেষ্টা কৰিছিল। আশীৰ দশকৰ তথা কথিত বিদেশী খেদা আন্দোলনে যেতিয়া অসমৰ ভাষিক আৰু ধৰ্মীয় সংখ্যালঘু লোকসকলৰ জাতীয় জীৱন বিপন্ন কৰি চৌদিশে অনিশ্চয়তা আৰু অবিশ্বাসৰ ভাৱ গঢ়ি তুলিছিল তেনে এক জটিল সন্ধিক্ষণত এই লোকসকলৰ জাতীয় অস্তিত্ব ৰক্ষাৰ কাৰণে জলেশ্বৰৰ বালিচৰত পোণ প্ৰথমবাৰৰ বাবে অসম সংখ্যালঘু ছাত্ৰ ইউনিয়ন চমুকৈ 'আমছু' নামৰ ছাত্ৰ সংগঠনৰ জন্ম হৈছিল আৰু ইয়াত প্ৰয়াত সৰকাৰদেৱৰ ভূমিকা আছিল অপৰিসীম। নিজৰ দক্ষতা আৰু তৎপৰতাৰ দ্বাৰা তেখেতে 'আমছু' ৰ প্ৰতিষ্ঠাপক সম্পাদক পদত অধিষ্ঠিত হৈছিল আৰু তাতেও তেওঁ যথেষ্ট সাহসৰ পৰিচয় দিছিল। তেখেতৰ কৰ্মৰাজিৰ কোনো তুলনা নাই। আমিবোৰে তেওঁক সহজে পাহৰিব নোৱাৰিম।

মৃত্যুৰ দ্বাৰাও মানুহ মহীয়ান হয় আৰু মৃত্যুৰ পিছত মানুহৰ সঠিক মূল্যায়ণ হয়, ভালনে বেয়া, তেতিয়া বুজাটো সহজ হয়। আজি তেখেতৰ অবৰ্তমানে বহু শুভাকাঙ্খীক কন্দুৱাইছে । আমাৰ যেন বহুত আছে কিন্তু কিবা এটা নাই। তেখেতৰ মৃত্যুত যি অপুৰণীয় ক্ষতি হ'ল, সেই ক্ষতি কোনো কালেই হয়তো পূৰণ কৰা সম্ভৱ নহ'ব। তথাপিতো মানি লবই লাগিব কাৰণ জন্ম-মৃত্যু প্ৰকৃতিৰ এক চিৰন্তন নিয়ম। তেখেতৰ আদৰ্শ আৰু কৰ্মৰাজি জীয়াই ৰখাটো প্ৰত্যেকজন অনুগামীৰ মৌলিক কৰ্তব্য বুলি মই ভাবো। অনাগত দিনত তেখেতে ৰুই থোৱা গছপুলি সমূহক সাৰ পানী যোগেই জীয়াই ৰাখিব পাৰিলে তেখেতৰ আত্মাই চিৰশান্তি লাভ কৰিব। ঈশ্বৰৰ ওচৰত তাকেই কামনা কৰিলোঁ।

লগতে জনপ্ৰিয় নেতা গৰাকীৰ মৃত্যুত শোক প্ৰকাশ কৰাৰ লগতে পৰিয়াল পৰিজনলৈ ৰাজীৱ গান্ধী সোঁৱৰণী মহাবিদ্যালয়ৰ তৰফৰ পৰা গভীৰ সমবেদনা জ্ঞাপন কৰিলোঁ। ○

# স্মৃতিৰ কিছু অৱলোকন



বিল্লাল হুছেইন, সহঃ অধ্যাপক
ৰাজনীতি বিজ্ঞান বিভাগ

১৯৯২ ইং চনৰ ১১ অক্টোবৰৰ এক শুভ সন্ধিক্ষণত নৱ উত্তাৱন শক্তিসম্পন্ন স্বৰ্গীয় চন্দন কুমাৰ সৰকাৰদেৱৰ বলিষ্ঠ পদক্ষেপ আৰু মুখ্য পৃষ্ঠপোষকতাৰ লগতে এই বৃহৎ অঞ্চলৰ সন্মানীয় ভূমিদাতা আৰু কলেজৰ শুভাকাংক্ষী সকলৰ অসীম ত্যাগৰ বিনিময়ত লেংটিছিঙাত উচ্চ শিক্ষাৰ প্ৰাণকেন্দ্ৰ হিচাপে 'ৰাজীৱ গান্ধী মেম'ৰিয়েল কলেজ'খন স্থাপন কৰা হৈছিল। স্মৰ্তব্য যে এই কলেজখনে উচ্চ শিক্ষাৰ ক্ষেত্ৰত বৃহৎ চৰ অঞ্চলৰ এটা বহুদিনীয়া অভাৱ দুৰ কৰাত প্ৰচুৰ অৰিহণা যোগাইছে।

এক যুগান্তকাৰী প্ৰতিক্ষাৰ অন্তত ২২ বছৰ পিছত ২০১৩ ইং চনত কলেজখন প্ৰাদেশীকৃত হয়। এনে এক পৱিত্ৰ উচ্চ শিক্ষানুষ্ঠানৰ লগত আমাৰ প্ৰায় ২১ বছৰ কাল ওতঃপ্ৰোত সম্পৰ্ক থকাটো গৌৰৱৰ ক্ষেত্ৰ বুলি মই অনুভৱ কৰিছোঁ। আজিৰ দিনত কলেজখনে ২৭ টা বছৰ অতিক্ৰম কৰিবৰ হ'ল। যিয়েই নহওঁক ৰাজীৱ গান্ধী মেম'ৰিয়েল কলেজৰ 'ৰূপালী জয়ন্তী' উদ্‌যাপনৰ মাধ্যমেদি প্ৰতিধ্বনিত হোৱা মিলন তীৰ্থৰ ঐতিহাসিক সাক্ষীৰ বাহক হ'ল "স্মৃতি গ্ৰন্থ"। এই সুযোগতে অৰ্থাৎ এনে এক ছন্দময় উৎসৱৰ সন্ধিক্ষনত মোৰ মানস পটৰ কোনো এক বিন্দুত থুপিত হৈ থকা কিছু স্মৃতিৰ অৱলোকন কৰাৰ সুযোগ পোৱাত নিজকে ধন্য মানিছোঁ।

১৯৯৭ ইং চনৰ প্ৰথমাৰ্ধত ৰাজীৱ গান্ধী মেম'ৰিয়েল কলেজৰ তদানীন্তন সন্মানীয় অধ্যক্ষ মৰহুম আবুল হুছেইন শ্বেখ চাৰে হঠাৎ এদিন মোক কলেজত মাতি নি সহঃ অধ্যাপক হিচাপে নিয়মিত ক্লাছ কৰিবলৈ অনুমতি দিয়ে। সেই দিনটো আছিল মোৰ বাবে এক চিৰস্মৰণীয় দিন তথা মোৰ ভৱিষ্যত জীৱনৰ পথ প্ৰদৰ্শক। বিশেষ কৰি সেই সময়ৰ সন্মানীয় মৰহুম আবুল হুছেইন শ্বেখ ছাৰ আৰু পৰিচালনা সমিতিৰ সভাপতি তথা তদানীন্তন বিধায়ক শ্ৰীযুত ৰবিন বণিক্য আৰু শ্ৰদ্ধাৰ সম্পাদক স্বৰ্গীয় শ্ৰীযুত মাণিক চন্দ্ৰ প্ৰামাণিক লগতে কলেজৰ বিশিষ্ট শুভাকাংক্ষী সকলৰ অশেষ প্ৰচেষ্টাৰ ফলত গুৱাহাটী বিশ্ববিদ্যালয় আৰু অসম চৰকাৰৰ ফালৰ পৰা যাৱতীয় প্ৰয়োজনীয় কাম-কাজ মাত্ৰ তিনি বছৰৰ ভিতৰত শেষ কৰি প্ৰাদেশীকিকৰণৰ দুৱাৰ ডলিত উপস্থাপন কৰি এক নজীৰবিহীন ঘটনাৰ সাক্ষী হিচাপে প্ৰতিপন্ন কৰিবলৈ সক্ষম হৈছিল। এই ছেগতে তেখেত সকলৰ লগতে কলেজৰ প্ৰতিষ্ঠাপক অধ্যক্ষ সন্মানীয় এম. ছফিউৰ ৰহমান ছাৰ আৰু পৰিচালনা সমিতিৰ সন্মানীয় সভাপতি তথা অসম

চৰকাৰৰ প্ৰাক্তন ভূমি-সংৰক্ষণ মন্ত্ৰী স্বৰ্গীয় শ্ৰীযুত চন্দন কুমাৰ সৰকাৰদেৱৰ যে কলেজখন গঢ়াত এক যুগান্তকাৰী অৱদান আছিল তাৰ বাবে তেখেত সকললৈ মই শত সহস্ৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

ব্যতিক্ৰমহীন ভাবে ২৫ টা বৰ্ষ অতিক্ৰম কৰা এই মহাবিদ্যালয়ৰ লগত মোৰ জীৱনৰ আধিক কাল ওতঃপ্ৰোত সম্পৰ্ক। জ্ঞানৰ পোহৰ বিলোৱা এই পবিত্ৰ উচ্চ শিক্ষানুষ্ঠানটোৰ সৈতে মোৰ কি যে এক মধুৰ সম্পৰ্ক আছে তাক প্ৰকাশ কৰা খুবেই জটিল। তথাপি আজি সুযোগ পোৱাত অতীতৰ কিছু স্মৃতি প্ৰতিফলিত কৰাৰ ইচ্ছা প্ৰকাশ কৰিছোঁ।

১৯৯২ ইং চনত এই কলেজখন প্ৰতিষ্ঠিত হৈছিল যদিও মোৰ তেতিয়া সম্পৰ্ক গঢ়াৰ সুযোগ হোৱা নাছিল। পিছত মই যেতিয়া ১৯৯৭ ইং চনত কলেজত নিযুক্তি লাভ কৰিলোঁ তেতিয়াৰ পৰা কলেজখনৰ কিছু দৃশ্যাৱলী উপস্থাপন কৰাৰ সামন্য প্ৰয়াস কৰিছোঁ। যিয়েই নহওক, বিশেষ কৰি ১৯৯৮ পৰা ২০০০ ইং চনলৈ কলেজখনৰ আৰ্থিক দিশটো খুবেই সংকটপূৰ্ণ আছিল। কাৰণ তেতিয়া কলেজ পৰিচালনা সমিতিয়ে কলেজৰ কৰ্মৰত শিক্ষক - কৰ্মচাৰী সকলক সামান্যতম পাৰিতোষিক দিয়াৰ সামৰ্থ নাছিল। এনে এক মেঘাচ্ছন্ন সন্ধিক্ষণত শ্ৰদ্ধাৰ অধ্যক্ষ আৰু সম্পাদক ক্ৰমে মৰহুম আবুল হুছেইন শ্বেখ আৰু স্বৰ্গীয় মানিক চন্দ্ৰ প্ৰামাণিক ছাৰ দ্বয়ে কলেজখনক গতিশীল কৰাৰ স্বাৰ্থত বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠান আৰু সদাশয় ব্যক্তি সকলৰ পৰা কিঞ্চিৎ পৰিমাণৰ হলেও বৰঙণি সংগ্ৰহৰ বাবে কলেজৰ চাৰি-পাঁচজনীয়া শিক্ষকৰ এটা সজাতি দল বিভিন্ন ঠাইলৈ পঠিয়াই দিছিল। সেই সজাতি দলটোত মোক অন্তৰ্ভূক্ত কৰাত মই অত্যন্ত গৌৰৱ অনুভৱ কৰিছিলোঁ। যিয়েই নহওঁক, সেই সুত্ৰে আমি ইতিহাস প্ৰসিদ্ধ ফুলোবা চতলাৰ নিকটবৰ্তী কাটাখালি আৰু জয়পুৰৰ লগতে মইনবড়ী, বৰভিটা, লাংলা, ৰঙাপানী ইত্যাদি কৰি বিভিন্ন বজাৰ সমূহৰ দোকানীৰ উপৰিও কৰি , বিলাহী, মৰাপাট আদি ব্যৱসায়ী সকলৰ পৰা সামৰ্থ অনুযায়ী পঞ্চাশ পইচাৰ পৰা আৰম্ভ কৰি পাঁচ টকালৈ কুপনেৰে অনুদান সংগ্ৰহ কৰিছিলোঁ। ইয়াৰোপৰি উক্ত বজাৰ এলেকাৰ শিক্ষানুৰাগী মহান ব্যক্তি সকলে জ্ঞান মন্দিৰ গঢ়াৰ স্বাৰ্থত স্ব-ইচ্ছাই অনুদান আগবঢ়াইছিল। এই সুযোগতে যিসকল নমস্য ব্যক্তি আৰু ব্যৱসায়ীৰ লগতে যি সকলে আমাৰ উদ্দেশ্যক ফলৱতী কৰাত সহায়-সহযোগিতা আৰু দিহা পৰামৰ্শ আগবঢ়াই আমাক আৰু অধিক উৎসাহিত কৰিছিল তেখেত সকললৈ মোৰ তৰফৰ পৰা আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। তাৰোপৰি বিভিন্ন চৰকাৰী শিক্ষানুষ্ঠান, ২নং ৰঙাপানী সমবায় সমিতি, ডুমুৰীয়া-মেৰেৰচৰ সমবায় সমিতি, লেংটিছিঙা মাৰ্কেট ছেট, চিনেমা হ'ল আৰু টাপাট্টাৰী উন্নয়ণ খণ্ড ইত্যাদি অনুষ্ঠান-প্ৰতিষ্ঠান সমূহেও কলেজৰ দুৰ্দিনত যি মহা মূল্যবান আৰ্থিক অনুদান আগবঢ়াই আমাক সহায়- কৰিছিল তাৰ বাবে তেখেত সকললৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

স্মৰ্তব্য যে, সেই জটিল সন্ধিক্ষণত কলেজৰ ছাত্ৰ-ছাত্ৰীৰ সংখ্যা খুব সন্তোষজনক নাছিল। ইয়াৰ অন্তৰালত আছিল এফালে পয়ালগা যোগাযোগ ব্যৱস্থা আৰু আনফালে আছিল ভেঞ্চাৰ

কলেজ। সেই হেতুকে ছাত্র-ছাত্রীয়ে ইয়াত নাম ভৰ্ত্তিৰ বাবে আগ্রহ কৰা নাছিল। তেনে এক সন্ধিক্ষণত আমি কলেজৰ শিক্ষক-কৰ্মচাৰীয়ে বহুতকে এডমিশ্বন দিয়াৰ বাবে বিনম্রতাৰে অনুৰোধ কৰিছিলোঁ। যিয়েই নহওঁক, কলেজৰ কিছু সীমাবদ্ধতা থকা সত্বেও ইয়াত অধ্যয়ণ কৰিবলৈ ইচ্ছা প্রকাশ কৰা সৰহ ভাগ ছাত্র-ছাত্রীয়ে আছিল মেৰেৰচৰ, মইনবড়ী, লাংলা, লেংটিছিঙা আৰু ৰঙাপানী পৰমেশ্বৰ মেম'ৰিয়েল উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পৰা অহা। সেয়ে এই অঞ্চলসমূহৰ পৰা কলেজলৈ অহাৰ বাবে শিক্ষাৰ্থীসকলৰ বাহন হিচাপে নাৱেই আছিল মুল ভৰষা। নাওঁ সমূহ নিৰ্ধাৰিত সময়তহে চলাচল কৰিছিল। কোনো কাৰণত পাঁচ মিনিট সময়ৰ হেৰফেৰ হলেই ছাত্র-ছাত্রী সকলৰ নিজস্ব দুখন ভৰি ব্যৱহাৰ কৰাৰ বাহিৰে আন কোনো গত্যান্তৰ নাছিল। এই সুযোগতে সেই সকল ছাত্র-ছাত্রীক মই আন্তৰিক অভিনন্দন জ্ঞাপন কৰিছোঁ, যি সকলে কলেজৰ সংকট কালত ইয়াত ভৰ্ত্তি হৈ শিক্ষানুষ্ঠানখনৰ শোভাবৰ্ধন কৰিছিল । কিন্তু আজিৰ দিনত প্রতিটো ক্ষেত্রতে ইয়াৰ বিপৰীত ছবি দেখিবলৈ পোৱা যায়। ইয়াৰ মুলতে হ'ল উন্নত যোগাযোগ ব্যৱস্থা আৰু কলেজৰ প্রাদেশীকৰণৰ লগতে গুণগত মানদণ্ডৰ শিক্ষা দানৰ ব্যৱস্থা আৰু কলেজৰ পৰিবৰ্তনমুখী আন্তঃগাঁথনি। সামগ্রিকভাৱে কলেজখনৰ এনে অগ্রগতি আৰু ঐশ্বৰ্য্যৰ পূৰ্ণ বিকাশ দ্বিগুণ হওঁক এই শুভ কামনা কৰিছোঁ। আজি ৰূপালী জয়ন্তীৰ এই ৰূপোৱালী মূহুৰ্তত মহাবিদ্যালয়খন যেন পুনৰ এবাৰ যৌৱনপ্রাপ্ত হৈ জ্ঞানৰ প্রদীপ বিলাবলৈ অঙ্গীকাৰবদ্ধ হৈছে। যি শিখাই আন্ধাৰকো অতিক্রম কৰি দুৰ্বাৰ গতিৰে আগুৱাই যোৱাৰ সফল প্রয়াস কৰিছে। কলেজখন গঢ়াৰ ক্ষেত্রত অসীম ত্যাগ স্বীকাৰ কৰা সদাশয় ব্যক্তি সকলে হয়তো অহাকালিলৈকে নাথাকিব, কিন্তু বৌদ্ধিক বিকাশৰ এই চাকিডাল কেতিয়াও আৰু নুমাই নাযায়, অনন্তকাললৈ ই জ্বলি থাকিব। এনে এক ছন্দ মধুৰ সন্ধিক্ষণত আহক আমি সকলোৱে মিলি হাতে হাত ধৰি এই যাত্রাৰ সহযাত্রী হৈ নিজকে গৌৰৱান্বিত কৰোঁহক। শেষত আকৌ কলেজখন প্রতিষ্ঠাৰ ক্ষেত্রত যিসকল মহান ব্যক্তিয়ে অসীম ত্যাগ, ধৈৰ্য আৰু আত্ম প্রত্যয়ৰ পৰিচয় দিছিল সেই চিৰ নমঃস্য ব্যক্তিসকললৈ মোৰ আন্তৰিক শ্রদ্ধা আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ লগতে এই সম্পৰ্কে মোৰ ব্যক্তিগত অনুভৱ আৰু স্মৃতি দাঙি ধৰাৰ যি সামান্যতম প্রয়াস আছিল তাত যৱনিকা পেলালোঁ।। ○



*কেমেৰাৰ লেন্সত লেংটিছিঙা জামে মছজিদ*

# চৰ-চাপৰিবাসী অসমীয়াৰ ইতিহাস আৰু অসমীয়া ভাষা-সাহিত্যলৈ তেওঁলোকৰ অৱদান ঃ এক অৱলোকন



ড° হাফিজ আহমেদ
সভাপতি, চৰ-চাপৰি সাহিত্য পৰিষদ, অসম

সময় এতিয়া দুঃসময়। অসমীয়া জাতিৰ বাবে। নিজকে অসমীয়া জাতিৰ অবিচ্ছেদ্য অংগ বুলি ভবা চৰ-চাপৰিবাসী মুছলমানৰ বাবেও। স্বৰাজোত্তৰ কালত চৰ-চাপৰিবাসীয়ে অসম ভূমিত বাৰে বাৰে যিদৰে নির্যাতনৰ সন্মুখীন হ'বলগীয়া হৈছে, বাৰে বাৰে যিদৰে নাগৰিকত্বৰ প্ৰমাণ দিবলগীয়া হৈছে, অসমৰ কোনো সম্প্ৰদায়েই তেনে ধৰণৰ নির্যাতনৰ সন্মূখীন হ'বলগীয়া হোৱা নাই, বাৰে বাৰে নাগৰিকত্বৰ প্ৰমাণো দিবলগীয়া হোৱা নাই। ৰাষ্ট্ৰীয় নাগৰিকপঞ্জী প্ৰণয়ন হোৱাৰ পিছত চৰ-চাপৰিবাসী মুছলমানে ভাবিছিলঃ চিৰদিনৰ বাবে তেওঁলোকে বিদেশী অপবাদৰ পৰা মুক্ত হ'ব পাৰিব। কিন্তু সাম্প্ৰতিক অসমৰ পৰিবেশ-পৰিস্থিতিয়ে তেওঁলোকৰ এই আশাত চেঁচা পানী ঢালিবৰ উপক্ৰম হৈছে। ইয়াৰ মূল কাৰণ হ'ল অশুভ ৰাজনীতি। এক সুদীৰ্ঘ কাল ধৰি এনে এক মিথ্যাৰ সৃষ্টি কৰা হৈছে যে চৰ-চাপৰিবাসী মুছলমান মানেই 'বাংলাদেশী', লুঙি-টুপী পিন্ধা, সলসলীয়াকৈ অসমীয়া ক'ব নোৱাৰা লোক মাত্ৰেই বাংলাদেশী। এনে মিথ্যা সৃষ্টি কৰা হৈছে ক্ষমতালোভী, ধুৰন্ধৰ ৰাজনীতিবিদৰ দ্বাৰা, এনে মিথ্যা সৃষ্টিত সহায় কৰিছে অসমৰ অধিকাংশ সংবাদ মাধ্যম। এনে মিথ্যাক খণ্ডন কৰি চৰ-চাপৰিবাসীৰ ইতিহাস সন্দৰ্ভত সকলোকে অৱগত কৰাব নোৱাৰিলে, অসত্যই চিৰদিনেই সত্য হৈ থাকিব, সংঘাত বাঢ়ি যাব চৰ-চাপৰিবাসী অসমীয়া আৰু অগ্ৰজ অসমীয়া সকলৰ মাজত, ব্যাহত হ'ব অসমীয়া জাতি গঠন প্ৰক্ৰিয়া। সেয়ে চৰ-চাপৰিবাসীৰ সঠিক ইতিহাস, অসমীয়া ভাষা-সাহিত্য, অসমৰ অৰ্থনীতি-ৰাজনীতি তথা শৈক্ষিক জীৱনলৈ এওঁলোকে আগবঢ়োৱা অৱদানৰ কথা জনাটো প্ৰয়োজনীয় হৈ পৰিছে।

**চৰ-চাপৰিবাসী মুছলমান সকলৰ অসমলৈ প্ৰব্ৰজনৰ ইতিহাস ঃ-** অসমলৈ চৰ-চাপৰিবাসী মুছলমান সকলৰ প্ৰব্ৰজন কেতিয়া আৰম্ভ হৈছিল, সেয়া সঠিকভাৱে কোৱাটো টান। ১৮৫৯ খ্ৰীষ্টাব্দৰ পিছত অসমৰ চাহ-বাগিছাবোৰত কাম কৰিবলৈ উৰিষ্যা, বিহাৰ আৰু মধ্য প্ৰদেশৰ দুৰ্ভিক্ষপীড়িত অঞ্চলৰ পৰা চাহ-শ্ৰমিকসকলক আমদানি কৰিবলৈ আৰম্ভ কৰে। চাহ খেতিৰ বাবে শ্ৰমিকসকলক আমদানিৰ সমসাময়িকভাৱে অসমলৈ বংগৰ পৰা মুছলমান কৃষকৰ আমদানিৰ প্ৰক্ৰিয়াও আৰম্ভ হয়। অৱশ্যে এই প্ৰক্ৰিয়া পোণতে আৰম্ভ হৈছিল ব্যক্তিগত

পৰ্যায়ত। উনৈশ শতিকাৰ মাজভাগৰ পৰা গোৱালপাৰা জিলাৰ ভূ-স্বামী আৰু জমিদাৰসকলে বংগৰ পৰা মুছলমান কৃষকসকলক নিজৰ দায়িত্বতে আনিবলৈ আৰম্ভ কৰে। এইদৰে আৰম্ভ হয় - বংগৰ মৈমনসিংহ, পাবনা, বগুৰা, ৰংপুৰ আদি জিলাৰ পৰা দৰিদ্ৰ কৃষকসকলৰ আগমন। লাহে লাহে এনে প্ৰব্ৰজনকাৰী খেতিয়কৰ সংখ্যা বৃদ্ধি পাব ধৰে। কিন্তু এই প্ৰব্ৰজনকাৰী খেতিয়কৰ সংখ্যা সঠিকভাবে জনা নাযায়।

সেই সময়তে বিশেষকৈ ঢাকাৰ বেপাৰীসকলক বেহা-বেপাৰৰ লাইচেঞ্চ প্ৰদান কৰি ব্ৰিটিছে অসমত বেহা-বেপাৰৰ সুযোগ কৰি দিয়ে। যথেষ্ট সংখ্যক 'ঢাকাইয়া' বেপাৰীয়ে আহি অসমৰ বিভিন্ন প্ৰান্তত বসতি স্থাপন কৰে। যিসকলৰ উত্তৰ পুৰুষ অসমীয়া জাতিৰ লগত সংমিশ্ৰিত হৈ পৰিছে। একে সময়তে বংগ আৰু অসমৰ মাজত চলা ভাপ-জাহাজত কাম কৰা কৰ্মচাৰীসকলে নিজৰ আত্মীয়-স্বজনক আনি অসমৰ আবাদী মাটিত বহুৱাইছিল। এনে এখন ভাপ জাহাজৰ আৰকাটি নজৰুল আলীয়ে তেওঁৰ এগৰাকী ভাগিনীয়েক মৌলবী ওলিউল্লাহক দৰঙত আৰু ওচমান আলী সদাগৰৰ পৰিয়ালক নগাঁৱৰ আলী টাঙনীত সংস্থাপিত কৰিছিল। উল্লেখযোগ্য যে এইগৰাকী ওলিউল্লাহে ১৮৯৪ চনৰ পথৰুঘাটৰ ৰণত অংশ গ্ৰহণ কৰি ভৰিত ব্ৰিটিছ পুলিচৰ গুলি লাগি আহত হৈছিল আৰু ককায়েক ওচমান আলী সদাগৰে তেওঁক আলী টাঙানীলৈ লৈ গৈছিল। অন্যহাতে ওচমান আলী সদাগৰে ১৯০২ চনত আলী টাঙানীত এখন প্ৰাথমিক বিদ্যালয় স্থাপন কৰিছিল আৰু পিছলৈ গৈ সাহিত্য-সংস্কৃতিৰ পৃষ্ঠপোষকৰূপে ১৯১৭ চনৰ অসম সাহিত্য সভাৰ প্ৰথম অধিবেশনলৈ দহ টকা বৰঙণি আগবঢ়াইছিল। সেইদৰে এইগৰাকী সদাগৰেই আছাম লেজিচলেটিভ কাউন্সিলৰ সদস্য হিচাপে পাঁচগৰাকী নিৰ্দলীয় মুছলমান বিধায়কক লৈ গোপীনাথ বৰদলৈক সমৰ্থন দিয়া বাবেই বৰদলৈদেৱে ব্ৰিটিছ অসমত পোণ প্ৰথমবাৰৰ বাবে কংগ্ৰেছী মন্ত্ৰীসভা গঠন কৰিবলৈ সক্ষম হৈছিল। অৱশ্যে চৰ-চাপৰিবাসীৰ মাজত প্ৰথমখন অসমীয়া মাধ্যমৰ বিদ্যালয় স্থাপন কৰিছিল বৰ্তমান মৰিগাঁও জিলাৰ মৈৰাবাৰী (১৮৯৯) হোছেইন আলী সৰকাৰ নামৰ শিক্ষাপ্ৰেমী এগৰাকীয়ে।

১৮৮১ চনত অসমৰ মুখ্য আয়ুক্ত ছাৰ চাৰ্লচ ইলিয়টে ব্ৰহ্মপুত্ৰ উপত্যকাত যথেষ্ট পৰিমাণৰ পতিত, সাৰুৱা মাটিৰ কথা উনুকিয়াইছিল, যি মাটিত যথেষ্ট পৰিমাণৰ শস্য উপাদন কৰিব পৰা যাব। ইলিয়ট চাহাব আৰু ভাৰত চৰকাৰে এই বিশাল পতিত ভূমিত বংগ আৰু বিহাৰৰ পৰা খেতিয়কসকলক আমদানি কৰি সংস্থাপিত কৰাৰ কথা চিন্তা কৰিলে। তাৰ পিছৰ কুৰি বছৰত ব্ৰিটিছে বিভিন্ন ধৰণৰ পৰিকল্পনাৰ কথা বিবেচনা কৰিলে যদিও ভাৰত চৰকাৰ আৰু মুখ্য আয়ুক্তৰ মাজত তীব্ৰ মত পাৰ্থক্য হোৱাত ছাৰ হেনৰী ৰাটনে ১৮৯৯ চনত দাঙি ধৰা পৰিকল্পিত সংস্থাপনৰ ধাৰণাটো অৱশেষত পৰিত্যাগ কৰা হ'ল। অৱশ্যে ব্ৰিটিছৰ সা-সুবিধা অবিহনেও অসমলৈ বংগৰ খেতিয়কসকলৰ প্ৰব্ৰজন চলি থাকিল। ১৮৯১ চনত গেইট চাহাবৰ তত্বাৱধানত যেতিয়া লোকপিয়ল হয়, তেতিয়া তেওঁ এটা বিশেষ ধৰণৰ সমীক্ষা চলাইছিল, অসমলৈ ভাৰতবৰ্ষৰ অন্য প্ৰদেশৰ পৰা অহা লোক কোন জিলাত কিমান আছিল তাৰ এটা হিচাপ

উলিয়াইছিল। সেইমতে গোৱালপাৰা, কামৰূপ, দৰং আৰু নগাঁও জিলাত বংগৰ পৰা ৮৫,২০৭ গৰাকী লোক অসমলৈ আহিছিল যাৰ বেছিভাগেই আছিল মুছলমান কৃষক।[২] ১৯০১ চনত অসমত প্ৰব্ৰজিত লোকৰ সংখ্যা আছিল ৭,৬৬,০০০ আৰু ইয়াৰে ৮৩ শতাংশ চাহ শ্ৰমিক বুলি নিৰ্ণয় কৰা হৈছিল। বাকী ১৭ শতাংশ অৰ্থাৎ ১,৩০,২১০ গৰাকী আছিল বংগৰ পৰা প্ৰব্ৰজিত। ১৯১১ চনৰ লোকপিয়ল মতে ব্ৰহ্মপুত্ৰ উপত্যকাত ২,৫৮,০০০ গৰাকী বংগৰ পৰা প্ৰব্ৰজিত লোক আছিল। ১৯২১ চনত এইদৰে প্ৰব্ৰজিত লোকৰ সংখ্যা ৩,৪৮,০০০ হয়গৈ আৰু ১৯৩১ চনৰ লোকপিয়লৰ তথ্যমতে সেই সময়ৰ অসমখনত বংগমূলীয় প্ৰায় ৫ লাখ ৭৫ হেজাৰ লোক আছিল।

১৯৪৩-৪৫ চনৰ কালছোৱাত (Grow More Food) আঁচনি মতে ১,৭৪,৫৪৬ বিঘা মাটিত পূৰ্ববংগৰ পৰা অসমলৈ নতুনকৈ অহা প্ৰব্ৰজিত লোকক সংস্থাপিত কৰা হয়। ২,৫৬,১৩১ বিঘা মাটি এনে খেতিয়কসকলৰ বাবে ঔপনিবেশিক আঁচনিত অন্তৰ্ভূক্ত কৰা হয় আৰু ১,৬৪,৯৯৫ বিঘা চৰণীয়া পথাৰ সংস্থাপনৰ বাবে মুকলি কৰি দিয়া হয়। অৰ্থাৎ এই কালছোৱাত ৫,৯৫,৬৭২ বিঘা মাটি পূৰ্ববংগৰ পৰা ব্ৰিটিছে নতুনকৈ আমদানি কৰা খেতিয়কসকলৰ বাবে মুকলি কৰি দিয়ে। চৰকাৰী নীতি অনুসৰি পাঁচজনীয়া প্ৰতিটো পৰিয়ালক পাঁচ বিঘাকৈ মাটি প্ৰদান কৰা হৈছিল। সেয়ে ১৯৪৩-৪৫ চনৰ কালছোৱাত ৫,৯৫, ৬৭২ গৰাকী বংগীয়মূলৰ খেতিয়কক ভূমি প্ৰদান কৰি অসমত ব্ৰিটিছে সংস্থাপিত কৰাৰ তথ্য পোৱা যায়।

১৯৩১ চনৰ ৫ লাখ ৭৫ হেজাৰ আৰু ১৯৪৩-৪৫ চনৰ ৫,৯৫,৬৭২ গৰাকী বংগৰ পৰা প্ৰব্ৰজিত লোকৰ সংখ্যা বাঢ়ি গৈ ১৯৪৭ চনত যিমান হৈছিলগৈ, সিমান সংখ্যক বংগমূলীয় লোক দেশে স্বাধীনতা লাভ কৰাৰ সময়ত অসমত আছিল। এই লোকসকলৰ সতি-সন্ততিসকল ভাৰতীয় নে বাংলাদেশী ? অসমীয়া ভাষা-সংস্কৃতি গ্ৰহণ কৰি অসমীয়া জাতিৰ লগত বিলীন হৈ যাবলৈ কেবা পুৰুষো ধৰি আহোপুৰুষাৰ্থ কৰি থকাৰ পিছতো তেওঁলোকক বৃহত্তৰ অসমীয়া জাতিৰ পৰা বাদ দি থ'লে কাৰ লাভ হ'ব? অকল ক্ষমতা লাভৰ স্বাৰ্থতেই তেওঁলোকক বলিৰ পঠা সজাই অসমখনক সাম্প্ৰদায়িক সংঘৰ্ষৰ ফালে ঠেলি দিব খোজাসকল অসমীয়াৰ শত্ৰু নে মিত্ৰ ?

**অসমীয়া ভাষা সাহিত্যলৈ চৰ-চাপৰিবাসী মুছলমানৰ অৱদান** ঃ- চৰ-চাপৰিবাসী মুছলমানসকলক অসমীয়া জাতিৰ মূল শত্ৰু ৰূপে চিনাক্ত কৰিবলৈ এচাম ৰাজনীতিবিদ আৰু তথাকথিত বুদ্ধিজীৱিসকল উঠি-পৰি লাগিছে। অসমীয়া জাতিক ৰক্ষা কৰিবলৈ হ'লে হেনো ভুলতো নিজকে অসমীয়া জাতিসত্বাৰ লগত একাত্মবোধ নকৰা এচাম লোকক বিদেশৰ পৰা আমন্ত্ৰণ কৰি আনি অসমত নাগৰিকত্ব দিব লাগিব, তেহে অসমীয়া ভাষা-সংস্কৃতিক চৰ-চাপৰিবাসী 'মিঞা' ৰ হাতৰ পৰা ৰক্ষা কৰিব পৰা যাব! নিজৰ স্বাৰ্থ সিদ্ধিৰ বাবে নিজৰ মাতৃভাষা নিজৰ সংস্কৃতিক পাহৰি যোৱা এনে লোকে পাহৰি যায় যে, বৰ্তমান অসমৰ প্ৰায় ৪৯% অসমীয়াভাষীৰ ১৮-১৯ শতাংশই হ'ল চৰ-চাপৰিবাসী মুছলমান। এনে স্বাৰ্থান্বেষী লোকসকলে পাহৰি যায় চৰ-চাপৰিবাসী আৰু অসমীয়া ভাষা-সংস্কৃতিৰ মাজৰ ছকুৰি বছৰীয়া গভীৰ সম্পৰ্ক, অসমীয়া ভাষা-সাহিত্যলৈ এই

জনগোষ্ঠীটোৰ অনবদ্য অৱদানৰ কথা। চৰ-চাপৰিবাসী মুছলমান সকল আনুষ্ঠানিকভাৱে অসমীয়া ভাষাৰ সংস্পৰ্শলৈ আহে উনবিংশ শতিকাৰ শেষৰ বছৰটোত - মৈৰাবাৰীত সেই বছৰটোতে হোছেইন আলী সৰকাৰে প্ৰথমখন অসমীয়া মাধ্যমৰ বিদ্যালয় স্থাপন কৰে। ১৯০২ চনত ওচমান আলী সদাগৰে আলী টাঙানীত প্ৰতিষ্ঠা কৰা প্ৰাথমিক বিদ্যালয়খনত বৰদোৱাৰ পৰা আহি মহেন্দ্ৰ চন্দ্ৰ মহন্তই অসমীয়া ভাষা শিকাইছিল। বিংশ শতাব্দীৰ প্ৰথম দশকৰ পৰাই চৰ-চাপৰিবোৰত অসমীয়া মাধ্যমৰ বিদ্যালয় স্থাপনৰ ব্যাপক তৎপৰতা আৰম্ভ হয়। এই বছৰ বৰপেটা জিলাৰ ৭৪ নং গোমাফুলবাৰী প্ৰাথমিক বিদ্যালয়, ১১১ নং ঢাকালিয়াপাৰা প্ৰাথমিক বিদ্যালয় আৰু ৰামাপাৰা প্ৰাথমিক বিদ্যালয় - বৰপেটা জিলাৰ এই তিনিখন বিদ্যালয়ে শতবৰ্ষত ভৰি দিছেহি। সেইদৰে বৰপেটা জিলাৰ লেহীত ১৯২৪ চনত, মন্দিয়া আৰু পকাৰ চৰত ১৯২০ চনত, জনীয়াত ১৯১৬ চনত প্ৰাথমিক বিদ্যালয় গঢ়ি উঠে। সেইদৰে বিগত শতিকাৰ তৃতীয় আৰু চতুৰ্থ দশকত চৰ-চাপৰিবোৰত গঢ়ি উঠে অনেক মজলীয়া আৰু উচ্চ মাধ্যমিক বিদ্যালয়। অসমীয়া মাধ্যমত এই বিদ্যালয়সমূহত শিক্ষা লাভ কৰি এই সমাজৰ এচাম নব্য শিক্ষিত চামৰ সচেতনতা আৰু অগ্ৰজ অসমীয়া সমাজখনৰ সৈতে ক্ৰমবৰ্দ্ধমান আদান-প্ৰদান আৰু যোগাযোগৰ ফলত চৰ-চাপৰিবাসীৰ একাংশই অসমীয়া ভাষা-সংস্কৃতিৰ কাষ চাপি আহে। এই সময়তে এচাম দূৰদৰ্শী অসমীয়াই চৰ-চাপৰিবাসী মুছলমানসকলক অসমীয়া ভাষা-সংস্কৃতি গ্ৰহন কৰিবলৈ আহ্বান জনায়। (জ্ঞাননাথ বৰাৰ 'আসামত বিদেশী' আৰু অম্বিকাগিৰী ৰায়চৌধুৰীৰ 'ডেকা অসম' প্ৰথম বছৰ, প্ৰথম সংখ্যা দ্ৰষ্টব্য)। অগ্ৰজ অমসীয়া সমাজখনৰ দ্বাৰা অনুপ্ৰাণিত হৈ সেই সময়তে চৰ-চাপৰিবাসী দুই-এগৰাকী লেখকে হাতত কলম তুলি লৈছিল। ১৯৩৮ চনৰ মে-জুন সংখ্যা আৱাহনত বন্দে আলী মিঞাই ... নামৰ কবিতাটিত ঘোষণা কৰে -

নহওঁ চৰুৱা, নহওঁ মই পমুৱা  
আমিও যে হ'লো অসমীয়া  
অসমৰ জলবায়ু অসমৰ ভাষা  
সকলোৰে সমান ভগীয়া।  
মৰে যদি অসমীয়া আমিও মৰিম  
তেনে কথা কিয় হ'ব দিম ?

অসমীয়া সাহিত্যলৈ চৰ-চাপৰিবাসীৰ অৱদানক তুচ্ছ কৰিবলৈ প্ৰয়াস কৰা দুই / এক বুদ্ধিজীৱিয়ে এই কবিতাটো কোনো চৰ-চাপৰিবাসীয়ে নহয়, সু-সাহিত্যিক অতুল চন্দ্ৰ বৰাদেৱে লিখা বুলি কবিতাটো ৰচিত হোৱাৰ প্ৰায় চাৰিকুৰি বছৰ পিছত ক'ব বিচাৰিছে। সেয়া যি কিয়েই নহওঁক কিয়, ইয়াৰ পূৰ্বেই জননেতা আতাউৰ ৰহমানে গৱৰ্ণমেণ্ট হাইস্কুলৰ ছাত্ৰ একতা সভাৰ মুখপত্ৰ 'আমি' ৰ প্ৰতিষ্ঠাপক সম্পাদকৰূপে ১৯৩৫ চনতে সাহিত্য চৰ্চা আৰম্ভ কৰিছিল। এইদৰে অসমীয়া ভাষা-সাহিত্যৰ সংস্পৰ্শলৈ অহা চৰ-চাপৰিবাসী মুছলমানে অসমীয়াকে মাতৃভাষাৰূপে গ্ৰহণ কৰিবলৈ আৰম্ভ কৰে। ১৯৪১ চনৰ লোকপিয়লৰ পূৰ্বে বৰপেটা মহকুমাৰ চৰ-চাপৰিবাসীৰ কেইজনমান মুখিয়াল লোকে অসমৰ তদানীন্তন প্ৰধানমন্ত্ৰীলৈ এখন আবেদনপত্ৰ প্ৰেৰণ কৰিছিল। আবেদন পত্ৰখনত তেওঁলোকে ২৫/৩০ বছৰ ধৰি

অসমত স্থায়ীভাৱে বসবাস কৰি আছে আৰু তেওঁলোকৰ ল'ৰা-ছোৱালীহঁতে অসমীয়া ভাষাতে শিক্ষা-দীক্ষা লাভ কৰি আছে আৰু তেওঁলোকৰো অনেকেই অসমীয়া শিকি লৈছে। তদুপৰি যিসকলে অসমীয়া ভাষা ক'ব নোৱাৰে তেওঁলোকেও নৈশ বিদ্যালয় স্থাপন কৰি ভাষাটো শিকি আছে। এনে পৰিস্থিতিত ১৯৪১ চনৰ লোকপিয়লত চৰ-চাপৰিবাসীৰ মাতৃভাষা অসমীয়া বুলি লিখিবলৈ তেওঁলোকে অনুৰোধ জনাইছিল। স্বাক্ষৰকাৰী মুখিয়াল ব্যক্তি কেইগৰাকী আছিল - হাউলী বজাৰৰ ৰিয়াজ উদ্দিন আহমেদ, ৰায়পুৰৰ লোকেল বোৰ্ডৰ সদস্য দাৰোগ আলী সৰকাৰ, মাজৰগাঁৱৰ পিয়াৰ উল্লাহ সৰকাৰ, কুজাৰপীঠ মাইনৰ স্কুলৰ সম্পাদক আব্দুল মজিদ খাঁ, বেতবাৰীৰ আলী আমজাদ খাঁ, হাতীজানা দলগাঁৱৰ হবিবুল্লা মুন্সী, কলবাৰীৰ দামুল্লা সৰকাৰ, ৰায়পুৰৰ আমিৰ আলী সৰকাৰ আৰু পণ্ডিত কলিমুদ্দিন শ্বেখ।

১৯৫১ চনৰ লোকপিয়লত চৰ-চাপৰিবাসীয়ে ব্যাপক হাৰত অসমীয়া ভাষাকে নিজৰ মাতৃভাষাৰূপে গ্ৰহণ কৰে। ইয়াৰ ফলত অসমত অসমীয়াভাষীৰ সংখ্যা ১৯৩১ চনৰ ৩১.৪ শতাংশৰ বিপৰীত ৫৬.৭ শতাংশ হয়গৈ। ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাই চৰ-চাপৰিবাসী মুছলমানসকলৰ এনে অৱদানৰ কথা সুঁৱৰিয়েই 'অসমীয়া ডেকাৰ উক্তি' ত এওঁলোকক বৃহত্তৰ অসমীয়া জাতিৰ মাজত আঁকোৱালি লৈ 'ন-অসমীয়া' বুলি অভিহিত কৰে।

অসমত অসমীয়াভাষীৰ সংখ্যা ১৯৬১, ১৯৭১ আৰু ১৯৯১ চনৰ লোকপিয়লত ৬০ শতাংশৰ ওচৰা-উচৰি আছিল। ২০০১ চনত অসমীয়াভাষীৰ সংখ্যা ৪৮.৮ শতাংশ হয়গৈ। পূৰ্বে অসমীয়াকে মাতৃভাষা বুলি ঘোষণা কৰা একাংশ জনজাতি আৰু চাহ জনগোষ্ঠীৰ একাংশই নিজৰ নিজৰ মাতৃভাষাকে অসমীয়াৰ সলনি লোকপিয়লত মাতৃভাষা বুলি ঘোষণা কৰাৰ ফলত অসমীয়া ভাষীৰ সংখ্যা কমি আহে। ২০১১ চনৰ লোকপিয়লত অসমীয়া ভাষীৰ সংখ্যা প্ৰায় ৪১ শতাংশ হোৱাৰ বিপৰীতে বাংলাভাষীৰ সংখ্যা প্ৰায় ২৯ শতাংশ হয়গৈ। এই কথা অনস্বীকাৰ্য যে চৰ-চাপৰিবাসী মুছলমানৰ ওপৰত অসম আন্দোলনৰ সময়ত হোৱা নৃশংস অত্যাচাৰৰ গইনা লৈ তেওঁলোকক অসমীয়া জাতিস্বত্তাৰ পৰা আতৰাই নিবলৈ এচাম উগ্ৰ বাংলাভাষা প্ৰেমীয়ে নানা ধৰণৰ ষড়যন্ত্ৰ ৰচনা কৰিছিল। এনে ষড়যন্ত্ৰক প্ৰতিহত কৰিবলৈ চৰ-চাপৰি সাহিত্য পৰিষদে ২০১১ চনৰ লোকপিয়লৰ সময়ত ব্যাপক প্ৰচাৰাভিযান চলাইছিল। অসমীয়া ভাষাৰ সপক্ষে বৰপেটাৰ যোগীৰপাম নামৰ গাঁও এখনত পৰিষদে অনুষ্ঠিত কৰা সভা এখনত অন্যান্য সকলৰ লগতে এই নিবন্ধকাৰকো উগ্ৰ বাংলা জাতীয়তাবাদী সকলে শৰীৰিকভাৱে অপদস্ত কৰিছিল। দুখ আৰু পৰিতাপৰ কথা যে এনে অশুভ চক্ৰৰ প্ৰভাৱত পৰি চৰ-চাপৰিবাসী একাংশ লোকেও ২০১১ চনৰ লোকপিয়লত অসমীয়াৰ সলনি বাংলাক নিজৰ মাতৃভাষা বুলি ঘোষণা কৰে। উগ্ৰ বাংলা জাতীয়তাবাদী সকলৰ এনে ষড়যন্ত্ৰ আজিও চলিয়েই আছে। 'চলো পাল্টাই' নামৰ এক অভিযান বাংলা ভাষাৰ সপক্ষে অতি সম্প্ৰতি আৰম্ভ হৈছে। এনে অভিযানৰ বিপক্ষে থিয় দিছে চৰ-চাপৰিবাসীৰ সচেতন লোকসকলে। দুই শতাধিক

চৰ-চাপৰিবাসী যুৱক-যুৱতীয়ে গুৱাহাটীৰ সত্যনাথ বৰা প্ৰেক্ষাগৃহত এখনি সভা অনুষ্ঠিত কৰি 'চলো পাল্টাই' ৰ বিপক্ষে হুংকাৰ দিছে। কাকতে-পত্ৰে, সভাই-সমিতিয়ে সচেতন চৰ-চাপৰিবাসীয়ে এনে উগ্ৰ বাংলা জাতীয়তাবাদী কাৰ্যকলাপৰ পৰা হ'ব পৰা ক্ষতিৰ কথা প্ৰচাৰ চলাই আছে।

অসমীয়া ভাষা-সাহিত্যৰ দুৰ্যোগ কালত চৰ-চাপৰিবাসী মুছলমানে সদায়েই অসমীয়া ভাষা-সাহিত্যৰ সপক্ষে থিয় দি আহিছে। ভাষা-ভিত্তিক ৰাজ্য পুৰ্নগঠন আয়োগে অসমলৈ সাক্ষ্য গ্ৰহনৰ বাবে আহোতে 'অল আছাম বেংগলী পৰিষদ' ৰ উপ-সভাপতি ৰমনীকান্ত বসুৱে আয়োগক স্মাৰকপত্ৰ প্ৰদান কৰি গোৱালপাৰা জিলাৰ গৰিষ্ঠ সংখ্যক লোকৰ ভাষা বাংলা বুলি দাবী কৰি গোৱালপাৰা জিলাখন পশ্চিমবংগত অৰ্ন্তভুক্ত কৰিবলৈ দাবী জনাইছিল। গোৱালপাৰাক ৰক্ষা কৰিবলৈ জননেতা শৰৎ চন্দ্ৰ সিংহৰ নেতৃত্বত আগবাঢ়ি আহিছিল এচাম সচেতন চৰ-চাপৰিবাসীয়ে। ১৯৫৫ চনৰ ১৯ মে তাৰিখে আয়োগৰ দুগৰাকী সদস্য হৃদয় নাথ কুঞ্জৰু আৰু কে. এম. পানিকৰৰ আগত সাক্ষ্য প্ৰদান কৰিছিল 'ইমিগ্ৰাণ্ট মুছলিম এছ'চিয়েচন' ৰ নেতা বজলুল বাছিত, অধিবক্তা আব্দুল কৰিম আৰু আবুল হোছেইন পণ্ডিতে তেওঁলোকে আয়োগৰ সদস্যসকলক বুজাই দিছিল যে জিলাখনৰ অধিকাংশ লোকে বিভিন্ন উপভাষাত কথা পাতিলেও চৰ-চাপৰিবাসী মুছলমান সমন্বিতে সকলোৰে মাতৃভাষা অসমীয়াহে, বাংলা নহয়। 'ইমিগ্ৰাণ্ট মুছলিম এছাচিয়েন' ৰ নেতৃবৃন্দই এইদৰে গোৱালপাৰা জিলাখন বাংলাভাষীৰ কবলৰ পৰা ৰক্ষা কৰিবলৈ সক্ষম হৈছিল।

১৯৬০ চনত অসম বিধান সভাই আইন প্ৰণয়ন কৰি অসমীয়া ভাষাক অসমৰ ৰাজ্যভাষাৰূপে মান্যতা প্ৰদান কৰে। এই আইন প্ৰণয়নৰ পিছত কাছাৰ জিলাত ইয়াৰ বিৰুদ্ধে ব্যাপক আন্দোলন গঢ়ি উঠে। এই আন্দোলনকাৰীসকলে সমগ্ৰ অসমতে বাংলা ভাষাক দ্বিতীয় চৰকাৰী ভাষাৰূপে ঘোষণা কৰিব লাগে বুলি দাবী উত্থাপন কৰে। সমগ্ৰ অসমতে ৰাজ্যভাষা আন্দোলন গঢ়ি উঠে। চৰ-চাপৰিবাসীয়ে অগ্ৰজ অসমীয়াসকলৰ লগত কান্ধত কান্ধ মিলাই অসমীয়া ভাষাৰ মৰ্যদা ৰক্ষা কৰিবলৈ এই আন্দোলনত জপিয়াই পৰে। আন্যহাতে, ১৯৭০ চনত গুৱাহাটী বিশ্ববিদ্যালয়ে অসমীয়া ভাষাক ইয়াৰ অধীনৰ কলেজবোৰৰ শিক্ষাৰ মাধ্যমৰূপে গ্ৰহন কৰাৰ পিছত ইয়াৰ বিৰোধীতা কৰি কাছাৰত আন্দোলন গঢ়ি উঠে। অন্যহাতে অসমীয়া ভাষাক শিক্ষাৰ মাধ্যমৰূপে প্ৰতিষ্ঠা কৰিবলৈ হোৱা আন্দোলনত পূৰ্ণ সহযোগিতা আগবঢ়ায় চৰ-চাপৰিবাসী মুছলমানসকলে। ১৯৭২চনৰ ৫ অক্টোবৰত অসমীয়া ভাষাৰ সপক্ষে খাৰুপেটীয়ালৈ আছুৰ নেতৃত্বত পিকেটিং কৰিবলৈ গৈ অসমীয়া বিৰোধী দুবৃৰ্ত্তৰ গুলিত শ্বহীদ হয় - জংগলপাৰা গাঁওৰ ওমৰ আলী আৰু জহৰ আলী নামৰ চৰ-চাপৰিৰ দুগৰাকী সু-সন্তান। শ্বহীদ ওমৰ আলীক প্ৰফুল্ল মহন্ত নেতৃত্বাধীন প্ৰথমখন চৰকাৰে ১৯৮৬ চনৰ ২৪ ডিচেম্বৰ তাৰিখে এখনি মানপত্ৰ আৰু তাম্ৰপত্ৰৰে সন্মানিত কৰি শ্বহীদ গৰাকীৰ পৰিয়াললৈ ত্ৰিছ হেজাৰ টকাৰ আৰ্থিক অনুদানো আগবঢ়াইছিল। এই আন্দোলনত চিৰদিনৰ বাবে বিকলাংগ হৈ পৰা বৰংগাবাৰীৰ গোলাপ আলী আৰু আতাব আলীকো কোনো ধৰণৰ ক্ষতিপূৰণ

প্ৰদান কৰা নহ'ল।

অসমীয়া ভাষা-সাহিত্যলৈ চৰ-চাপৰিবাসী মুছলমান সকলে আগবঢ়োৱা অৱদানৰ কথা সুঁৱৰি বিশিষ্ট চিন্তাবিদ শশী শৰ্মাদেৱে কৈছে, ' ন-অসমীয়াৰূপে জনাজাত পমুৱা মুছলমানসকলে অসমীয়া ভাষাক মাতৃভাষাৰূপে গ্ৰহণ কৰাৰ ফলতহে দেখোন অসমীয়া ভাষাই অসমৰ প্ৰধান ৰাজ্যিক ভাষাৰূপে সন্মান পাবলৈ সমৰ্থ হৈছে। তেওঁৰ মতে 'মহা পৰিশ্ৰমী এই ন-অসমীয়া সকলে যে অসমৰ অৰ্থনৈতিক ভেঁটিহে শক্তিশালী কৰি তুলিছে অকল তেনে নহয়, এওঁলোকৰ মাজৰ পৰা ওলোৱা সাহিত্যিক-শিল্পীয়ে অসমীয়া ভাষা-সাহিত্য তথা সংস্কৃতিৰ ভেটিও সুদৃঢ়, বহল আৰু বিস্তৃত কৰি তুলিছে।' চৰ-চাপৰিবাসীৰ মাজৰ পৰা ওলাই অহা কবি- সাহিত্যিক সকলৰ অৱদানক বাদ দি অসমীয়া সাহিত্যৰ ইতিহাস সম্পূৰ্ণ হ'ব নোৱাৰে। জননেতা আতাউৰ ৰহমান, এম. ইলিম উদ্দিন দেৱান, ছকিনা খাতুন, ইছমাইল হোছেইন (জ্যেষ্ঠ), খবিৰ আহমেদ, ডাঃ ৰেজাউল কৰিম, ইছমাইল হোছেইন আদি লেখকসকলে অসমীয়া সাহিত্যলৈ আগবঢ়োৱা অনবদ্য অৱদানৰ কথা অসমীয়া সাহিত্যপ্ৰেমী সকলে ভূয়সী প্ৰশংসা কৰি আহিছে। চৰ-চাপৰিবাসী মুছলমান কবি সকলে দুই শতাধিক কাব্যগ্ৰন্থ প্ৰকাশ কৰিছে, অৰ্ধশতাধিক গল্পকাৰৰ গল্প সংকলন প্ৰকাশ পাইছে, অনেক প্ৰবন্ধকাৰৰ প্ৰবন্ধ সংকলনো প্ৰকাশিত হৈয়ে আছে। সাহিত্যৰ সকলোবোৰ বিভাগলৈকে এওঁলোকে অতুলনীয় অৱদান আগবঢ়াইছে। আজান, বালিচন্দা, ফচল, চৰ-চাপৰি আদি শতাধিক আলোচনী এই সম্প্ৰদায়ৰ লেখক সাংবাদিক সকলে প্ৰকাশ কৰিছে। অসমৰ দৈনিক কাকত সমূহৰ অতি কমেও দুশগৰাকী সাংবাদিক এই সম্প্ৰদায়ৰে। অসমীয়া গ্ৰন্থ, আলোচনী, বাতৰি কাকতসমূহৰ সিংহভাগ পাঠকো চৰ-চাপৰিতে আছে। এইদৰে অসমীয়া ভাষা-সাহিত্য সংস্কৃতিক সমৃদ্ধিশালী কৰি তোলা সম্প্ৰদায় এটাক অসম আৰু অসমীয়াৰ শতৰুৰূপে যিসকলে গণ্য কৰিব খোজে - তেওঁলোক অইন যিয়েই নহওঁক কিয় - অসম আৰু অসমীয়াৰ বন্ধু কেতিয়াও হ'ব নোৱাৰে।।○

(বিঃদ্ৰঃ নিবন্ধকাৰ ড০ হাফিজ আহমেদ চৰ-চাপৰি সাহিত্য পৰিষদ, (অসম) ৰ সভাপতি তথা বিশিষ্ট সাহিত্যিক আৰু চিন্তাবিদ)

সহায়ক গ্ৰন্থ ঃ-

১। এম. কৰ -Muslims in Assam Politics. পৃষ্ঠা - ৮

২। ইছমাইল হোছেইন (জেষ্ঠ্য) আৰু আনোৱাৰ হোছেইন (সম্পা) - চৰ-চাপৰিৰ জীৱন চৰ্যা।

৩। অসমীয়া সাহিত্যলৈ বংগমূলীয় অসমীয়া মুছলমানৰ অৱদান - ড০ হাফিজ আহমেদ।

# স্বৰ্গীয় মাণিক চন্দ্ৰ প্ৰামাণিক আৰু মৰহুম আবুল হুছেইন শ্বেখৰ চিন্তা আৰু দৰ্শন



আজাহাৰ আলী

নামনি অসমৰ পশ্চিম বৰপেটা আৰু পূব অভয়াপুৰীত অৱস্থিত বঙাইগাঁও জিলাৰ ইতিহাস প্ৰসিদ্ধ বিজনী ৰাজইষ্টেটৰ ৰাজধানী দালানভাঙ্গাত অৱস্থিত লেংটিছিঙা গাঁওখন। লেংটিছিঙাৰ চৌদিশ তেতিয়া অটব্য হাবি-বননিৰে ভৰপূৰ হৈ আছিল। অঞ্চলটো আছিল হিংস্ৰ জীৱ-জন্তুৰ বিচৰণ ভূমি। ১৯১৫ চনৰ কথা। অখণ্ড ভাৰতবৰ্ষৰ পূৰ্ব বঙ্গত দেখা দিছিল এটা ডাঙৰ দুৰ্ভিক্ষ। ঠিক সেই সময়ত বংগীয়মূলৰ মুছলমান আৰু হিন্দু সম্প্ৰদায়ৰ লোক সকল আন ঠাইবোৰৰ দৰে অসমৰ এই ঠাইখনলৈও জীৱিকাৰ সন্ধানত উপস্থিত হৈছিল। চৰকাৰৰ পৃষ্ঠপোষকতাত এই সকল লোকক ইয়াত থাকিবলৈ সুবিধা কৰি দিয়া হয়। এইদৰে তেওঁলোকে কৃষি কৰ্মৰ জৰিয়তে আৰ্থিক উন্নতিৰ লগে লগে বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠান স্থাপন কৰি অসমৰ ক'লা-সংস্কৃতিৰ লগত মিলি যায়।

লেংটিছিঙা অঞ্চলৰ জ্ঞান পিপাসু বুদ্ধিজীৱি সকলে অতীজৰে পৰা এখন সুস্থ সমাজ গঢ়াৰ সপোন দেখিছিল। তেওঁলোকে ভালদৰে জানিছিল যে দেশ, জাতি আৰু অঞ্চল এটাক প্ৰগতিৰ পথলৈ আগবঢ়াই লৈ যোৱাৰ মূল অস্ত্ৰ হ'ল শিক্ষা। শিক্ষা অবিহনে কোনো দেশ বা জাতিয়ে উন্নতিৰ কথা ভাবিব নোৱাৰে। এই উদ্দেশ্য আগত ৰাখি ১৯২২ চনত বিদ্যানুৰাগী ব্যক্তি কিছুমানে একেলগ হৈ এই অতিকৈ পিছপৰা আই আৰু মানাহ নদীৰ দাঁতি কাষৰীয়া অঞ্চল সমূহত শিক্ষাৰ বিপ্লৱ গঢ়ি তুলিলে। যাৰ ফলশ্ৰুতিত স্থাপন হ'ল কিছুমান বিদ্যালয়। সেই বিদ্যালয়সমূহ যথাক্ৰমে - লেংটিছিঙা এল. পি. স্কুল, নসত্ৰ এল. পি. স্কুল, সন্তোষপুৰ এল. পি. স্কুল, ঝাৰপাৰা এল. পি. স্কুল, ঝাৰপাৰা এম.ভি. স্কুল, দালানভাঙ্গা এল.পি. স্কুল আৰু বাঘেখাইতি-নসত্ৰ এম. ই. স্কুল। লগতে আমাৰ আটাইৰে অতি আপোন লেংটিছিঙা উচ্চ মাধ্যমিক বিদ্যালয় পোন-প্ৰথমে স্থাপন হয় ১৯৬০ চনত। বেৰ নোহোৱা ঘৰ এখনত আৰম্ভ কৰা হৈছিল ৩৭ জন ছাত্ৰ-ছাত্ৰীকলৈ পাঠদানৰ কাম। বিদ্যালয়খনৰ প্ৰথম প্ৰধান শিক্ষকগৰাকী আছিল স্বৰ্গীয় সন্তোষ কুমাৰ মজুমদাৰ, দ্বিতীয়জন প্ৰধান শিক্ষক মৰহুম শ্বেখ আহম্মদ আলী, তৃতীয়জন প্ৰধান শিক্ষক হীতেন্দ্ৰ চন্দ্ৰ সৰকাৰ আৰু চতুৰ্থজন প্ৰধান শিক্ষক আমাৰ সকলোৰে শ্ৰদ্ধাৰ স্বৰ্গীয় মাণিক চন্দ্ৰ প্ৰামাণিক ছাৰ। বিদ্যালয়খনক উন্নয়নৰ দিশত আগবঢ়াই নিয়াত সহায় কৰিছিল লেংটিছিঙাৰ অগ্ৰণী ব্যক্তি স্বৰ্গীয় শিশিৰ কুমাৰ পালদেৱে। তেখেতে বিদ্যালয়খনৰ সভাপতিৰ পদত অধিষ্ঠিত আছিল। তেখেতৰ অক্লান্ত পৰিশ্ৰমৰ কাৰণেও বিদ্যালয়ৰ কাম-কাজ আগুৱাই নিয়াত সহায় কৰে।

১৯৪৩ চনৰ ফেব্ৰুৱাৰী মাহৰ এক

তাৰিখত মাণিক চন্দ্ৰ প্ৰামাণিকদেৱে জন্ম গ্ৰহন কৰিছিল দেবদাৰু নগৰী অভয়াপুৰী চহৰৰ মাজমজিয়াত। তেখেত মেট্ৰিক পৰীক্ষাত উত্তীৰ্ণ হয় ১৯৫৯ চনত অভয়েশ্বৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পৰা। একেখন বিদ্যালয়ৰ পৰাই তেখেতে আই.এ. পাছ কৰে ১৯৬২ চনত। ১৯৬৪ চনত তেখেতে বি.এ. পৰীক্ষাত উত্তীৰ্ণ হয় অভয়াপুৰী মহাবিদ্যালয়ৰ পৰা। শিক্ষাৰ সৰ্বোচ্চ ডিগ্ৰী অৰ্থাৎ এম. এ. গ্ৰহণ কৰে গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা ১৯৬৮ চনত। অৱশেষত বি.টি. পৰীক্ষাতো উত্তীৰ্ণ হয় গোৱালপাৰা চৰকাৰী বি.টি. মহাবিদ্যালয়ৰ পৰা।

শ্ৰদ্ধাৰ প্ৰামাণিক ছাৰে যেতিয়া ইমানবোৰ ডিগ্ৰী সম্পন্ন কৰিছিল, সেই সময়ত উচ্চ ডিগ্ৰীধাৰী ব্যক্তিৰ সংখ্যা নামনি অসমত আঙুলিৰ মূৰত গণিব পৰা অৱস্থাত আছিল। তেওঁলোকৰ বাবে কৰ্ম সংস্থাপনৰ ব্যৱস্থাটো বৰ জটিল নাছিল। ছাৰৰ ইচ্ছা আৰু সন্মতি থাকিলে কেন্দ্ৰ নাইবা ৰাজ্য চৰকাৰৰ যিকোনো এটা ভাল চাকৰিত অতি সহজে নিযুক্তি পালেহেঁতেন। কিন্তু সেই লোভ-লালসা তেখেতৰ মুঠেই নাছিল। ঘৰত বহিয়েই তেখেতে অভয়াপুৰী চহৰৰ আশে-পাশে থকা অতিকৈ পিছপৰা অঞ্চলৰ নিৰীহ সহজ-সৰল জনগনৰ আৰ্থ-সামজিক আৰু শৈক্ষিক উন্নতিৰ বিষয়ে বৰকৈ চিন্তা কৰিছিল। তেখেতে ভালকৈ উপলব্ধি কৰিব পাৰিছিল যে মাত্ৰ শিক্ষাৰ পোহৰেহে অঞ্চল সমূহৰ অজ্ঞান, অন্ধকাৰ, কু-সংস্কাৰ আঁতৰাই এখন নিকা আৰু আদৰ্শ সমাজ গঠন কৰিব পাৰে। এই বিষয়টোৱে তেখেতক বৰকৈ আমনি দি থাকিল। এদিন হঠাৎ তেখেতৰ ওচৰলৈ আহিল লেংটিছিঙা অঞ্চলৰ সমাজ সচেতন, শিক্ষানুৰাগী পূৰ্ব বংগীয় মূলৰ হিন্দু আৰু মুছলমান কেইজনমান ব্যক্তি। চাৰে তেওঁলোকক ভালকৈ চিনি পোৱা নাছিল। লগতে আগমনৰ উদ্দেশ্যও অৱগত নাছিল। পিছত যেতিয়া আগমনৰ উদ্দেশ্যটো অৱগত হ'ল যে তেখেতে লেংটিছিঙাৰ নতুনকৈ স্থাপিত উচ্চ মাধ্যমিক বিদ্যালয়খনৰ খালি হৈ থকা প্ৰধান শিক্ষকৰ আসনখন গ্ৰহন কৰি তাৰ উন্নয়নৰ দায়িত্বভাৰ লব লাগে। তেতিয়া হিমালয় পৰ্বতৰ দৰে গুৰু-গম্ভীৰ, সহজ-সৰল মনৰ অধিকাৰী প্ৰামাণিক ছাৰে হাঁহি মুখে গ্ৰহণ কৰিছিল সেই প্ৰস্তাৱটো। ১৯৬৭ চনৰ মাৰ্চ মাহৰ এক তাৰিখত আনুষ্ঠানিক ভাবে তেখেতক লেংটিছিঙা উচ্চ মাধ্যমিক বিদ্যালয়ৰ গুৰু দায়িত্ব অৰ্পন কৰা হয়।

এজন প্ৰধান শিক্ষক নাইবা এজন অধ্যক্ষই হ'ল এখন শিক্ষানুষ্ঠানৰ মূল চালিকা শক্তি। পাঠদানৰ জৰিয়তে ছাত্ৰ-ছাত্ৰী সকলক গুণগত শিক্ষা প্ৰদান কৰি সিহঁতে যাতে নিজৰ পৰিয়াল, সমাজ আৰু দেশৰ আৱৰ্জনা হৈ নাথাকে, মানৱ সম্পদলৈ গঢ় দিব পাৰি সেইটোৱেই আছিল ছাৰৰ মূল লক্ষ্য। এই মহান ব্যক্তিজন এজন দক্ষ প্ৰধান শিক্ষকৰ উপৰিও আছিল এজন আদৰ্শ শিক্ষক। তেখেতে শিক্ষকতাক জীৱন জোৰা সাধনা হিচাপে লৈ এই কাৰ্য সু-কলমে সমাপন কৰি যায়। তেখেতৰ কৰ্মনিষ্ঠা, ত্যাগ, একাগ্ৰতা আৰু সাধনাই সকলোৰে মন মুহি গৈছিল।

শৈশৱ কালৰ পিছত লাহে লাহে যৌৱন কাল আগমনৰ দৰে বহুতো আশা আৰু প্ৰত্যাশাৰে সুদীৰ্ঘ ২০ বছৰৰ অন্তত ১৯৮০ চনত বিদ্যালয়খন প্ৰদেশীকৃত হ'ল। চিৰ প্ৰৱাহিত গতিৰ লগত আগুৱাই ১৯৮৫ চনত অনুষ্ঠানখনে উচ্চতৰ মাধ্যমিকৰ ক'লা শাখাত পাঠদানৰ স্বীকৃতি চৰকাৰৰ পৰা লাভ কৰে। ছাৰৰ সন্মানৰ আসনটো তেতিয়া অধ্যক্ষৰ আসনলৈ ৰূপান্তৰিত হ'ল। প্ৰামাণিক ছাৰৰ ঐকান্তিক প্ৰচেষ্টাত বিদ্যালয়খনৰ পৰা এটাৰ পিছত আনটো সুবিধা এই অঞ্চলৰ অতিকৈ পিছপৰা পৰিয়ালে পাবলৈ সক্ষম হ'ল।

১৯৮৯ চনত বিদ্যালয়খনে হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ কেন্দ্ৰ খোলাৰ অনুমতি লাভ কৰাত লেংটিছিঙাৰ ওচৰ-পাজৰৰ যেনে ডুমেৰগুৰী, পিৰাধৰা, মেৰেৰচৰ আদি যাতায়তৰ ভাল সুবিধা নথকা তথা অতিকৈ পিছপৰা অৱহেলিত অঞ্চলৰ আন বিদ্যালয় সমূহেও ইয়াৰ জৰিয়তে এটা ডাঙৰ সকাহ পালে। এই অঞ্চলৰ ছাত্ৰ-ছাত্ৰী আৰু অভিভাৱক সকলেও সুস্থিৰ নিঃশ্বাস পেলালে।

গতিশীল সময়ৰ পৰিৱৰ্তনৰ মাজেদি সমাজে লাভ কৰে নতুনত্ব। সলনি হয় ইতিহাস আৰু ইতিহাসৰ পৃষ্ঠাত লিপিবদ্ধ হয় কিছু বিস্ময় আৰু সংবেদনশীল দৃশ্যৰাজি। ইতিহাসেও তাৰ সাক্ষ্য দি আহিছে। এখন ঠাই নাইবা এটা জাতিক উদ্ধাৰ কৰি উন্নতিৰ বাটলৈ আগুৱাই লৈ যোৱাৰ বাবে মহান সৃষ্টিকৰ্ত্তাই কিছুমান বিশেষ গুণসম্পন্ন ব্যক্তিক প্ৰেৰণ কৰে। ঠিক সেইদৰে লেংটিছিঙা অঞ্চলৰ অৰ্থনীতি, সামাজিক আৰু শৈক্ষিক পৰিৱৰ্তনৰ বাবে এজন দক্ষ বিচক্ষণ আৰু অভিজ্ঞ ব্যক্তিক লাংলো উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পৰা লেংটিছিঙা উচ্চতৰ মাধ্যমিক আদৰ্শ বিদ্যালয়লৈ অৰ্থনীতি বিজ্ঞানৰ বিষয় শিক্ষক হিচাপে বদলি হৈ অহাৰ বাট মুকলি কৰি দিলে ১৯৯১ চনৰ নভেম্বৰ মাহৰ এক তাৰিখত। সেই বিচক্ষণ ব্যক্তিগৰাকী আছিল মৰহুম আবুল হুছেইন শ্বেখ চাহাব। তেখেত লেংটিছিঙা বজাৰৰ পৰা প্ৰায় তিনি কিলোমিটাৰ দক্ষিণ দিশত অৱস্থিত অতি পিছপৰা 'কুশবাৰী' গাঁও এখনত ১৮/০৮/১৯৫৪ তাৰিখত জন্ম গ্ৰহণ কৰে। দৰিদ্ৰতাই যে শিক্ষাৰ ক্ষেত্ৰত হেঙাৰ সৃষ্টি কৰিব নোৱাৰে সেই সত্য কথা তেখেতে নিজে প্ৰমাণ কৰি থৈ গ'ল। তেখেতে অশেষ কষ্টৰ মাজেৰে আগবাঢ়ি হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ হৈ অভয়েশ্বৰী উচ্চতৰ আৰু বহুমুখী বিদ্যালয়ত পি. ইউ. প্ৰথম বাৰ্ষিকত নাম লগায়। পি. ইউ. শেষাস্ত পৰীক্ষাত উত্তীৰ্ণ হৈয়েই দৰিদ্ৰতাৰ তাড়নাত ১২-০৮-১৯৭৫ ইং তাৰিখত ডুমেৰগুৰী প্ৰাইমাৰী বিদ্যালয়ত সহকাৰী শিক্ষক হিচাপে নিয়োগ পত্ৰ লাভ কৰে। এইদৰে তেখেতৰ চৰকাৰী জীৱনৰ শুভাৰম্ভণি হ'ল। লগতে আৰ্থিক সমস্যাও দূৰীকৰণত সহায়ক হ'ল। বিদ্যালয়ত পাঠদানৰ উপৰিও তেওঁ এইখন অতিকৈ পিছপৰা অঞ্চলৰ আৰ্থ-সামাজিক সমস্যা সমাধানৰ চিন্তাও কৰিছিল। এই বিদ্যালয়খনত কেইবছৰমান থকাৰ পিছত চৰকাৰী নিয়মানুসৰি তেওঁক লেংটিছিঙা বজাৰৰ গাতে লাগি থকা ঝাৰপাৰা এম.ভি. স্কুললৈ বদলি কৰা হ'ল। ইয়াতেও সুখ্যাতিৰে নিজৰ দায়িত্ব পালন কৰাৰ লগতে সমাজ উন্নয়নৰ কামবোৰৰ মাজতো তেখেতে সোমাই পৰিব লগা হৈছিল। লগতে সামাজিক ব্যাধিৰ দৰে দুৰ্নীতিবোৰৰ বিৰুদ্ধে তেওঁ সদায়ে মাত-মাতি আহিব লগা হৈছিল। এই অঞ্চলৰ সমবায় সমূহৰ পৰা দুখীয়া জনগণে নিজৰ অধিকাৰ আৰু প্ৰাপ্যখিনি অতি সহজে যাতে পাব পাৰে সেই বাটটোও তেখেতে মুকলি কৰি দিছিল। ইয়াৰ উপৰিও অভয়াপুৰী চহৰৰ হোলচেল কুঞ্জ মাৰ্ছ ফ'ৰামৰ দায়িত্বপূৰ্ণ পদত নিৰ্বাচিত হৈ তাৰ উন্নতিকল্পেও সদায়ে যত্ন কৰিছিল। তাৰ লগতে অভয়াপুৰী মটৰ শ্ৰমিক সন্থাৰো সভাপতিৰ পদত থাকি তাৰ উন্নয়নৰ দিহা কৰিছিল। এনেতে হঠাৎ তেখেতক বদলি কৰা হ'ল বঙাইগাঁও জিলাৰ পূৰ্ব প্ৰান্তত অৱস্থিত কোকিলা প্ৰাইমাৰী বিদ্যালয়লৈ। এই বদলিটোৱে তেখেতক গোৰ মাৰি গঙ্গাত পেলোৱাৰ দৰে কৰিলে। প্ৰাইমাৰী বিদ্যালয়খনত শিক্ষকতা কৰাৰ উপৰিও তেওঁ বৰপেটা জিলাৰ কলগাছিয়াত প্ৰতিষ্ঠিত নৰজ্যোতি মহাবিদ্যালয়খনত অৰ্থনীতি বিজ্ঞানৰ অবৈতনিক এজন প্ৰবক্তা হিচাপেও পাঠদান সেৱা আগবঢ়াইছিল। ১৯৮২ চনৰ পৰা ১৯৮৪ চনৰ আগষ্ট মাহৰ এক তাৰিখলৈকে কোকিলা গাঁৱৰ এখন ভাড়া ঘৰত

থাকি তেখেতে কাৰ্যকাল অতিবাহিত কৰিছিল। ইয়াৰ পিছত হঠাৎ তেওঁৰ কৰ্মজীৱনৰ এটা ডাঙৰ পৰিৱৰ্তন আহিল। অৰ্থাৎ ০২-০৯-১৯৮৪ তাৰিখত তেতিয়াৰ বৰপেটা বৰ্তমানৰ বা£ৰ্ৰ্ জিলাৰ শালবাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ত অৰ্থনীতি বিজ্ঞানৰ বিষয় শিক্ষক হিচাপে যোগদান কৰিলে। তাতেও তেখেত অতি সুখ্যাতিৰে বিদ্যালয়খনত পাঠদানৰ উপৰিও ওচৰৰে শালবাৰী মহাবিদ্যালয়খনতো অৰ্থনীতি বিজ্ঞানৰ এজন প্ৰবক্তা হিচাপে পাঠদান কৰি বৰকৈ জনপ্ৰিয় হৈ উঠিছিল। ১৯৮৬ চনৰ ডিচেম্বৰ মাহৰ ১২ তাৰিখত লাংলা উচ্চতৰ মাধ্যমিক বিদ্যালয়লৈ তেওঁ বদলি হৈ আহে।

তেখেতৰ তীক্ষ্ণ বুদ্ধি আৰু দক্ষ কৰ্মপ্ৰেৰণাৰ বাবে যোগদান কৰা প্ৰতিখন অনুষ্ঠানৰ মুৰব্বীসকলৰ লগত এটা ভাল সম্পৰ্ক অতি সোনকালেই গঢ়ি উঠিছিল। কেতিয়াবা হঠাৎ উদ্ভৱ হোৱা কেতবোৰ জটিল সমস্যাৰ সমাধানো তেখেতেই দিব লগা হৈছিল। এইটো আছিল তেখেতৰ এটা ডাঙৰ গুণ। এইদৰে তেখেত যোগদান কৰা প্ৰতিখন অনুষ্ঠানৰ প্ৰধান শিক্ষক তথা অধ্যক্ষজনে অনুষ্ঠানখন উন্নত অৱস্থালৈ নিয়াৰ ক্ষেত্ৰত উজু হৈছিল। লাংলা উচ্চতৰ মাধ্যমিক বিদ্যালয়লৈ আবুল হুছেইন শেখ চাহাবে অভয়াপুৰীত থকা নতুন বাসভৱনৰ পৰাই নিয়মিত ভাৱে গৈ পাঠদান কাৰ্য সম্পন্ন কৰিছিল। তেখেতৰ নিয়মানৱৰ্ত্তিতা আৰু কঠোৰ পৰিশ্ৰমৰ কাৰণে সকলোৰে আপোন হৈ পৰিছিল। সেইবাবে যেতিয়া তেখেতে ০১-১১-১৯৯১ তাৰিখত বদলি হৈ লেংটিছিঙা উচ্চতৰ মাধ্যমিক আৰু আদৰ্শ বিদ্যালয়লৈ আহিছিল, তেতিয়া লাংলা অঞ্চলৰ শিক্ষক-শিক্ষয়িত্ৰী, ছাত্ৰ-ছাত্ৰী আৰু শুভাকাংক্ষী সকলে আৱেগিক হৈ কৈছিল 'আমি আজিৰ পৰা মাথোন এজন আদৰ্শ শিক্ষককেই নহয়, এজন অভিভাৱকো হেৰুৱালোঁ।'

বাৰিষাৰ প্ৰবল বানপানীত নদীয়ে এপাৰ ভাঙি আন পাৰত পলস পেলোৱাৰ দৰে মাননীয় আবুল হুছেইন শেখ চাহাবৰ বদলিয়েও লেংটিছিঙাৰ বৃহৎ অনগ্ৰসৰ অঞ্চলত উচ্চ শিক্ষাৰ বাতাবৰণৰ পলস পেলালে। তেখেতৰ যোগাদানে বিদ্যালয়খনৰ অধ্যক্ষ শ্ৰদ্ধাৰ প্ৰামাণিক ছাৰে পালে এজন দক্ষ শিক্ষকৰ লগতে এজন সৎ পৰামৰ্শদাতা। এইদৰে বিদ্যালয়খনে আগবাঢ়ি গৈ ১৯৯৬ চনত চৰকাৰী অনুমোদন সাপেক্ষে বিজ্ঞান শাখা আৰম্ভ কৰিলে। পৰৱৰ্তী সময়ত কাৰিকৰী শিক্ষা (Vocational) প্ৰদানৰ বাবে চৰকাৰী অনুমতি লাভ কৰে। অৱশেষত বিজ্ঞান শাখাৰ পৰীক্ষা কেন্দ্ৰও স্থাপনৰ অনুমতি লাভ কৰে। আমাৰ এই বিদ্যালয়খনৰ অধ্যক্ষ ছাৰৰ দক্ষতা, শিক্ষক-শিক্ষয়িত্ৰী সকলৰ নিয়মিত পাঠদান, মৰমৰ ছাত্ৰ-ছাত্ৰী সকলৰ সহযোগিতা লগতে অভিভাৱক সকলৰ তৎপৰতাত বছৰেকীয়া পৰীক্ষাৰ ফলাফল সন্তোষজনক। প্ৰায় প্ৰতি বছৰতে ইয়াৰ পৰা সুখ্যাতিৰে উত্তীৰ্ণ হৈ বহুতেই বভিন্ন ইঞ্জিনিয়াৰিং কলেজ, কটন মহাবিদ্যালয় আদিত অধ্যয়নৰ সুবিধা লাভ কৰিছে। ইয়াৰোপৰিও এইখন বিদ্যালয়ৰ পৰাই ক'লা শাখাৰ আৰবী বিষয়ত অসমৰ ভিতৰত সৰ্বোচ্চ নম্বৰ লগতে গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা প্ৰথম বিভাগত সৰ্বোচ্চ নম্বৰ পাই স্বৰ্ণ পদক অৰ্জন কৰিবলৈ সক্ষম হয়। এই বিদ্যালয়ৰ পৰা উত্তীৰ্ণ হৈ কিছুমান মেধাৱী ছাত্ৰ-ছাত্ৰীয়ে ন্যায়ালয়ৰ ন্যায়াধীশ, অধ্যক্ষ, প্ৰৱক্তা, বিষয় শিক্ষক, ভাল ব্যৱসায়ী হিচাপে কাম কৰি থকাৰ উপৰিও ভাল ৰাজনৈতিক নেতা হিচাপেও আত্ম প্ৰকাশ কৰিব পৰিছে।

অধ্যক্ষ প্ৰামাণিক ছাৰক আমি প্ৰায় প্ৰতিদিনেই বিদ্যালয় ছুটিৰ পিছত তেওঁৰ সহকৰ্মী বন্ধু আবুল হুছেইন চাহাবৰ লগত তেখেতৰ কোঠাতে বহি প্ৰায় সন্ধিয়ালৈকে বিভিন্ন গুৰুত্বপূৰ্ণ আলোচনা কৰা দেখা পোৱা গৈছিল। তাৰে ভিতৰত যিটোৰে

বিশেষ ঠাই পাইছিল সেইটো আছিল, কেনেকৈ এই অঞ্চলৰ দৰিদ্ৰ সীমাৰেখাৰ তলৰ ছাত্ৰ-ছাত্ৰী সকলক গুণগত উচ্চ শিক্ষাৰ পোহৰ বিলাব পাৰি। তেখেত দুজনৰ সপোন আছিল কেনেকৈ এই অঞ্চলত এখন মহাবিদ্যালয় তাৰ পিছত এখন বিশ্ববিদ্যালয় স্থাপনৰ জৰিয়তে এই অঞ্চলটোক অধিক আগবঢ়াই নিব পাৰি। সেইটোৱেই আছিল দুজনৰ মূল লক্ষ্য। এই বিষয়টো মাথোন তেখেত দুজনৰ মাজতে আৱদ্ধ নাথাকি লেংটিছিঙা অঞ্চলৰ বিদ্যানুৰাগী আৰু সমাজ কৰ্মীসকলৰ মাজতো বিয়পি পৰিল। ১৯৮০ চনতেই লেংটিছিঙাত এখন মহাবিদ্যালয় স্থাপন কৰাৰ পৰিকল্পনা কৰা হৈছিল যদিও বাস্তৱত ৰূপ দিব পৰা হোৱা নাছিল। ১৯৯২ চনতহে লেংটিছিঙাত এই উপলক্ষে এখন ডাঙৰ জন সভাৰ আয়োজন কৰা হ'ল। সেইখন সভাত উপস্থিত আছিল অভয়াপুৰী দক্ষিণ বিধান সভা সমষ্টিৰ বিধায়ক প্ৰয়াত শ্ৰী চন্দন কুমাৰ সৰকাৰ ডাঙৰীয়া। সেই সভাখনতে লেংটিছিঙাত এখন মহাবিদ্যালয় স্থাপনৰ প্ৰস্তাৱ সৰ্বসন্মতিক্ৰমে গৃহীত হয়। মহাবিদ্যালয়খনক 'ৰাজীৱ গান্ধী মেম'ৰিয়েল' নামেৰে নামাকৰণ কৰা হ'ল। লগতে মহাবিদ্যালয়খনৰ বাবে এখন পৰিচালনা কমিটিও গঠন কৰা হ'ল। কমিটিখনৰ সভাপতিৰ দায়িত্ব অৰ্পন কৰা হ'ল মাননীয় চন্দন কুমাৰ সৰকাৰ ডাঙৰীয়াক। অস্থায়ী অধ্যক্ষৰ দায়িত্ব অৰ্পন কৰা হ'ল ডুমেৰগুৰী উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক মাননীয় ছফিউৰ ৰহমান চাহাবক। তেখেতে নিজৰ বিদ্যালয়ৰ দায়িত্ব পালন কৰাৰ উপৰিও নৱ-নিৰ্মিত মহাবিদ্যালয়ৰো কৰণীয় কামবোৰ আগুৱাই লৈ যোৱাৰ চেষ্টা কৰিলে। এইদৰে প্ৰায় চাৰিটা বছৰ অতিক্ৰম কৰিলে। মহাবিদ্যালয়খনৰ প্ৰাথমিক কামবোৰ আগবঢ়াই নিয়াৰ কাৰণে যথেষ্ট চেষ্টা কৰিছিল।

'মানুহ পৰিস্থিতিৰ দাস।' কথাষাৰ ৰাজীৱ গান্ধী মেম'ৰিয়েল মহাবিদ্যালয়ৰ ক্ষেত্ৰতো সত্য বুলি প্ৰমাণিত হ'ল। ১৯৯৬ চনত অসমৰ ৰাজনীতিৰ পট পৰিবৰ্তনৰ লগে লগে এইখন মহাবিদ্যালয়তো তাৰ প্ৰভাৱ পৰাটো পৰিলক্ষিত হ'ল। ইয়াৰ অভ্যন্তৰীণ অৱস্থাটোৰ ক্ৰমে অৱনতি হ'ব ধৰিলে। এনে অৱস্থাত এই অঞ্চলৰ সচেতন বুদ্ধিজীৱি আৰু বিদ্যানুৰাগী জনগণে মহাবিদ্যালয়খনক এটা উন্নত অৱস্থালৈ অনাৰ বাবে ভাৱিবলৈ বাধ্য হ'ল। এই অঞ্চলৰ চিন্তাশীল জনগণে অতি সোনকালে মহাবিদ্যালয়খনৰ উন্নতি কল্পে এখন জনসভাৰ আয়োজন কৰিলে। এই গুৰুত্বপূৰ্ণ সভাত পূৰ্বৰ পৰিচালনা কমিটি ভংগ কৰি নতুন কমিটি এখন কৰিলে। এইখন কমিটিৰ সভাপতি হিচাবে মনোনীত কৰা হ'ল সেই সময়ৰ স্থানীয় বিধায়ক মাননীয় শ্ৰীযুত ৰবীন বণিক্য ডাঙৰীয়াক। সম্পাদক হিচাপে মানোনীত কৰা হ'ল এই অঞ্চলৰ সকলোৰে শ্ৰদ্ধাৰ লেংটিছিঙা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ প্ৰয়াত মাণিক চন্দ্ৰ প্ৰামাণিক ছাৰক।

'যোগ্যতাৰ কেতিয়াও মৃত্যু নহয়।' কথাষাৰ একেবাৰে সঁচা। মহাবিদ্যালয়খনৰ গুৰুত্বপূৰ্ণ অধ্যক্ষৰ দায়িত্বটো অৰ্পন কৰা হ'ল মাননীয় আবুল হুছেইন চাহাবক। তেখেতে ১৬-০৯-১৯৯৬ ইং তাৰিখত অধ্যক্ষৰ পদত যোগদান কৰি মহাবিদ্যালয়খনৰ উন্নতিৰ বাঘজৰীডাল হাতত ল'লে। তেতিয়াৰ পৰাই ৰাজীৱ গান্ধী মহাবিদ্যালয়খনে যেন প্ৰাণ পাই উঠিল। আৰম্ভ হ'ল নতুন উদ্যমেৰে এটাৰ পিছত আনটো উন্নয়নৰ কাম। লেংটিছিঙা উচ্চতৰ মাধ্যমিক বিদ্যালয়ত বিষয় শিক্ষক হিচাপে নিজৰ দায়িত্ব পালন কৰাৰ উপৰিও এই মহাবিদ্যালয়ৰ কামবোৰ ইমান ক্ষীপ্ৰতাৰে আগবঢ়াই নিব পাৰিছিল যে অতি কম সময়ৰ ভিতৰত মহাবিদ্যালয়খনে এটা সন্তোষজনক পৰ্যায়লৈ অগ্ৰসৰ হ'ল। পৰিশ্ৰম কৰিলেহে তাৰ সুফল পোৱাৰ উপৰিও

সামাজিক মৰ্যদাও পাব পাৰি। সেই সময়ৰ মাননীয় শিক্ষামন্ত্ৰী মহোদয় আৰু মাননীয় শিক্ষা আয়ুক্তই অধ্যক্ষ আবুল হুছেইন চাহাবক পূৰ্ণ পৰ্যায়ৰ অধ্যক্ষ হিচাপে মানি লোৱাৰ বাবেহে ২৮-০৮-১৯৯৭ তাৰিখত মহাবিদ্যালখনে প্ৰথম কনকাৰেঞ্চ পাবলৈ সক্ষম হ'ল।

অনুষ্ঠান এখন উন্নতিৰ পথলৈ আগবঢ়াই নিবলৈ হ'লে অৰ্থনৈতিক দিশটোৰ বিশেষ প্ৰয়োজন। মহাবিদ্যালয়খনৰ আৰ্থিক প্ৰয়োজনৰ বাবে অধ্যক্ষ শ্বেখ চাহাব আৰু সম্পাদক প্ৰামাণিক ছাৰে প্ৰৱক্তা সকলক লগত লৈ এই অঞ্চলৰ প্ৰতিটো অনুষ্ঠান-প্ৰতিষ্ঠানলৈ গৈ পুঁজি সংগ্ৰহ কৰিবলৈ বাধ্য হৈছিল। তাৰ কৰ্মচাৰী সকলেও হাঁহি মুখে নিয়মিত ভাৱে বৰঙণি আগবঢ়াই তেওঁলোকক উৎসাহিত কৰিছিল।

অনুষ্ঠানখনৰ বৌদ্ধিক, শৈক্ষিক, সাংস্কৃতিক আদি সকলো দিশতেই লাভ কৰা অগ্ৰগতিক অঞ্চলটোৰ জনগণে আদৰণি জনাইছিল। কিন্তু আমি এইটোও অৱগত যে প্ৰায়বোৰ মহাবিদ্যালয়ৰ পৰিচালনা দিশটো সদায় একে নাথাকে। শাসনাধিষ্ঠ দলৰ সপক্ষেহে বতাহ বৈছিকৈ বলা দেখা যায়। ৰাজীৱ গান্ধী মেম'ৰিয়েল মহাবিদ্যালয়ৰ ক্ষেত্ৰতো আকৌ সেইটোৱে পৰিলক্ষিত হ'ল। পৰিচালনা কমিটি সলনি হৈ শ্ৰীযুত চন্দন কুমাৰ সৰকাৰ ডাঙৰীয়া আকৌ সভাপতি হিচাপে মানোনীত হ'ল। এইদৰে কিছুদিন অতিবাহিত হোৱাৰ পাছত আবুল হুছেইন শ্বেখ চাহাবে অসুস্থতাজনিত কাৰণত নিজৰ অধ্যক্ষ পদৰ পৰা অব্যাহতি ল'লে। লগে লগে এটা অধ্যায়ৰ হঠাৎ যৱনিকা পৰিল। আবুল হুছেইন শ্বেখ চাহাবৰ পিছত মহাবিদ্যালয়খনৰ অধ্যক্ষৰ আসন শুৱনি কৰিছিল যথাক্ৰমে আছিৰ উদ্দিন আহমেদ আৰু জহুৰুল ইছলাম চাহাবে। তেখেত সকলেও নিষ্ঠাৰে দায়িত্ব পালন কৰিছিল বুলি আমি জানো। কিন্তু বিভাগীয় কাৰণবশতঃ তেখেতসকল পদবীৰ পৰা আঁতৰি থাকিব লগা হোৱাত বৰ্তমানে ড° ৰীতা শৰ্মা বাইদেউ ভাৰপ্ৰাপ্ত অধ্যক্ষৰ আসনত অধিষ্ঠিত হৈ আছে।

ইতিমধ্যে ৰাজীৱ গান্ধী মেম'ৰিয়েল মহাবিদ্যালয়ে গতানুগতিক ভাৱে সাতাইশটা বছৰ অতিক্ৰম কৰিলে। সময় সলনি হয়। কিন্তু সততাৰ দাম সলনি নহয়। সেইউপলক্ষে যোৱা #ïíঢ়üáU\ মাহৰ পৰাই আৰম্ভ হৈছে 'ৰূপালী জয়ন্তী'ৰ কাৰ্যসূচীৰ আখৰা। ৰূপালী জয়ন্তী উৎসৱৰ লগত সংগতি ৰাখি প্ৰকাশ কৰিবলৈ লোৱা স্মৃতিগ্ৰন্থখনত দুজন মহান ব্যক্তিৰ বিষয়ে মোৰ মনৰ কথাখিনি ৰোমন্থন কৰিবলৈ পাই মই অশেষ আনন্দ লভিছোঁ। আজি দুয়োজন ব্যক্তি আমাৰ মাজত নাই। কিন্তু তেখেত দুজনৰ ঐকান্তিক প্ৰচেষ্টাত এই পিছপৰা অঞ্চলত গঢ়লৈ উঠা প্ৰসিদ্ধ অনুষ্ঠানখন চিৰদিনৰ বাবে যুগমীয়া হৈ থাকিব। তেখেত দুজনৰ পবিত্ৰ আত্মাই চিৰ শান্তি লাভ কৰক, সেই কামনাৰে মোৰ লিখনিৰ মুধা মাৰিছোঁ।

**"সমাজক সংঘাতে দূৰ্বল কৰে আৰু সমন্বয়ে শক্তিশালী কৰে।'**

**শান্তি অবিহনে কেতিয়াও প্ৰগতি সম্ভৱ নহয়।"** ○

লেখক ঃ- লেংটিছিঙা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত বিষয় শিক্ষক।

# ইতিহাস সমৃদ্ধ লেংটিছিঙাৰ অতীত আৰু বৰ্তমান



আমজাদ আলী
অসমীয়া খবৰ কাকতৰ লেংটিছিঙাৰ সংবাদদাতা

বিচিত্ৰ দেশ ভাৰত। তাতোকৈ বিচিত্ৰ অসম ৰাজ্য। ভাৰতবৰ্ষখন যেনেকুৱা মিশ্ৰিত জাতি-জনগোষ্ঠীৰে গঢ়ি উঠিছে, ঠিক তেনেকৈ ৰাজ্যখনৰ নামনি অসমৰ ঐতিহাসিক লেংটিছিঙাখনো গঢ়ি উঠিছে নানা জাতি-উপজাতি, বিভিন্ন ধৰ্মাৱলম্বী লোকৰ দ্বাৰা। তথাপিও ভেদ-ভাৱ নাই লেংটিছিঙাবাসীৰ।

কোনো কালেই হিন্দু-মুছলমানৰ মাজত সাম্প্ৰদায়িক সংঘৰ্ষ নোহোৱা শান্তিপূৰ্ণ ভূমি হৈছে লেংটিছিঙা। যাক বৰ্তমান সংখ্যালঘু জনগোষ্ঠীৰ ৰাজনৈতিক ৰাজধানী ৰূপেও কোৱা হয়। এই লিখনিৰ জৰিয়তে শান্তিপ্ৰিয় লেংটিছিঙাৰ অতীত, বৰ্তমান বিচাৰি সম্যক আলোকপাত কৰিব বিচৰা হৈছে।

<u>ঐতিহাসিক লেংটিছিঙা</u> ঃ- ঐতিহাসিক সমলমতে বিশাল কোঁচ সাম্ৰাজ্যৰ প্ৰতিষ্ঠাতা মহাৰাজ নৰ-নাৰায়ণৰ সুযোগ্য ভাতৃ সেনাপতি মহাবীৰ চিলাৰায়ৰ পুত্ৰ ৰঘুদেৱ কোঁচ ৰাজ্যৰ পূব অংশৰ ৰজা হয়। এওঁৰ অধস্তন দশম পুৰুষ অমৃত নাৰায়ণ ভূপ বাহাদুৰ (ৰাজত্বকাল ১৮৩৮ - ১৮৫৩ খৃষ্টাব্দ) বিজনী ৰাজ্যৰ ৰজা হয়। এওঁৰ মৃত্যুৰ পিছত তেওঁৰ পোষ্য পুত্ৰ কুমুদ নাৰায়ণ ভূপ বাহাদুৰে ৰাজপাটত বহে। আদিতে বিজনী ৰাজ্যৰ ৰাজধানী আছিল 'দোতমা'। দোতমা ভূটানৰ নিকটৱৰ্তী হোৱা বাবে ভূটীয়া সেনাপতি ঝাউলিয়া মেছে বাৰে বাৰে বিজনী ৰাজ্য আক্ৰমণ কৰিছিল। এই ভূটীয়া সকলৰ আক্ৰমণৰ পৰা নিজ ৰাজ্যৰ ৰাজধানী নিৰাপদে ৰখাৰ বাবে দোতমাৰ পৰা উঠি আহি বৰ্তমানৰ লেংটিছিঙাৰ ডুমুৰীয়াত ৰাজধানী পাতি ৰাজ্য শাসন কৰিবলৈ লয়। যিখন ঠাই বৰ্তমানে 'দালানভাঙা' নামে পৰিচিত। ১৮৮২ খৃষ্টাব্দত ৰজা কুমুদ নাৰায়ণৰ মৃত্যু হোৱাত বৰ ৰাণী সিদ্ধেশ্বৰী দেৱীয়ে ৰাজপাট দখল কৰি ৰাজ্য শাসন কৰে। বৰ ৰাণী সিদ্ধেশ্বৰীৰ মৃত্যুৰ পিছত তেওঁলোকৰ কোনো সতি-সন্ততি নথকাত সৰু ৰাণী অভয়েশ্বৰী দেৱীয়ে ৰাজপাট দখল কৰি ৰাজ্য শাসন কৰিবলৈ লয়। প্ৰজাবৎসল, দয়াৱতী, গুণৱতী, তপস্বিনীয়ে প্ৰজাৰ সুখৰ কাৰণে সৰ্বদাই সজাগ আছিল। উপাসনা কৰাৰ বাবে মুছলমানক পীৰপাল মাটিদান কৰিছিল। যোগীঘোপাৰ পীৰপাল মছজিদ তাৰেই উদাহৰণ। সেইদৰে ব্ৰাহ্মণ সকলকো পূঁজা-অৰ্চনাৰ ব্যৱস্থা কৰি দি মঠ-মন্দিৰৰ বাবে দেৱোত্তৰ মাটি দান দিছিল। পণ্ডিত সকলে শাস্ত্ৰ চৰ্চা কৰিবলৈ ৰাজ ভড়াঁলৰ পৰা বৃত্তিৰ ধন লাভ কৰিছিল. এইদৰে সুখে-শান্তিৰে ৰাজ্যশাসন কৰাৰ মাজতে ১৮৯৭ চনৰ ১২ জুনৰ

আবেলি ৫-০০ বজাত হোৱা প্ৰলয়ংকাৰী ভূমিকম্পত বিজনী ৰাজ্যৰ ৰাজধানী ডুমুৰীয়া ধ্বংস স্তুপত পৰিণত হৈছিল।

ভূমিকম্পৰ পৰা কোনোমতে প্ৰাণ ৰক্ষা পোৱা ৰাণীসহ পালি-প্ৰহৰিৰ সৈতে ৰাজধানীৰ কাষতে থকা ৰজাইপানী খোৱা বিলত থকা নৌকাৰে ভটিয়াই যোগীঘোপাত উপস্থিত হৈ নতুন ৰাজধানী নিৰ্মাণৰ চিন্তা কৰে। কিন্তু তালৈ সকলো প্ৰজা উটি গ'লে প্ৰজাৰ অশেষ কষ্ট হ'ব বুলি ভাবি পুনৰাই উভতি আহি দেওহাটীত চীন দেশৰ পৰা স্থাপত্য আনি ৰাজহাউলী নিৰ্মাণ কৰে। ৰাজধানী নিৰ্মাণ কৰি ৰাণীয়ে নগৰখনৰ নাম নিজৰ নামৰ লগত সংগতি ৰাখি অভয়াপুৰী নামাকৰণ কৰে। আন এক উপাখ্যান মতে বিজনী ৰাজপৰিয়ালৰ উপাস্য দেৱী অভয়াদেৱীৰ নামেৰে নগৰখনৰ নাম অভয়াপুৰী ৰাখে। ৰাণী অভয়েশ্বৰীয়ে সুদীৰ্ঘ ৩৪ বছৰ কাল ৰাজত্ব কৰি ৰাজ্যৰ জয়-জয়, ময়-ময় অৱস্থাৰ সৃষ্টি কৰি ৫৬ বছৰ বয়সত ১৯১৮ চনৰ ১৭ অক্টোবৰত মৃত্যু বৰণ কৰে।

ডুমুৰীয়াত ৰাজধানী থকাৰ সময়ত মানাহ নদীৰ পশ্চিম পাৰত থকা ঠাইখন আছিল লেংটিছিঙা। সেই সময়ত যোগাযোগৰ মাধ্যম আছিল নদী পথ। লেংটিছিঙা আছিল বিজনী, ভূটান, গাৰো, ৰাভা, আহোম আৰু ৰংপুৰ ৰজাৰ আন্তৰ্জাতিক বাণিজ্য কেন্দ্ৰ। ৰাজহাউলীৰ পৰা লেংটিছিঙা বজাৰৰ পূৱ প্ৰান্তৰ মানাহ নদীৰ ঘাটলৈ আছিল পকীপথ। নদীৰ পাৰতেই আছিল দুই তলা বিশিষ্ট কাঠৰ বাংলো। তাতেই ৰজা-ৰাণী সকলে অৱসৰ-বিনোদন কৰিছিল। ৰাজবাৰীৰ উদ্যোগত পোন প্ৰথমবাৰৰ বাবে লেংটিছিঙাত উলহ-মালহেৰে দুৰ্গা পূজা অনুষ্ঠিত হৈছিল। ডুমুৰীয়াৰ ৰাজহাউলীৰ পৰা দুই কিঃ মিঃ উত্তৰে থকা লুঙাই পাহাৰত শাক্তধৰ্মীৰ বাবে শিৱ মন্দিৰ নিৰ্মাণ কৰি দিছিল। য'ত ৰাজপৰিয়ালৰ হাতীক পানী খুওৱা হৈছিল। সেই ঠাইখন লুঙাই পাহাৰৰ পাদদেশত আছিল। যি ৰজাইপানীখোৱা বিল নামে জনাজাত। বিলখনত ৰাজপৰিয়ালৰ সদস্য সকলে মাজে সময়ে নৌকা-বিহাৰ কৰাৰ কথা শুনা যায়।

সেই সময়ত সমগ্ৰ অঞ্চলটো খিলঞ্জীয়া লোকৰ বসতি আছিল। প্ৰতিটো গাঁৱত সত্ৰ, নামঘৰ আছিল। কিন্তু প্ৰকৃতিৰ পৰিহাস ১৮৯৭ চনৰ বৰ ভূইকঁপত ৰাজধানী ডুমুৰীয়াসহ সমগ্ৰ অঞ্চলটো ব্যাপক ভাৱে বহি যায় আৰু তাৰ পিছতেই অহা ভয়াবহ বানপানীয়ে সকলো উটুৱাই লৈ যায়। অঞ্চলটো হৈ পৰে বসবাসৰ বাবে অনুপযোগী। যাৰ বাবে লেংটিছিঙাৰ এটা অংশ সত্ৰসহ উটি গৈ সৃজনগ্ৰামৰ লেংটিছিঙা পাৰাত বসতি স্থাপন কৰে। আন এটা অংশ বাসুদেৱ সত্ৰসহ উটি গৈ অভয়াপুৰীৰ ধৰ্মপুৰৰ দক্ষিণ চুবুৰীত সত্ৰ স্থাপন কৰি বসতি আৰম্ভ কৰে। পিৰাধৰাবাসীয়ে সত্ৰসহ উটি গৈ অভয়াপুৰীৰ পিৰাধৰাত পূৰ্বৰ নামেৰেই গাঁও স্থাপন কৰি সত্ৰখনো স্থাপন কৰে। নসত্ৰখনি সত্ৰ সহ উটি গৈ অভয়াপুৰীৰ ধৰ্মপুৰ-বড়িগাঁও লৈ গৈ সত্ৰ স্থাপন কৰি বসতি স্থাপন কৰে। ইয়াৰ উপৰিও মেৰেৰচৰ, কুশবাৰী আদি অঞ্চলৰ মানুহ সকলে বৰপেটা , সৰভোগ, মাণিকপুৰ, বাঘবৰ, জনীয়া, কনৰা, মালেগড়, গোৱালপাৰালৈ উটি গৈ বসতি স্থাপন কৰে। পিছৰ পৰ্যায়ত সমগ্ৰ অঞ্চলটো মানাহ নদীৰ খহনীয়া আৰু

বানপানীয়ে ভৌগলিক পৰিৱেশ নাইকীয়া কৰি পেলায়। অঞ্চলটো জন শুণ্য হৈ পৰাৰ পিছত কেইবা যুগ ধৰি ছন পৰা পতিত ভূমিলৈ ৰূপান্তৰিত হয়। ক্ৰমে সমগ্ৰ অঞ্চলটো নল, খাগৰি, বন, জংঘলৰে ভৰি পৰাত বনৰীয়া জীৱ-জন্তুৰ আৱাস ভূমিলৈ ৰূপান্তৰিত হয়। বৰ্তমান পুৰণি ডুমুৰীয়াৰ শাৰী শাৰী ডিমুৰু ফুলৰ গছো নাই, ৰাজহাউলীয়ো নাই। আছে মাথো পুৰণি ভগ্নাৱশেষহে মাথোন।

<u>আধুনিক লেংটিছিঙা</u> ঃ- বৰ্তমানৰ আধুনিক লেংটিছিঙা বুলি ক'লে পূৱে- লাংলা, পশ্চিমে- অভয়াপুৰী আৰু মালেগড়, উত্তৰে - সৃজনগ্ৰাম, বৰঘোলা, দক্ষিণে - ফুলৰা-চতলা আৰু হাদিৰাচকীৰ মাজ ভাগৰ সুবিশাল ভূমি ভাগেই হ'ল আধুনিক 'লেংটিঙা'। যাৰ কেন্দ্ৰবিন্দু হ'ল লেংটিছিঙা বজাৰ। বৰ্তমান ঝাৰপাৰা, ডুমুৰীয়া প্ৰথম খণ্ড, জানেৰমুখ, ভাদাইপাৰা, সন্তোষপুৰ, ভৱালীপাৰা আদি গাঁও কেইখনৰ কিছু অংশ সামৰি লেংটিছিঙা বজাৰখন গঢ়ি উঠিছে। লেংটিছিঙা অঞ্চলৰ মাজেদি বৈ যোৱা আই, মানাহ আৰু ছেকোতি নৈৰ পলস হৈছে এই অঞ্চলৰ আশীৰ্বাদ স্বৰূপ। সৰু-বৰ নৈ তিনিখনে জীপাল কৰি তুলিছে সমগ্ৰ অঞ্চলটো।

ৰাজ্যখনৰ আন আন ঠাইলৈ যেতিয়া প্ৰাকৃতিক কাৰণত কৃষিকৰ্মৰ বাবে বংগীয় মূলৰ জনগোষ্ঠীৰ আগমন ঘটিছিল, ঠিক সেই সময়তে লেংটিছিঙা অঞ্চলতো বংগীয় মূলৰ হিন্দু-মুছলমানৰ আগমন ঘটিছিল। বসতি স্থাপনৰ সময়ত থকা বন-জংঘল পৰিস্কাৰ কৰাৰ সময়ত অহৰহ যুঁজ বাগৰত লিপ্ত হ'ব লগা হৈছিল বনৰীয়া জীৱ-জন্তুৰ লগত। প্ৰকৃতিৰ লগত অতি সহজে হাৰ নমনা, অতি কষ্ট সহিষ্ণু এই জনগোষ্ঠীটোৱে হাড় ভঙা পৰিশ্ৰম কৰি পতিত ভূমিত কৃষি কৰ্মৰে চিৰ সেউজ কৰি তুলিছে সমগ্ৰ অঞ্চলৰ কৃষি ভূমি। বৰ্তমান এই পূৰ্ব বংগীয় মূলৰ লোক সকলেই গঢ়ি তুলিছে আধুনিক লেংটিছিঙা, গঢ়ি উঠিছে প্ৰাথমিক শিক্ষানুষ্ঠানৰ পৰা মহাবিদ্যালয়লৈকে অসংখ্য সৰু-বৰ উচ্চ শিক্ষাৰ অনুষ্ঠান, চৰকাৰী-বেচৰকাৰী কাৰ্যালয়, চিকিৎসালয় , সামাজিক, সাহিত্যিক, সাংস্কৃতিকমূলক অসংখ্য অনুষ্ঠান-প্ৰতিষ্ঠান। বিশেষকৈ লেংটিছিঙাৰ মাজেৰে যোৱা ভাৰতৰ প্ৰয়াত ৰাষ্ট্ৰপতি ফকৰ উদ্দিন আলী আহমেদৰ সপোনৰ ৰাস্তা। ছাপাগুৰী-উত্তৰ শালমাৰা-অভয়াপুৰী-লেংটিছিঙা-কলগাছিয়া-বৰপেটা-হাজোহৈ আমিনগাঁৱলৈ যোৱা দুই নং ৰাজ্যিক ঘাইপথ নিৰ্মাণ হোৱাত উন্নয়নৰ ক্ষেত্ৰত লেংটিছিঙাৰ বৈপ্লৱিক পৰিবৰ্তন হোৱা পৰিলক্ষিত হৈছে। য'ত হিন্দু-মুছলমান উভয় সম্প্ৰদায়ে ভাতৃত্ববোধেৰে বসবাস কৰি আধুনিক লেংটিছিঙাক বিশ্ব দৰবাৰত চিনাকি কৰি দিবলৈ সক্ষম হৈছে। ৰাজ আমোলৰ দৰে আধুনিক লেংটিছিঙাখনো শিক্ষা, ভাষা-সাহিত্য, সংস্কৃতি, ক্ৰীড়াৰ কেন্দ্ৰবিন্দু হিচাপে গঢ়ি উঠাৰ লগতে আন্তৰ্জাতিক বাণিজ্য কেন্দ্ৰ গঢ়ি উঠাৰ কামনা কৰিছে লেংটিছিঙাবাসী ৰাইজে। লগতে ৰাইজৰ আশা, ৰাজীৱ গান্ধী মেম'ৰিয়েল কলেজখন হওঁক উৎকৰ্ষতাৰ কেন্দ্ৰবিন্দু, জ্ঞানৰ ভঁৰাল।○

**সহায়ক গ্ৰন্থপঞ্জী ঃ-**

১। কোঁচ-কমতা ৰাজ্য - অম্বিকা চৰণ চৌধুৰী।
২। বিজনী ৰাজষ্টেট - ঐ
৩। মহাবীৰ চিলাৰায় - ঐ

# চৰ-চাপৰিৰ মুছলমান সমাজ ঃ অসমীয়া জাতি গঠন প্ৰক্ৰিয়াত চৰ-চাপৰিবাসীৰ ভূমিকা আৰু আত্ম সমালোচনা



আয়ুব খান
সহকাৰী অধ্যাপক, অসমীয়া বিভাগ

১৮৯২ চনত অসমৰ লগত বংগৰ ৰেল সংযোগ কৰা হয় আৰু ১৮৪৭ চনৰ পৰা অসমত ব্ৰহ্মপুত্ৰৰে জাহাজ চলাচল আৰম্ভ হয়। বংগৰ পৰা অনেক বাংলাভাষী শিক্ষিত লোক ইংৰাজ আমোলত অসমৰ অফিচ আদালতত কাম কৰিবলৈও আহে। ফলত ১৮৩৬ চনৰ পৰা ১৮৭২ চনলৈ অসমৰ অফিচ আদালতত বাংলা ভাষা প্ৰচলিত হৈছিল। অৱশ্যে ইয়াৰ উপৰিও বাংলা প্ৰচলন সম্পৰ্কে আন কিছু কাৰকৰ কথাও জনা যায়। ইংৰাজসকলে উক্ত ৰেল আৰু জাহাজেৰে পূৰ্ব-বংগৰ পৰা অতি গৰীৱ কৃষকসকলক আমদানি কৰিছিল। পূৰ্ব-বংগৰ পৰা আমদানিকৃত উক্ত কৃষকসকলে বাংলাভাষা ক্ৰমাৎ পৰিত্যাগ কৰি স্থানীয় অসমীয়া ভাষা সংস্কৃতি গ্ৰহণ কৰে। চৰ-চাপৰিত বাস কৰা বংগীয় মূলৰ উক্ত গৰীৱ মুছলমানসকলে কেতিয়াৰ পৰা অসমত অসমীয়া মাধ্যমৰ বিদ্যালয় প্ৰতিষ্ঠা কৰিছিল তাৰ সঠিক তথ্য জনা নাযায় যদিও নগাঁও জিলাৰ আলী টাঙনিত ওচমান আলী সদাগৰে সৰ্বপ্ৰথম ১৯০২ চনত মোক্তব স্কুল খোলে। সেই খনেই ১৯১০ চনত ২৬৫ নং অসমীয়া মাধ্যমৰ এল.পি. স্কুল বুলি জনা যায়। ইয়াৰ পিছত ১৯১৩ চনত বৰপেটা জিলাৰ ৰাঙাপানীত অসমীয়া মাধ্যমৰ বিদ্যালয়, ১৯২১ চনত চাকলাত আৰু হেলোপাকুৰীত, ১৯২৬ চনত গুনিয়ালগুৰিত অসমীয়া মাধ্যমৰ বিদ্যালয় প্ৰতিষ্ঠা কৰা হয়। তদুপৰি, ১৯২৫ চনত সোনাতুলিৰ পুৰান গাওঁত অসমীয়া মাধ্যমৰ প্ৰাথমিক বিদ্যালয়, ১৯২৯ চনত ঢকুৱাত অসমীয়া মাধ্যমৰ এম ই স্কুল, ১৯২৮ চনত কুজাৰপীঠত অসমীয়া মাধ্যমৰ এল পি স্কুল, ১৯৩৪ চনত আলোপতি চৰত, ১৯৩৭ চনত আগুভাংগা চৰ আদি কৰি অনেক ঠাইত অসমীয়া মাধ্যমৰ প্ৰাথমিক বিদ্যালয় প্ৰতিষ্ঠা জাতি গঠনত সহযোগ কৰে।

আনপিনে ১৯৪০ চনত আম্বিকাগিৰি ৰায় চৌধৰীৰ লগত আলোচনা মৰ্মে চৰ-চাপৰিৰ ৯ জন মূখীয়াল ব্যক্তিয়ে ১৯৪১ চনৰ লোকগণনাত (ছেন্সছত) চৰ-চাপৰিৰ জনসাধাৰণক অসমীয়া ভাষা-ভাষী বুলি লিখিবলৈ সেই সময়ৰ অসমৰ প্ৰধানমন্ত্ৰী (মুখ্যমন্ত্ৰী) লৈ আবেদন জনাইছিল। তেওঁলোকে লিখিছিল এইদৰে-

"শ্ৰীযুত অসমৰ প্ৰধানমন্ত্ৰী মান্যবৰেষু,
মহোদয়,

অধীন বৰপেটা মহকুমাৰ ইমিগ্ৰেণ্ট প্ৰজাবৃন্দৰ সবিনয় নিবেদন এই যে, আমালোকে ২৫/৩০ বছৰ হ'ল অসমত স্থায়ী ভাবে বসতি কৰি আছো। আমালোকৰ ল'ৰা ছোৱালী বিলাকক অসমীয়া ভাষাত শিক্ষা দিছো, আৰু আমালোকেও বহুতে অসমীয়া ভাষা দিছো, তদুপৰি যিবিলাকে

অসমীয়া ভাষা নাজানে সিবিলাকেই নিশা স্কুল পাতি অসমীয়া ভাষা শিকিবলৈ ধৰিছে।

গতিকে মহোদয়ে ১৯৪১ চনৰ ছেন্সাচত আমাক অসমীয়া ভাষা-ভাষী আৰু অসমীয়া বুলি ধৰাৰ কাৰণে গোহাৰি জনালোঁ। ইতি..

আবেদনকাৰী প্ৰজাবৃন্দৰ চহী-

১। ৰিয়াজুদ্দিন আহমেদ, সাং ঃ- হাউলী বজাৰ।

২। দাৰগালি সৰকাৰ, সাংঃ-ৰায়পুৰ, লেকেল ৰোৰ্ড মেম্বৰ।

৩। পিয়াৰ উল্লাহ সৰকাৰ ঃ- ভূতপূৰ্ব লোকেল বোৰ্ড মেম্বৰ, সাং মাজগাঁও পল্লাৰপাৰ।

৪। আব্দুল মজিদ খা ঃ-ছেক্ৰেটাৰী কুজাৰপিঠ মাইনৰ স্কুল।

৫। আলী আমজাদ খা ,সাংঃ- বেতবাৰী।

৬। হাবিবুল্লা মুন্সী ,সাংঃ- হাতিদানা দলগাঁও।

৭। দায়মুল্লা সৰকাৰ ,সাংঃ- কলাবাৰী।

৮। আমিৰ আলী সৰকাৰ , সংঃ-ৰায়পুৰ।

৯। কলিমুদ্দিন সেখ পণ্ডিত।

এওঁলোকে অধিক উৎসাহেৰে ৰিয়াজউদ্দিন আহমেদে হাউলী অঞ্চলত, পিয়াৰ উল্লা সৰকাৰে মাজগাঁওত, আব্দুল মজিদ খানে কুজাৰপিঠত, আলী আমজাদ খানে বেতবাৰীত,অসমীয়া মাধ্যমৰ হাইস্কুল প্ৰতিষ্ঠাত নেতৃত্ব বহন কৰে। লগতে হাউলীৰ নুৰ মহম্মদ খানে ১৯২১ চনত হেলাপাকুৰীত অসমীয়া মাধ্যমৰ মোক্তব স্কুল খোলে, ১৯৩১ চনত এম ই মাদ্ৰাছা আৰু ১৯২৭ চনত হাউলী মজলীয়া বিদ্যালয় খনো প্ৰতিষ্ঠা।

"অসমৰ পটভূমি বৰ নগৰৰ ঐতিহ্য" নামৰ গ্ৰন্থত প্ৰয়াত যাদব চন্দ্ৰ দাসে চৰ-চাপৰিৰ জনসাধাৰণৰ বিষয়ে লিখিছে ১৯৩৯ চনত মজিদ খান চাহাবৰ প্ৰচেষ্টাতেই কুজাৰপিঠ মধ্য ইংৰাজী বিদ্যালয়খনো প্ৰতিষ্ঠা হয়। বৰ্তমান হাইস্কুললৈ উন্নতি হৈছে। নতুন পুৰণি তেতিয়াৰ অসমীয়া সমাজখনক সংহতিৰ সেতুৰে সন্মিলীত কৰি জাতীয়তাৰ এক সুঁতিলৈ আনিবলৈ গঠনমূলক কাৰ্য্যসূচীবো উদ্যোগী আছিল মজিদ খান। এশ শতাংশ মূল সুঁতিৰ অসমীয়া হিন্দু অঞ্চলৰ ভৱানীপুৰ হাইস্কুলৰ প্ৰতিষ্ঠাপক সভাপতি আৰু সৰুপেটা হাইস্কুলৰ প্ৰতিষ্ঠাপক কায্যকৰী সদস্যও আছিল তেওঁ। তদুপৰি মজিদ খান চাহাবে বি. এইচ. কলেজ, ভৱানীপুৰ আঞ্চলিক কলেজ আদি অনেক শিক্ষানুষ্ঠানৰ লগতো জড়িত থাকি অসমীয়া ভাষা সাহিত্য সংস্কৃতিৰ প্ৰতি অপৰিসীম অৱদান আগবঢ়াইছিল। আনহাতে নৱম বছৰ ষষ্ঠ সংখ্যা 'অৱাহন' আলোচনীৰ পাতত চৰ-চাপৰিৰ সন্তান মৌলবী বন্দে আলীয়ে অসমীয়া কবিতাৰ মাজেৰেও নিজকে অসমীয়া বুলি পৰিচয় দিছিল ঃ-

"নহও চৰুৱা মই নহও পমুৱা...  
আমিও যে হলো অসমীয়া...  
আসমৰ জলবায়ু অসমৰ ভাষা...  
সকলোৰে সমান ভগীয়া।...  
চেনেহী অসম মাতৃয়ে দিছে স্তন্য ধাৰা...  
আনন্দতে নাচে মোৰ হিয়া...  
গাও আহা সমস্বৰে আমি অসমীয়া...  
নোহো আৰু মৈমন সিঙীয়া...

এনেদৰেই চৰ-চাপৰিৰ মহান ব্যক্তিসকলৰ অসীম প্ৰচেষ্টাত ১৯৩১ চনত ৩৬ শতাংশ থকা অসমীয়া ভাষাই ১৯৫১ চনত ৬২ শতাংশলৈ বৃদ্ধি পায় আৰু দীঘলীয়া পৰাধীনতাৰ পৰা অসমীয়া ভাষাক উদ্ধাৰ কৰে। একেদৰেই বিহুকো ব্যপক ভাবে আদৰি লৈছে। ব'হাগৰ আগমনৰ লগে লগে অসমৰ অন্যান্য অঞ্চলৰ লগতে চৰ-চাপৰিৰ মাজতো বিহুৰ ব্যপক প্ৰস্তুতি চলে। এই ক্ষেত্ৰত পথ-প্ৰদৰ্শক সোনতলী অঞ্চলত ১৯৮৫ চনৰ পৰাই, আলোপতি চৰত ১৯৯০ চনৰ পৰাই, কুজাৰপিঠত আৰু ধুবুৰী জিলাৰ হাটছিঙিমাৰীত ১৯৯৪ চনৰ পৰাই অসমৰ

জাতীয় উৎসৱ বিহু পালন কৰি অসম আৰু অসমীয়া জাতিৰ প্ৰতি একাত্মতা প্ৰকাশ কৰি আহিছে। বৰ্তমান সময়ত কয়াকুছি, কলগাছিয়া, মন্দিয়া আদি চৰ-চাপৰিৰ জনগোষ্ঠিৰ মাজত বিহুৰ কৰ্মশালাও অনুষ্ঠিত কৰি ব্যপক সমাদৰ লাভ কৰিবলৈ সক্ষম হৈছে। অসমীয়া জাতি গঠন প্ৰক্ৰিয়া এনেদৰে ব্যপক সম্প্ৰসাৰণ হৈ থকা সময়তে অসমৰ একাংশ লোকে পূৰ্ব-পৰিকল্পিতভাবে চৰ-চাপৰিবাসীক সন্দেহযুক্ত বাংলাদেশী, বিদেশী আদিৰে অত্যাচাৰ চলাই আহিছে। অথচ এইসকল লোক শতাধিক বছৰ আগতেই অখণ্ড ভাৰতবৰ্ষৰ এখন ৰাজ্যৰ পৰা আন এখন ৰাজ্যলৈ প্ৰব্ৰজন কৰিছিল, তেওঁলোক অহা নাছিল কোনো বিদেশী ৰাষ্ট্ৰৰ পৰা। সাম্প্ৰতিক কালত ডি ভোটাৰৰ নামতো চৰ-চাপৰিৰ লোকসকলৰ ওপৰত চৰকাৰীভাবেই ব্যপক হাৰাশাস্তি কৰা হৈ আছে। আমি আশা কৰো অচিৰেই চৰ-চাপৰিৰ উক্ত সমস্যাবোৰ সমাধান কৰি অসমীয়া জাতি গঠন প্ৰক্ৰিয়া আগবঢ়াই নিয়াত চৰকাৰে আন্তৰিকতা প্ৰদৰ্শন কৰিব।

অসমৰ চৰ-চাপৰিৰ অধিকাংশ লোকেই কৃষিজীৱি। ২০০৩ চনৰ চৰকাৰী তথ্য মতে অসমৰ ১৪ খন জিলাৰ মুঠ ২২৫১ খন গাঁৱৰ সম্মিলিত জনসংখ্যা প্ৰায় ২৫ লাখ। চৰাঞ্চলৰ ৮০.৭ শতাংশ লোক নিৰক্ষৰ। বাকী ১৯.৩ শতাংশ লোকহে স্বাক্ষৰ। এই সমাজ ব্যৱস্থাত অদ্যাপী দেৱানী, মাতাব্বৰ, গাঁওবুঢ়া, মোল্লা-মৌলবী আদিৰ প্ৰভাৱ অধিক। এই সমাজত সংগঠিত কাজিয়া পেচালৰ সমাধান দিয়ে দেৱানী-মাতাব্বৰ সকলে। এনেবোৰ সমস্যা সমাধানৰ নামতো চলে অবাধ ধনৰ লেন-দেন। মুঠতে এতিয়াও চৰাঞ্চলত এক উদ্বেগজনক পৰিবেশ বিৰাজমান।

"ছ'নৰ চাল, কাইশাৰ বেৰা।
ঐডাই হৈলো চৰ পাৰা।"

অসমৰ চৰ-চাপৰিৰ সমাজ খনক চিনাক্তকৰণৰ ক্ষেত্ৰত এনে প্ৰভৃতিৰ ফকৰা-যোজনা সচৰাচৰ ব্যৱহৃত হোৱা দেখা যায়। সাধাৰণতে চৰ-চাপৰিৰ জনগোষ্ঠিৰ লোকে তেওঁলোকে নিৰ্মাণ কৰা ঘৰৰ চাল আৰু বেৰা ছ'ন খেৰ আৰু কহঁৱাৰে নিৰ্মাণ কৰা দেখা যায়। পুৰ্বে ছ'ন খেৰ, কহঁৱাৰে, পাটখৰি আদিৰে নিৰ্মাণ কৰিলেও আজিকালি প্ৰায়বোৰ ঘৰ টিনপাতেৰে নিৰ্মাণ হ'ব ধৰিছে। আজিৰ পৰা ৩০-৪০ বছৰ পূৰ্বে তেওঁলোকে আবাদী মাটিত মৰাপাট, ধানৰ খেতি কৰাৰ উপৰিও ১/২ বিঘা মাটি ছ'ন পেলাই ৰাখি তাৰ পৰা ছ'ন খেৰ (বনজাতীয় ঘাঁহ) আৰু মৰাপাটৰ খৰি ঘৰৰ বেৰা বন্ধা কামত ব্যৱহাৰ কৰি আহিছিল। কিন্তু সেই মান্দাকলীয়া প্ৰথা বৰ্তমান প্ৰায় বিলুপ্ত ঘটিছে।

যৌথ পৰিয়ালৰ সংখ্যাধিক্যৰ চৰ-চাপৰিৰ লোকে বাৰী বা বাসস্থান নিৰ্মান কৰোতে ডেৰ-দুবিঘা মাটি আগুৰি লোৱা দেখা গৈছিল। উক্ত মাটিডবাৰ এটা অংশ খান্দি তাৰে মাটিৰে ওখ ভেটি সদৃশ তৈয়াৰ কৰি বড় ঘৰ (প্ৰধান ঘৰ) উত্তৰৰ ভেটিত দক্ষিণমুৱাকৈ নিৰ্মান কৰাটো তাহানিৰ পৰা প্ৰচলিত। বড় ঘৰত পিতৃ-মাতৃ বা অভিভাৱক থাকি অহাটো এক পৰম্পৰা। তদুপৰি উক্ত গৃহতেই আহাৰ গ্ৰহনৰ বাবে আহল বহল ঠাই ৰখাৰ বিপৰিতে পশ্চিম প্ৰান্তত ধান-চাউল ৰখাটোও অতীতৰ পৰম্পৰা। স্মৰ্তব্য যে চৰ-চাপৰিৰ সমাজ ব্যৱস্থাত বড় ঘৰৰ পশ্চিম দিশত বাঁহ, উত্তৰ দিশত তামোল পান, নাৰিকল গছ ৰোৱে। আনহাতে ৰান্ধনীঘৰ আৰু গোঁহালি গৃহ প্ৰয়োজন মতে বনোৱাৰ লগতে ইষ্ট-কুটুম্ব অৰ্থাৎ আলহী থকাৰ বাবে পৃথকে বাংলা ঘৰ বা কাছাৰী ঘৰ প্ৰতিটো পৰিয়ালতে থকাটো প্ৰায় বাধ্যতামূলক। কৃষি প্ৰধান অঞ্চলবাসীৰ প্ৰতিটো ঘৰৰ আগচোতালৰ এচুকত

খ্যাৰেৰ পালা (খেৰৰ পুজি) থাকে।

চৰ-চাপৰিৰ অধিবাসী সকলৰ অধিকাংশ দৰিদ্ৰ সীমাৰেখাৰ বাসিন্দা হ'লেও তেওঁলোক অতিকৈ অতিথি পৰায়ণ। তেওঁলোকৰ গৃহত কোনো দুৰণি বটীয়া লোক বা আলহী আহিলে কাছাৰী বা বাংলা ঘৰত থাকিব দিয়ে। পৰিয়ালৰ লোক অন্য কোনোৱে গৃহত প্ৰৱেশ কৰাৰ পূৰ্বে জাননী সূচক হিচাপে "মৃদু কাহ" বা "অমুক" ঘৰত আছেনে বুলি মাত দি প্ৰৱেশ কৰে। চৰ-চাপৰিবাসীৰ ঘৰত প্ৰৱেশ কৰিব গ'লে আউলী বেৰ বা বাহিৰ বেৰ অতিক্ৰম কৰি যাব লগীয়া হয়।

চৰ-চাপৰিৰ প্ৰায় পৰিয়ালে গৰু, ছাগলী, ভেৰাৰ লালন পালন নতুবা পৰিয়ালটোৰ কাম কাজত সহায়কৰ বাবে দৰমহা দি এগৰাকী 'ৰাখাল' (লিগিৰি) ৰাখি আহিছিল। ধলপুৱাতে ৰাখাল গৰাকীয়ে টোপনীৰ পৰা উঠি গোঁহালী গৃহৰ পৰা গৰু-ছাগলী বাহিৰ উলিয়াই আওলা গৃহত বান্ধি ঘাঁহ, খেৰ, দানা পানী খুৱাবলগীয়া কাৰ্য কৰিবলগীয়া হৈছিল। সম্প্ৰতি চৰ-চাপৰিৰ সমাজ ব্যৱস্থাত ৰাখাল ৰখা আৰু থকা ব্যৱস্থা বিলুপ্তি ঘটিছে। নৱৈৰ দশকৰ পিছৰে পৰা এনে দাসত্ব বৃত্তি ক্ৰমশঃবিলুপ্ত হ'ব দৰে। অৱশ্যে ইয়াৰ অন্তৰালত অৰ্থনৈতিক দিশ জড়িত আছে।সমাজৰ অৰ্থনৈতিক দিশত দুৰ্বল শ্ৰেণীৰ লোকে অসম তথা দেশৰ চহৰ-নগৰত ক্ষুদ্ৰ ব্যৱসায় নতুবা দিন হাজিৰা কৰি অধিক উপাৰ্জন কৰাৰ সুযোগ পোৱাৰ বাবে ক্ৰমাৎ চহৰমুখী হ'ব ধৰে চৰুৱা, যাৰ বাবেই ক্ৰমশঃ ৰাখাল প্ৰথাৰ বিলুপ্তি ঘটিল।

শিক্ষা-দীক্ষাত পিছপৰা চৰ-চাপৰি সমাজত পূৰ্বৰে পৰা "জাগীৰ বা জায়গীৰ" ৰখা প্ৰথা আছিল। শিক্ষানুৰাগী সকলে ঘৰৰ পৰা বহু দূৰৈত থকা বিদ্যালয়ত অধ্যায়নৰ বাবে লোকৰ ঘৰত থকি লিখা-পঢ়া কৰিব লগা হোৱা প্ৰথাকে জাগীৰ বা জায়গীৰ প্ৰথা বুলি কোৱা হয়। বৰ্তমান সময়ত চৰ-চাপৰি অঞ্চলত কম পৰিমানে হ'লেও স্কুল-কলেজ স্থাপন হোৱাত জাগীৰ বা জায়গীৰ কমি আহিছে।

চৰ-চাপৰি বা অনান্য অঞ্চলত বসবাস কৰা বঙ্গীয়মূলৰ মুছলমান সকলৰ অধিকাংশই কৃষিজীৱি। দক্ষিণ পূব এছিয়া মহাদেশৰ ভিতৰত অতি কৰ্মঠ জনগোষ্ঠী হিচাপে স্বীকৃত বঙ্গীয়মূলৰ মুছলমান সকলে কামক ভয় নকৰে। ৰ'দ-বৰষুণ নেওচি তেওঁলোকে কাম কৰিব পাৰে, তাত দ্বিধা নাই। জনগোষ্ঠীটোৰ লোকে ঘৰ-বাৰী বনোৱাৰ সময়ত "পশ্চিমে বাঁশ, পূবে, বেত, উত্তৰে পাণ-তামোল আৰু

দক্ষিণে খেত" প্ৰবাদ বাক্যক অনুসৰণ কৰে। চৰ-চাপৰিৰ জনগোষ্ঠীয় লোকে নিজৰ পালান (বাৰী)ত ৰোপন কৰা লাউ, কোমোৰা, জিকা, আলু, ভেন্দী, জলকীয়া, আদা, নহৰু, হালদি আদি খাদ্যৰ উপকৰণ হিচাপে ব্যৱহাৰ কৰে। আনহাতে নিজ ঘৰৰ পুখুৰী, ৰাজহুৱা বিল, নদী আদিৰ মাছ খায়। তদুপৰি ঘৰতে পালন কৰা হাঁহ-কুকুৰা, ছাগলী-ভেড়া, পাৰৰ মাংস আদিও খাদ্য হিচাপে ব্যৱহাৰ কৰে। নিজ ঘৰৰ খৰচৰ বাবে প্ৰয়োজনীয় খিনি ৰাখি অতিৰিক্ত ধান-চাউল, শাক-পাচলি, মাছ, হাঁহ-কুকুৰা আদি হাট-বজাৰত বিক্ৰী কৰি নিজৰ অভাৱ পূৰণ কৰে অথবা ধন বাহি কৰে।

ব্ৰহ্মপুত্ৰ আৰু ইয়াৰ উপনৈ সমূহৰ বান আৰু খহনীয়া সমস্যা চৰ-চাপৰিৰ লোক সকলৰ বাবে এক অভিশাপ সদৃশ। নদীৰ খহনীয়াই আঢ্যৱন্ত গৃহস্থক কঙাল দুখীলৈ ৰূপান্তৰিতকৰণৰ ধাৰা দীৰ্ঘদিনীয়া। নদীৰ খহনীয়াত নিজৰ ঘৰ-বাৰী, মাটি-ভেটি হেৰুৱাই সৰ্বসান্ত হোৱা লোক সকলে ক'ত আৰু কেনেকুৱা পৰিস্থিতিত থাকি জীৱিকানিৰ্বাহ কৰি আহিছে, সেয়া অনুধাৱন কৰা

উচিত। নদীৰ খহনীয়াত সকলো হেৰুওৱা লোক সকলে অন্ন-বস্ত্ৰ-বাসস্থানৰ তাগিদাত চহৰ নগৰলৈ গৈ ৰাজমিস্ত্ৰী, কাঠমিস্ত্ৰী, শ্ৰমিক আদি কামত নিয়োজিত হ'ব লগাত পৰিছে। চহৰ নগৰৰ হোটেল-ৰেষ্টুৰেণ্টত বাচন-বৰ্তন ধোৱা, দিন হাজিৰা, মিস্ত্ৰীৰ যোগালি, গেৰেজত কাম কৰা, ড্ৰাইভাৰ, হেন্দিমেন আদিত নিয়োজিতসকলক সন্দেহযুক্ত বিদেশী বুলি বা আজিকালি বাংলাদেশী বুলি ইতিকিং কৰিবলৈ কুণ্ঠাবোধ নকৰে। কিন্তু এচাম ভণ্ড তথাকথিত জাতীয়তাবাদী সকলৰ অপবাদ নেওঁচি তেওঁলোকে সন্মুখৰ পিনে আগুৱাই গৈ আছে।

চৰ-চাপৰিৰ বংগীয় মূলৰ মুছলমান সকলৰ অৰ্থনীতিৰ মূল ভেটি কৃষি, যদিও জনগোষ্ঠীটোৰ অধিকাংশই কুটিৰ শিল্পৰ লগত জড়িত। দিনৰ কাম সম্পন্ন কৰি পুৰুষ সকলে নিশাৰ আহাৰ গ্ৰহণ কৰি বাঁহ-বেতৰ সামগ্ৰী যেনে- খৰাহি, পাচি,(থলুৱা ভাষাত হাঝি),খাঁলৈ, জাপি, চংগ (জখলা) গৰু বন্ধা খুঁটা, নৰি(বাহৰ ডাং), ঢাৰি, মৰাপাটৰ আহেৰে আইতা (ৰচী), বিভিন্ন ধৰণৰ মাছ মৰা জাল, তৰ্জাৰ বেৰা আদি তৈয়াৰ কৰা দেখা যায়। ইয়াৰে কিছুমান ঘৰুৱা কামত ব্যৱহাৰৰ উপৰি বাহি হোৱা খিনি হাট বজাৰত বিক্ৰী কৰি পোৱা ধনৰাশি ঘৰৰ অন্যান্য লাগতিয়াল খা-খৰচত ব্যৱহাৰ কৰে। জনগোষ্ঠীটোৰ মহিলা সকলেও আজৰি সময়ত ৰুমাল, টেবুল ক্লথ, বিচনী, চালনী, ওলৰ সুতাৰে ছুৱেটাৰ, মাফলাৰ, ফটাছিঙা শাড়ী-লুঙিৰে খ্যাতা (কাঁথা) চিলাই কৰি কৰ্মনিপুণতাৰ পৰিচয় দিয়ে। মৰাপাটৰ আঁহেৰে তেওঁলোকে "শিকিয়া" তৈয়াৰ কৰি তাত বাচন বৰ্তন, বটল আদি সা-সামগ্ৰী সুন্দৰ কৈ সজাই ৰাখে। অৱশ্যে মহিলা সকলে ঘৰতে তৈয়াৰ কৰা এনে সামগ্ৰী বজাৰত বিক্ৰী কৰি একাংশ আৰ্থিক দিশত স্বাৱলম্বী হোৱাও দেখা গৈছে। দুখৰ বিষয় যে বৰ্তমান বজাৰত প্লাষ্টিক, ষ্টীল, কাঁচৰ আজবাবৰ প্ৰচলন ঘটাত চৰ-চাপৰিৰ মহিলা সকলৰ দ্বাৰা তৈয়াৰীকৃত বস্তুৰ চাহিদা কমি গৈছে।

চৰ-চাপৰিৰ লোক সকল অত্যন্ত পৰিশ্ৰমী। ধল পুৱাতে ফজৰৰ নামাজৰ আজানৰ "আচ্ছলাতুল খায়ৰুম মিনান্ নাউম (টোপনিতকৈ এবদত শ্ৰেষ্ঠ) শব্দত সাৰ পাই উঠা লোকসকলে পান্তা (পইতা) ভাত বা কৰ্কৰা ভাত খাই কান্ধত নাঙল-যুৱলি লৈ পথাৰলৈ যায়। আনহাতে ঘৰৰ মহিলা সকলেও কাউৰীৰ "কা কা" শব্দ শুনাৰ পূৰ্বে শোৱা পাটি ত্যাগ কৰি পোৱা মাটি, কয়লা,টুথপেষ্ট আদিৰে দাঁত মঞ্জন কৰি চৌকাৰ ছাই পেলোৱা, ঝাৰুৰে ঘৰ-চোতাল ছাফা কৰা, বাচন বৰ্তন ধোৱা, ঘৰ মছা আদি কাৰ্যৰে দিনটোৰ কামৰ শুভাৰম্ভ কৰে। গোহালী গৃহৰ গোবৰ পেলোৱা, গৰু-ছাগলীক বাহিৰলৈ উলিয়াই দানা-পানীৰ যোগান ধৰা, লৰা ছোৱালীৰ আলপৈচান ধৰা, পৰিয়ালৰ সমুদায় সদস্যৰ বাবে খাদ্য প্ৰস্তুত কৰা কাৰ্যত নিয়োজিত থাকি ওৰে দিনটো পাৰ কৰিবলগীয়া হয়। দেহৰ যতন নতুবা সৌন্দৰ্য চৰ্চা কৰিবলৈ চৰ-চাপৰিৰ মহিলাসকলে সময় নাপায় বুলিয়েই কব পৰা যায়।

সেই ঠাইডোখৰৰ পৰিৱেশ আৰু আৰ্থিক স্বচ্ছলতা আদিৰ ওপৰত মানুহৰ দৈনন্দিন খাদ্যভাস ভালেখিনি নিৰ্ভৰ কৰে। চৰ-চাপৰি অঞ্চলত ধানৰ উৎপাদন অধিক হোৱাত ভাতেই চৰ-চাপৰিৰ সমাজৰ মূল খাদ্য। অৰ্থনৈতিক দিশত দুৰ্বল লোক সকলে ৰাতিপুৱা উঠিয়েই ঠাণ্ডাৰ দিনত কৰকৰা ভাত (জকৰা ভাত), গৰমৰ দিনত পান্তা বা পইতা ভাত, মুৰি, খৈ, চিৰা, গম ধানৰ ছাতুগুৰি আদি খাইয়েই কৃষি কৰ্মত লিপ্ত হয়। তদুপৰি পুৱা ৮ - ১০ বজাত ভাত, খিচিৰি, ৰুটি, একেদৰে দুপুৰীয়াৰ পাছত এসাঁজ ভাত খোৱা দেখা যায়। অৱশ্যে

আজিকালি চৰাঞ্চলতো পুৱাৰ ভাগত চাহ খোৱাৰ প্ৰচলন পৰিলক্ষিত হয়।

আলু, বেঙেনাৰ ভত্থাৰে (পিটিকা) ৰাতিপুৱাৰ ভাগত নতুবা দুপৰীয়াৰ ভাগত চৰ-চাপৰিবাসীয়ে তৃপ্তি পায়। তদুপৰি খুদৰ ভাত (ভঙা চাউলৰ ভাত), মাছৰ পিটিকা, শাক আদিৰেও খাই ভাল পায়। বথুৱা শাক, নেটাপেটা শাক, কলমৌৰ শাকেৰে ভাত খোৱাৰ সময়ত পকা শুকান জলকীয়া কামুৰি খাই বৰ তৃপ্তি পায় চৰ-চাপৰিৰ লোকসকলে। মাছ-মাংস নাথাকিলে শুকান মাছ , নতুবা মচুৰ, মাটিমাহ, খেচাৰী আদিৰ ডাইল খায়। গৰৈ মাছৰ লগত পানীলাও, বেঙেনা, মাংসৰ লগত চাল কোমোৰাৰে তৰকাৰী বনাই খাই তৃপ্তি পায়। বছৰটোৰ নানা সময়ত জনগোষ্ঠীটোৱে ভিন্ন প্ৰকাৰৰ খাদ্য পিঠাপনা আদি খোৱা দেখা যায়। চ'ত-বহাগত গমধানৰ আটাৰ ৰুটি ছাতুগুৰি, আহাৰ মাহত আম-কঠাল, ভাদ মাহত তালৰ পিঠা,আঘোন-পুহ মাহত বড় পিঠা (টেকেলি পিঠা), চিতৈপিঠা, দুগ্ধৰ পিঠা, কুলি পিঠা(ভাজা কলি, সিদ্ধ কুলি), সংশেৰ পিঠা, উৎসৱ পাৰ্বণ বা বিয়া সবাহত পায়স, খীৰ(নাস্তা), পোলাও, লাড়ু, তেলৰ পিঠা, পাহুন পিঠা আদি খায় চৰ-চাপৰিবাসীয়ে।

চৰ-চাপৰিৰ মুছলমান সমাজত সাজ-পোছাকত এক সুকীয়া বৈশিষ্ট্য থকা দেখা যায়। সাধাৰণতে পুৰুষে ঘৰুৱা পৰিবেশত লুংগী, গেঞ্জি, আণ্ডাৰপেন, পায়জামা, পানজাবী, শ্বাৰ্ট আদি পিন্ধে। লোকগোষ্ঠীটোৰ সৰু-ডাঙৰ সকলোৱে ঘৰুৱা পৰিবেশত লুংগি-গামোছা আদি পিন্ধি ভাল পায়। আনহাতে সামাজিক অনুষ্ঠান বিয়া, ধৰ্মসভা, বিচাৰ ব্যৱস্থা, ঈদ আদিত উন্নত মানৰ লুঙী পিন্ধি আনন্দ পায়। এওঁলোকৰ আত্মীয়স্বজন সকলেও লুঙী, গেঞ্জি পাঞ্জাবীৰ কাপোৰ আদি উপহাৰ স্বৰূপে দিয়ে। আজিকালি অৱশ্যে লংপেন্ট-চাৰ্টৰ কপোৰ ,টি চাৰ্ট আদিও প্ৰদান কৰা দেখা যায়। অৱশ্যে বতামানৰ সমাজ ব্যৱস্থাত লংপেন্ট-চাৰ্ট, ট্ৰাউজাৰ, পায়জামা পিন্ধে। ধৰ্মীয় অনুষ্ঠান, উৎসৱ পৰ্বণত পুৰুষে পায়জামা পাঞ্জাবী, টুপি, ডিঙিত গামোছা পিন্ধে। আনহাতে জাৰকালিত অতিৰিক্ত ভাবে ছুৱেটাৰ, চাদৰ মাফলাৰ, জেকেট, মূৰ আৰু ডিঙি ঢাকি থকা টুপি আদি পিন্ধা দেখা যায়। চৰ-চাপৰিৰ মুছলমান মহিলাই সাধাৰণতে শাৰী, ব্লাউজ, পেটিকোৰ্ট (ছাএা), ফ্ৰক, ছেলোৱাৰ কামিজ, ওৰণি আদি ব্যৱহাৰ কৰে। বৃদ্ধা মহিলাই (স্বামীৰ মৃত্যুৰ পিছত) বগা আৰু অনাৰঙীন শাৰী কাপোৰ পৰিধান কৰে।

অলংকাৰে নাৰীক সুশোভিত কৰাৰ উপৰি সৌন্দৰ্য বৃদ্ধি কৰে। অতীজৰে পৰা প্ৰচলিত অলংকাৰ বিপদ-আপদ আৰু ভৱিষ্যতৰ সম্বল বুলিও নাৰী সমাজত প্ৰচলিত। চৰ-চাপৰিৰ মুছলমান সমাজত মহিলাই অনেক ধৰণৰ গহণা পিন্ধা দেখা যায়। ইয়াৰ ভিতৰত নাকত পালিশপাত, বুল্লাক, এছ, তৰা, নাকঠাসা, চুংগী, পাণ আদি। কাণত মাৰকি, ফুল, পদ্মা, বালা, দোল পাশা, জোমকা আদি। হাতত শাখা, বিউটি, পালা, ৰুলি, চুৰি, বয়লা, মুঠি খাৰু, ব্ৰেছলেট, বালা আদি। হাতৰ বাহুত কাটাবাজু, বিজঠা,অনন্ত আদি। ডিঙিত হাৰ, মালা, তাৰাখুটি, হাসলি, আধুলি চাবৰা, শিকি চাবৰা আদি। ককালত মাঞ্জাহাৰ, পাণাহাৰ, কেকৰ বিছা, বিছা আদি। আঙুলিত আংঠি, কপালত সিন্নি পাটি আদি। এই সমুদায় গহনাৰ অধিকাংশই সোণৰ দ্বাৰা নিৰ্মিত। অৱশ্যে কোমৰ আৰু ভৰিত পিন্ধা অলংকাৰবোৰৰ অধিকাংশই ৰূপেৰে তৈয়াৰ কৰা হয়।

চৰ-চাপৰিৰ কৃষি কেন্দ্ৰিক সমাজ ব্যৱস্থাত অতীজৰে পৰাই বিভিন্ন খেল-ধেমালীৰ প্ৰচলন

আছে। ব্ৰহ্মপুত্ৰ আৰু ইয়াৰ উপনৈৰ পানী আৰু সমতল ভূমিত চৰ-চাপৰিৰ লৰা-ছোৱালী তথা যুৱক-যুৱতীয়ে পৰম্পৰাগত খেল-ধেমালীৰ দ্বাৰা দেহ মন সবল কৰি ৰাখি আহিছে। চৰ-চাপৰিৰ মুছলমান সম্প্ৰদায়ৰ শিশুৱে খেলি থকা পৰম্পৰাগত খেলৰ ভিতৰত টংকীবাৰী, গোল্লাখেল, ছিবা ছাওছি খেল, লাটুম খেল, কচুগুটি খেল, জুলংগী খেল, লৱনদাৰী, পাছ্বা গুটি, ছুনৰি খেল, আপ্পন-জাপ্পন, কাইয়া-কাউৰী, পলান্তি(লুকা-ভাকু), জাট্টীখেল, মাৰ্বল খেল, কুত-কুত, চোৰ-পুলিচ খেল, হা-ডু-ডু, বান্দৰ-বান্দৰ খেল, মইল খেল, ছাগলদাৰী খেল, চকু বন্ধা খেল, দিয়াচলাইৰ খাপ খেল আদিয়েই প্ৰধান। তদুপৰি যুৱক-যুৱতীৰ মাজত সঁতোৰা, হা-ডু-ডু, লাঠিবাৰী খেল, নাওখেল আদি খেলৰ দ্বাৰা সংস্কৃতি ধৰি ৰখাৰ প্ৰয়াস কৰি আছে।

চৰ-চাপৰিৰ মুছলমান জনগোষ্ঠীয়ে জন্মৰ পৰা মৃত্যুলৈকে অনেক নীতি-নিয়মৰ মাজেৰে দিন অতিবাহিত কৰে। নিৰাকাৰ আল্লাহক উপাসনা কৰি পৰকালৰ সম্বল যোগানৰ উপৰিও দৈনন্দিন জীৱনত হোৱা ভুলভ্ৰান্তিৰ বাবে নিতৌ পাচ ৱাক্ত নামাজ ক্ৰমে- ফজৰ, জহৰ, আছৰ, মাগৰিব আৰু ঈশাৰ নামাজ আদায় কৰি আল্লাহৰ ওচৰত প্ৰাৰ্থনা কৰে। আল্লাহৰ বাণী লিপিবদ্ধ ধৰ্মগ্ৰন্থ 'কোৰআন শ্বৰীফ' আৰু ৰছুলৰ বাণী লিপিবদ্ধ 'হাদিছ শ্বৰীফ' মানি চলা মুছলমান লোকে পাঁচ ৱাক্ত নামাজৰ উপৰিও প্ৰতিটো শুক্ৰবাৰে মছজিদত গৈ "জুম্মাৰ" নামাজ পৰাটো বঞ্ছনীয়। উচ্চ-নীচৰ ভেদাভেদ বিচাৰ নকৰা এই লোকসমাজত বাদশ্বাহেওঁ ফকিৰৰ পিছত থিয় হৈ নামাজ আদায় কৰাত আপত্তি নাই। মুছলমান লোকসমাজে ইছলামী চন্দ্ৰমাহ মানি চলে, আৰু তেওঁলোকৰ সমূহীয়া ধৰ্মীয় উৎসৱ সমূহ চন্দ্ৰ উদয়ৰ লগত সম্পৰ্কিত। ইছলামীয় মাহ 'ৰমজান' ত্ৰিশ দিনেই ৰোজা (উপবাস) আৰু শাওয়াল মাহৰ পহিলা তাৰিখত 'ঈদুল ফিতৰ' উৎসৱ পালন কৰে। নিৰ্দিষ্ট স্থানত থকা "ঈদগাহ ময়দানত" ঈদৰ নামাজ আদায় কৰাৰ লগতে ঈদ উল ফিতৰত তেওঁলোকে ফিৎৰাহৰ ধন গৰীৱ-দুখীয়াক দান দিয়াৰ জৰিয়তেআদায় দিয়ে। সমাজৰ স্বচ্ছল লোকে দৰিদ্ৰক ফিৎৰা আদায় দি ঈদৰ নামাজ আদায় কৰাটো বাধ্যতামূলক। তদুপৰি সিদিনা দুখীয়া লোকেও যাতে আনন্দৰ দিনত লৰা-ছোৱালীক নতুন কাপোৰ পৰিধান কৰোৱাৰ উপৰিও মিঠাজাতীয় খীৰ, নাস্তা, পায়স, চেৱাই আদি খুৱাই আনন্দ উপভোগ কৰিব পাৰে, তাৰ প্ৰতি লক্ষ্য ৰখা দেখা যায়। আনন্দৰ দিনা ৰাতিপুৱা গা-পা ধুই মা-দেউতা, ককাইদেউ, আতা-আবু আৰ্থাৎ সকলে ডাঙৰক সেৱা কৰি ঈদৰ নামাজ আদায় কৰিবলৈ যায়। তদুপৰি নামাজৰ অন্তত বন্ধু-বান্ধৱৰ ঘৰত গৈ আনন্দ ফুৰ্তিৰে দিন পাৰ কৰে। উল্লেখ্য যে ৰমজান মাহৰ ২৭ তাৰিখ "শ্ববে কদৰ" পালন অৰ্থাৎ এই ৰাতি অইন দিনৰ এবাদততকৈ শ্ৰেয় বুলি হাদিছত বৰ্ণিত আছে। ইছলামীয়া 'জিলহজ্জ' মাহৰ ১০ তাৰিখে বিশ্বৰ সৰ্বপ্ৰান্তৰ লগতে চৰ-চাপৰিৰ মুছলমানেও "ঈদুল আজহা" পালন কৰে। ঈদুল ফিতৰৰ দৰে ঈদুল আজহাৰ দিনাও ঈদগাহ ময়দানত গৈ নামাজ আদায়ৰ নিয়ম। স্মৰ্তব্য যে এই নামাজৰ অন্তত উট, দুম্বা, গৰু, ছাগলী, ভেৰা আদি নিখুত জন্তুক "কোৰবাণী" কৰি গঞাঁৰ মাজত বিতৰণ কৰে।

ইছলামীয় মাহ শ্বাবানৰ ১৪ দিন পাৰ কৰি ১৫ তাৰিখত "শ্বাবে বৰাত"পালন কৰাৰ লগতে বিশ্ব নবী হজৰত মহম্মদৰ জন্ম আৰু মৃত্যু দিৱসটোক ফাতেহা-ই- দোৱাজ-দাহম হিচাপে চৰ-চাপৰিৰ সমাজ ব্যৱস্থাত পালন কৰা দেখা যায়।

চৰ-চাপৰিৰ জীৱন যাত্ৰাত সকলে

ডাঙৰক শ্ৰদ্ধা আৰু ডাঙৰে সৰুক মৰম-চেনেহ কৰি অতিবাহিত কৰে। জনগোষ্ঠীটোৰ ইজনৰ লগত সিজনৰ দেখা দেখি হলে দূৰৰ পৰাই চকুত চকু মিলাই ছালাম অথাৎ আচ্ছালামু আলাইকুম দিয়ে আৰু প্ৰতি উত্তৰত আনজনে "ওৱালাইকুম ওৱাচ্ছালাম" প্ৰদান কৰে। দুয়োগৰাকীৰ ওপৰতেই শান্তি বৰ্ষিত হওঁক বুলি কামনা কৰা প্ৰথাক ছালাম প্ৰথা বুলি জনা যায়। উল্লেখ্য যে, ছালাম প্ৰথাৰ লগত "হাত মুছাফা" কৰাটো জড়িত। অৰ্থাৎ দুয়োগৰাকিয়েই ছালাম কৰাৰ অন্তত দুয়োজনৰ সোঁ-হাতেৰে কৰমৰ্দন কৰাকেই মুছাফা বুজায়। তদুপৰি দীঘলীয়া দিনৰ অন্তত নতুবা বিশেষ মুহূৰ্ত সমূহত পুৰুষে-পুৰুষক সাক্ষাৎ পোৱাৰ পিছত পৰস্পৰে পৰস্পৰৰ বাহুৰে আকোঁৱালি ধৰি বুকুত-বুকু মিলাই কোলা কুলি কৰা দেখা যায়।

অসমৰ চৰ-চাপৰিৰ মুছলমান সমাজত পিতৃ-মাতৃ, গুৰুজনৰ ভৰিত চুই সেৱা কৰি দোৱা বা আশিৰ্বাদ বিচৰা কাৰ্যক 'সেলাম প্ৰথা' বুলি জনা যায়। শ্ৰদ্ধা আৰু ভক্তিৰ ভাৱ ছেলাম প্ৰথাত অধিক।

মানুহৰ সৃষ্টি হৈছে মাতৃগৰ্ভত আৰু ই পৰম করুণাময় আল্লাহ-তালাহৰ দ্বাৰা নিয়ন্ত্ৰিত বুলি চৰ-চাপৰিৰ সমাজ ব্যৱস্থাত বহুতে বিশ্বাস কৰি আহিছে। চৰ-চাপৰিৰ নাৰীয়ে ১০ মাহ ১০ দিন গৰ্ভত সন্তান ৰখা সময়ছোৱাত অনেক নিয়ম-কানুন মানি চলা দেখা যায়। বিশেষকৈ খোৱা-বোৱা, চলন-ফুৰন আদিত একাধিক নিয়ম কানুন মানি দিবা-নিশা পাৰ কৰে। চন্দ্ৰ বা সূৰ্য্য গ্ৰহণৰ সময়ত গৰ্ভৱতী মহিলাই আহাৰ গ্ৰহণ নকৰে আৰু শুই নাথাকে। চন্দ্ৰ গ্ৰহণ বা সূৰ্য্য গ্ৰহণৰ সময়ত আহাৰ খালে গৰ্ভস্থ সন্তানৰ অঙ্গক্ষয় হয় বুলি পৰম্পৰাগত লোক বিশ্বাসত প্ৰকাশ। অৱশ্যে গৰ্ভৱতী মহিলাৰ সমজোখৰ মৰাপাটৰ খৰি বেৰত গুজি থৈ খোৱা-বোৱা আনকি যিকোনো কাম কৰিলেও গৰ্ভস্থ সন্তানৰ কোনো ক্ষতি নহয় বুলিও বিশ্বাস কৰি আহিছে। তদুপৰি গৰ্ভৱতী মহিলাই একেটা কাৰণতেই ডাঙৰ মাছ, পানী লাও, চাল কোমোৰা, ঘৰচীয়া মুৰ্গী আদিও কটাৰ পৰা বিৰত থাকে।

গৰ্ভৱতী মহিলাৰ সপ্তম-অষ্টম মাহত ঘৰখনৰ মহিলাই গাখীৰ আৰু চেনী বা গুৰ দ্বাৰা চাউলৰ গুড়িৰে "চেৰৈপিঠা" তৈয়াৰ কৰি সকলোৰে ভগাই খাই তৃপ্তি লাভ কৰে। চৰ-চাপৰিৰ পূৰ্ববংগীয় মুছলমান সমাজত 'বিধৱা বা বৃদ্ধাৰ'ব্যতিৰেকে যমজ কল, পাণ, তামোল আদি ফলমূল অন্য মহিলাই নাখায়। কাৰণ মহিলাই এনে বস্তু খালে হেনো তেনে মহিলাৰ 'যমজ সন্তান' হয় বুলি বিশ্বাস কৰি আহিছে। জনগোষ্ঠীটোৰ মহিলাই প্ৰসৱ বেদনাৰ সময়ত গাঁৱলীয়া ধাইৰ সহায় লয়, সম্প্ৰতিও চিকিৎসা বিজ্ঞানে চৰাঞ্চলত প্ৰভাৱ বিস্তাৰ কৰিব নোৱাৰাত চিকিৎসালয়ৰ সলনি ঘৰতে সন্তান প্ৰসৱ কৰিব লগা হৈ আছে। মহিলাই প্ৰসৱ কৰা সন্তান 'পুত্ৰ' হলে গাঁওলীয়া মৌলবী বা অন্য পৰুষৰ দ্বাৰা চোতালত থিয় দি পশ্চিম ফালে মুখ কৰি আজান দিয়ে। শিশুৰ কাণত আজানৰ শব্দ গলে হেনো সন্তান সৎ চৰিত্ৰ আৰু ধাৰ্মিক হয় বুলি লোক বিশ্বাস আছিল। উল্লেখ্য যে কন্যা সন্তান হলে আজান দিয়াৰ পৰিৱৰ্তে কোৰআনৰ আয়াত পঢ়ি সন্তানৰ কাণত ফুৰাই দিয়ে। কোনো কোনো অঞ্চলত কন্যা সন্তান হলে ঘৰৰ চালে-বেৰে লাঠিৰে কোবায় বুলিও শুনা যায়।

সন্তান জন্মৰ পিছত যাতে ভূত-প্ৰেতৰ দৃষ্টি নপৰে, তাৰ প্ৰতি লক্ষ্য ৰাখি প্ৰসৱ হোৱা কোঠালীৰ দৰ্জাৰ সন্মুখত বগৰী গছৰ ডাল, গৰুৰ হাড়, ঝাৰু আদি আঁৰি ৰখা দেখা যায়। আনহাতে সন্তানৰ মূৰৰ ফালে দা, কটাৰী ৰখাৰ উপৰিও ঘৰৰ ভিতৰত খৰি, ধানৰ তুঁহ আদিৰে হাঞ্জাল(জুই) জ্বলাই ৰখা দেখা যায়। দিন বা ৰাতি কোনোবা লোকে

সন্তান জন্ম হোৱা ঘৰত প্ৰৱেশ কৰিব বিচাৰিলে উক্ত জুইত হাত ভৰি গৰম কৰি ভিতৰলৈ যাব লাগে এতিয়াও বহু ঠাইত নিয়ম আছে।

সন্তান জন্ম হোৱাৰ সপ্তম দিনা উদযাপিত অনুষ্ঠানক 'হাটুৱা অনুষ্ঠান' বা সাত পাহাৰি অনুষ্ঠান বুলি কোৱা হয়। সিদিনা প্ৰসৱ হোৱা মহিলা গৰাকীয়ে ভালদৰে গা-পা ধুই ছাপ-চিকুণ হোৱাৰ উপৰিও মহিলাগৰাকীৰ কাপোৰ কানিও ধোৱা হয়। তদুপৰি সন্তান প্ৰসৱ কৰা গৃহটোও সৰা মছা কৰে। উল্লেখ্য যে সন্তানৰ ভাগ্য নিৰ্ণয়ৰ নিশা বুলি গণ্য কৰা ষষ্ঠম নিশাত সন্তানৰ মূৰৰ কাষত কাগজ, কলম, অভিধান,ধান, দুবৰিবন, হালধি, নাঙল, যুৱলি আদি ৰাখি মাতৃ আৰু ঘৰটোত থকা চাউনী (ধাই)য়ে উৰে নিশা উজাগৰে থাকে। আনহাতে নিশা পাৰ হলেই মুৰ্গী, হাঁহ, আদি কাটি আত্মীয়-স্বজনক এসাঁজ খুৱায়। স্মৰ্তব্য যে হাটুৱা অনুষ্ঠানতেই 'চাউনি' গৰাকীক সামৰ্থ অনুযায়ী শাৰী, কাপোৰ আদি উপহাৰ দি সন্মানিত কৰাও দেখা যায়।

সন্তানৰ জীৱনৰ বিনিময়ত পোহনীয়া জন্তু উৎসৰ্গা কৰা অনুষ্ঠানক থলুৱা ভাষাত আকিতা(আকিকা) বুলি জনা যায়। সন্তান গৰাকীৰ অদূৰ ভৱিষ্যতে যাতে অপায়-অমঙ্গল বা বাধা বিঘিনি নঘটে তা বাবে জন্মৰ ২১ দিনত নিখুঁত গৰু, ছাগলী কাটি ৰাইজৰ মাজত মাংস বিলাই দিয়া হয়। অৱশ্যে অক্ষম পিতৃ-মাতৃয়ে সন্তানৰ আকিকা নিৰ্দিষ্ট সময়ত কৰিব নোৱাৰিলে সন্তান গৰাকী ডাঙৰ দীঘল হোৱাৰ পিছতো "আকিকা" কৰিব পাৰে। আনহাতে নিজৰ আকিকা নিজেও কৰিব পাৰে। ইয়ে পৰকালত পিতা-পুত্ৰৰ চিনাকি দিয়ে বুলিও বহুতে বিশ্বাস কৰি আহিছে। উল্লেখ্য যে কোনো কোনো অঞ্চলত এই আকিকা অনুষ্ঠানতেই সন্তানৰ নামাকৰণ কৰে। তদুপৰি সন্তানৰ নাড়ি কটাৰ সময়ত ধাইয়ে ৰখা নামটোৰ দ্বাৰাও সন্তানগৰাকী পৰিচিত হয়।

পুত্ৰ সন্তানৰ জীৱনৰ এটি গুৰুত্বপূৰ্ণ অনুষ্ঠান হিচাপে ছুন্নতকৰণ বা মুছলমানী পৰ্বক বিবেচনা কৰা হয়। সাধাৰণতে পুত্ৰ সন্তানৰ ৫-৬ বছৰ বয়সত ছুন্নতকৰণ অৰ্থাৎ পুৰুষাঙ্গৰ আগফালে থকা বৰ্দ্ধিত ছাল থলুৱা ভাষাত হাজাম, বা খৰগুৰ দ্বাৰা কাটি কাপোৰ পুৰি বান্ধি দিয়া হয়। এই ছাল ছেদন কৰাৰ সময়ত হাজামে শিশুটোৰ মনস্ক অন্য দিশত নিয়াৰ বাবে ইছলাম ধৰ্মৰ স্তম্ভ- কালেমা তৈয়ৱা নতুবা, ইটো-সিটো প্ৰশ্ন কৰি থকা দেখা যায়। বিজ্ঞান সন্মত এই "খাতনা"কাৰ্য বৰ্তমান যুগত শৈল্য চিকিৎসকৰ দ্বাৰা চিকিৎসালয়ত কৰাও দেখা যায়। সন্তানৰ সুন্নতকৰণক কেন্দ্ৰ কৰি চৰ-চাপৰিৰ মুছলমান সমাজ ব্যৱস্থাত এক উৎসৱমুখৰ অনুষ্ঠান পতা দেখা যায়। খাতনা কাৰ্য সম্পন্ন কৰা ৭-৮ দিন পিছত ল'ৰাজনক ভলদৰে গা ধুৱাই কৰা কাৰ্যটোক কোনো কোনো অঞ্চলত "ধোৱানি"বুলি কয়। ছেদন কৰাৰ দিনা নতুবা গা ধুওৱাৰ দিনা প্ৰতিবেশী, আত্মীয়স্বজনক নিমন্ত্ৰণ কৰি এসাঁজ আহাৰ খুওৱা দেখা যায়। নিমন্ত্ৰণ খাবলৈ অহা অতিথি লোকেও শিশুজনৰ বাবে ইচ্ছানুসৰি কাঁহি-বাটি, চাৰ্ট-পেণ্টৰ কাপোৰ আদি উপহাৰ দি আশীৰ্বাদ, ভৱিষ্যত মঙ্গল কামনা কৰে। ইফালে শিশুৰ অভিভাৱক বা পিতৃ-মাতৃয়েও খাতনা কৰা হাজাম জনক সামৰ্থ অনুযায়ী নগদ ধন, কাপোৰ আদি প্ৰদান কৰি তৃপ্তি লাভ কৰে।

চৰ-চাপৰিৰ সমাজ ব্যৱস্থাত ছোৱালী পুষ্পিতা হলে সাধাৰণতে তাইৰ মাক বা বৌ আইতা সম্বন্ধীয়লোকৰ বাদে অন্য কোনো লোকে গম নাপায়। শৰীৰ বেয়া বুলি সকলোৱে জনা ছোৱালী গৰাকীক ঘৰুৱা নীতি-নিয়মৰ মাজেৰে পাৰ কৰে।অৱশ্যে এই সময় ছোৱাত পুষ্পিতা ছোৱালীক

মাছ্-মাংস আদি খাদ্য প্ৰদান নকৰাৰ নিয়ম এসময়ত আছিল। আনহাতে ছোৱালীজনীয়ে নূন্যতম দিনকেইটাত পুৰুষক স্পৰ্শ নকৰে আৰু হতে পান-তামোল পৰ্যন্ত দিব নিদিয়ে। তদুপৰি ছোৱালীজনীক ঘৰৰ ধান চাউল ৰখা ভঁৰালতো উঠিব নিদিয়ে।

একেদৰে ছোৱালীজনীক মূলত তেল পানী প্ৰদান কৰাৰ লগতে মূৰৰ চুলি ফনিয়াব নিদিয়ে। অৱশ্যে ৫ দিনৰ অন্তত তাই ব্যৱহাৰ কৰা কাপোৰ কানি ছ'ডা-খাৰৰ দ্বাৰা ধোৱাৰ লগতে ঘৰৰ চোতাল গোবৰ মাটিৰে লেপি-মচি শুদ্ধ কৰাৰ নিয়ম আছিল যদিও আজিকালি প্ৰায় নাইকীয়া হৈ গৈছে বুলিয়েই কব পাৰি।

বিশ্বৰ প্ৰতিটো সমাজৰ বাবেই বিবাহ এক মাঙ্গলিক কাৰ্য। বংশ ৰক্ষাৰ ঐতিহ্যবাহী কাৰ্য সম্পন্ন নহলে যেন জীৱনটো আধৰুৱা হৈ থকে। সামাজিক অনুষ্ঠান "বিবাহ" পৰিচালনা কৰাৰ বাবে পূৰ্ববংগীয় মুছলমান সমাজত ঘটকৰ ভূমিকা উল্লেখযোগ্য। দুয়োপক্ষৰ যাবতীয় প্ৰস্তাৱ ঘটকে মধ্যস্ততা কৰি এক উমৈহতীয়া মতামতৰ অন্তত বিবাহ কাৰ্যৰ দিন -তাৰিখ সম্পন্ন হয়। দুগৰাকী সাক্ষীৰ উপস্তিতিত দৰা-কইনাৰ মৌখিক সন্মতিৰ অন্তত "কবুল" বাক্যৰ দ্বাৰা বিয়া হয়। শিক্ষিত সমাজত ভাৰতীয় বিবাহ আইন (বিবাহৰ ক্ষেত্ৰত পুৰুষৰ নুন্যতম বয়স ২১ বছৰ আৰু নাৰীৰ ১৮ বছৰ) অনুসৰণ কৰা দেখা যায়, যদিও নিৰক্ষৰ সমাজত বয়সৰ সীমাখো মানি চলা দেখা নযায়। ফলস্বৰূপে অতি কম বয়সতে বাল্য বিবাহ সম্পন্ন হোৱাত ৩-৪ টা সন্তানৰ মাতৃ হৈ শিশু আৰু মাতৃয়ে ৰক্তহীনতা, পুষ্টিহীনতা, তথা অন্যান্য অহেতুক বেমাৰ আজাৰৰ দ্বাৰা আক্ৰান্ত হয়। পূৰ্বে দৰা পক্ষই "পন" (যৌতুক) দি ঘৰলৈ কইনা অনা প্ৰথাৰ বিলুপ্তি ঘটি বৰ্তমান চৰ-চাপৰিৰ পূৰ্ববংগীয় মুছলমান সমাজত কন্যাৰ ঘৰৰ পৰা যৌতুক লৈ হোৱা বিবাহ প্ৰথাই প্ৰভাৱ বিস্তাৰ কৰিবলৈ আগবাঢ়িছে।

জন্মিলে মৃত্যু অনিবাৰ্য" এই চিৰসত্যক বিশ্বাস কৰি চৰ-চাপৰিৰ পূৰ্ববংগীয় মুছলমান লোকে সামাজিক জীৱন যাত্ৰাত সৎপথত থকাৰ প্ৰচেষ্টা অব্যাহত ৰাখিছে। পূৰ্ববংগীয় মুছলমান সকলে কৰোবাৰ মৃত্যু হলে কবৰ দিয়ে। মানুহৰ মৃত্যু হলে চোতালত খাটৰ ওপৰত শুৱাই গৰম পানী, চাবোনেৰে পৰিস্কাৰকৈ অন্তিম বাৰৰ বাবে গা-ধুৱায়। অৱশ্যে লোকগোষ্ঠীটোত পুৰুষ মৃতকক পুৰুষে আৰু মহিলা মৃতকক মহিলাই গা-ধুৱাৰ নিয়ম। গোছল বা গা-ধুওৱাৰ পিছত কাফনৰ বগা কাপোৰ মেৰোৱা হয়। পুৰুষক চাৰি টুকুৰা কাপোৰ আৰু মহিলাক পাচ টুকুৰা কাপোৰৰ দ্বাৰা ঢাকি ওপৰত আঁতৰ (সুগন্ধি), গোলাপজল ছটিয়াই দিয়ে। পিছত চাৰিজনৰো অধিক লোকে চাঙৰ দ্বাৰা কান্ধত কৰি শৱদেহটোক জানাজাৰ বাবে লৈ যায়। জানাজা সম্পন্ন হোৱাৰ পাছত মৃত দেহটো কবৰ দিয়া স্থানলৈ লৈ যোৱা হয়। মৃতদেহটো কঢ়িয়াই নিয়াৰ যাত্ৰাপথত মৃতকৰ চাঙৰ আগে আগে কোনো ব্যক্তি যোৱা নিষেধ। শৱদেহটোক নিয়াৰ সময়ত আৰু কবৰ দিয়াৰ সময়ত ইছলামীয়া আয়াত 'কলেমা শ্বাহাদত' পাঠ কৰিব লাগে। মৌলবীয়ে ধৰ্মীয় নীতি-নিয়ম মতে জানাজাৰ নামাজ সম্পন্ন কৰা মৃতকক কবৰত শুৱাই দি কবৰৰ ভিতৰত বাঁহৰ বাধা থিয় কৰাই দিয়াৰ লগতে তাৰ ওপৰেৰে বাঁহৰ ঢাৰিৰে ঢাকি দিয়া হয়, যাতে ওপৰৰ পৰা দিয়া মাটি তৎক্ষণাৎ মৃতকৰ গাত নপৰে। মাটি দিয়া পৰ্ব শেষ হোৱাৰ পাছত বাঁহ বা কাঠেৰে কবৰৰ চাৰিওপিনে বেৰ দিয়া হয়। মৃতকক সৎকাৰ কৰা সময়ত 'মিনহা খালাকনাকুম.... দোৱা পাঠ কৰা হয়। অৰ্থাৎ 'এই মটিতে তোমাৰ জনম, এই মাটিতেই শয়ন কৰিলা

আৰু এই মাটিৰ পৰাই জী উঠিবা'। আনহতে মাটি দিয়া শেষ হ'লে কবৰৰ চাৰি কোনত চাৰি কুল (এখলাছ, ফালাক, নাছ আৰু কফেৰুণ) পাঠ কৰি খেজুৰ গছৰ চাৰি টুকুৰা খেজুৰৰ ডাল পুতি দিয়া হয়। পিছলৈ মৃতকৰ আত্মাৰ সদগতিৰ বাবে সমূহীয়া মোনাজাত (প্ৰাৰ্থনা) কৰে।

উল্লেখ্য যে মানুহৰ মৃত্যুৰ তিনিদিনত ফকিৰ(মিছকিন) সাতদিনত মুন্সী আৰু চল্লিশ দিনত চল্লিশা অনুষ্ঠান কৰা হয়। তদুপৰি আজিকালি 'বাৰ্ষিক মৃত্যু' দিৱশ পালন কৰি পাৰ্শবৰ্তী লোকক এসাঁজ খোওৱা দেখা যায়। মনকৰিবলগীয়া যে চৰ-চাপৰিৰ মুছলমান সমাজত সদ্যজাত শিশুৰ পৰা বৃদ্ধলৈ যিকোনো লোকৰ মৃত্যু হ'লে ঘৰখনত তিনিদিন শোক পালন কৰে। এই সময়ছোৱাত ঘৰখনৰ চৌকাত জুই নজ্বলায় আৰু নিকটৱৰ্তী (আত্মীয় নহয়) লোকে ভাত পানীৰ ব্যৱস্থা কৰে। মৃতকৰ শোকত ম্ৰিয়মান হৈ ঘৰৰ সকালো লোকেই চাবুন-তেল ব্যৱহাৰৰ পৰা বিৰত থাকে। অৱশ্যে তিনিদিনত মৃতুকৰ ঘৰত মিছকিন খোৱাই দোৱা-দৰুদ পাঠ, কোৰআন পাঠ কৰোৱাই জুই জ্বলায়। আনহাতে ঘৰৰ মুখ্য মুৰব্বীৰ মৃত্যু হলে এবছৰলৈকে বিয়া-বৰুৰ দৰে উল্লেখযোগ্য অনুষ্ঠান পতা দেখা নাজায়। এনেদৰে অসমৰ চৰ-চাপৰিৰ মুছলমান সমাজ ব্যৱস্থা জন্মৰ পৰা মৃত্যু পৰ্যন্ত পৰম্পৰাগত ভাৱে আচাৰ-আচৰণ পালন কৰা দেখা যায়।

নিৰক্ষৰতা নাইবা দৰিদ্ৰতাৰ ফলতেই হওক এই জাতিটোৰ কিছুমান কৰ্মকাণ্ডই নিজকে কোনো কোনো ক্ষেত্ৰত পৰিচয় দিবলৈও লাজ লাগে। 'শিক্ষাই জাতীৰ মেৰুদণ্ড' এই কথাষাৰ আজিৰ নহয়, বহু পুৰণি, তথাপিও প্ৰাসংগিক। আমি পদে-পদে যদি কথাষাৰ ফঁহিয়াই চাঁও তেনেহলে দেখা যাব যে অসমৰ চৰ-চাপৰি তথা অন্যান্য ঠাইত বসবাস কৰি থকা সংখ্যালঘুসকলৰ দুৰৱস্থাৰ অন্যতম কাৰণ হ'ল শিক্ষাৰ অভাৱ। বহু ঠাইত দেখা যায় যে বেশভুষা আৰু শাৰীৰিক গঠনৰ পৰা সংখ্যালঘুসকলক চিনাক্ত কৰি লেই-লেই ছেই-ছেই কৰি থকা হয়। কিন্তু ইয়াৰ প্ৰকৃত কাৰণ কিজানি এটাই, সেয়া শিক্ষা। ৰেল বা বাছত যাত্ৰা কৰিলেই দেখিব বাটৰ কাষতে থকা অধিকাংশ জুপুৰিত থকা মানুহবোৰ সংখ্যালঘু নতুবা তথাকথিত নিম্নবৰ্গৰ লোক। দুই তিনিটা এমা-ডিমা ল'ৰা-ছোৱালী আৰু বেগ বা মোনাৰ সলনি টোপোলা লৈ লেতেৰা কাপোৰ পৰিহিত মহিলা দেখিলেও তাৰ সৰহ সংখ্যকেই সংখ্যালঘু ওলাব। আজিৰ এই বিজ্ঞান-প্ৰযুক্তিৰ যুগতো দেখিব বহুবিবাহ, বাল্যবিবাহ, শিশু-শ্ৰমিকৰ অধিকাংশ এই জনগোষ্ঠীৰ। শিশু-শ্ৰমিক, ঠেলাচালক বা ৰিক্সা চালকবো অধিকাংশ সংখ্যালঘু। চোৰ-ডকাইত, জুৱাৰী, ধৰ্ষণৰ অভিযুক্ত আদি ক্ষেত্ৰতো অধিকাংশই সংখ্যালঘু লোক দেখা যায়। তদুপৰি থানা বা আদালতত চলি থকা অধিকাংশ মোকৰ্দমাৰ লগতো সংখ্যালঘু লোক সম্পৰ্কযুক্ত। প্ৰয়োজনতকৈ অপ্ৰয়োজনীয় ঠাইত বিশেষ পোচাক যাক আইনে ঘৃণাৰ চকুৰে চায়, জানি বুজিও তেনে পোচাক পৰিধান কৰি মুখত বিড়ি হুপি-হুপি ফু ৰা লোকৰ অধিকাংশও সংখ্যালঘু। ভিক্ষাৰী, ফুটপাত বা পেলনীয়া বস্তু পেলোৱা গাত বা লেতেৰা ঠাইত পলিথিন-প্লাষ্টিক বা অন্য সামগ্ৰী বিচাৰি ফুৰা কণ-কণ ল'ৰা-ছোৱালীৰ অধিকাংশ সংখ্যালঘু , ইত্যাদি ইত্যাদি। কিন্তু কাৰণ কি? সংখ্যালঘু লোকৰ মাজত শিক্ষিত লোকো নোহোৱা নহয়, ধনী লোকো নথকা নহয়। কিন্তু সমাজৰ এই সমূহ ব্যাধি দুৰীকৰণৰবাবে আমি শিক্ষিত আৰু ধনৱন্ত লোকসকলে কেতিয়াবা চিন্তা কৰিছোনে? সেইসকল লোকৰ বাবে আমাৰ গাতো হেঁকা লাগে সেয়া জানোঁ আমি উপলব্ধি কৰিব পাৰিছোঁ? ৰাজ্যত কেবাটাও সংখ্যালঘু ছাত্ৰ

সংগঠন, বহুকেইটা তথাকথিত অৰাজনৈতিক বা আওপকীয়াকৈ ৰাজনৈতিক সংগঠনো আছে, ইপিনে সংখ্যালঘুসকলৰ তথাকথিত ত্ৰাণকৰ্তাৰ ভূমিকাত অৱতীৰ্ণ হোৱা ৰাজনৈতিক দলো আছে। কিন্তু জনগোষ্ঠীটোৰ এনে দুৰৱস্থাৰ বাবে কোনেও গভীৰভাবে গুৰুত্ব আৰোপ কৰা দেখা নাই। আমি ভাবোঁ এই ক্ষেত্ৰত তেওঁলোকৰ যথেষ্টখিনি কৰিবলগীয়া আছে। মুঠতে সংখ্যালঘু লোকসকলে আত্মসমালোচনাৰ মাজেৰে ভিন্ন দিশত জাগৰণ অনাৰ বাবে সজাগতা সৃষ্টি কৰাটো খুবেই প্ৰয়োজনীয় হৈ পৰিছে। কিন্তু কোনে লব এই দায়িত্ব ? দল-সংগঠনসমূহেও এই ক্ষেত্ৰত আগবাঢ়ি অহা নই বুলিয়েই কব পাৰি।

যিহেতু সংখ্যালঘু তথা চৰ-চাপৰিত বসবাস কৰা লোকসকল মূলতঃ ইচলামধৰ্মী তথা মুছলমান লোক গতিকে, তেওঁলোকেও নিজৰ ঠাইৰ সমস্যাৰ ওপৰিও সামগ্ৰীকভাবে সমাজখনৰ এজন অংশীদাৰ হিচাপে প্ৰতিনিধিত্ব কৰিব পাৰিব লাগিব। ধৰ্মান্ধতা, অন্ধবিশ্বাস, সাম্প্ৰদায়িকতাবাদ আদি সমূলি ত্যাগ কৰি নিজকে বৃহৎ জাতিৰ অংশীদাৰ বুলি ভাবিব পাৰিব লাগিব। একেদৰেই অন্যান্য জনগোষ্ঠীৰ মৰ্মবেদনা উপলব্ধি কৰি সহমত আৰু সমন্বয়ৰ ভেটিও মজবুত কৰিব লাগিব। যিদৰে কৃষকসকলে জানে যে কোন বতৰত কোন ফচল হয়, ঠিক সেইদৰে আমিও আমাৰ সমাজখনক সময়ৰ সৈতে মিলাই চলিব জানিব লাগিব। মুছলমান সমাজৰ পৰা আঁতৰাব লাগিব দেৱানী প্ৰথা, কবিৰাজী, বহুবিবাহ, বাল্যবিবাহ, চাহৰ দোকানৰ আড্ডা আদি। তাৰ সমান্তৰালকৈ নিজৰ জনগোষ্ঠীৰভাষা-সংস্কৃতি, কলা-কৃষ্টি আদি বিশ্বজনীন কৰিব পাৰিব লাগিব। শৈক্ষিক দিশৰ ওপৰিও সামাজিক, অৰ্থনৈতিক, ৰাজনৈতিক, বৌদ্ধিক দিশতো পূৰ্ণতা আৰু লক্ষ্যত উপনীত হ'বলৈও মেহনত কৰাৰ সময় সমাগত। ○

তথ্য সংগ্ৰহ ঃ-

১। অসমৰ জাতীয় জীৱন আৰু অভিবাসী অসমীয়া মুছলমান - ইছমাইল হোছেইন।

২। অভিবাসী অসমীয়া মুছলমান সমাজ আৰু সংস্কৃতি - ফজল আলী আহমেদ।

৩। অনুপ্ৰৱেশ অসম আন্দোলনৰ আদি কথা- আব্দুল মান্নান।

৪। চৰ-চাপৰি- সম্পাদনা, ইছমাইল হোছেইন।

৫। চৰ-চাপৰি বাসী প্ৰকৃততে অসমীয়া- ফজল আলী আহমেদ।

৬। চৰ-চাপৰিৰ সমাজ আৰু অসমৰ মুছলমান- ৰেজাউল কৰিম।

৭। চৰ-চাপৰি মুছলমান সমাজ আৰু লোকসংস্কৃতি - আনোৱাৰ হুছেইন।



*কেমেৰাৰ লেন্সত লেংটিছিঙা ক্ষুদ্ৰ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ*

# আমাৰ শিক্ষা ব্যৱস্থা আৰু শিক্ষা সংকট



অশ্বিনী বেজবৰুৱা

শিক্ষানুষ্ঠানক সমাজৰ ক্ষুদ্ৰ সংস্কৰণ বুলি কোৱা হয়। সমাজত সততে ঘটি থকা ঘটনা পৰিঘটনা সমূহৰ প্ৰভাৱ প্ৰত্যক্ষ বা পৰোক্ষভাৱে শিক্ষানুষ্ঠানসমূহত পৰে। আমাৰ বৰ্তমানৰ শিক্ষানুষ্ঠানসমূহত, বিশেষকৈ চৰকাৰী খণ্ডৰ শিক্ষানষ্ঠানসমূহত যি এক সংকটে দেখা দিছে, সি বাহিৰৰ সমাজখনৰ সংকটৰ প্ৰতিফলন মাত্ৰ।

যোৱা শতিকাৰ সত্তৰৰ দশকৰ পিছৰে পৰা বিশেষকৈ অসমৰ শিক্ষানুষ্ঠানসমূহৰ বিদ্যায়তনিক পৰিৱেশৰ এক লক্ষণীয় পৰিৱৰ্তন পৰিলক্ষিত হৈছে। সমাজৰ প্ৰতিজন হিতাকাংক্ষীয়েই শিক্ষানুষ্ঠানসমূহৰ দুষিত পৰিৱেশৰ বাবে চিন্তিত আৰু উৎকণ্ঠিত। শিক্ষানুষ্ঠানসমূহৰ অনুশাসন, শিক্ষক-ছাত্ৰৰ সম্পৰ্ক, পাঠদান আৰু পাঠ গ্ৰহনৰ প্ৰতি শিক্ষক আৰু ছাত্ৰৰ আগ্ৰহ আৰু শ্ৰদ্ধা ; যাইকৈ এইকেইটা কাৰকৰ ওপৰত পৰা বিৰূপ প্ৰভাৱৰ বাবেই শিক্ষানুষ্ঠানসমূহৰ পৰিৱেশ দুষিত হোৱা বুলি ক'ব পাৰি।

শিক্ষানুষ্ঠানসমূহত অনুশাসনহীনতা নিতান্তই এক চিন্তাৰ বিষয়। শিক্ষানুষ্ঠানসমূহৰ নীতি-নিয়মসমূহ আখৰে আখৰে পালন কৰাকেই অনুশাসন মানি চলা বুলি কোৱা হয়। যোৱা শতিকাৰ সত্তৰৰ দশকৰ পৰা যিকোনো অজুহাততে ছাত্ৰ-ছাত্ৰীসকলক ৰাজপথলৈ উলিয়াই আনি সমদল, শোভাযাত্ৰা উলিওৱাৰ প্ৰৱনতা গা কৰি উঠিছে। শিক্ষক আৰু অভিভাৱকসকলেও এইক্ষেত্ৰত প্ৰৰোচকৰ ভূমিকাত অৱতীৰ্ণ হৈছে। ছাত্ৰ-ছাত্ৰীসকলৰ মন-মগজুত এনে এটা ধাৰণা সুমুৱাই দিয়া হৈছে যে, সমাজ পৰিৱৰ্তনৰ গধুৰ দায়িত্ব তেওঁলোকৰ ওপৰতেই ন্যস্ত। এনে কৰিবলৈ যাওঁতে তেওঁলোকে সামাজিক অনুশাসন ভঙ্গ কৰে। ইয়াৰ ফলতেই তেওঁলোকে শিক্ষানুষ্ঠানসমূহৰ অনুশাসন ভঙ্গ কৰিবলৈ কুণ্ঠাবোধ নকৰে। ইয়ে শিক্ষানুষ্ঠানসমূহৰ পবিত্ৰ পৰিৱেশ নষ্ট কৰি শিক্ষাদান আৰু শিক্ষা গ্ৰহন প্ৰক্ৰিয়াত আউল লগাইছে। বেচৰকাৰী শিক্ষানুষ্ঠানসমূহত তুলনামূলকভাৱে অনুশাসন বৰ্তি থকাৰ মূল কাৰণ এয়েই। ইয়াৰ দ্বাৰা ছাত্ৰ সকলৰ সামাজিক দায়িত্বক নুই কৰিব বিচৰা নাই। এইক্ষেত্ৰত ড° বাণীকান্ত কাকতিদেৱৰ **'নীৰৱ সাধন' পাঠটিত ছাত্ৰ-ছাত্ৰীক উদ্দেশ্য কৰি কোৱা কথাখিনি প্ৰনিধানযোগ্য - " ভীমৰ গদা ঘূৰাবলৈ**

যোৱাৰ আগতে গাত ভীমৰ বল অৰ্জন কৰি ল'ব লাগে।"

শিক্ষক-ছাত্ৰৰ সম্পৰ্কৰ ওপৰত পাঠদান আৰু পাঠ গ্ৰহণৰ ফলপ্ৰসূতা নিৰ্ভৰ কৰে। "শ্ৰদ্ধাবান লভতে জ্ঞানম্।" শিক্ষকৰ প্ৰতি ছাত্ৰৰ অবিমিশ্ৰ শ্ৰদ্ধাৰ ওপৰত শিক্ষণীয় বিষয়ৰ প্ৰতি ছাত্ৰৰ আগ্ৰহ নিৰ্ভৰ কৰে। কিন্তু বিভিন্ন আৰ্থ-সামাজিক কাৰকৰ প্ৰভাৱত ছাত্ৰৰ শিক্ষকৰ প্ৰতি শ্ৰদ্ধাৰ ভাৱ হ্ৰাস পোৱাৰ ফলতেই তেওঁলোকৰ শিক্ষণীয় বস্তুৰ প্ৰতি আগ্ৰহ হ্ৰাস পাইছে। সমাজত এতিয়াও সৎ আৰু নিষ্ঠাবান শিক্ষকৰ অভাৱ নাই যদিও বহু শিক্ষকৰ ক্ষেত্ৰত পূৰ্বৰ সেৱাৰ মনোভাৱ লাহে লাহে বৃত্তিৰ মনোভাৱলৈ পৰ্যবসিত হৈছে। শিক্ষক নিয়োগৰ ক্ষেত্ৰত ৰাজনৈতিক হস্তক্ষেপ, বহু শিক্ষকে সময়মতে বেতন নোপোৱাৰ ফলত পেটত গাঁঠি দিব লগা হোৱা অৱস্থা আদি কাৰকে এই ক্ষেত্ৰত ইন্ধন যোগাইছে। ছাত্ৰৰ ওপৰত শিক্ষকৰ কৰ্তৃত্ব আৰু অধিকাৰ নাথাকিলে শিক্ষকে ছাত্ৰক অনুপ্ৰাণিত কৰিব নোৱাৰে। সেইবাবেই কোৱা হয় - "An ideal teacher always inspires the students."

শিক্ষণীয় বিষয়বস্তুৰ ক্ষেত্ৰতো গভীৰভাৱে চিন্তা কৰাৰ সময় আহি পৰিছে। সৌ সিদিনালৈকে মানৱীয় প্ৰমূল্যসমূহৰ পাঠদানৰ আদিপাঠ শিকোৱা হৈছিল ঘৰখনত। সাধুকথা আদিৰ মাধ্যমেৰে দিয়া নীতি শিক্ষাৰ আধাৰত শিশুৰ নৈতিক চৰিত্ৰ গঢ় দিবলৈ চেষ্টা কৰা হৈছিল। "জুহালত গঢ়িলেহে কমাৰশালত গঢ়িব পাৰি।" সমাজত এক শ্ৰদ্ধাৰ পৰিৱেশ আছিল। যিকোনো সমাজ বিৰোধীকামত লিপ্তজনক ঘৃণাৰ চকুৰে চোৱা হৈছিল। পৰীক্ষাগৃহত অসদুপায় অৱলম্বন কৰি ধৰা পৰা ছাত্ৰক অইন ছাত্ৰই ধৰা পৰা চোৰ ডকাইতক চোৱাৰ দৰে ঘৃণাৰ চকুৰে চাইছিল। কিন্তু সময় সলনি হৈছে। জীৱন জীৱিকাৰ এন্দুৰ দৌৰত সদাব্যস্ত আজিৰ অভিভাৱকৰ বাবে শিশুক সাধু কোৱাৰ সময় নাই। যৌথ পৰিয়ালৰ অৱসান ঘটাৰ লগে লগে পৰিয়ালত সাধু ক'ব পৰা ককা-আইতাৰো অভাৱ ঘটিল। ফলত আজিৰ শিশুৰ বেছিভাগ সময় অতিবাহিত হয় টি.ভি., ম'বাইল আদি ইলেকট্ৰনিক মাধ্যমসমূহে প্ৰচাৰ কৰা কাৰ্যসূচী উপভোগত। এই মাধ্যমসমূহে প্ৰচাৰ কৰা কাৰ্যসূচীয়ে তেওঁলোকৰ আচাৰ, ব্যৱহাৰ, কথা-বাৰ্তা, আদব-কায়দা আদিত প্ৰত্যক্ষভাৱে প্ৰভাৱ পেলায়। এইবোৰৰ জৰিয়তে দিন-ৰাতি প্ৰদৰ্শিত হোৱা হত্যা, লুণ্ঠন, শঠতা আদিয়ে শিশু সকলৰ বাবে দয়া, মৰম, শ্ৰদ্ধা, পৰোপকাৰ, সহনশীলতা আদি সনাতন মানবীয় গুণসমূহ কৰ্ষণ কৰাৰ ক্ষেত্ৰত বাধাৰ সৃষ্টি কৰে। এইবোৰে ছাত্ৰ-ছাত্ৰীসকলক বেপৰোৱা আৰু উদণ্ড কৰি তুলিছে। ফলত শিক্ষানুষ্ঠানসমূহৰ চৌহদতেই ছাত্ৰই সংঘবদ্ধ ভাবে নৃশংস হত্যাকাণ্ড সংগঠিত কৰাৰ বাবে ছাত্ৰৰ হাততেই সতীৰ্থ বা শিক্ষক প্ৰহৃত হোৱাৰ খবৰ নিতৌ প্ৰচাৰ মাধ্যম সমূহত প্ৰচাৰ হৈ আছে। বাহিৰৰ সমাজখনত অনায়াসলব্ধ অৰ্থ আহৰণৰ প্ৰতি ক্ৰমাৎ বৃদ্ধি পাই অহা প্ৰৱণতা শিক্ষানুষ্ঠান সমূহলৈয়ো শিপাইছে। ফলত পৰীক্ষাগৃহত অসদুপায় অৱলম্বন কৰাৰ

প্ৰৱনতা ক্ৰমাত বৃদ্ধি পাইছে। সৎ শিক্ষকে ছাত্ৰক অসদুপায় অৱলম্বনত বাধা দিবলৈ গৈ ছাত্ৰৰ হাতত নিগৃহীত হোৱাৰ ঘটনাও ক্ৰমাৎ বৃদ্ধি পাবলৈ ধৰিছে। অতি লাজ আৰু পৰিতাপৰ কথা এচাম শিক্ষকে আকৌ এনে ছাত্ৰক প্ৰত্যক্ষ বা পৰোক্ষভাৱে এনে কাৰ্যত সহায় কৰিছে। দেশ আৰু সমাজৰ কল্যাণৰ স্বাৰ্থত এই অৱস্থাৰ অৱসান ঘটাবই লাগিব। শিক্ষানুষ্ঠানসমূহক পুনৰ তীৰ্থস্থানৰ মৰ্যাদাৰে মহিমান্বিত কৰিব লাগিব। শিক্ষানুষ্ঠানসমূহত কট্‌কটীয়া অনুশাসন প্ৰৱৰ্তিত হ'ব লাগিব। কিন্তু এই দায়িত্ব অকল শিক্ষকসকলৰ ওপৰত এৰি দিলেই নহ'ব। ই এক সামাজিক দায়িত্ব। সমাজৰ অশুভ শক্তিসমূহে যাতে শিক্ষানুষ্ঠানসমূহৰ পৱিত্ৰ পৰিবেশ বিনষ্ট কৰিব নোৱাৰে তাৰ বাবে সামাজিক বিবেক জাগ্ৰত হ'ব লাগিব। যিকোনো সামাজিক অন্যায়ক সংঘবদ্ধভাবে প্ৰতিহত কৰাৰ সৎ সাহস যদি আমি গোটাব পাৰোঁ, ইয়াৰ প্ৰভাৱ শিক্ষানুষ্ঠানসমূহতো সঞ্চালনিকৈ পৰিব।

শিক্ষানুষ্ঠানসমূহক পুণৰ মানৱতাৰ পাঠদানৰ কঠিয়াতলী হিচাপে গঢ়ি তুলিব লাগিব। দয়া-দাক্ষিণ্য, পৰোপকাৰ, সহনশীলতা আদি যাতে পাঠনীয় পাঠত প্ৰতিফলিত হয় তাৰ প্ৰতি আমি সচেতন হ'ব লাগিব। সজ নীতিৰ প্ৰতি আনুগত্য মানবীয় প্ৰমুল্যসমূহৰ ভেটি।

সাংস্কৃতিক কাৰ্যসূচী আৰু খেলা-ধূলাই মানৱীয় প্ৰমুল্যসমূহৰ বিকাশ সাধনত সহায়ক ভূমিকা ল'ব পাৰে। শিক্ষানুষ্ঠানসমূহত নিয়মিত ভাৱে সাংস্কৃতিক কাৰ্যসূচী ৰূপায়িত হ'লে, ই যে ছাত্ৰ-ছাত্ৰীসকলক অকল সুকুমাৰ ক'লাৰ প্ৰতিয়েই আগ্ৰহী কৰি তুলিব এনে নহয়, ছাত্ৰ-ছাত্ৰীৰ মনত ভাতৃত্ববোধ উদ্ৰেক কৰাৰ লগতে ছাত্ৰ-শিক্ষকৰ মাজৰ সম্পৰ্কও মধুৰ কৰি তুলিব।

গতিকে দেখা যায়, শিক্ষানুষ্ঠাসমূহত শিক্ষাৰ পৰিৱেশ নিকা কৰি ৰখাৰ ক্ষেত্ৰত শিক্ষক, ছাত্ৰ আৰু অভিভাৱক সকলোৰে উমৈহতীয়া দায়িত্ব আছে। এই দায়িত্ব নিষ্ঠাৰে পালন কৰাটো সকলোৰে পৱিত্ৰ দায়িত্ব আৰু কৰ্ত্তব্য। ○

(অসম সাহিত্য সভা, সাহিত্য প্ৰকাশ আদিৰ দ্বাৰা পুৰস্কৃত বেজবৰুৱা অসমৰ এজন বিশিষ্ট সাহিত্যিক। তেখেতৰ এতিয়ালৈ ৫২ খন গ্ৰন্থ প্ৰকাশ পাইছে। তেখেত ভৰতীয় ৰিৰ্জাভ বেংকৰ উত্তৰ পূৱ মণ্ডলৰ উচ্চ পদস্থ বিষয়া পদবীৰ পৰা কিছুদিন আগতে অৱসৰ গ্ৰহণ কৰিছে।)

# ৰাজীৱ গান্ধী মেম'ৰিয়েল কলেজ ঃ অতীত আৰু বৰ্তমান



শিৰাজুল হক প্ৰামানিক
প্ৰতিষ্ঠাপক অধ্যাপক (প্ৰাক্তন)
বুৰঞ্জী বিভাগ, আৰ. জি. এম. কজে, লেংটিছিঙা

আমি আজি কোন দিশত। আমাৰ পূৰ্বজ সকলে বুকুত কিমান আশা ভৰসা আৰু কষ্ট কৰি ভৱিষ্যত প্ৰজন্মৰ বাবে এই বৃহৎ অঞ্চলত বিভিন্ন অনুষ্ঠান প্ৰতিষ্ঠানৰ লগতে কিছু শিক্ষানুষ্ঠান স্থাপন কৰিছিল। লেংটিছিঙাৰ গাতে লাগি থকা বালাৰগুদাম এল. পি. স্কুল তাহানিৰ ১৯০৩ চনত গঢ়া। বাঘেখাইতী এল. পি. স্কুল ১৯৩৪ চনত আৰু সেই সময়তেই আমাৰ পৰম শ্ৰদ্ধাৰ মুৰব্বী সকলে শিক্ষাৰ অভাৱ উপলব্ধি কৰি এই বৃহৎ অঞ্চলত স্থাপন কৰিছিল শিক্ষাৰ প্ৰয়োজনৰ তাগিদাত কেইবাখনো প্ৰাথমিক আৰু উচ্চ প্ৰাথমিক শিক্ষানুষ্ঠান। সেইসময়ত এই এলেকাত যাতায়ত ব্যৱস্থা সুচল নাছিল। এই অঞ্চলৰ কিছু স্বনামধন্য ব্যক্তিৰ আপ্ৰাণ চেষ্টাৰ ফলত এলেকা ভিত্তিত প্ৰাথমিক শিক্ষাৰ প্ৰসাৰ লাভ কৰাৰ লগে লগে হাট-ঘাট, যাতায়ত ব্যৱস্থাৰ প্ৰৱৰ্তন আৰু পৰিৱৰ্তনে এটা সময়ত বঙাইগাঁও জিলাৰ ভিতৰত অভয়াপুৰীৰ পূৱ দিশত অৱস্থিত লেংটিছিঙা, সংখ্যালঘু জনসাধাৰণৰ ব্যৱসায় বাণিজ্য আৰু ৰাজনীতিৰ কেন্দ্ৰ হিচাপে ঠন ধৰি উঠিছিল। লেংটিছিঙাৰ পৰাই সংখ্যালঘু ৰাজনীতি, গোটেই অসমত প্ৰভাম্বিত নোহোৱা নহয়। ইতিহাসৰ পাত লুটিয়ালে দেখা যায় এই অঞ্চলৰ মানুহবোৰ দ্ৰাবিড় জনগোষ্ঠীৰ আৰু অবিভক্ত ভাৰতবৰ্ষৰ পূৰ্ব বংগ (বৰ্তমানৰ বাংলাদেশ) ৰ পৰা অহা বিজনী ৰাজষ্টেটৰ সময়ৰ পৰা বিশেষকৈ ১৯৩৭ চনত ইংৰাজৰ দিনত ভাৰতক ৫ (পাঁচটা) ভাগত (ৰাজ্যত) ভাগ কৰি সাধাৰণ নিৰ্বাচন হয়। "ছাৰ ছৈয়দ মহাম্মদ ছাদুল্লা চাহাব পৰাধীন ভাৰতৰ অসম প্ৰদেশৰ প্ৰথম প্ৰধান মন্ত্ৰী হৈছিল। তেখেতৰ আমোলত আমাৰ পূৰ্বপুৰুষসকল দোভাষী, কেৰাণী বা কামৰ তাগিদাত অসমৰ বিভিন্ন ঠাইত আহি বসতি স্থাপন কৰিছিল। হাড় ভগা পৰিশ্ৰমৰ দ্বাৰা হাবি-জঙ্গল ছাফা কৰি ইয়াৰ বায়ু পানীৰ লগত একাকাৰ হৈ অসমৰ আৰ্থ-সামাজিক, সংস্কৃতি সমৃদ্ধিশালী কৰিছিল। অসমৰ বিভিন্ন দিশৰ লগতে ভাৰতৰ স্বাধীনতা আন্দোলনৰ লগত ওতোপ্ৰোতঃ ভাৱে জড়িত থাকি দেশ স্বাধীন কৰাৰ ক্ষেত্ৰত এক অভুতপুৰ্ব ভূমিকা আগবঢ়ায়। এই অঞ্চলৰ সংখ্যালঘু মানুহে অসমীয়া ভাষা আন্দোলনৰ সময়তো এক অগ্ৰণী অৱদান ৰাখি থৈছে। তথাপিও অসমত ১৯৮০ দশকত ভূমুকি মৰা জাতীয়তাবাদ আৰু আঞ্চলিকতাবাদে অসমৰ ধৰ্মীয় সংখ্যালঘু সকলক বাংলাদেশী প্ৰব্ৰজনকাৰীৰ নামত আৰ্থ সামাজিক আৰু আত্মসন্মানত আঘাত হানি এক শ্ৰেণীৰ ৰাজনৈতিক বেপাৰীয়ে বৃহত্তৰ অসমীয়া সমাজত বিভেদৰ বিষবাষ্প বিয়পাই ভয়, শংকা আৰু অশান্ত অৱস্থা সৃষ্টি কৰিলে। তাৰে ফলশ্ৰুতিত সংখ্যালঘু মানুহ ক্ষেত্ৰ বিশেষে অপমানিত, লাঞ্চিত

উপেক্ষিত হোৱাত ১৯৮০ চনৰ ৩১ মার্চ তাৰিখত জলেশ্বৰত আমছুৰ জন্ম হয়। আমছুৰ প্রতিষ্ঠাপক সভাপতি মাননীয় আব্দুল হাই নাগৰিৰ নেতৃত্বত সচকিত ধর্মীয় সংখ্যালঘুসকলে প্রতিবাদৰ নামত জাগ্রত হৈছিল। কিন্তু আৰ্থ-সামাজিক, ক'লা-সংস্কৃতি, শিক্ষা-দীক্ষা, ভৌগলিক অনগ্রসৰতাত জৰ্জৰিত ধৰ্মীয় সংখ্যালঘু জনতা ৰাজনৈতিক মেৰপেচত দিনে দিনে পানীত হাঁহ নচৰা অৱস্থা হৈছে। এতিয়া নিশ্চিত ভাবে ভাৱিবৰ হ'ল আমি আজি কোন দিশত? যি নহওঁক ১৯৯১ চনত অসমৰ সাধাৰণ নির্বাচনত অভয়াপুৰী দক্ষিণ (অনুঃ) বিধান সভা সমষ্টিৰ পৰা শ্ৰীযুত চন্দন কুমাৰ সৰকাৰদেৱ বিধায়ক হিচাপে নির্বাচিত হৈছিল। তেখেত বিধায়ক হোৱাৰ কিছু দিনৰ ভিতৰতে ভালেমান উল্লেখযোগ্য কাম কৰি অসমৰ ভিতৰত এজন সুদক্ষ বিধায়ক হিচাপে পৰিচিত হৈছিল। তেখেতক বিধায়ক বনোৱা সকলৰ ভিতৰত মেৰেচৰৰ নুৰুল হক প্ৰামাণিক আৰু আব্দুছ ছামাদ ভূএগা চাহাবো আগৰণুৱা আছিল আৰু বিধায়কৰ পৰা গুৰুত্বও পাইছিল।

১৯৯২ চনত আব্দুছ ছামাদ ভূএগা চাহাবৰ নেতৃত্বত মেৰেৰচৰ পল্টন বজাৰত "চন্দন কুমাৰ এম. ই. মাদ্ৰাছা "এখন স্থাপন কৰে। মাদ্ৰাছাৰ আধাৰশিলা স্থাপন অনুষ্ঠানৰ মুখ্য অতিথি আছিল বিধায়ক চন্দন কুমাৰ সৰকাৰদেৱ। ভূএগা চাহাবৰ ঘৰত বিশাল আয়োজন। তাত নেতা কর্মীৰ উপস্থিতিৰ লগতে সৌভাগ্যক্রমে মইয়ো তাত আছিলোঁ। এখন এম. ই. মাদ্ৰাছা স্থাপনৰ ক্ষেত্ৰত বিধায়ক নেতা কর্মীৰ উৎসাহ-উদ্দীপনা দেখি মোৰ মনত পুহি ৰখা গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰফেছাৰ সন্মানীয় ড° আতোৱাৰ ৰহমান চহাবৰ কথা মনত পৰিল।

১৯৯১ চনত মেৰেৰচৰৰ পৰা আমি ৮ (আঠ) জন যুৱকে গুৱাহাটী বিশ্ববিদ্যালয়ত অধ্যয়ন কৰিবলৈ গৈছিলো। তেতিয়া আমাৰ এই অঞ্চলৰে মানুহ ড° আতোৱাৰ ৰহমান চাহাবৰ ঘৰত মাতি নি আপ্পায়নৰ লগতে বহু সাহস আৰু পৰামৰ্শ দি কৈছিল, তোমালোকে এম. এ. পাছ কৰাৰ পাছত মেৰেৰচৰত এখন কলেজ স্থাপন কৰিবা। তেখেতৰ কথাষাৰে মোৰ মানসপটত দকৈ আঁচ বহাইছিল। চন্দন কুমাৰ এম. ই. মাদ্ৰাছাৰ আধাৰশিলা অনুষ্ঠানতে উদুলি-মুদুলি পৰিৱেশত আতোৱাৰ ৰহমান চাহাবে কোৱা কথাষাৰ ব্যক্ত কৰাৰ সুবৰ্ণ সুযোগ বুলি মই ভাৱিলোঁ।

মোৰ ডাঙৰ ভাই নুৰুল হক প্ৰমানিক আৰু আব্দুছ ছামাদ ভূএগা চাহাবক আতোৱাৰ দাদাৰ প্ৰসংগ তুলি মেৰেৰচৰত এখন কলেজ স্থাপনৰ কথা আলোচনা কৰিলোঁ। সিঁহত দুয়োজনে অতি উৎসাহী হৈ বিধায়ক সৰকাৰদেৱক এই পিছপৰা অঞ্চলত এখন কলেজ স্থাপনৰ কথা অৱগত কৰিলে। কিন্তু সৰকাৰদেৱে কলেজ স্থাপনৰ প্ৰস্তাৱ প্ৰথম অৱস্থাত মানি নল'লে। পৰৱৰ্তী সময়ত এই অঞ্চলত এখন কলেজ স্থাপনৰ বিষয়টো বিধায়ক শ্ৰী চন্দন কুমাৰ সৰকাৰদেৱে তেখেতৰ ঘনিষ্ঠ লেংটিছিঙাৰ নেতৃবর্গৰ লগত আলোচনা ও চৰ্চিত হোৱাত প্ৰস্তাৱটো গুৰুত্বপূৰ্ণ বিষয় হিচাপে পৰিগণিত হল। মেৰেৰচৰৰ নুৰুল হক প্ৰামানিক, আব্দুছ ছামাদ ভূএগা, লেংটিছিঙাৰ সেই সময়ৰ টাপাট্টাৰী আঞ্চলিক পঞ্চায়তৰ সভাপতি আব্দুৰ ৰহিম, হাতেম আলী মাষ্টাৰ আৰু মুকুল চন্দ্ৰ সৰকাৰদেৱে গুৱাহাটী এম.এল.এ ভৱনত কলেজ স্থাপনৰ বিষয়ে পুনৰ আলোচনা কৰাত সৰকাৰদেৱে কথাটো তেখেতৰ সহধৰ্মিনী স্বপ্না ৰাণীৰ পৰা মতামত লোৱাৰ পোষকতা কৰিলে। বাইদেও স্বপ্না ৰাণীক এই অনুন্নত ধৰ্মীয়, ভাষিক সংখ্যালঘু ছাত্ৰ-ছাত্ৰীৰ বিশেষকৈ নাৰী শিক্ষাৰ

প্ৰয়োজনীতা আৰু ১৯৮০ ৰ দশকৰ তিক্ত অভিজ্ঞতা অৱগত কৰোৱাত তেখেতে এই এলেকাত এখন কলেজৰ প্ৰয়োজনীয়তা আৰু অভাৱ অনুভৱ কৰি সহমত পোষণ কৰিলে। নেতৃবৰ্গৰ লগত বাইদেউ নিজেও বিধায়ক শ্ৰীযুত চন্দন কুমাৰ সৰকাৰদেৱক কলেজ স্থাপনৰ ক্ষেত্ৰত সন্মত কৰালে।

বিধায়ক সৰকাৰদেৱে অভয়াপুৰীত আহি স্থানীয় নেতৃবৰ্গৰ লগত আলোচনা কৰি অভয়াপুৰী বিধানসভা সমষ্টিৰ নেতৃস্থানীয় ব্যক্তি সকলকলৈ লেংটিছিঙাত এখন সাধাৰণ সভা আহবান কৰাৰ বাবে আব্দুছ ছামাদ ভূঞা, নুৰুল হক প্ৰামাণিক, মুকুল চন্দ্ৰ সৰকাৰ, আঃ ৰহিম, আঃ কৰিম, আবুল কাশেম, হাতেম আলী মাষ্টাৰ, আজাহাৰ আলী মাষ্টাৰক দায়িত্ব দিলে। সভাখন বিধায়ক চন্দন কুমাৰ সৰকাৰদেৱৰ সভাপতিত্বত আৰম্ভ হয়। লেংটিছিঙাৰ যুৱ নেতা শেখ ছৈয়দ আহমেদ চাহাবে সভাত বক্তব্যত উল্লেখ কৰি কয় যিহেতু ১৯৮৫ চনত অসম আন্দোলনৰ পিছত মাননীয় আজাহাৰ আলী মাষ্টাৰ, হাতেম আলী মাষ্টাৰ, মজিবৰ ৰহমান, মুকুল সৰকাৰ, হীৰালাল সৰকাৰ, প্ৰহ্লাদ পাল আদি ব্যক্তি সকলৰ নেতৃত্বত এই লেংটিছিঙাত এখন কলেজ স্থাপন কৰাৰ প্ৰয়াস কৰি কিছু ধন সংগ্ৰহ কৰিছিল। কিন্তু উপযুক্ত পৰিৱেশ আৰু নেতৃত্বৰ অভাৱত কলেজ স্থাপনৰ স্বপ্ন কলিতেই মাৰ যায়। সেই ধনৰ হিচাপ দাবী কৰি লেংটিছিঙাতেই পুনৰ কলেজ স্থাপনৰ প্ৰস্তাৱ কৰে। যদিও কলেজ স্থাপনৰ প্ৰস্তাৱ প্ৰথমে মেৱেৰচৰৰ পৰাই হৈছিল কিন্তু উপযুক্ত যাতায়ত ব্যৱস্থা আৰু প্ৰয়োজনীয় ভূমি নথকাত বহু আলোচনাৰ পিছত লেংটিছিঙাতেই কলেজ স্থাপনৰ সিদ্ধান্ত গ্ৰহণ কৰি এখন sponsored committee গঠনৰ আলোচনা হয় আৰু মাননীয় বিধায়ক শ্ৰীযুত চন্দন কুমাৰ সৰকাৰদেৱৰ নাম সভাপতি হিচাপে আঃ ছামাদ ভূঞাই প্ৰস্তাৱ কৰে আৰু নুৰুল হক প্ৰামাণিকে সমৰ্থন কৰাত সৰ্বসন্মতি ক্ৰমে সভাত প্ৰস্তাৱ গৃহীত হয়। কমিটিৰ সম্পাদক হিচাপে আঃ ছামাদ ভূঞা চাহাবৰ নাম বিধায়ক সৰকাৰে আলোচনাত আনে যদিও ভূঞা চাহাবে তাত অমান্তি হয়। যিহেতু কলেজ পৰিচালনাৰ নিয়ম মতে অধ্যক্ষজনেই কমিটিৰ সচিব বা সম্পাদক হয়, সেয়ে ভূঞা চাহাবে মেৱেৰচৰৰ ছফিউৰ ৰহমান চাহাবৰ নাম প্ৰস্তাৱ কৰে আৰু সভাত গৃহীত হয়।

সভাত বাকী থকা কাৰ্যকৰী সদস্য/ সদস্যা, নেতৃবৰ্গৰ দ্বাৰা প্ৰস্তাৱ আৰু সমৰ্থন মৰ্মে এখন শক্তিশালী কমিটি গঠন কৰে। সভাপতি বিধায়ক সৰকাৰদেৱৰ প্ৰস্তাৱ মতে কলেজখনৰ নাম "ৰাজীৱ গান্ধী মেম'ৰিয়েল কলেজ,লেংটিছিঙা" নামে নামাকৰণ কৰা হয়। এইদৰেই ১৯৯২ চনৰ ১১ অক্টোবৰৰ তাৰিখে লেংটিছিঙাত এই অঞ্চলৰ ৰাইজৰ সহযোগিতাত শ্ৰীযুত চন্দন কুমাৰ সৰকাৰদেৱৰ নেতৃত্বত এখন ডিগ্ৰী কলেজৰ আৰম্ভণি হয়। স্থানীয় কেইজনমান সদাশয় ব্যক্তিয়ে ভূমি দান কৰাৰ লগতে প্ৰয়োজনীয় বিদ্যালয় গৃহ নিৰ্মাণ আৰু বিভাগীয় কাম কাজ স্থানীয় সচেতন ব্যক্তি সকলৰ সহযোগত বিধায়ক সৰকাৰদেৱৰ পৃষ্ঠপোষকতাত কিছুদিনৰ ভিতৰতে বহুজনৰ স্বপ্নৰ 'ৰাজীৱ গান্ধী মেম'ৰিয়েল কলেজ' ঠন ধৰি উঠিছিল। মইয়ো এইখন কলেজত ৫ (পাঁচ) বছৰ বুৰঞ্জী বিভগৰ প্ৰতিষ্ঠাপক অধ্যাপক হিচাপ কাম কৰাৰ সুযোগ পাইছিলো।

কালৰ কুটিল গতিত পাৰহৈ যোৱা জীৱনৰ আদিচোৱা সময় মোৰ মানসপটতএতিয়াও স্মৃতি হৈ ভাঁহি উঠে। কলেজৰ সকলো শিক্ষক আৰু কৰ্মচাৰীবৰ্গ আছিল উঠি অহা যুৱক-যুৱতী। মনত পৰে তেতিয়াৰ দিনত কলেজখন গঢ়াৰ উদেশ্যৰ লগত একাকাৰ হৈ বহু অভাৱ, অসুবিধা নেওচি কলেজ আৰু কলেজখনৰ শৈক্ষিক পৰিবেশ উন্নতিৰ ক্ষেত্ৰত দুৰ-দুৰণিৰ পৰা আহি নিযুক্তি পোৱা

শিক্ষক, কৰ্মচাৰী আৰু পৰিচালকৰ মাজত এক গভীৰ আন্তৰিকতা আৰু মিলা-প্ৰীতিৰ এক অক্ষয় বন্ধন আছিল যাক মই উল্লেখ কৰিবই লাগিব। বহুজনৰ ত্যাগ আৰু পৰিশ্ৰমৰ বিনিময়ত, ঘাত-প্ৰতিঘাতৰ মাজেৰে আহি কলেজখনে বৰ্তমান অৱস্থাত উপনীত হৈছে। ১৯৯৬ চনত অসমত অ.গ.প. চৰকাৰ গঠন হোৱাৰ পিছত হঠাৎ কলেজৰ গুৰি ধৰোঁতা নোহোৱা হ'ল, আছিল মাত্ৰ কলেজখন ধৰি ৰখাৰ বাবে ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক-কৰ্মচাৰী। আনকি অধ্যক্ষও নাছিল। অঞ্চলত ৰাজনৈতিক পৰিৱৰ্তনে এক ভয়াবহ ৰূপ ধাৰণ কৰিছিল। কলেজখন পৰিচালনাৰ্থে মাননীয় আয়ুব খান চাহাবক ভাৰপ্ৰাপ্ত অধ্যক্ষ পতা হ'ল। কলেজ পৰিচালনাৰ ক্ষেত্ৰত উপায়ন্তৰ হৈ মই এই অভিযান, বৰ্তমানৰ অধ্যক্ষা ড° ৰীতা শৰ্মা বইদেউ, আয়ুব খান, আছিৰ উদ্দিন, আনোৱাৰ হুছেইন, তেতিয়াৰ ৰৱবাবু বৰ্তমানৰ প্ৰফেছাৰ আবু বক্কাৰ ছিদ্দিক আদি সকলে আলোচনা কৰি তাহানিৰ টাপাট্টাৰী আঞ্চলিক পঞ্চায়তৰ সভাপতি মাননীয় আব্দুৰ ৰহিম চাহাবক অভয়াপুৰীৰ বৰ্তমানৰ এল. এন. ল'জৰ সন্মুখত লগ ধৰিলোঁ। কলেজৰ অচল অৱস্থাৰ সকলো কথা বিৱৰি কোৱাত তেখেতে আমাক ১৫০০০ (পোন্ধৰ) হাজাৰ টকা দিলে। কিছুদিন স্থানীয় ৰাইজ তথা পৰিচালনা কমিটিৰ কোনো সঁহাৰি নাপাই খবৰ লৈ আমি কেইজনমানে কমিটিৰ উপ-সভাপতি মেৰেৰচৰৰ স্থানীয় ব্যক্তি অভয়াপুৰী কোৰ্টৰ এড্ভকেট মহম্মদ আলী চাহাবৰ কাষ চাপিলো। কলেজৰ পৰিস্থিতি সম্পৰ্কে আলোচনা কৰাৰ পিছত তেখেতৰ পৰামৰ্শ মতে স্থানীয় ব্যক্তি অ.গ.প. দলৰ নেতৃত্ব আৰু বিধায়ক মাননীয় ৰবিন বণিক্য আৰু আব্দুল হাই নাগৰি চাহাবৰ লগত আলোচনা মৰ্মে কিছুদিনৰ ভিতৰত এখন সাধাৰণ সভাৰ আয়োজন কৰা হয়। সভাত নতুন কমিটিৰ সভাপতি বিধায়ক ৰবিন বণিক্যদেৱ, সম্পাদক মাণিক চন্দ্ৰ প্ৰামাণিক আৰু অধ্যক্ষ হিচাপে শেখ আবুল হুছেইন চাহাবক দায়িত্ব প্ৰদান কৰা হয়। এইদৰে কলেজখন পুণৰজ্জীৱিত হ'ল। ১৯৯৬ চনৰ পৰা ২০০২ চন লৈকে এখেত সকলৰ দিনত কলেজৰ বিভাগীয় কাম-কাজে বহুখিনি অগ্ৰগতি পালে। এই কমিটিৰ প্ৰচেষ্টাত কলেজখনে প্ৰয়োজনীয় Affiliation আৰু Concurrance প্ৰাপ্ত হোৱাত কলেজৰ ভেটি মজবুত আৰু ভৱিষ্যৎ উজ্জ্বল হোৱা নিশ্চিত হৈছিল। সময়ৰ অগ্ৰগতিৰ লগে লগে বহু জন আহিল বহু জন গ'ল, কলেজ চলি থাকিল। ২০০১ চনত শ্ৰীযুত চন্দন কুমাৰ সৰকাৰ পুনৰ কলেজ কমিটিৰ সভাপতিৰ দায়িত্ব ল'লে। নতুন কমিটিয়ে মাননীয় আছিৰ উদ্দিন চাহাবক অধ্যক্ষ পাতিলে। ২০০৭ চনত অধ্যক্ষ সলনি কৰি সন্মানীয় জহুৰুল ইছলাম চাহাবক অধ্যক্ষ নিয়োগ কৰি সৰকাৰদেৱৰ পৃষ্ঠপোষকতাত ছফিউৰ ৰহমান চাহাবৰ সভপতিত্বত কলেজৰ যাৱতীয় কাম-কাজ কৰি বিভাগীয় তথা ইউ.জি.ছিৰ চৰ্ত সাপেক্ষে সঠিক ৰূপে ৰূপায়ণ কৰি চৰকাৰৰ ওচৰত কলেজখন প্ৰাদেশীকৰণ কৰাৰ নিমিত্তে সাধ্য অনুযায়ী কৰিবলগীয়া সকলোখিনি তেখেত সকলৰ নেতৃত্বত সমাপন কৰিলে।

দীৰ্ঘদিনীয়া বহু আকাংখিত প্ৰাদেশীকৰণ প্ৰক্ৰিয়া চৰকাৰে আৰম্ভ কৰাত ২০১৩ চনত ৰাজীৱ গান্ধী মেম'ৰিয়েল কলেজ সৌভাগ্যক্ৰমে প্ৰাদেশীকৰণ হ'ল। কিছু আসোঁৱাহ পূৰ্ণ শিক্ষানুষ্ঠানৰ পদ প্ৰাদেশীকৰণ নতুন নীতি প্ৰৱৰ্তন কৰাত কলেজৰ কিছু পদ প্ৰাদেশীকৰণ নহ'লেও এটা পৰ্য্যায় অতিক্ৰম কৰিলে। এই বৃহৎ সংখ্যালঘু অধ্যুষিত অঞ্চলত ৰাজীৱ গান্ধী মেম'ৰিয়েল কলেজ প্ৰাদেশীকৃত হ'ল। কলেজখন সুচাৰু ৰূপে চলি থকিল। হঠাৎ আইনৰ মেৰপাকত পৰি জহিৰুল

ইছলামৰ অধ্যক্ষ পদ ২০১৭ চনত স্থগিত হোৱাত জ্যেষ্ঠ সহকাৰী প্ৰফেছাৰ ৰীতা শৰ্মাৰ অনুপস্থিতিত গৰ্ভনিং ব'ডি আৰু বিভাগীয় অনুমোদন সাপেক্ষে আৰবী বিভাগৰ সহকাৰী প্ৰফেছাৰ জনাব ছফিউৰ ৰহমানে ভাৰপ্ৰাপ্ত অধ্যক্ষ হিচাপে কিছুদিন দায়িত্ব পালন কৰিলে। বিভাগীয় নিয়ম মতে জ্যেষ্ঠতাৰ ভিত্তিত মাননীয়া ৰীতা শৰ্মা বাইদেউৱে অধ্যক্ষৰ পদ লোৱাৰ সন্মতি জনোৱাত গৰ্ভনিং ব'ডি আৰু বিভাগীয় অনুমোদন ক্ৰমে যোৱা ২০১৭ চনৰ ৮ (আঠ) এপ্ৰিল তাৰিখৰ পৰা ৰাজীৱ গান্ধী মেম'ৰিয়েল কলেজৰ ভাৰপ্ৰাপ্ত অধ্যক্ষা হিচাপে দায়িত্ব গ্ৰহণ কৰে।

এই সময়তে হঠাৎ পূৰ্বৰ কমিটিৰ সভাপতি মাননীয় ছফিউৰ ৰহমান চাহাবে সভাপতি পদৰ পৰা ইস্তাফা দিয়াত অভয়াপুৰী কলেজৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ শ্ৰী ৰাম চন্দ্ৰ পাঠকদেৱৰ সভাপতিত্বত এখন নতুন গৰ্ভনিং ব'ডি গঠন হয়। এইখন কলেজৰ ইতিবৃত্ত ফহিয়াই চালে দেখা যায় এই অঞ্চলৰ বিদ্যানুৰাগী কিছু ব্যক্তি, ভূমিদাতা সকল আৰু শ্ৰীযুত চন্দন কুমাৰ সৰকাৰ দেৱৰ আহোপুৰুষাৰ্থৰ ফলত কলেজখন বৰ্তমানৰ অৱস্থা পোৱাত সম্ভৱপৰ হৈ উঠিছে।

যি সকল ব্যক্তিৰ অশেষ চেষ্টা আৰু অৱদানৰ বিনিময়ত এই কলেজখন স্থাপনৰ পৰা বৰ্তমান ৰূপ পাইছে তেখেত সকলৰ উদ্দেশ্য, আশা বাস্তৱত ৰূপায়িত হ'লেহে সেই সকল ব্যক্তিৰ মন আৰু আত্মাই শান্তি পাব।

ভাৰতৰ প্ৰাক্তন প্ৰধান মন্ত্ৰী মাননীয় মনমোহন সিং দেৱ ২০০৫ চনৰ ৯ মাৰ্চত দায়িত্ব দিয়া ছাছাৰ কমিটি ২০০৬ চনৰ ৩০ নভেম্বৰত প্ৰস্তুত কৰা প্ৰতিবেদনৰ কিয়দাংশ "According to the sachar Committee the Conditions facing by Indian Muslims are below that of Scheduled caste and Scheduled tribes in India" আমি আজি কোন দিশত ? আমি কিমানজনে অনুধাৱন কৰিছোঁ, আমাৰ আৰ্থিক, সামাজিক আচৰণ, ক'লা-কৃষ্টি, স্খলন হোৱা নাই নে? এটা অঞ্চলৰ গোষ্ঠী, জাতিৰ অধঃপতনে যেনেকৈ দেশৰ ক্ষতি সাধন হয় তেনেকৈ উন্নতিয়ে দেশৰ মঙ্গলও হয়। ভাৰতবৰ্ষ তথা অসমৰ সাম্প্ৰতিক পৰিস্থিতিত যি সকলৰ অৱস্থা, মান-সন্মান, আৰু ইজ্জত তুলনামূলক ভাৱে একেবাৰে নিম্ন। এই অৱস্থাৰ পৰা উদ্ধাৰ পাবৰ বাবে প্ৰত্যেকজন ব্যক্তিয়ে সজাগ হোৱাৰ প্ৰয়োজন। বৰ্তমান চলি থকা অনৈতিক কাম কাজ গুণগত শিক্ষাৰ প্ৰতি অমানিশা, কুসংস্কাৰ আদি দূৰ কৰি উঠি অহা প্ৰজন্মক গুণগত শিক্ষাৰে শিক্ষিত কৰি সুস্থ সবল সমাজ গঢ়াৰ বাবে সচেতন আৰু শিক্ষিত সমাজৰ দায়িত্ব অধিক। নিজৰ দক্ষতা আৰু ত্যাগৰ ফলত পৱিত্ৰ বৃত্তি শিক্ষক পদত নিয়োজিত হোৱা সকলৰ সাধনাত ছাত্ৰ-ছাত্ৰীক আদৰ্শবান আৰু গুণগত শিক্ষাৰ প্ৰতি আকৃষ্ট আৰু আগ্ৰহ সৃষ্টি কৰি সুনাগৰিক হিচাপ গঢ়ি নুঠালে সমাজৰ পৰিৱৰ্তন নহ'ব। সেই বাবে ভাষিক, ধৰ্মীয় সংখ্যালঘু অধ্যুষিত পিছপৰা এই অঞ্চলৰ ভৱিষ্যত প্ৰজন্মৰ উৎকৰ্ষ, উজ্জ্বল ভৱিষ্যত আৰু সুস্থ সমাজ গঢ়াৰ ক্ষেত্ৰত বহুজনৰ আকাংখিত, বহু ত্যাগৰ বিনিময়ত স্থাপন হোৱা একমাত্ৰ উচ্চ শিক্ষাৰ কেন্দ্ৰ ৰাজীৱ গান্ধী মেম'ৰিয়েল কলেজৰ ভূমিকা আমি অঞ্চলবাসীয়ে নিশ্চিত ভাৱে আশা কৰিলোঁ। লগতে সকলো স্তৰৰ ব্যক্তিয়ে নেতিবাচক ভূমিকাৰ পৰিৱৰ্তে ইতিবাচক ভূমিকা লৈ কলেজখনৰ লগতে বৃহত্তৰ লেংটিছিঙা অঞ্চলক শিক্ষাৰ প্ৰাণকেন্দ্ৰ হিচাপে গঢ়ি তুলিবলৈ বিনম্ৰভাৱে আহ্বান জনালোঁ।। ○

# আমাক এক গ্ৰন্থ আন্দোলন লাগে



ড° ধীৰেন শৰ্মা
জেষ্ঠ্য সহকাৰী অধ্যাপক
অভয়াপুৰী মহাবিদ্যালয়

গ্ৰন্থ মানৱ সভ্যতাৰ অপূৰ্ব আৱিস্কাৰ। মানুহৰ প্ৰজ্ঞা-সাধনা হ'ল ইয়াৰ সৃষ্টিৰ আধাৰ। গ্ৰন্থত সঞ্চিত হৈ থাকে কষ্টোপাৰ্জিত জ্ঞানৰ অক্ষয় ভাণ্ডাৰ। গ্ৰন্থ জাতীয় সংস্কৃতিৰ লিপিবদ্ধ দলিল আৰু অগ্ৰগতিৰ খতিয়ান। সভ্যতাৰ বিৱৰ্তন-উত্তৰণ, বিচিত্ৰ জনজীৱন, বৰণীয় লোক সংস্কৃতি, প্ৰকৃতি-মানুহৰ সম্পৰ্ক-সংঘাত-সহবাস আদি সমস্ত কথাকে ধৰি ৰাখিছে গ্ৰন্থই। গ্ৰন্থত খোদিত হৈছে অতীত শিপাৰ সন্ধান। খোদিত হৈছে ভৱিষৎ চিন্তাৰ বীজ।

যুগৰ দান ৰূপে বিবেচিত গ্ৰন্থ নিযুত বৰ্ষীয় মানৱ প্ৰগতিৰ জ্ঞানেৰে সমৃদ্ধ । সভ্যতাৰ চূড়ান্ত শিখৰত আৰোহন কৰা মানৱ সমাজৰ গৰিষ্ঠ সংখ্যক বিত্তহীন সাধাৰণ মানুহৰ সামৰ্থই ঢুকি পোৱা মৌলিক সম্পদবাজিৰ ভিতৰত গ্ৰন্থ উৎকৃষ্টতম্ । জীৱনৰ সকলো জটিল সমস্যা আৰু বিপদৰ সময়ত গ্ৰন্থই আমাক পথৰ সন্ধান দিয়ে। আত্মা আৰু পৰমাত্মাৰ সেতু বন্ধনেৰে গ্ৰন্থৰ মাজত বিদ্বৎ সমাজে বিচাৰি পায় জীৱনৰ অভিজ্ঞতা লব্ধ জ্ঞানৰ অমিয় সঁফুৰা। সেয়ে জীৱনৰ সত্য উপলব্ধি কৰাত বা সত্য-আধাৰিত জীৱন গঢ়াত গ্ৰন্থৰ অৰিহণা কোনেও নুই কৰিব নোৱাৰে।

এই কথাত কোনো দ্বিমত নহয় যে কেৱল মনৰ বুভুক্ষা মোচনতে ক্ষান্ত নাথাকি গ্ৰন্থই মানৱ সমাজক প্ৰদান কৰি আহিছে এক চিৰায়ত গতি। পৰিবৰ্তনৰ জটিলতাই সৃষ্টি কৰা অতি ব্যক্তিকেন্দ্ৰীক আৰু ভোগবাদী মানুহৰ মনো যে প্ৰশান্তিৰ নতুন জ্ঞানেৰে পৰিপুষ্ট হ'ব পাৰে উৎকৃষ্ট গ্ৰন্থ অধ্যয়নৰ জৰিয়তে, এই সত্য আজি আৰু কাৰো বাবে গোপন হৈ থকা নাই। আমাৰ চৌপাশে, গাতে লাগি থকা সেই অনিন্দ্য সুন্দৰ পৃথিৱী, য'ত বিচৰণ কৰি আমি দূৰ কৰিব পাৰো আমাৰ মানসিক নিঃসঙ্গতা, প্ৰত্যক্ষ কৰিব পাৰো স্বাভাৱিক আনন্দৰ হেৰোৱা সম্পৰ্ক আৰু ঘূৰাই পাব পাৰো 'বেসামাল' প্ৰযুক্তিয়ে গোপনে হৰণ কৰা আত্মা অনুসন্ধানৰ হাবিয়াস, তালৈ আমাক স্বচ্ছন্দে লৈ যাব পাৰে গ্ৰন্থই - ইও কাৰো অবিদিত নহয়।

চৌদিশে অনুভূত পৰিৱৰ্তনৰ মাজত সম্প্ৰতি সমাজ জীৱনলৈ এনে কিছুমান প্ৰত্যাহ্বানৰ আগমন ঘটিছে, যাৰ ফলত মানুহৰ মাজত ক্ৰমাৎ কমি আহিছে আত্মীয়তাৰ ভাৱ। গোষ্ঠীদ্বন্দ্ব, জাতিদ্বন্দ্ব আদি বিভিন্ন দ্বন্দৰ মাজত যেন ক্ৰমে অৱলুপ্ত হৈ

গৈছে প্ৰেম, মনুষত্ব আৰু সহনশীলতাৰ ভাব। অসন্তোষ বাঢ়িছে, বাঢ়িছে বিভেদ-বিভ্ৰান্তিৰ চোক। এই ক্ষয়িষ্ণু মানসিকতাৰ পৰিৱৰ্তন ঘটাবলৈ, আঁত হেৰুউৱা মানুহৰ এই আত্মঘাতী যাত্ৰা ৰুধিবলৈ যি কৰ্মসূচীৰ প্ৰয়োজন হ'ব তাৰ একাংশৰ দায়িত্ব অনায়াসে ল'ব পাৰে গ্ৰন্থই। বাণীৰ সাধক সাহিত্যিক সকলে এই ক্ষেত্ৰত বিশেষ ভাৱে ফলপ্ৰসু তথা আদৰণীয় পদক্ষেপ গ্ৰহণ কৰিব পাৰে। সাহিত্যৰ ভাষাৰে তেওঁলোকে দিক্‌ভ্ৰষ্ট মানুহক বিশুদ্ধ মাৰ্গৰ সন্ধান দিব পাৰে । বৌদ্ধিক বিপ্লৱৰ সূচনাৰ এই ঐতিহাসিক দায়িত্ব পালনেৰে তেওঁলোকে সাহিত্যত ৰোপণ কৰা বিপ্লৱী বীজৰ প্ৰভাৱ বিশাল বিভক্ত জনতাৰ ওপৰত পৰিলেই সাৰ পাৰ উঠিব এচাম ৰূপান্তৰকামী বিপ্লৱী । সাহিত্যত ৰোপিত এই বীজ জনতাৰ মাজলৈ বোৱাই নিয়াৰ মহান দায়িত্ব পালন কৰিব লাগিব গ্ৰন্থই। কাৰণ দিক্‌হাৰা মোহান্ধ জনতাক ৰূপান্তৰমুখী উৎকৃষ্ট তথা অমূল্য চিন্তাৰ সমভাগী হোৱাৰ সুবিধা গ্ৰন্থই যিমান সৰল আৰু দৃঢ়ভাৱে দিব পাৰে সেয়া আন কোনো মাধ্যম বা শক্তিৰ দ্বাৰা সম্ভৱ নহয়। সেয়ে গ্ৰন্থক এই বৌদ্ধিক আন্দোলনৰ উৎকৃষ্ট মাধ্যম ৰূপে গণ্য কৰাৰ কোনো সহজ বিকল্প অন্ততঃ সম্প্ৰতি আমাৰ হাতত নাই।

গ্ৰন্থৰ ইতিহাস সু প্ৰাচীন । গ্ৰন্থ প্ৰীতি মানৱ সমাজৰ এক প্ৰাচীন পৰম্পৰা। ভাৰতীয় সাহিত্যৰ আধাৰ স্বৰূপ চাৰিবেদ খৃষ্টপূৰ্ব ৫০০০-১০০০ অব্দৰ ভিতৰত ৰচিত বুলি কোৱা হৈছে। এই বেদৰ লগতে পৰৱৰ্ত্তী কালৰ উপবেদ, বেদাঙ্গ, তন্ত্ৰ, পুৰাণ-উপনিষদ, ইতিহাস, দৰ্শন আদি বিভিন্ন বিষয়ক ৰচনাৰ সংকলনেৰে ভাৰতীয় সাহিত্য এক গৌৰৱোজ্জ্বল ইতিহাসৰ অধিকাৰী। ইজিপ্ত, বেবিলন আদি সভ্যতাৰ ইতিহাসে ইয়াতোকৈ প্ৰাচীন গ্ৰন্থ সূত্ৰৰ বিষয়েও উনুকিয়াই । সমস্ত পৃথিৱীব্যাপী মানুহক মহান মানৱতাবোধেৰে উদ্বুদ্ধ কৰাৰ আকাংক্ষাৰে ইতিমধ্যে হেজাৰ হেজাৰ গ্ৰন্থ ৰচনা কৰা হৈছে। ইয়াৰ মাজত বিচ্ছিন্নতা আৰু ভ্ৰাতৃঘাতী সংঘাতক জীপাল কৰি ৰাখিব পৰা গ্ৰন্থও নথকা নহয় যদিও মনুষ্যত্ববোধক আশ্ৰয় কৰি শান্তিপূৰ্ণ গণতান্ত্ৰিক সহাৱস্থানৰ পৰিৱেশ গঢ়ি তোলাৰ আকাংক্ষাৰে ৰচিত গ্ৰন্থৰ সংখ্যাই অধিক।

গ্ৰন্থপ্ৰেমী সমাজ আজি গ্ৰন্থ বিজয় অভিযানৰ অংশীদাৰ। বিভিন্ন প্ৰান্তত অনুষ্ঠিত গ্ৰন্থমেলাবোৰ হ'ল গ্ৰন্থৰ বিজয় অভিযানৰ আৱয়ৱিক ফলশ্ৰুতি। আমাৰ সমাজত গ্ৰন্থমেলাৰ ইতিহাস বৰ দীঘলীয়া নহয় যদিও গ্ৰন্থৰ সংৰক্ষণ আৰু প্ৰদৰ্শনৰ এক প্ৰাচীন পৰম্পৰা আছে। জ্ঞান আহৰণৰ পদ্ধতি হিচাপে একালত আমাৰ সৰল সমাজ জীৱনত গ্ৰন্থৰ আদৰ সন্মান ইমানেই গভীৰ আছিল যে পুথি হিচাপে পৰিচিত বেদ , সংহিতা , পুৰাণ, গীতা , ভাগৱত, নামঘোষা আদি গ্ৰন্থ সমূহ কাপোৰেৰে সযতনে মেৰিয়াই পোক - পৰুৱাৰ পৰা নিৰাপদে ৰখাৰ মানসেৰে ধোৱা চাঙত তুলি থোৱা হৈছিল। এই পৰম্পৰাৰ চলতি গ্ৰামাঞ্চলত আজিও বৰ্তমান।

গ্ৰন্থৰ শৰীৰৰূপী সাহিত্যৰ চৰিত্ৰ পৰিৱৰ্তনশীল । আমাৰ দেশৰ সাহিত্যৰ সুপ্ৰাচীন নিদৰ্শন হ'ল ঋক্ বেদ । সৃষ্টি , স্থিতি, প্ৰকৃতি, পুৰুষ, দেৱ-দেৱী আদিৰ বৰ্ণনা বিশিষ্ট এই ঋক্ তথা আন

চাৰিবেদৰ পিছত সৃষ্টি হ'ল উপখ্যান, পুৰাণ, উপপুৰাণ আদি বহমূলীয়া গ্ৰন্থবোৰৰ। ত্যাগ, ধ্যান, যজ্ঞ, বৰ্ণ আদিৰ বৰ্ণনা সমৃদ্ধ এই গ্ৰন্থৰাজিৰ পিছত আহিল অনুকৰণীয় বীৰ-বীৰাংগণা, ৰজা-মহাৰজাৰ কাহিনী সম্বলিত মহাকাব্য আৰু তাৰো পিছলৈ গল্প-উপন্যাসৰ যুগ। সম্প্ৰতি সাহিত্যত যৰ্থাৰ্থভাৱেই উজ্বলি উঠিছে সৰ্বহাৰা মানুহৰ জীৱন। এয়াই সময়। চেতনাশীল আবেদনেৰে মানৱ প্ৰগতিৰ এক ৰূপান্তৰকামী আন্দোলন গঢ়ি তোলাৰ বাবে এয়াই উপযুক্ত সময়। কেনে হ'ব পাৰে এই আন্দোলনৰ চৰিত্ৰ?

গ্ৰন্থ আন্দোলন। আমাক এক গ্ৰন্থ আন্দোলন লাগে। সমাজ জীৱনৰ প্ৰতিটো কথাকে, প্ৰতিটো সমস্যাকে, বহল সংহতিৰ দৃষ্টিৰে চাব পৰা লেখনি সমৃদ্ধ গ্ৰন্থ, দ্ৰুত গতিত পৰিবৰ্তিত পৃথিৱীৰ সুলভ খবৰ আৰু উপেক্ষিত সাধাৰণ মানুহৰ সৰল জীৱন পথ নিৰ্দেশনা থকা গ্ৰন্থ তথা অতীত জ্ঞান-গৰিমাৰ প্ৰেৰণাবিটৌত লিখনিবিশিষ্ট গ্ৰন্থৰ এক বৌদ্ধিক আন্দোলন আজি আমাৰ নিত্যান্ত প্ৰয়োজন। যি বাটেৰে অদম্য উৎসাহেৰে দূৰ অতীতত এদিন মানুহে বুলিছিল সভ্যতাৰ বাট, উত্তৰণৰ সেই দুৰন্ত আকাংক্ষাৰ স্মৃতি ৰোমন্থনেৰে আজিৰ ভোগ উচ্ছ্বাসী মানুহক শিঁহৰিত কৰিবলৈ আমাক প্ৰয়োজন এক নতুন বৌদ্ধিক আন্দোলনৰ । আমাৰ ঐতিহ্য, নীতি আৰু যুক্তিৰ আধাৰত গঢ়িত গঠিত প্ৰগতিশীল লেখক,প্ৰকাশক আৰু পাঠক সমাজেই ধৰিব লাগিব এই অমিত আন্দোলনৰ গুৰি।

লেখক, প্ৰকাশক আৰু পাঠক। অংগ সদৃশ এই তিনিটা মুল উপাদানেৰে সংৰচিত হয় গ্ৰন্থৰ পূৰ্ণাংগ শৰীৰ। এই তিনি উপাদানৰ মাজত থকা নিবিড়তাৰ মানদণ্ডতে প্ৰতিফলিত হয় গ্ৰন্থৰ প্ৰকৃতি । ইয়াৰে এটি অংগৰো দুৰ্বলতাই সন্দিহান কৰি তোলে গ্ৰন্থৰ লক্ষ্য। গতিকে দ্বিমত নাই যে সফল গ্ৰন্থ সৃষ্টি বা প্ৰণয়নৰ ক্ষেত্ৰত আনুষ্ঠানিক তথা উমৈহতীয়া উদ্যোগ একান্ত প্ৰয়োজনীয়। দেখা গৈছে যে গ্ৰন্থ সম্পৰ্কত মানুহৰ ৰুচি আৰু অনুভূতিৰ ক্ৰমোন্নতি ঘটিছে। গ্ৰন্থ একোখনৰ শৈল্পিক মান, বক্তব্য মূল্য, অৰ্থমূল্য আদি কথাবোৰে পাঠকক তাৎক্ষণিকভাৱে প্ৰভাৱিত কৰে। গতিকে পুৰণিকালৰ সেই কষ্ট সাধ্য সাঁচিপতীয়া তুলাপতীয়া পুথিৰ পৰা দীৰ্ঘ পৰিক্ৰমাৰ অন্তত উপলব্ধ আজিৰ দ্ৰুত আৰু সহজসাধ্য 'কম্পিউটাৰাইজড্ অফছেট'ত মুদ্ৰিত গ্ৰন্থৰ দিনত অতিশক্তি সম্পন্ন ঐশীকেন্দ্ৰিক বিষয়ৰ পৰা আহি সাধাৰণ মানৱকেন্দ্ৰিক বিষয়ত গ্ৰন্থ নিমজ্জিত হোৱা এই পৰিবৰ্তনশীলতাৰ যুগত, প্ৰতিদ্বন্দিতাৰ যুগত উপৰোক্ত দিশ সমূহৰ প্ৰতি লক্ষ্য ৰাখি লেখক, প্ৰকাশকে গ্ৰন্থ ৰচনা তথা প্ৰকাশ কৰিলে আমাৰ আকাংক্ষিত গ্ৰন্থ আন্দোলনে এক নতুন ছন্দ লাভ কৰিব বুলি আশা কৰিব পাৰি।

একালত মানুহে প্ৰয়োজনীয় কিতাপ বিচাৰি দূৰলৈ যাব লগা হৈছিল। স্কুলীয়া বা ধৰ্মীয় পুথি কিনিবলৈ গাঁৱলীয়া মানুহে দূৰৰ চহৰ বা সাপ্তাহিক হাটলৈ যাব লাগিছিল। ভ্ৰাম্যমান গ্ৰন্থমেলাৰ বোকোচাত উঠি অহা কিতাপ এতিয়া গ্ৰামাঞ্চলৰ শিক্ষানুষ্ঠান, ক্লাব আদিত সহজলভ্য হৈ

পৰিছে। থলুৱা প্ৰকাশকৰ গ্ৰন্থ সমূহৰ লগতে সাত সাগৰ তেৰ নদীৰ সিপাৰৰ গ্ৰন্থ প্ৰকাশকে দেশ বিদেশৰ পৰা কঢ়িয়াই অনা মূল্যৱান গ্ৰন্থৰাজি বছৰৰ বিভিন্ন সময়ত ৰাজ্যখনৰ বিভিন্ন নগৰ চহৰত অনুষ্ঠিত গ্ৰন্থমেলাবোৰত স্থানীয় ৰাইজে বেহাই মূল্যত সহজতে পোৱাৰ ব্যৱস্থা হৈছে। স্থানীয় পুথি প্ৰকাশক, বিক্ৰেতা সকলৰ সংগঠন, স্থানীয় উৎসাহী ৰাইজ তথা চৰকাৰী উদ্যোগত অনুষ্ঠিত এই গ্ৰন্থমেলাবোৰে যেন আমালৈ কঢ়িয়াই আনিছে এক সম্ভাৱনাৰ আনন্দ। লেখক, প্ৰকাশক আৰু গ্ৰন্থমেলা আয়োজকৰ এই মহৎ আয়োজন সাৰ্থক কৰি তুলিবলৈ হ'লে সাধাৰণ জনতাৰো মনত জাগৰিত হ'ব লাগিব প্ৰচুৰ অধ্যয়ন স্পৃহা। চৰকাৰ, বিভিন্ন স্বেচ্ছাসেৱী সংগঠন, শিক্ষানুষ্ঠান কৰ্তৃপক্ষ, গ্ৰাম্য পুথি ভঁড়াল সমূহ, ছাত্ৰ-ছাত্ৰীৰ অভিভাৱক তথা সমাজৰ চেতনাশীল ব্যক্তি সকলৰ আন্তৰিক প্ৰচেষ্টাৰে সাধন হ'ব পাৰে এই কৰ্ম।

গ্ৰন্থৰ জয়যাত্ৰাত অনুবাদেও অৰিহণা যোগাইছে। অনুবাদৰো এক পুৰণি ইতিহাস আছে। খ্ৰীষ্টীয় সপ্তম শতিকাতে হিউয়েন চাঙে বিভিন্ন ভাষাৰ ৭৪ খন গ্ৰন্থ চীনা ভাষালৈ অনুবাদ কৰিছিল। সাহিত্যত অনুবাদৰ প্ৰচলন তাৰো আগৰ হ'ব পাৰে বুলি বিভিন্ন পণ্ডিতে অনুমান কৰিছে। কুৰি শতিকাত অনুবাদ শিল্পই উল্লেখনীয় ব্যাপ্তি লাভ কৰিছে আৰু ই মানৱ সমাজৰ চিন্তাৰ প্ৰব্ৰজনৰ প্ৰক্ৰিয়াটোতেই এক বিপ্লৱৰ সূচনা কৰিছে। অনুবাদে গুৰুত্ব লাভ কৰাত সম্প্ৰতি সাহিত্যই দেশ কালৰ সীমা পাৰ হৈ তাৰ সাৰ্বজনীন সৌন্দৰ্যৰ দিশটোৰ প্ৰতি সকলোকে আকৰ্ষণ কৰিছে। অসমীয়া গ্ৰন্থৰ বিপণীতো এতিয়া অনুবাদৰ জনপ্ৰিয়তা পৰিলক্ষিত হৈছে। অসমীয়া লেখক সকলে তেওঁলোকৰ মৌলিক ৰচনাৰ লগতে অনুবাদৰ প্ৰতি আৰু অধিক মনোযোগ দিব লাগিব। বিশ্বৰ বিভিন্ন প্ৰান্তৰ চেতনাশীল আৰু চিন্তা উদ্ৰেককাৰী মহৎ লেখা সমূহৰ অনুবাদেৰেও চহকী কৰিব লাগিব আমাৰ গ্ৰন্থৰ ভঁড়াল।

বিজয় যাত্ৰাৰ সময়তো কিন্তু গ্ৰন্থৰ ভৱিষ্যৎ শংকা-মুক্ত নহয়। গ্ৰন্থমেলাৰ বিপণীত কেতিয়াবা এই সত্য সৰলভাৱেই উন্মোচিত হৈ যায়। অৱশ্যে কেৱল পুথি বেচা কিনা কৰাই গ্ৰন্থমেলাৰ লক্ষ্য হ'ব নোৱাৰে। গ্ৰন্থ ৰচনাৰ ন ন দিশৰ প্ৰতি লেখক, সাহিত্যিকক আকৰ্ষিত কৰাও গ্ৰন্থমেলাৰ আন এক মহৎ উদ্দেশ্য। গ্ৰন্থৰ ভৱিষ্যৎ শংকাৰ সৈতে একাধিক আৰ্থ সামাজিক দিশ জৰিত হৈ আছে। স্বাধীনতাৰ ছয় দশক পিছতো দেশৰ প্ৰায় আধাখিনি মানুহেই দৰিদ্ৰ, নিৰক্ষৰ আৰু ঘৰবাৰীহীন। পুৱাৰ পৰা ৰাতি এভাগলৈ কেৱল ভাত-কাপোৰৰ চিন্তাত পাৰ কৰিব লগা এইখিনি মানুহৰ বাবে গ্ৰন্থ নিত্যান্তই বিলাসীতা। সৰ্বশিক্ষা আদি প্ৰচাৰ বহুল আঁচনিৰে গাণিতিকভাৱে শিক্ষিতৰ সংখ্যা বাঢ়িছে যদিও গ্ৰন্থপ্ৰেমীৰ সোৱাদ ল'ব পৰাকৈ আজিও শিক্ষিত হোৱা নাই আমাৰ সমাজৰ এক বুজন অংশ। আমাৰ ৰাজ্যৰ প্ৰায় এক দশমাংশ লোক মধ্যবিত্ত। সমাজৰ সাহিত্য সংস্কৃতি, ৰাজনীতিৰ মূল কাণ্ডাৰীৰূপে চিহ্নিত এই মধ্যবিত্ত সকলৰ গৰিষ্ঠ সংখকেই আত্মকেন্দ্ৰীক আৰু ব্যক্তিত্ববাদী। চহা গণজীৱনৰ পৰা বৈশিষ্ট্য পূৰ্ণ এক পৃথক সত্বা প্ৰতিপন্ন কৰিবলৈ

এওঁলোকে যাপন কৰে কৃত্ৰিম জীৱন। আমাৰ দেশৰ ক্ৰমবৰ্দ্ধিত জনমুৰি আয়ৰ আধাৰ বিশাল জনগণ নহয়। সাধাৰণ জনতাৰ বিপৰীতে মাথো মহাজন, জমিদাৰ , মন্ত্ৰী, সাংসদ, বিধায়ক, আমোলা আদি এমুঠি পুঁজিপতি ব্যক্তিৰ হিচাপতহে বাঢ়িছে আমাৰ জনমুৰি আয়। এনে এক জটিল শ্ৰেণী সমাজত গ্ৰন্থৰ পৰিপূৰ্ণ সমাদৰ আশা কৰিব নোৱাৰি। গৰিষ্ঠ সংখ্যক আত্মকেন্দ্ৰীক শিক্ষিত মধ্যবিত্তই গণ সম্পৰ্ক পৰিহাৰ কৰি চলে। এনে ব্যৱস্থাৰ যৱনিকা নপৰিলে আমাৰ সাহিত্য সংস্কৃতি আৰু গ্ৰন্থৰ বিকাশ সম্ভৱ নহ'ব। শ্ৰেণী সমাজ শোষণৰ ভাতঘৰ। শোষণহীন সমাজতহে গ্ৰন্থৰ প্ৰকাশ বাঢ়িব, সমাদৰ বাঢ়িব, লেখক-প্ৰকাশক লাভৱান হ'ব। ইলেক্‌ট্ৰনিক্ মাধ্যমৰ বৰ্দ্ধিত জনপ্ৰিয়তাই গ্ৰন্থৰ মৃত্যু মাতি আনিব বুলি ভবা হৈছিল যদিও বিগত চমু অতীতত সেই ধাৰণাক অমূলক বুলি প্ৰমাণ কৰিলে গ্ৰন্থই নিজে। ইলেক্‌ট্ৰনিক্ মাধ্যম বা ইন্টাৰনেটে গ্ৰন্থৰ সমাদৰ কমাব নোৱাৰে। ব্যাপক জনগণ শিক্ষিত হ'লে, অৱসৰ বিনোদনৰ সময় থাকিলে, হাতত প্ৰয়োজনীয় ধন থাকিলে সজ মনৰ মানুহে কিতাপ নপঢ়ি কৰিব কি ?

যিকি নহওক আমাৰ বাবে আনন্দৰ কথা এইয়ে যে প্ৰবল প্ৰাকৃতিক দুৰ্যোগ, ভয়ংকৰ যুদ্ধ, শ্ৰেণী সমাজৰ আঘাত আৰু আধুনিক প্ৰযুক্তিৰ শক্তিশালী বাধা নেওচি গ্ৰন্থই অব্যাহত ৰাখিছে নিজৰ জয়যাত্ৰা । সভ্যতাৰ ধাৰক আৰু বাহকৰূপে বহু যুগ আগতে চিহ্নিত গ্ৰন্থই সেই একেই চৰিত্ৰ আৰু স্বীকৃতি আজিও অক্ষুন্ন ৰাখিবলৈ সমৰ্থ হৈছে ।

গ্ৰন্থ দূৰ- বাগিছাৰ পৰা বতাহত উটি- অহা ক্ষণিকৰ সুবভি নহয়। বৰং দীৰ্ঘস্থায়ী সুগন্ধি সম্ভাৰেৰে মহিমামণ্ডিত কস্তুৰীৰ লগতহে তুলনা কৰিব পাৰি ইয়াৰ মৌলিকতা । গ্ৰন্থ সান্ধ্যসূৰ্যৰ কিৰণত জিলমিলাই উঠা স্থিতিহীন জলতৰংগৰ দৰে নহয়, বৰং অতুল অনন্য মাতৃৰ দৰে মমতাময় ইয়াৰ স্থিতি, বুকুৰ অমৃতেৰে সৃষ্টিক জীয়াই ৰখাই যাৰ কাম। সভ্যতাৰ স্মাৰক ভাষা- সাহিত্য - সংস্কৃতিক গ্ৰন্থই প্ৰদান কৰে প্ৰাণ, মান আৰু প্ৰগতিৰ জখলা। সভ্যতাৰ প্ৰাচীনতা,সংস্কৃতিৰ বিশালতা, ঐতিহ্যৰ প্ৰাচুৰ্য তথা জ্ঞানৰ গভীৰতা সমাজ জীৱনৰ এই সমস্ত পাৰ্থিৱৰ উৎস বিচাৰি আমি চলাথ কৰো কল্পক্ৰম গ্ৰন্থ। কোনে কেতিয়া কি ৰচনা কৰি আমাৰ ভাষা - সাহিত্যক প্ৰতিষ্ঠা কৰি গ'ল, কোনে কেতিয়া কি ত্যাগ আৰু কীৰ্তিৰে আমাৰ অতীত গৰিমা গঢ়ি গ'ল বা কোনে কেতিয়া কেনেকৈ উত্তোলন কৰিলে আমাৰ সুপ্ৰাচীন ঐতিহ্যৰ ধ্বজা-এই সমস্ত বিষয় বৈভৱৰ অভিজ্ঞান বহন কৰে গ্ৰন্থই। এই মহৎ চৰিত্ৰৰাজিৰ আধাৰতে আজি গ্ৰন্থই বুলিছে বিজয়ৰ বাট । ❍

*কৃতজ্ঞতা*
*শশী শৰ্ম্মা*
*ৰাজেন ৰাভা*
*হাইদৰ হুছেইন*
*বন্তি চক্ৰবৰ্ত্তী*
*আৰু আবুল হুছেইন*

# বিশ্ববিশ্ৰুত এখন উপন্যাসৰ এটা সংলাপ



**অশ্বিনী দাস**
৯৯৫৪৩৭৫৫১৯

'It is silly not to hpoe , he thought. Besides I believe it is a sin.' জীৱনৰ এক দুৰতিক্ৰম্য সংকটকালত কাৰ চিন্ময়ত ভুমুকি মাৰিছিল এই ফলিৰত কথাষাৰে, যি কথাষাৰ হৃত উদ্যম পুনৰ আহৰণ আৰু প্ৰেৰণাৰ অনন্য চানেকি হৈ পৰাৰ গৰিমাৰে প্ৰোজ্বল? অৱশ্যে 'কাৰ চিন্ময়ত' বুলি প্ৰশ্নৰ অৱতাৰণা কৰা হলেও প্ৰকৃতাৰ্থত সেই ব্যক্তি বিশেষৰ পৰিচিতিয়ে গুৰুত্বপূৰ্ণ হিচাপে বিবেচিত নহয়। সংশ্লিষ্ট ব্যক্তি বা চৰিত্ৰ বিশেষক অতিক্ৰম কৰি কথাষাৰত এনে কোনো জিজ্ঞাস্য অৰ্থ আৱিস্কাৰ নহ'বনে, যাৰ অন্বেষণ সুচনা কৰাৰ পাছত জিজ্ঞাসাৰ ন-ন দুৱাৰ উন্মোচিত হ'ব পাৰে? তদুপৰি মানুহৰ দ্বাৰা কৃত সকলো কাৰ্য বা চিন্তাপ্ৰসুত বাণী নিৰ্গমণৰ একোটা পশ্চাদভূমি থাকে ; এই পশ্চাদভূমি বা পাৰিপাৰ্শ্বিক অৱস্থাটোৱেহে কোনো কাৰ্য বা ব্যক্তি বিশেষক আনৰ দৰ্শনীয় ৰূপে পৃথক বা মহীয়ান কৰি তোলে। পৰ্যাপ্ত পৰিমাণৰ পানীৰ উৎস হাতেৰে ঢুকি পোৱা নিচেই কম দুৰত্বত থাকি পূৰ্ণকুম্ভও গুৰুত্বপূৰ্ণ বুলি বিবেচিত নহ'ব পাৰে ; কিন্তু পানীৰ উৎসৰ পৰা দুৰাতিক্ৰম্য নিলগত থকা তৃষ্ণাতুৰজনৰ বাবে এঢোক খোৱাপানীও প্ৰাণপদ বা প্ৰাণসঞ্চাৰক ৰূপে বিবেচিত হ'ব পাৰে। বিজুলীবাতিৰে জক্‌মকাই থকা নগৰ চহৰৰ ৰাজপথত হঠাতে জিলিকি উঠা আকাশৰ বিজুলিৰ চিক্‌মিকনিয়ে অমাৱস্যাৰ নিশাও কোনো গুৰুত্ব লাভ নকৰিব পাৰে ; কিন্তু গভীৰ অৰণ্যৰ মজত গছলতিকাই আৱৰা লুংলুঙীয়া বাটত তেনে এচমকা বিজুলীৰ চিক্ মিকনিয়ে নিশাৰ অন্ধকাৰত আৰ্তজনক দিব পাৰে গন্তব্যস্থান অভিমুখে আগবাঢ়িবলৈ নিৰ্দিষ্ট পথটো নিৰূপণৰ সঠিক নিৰ্দেশ। অথাৎ আমি ক'ব খোজা কথা এইটোৱে যে কোনো কাৰ্যৰ উপযোগিতাৰ মান বা গুৰুত্বৰ পৰিমাপক হৈছে - সেই কাৰ্য বা সংঘটনৰ পশ্চাদভূমি আৰু পাৰিপাৰ্শ্বিক অৱস্থাটোহে। গ্ৰীষ্মকালত ৰৌদ্ৰদগ্ধ দেহমন জুৰ পেলাবলৈ সন্ধিয়াপৱৰ সমীৰণ অতি আকাংক্ষিত ; কিন্তু শীতকালৰ সন্ধিয়া তেনে বতাহৰ স্পৰ্শৰ পৰা আমি পাৰ্যমানে আঁতৰি থাকো। ইয়াতো সময় বা কালৰ সৈতে সম্পৃক্ত হৈ থাকে পাৰিপাৰ্শ্বিক অৱস্থাৰ বিষয়টো।

এতিয়া অহা হওক- 'It is silly not to hpoe ....' কথাষাৰলৈ। প্ৰতি গৰাকী মানুহৰ ক্ষেত্ৰতে সত্যৰূপে পৰিদৃষ্ট নহ'লেও মানুহে জীৱন সংগ্ৰামত সময় বিশেষে পাৰকূল নোপোৱা সংকট বা দুৰ্যোগৰ সন্মুখীন হোৱাটো সঁচা ঘটনা ; কিন্তু তেনে সংকট বা দুৰ্যোগ কালত প্ৰতিকূল অৱস্থাৰ বিৰুদ্ধে যুঁজিবলৈ নিজকে সম্পূৰ্ণ অক্ষম বুলি বিনাযুদ্ধে ৰণত পৰাৰ মানসিকতা হৈছে চৰম

নিৰ্বুদ্ধিতাৰ পৰিচায়ক। জয় বা সাফল্য লাভ কৰিব নোৱাৰা নতুবা কোনো সংকটৰ পৰা পৰিত্ৰাণৰ উপায় উদ্ভাৱনত ব্যৰ্থ হোৱাটো তথাকথিত অৱধাৰিত দুৰ্ভাগ্য নহয় ; আত্মবিশ্বাস আৰু বিবেক বুদ্ধিৰ দীনতাৰ প্ৰকাশহে। সুফল লাভৰ আশাৰ পৰা মনক বঞ্চিত কৰি ৰখাটো বন্ধ্যা মগজুৰ মুৰ্খালিৰ বাদে আন একো নহয়। জীৱনৰ বাবে খুচৰিব লগা এই সংসাৰত নাই জানো একো ; যিটোৱে এজনৰ জীৱনৰ বাবে নতুন দিগন্ত উন্মোচিত কৰি সূচনা কৰিব পাৰে সাফল্যৰ পৰিপূৰ্ণতাৰে এক বৰ্ণিল জীৱনৰ এক নতুন অধ্যায়? সুধীজনৰ পৰা কঢ়িয়াই আনিব পাৰে প্ৰশংসাৰ উপচাৰ আৰু প্ৰতিবন্ধীজনলৈ সিঁচি দিব পাৰে সহজে নিৰ্বাপিত নোহোৱা ঈৰ্ষাৰ জুইশিখা? ইমানলৈ উত্তৰণ নঘটিলেও অন্ততঃ আত্মসন্তুষ্টি আৰু পৰিতৃপ্তিৰ পূৰ্ণতাত অৱগাহন হ'বগৈ স্বস্তি আৰু প্ৰশমনৰ অতুলনীয় আত্মিক উপলব্ধি। 'It is silly not to hpoe ....' কথাষাৰলৈ লক্ষ্য কৰিলে আমাৰ মানসপত উদ্ভাসিত হৈ উঠে বিশ্ববিশ্ৰুত এখন উপন্যাসৰ নায়ক, দুৰ্লংঘ্য প্ৰতিকূল অৱস্থায়ো সেও মনাব নোৱাৰা বৃদ্ধ মাছমৰীয়াজনে আত্মবিশ্বাসক পৰিণতিলৈকে ফলিয়ত কৰি তোলাৰ অবিৰত আৰু অন্তহীন সংগ্ৰামৰ এখন অনুপম চিত্ৰ। সাগৰত মাছ মাৰিবলৈ গৈ সম্পূৰ্ণ চৌৰাশী দিন বিফলতাকে একমাত্ৰ লগৰী ৰূপে লৈ প্ৰত্যাৱৰ্তন কৰা বৃদ্ধ মাছমৰীয়া তথা উপন্যাসৰ নায়কজনে অৱশেষত বৃহৎ সাফল্য লাভৰ স্বাক্ষৰ ৰূপে এটা প্ৰকাণ্ড মাৰ্লিন মাছ চিকাৰ কৰি টুলুঙা নাওখনেৰে টানি টানি পাৰলৈ অগ্ৰসৰ হৈছিল যুক্তিসন্মত উল্লাসেৰে ; কিন্তু মাছটোক লৈ সপোন আঁকা মাছমৰীয়াজনে সাগৰৰ বুকু ফালি টানি আনি থকা মাছটোক খাদক ছাৰ্কৰ পৰা বচাবলৈ লিপ্ত হ'ব লগা হৈছিল সাগৰৰ বুকুত এক মৰণপন যুঁজত আৰু সেই যুঁজত অন্তিম অস্ত্ৰপাতো হেৰুৱাব লগা অৱস্থাত সাফল্যৰ আশা পৰিত্যাগ কৰা নাছিল। সেয়ে হয়তো বিশ্ব সাহিত্যৰ অত্যুজ্জ্বল মালাধাৰৰ এটা মুকুতা স্বৰূপ আৰ্নেষ্ট হেমিংওৱেৰ মহৎ সৃষ্টি 'The old man and the Sea' উপন্যাসখনৰ হিংস্ৰ ছাৰ্কৰ বিৰুদ্ধে যুঁজি অসহায় হৈ পৰা মুহূৰ্তত লেখকৰ ৰূপত জিলিকিছিল 'It is silly not to hpoe, he thought ...' যাক প্ৰেৰণাৰ বিৰল চানেকি বুলি অভিমত দিবলৈ আমি কোনোৰে অকনো দ্বিধাবোধ নকৰো। এইখিনিতে উল্লেখ কৰা সমীচীন হ'ব যে মাৰ্কিন উপন্যাসিক আৰ্নেষ্ট মিলেৰ হেমিংওৱেলৈ নবেল বঁটা কঢ়িয়াবলৈ সমৰ্থ হোৱা 'The old man and the Sea' উপন্যাসখনৰ অকল এই বাক্যটোহে উল্লেখনীয় বুলি অভিমত দিবলৈ গৈ প্ৰমাদৰ অপবাদ লবলৈও আমি প্ৰস্তুত হৈ থকা নাই ; বৰঞ্চ উপন্যাসখনত জিলিকি থকা অলেখ কথাৰ মাজৰ পৰা বুটলি অনা এটি সৰল উদাহৰণ বুলি ক'বলৈহে আমি আগ্ৰহী।

এই ক্ষেত্ৰত এনে প্ৰসংগ বিচাৰিলে অন্যান্য মহৎ সৃষ্টিৰ মাজতো অলেখ পোৱা যাব। মহাকাব্য ৰামায়ণৰ কাহিনীত লক্ষ্মণ শক্তিশেলত পৰাৰ লগে লগে ৰাম যদি হতাশাৰ বলি হৈ ভাগি পৰিলেহেতেঁন ; নতুবা ৰাম লক্ষ্মণ নাগপালত আৱদ্ধ হোৱাৰ লগে লগে হনুমান, সুগ্ৰীৱ আৰু বিভীষণে ৰণক্ষেত্ৰৰ পৰা পৃষ্ঠভংগ দিলেহেঁতেন, সীতাৰ কি গতি হ'লহেঁতেন? মহাকাব্য ইলিয়াডত বল প্ৰয়োগেৰে ট্ৰয় নগৰীত প্ৰৱেশৰ কোনো উপায় উদ্ভাৱন কৰিব নোৱাৰি যদি গ্ৰীক সৈন্যসকল যুদ্ধ পৰিত্যাগ কৰি স্বদেশলৈ প্ৰত্যাৱৰ্তন কৰিলেহেঁতেন, হেলেন ট্ৰয় নগৰীত চিৰদিন আৱদ্ধ হৈ থকাৰ অপবাদ কেনেকৈ মোচন হলহেঁতেন?

গতিকে শিল্প স্রষ্টাই আমাৰ বাবে অকল উপাদেয় শিল্প সৃষ্টিয়ে কৰা নাই ; চৰিত্ৰবোৰৰ মাজত অংকণ কৰিছে এক বিশেষ জীৱন দৰ্শন- যি জীৱন দৰ্শন হ'ব পাৰে কল্যাণময় জগত সৃষ্টিৰ পথ নিদৰ্শক। কলাকাৰ সকলে সৃষ্টি কৰা কলা শিল্প বা কাল্পনিক চৰিত্ৰবোৰেই নহয়, অনুৰূপ দৃষ্টান্ত মানৱ ইতিহাসতো বাস্তৱ চৰিত্ৰৰূপে অলেখ আছে, যি চৰিত্ৰ স্বগৰিমাৰে জিলিকি আছে। অৱশ্যে অন্যমত এটাৰ উত্থাপন অস্বাভাৱিক নহয় আৰু তেনে মতৰ সমৰ্থনত উনুকিয়াব পাৰে ইবছেনৰ 'An Enemy of the people' নাটকৰ ডাক্তৰ ষ্টকমেন চৰিত্ৰটোৰ কৰুণ পৰিণতিৰ কথা। দুৰ্নীতি আৰু স্বাৰ্থান্বেষী সকলৰ মুখা উন্মোচন কৰিবলৈ গৈ প্ৰতিক্ৰিয়াশীল চক্ৰৰ হাতত নিঃশেষ হৈ গৈছিল ষ্টকমেন। নীতিৰ সৈতে কোনোদিনে আপোচ কৰিবলৈ মান্তি নোহোৱা সৎ ষ্টকমেন ষড়যন্ত্ৰৰ বলি হৈছিল। কিন্তু ইয়াতো আমি দেখিবলৈ পাওঁ- ষ্টকমেন আৰু পৰিয়ালৰ সদস্য সকলৰ জীৱনলৈ দুৰ্বিসহ দুৰ্যোগ নামি আহিলেও নাট্যকাৰ ইবছেনৰ সুনিপুন কাপত ষ্টকমেনৰ মহত্ব অতি সুন্দৰকৈ উজ্জ্বল হৈ উঠিছে। পাঠক বা অভিনয় কালত দৰ্শকৰ হৃদয় শোকত বিগলিত হ'লেও, জনতাৰ কল্যানৰ হকে যুঁজৰ সৈনিক ৰূপে আসন লাভ কৰি থাকে পাঠক বা দৰ্শকৰ মানসপটত।

প্ৰকৃততে বিফলতাৰ পৰ্বতবোৰৰ বুকুতে কৰবাত সোণালী আখৰেৰে খোদিত থাকে সাফল্যৰ সংগোপন মন্ত্ৰফাকি ; যি মন্ত্ৰৰ ভাগ্যবান আৱিস্কাৰক ৰূপে সকলোৰে স্বীকৃতি পোৱাটো সম্ভৱ নহ'লেও, সীমাহীন ক্লেশ যন্ত্ৰণাকে আওকাণ কৰি বিৰামহীন প্ৰচেষ্টাত ব্ৰতী হোৱাজনৰ ডিঙিত বিজয়ৰ বৰমাল্যই শোভা কৰাটোও বাস্তৱ সত্য। ১৯৫৩ চনৰ ২৯ মে'ৰ পুৱা ১১-৩০ বজাত নেপালৰ টেনজিং নৰ্গে আৰু নিউজিলেণ্ডৰ এড্‌মাণ্ড্ হিলাৰীয়ে এভাৰেষ্ট শৃংগ বিজয় কৰি বিশ্ববাসীক চমৎকৃত কৰাৰ পূৰ্বে বহুতো পৰ্বতাৰোহনকাৰী বিফল হোৱাই নহয়, তাৰ মাজৰে কিছু লোকে তুষাৰাবৃত হিমালয়ৰ বুকুতে মৃত্যুক আঁকোৱালি লৈছিল। মেৰু অভিযানতো বহু অভিযানকাৰীয়ে অসম্পূৰ্ণ অভিযানেৰে প্ৰত্যাবৰ্তন কৰিবলৈ বাধ্য হৈছিল, অথবা মেৰুৰ বুকুতে অভিযান কৰিছিল অন্তিম শয়ন। তথাপি মৃত্যুৰ ভয়ত অভিযান স্তব্ধ হৈ পৰাৰ দৰে দুৰ্ভাগ্যৰ সাক্ষী আমি আজিকোপতি হোৱা নাই ; বিপৰীতে নিৰৱচ্ছিন্ন অভিযানৰ প্ৰৱাহহে আমি দেখিবলৈ পাই আহোঁহক। ভাৰতৰ স্বাধীনতাকাংক্ষী জনগণৰ মাজৰ পৰা বহু অমূল্য জীৱনৰ পৰিসমাপ্তি ঘটাইছিল উপনিবেশিক শাসক শোষক ইংৰাজৰ ফাঁচীকাঠৰ জিঘাংসাই। মানৱতা বিসৰ্জন দি লুণ্ঠণত মতলীয়া ইংৰাজৰ ফাঁচীকাঠ বা বন্দুকৰ গুলী আৰু কাৰাবাসৰ ভয়ত নিৰ্বাপিত হোৱা নাছিল স্বাধীনতাৰ আকাংক্ষাই সৃষ্টি কৰা সংগ্ৰামী সত্বাৰ অগ্নিশিখা। অকল ভাৰতৰ জনগণেই নহয়, উপনিবেশিক শাসন শোষণৰ হাতোৰাত আৱদ্ধ হৈ থকা চীন, ভিয়েটমান আদিৰ দৰে বিশ্বৰ বহুতো দেশৰ জনগণে স্বাধীনতাৰ কামনাৰে লিপ্ত হৈছিল বা হৈ আছে মৰণপন যুঁজত।

এবকলা উদাহৰণৰ জৰিয়তে আমি ক'ব খোজা কথা এইটোৱে যে অন্য প্ৰাণীৰ পৰা নিজকে পৃথক কৰিবলৈ সক্ষম হোৱা মানৱকুলে কৰণীয় বা কৰ্তব্য বুলি ভৱা অলেখ কাৰ্যত নিজকে নিয়োজিত কৰি আহিছে আৰু সাফল্য লাভৰ অৰ্থে সন্মুখীন্ হ'বলৈ কুণ্ঠাবোধ কৰা নাই অশেষ ক্লেশ বা চৰম আত্মত্যাগৰ। এনেবোৰ সংগ্ৰাম আৰু অভিযানৰ বহুলাংশে বিফলতাৰ চাকনৈয়াত চুৰ্ণীকৃত হলেও

মানুহ ৰণক্ষেত্ৰৰ পৰা পৃষ্ঠভংগ দিয়া নাই ; বৰঞ্চ বিফলতাবোৰৰ পৰা অভিজ্ঞতা আহৰণ কৰি নতুন উদ্যম আৰু শক্তি সঞ্চয় কৰি পুণৰ আত্মত্যাগৰ উদ্দেশ্যে নিজকে প্ৰস্তুত কৰি তুলিছে। বিশ্ববিশ্ৰুত গ্ৰন্থ সমূহৰ মাজত এনে কিছুমান গ্ৰন্থ আছে ; খাদ্যৰ যৌগত খাদ্যপ্ৰাণ, প্ৰটিন আদি থকাৰ দৰে সেইবোৰ গ্ৰন্থই আমাৰ জীৱনৰ বাবে ধাৰণ কৰি থকে অন্তহীন প্ৰেৰণা আৰু সাহসৰ লগতে যুঁজত জিকাৰ ৰণকৌশল। তেনে শ্ৰেণীৰ গল্প, উপন্যাস, নাটক আদিত আত্মপ্ৰকাশ কৰে কিছুমান অজেয় চৰিত্ৰ ; যিবোৰ সৰ্বকালে সৰ্ব পৰিস্থিতিতে প্ৰেৰণাৰ অমল উৎস। আৰ্নেষ্ট মিলেৰ হেমিংওৱে (Ernest Miller Hemingway)-ৰ 'The old man and the Sea' তেনে এখন অমূল্য গ্ৰন্থ। কিতাপ অধ্যয়নৰ বিষয়ে ক'বলৈ গৈ পাশ্চাত্য দাৰ্শনিক ফ্ৰান্সিচ্ বেকনে তেখেতৰ 'Of Studies'-ত এষাৰ কথা কৈছিল -Some books are to be tasted, others to be swallowed and some few to be chewed and digested ; that is, some books are to be read only in parts ; others to be read, but not curiously ; and some few to be read wholly, and with diligence and attention.' । চাৰ ফ্ৰান্সিচ বেকনৰ ব্যখ্যাৰ পৰা আমি বুজি পাওঁ যে অলেখ কিতাপৰ মাজৰ পৰা কেইখনমান কিতাপ আমাক মানসিক তৃপ্তি দিয়াৰ লগতে পুষ্টিসাধনো কৰিবলৈ সক্ষম আৰু তেনে কিতাপবোৰৰ মাজৰ পৰাই একোখন গ্ৰন্থ Great book বা মহৎ গ্ৰন্থ ৰূপে স্থলাভিষিক্ত হয়। উপাদেয় আৰু পুষ্টিকাৰক উত্তম খাদ্যই আমাৰ শৰীৰক পৰিপুষ্টি সাধন আৰু তৃপ্তি প্ৰদান কৰাৰ দৰে অকল গ্ৰন্থই নহয়, সকলো প্ৰকাৰৰ শিল্পকলাৰ সৃষ্টি সমূহে মানসিক তৃপ্তি প্ৰদান কৰাৰ উপৰি সফল ব্যক্তি ৰূপে প্ৰতিষ্ঠিত হোৱাত যথেষ্ট অৰিহণা যোগায়। 'The old man and the Sea' - ক আমি কোনো দ্বিধা সংকোচ নোহোৱাকৈ মহৎ গ্ৰন্থৰ তালিকাত অন্তৰ্ভুক্ত কৰিব পাৰোঁ। সমগ্ৰ বিশ্বৰ সাহিত্যানুৰাগীৰ চিত উজ্জীৱিত কৰিব পৰা ১৯৫২ চনত প্ৰকাশিত এই উপন্যাসখনে ১৯৫৩ চনত পুলিৎঝাৰ বঁটা আৰু ১৯৫৪ চনত আমেৰিকাবাসীৰ বাবে কঢ়িয়াই আনিছিল নবেল বঁটা লাভৰ বিমল আনন্দ ; যিটো সমগ্ৰ বিশ্বৰ সাহিত্যানুৰাগীৰ বাবেও যথাৰ্থ আনন্দদায়ক সংবাদ ৰূপে স্বীকৃত। কি আছে- কলেৱৰৰ দিশৰ পৰা অতি চুটি উপন্যাসখনৰ মাজত ?

সেই ব্যাখ্যালৈ যোৱাৰ পূৰ্বে উপন্যাসখনৰ পৰা দুশাৰী বাক্য উদ্ধৃত কৰাৰ উৎসাহ প্ৰশমন কৰিব পৰা নগ'ল-

He was an old man who fished alone in a skilf in the Gulf Stream and he had gone eighty-four days now without taking a fish. The old man was dreaming about the lions. এই দুশাৰী বাক্যই আমাক ক'লে যে আটলাণ্টিক মাহসাগৰৰ উষ্ণ জলস্ৰোতত অকলশৰে মাছ মাৰিবলৈ যোৱা বৃদ্ধজনে চৌৰাশীদিন এটাও মাছ নোপোৱাকৈ অতিবাহিত কৰিছিল আৰু সেই বৃদ্ধ মানুহজনে সিংহৰ সপোন দেখি আছিল। অকলশৰে চৌৰাশী দিন জোৰা এটা অতি দীঘলীয়া কাল সাগৰত মাছ মাৰিবলৈ গৈ অকল ব্যৰ্থতা আৰু আনৰ পুতৌ বুটলিবলৈ বাধ্য হোৱাৰ পাছতো, সেই ব্যৰ্থতাৰ পৰিণতিয়ে বৃদ্ধ মাছমৰীয়াজনৰ নিজৰ পাৰদৰ্শিতাৰ আত্মবিশ্বাসক বেদনাৰ সাগৰত নিক্ষেপ কৰিব পৰা নাছিল ; তাৰ

বিপৰীতে তিলমানো মুহূৰ্তৰ বাবে নিজকে নিশকতীয়া বুলি নভৰা বৃদ্ধজনে শক্তিশালী সিংহৰ সপোনহে দেখিছিল দক্ষতাৰ আত্মবিশ্বাস আৰু কৃতকাৰ্য হোৱাৰ অক্ষত দৃঢ় মনোবল ধাৰণ কৰি থকাৰ স্বাক্ষৰ ৰূপে । যি সকল ব্যক্ত লোকে উপন্যাসখন আগলৈ পঢ়িম বুলি সাঁচি ৰাখিছে, সেই সকল ব্যক্তিৰ জ্ঞাতাৰ্থে উনুকিওৱা ভাল হ'ব যে এই দুশাৰী বাক্যৰ মাজতেই জিলিকি আছে সমগ্ৰ উপন্যাসখন ; অৰ্থাৎ উদ্ধৃত বাক্য দুশাৰী উপন্যাসখনৰ আৰম্ভণি আৰু সমাপ্তি বাক্য। সেয়ে আমি পতিয়ন যাব লাগিব যে এনেদৰে উপন্যাসখনৰ ভাবাৰ্থৰ আভাস দিব পৰা প্ৰথম আৰু শেহৰ বাক্য দুটাৰ ঘনিষ্ঠতা আৰ্নেষ্ট হেমিংওৱেৰ দৰে প্ৰতিভাৰ দ্বাৰাহে সৃষ্টি শিল্প। উপন্যাসখন পঢ়ি আজৰি হোৱা সাহিত্যৰ ৰসপিপাসু সকলে জানে যে চৌৰাশী দিনৰ ব্যৰ্থতাক সাগৰত নিক্ষেপ কৰি পঁচাশী দিনৰ দিনা বৃদ্ধ মাছমৰীয়াজনৰ ভাগ্যকালত জিলিকিছিল এচমকা বিজুলীৰ পোহৰ- প্ৰত্যক্ষ কৰিছিল বৃহৎ সাফল্যৰ ৰেঙনি। কিন্তু সেই বৃহৎ সাফল্যও নিশাৰ আকাশৰ গ্ৰহ, উপগ্ৰহ আৰু নক্ষত্ৰপুঞ্জই জিলিকাইতোলা জিলিঙনিহে। পৃথিৱীখন পোহৰাবলৈ অহা সূৰ্যৰ ৰশ্মিয়ে বৃদ্ধ মাছমৰীয়াজনৰ বৃহৎ সাফল্যক সাগৰৰ বুকুতে জলাঞ্জলি দি অতি কৰুণ আৰু বেদনাদায়ক দৃশ্যৰহে অৱতাৰণা কৰিছিল ; কাৰণ, চিকাৰ কৰা প্ৰকাণ্ড মাৰ্লিন মাছটো সাগৰৰ পানীত উটুৱাই পাৰলৈ টানি আনি থকা অৱস্থাত ছাৰ্কে খাই মাছটোৰ মাথো মূৰ আৰু ফিচাৰে জঁকাটোহে অৱশিষ্ট ৰাখিছিল।

উপন্যাসখনৰ সংক্ষেপে কাহিনীটো এনে ধৰণৰ-

সাগৰত মাছমৰীয়া হিচাপে বিশেষ নাম থকা চান্টিয়াগো কিউবাৰ মানুহ। কিন্তু দুৰ্ভাগ্যক্ৰমে এসময়ত চৌৰাশীদিন চান্টিয়াগোৱে এটাও মাছ মাৰিব পৰা নাছিল ; তাৰেই প্ৰথম চল্লিশ দিন সংগী হিচাপে আছিল মেনোলিন নামৰ ল'ৰা এজন। যদিও পাঁচ বছৰ বয়সৰ পৰাই যি বৃদ্ধ মাছমৰীয়জনৰ সংগী হৈ আছিল, চল্লিশ দিন সুদা হাতে উভতিব লগা হোৱাৰ পাছত তাৰ মাক দেউতাকে তাক আন নাৱত যাবলৈ বাধ্য কৰাইছিল। অকলশৰে বৃদ্ধ মাছমৰীয়াজনে পুণৰ চৌৱাল্লিশ দিন ব্যৰ্থতাকে মূৰ পাতি ল'ব লগা হৈছিল। চৌৱাল্লিশ দিনৰ অতি দীঘলীয়া কাল অতিবাহিত কৰাৰ অন্তত চান্টিয়াগোই বৰশী বাই ধৰিছিল এটা প্ৰকাণ্ড মাৰ্লিন মাছ ; যিটো তেওঁৰ টুলুঙা নাওখনতকৈও আকাৰত দীঘল আছিল। অসীম ধৈৰ্যৰে বৃদ্ধই অকলে মাছটোক বল কৰিবলৈ যুঁজিছিল। ভোকত অস্থিৰ হৈ শক্তি সঞ্চয়ৰ হেতু কেঁচা মাছ খাইছিল সাগৰৰ বুকুত ; এনেকি চিকাৰৰ মাছটোৰ লগত যুঁজি তেওঁৰ হাত কাটি ৰক্তক্ষৰণ হৈছিল, চেতনা হেৰুওৱাৰ দৰে অৱস্থাও হৈছিল। তথাপি পৰাজয় বৰণ নকৰি অৱশেষত হাৰ্পুণেৰে মাছটো বধ কৰিছিল। কিন্তু তাৰ পাছত আগমন ঘটিছিল অন্য বিপদৰ- তেজৰ গোন্ধত মাছটো ভক্ষণ কৰিবলৈ আহিছিল হিংস্ৰ ছাৰ্কবোৰ। ছাৰ্কৰপৰা মাছটো বচাবলৈ বৃদ্ধ হাইৰাণ হৈ পৰিছিল ; তথাপি ভাগি পৰা নাছিল নাৱত অন্তিম অস্ত্ৰপাত থকালৈকে। কিন্তু হায়, সাগৰত মাছমৰীয়া হিচাপে তেওঁ যিমান অভিজ্ঞ, খলনায়কৰ ভূমিকা ৰূপায়িত কৰা হিংস্ৰ ছাৰ্কবোৰো সাগৰৰ বুকুত যথেষ্ট শক্তিশালী। ফলস্বৰূপে ছাৰ্কে তেওঁ চিকাৰ কৰা প্ৰকাণ্ড মাছটোৰ (যাক লৈ বুজন পৰিমাণৰ ধন অৰ্জন কৰাৰ সপোন দেখিছিল) মূৰ, ফিচা আৰু জঁকাটোৰ বাদে বাকী অংশ খাই অন্ত কৰিছিল। বিধ্বস্ত দেহ আৰু মন লৈ কথমপি নাৱৰ পৰা আহি বৃদ্ধই নিজৰ বিছনাত ঢলি পৰিছিল। একালৰ সংগী মেনোলিন নামৰ ল'ৰাজনে দুঃখ আৰু

শোকত কান্দি কান্দি বৃদ্ধৰ যত্ন লৈছিল। শুই শুই বৃদ্ধই তেতিয়াও সিংহৰ সপোন দেখিছিল।

চাবলৈ গলে কাহিনীটো তেনেই সাধাৰণ কাহিনী। অকল কাহিনীটোৱে উপন্যাসখনৰ বৈশিষ্ট্য, শ্ৰেষ্ঠত্ব বা অনিৰ্বচনীয়তা জিলিকাই তুলিব নোৱাৰিলেও, উপন্যাসখনক অতুলনীয় ৰূপত সজাই তুলিছে নায়ক চাণ্টিয়াগোৰ সংলাপ সমূহে। চাণ্টিয়াগোৱে সাগৰৰ বুকুত অকলশৰীয়া হলেও নিজৰ সৈতে কথা পাতিছে, সাগৰৰ সৈতে কথা পাতিছে, মাছৰ সৈতে কথা পাতিছে যিবোৰ সংলাপে উপন্যাসখনক প্ৰদান কৰিছে এক অনন্য ৰূপ। আৰ্নেষ্ট হেমিংওৱেৰ চৰিত্ৰবোৰ অজেয় আৰু কাৰ্যদক্ষতাতকৈ সজীৱ প্ৰাণৱন্ত সংলাপবোৰৰ মাজেৰে চৰিত্ৰবোৰ মূৰ্ত হৈ উঠে- যিটো অন্যতম বৈশিষ্ট ৰূপে সমাদৃত। চাণ্টিয়াগোৱে তাৰ চিকাৰ মাছটোক ছাৰ্কৰ পৰা ৰক্ষা কৰিবলৈ সমস্ত শক্তিৰে যুঁজিব লগা হৈছিল আৰু সকলো সময়তে গভীৰ আশাবাদে উদ্দীপনা যোগাই থকাৰ দৰে সেই মুহূৰ্ত তো অজেয় ৰূপ জিলিকি থকাৰ মূল উপজীব্যই আছিল আশাবাদ । চাণ্টিয়াগোৱে ভাবে আশা নকৰাকৈ থকাজন মূৰ্খৰ বাদে একো নহয়- আশা নকৰাটো পাপো (It is silly not to hope , he thought. Besides I believe it is a sin.)

'The old man and the Sea' উপন্যাসখন আৰ্নেষ্ট হেমিংওৱেৰ জীৱনৰ অন্তিম কালৰ ৰচনা। দুৰ্ভাগ্যক্ৰমে এই উপন্যাসখনক অনুসৰণ কৰিবলৈ পৰৱৰ্তী কালক ফলিৰৎ ৰূপ দিব পৰা আৰু এখন শ্ৰেষ্ঠতৰ উপন্যাস সৃষ্টিৰ পথত ৰুদ্ধ হৈ গৈছিল স্ৰষ্টাৰ আকস্মিক জীৱনাৱসানৰ ফলত। অতি আন্তৰিকতাৰে ভাল পোৱা চতুৰ্থ গৰাকী পত্নী মেৰীৰ সৈতে সাগৰৰ পাৰত বাস কৰি থকা অৱস্থাত অজ্ঞাত কাৰণত নিজৰ পিস্তলটোৰে মূৰত গুলিয়াই আত্মহত্যা কৰিছিল· বিশ্বৰ সাহিত্যানুৰাগীৰ পিপাসা নিবৃত্ত কৰাৰ বিলুপ্ত ঘোষনাৰে।

উপন্যাসখনৰ মুখ্য চৰিত্ৰ বুলিবলৈ মাছমৰীয়া বৃদ্ধ চাণ্টিয়াগো, বৃদ্ধৰ সহায়কাৰী মেনোলিন, বৃহদাকাৰৰ মাৰ্লিন মাছটো আৰু বিস্তীৰ্ণ জলৰাশিৰ লগতে উপন্যাসখনৰ খলনায়কৰ ভূমিকাত অৱতীৰ্ণ হোৱা মাংসলোলুপ ছাৰ্কবোৰ। উপন্যাসখনে আমাক স্মৰণ কৰাই দিছে যে সমস্ত শক্তি প্ৰয়োগ কৰি মৰণপণ যুঁজ দিলেও, প্ৰতিকুল পৰিস্থিতিৰ ব্যাপকতা আৰু বিশালতাৰ লগতে সেইবোৰৰ পৰাক্ৰমৰ বিৰুদ্ধে যুঁজিবলৈ মানুহে আত্মবিশ্বাস, দৃঢ়তা আৰু দক্ষতাৰে বলীয়ান হোৱাৰ পাছতো শোক-দুঃখৰ অশ্ৰুজলেৰে সিক্ত হ'ব লগা হয়। তথাপি মানুহ চিৰকালে অজেয় ৰূপে বৰ্তি থকাৰ মানসিকতা পৰিহাৰ কৰিবলৈ কেতিয়াও প্ৰস্তুত নহয় ; কিয়নো হেমিংওৱেৰ ভাষাৰেই কোৱা হওক- 'Man is not made for defeat. A man can be destroyed but not defeated.'; অৰ্থাৎ পৰাজয়ৰ গ্লানিৰে শিৰ নত কৰিবলৈ মানুহৰ জন্ম হোৱা নাই আৰু সেয়ে কৰোবাক তাঁহি-মুহি গুড়ি কৰি পেলালেও যুদ্ধভূমিত মানুহৰ অজেয় সত্বাক বশীভূত কৰিব পৰা নাযায়- সি অনিৰুদ্ধ। সমান্তৰালভাৱে এই অভিমতো সাব্যস্ত যে এয়া অকল চিত্তবিনোদনৰ উদ্দেশ্যে কৰা সাহিত্য সৃষ্টিয়ে নহয় ; বাস্তৱতাৰ সাক্ষী হৈ থকা ইতিহাসৰ অলেখ পৃষ্ঠা স্বগৰিমাৰে প্ৰোজ্জ্বল। সাম্ৰাজ্যবাদৰ নৃশংসতাই স্তব্ধ কৰিব পৰা নাছিল মুক্তিকামী ভিয়েটনামী জণগণৰ বিপ্লৱী সত্বা। প্ৰতি পক্ষৰ শক্তিশালী অভ্যুত্থান আৰু প্ৰতিকুল অৱস্থায়ো স্তিমিত কৰিব পৰা নাছিল মাও-জে- দঙৰ নেতৃত্বত চীনৰ জণগণৰ মুক্তিসংগ্ৰাম ।

সম্ৰাজ্যবাদী ইংৰাজৰ অভিসন্ধি আৰু কূট কৌশলে ভাৰতীয় জণগণৰ স্বাধীনতাৰ আকাংক্ষাক নিৰ্বাপিত কৰিব পৰা নাছিল ; যাৰ ফলত অতি চতুৰ ইংৰাজসকলে সিহঁতে সৃষ্টি কৰা বহুতীয় ভাৰতীয় শাসক শ্ৰেণীৰ হাতত ক্ষমতা হস্তান্তৰ কৰি পলায়ন কৰিছিল। অকল ৰাজনীতিয়ে নহয়, বিজ্ঞানৰ অতি চমকপ্ৰদ আৱিস্কাৰ সমূহো মানুহৰ অপৰাজেয় মন আৰু নেৰানেপেৰা সংগ্ৰামৰ ফলাফল। মানুহৰ ব্যক্তিগত জীৱন বোৰো , যিবোৰ জীৱন শিল্প সৃষ্টিৰ উদ্দেশ্যে কৰা ত্যাগৰ নামান্তৰ- সেই জীৱন বোৰৰ আঁৰত সংগোপনে সক্ৰিয় হৈ থকে পৰাজয়ৰ ওচৰত নতি স্বীকাৰ কৰিবলৈ অনিচ্ছুক অতি কঠোৰভাৱে বান্ধি ৰখা দৃঢ়তা আৰু এই দৃঢ়তাও আশাবাদৰ উদ্দীপনাৰে ফল। পূৰ্বে উল্লেখ কৰা হৈছে যে উপন্যাসখনত এনে কিছুমান সংলাপ বা কথা আছে , যিবোৰ অতি মূল্যবান। উপন্যাসখনৰ সামৰণি অংশত যেতিয়া মাছমৰীয়া বৃদ্ধ চাণ্টিয়াগোৰ পাৰদৰ্শিতাত পঞ্চমুখ একালৰ সহায়কাৰী মেনোলিন নামৰ ল'ৰাজনে পুণৰ মাছ মাৰিবলৈ যোৱাৰ প্ৰস্তাৱ দিছিল, তেতিয়া ক্ষনিক মুহূৰ্তৰ বাবে চাণ্টিয়াগোৱে আক্ষেপৰ পীড়ণ অনুভৱ কৰা যেন লাগিলেও মেনোলিনৰ উৎসাহ আছিল প্ৰাণ সঞ্চাৰক।

'Now we fish again'

'No. Iam not lucky. Iam not lucky any more.'

'The hell with luck', the boy said. 'I'll bring the luck with me.'

হেমিংওৱেৰ কাপেৰে কিয় নিগৰিছিল মেনোলিনৰ সংলাপ 'The hell with luck,'I'll bring the luck with me.' - বুলি ? সুদা নাওখনেৰে উভটি আহিব লগা হোৱা একেৰাহে সৰ্বমুঠ চৌৰাশী দিনৰ প্ৰথম চল্লিশদিন মেনোলিন চাণ্টিয়াগোৰ সংগী আছিল ; কিন্তু চল্লিশ দিনৰ পাছত মেনোলিনক মাক দেউতাকে চাণ্টিয়াগোৰ প্ৰতি 'Salao' বা অতি নিন্দনীয় দুৰ্ভগীয়া মন্তব্য কৰি আন মাছমৰীয়াৰ নাৱত যাবলৈ বাধ্য কৰাইছিল। পাঁচ বছৰ বয়সৰ পৰাই চাণ্টিয়াগোৰ সংস্পৰ্শলৈ অহা মেনোলিনে বৃদ্ধৰ নিপুণতাৰ প্ৰতি পোষণ কৰিছিল অতিশয় শ্ৰদ্ধা আৰু শ্ৰদ্ধাৰ যথাৰ্থতা প্ৰমাণিত হৈছিল বৃদ্ধই অকলে প্ৰকাণ্ড মাৰ্লিন মাছটো মাৰিবলৈ সক্ষম হৈ পৰা বাস্তৱ চিত্ৰখনৰ পৰা। হয়তো মেনোলিনে ভবিছিল মাছটো ধৰাৰ দিনা সি বুঢ়াৰ সংগত থকা হ'লে প্ৰকাণ্ড মাছটো চিকাৰ কৰাৰ প্ৰতক্ষদৰ্শী সি হ'ব পাৰিলেহেঁতেন আৰু গৌৰৱ অৰ্জনৰো অংশীদাৰ হ'ব পাৰিলেহেঁতেন। নতুবা সি সংগত থকা হ'লে খাদক ছাৰ্কবোৰৰ বিৰুদ্ধে যুঁজিবলৈ অন্ততঃ বৃদ্ধৰ সংগী হ'ব পাৰিলেহেঁতেন। সেয়ে মেনোলিনৰ মনত সংগোপনে সপোনে ভুমুকি মাৰিছিল সিহঁতৰ যৌথ অভিযানে পুণৰুদ্ধাৰ কৰিব পাৰিব চাণ্টিয়াগোৰ পাৰদৰ্শিতাৰ চানেকি আৰু কৈছিল- 'The hell with luck....' ইয়াতো অন্তৰ্নিহিত হৈ আছে এক গভীৰ আশাবাদ ; যি আশাবাদে বহন কৰে বিশাল সাগৰৰ প্ৰতিকূল অৱস্থাবোৰৰ সুৰুঙাৰে মানুহৰ বিজয়ী হোৱাৰ অন্য এক অনিৰ্বাৰ প্ৰত্যাশা। মেনোলিনক যৌৱনৰ উদ্যম আৰু চাণ্টিয়াগোক বৃদ্ধৰ অভিজ্ঞতাৰ প্ৰতীক ৰূপে গ্ৰহণ কৰিলে আমি ক'ব পাৰোঁ- অগ্ৰজৰ অভিজ্ঞতা আৰু নবীণৰ কৰ্মোদ্যমৰ যথাযত সংযোজনে হৈছে মানুহৰ সকলো অভিযানত সাফল্য লাভ কৰাৰ পাথেয় ; লাগে মাথো গভীৰ আশা বুকুত বান্ধি নিজৰ কৰ্মক জিলিকাই তোলাৰ অবিৰত প্ৰয়াস। ❍

# শিক্ষাৰ গুৰুত্ব আৰু কৰণীয়



আব্দুল জলিল আহমেদ

বৃহত্তৰ লেংটিছিঙা অঞ্চলৰ শিক্ষা বিস্তাৰৰ উদ্দেশ্য বৃটিছৰ সময়ছোৱাত বা তাৰ পৰৱৰ্তী সময়ত যিসকল মহান হিতৈষী লোকসকলে বিদ্যালয় প্ৰতিষ্ঠা কৰিছিল তাৰ অধিকাংশই অশিক্ষত আছিল। এই মহান লোকসকলে অনুভৱ কৰিছিল যে অঞ্চলটো পিচপৰা জনসমষ্টিৰ জীৱন ধাৰণৰ মানদণ্ড উন্নত কৰি দেশৰ অন্যান্য জনগোষ্ঠীৰ সমানে আগুৱাই যোৱাৰ একমাত্ৰ উপায় হৈছে শিক্ষা বিস্তাৰ কৰা। এই চিন্তাধাৰাৰ ফচল হিচাপে এই বৃহত্তৰ অঞ্চলটোত গঢ়ি তুলিছিল শিক্ষানুষ্ঠান সমূহ। এই শিক্ষানুষ্ঠান সমূহ প্ৰতিষ্ঠা কৰিবলৈ অঞ্চলটোৰ দৰদী-মহান নিৰক্ষৰ লোকসকল যথেষ্ট পৰিশ্ৰম তথা ত্যাগ স্বীকাৰ কৰিছিল। এই ছেগতে এই লোকসকলক শ্ৰদ্ধাৰে সোঁৱৰণ কৰিছো। ঘৰে ঘৰে বাহ, মৰাপাট, ধান, চাউল আদি তুলি প্ৰতিষ্ঠা কৰা বিদ্যালয় সমূহৰ নামত অকাতৰে ভূমিও দান কৰিছিল। নিৰ্দিষ্ট অঞ্চলত শিক্ষকৰ উপযোগী মানুহ নাথাকিলেও দূৰ-দূৰণিৰ পৰা শিক্ষক বিচাৰি আনি তেওঁলোকৰ অঞ্চলবাসীক শিক্ষা দানৰ উদ্দেশ্যে এই শিক্ষক সকলক মৰ্যাদা সহকাৰে আৰ্থিক ভাৱে সচ্ছল লোক সকলে নিজৰ ঘৰতে থকা-মেলাৰো সু-ব্যৱস্থা কৰি দিছিল। বিদ্যালয় প্ৰতিষ্ঠাৰ সৈতে জড়িত উদ্যোগী লোকসকলৰ বিৱৰণৰ পৰা জনা যায় যে তেওঁলোকে প্ৰতিষ্ঠিত বিদ্যালয় প্ৰাদেশীকৰণ হোৱাৰ পূৰ্বে বিদ্যালয় পৰিচালনা, শিক্ষকৰ দা-দৰমহা, শিক্ষানুষ্ঠানৰ আন্তঃ গাথনিৰ বাবে ঘৰে ঘৰে দান বৰঙনি সংগ্ৰহ কৰাৰ উপৰিও অতিৰিক্ত ধনৰ জোৰা মাৰিবলৈ যাত্ৰা গানৰ আয়োজন কৰাৰ লগতে জুৱা খেলৰো আয়োজন কৰিছিল। সামগ্ৰীক সৃষ্টিত এইটো নিন্দনীয় কাৰ্য যদিও শিক্ষা পিপাসু এই মহান লোকসকলে বিদ্যালয় প্ৰতিষ্ঠাৰ স্বাৰ্থটোকেই বেছি গুৰুত্ব দিছিল। এইখিনিতে আৰু এটা কথা উল্লেখ কৰিব পাৰি যে বিদ্যালয় প্ৰতিষ্ঠাৰ সৈতে জড়িত বহু লোকৰ বিদ্যালয়ত নাম ভৰ্তি কৰাই দিব পৰা উপযুক্ত সন্তান নাথাকিলেও একমাত্ৰ সমাজ উন্নয়নৰ স্বাৰ্থত বিদ্যালয় প্ৰতিষ্ঠাৰ বাবে আগভাগ লোৱা দেখা গৈছিল। আনকি বিদ্যালয় সমূহত পঢ়িবলৈ দূৰ দূৰণিৰ পৰা বহু ছাত্ৰ-ছাত্ৰীও আহিছিল। দূৰ-দূৰণিৰ ছাত্ৰ-ছাত্ৰীৰ বাবে কোনো ছাত্ৰাবাসৰ ব্যৱস্থা নথকাৰ বাবে 'জাগীৰ' ৰখাৰ ব্যৱস্থা কৰা হৈছিল। আজিৰ প্ৰজন্মৰ বহু যুৱক-যুৱতীসকল হয়তো এই জাগীৰ নাম শব্দটোৰ সৈতে পৰিচিত নহয়। সত্তৰ দশকত পূৰ্ব প্ৰতিষ্ঠিত শিক্ষানুষ্ঠান সমূহত প্ৰতিষ্ঠাৰ আতিগুৰি চালে এই ধৰণৰ বাস্তৱ চিত্ৰই আমাৰ দৃষ্টিত ধৰা দিয়ে। প্ৰতিষ্ঠিত শিক্ষানুষ্ঠানৰ পোহৰে আমাৰ এই অঞ্চল জাতিস্কাৰ হৈ আছে। এটা সময়ত চিঠিপত্ৰ লিখিবলৈ আৰু পঢ়িবলৈ মানুহ বিচাৰি নোপোৱা অঞ্চলটোৰ শিক্ষাৰ হাৰ যথেষ্ট বৃদ্ধি পাইছে।

বৃটিছৰ দিনৰ পৰা আৰম্ভ হোৱা শিক্ষা

যাত্ৰাৰ ফলত অঞ্চলটোত প্ৰতিষ্ঠিত শিক্ষানুষ্ঠান সমূহৰ পৰা চিকিৎসক, অভিযন্তা, অধিবক্তা, প্ৰবক্তা, শিক্ষকসহ ভিন্নমুখী বৃত্তিধাৰী লোকৰ সৃষ্টি হৈছে। পিছ পৰা তথা নিৰক্ষৰ সমাজৰ পৰা এই শিক্ষানুষ্ঠান সমূহৰ ফলত উচ্চবিত্ত তথা মধ্যবিত্ত শ্ৰেণীৰো উদ্ভৱ হ'ল। কিন্তু তাৰ পিছতো অঞ্চলটোৰ অধিকাংশ লোক আজিয়ো নিৰক্ষৰ হৈ আছে, সামাজিক ভাবে পিছ পৰি আছে। নৈতিক ভাবে শুদ্ধ হ'ব পৰা যেন অনুভৱ নহয়। ইয়াৰ কাৰণ ফহিয়াই চালে দেখা যায় যে আমাৰ পূৰ্বসুৰী নিৰক্ষৰ মহান ব্যক্তিত্ব সকলৰ দৰে আমি উত্তৰসুৰী সকলৰ অধিকাংশই দায়িত্ব পালনত ব্যৰ্থ হৈছো। ভূমিদান, শ্ৰমদানেৰে প্ৰতিষ্ঠা কৰা বিদ্যালয় সমূহৰ পৰা ওলোৱা শিক্ষিত লোক সকল একাংশই বিভিন্ন কাৰণত নিজ নিজ গাঁও তথা আৰ্থ সামাজিক দিশত পিছ পৰি থকা সমাজখনৰ কথা পাহৰি বিচ্ছিন্ন হৈ পৰিল। অন্য একাংশই বিভিন্ন ৰাজনৈতিক দলৰ লগত জড়িত হৈ দালালি, দুৰ্নীতিত লিপ্ত হৈ সমাজখনক আগুৱাই নিয়াৰ পৰিবৰ্তে ক্ষতি কৰা পৰিলক্ষিত হৈছে।

অৰ্থাৎ আৰ্থ সামাজিক ভাৱে পিছপৰা অঞ্চলবাসী ৰাইজৰ বাবে শিক্ষিত শ্ৰেণীয়ে বহুক্ষেত্ৰত আদৰ্শ হ'ব নোৱাৰিলে। অঞ্চলটোৰ বিদ্যালয় গৃহ, পথ, ঘাট আদি বিভিন্ন চৰকাৰী আঁচনি ৰূপায়নৰ ক্ষেত্ৰত আনকি বিদ্যালয়ৰ মধ্যাহ্ন ভোজন আঁচনি ৰূপায়নৰ ক্ষেত্ৰতো দুৰ্নীতি, অনিয়মৰ অভিযোগ উঠাটো এক সাধাৰণ কথাত পৰিণত হৈছে। এই অভিযোগ-প্ৰতিভিযোগ সমূহত অঞ্চলবাসী শিক্ষিত শ্ৰেণীৰ নাম সাঙোৰ খাই পৰে। ফলত সাধাৰণ ৰাইজৰ বাবে এই শিক্ষিত শ্ৰেণী আদৰ্শ হোৱাত ব্যৰ্থ হৈছে। স্বাৰ্থহীন ভাবে কোনো কামেই সম্ভৱ নহয়। সম্প্ৰতি এই বাক্যশাৰী অঞ্চলটোত সহজলভ্য হৈ পৰিছে। অঞ্চলটোত দিনে দিনে বৃদ্ধি পাই অহা সামাজিক অপৰাধৰ এইটোত এক অন্যতম কাৰণ বুলি ক'ব পৰা যায়।

আমাৰ পূৰ্বপুৰুষ সকলে নিশ্চিত ভাবে এই উদ্দেশ্যে অঞ্চলটোত শিক্ষানুষ্ঠানসমূহ প্ৰতিষ্ঠা কৰা নাছিল। তাৰ পিছতো আশাৰ বতৰা যে নিৰক্ষৰ পূৰ্বপুৰুষ সকলে আৰম্ভ কৰা শৈক্ষিক আন্দোলনৰ ফলতে বৃহত্তৰ অঞ্চলটোৰ সম্প্ৰতি গাঁৱে-ভূঞে, চুকে-কোণে প্ৰাথমিক বিদ্যালয়ৰ পৰা মহাবিদ্যালয়সমূহত প্ৰতিষ্ঠিত হৈছে। এই শিক্ষানুষ্ঠানৰ পৰা প্ৰতিবছৰে সহস্ৰজনে শিক্ষাৰ প্ৰমান-পত্ৰ পাবলৈ সক্ষম হৈছে।

ইয়াৰ পিছতো আমাৰ অঞ্চলটো দেশৰ অন্যান্য অঞ্চলতকৈ সাহিত্য চৰ্চা, উদ্ভাৱনী মূলক ক্ৰিয়া-কলাপ, বিজ্ঞান চৰ্চাত আৰ্থ সামাজিক উন্নয়ন, দিশত খোজে খোজ মিলাই আগুৱাব পৰা নাই। আধাতকৈ অধিক নিৰক্ষৰ হৈ আছে, দাৰিদ্ৰতাত নিমজ্জিত হৈ আছে। কৰ্মৰ সন্ধানত হেজাৰ হেজাৰ পৰিয়াল দেশৰ বিভিন্ন অঞ্চলত প্ৰব্ৰজিত হ'ব লগা হৈছে। ইয়াৰ বিপৰীতে স্বাক্ষৰ লোকৰ মাজত গুণগত আৰু নৈতিক শিক্ষাৰ অভাৱ পৰিলক্ষিত হৈছে। সামাজিক দায়িত্ব পালনত ব্যৰ্থ হোৱাৰ বিপৰীতে ভোগবাদী, জড়বাদী জীৱন ব্যৱস্থাৰ সৈতে অভ্যস্থ হোৱা পৰিলক্ষিত হৈছে। যিটো অনুন্নত তথা উন্নয়নশীল সমাজৰ বাবেই আশা ব্যঞ্জক হ'ব নোৱাৰে। এই দুৰৱস্থা দূৰীকৰণৰ দায়িত্ব এই অঞ্চলৰ লোকসকলেই ল'ব লাগিব। ইয়াৰ বাবে আনৰ ওপৰত দোষ জাপি দি আমি পলায়নবাদী মনোভাৱ গ্ৰহন কৰিলে নহ'ব। আমাৰ সমাজখন উন্নত সমাজৰ সৈতে খোজে খোজ মিলাই আগুৱাই

যাবলৈ তলত দিয়া ধৰণে পদক্ষেপ ল'ব পৰা যায়। যেনে -

ক) সমাজ উন্নয়নৰ মাপকাঠিয়ে হৈছে আন্তঃগাঠনিৰ উন্নয়নৰ বাবে মনোনিবেশ কৰিব লগা যাব। ইয়াৰ বাবে চৰকাৰী বেচৰকাৰী ৰূপায়ন হৈ থকা বিভিন্ন ধৰণৰ উন্নয়নমূলক আঁচনি সমূহৰ দুৰ্নীতি, লুণ্ঠন বন্ধ হ'ব লাগিব।

খ) নিৰক্ষৰতাৰ অভিশাপৰ পৰা আমাৰ সমাজৰ মুক্ত হ'ব লাগিব। ইয়াৰ বাবে প্ৰয়োজন ব্যাপক জনজাগৰণৰ। গাৱে-ভূএঃে, অনুষ্ঠান-প্ৰতিষ্ঠানে তথা ধৰ্মীয় প্ৰতিষ্ঠান, সভা-সমিতি আদিত আলোচ্য বিষয় বস্তু উত্থাপন হোৱাৰ পূৰ্বে শিক্ষাৰ গুৰুত্ব সম্পৰ্কীয় আলোনাৰে আৰম্ভ কৰিলে এই ক্ষেত্ৰত সুফল লাভ কৰিব পৰা যাব।

গ) নিৰক্ষৰতা দূৰীকৰণৰ উপৰিও অঞ্চলটোত গুণগত শিক্ষা তথা ছাত্ৰ-ছাত্ৰীক শাৰীৰিক, মানসিক তথা নৈতিক শিক্ষাৰে শিক্ষিত কৰি উপযুক্ত মানৱ সম্পদ হিচাপে গঢ়ি তোলাৰ প্ৰয়াস চলাব লাগিব। এই ক্ষেত্ৰত বিভিন্ন ধৰণৰ প্ৰতিযোগিতামূলক কাৰ্যসূচী মাহে, পষেকে বিদ্যালয় বিদ্যালয়তে বক্তৃতামূলক কাৰ্যসূচী গ্ৰহন কৰিলে সুফল লাভ কৰিব পৰা যাব।

ঘ) অঞ্চলটোক অৰ্থনৈতিক ভাবে স্বাৱলম্বী কৰাৰ উদ্দেশে বিভিন্ন ধৰণৰ বৈকল্পিক জীৱিকা আঁচনি সমূহৰ সুযোগ কৰাৰ উপৰিও বেচৰকাৰী সংস্থা সমূহে ৰূপায়ন কৰা আঁচনি সমূহৰ ক্ষেত্ৰ তৈয়াৰ কৰিব পৰায় যায়। আনহাতে আমাৰ অঞ্চলত ব্যৱহাৰ হৈ থকা বিভিন্ন ধৰণৰ পণ্য সামগ্ৰী উৎপাদনৰ উদ্দেশ্যে ক্ষুদ্ৰ উদ্যোগ প্ৰতিষ্ঠা কৰিও অঞ্চলটোত অৰ্থনৈতিক ভাৱে স্বাৱলম্বী কৰিব পৰা যায়।

ঙ) পূৰ্বৰ তুলনাত আমাৰ অঞ্চলসমূহ অৰ্থনৈতিক ভাৱে বহুত উন্নত হৈছে যদিও উপযুক্ত পৰিকল্পা তথা ব্যৱস্থাপনাৰ অভাৱত যথাযোগ্য বিনিয়োগৰ অভাৱত জনসাধাৰণৰ জীৱন ধাৰণৰ মানদণ্ড আজিও উন্নত হোৱা পৰিলক্ষিত হোৱা নাই। সেয়ে দক্ষ অৰ্থনীতিবিদ সকলৰ দ্বাৰা গাৱে ভূঞে অৰ্থনৈতিক সমাগত অভিযান চলালে সুফল লাভ কৰিব পৰা যাব পাৰে।

উপৰিউক্ত কাৰ্যসূচীবোৰৰ বাবে কেৱল মাত্ৰ চৰকাৰৰ ওপৰত নিৰ্ভৰ কৰিলে আমাৰ অঞ্চলৰ সমাজসেৱী, শিক্ষাবিদ, যুৱক শ্ৰেণীয়ে বেচৰকাৰী ভাবে সংগতি হোৱা প্ৰয়োজন আছে। স্বেচ্ছাসেৱী সংস্থা, ক্লাব, বিজ্ঞান সমিতি আদি গঠন কৰি এই সংস্থা সমূহৰ ছায়া তলত সংগঠিত হৈ আমাৰ পূৰ্বপুৰুষৰ পদাংক অনুসৰণ কৰি নিঃস্বাৰ্থ ভাৱে আমাৰ অঞ্চলৰ আৰ্থ সামাজিক উন্নয়নৰ বাবে সৰ্বস্তৰৰ সচেতন লোকে আত্ম নিয়োগ কৰা প্ৰয়োজন আছে।

আমাৰ অঞ্চলটো দেশৰ অঞ্চলতকৈ বিভিন্ন দিশত পিছ পৰি আছে। ইয়াৰ ভিতৰত অন্যতম হৈছে সাহিত্য চৰ্চা। সাহিত্যই জাতিৰ দাপোণ বুলি কোৱা হয়। সাহিত্যৰ জৰিয়তে অঞ্চলৰ আৰ্থ সামাজিক অৱস্থাৰ প্ৰতিফলন ঘটে। গল্প, উপন্যাস, নাটক তথা কবিতাৰ জৰিয়তে অঞ্চল একোখনৰ সামাজিক অৱস্থান, দৈনন্দিন জীৱন পদ্ধতি, কলা-সংস্কৃতি, আবেগ-অনুভূতিৰ প্ৰতিফলন ঘটে। যিটো পৰৱৰ্তী প্ৰজন্মই অধ্যয়ন কৰি আমাৰ অৱস্থান

সম্পৰ্কে অৱগত হ'ব পাৰে। কিন্তু দুখৰ বিষয় যে আমাৰ অঞ্চলৰ বৌদ্ধিক শ্ৰেণী এই ক্ষেত্ৰত শোচনীয় ভাবে পিছ পৰি আছে।

অকল এয়াই নহয়, ক্ৰীড়া ক্ষেত্ৰত উদ্ভাৱনীমূলক ক্ৰিয়া-কলাপ, বিজ্ঞান চৰ্চা, আৰ্থ সামাজিক দিশতো দেশৰ অন্যান্য অঞ্চলৰ লগতে খোজে খোজ মিলাই আগুৱাব পৰা নাই। আধাতকৈ অধিক লোক আজিয়ো নিৰক্ষৰ হৈ আছে। বাল্য বিবাহ পূৰ্বৰ তুলনাত হ্ৰাস পালেও, আধাতে বিদ্যালয় এৰা, শিশু শ্ৰমসহ বিভিন্ন ধৰণৰ সামাজিক অপৰাধ সমূহ দিনক দিনে বৃদ্ধি পোৱা পৰিলক্ষিত হৈছে। আনকি দুৰ্নীতি অনিয়মত লিপ্ত লোকসকলেই সম্প্ৰতি সামাজিক অনুষ্ঠান-প্ৰতিষ্ঠান সমূহৰ পদবী দখল কৰি অপৰাধমূলক কাৰ্য-কলাপ সমূহক সামাজিক ভাৱে স্বীকৃত কৰি তুলিছে। দাৰিদ্ৰতাত অঞ্চলটোৰ এক সামাজিক সমস্যা হিচাপে চিহ্নিত হৈ আছে । শ শ পৰিয়াল এই অঞ্চলৰ পৰা দেশৰ বিভিন্ন অঞ্চলত কৰ্মৰ সন্ধানত প্ৰবজন কৰিব লগা হয়। পেটৰ তাড়নাত উজনি অসমৰ বিভিন্ন ইটাভাটা তথা বাঙ্গালোৰ, দিল্লী আদি চহৰ-নগৰত প্ৰবজন কৰি অতি নিম্ন মানৰ কৰ্ম কৰি পৰিয়াল পোহ পাল দিব লগা হৈছে। এওঁলোকৰ বাবে শিক্ষা-স্বাস্থ্য, উন্নতি জীৱন-যাপনৰ সপোনৰো অগোচৰ হৈ আছে। ইয়াৰ বিপৰীতে স্বাক্ষৰ লোকৰ মাজত গুণগত আৰু নৈতিক শিক্ষাৰ অভাৱে দেখা দিছে। সামাজিক দায়িত্ব পালনত ব্যৰ্থ হোৱাৰ বিপৰীতে ভোগবাদী, জড়বাদী জীৱন ব্যৱস্থাৰ সৈতে অভ্যস্থ হোৱা পৰিলক্ষিত হৈছে। অনুন্নত তথা উন্নয়নশীল সমাজৰ বাবে যিটো আশা ব্যঞ্জক নহয়। এই দুৰৱস্থাৰ দূৰীকৰণৰ দায়িত্ব অঞ্চলটোৰ প্ৰতিষ্ঠিত শিক্ষিত শ্ৰেণীয়ে ল'ব পাৰে। শিক্ষিত সকল সমাজৰ ওচৰত সদায় ঋণী। কিয়নো শিক্ষা-দীক্ষা গ্ৰহন কৰি প্ৰতিষ্ঠিত হোৱা লোকসকলক শিক্ষা গ্ৰহনৰ ক্ষেত্ৰত সমাজৰ সৰ্বস্তৰৰ লোকৰ অৱদান আছে। তেওঁলোকে কৰ হিচাপে আদায় দিয়া ধনৰে শিক্ষানুষ্ঠান সমূহ প্ৰতিষ্ঠিত আৰু পৰিচালিত হয়। প্ৰতিজন ছাত্ৰ-ছাত্ৰীৰ নামত অভিভাৱকে খৰচ কৰা ধনৰ দহ গুণতকৈ অধিক ধন চৰকাৰে শিক্ষকৰ দা-দৰমহা, বিদ্যালয় ভৱনসহ আন্তঃগাথনিৰ নামত ব্যয় কৰে। চৰকাৰৰ এই ধন দেশৰ প্ৰতিজন নাগৰিকে আদায় দিয়ে। গতিকে শিক্ষিত সকলে এই পিচপৰা জনগণৰ জীৱন ধাৰণৰ মানদণ্ড উন্নয়নৰ বাবে সেৱা আগবঢ়াই এই সামাজিক ঋণ পৰিশোধ কৰাৰ বাবে আগবাঢ়ি অহা উচিত।।



*কেমেৰাৰ লেন্সত লেংটিছিঙা উপ-আৰক্ষী চকী*

# মোৰ চৰ-চাপৰি যাত্ৰা আৰু কিছু অনুভৱ



জুৰি শইকীয়া
শিৱসাগৰ

বিস্তীৰ্ণ অঞ্চল। দূৰ-দূৰণিলৈ অৰ্থাৎ চকুৰে নমনা দূৰত্বলৈ কেৱল বালি আৰু বালি। বুকুত সেউজীয়া শইচৰ লহৰ। হালধীয়া সৰিয়হৰ সাজোন-কাচোন। লয়লাস ভঙ্গীত। নৃত্যৰতা চঞ্চলা কুঁৱৰীৰ দৰে। বালি আৰু পলসৰ সৃষ্টিৰে নৈৰ বুকুত গজি উঠা শ্যামল চৰ। আকৌ নৈৰ বোকা-বালি, পলস পৰি ওখ হোৱা বহল ভূ-খণ্ডৰে গঠিত চাপৰি সমূহ। য'ত খেৰ-বন, বিৰিণা, ইকৰা আদিৰে হালি-জালি ছাটি ধৰি থাকে। কৃষকৰ কৰ্মঠ হাতৰ পৰশত সেই চাপৰিবোৰ হৈ উঠে সেউজ উপত্যকা। নাম যাৰ সেউজীয়া শইচ। সেই যে তাহানিতে স্বৰ্গদেউ চ্যুকাফাই অসমক ম্যুং ডুন-চুণ-খাম অৰ্থাৎ সোণোৱালী শইচৰ দেশ বুলিছিল, তদ্ৰূপ চৰ-চাপৰিবোৰো এখনি শ্ৰমজীৱি, পৰিশ্ৰমী মানুহৰ হাতত সেউজীয়া সপোন হৈ লহ্‌পহকৈ বাঢ়ি আছে। তাৰ পাৰত বাস কৰা কৃষিজীৱি মানুহবোৰৰ জীৱন-চৰ্যা নিচেই সৰল, সাধাৰণ। খাটিখোৱা মানুহৰ ছবি এখন সু-স্পষ্ট। মাতব্বৰৰ ভূমিকাই নিয়ন্ত্ৰণ কৰা এখন সমাজ। দৰিদ্ৰতা, জনসংখ্যাৰ সংখ্যাধিক্যই পিষ্ট কৰা এখন ছবি। চৰ-চাপৰি বুলিলে এনে এখন ছবিয়েই আমাৰ মনলৈ ভাঁহি উঠে। এই চৰ-চাপৰিলৈ যোৱাৰ এটা মন আছিল কিছুদিন ধৰি। কাকতে-পত্ৰই নানা কথা পঢ়ি থাকোঁ। শুনি থাকোঁ। কেতিয়াবা ভয়ো লাগে। হৰেক-ৰকমৰ অপৰাধৰো হেনো ঘাটি চৰ-চাপৰি সমূহ। সকলো দুৰ্ভাৱনাৰ অন্ত পেলাই যোৱা বছৰ পাঁচ ডিচেম্বৰত আমাৰ পৰিয়ালটো, বঙাইগাঁৱৰ ৰূপাঞ্জলি বাইদেউ (ৰূপাঞ্জলি দেৱী, বঙাইগাঁও কলেজ) ৰ লগত গৈ লেংটিছিঙা কলেজ পালোগৈ। তাৰপৰাই বাইদেউৰে আগতীয়াকৈ কথা পাতি থোৱা সেই কলেজৰ অধ্যাপক ড° আব্দুছ ছবুৰ, ৰ্খহিদুৰ ৰহমান, সুজিত দাস সহ মানাহ নৈ পাৰ হৈ ভালেমান দূৰ মটৰ চাইকেলত গৈ মেৰেৰচৰ পালোগৈ। মটৰ চাইকেলৰ ধূলি-বালিৰে লুতুৰি পুতুৰি। চাৰিওফালে ৰবি শস্য। মানাহ নৈ পাৰ হৈ ৪ কিঃ মিঃ মান গৈ ছিকাটাৰী মানুহৰ বসতিস্থল পালোগৈ। ৰ্খহিদুৰ ৰহমানৰ মিটিৰৰ ঘৰ। অৰ্থাৎ শহুৰবাৰী। তাতে আমি প্ৰথম বাৰৰ বাবে বেলৰ চাহ (বেলৰ শুকুৱাই থোৱা সাহৰ পৰা তৈয়াৰ কৰা) খালো। এটা নতুন জুতি। পিয়াঁহত অঠ-কণ্ঠ শুকাই গৈছিল। একাপৰ ঠাইত দুকাপ খালো। ইকৰাৰ, মৰাপাটৰ শুকান ঠাৰিৰে দিয়া আটোমটোকাৰীকৈ সজা ঘৰৰ বেৰবোৰ। চাৰিওফালে নিৰ্মল বতাহ। ঘৰবোৰ ওখ ঠাইত। সন্মুখৰ বহল, দ' ঠাইবোৰত নানা তৰহৰ বাম খেতি। মাটি মাহবোৰ লহপহকৈ গজিছে। হালধীয়া এবিধ বিশেষ ফুল। যিবিধ ফুলৰ গুটিৰপৰা তেল উলিওৱা হয়। ফুলজোপাৰ নামটো সোণগুটি। এই সোণগুটি গছজোপা অতি সাৰুৱা। ই কৃষিক্ষেত্ৰত গেলি-পচি, জহি গৈ মাটিৰ উৰ্বৰতা বৃদ্ধি কৰে। আমি যোৱাৰ সময়ত পঞ্চায়ত নিৰ্বাচনৰ বতৰ। মেৰেৰচৰত

এ.আই.ইউ.ডি.এফ., অগপ, কংগেছ দলৰ প্ৰচাৰ তুঙ্গত চলিছে। তাত বিজেপি দলৰ প্ৰচাৰ নেদেখিলো। অগপ দলৰ গণভিত্তি দেখি মনটো ভাল লাগি গৈছিল। অন্ততঃ চৰ-চাপৰি অঞ্চলত যে জাতীয়তাবাদী দলৰ ভিত্তি আছিল (যদিও নেতৃত্বই এতিয়া সেই ভিত্তি ধৰি ৰখাত ব্যৰ্থ হ'ল)। নিৰ্বাচনী প্ৰচাৰো চমকপ্ৰদ। ৰিক্সা এখনত অনুভাষ যন্ত্ৰ লৈ এজনে চৰ-চাপৰিৰ ভাষাত প্ৰচাৰ চলাইছে। আন এজনে তাল বজাইছে। তিনিজনীয়া প্ৰচাৰ। ভাষাটো বুজি নাপালেও সুৰটো আকৰ্ষণীয়। মই তেওঁলোকক ৰখাই দুবাৰ গোৱালো। কিছু সময়ৰ পিছত আমি কথা-বতৰা পাতি গম পালো যে তাৰপৰা হাদিৰাচকীলৈ বেছি দূৰ নহয়। হাদিৰাচকী বুলি কোৱাত মোৰ মনটো থৌকি-বাথৌ লাগিল। এপাক যাব পৰা হ'লে। আকৌ জানো অহাৰ সুযোগ হ'ব। সুদূৰ শিৱসাগৰৰ পৰা। মান সেনা আৰু আহোমৰ বিখ্যাত ৰণৰ থলী হাদিৰাচকী বা অসম চকী। কি কৰা যায়। নাই। যামেই। ৰূপাঞ্জলি বাইদেউক ক'লো। বাইদেউৰ মন নাছিল যদিও মোৰ কথা ৰাখি সন্মতি দিলে। মটৰ চাইকেলত যাত্ৰা। কষ্ট বাঢ়িবই। সেই কথা ভালকৈয়ে বুজি পোৱাৰ পিছতো যাবলৈ সাজু হ'লো। সেই ঠাইত বিচাৰিলেই গাড়ী পোৱা নাযায়। আমাৰ ল'ৰাটো সৰু। তাক ইমান দূৰলৈ নিব নোৱাৰি। ঘৰৰ গৃহস্থ, স্বপন আৰু ছবুৰ ডাঙৰীয়াক তাতে এৰি আমি হাদিৰাচকী পালোগৈ। ৰূপাঞ্জলি বাইদেউক তাত আটায়ে চিনি পায়। তেখেতৰ পিতৃ প্ৰয়াত অম্বিকাচৰণ চৌধুৰী বিখ্যাত মানুহ। তাত ক্ষন্তেক সময় কটাই আমি হাদিৰা চকী পালোগৈ। (২ কিঃ মিঃ মান গৈ)। তাহানিৰ হাদিৰা চকী ব্ৰহ্মপুত্ৰৰ মাজত বিলীন হৈ গ'ল। মানাহ নৈৰ সিটো পাৰে জিলিকি আছে অদূৰত সৌ ফুলৰা চতলা পৰ্বত। অসমৰ হেৰোৱা স্বাধীনতাৰ কৰুণ গাঁথা বুকুত লৈ। মানাহ আৰু ব্ৰহ্মপুত্ৰৰ সংগম স্থলে আকোঁৱালি ল'লে হাদিৰা চকীক। থাকি গ'ল মাথো স্মৃতি। আহ্, কিবা এটা যদি চিহ্ন থাকি গ'লহেঁতেন। মনটো বিষণ্ন হৈ পৰিল। মিছাতে আহিলো। মানাহৰ বালিচন্দাবোৰ তেতিয়া ৰূপোৱালী হৈ চকু জলক-তবক লাগাইছিল। দূৰ-দূৰণিলৈকে বালিচন্দাবোৰ জিলিকি-জিলিকি উঠিছিল। ঘূৰি আহি পুনৰ ছিকাটাৰী পালোহি। তেতিয়া বান্ধনী বেলি পাটত উঠিবৰ নৌ এথোন। খেতি-পথাৰৰ মাজত গৈ লিৰিক-বিদাৰি চাবৰ মন আছিল যদিও সময় নহ'ল। তেতিয়া ছিকাটাৰীৰ বাম খেতিবোৰত ছোৱালীবোৰে, কন্যা কিছুমানে মটৰ লগাই পানী দি আছে। কেইগৰাকীৰ লগত কথা পাতিলো। লেংটিছিঙা কলেজ, বঙাইগাঁও কলেজ, গুৱাহাটী বিশ্ববিদ্যালয়ত অধ্যয়নৰত। অসমীয়া বিষয়ত সন্মানসহ। মনটো ভৰি উঠিল। চৰত থকা কেইবাখনো প্ৰাথমিক বিদ্যালয় দেখিলো। ধুনীয়াকৈ ৰাখিছে। চৰ-চাপৰিৰ ল'ৰা-ছোৱালীবোৰ কথন; মন্থন সকলোতে অসমীয়া ভাষাক অগ্ৰাধিকাৰ দি আকোঁৱালি লৈছে। **এই কথা দ্ব্যৰ্থহীন ভাষাৰে ক'বই লাগিব যে চৰ-চাপৰিৰ লোকসকলে কাহানিবাই অসমীয়াক মাতৃভাষা হিচাপে আদৰি লোৱাৰ বাবেই ব্ৰহ্মপুত্ৰ উপত্যকাত অসমীয়া ভাষা বৰ্তি আছেগৈ। তেওঁলোকক অৰ্থাৎ চৰ-চাপৰিৰ লোকসকলক এচাম সাম্প্ৰদায়িক, বিষাক্ত, প্ৰদূষিত লোকে ন্যস্ত স্বাৰ্থৰ বাবে নানা তৰহৰ বক্তব্যৰে আক্ৰমণ কৰা দেখা যায়। প্ৰচাৰ কৰে। এইটো তেওঁলোকৰ এক কৌশলহে। চৰ-চাপৰিৰ শিক্ষিত ল'ৰা-ছোৱালীখিনিয়ে মনে-প্ৰাণে অসমীয়া ভাষা আদৰি লৈছে। চৰ্চ্চা কৰিছে। অধ্যয়নৰ মাজতে তেওঁলোকে পৰিশ্ৰম কৰিছে। তেওঁলোক কৰ্মী।** ধোদৰ পছলা, এলাইবাদু নহয়। মাক-দেউতাকৰ পইচাৰে মটৰ চাইকেল কিনি, চাৰি আলিয়ে তিনিআলিয়ে ঐদহে-বৈদহে ঘূৰি ফুৰিবলৈ তেওঁলোকৰ আজৰি নাই। পৰিবেশো নাই। বিভিন্ন

শইচ উৎপাদনৰ যোগেদি তেওঁলোকে অসমৰ কৃষি অৰ্থনীতিলৈ অৱদান আগবঢ়াইছে। নিজৰ অৰ্জন বুলি দুটকা মন খুলি খৰচ কৰি তৃপ্তিও পাইছে। লগতে পৰিশ্ৰমৰ মূল্যও বুজিছে।

চৰ-চাপৰিৰ জীৱন অতিশয় কষ্টকৰ। বাৰিষা নদীৰ বাঢ়নী পানীয়ে বুৰাই পেলায়। ছমাহৰ বাবে দুপইচা গোটোবাৰ সময় খৰালি কালছোৱাই। মৈমনছিঙীয়া মূলৰ আৰু ১৯১২ চনত পূৰ্ব বংগত দুৰ্ভিক্ষই দেখা দিয়াৰ ফলস্বৰূপে এইখনি কৃষিজীৱি লোক অসমলৈ প্ৰব্ৰজন কৰি ব্ৰহ্মপুত্ৰৰ বিভিন্ন চৰ-চাপৰিত থিতাপি লয়। ১৯৪৭ চনৰ ভাৰত-পাকিস্থান ভাগ হোৱাৰ সময়তো এচাম মানুহ আহি এই চৰ-চাপৰিত থিতাপি লয়হি। আন বহুতে অভিযোগ কৰাৰ দৰে চৰ-চাপৰি সমূহত যদি সন্দেহজনক বাংলাদেশী আছে তেনেহ'লে তেওঁলোকক খেদি পঠিওৱাৰ দায়িত্ব চৰ-চাপৰিবাসীৰে। যিহেতু তেওঁলোকৰ নিজৰে ভাত-কাপোৰৰ টনাটনি। অতিথি ৰখাই কি খুৱাব নিজে সিদ্ধান্ত লওঁক। এই ন-অসমীয়া সকলে অসমীয়া ভাষাক আকোঁৱালি লৈ, বিহুৰ দৰে সংস্কৃতিও পালন কৰাটো সুখৰ কথা। এওঁলোক বৃহত্তৰ অসমীয়া জাতিৰ অবিচ্ছেদ্য অংগ। যিদিনালৈকে তেওঁলোকে অসমীয়া ভাষা, সংস্কৃতি আকোঁৱালি লৈ থাকিব সেইদিনালৈকে তেওঁলোক বৃহত্তৰ অসমৰ অসমীয়া হৈ থাকিব। অৱশ্যে অৰ্থনৈতিক অনগ্ৰসৰতা, শিক্ষাৰ ক্ষেত্ৰত অনগ্ৰসৰতাই এওঁলোকৰ মাজত অন্ধবিশ্বাস, কু-সংস্কাৰ বৃদ্ধি কৰিছে। জনসংখ্যা নিয়ন্ত্ৰণ নকৰাৰ ফলত অন্ন , বস্ত্ৰৰ নাটনি, দৰিদ্ৰতা আদি বৃদ্ধি পাই আহিছে। হত্যা, ধৰ্ষণ আদিৰ দৰে ঘটনাও বেছি। চৰ অঞ্চলৰ লোকসকলৰ হাড়ভঙা পৰিশ্ৰমৰ ফচল বহুক্ষেত্ৰত মাতব্বৰ সকলে উপভোগ কৰি আহিছে। এইক্ষেত্ৰত শিক্ষিত লোকসকলে, ছাত্ৰ-ছাত্ৰী সকলে ধৰ্মৰ উৰ্দ্ধত থাকি নিজৰ মাজত সজাগতা বৃদ্ধি কৰিব লাগিব। কোনো ৰাজনৈতিক দলৰ হাতৰ পুতলা নহৈ চৰকাৰী সুবিধাবোৰ ল'বলৈ যত্নপৰ হ'ব লাগিব। যাতে দলংখন সজাৰ বাবে অহা টকাকেইটা মাজবাটতে মাতব্বৰে হজম কৰিব নোৱাৰে। সজাগতা নিজৰ ভিতৰৰ পৰাই আনিব লাগিব। জুয়ে ঘৰ পুৰিলে বাহিৰৰ মানুহ আহি নুমুৱাব বুলি ভবাতকৈ নিজে নুমুৱাব লাগিব। তেওঁলোকৰ ভালেমান ল'ৰা-ছোৱালী জন্ম দিয়া (মাইকী মানুহবোৰক সন্তান জন্ম দিয়াৰ মেচিন বুলি নাভাবি) অবৈজ্ঞানিক ধাৰণাটো উভালি পেলাব লাগিব। চৰ-চাপৰি অঞ্চলৰ মৌলবী, জনাব সকলোকে এই কথাটো শিক্ষিত সকলে বুজাব লাগিব। চৰ-চাপৰি সমূহত ডাঃ ইলিয়াছ আলীৰ ভূমিকা শিক্ষিত ছাত্ৰ-ছাত্ৰী সকলেই ল'ব লাগিব। সমাজখনক আগুৱাই নিয়াৰ স্বাৰ্থত।

ছিকাটাৰী চৰৰ সৰহ সংখ্যক ছাত্ৰ-ছাত্ৰীয়েই উচ্চ শিক্ষিত। ১৯৫০ চনৰ ওচৰে-পাজৰে সৃষ্টি হোৱা এই চৰটোৰ নতুন প্ৰজন্মৰ ছাত্ৰ-ছাত্ৰী সকলৰ পৰাই আৰম্ভ হওঁক চৰ-চাপৰিত চলা নানা অন্ধ-বিশ্বাস, কু-সংস্কাৰ, জন্মনিয়ন্ত্ৰণৰ বিৰুদ্ধে এক জাগৰণ। যি জাগৰণ বিয়পি পৰক প্ৰান্তে প্ৰান্তে। চৰ-চাপৰিৰ অসমীয়া আজি সজাগ, সচেতন। এই বাৰ্তাই নাশ কৰক সকলো অন্ধকাৰ, অপবাদ। অন্যথা উচ্চ শিক্ষিত হৈ চৰ-চাপৰি ত্যাগ কৰি নিৰাপদ ঠাইত বসতি কৰিলেই সমস্যা নকমে। চাপৰিলে মেঘ নাতঁৰে। সমস্যাৰ সৈতে যুঁজিব পৰাতহে আছে সফলতা। ত্যাগতহে মহত্ব। ভোগত নহয়। চৰ-চাপৰিৰ সমূহ শিক্ষিতছাত্ৰ-ছাত্ৰীয়ে প্ৰত্যাহ্বান নেওচি সাম্প্ৰতিক সময়ৰ আহ্বানক বৰণ কৰি সকলোকে সজাগ কৰিবলৈ ওলাই আহিব পৰাটোৱেই হ'ব তেওঁলোকৰ কৃতকাৰ্যতা। ○

**পৰিচিতি ঃ** লেখিকা শিৱসাগৰ জিলাৰ আমগুৰিৰ বাসিন্দা আৰু এগৰাকী প্ৰতিষ্ঠিত লেখিকা তথা ঔপন্যাসিক।

# শিশুৰ উত্তৰণ আৰু শিক্ষাৰ অধিকাৰ



**ৰফিকুল ইছলাম**
**সহঃ অধ্যাপক, আৰ.জি.এম. কলেজ,লেংটিছিঙা**

শিক্ষা হৈছে মানৱ জীৱনৰ এক মৌলিক প্ৰয়োজন। প্ৰাথমিক শিক্ষা হৈছে জীৱনৰ আৰম্ভণি স্তৰৰ শিক্ষা, এটি শিশুৱে ছয় বছৰপূৰ্ণ কৰাৰ লগে লগে এই শিক্ষা ল'ব পাৰে। শিশুৰ উত্তৰণৰ ক্ষেত্ৰত ভাৰত চৰকাৰে স্বাধীনত্তোৰ কালৰে পৰাই প্ৰাথমিক শিক্ষাৰ ওপৰত যথেষ্ট গুৰুত্ব আৰোপ কৰা পৰিলক্ষিত হয়।

১৯৫০ চনত আমাৰ দেশৰ সাংবিধান গ্ৰহণৰ সময়ত ৪৫ নং অনুচ্ছেদত উল্লেখ কৰা হৈছিল যে "এই সংবিধান কাৰ্যকৰী কৰাৰ দহ বছৰ সময় সীমাৰ ভিতৰত সকলো ল'ৰা-ছোৱালীকে তেওঁলোকৰ ১৪ বছৰ সম্পূৰ্ণ নোহোৱালৈকে ৰাষ্ট্ৰই বিনামূলীয়া আৰু বাধ্যতামূলক শিক্ষা প্ৰদানৰ চেষ্টা কৰিব লাগে।"

কিন্তু দুখৰ বিষয় এই যে, স্বাধীনতা লাভৰ ৫০ বছৰ উকলি যোৱাৰ পিছতো ইয়াক পূৰ্ণতা দিয়া দেখা নগ'ল। ২০০২ চনত সংবিধানৰ ৯৩ তম সংশোধন ঘটাই অনুচ্ছেদ ২১ (ক)ত প্ৰাথমিক শিক্ষা লাভৰ অধিকাৰক মৌলক অধিকাৰৰ মৰ্যদা দিয়া হৈছে আৰু লগতে উল্লেখ কৰা হৈছে যে ৰাজ্যসমূহে আইনৰ দ্বাৰা ৬-১৪ বছৰ বয়সৰ সকলো ল'ৰা-ছোৱালীৰ বাবে বিনামূলীয়া আৰু বাধ্যতামূলক শিক্ষাৰ ব্যৱস্থা কৰিব। ইয়াৰ জৰিয়তে শিশুৰ উত্তৰণ আৰু শিক্ষা লাভৰ আশা কৰা হৈছিল যদিও ইয়াক বাস্তৱত ৰূপায়িত কৰা সম্ভৱ নহ'ল। পৰৱৰ্তী সময়ত ইয়াক অধিক কাৰ্যকৰী কৰি তুলিবলৈ ভাৰতবৰ্ষৰ কেন্দ্ৰীয় চৰকাৰে শিশুৰ বিনামূলীয়া আৰু বাধ্যতামূলক শিক্ষাৰ অধিকাৰ আইন ২০০৯ চনত আগষ্ট মাহত গৃহীত কৰে। অৱশ্যে ২০১০ চনৰ ৰ এপ্ৰিলৰ পৰাহে এই আইনখন বলৱৎ হোৱাৰ অধিসূচনা জাৰি কৰে। এই আইনখনক চমুকৈ শিক্ষাৰ অধিকাৰ আইন ২০০৯ বুলি কোৱা হয়।

এই পৃথিৱীত প্ৰতিটো শিশুৰে শিশু হিচাপে নিজৰ মৰ্যদাপূৰ্ণ জীৱন নিৰ্বাহৰ অধিকাৰ আছে। শিশুকালৰ সৰ্বাত্মক বিকাশৰ জৰিয়তে তেওঁলোকৰ ভৱিষ্যৎ জীৱন সৰ্বাংগ সুন্দৰ কৰি গঢ়ি তোলাত গণতান্ত্ৰিক শিক্ষাই প্ৰধান ভূমিকা গ্ৰহণ কৰে। সৰ্বাত্মক বিকাশৰ বাবে প্ৰয়োজন তেওঁলোকৰ দৈহিক, মানসিক আৰু সামাজিক অধিকাৰৰ মাজেৰে জীয়াই থকাৰ এক সৌহাৰ্দ্যপূৰ্ণ আৱেগিক পৰিৱেশৰ। কিন্তু দুৰ্ভাগ্যবশতঃ ভাৰতবৰ্ষৰ সকলো শিশুৰ ক্ষেত্ৰত এইটো সম্ভৱ হৈ উঠা নাই। এচাম শিশুৱে অধিকাৰ আৰু স্বাধীনতাৰ ভিত্তিত শৈশৱ আৰু বাল্যকালৰ সোণালী দিনবোৰ অতিবাহিত কৰিছে যদিও আনহাতে আন এচামে শোষণ, উৎপীড়ন, অনাহাৰ, দৰিদ্ৰতা, শিক্ষাবিমুখতা, শ্ৰম, নিৰ্যাতন ইত্যাদিৰ

মাজত দিন অতিবাহিত কৰিব লগা হৈছে।

আমাৰ দেশৰ শতকৰা ২০ শতাংশ মানুহ দৰিদ্ৰ সীমাৰেখাৰ তলত বসবাস কৰে। দৰিদ্ৰতাৰৰ কাৰণে তেওঁলোকৰ ল'ৰা-ছোৱালীবোৰক যদিও প্ৰথম অৱস্থাত বিদ্যালয়লৈ পঠোৱা হয়, কিন্তু প্ৰাথমিক শিক্ষা সম্পূৰ্ণ নকৰাকৈ বিদ্যালয় এৰি পৰিয়ালৰ অৰ্থ উপাৰ্জনকাৰী হিচাপে বিভিন্ন কামত নিযোজিত হৈ পিতৃ-মাতৃক সহায় কৰে। এইদৰে দেশত প্ৰাথমিক শিক্ষাৰ অপচয় আৰু স্থবিৰতাৰ ফলত বৃহৎ সংখ্যক শিশু শিক্ষালাভৰ পৰা বঞ্চিত হ'ব লগা হয়।

অভিভাৱকৰ নিৰক্ষৰতা আৰু দৰিদ্ৰতাৰ বাবেই শিশুৰ উত্তৰণৰ বাট মুকলি কৰাৰ আগতেই তেওঁলোকে চাহৰ দোকান, ইটাভাটা উদ্যোগ, আঢ্যৱন্ত মানুহৰ ঘৰত কাম কৰি থাকিবলগীয়া হয়। যি কি নহওঁক, যিবিলাক কাৰ্যই শিশুৰ উত্তৰণ আৰু শিক্ষা লাভৰ অধিকাৰক খৰ্ব কৰিব বিচাৰে তেনে কাৰ্যসমূহ প্ৰতিৰোধ কৰাত চৰকাৰ আৰু জনসাধাৰণ একগোট হৈ মাৰ বান্ধি থিয় দিব লাগে। কাৰণ শিক্ষাৰ দ্বাৰাহে গণতান্ত্ৰিক ৰাষ্ট্ৰৰ উপযুক্ত নাগৰিক গঢ়ি তুলিব পৰা যাব আৰু তেতিয়াহে গণতন্ত্ৰ প্ৰকৃতাৰ্থত সফল হ'ব। শিক্ষাই জীৱন নিৰ্বাহৰ মান উন্নত কৰাৰ লগতে জাতীয় জীৱনৰ বিকাশ সাধনতো গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে। ৰাষ্ট্ৰৰ অৰ্থনৈতিক বিকাশো নিৰ্ভৰ কৰে উপযুক্ত শিক্ষিত আৰু উপাৰ্জনক্ষম ব্যক্তিৰ ওপৰত। শিক্ষা অবিহনে কোনো দিশতে বিকাশ সম্ভৱ হ'ব নোৱাৰে। সেয়েহে নিৰক্ষৰতাৰ সমস্যা অনিবাৰ্য ভাৱে দূৰ কৰা প্ৰয়োজন। এই সমস্যা দূৰ কৰিব পাৰিলে স্বাস্থ্য সম্পৰ্কীয় আৰু পৰিৱেশ সম্পৰ্কীয় বহু সমস্যা দূৰ কৰিব পৰা যাব আৰু তেতিয়া বিশ্বৰ সন্মুখত দেখা দিয়া প্ৰত্যাহবানৰ মোকাবিলা কৰিব পৰা যাব।

শেষত ইয়াকে উল্লেখ কৰিব পাৰি যে শিশুৰ উত্তৰণ আৰু শিক্ষা লাভৰ অধিকাৰৰ ক্ষেত্ৰত যিসমূহ বাধাৰ সন্মুখীন হ'ব লগা পৰিস্থিতিৰ উদ্ভৱ হ'ব সেই বাধাসমূহ চৰকাৰ, প্ৰশাসনযন্ত্ৰ বা আমোলাসকল আৰু সচেতন জনসাধাৰণৰ দ্বাৰা প্ৰতিহত কৰিব লাগিব। তেতিয়াহে আমাৰ ভৱিষ্যৎ নৱপ্ৰজন্মই জন্মগত শিক্ষাৰ অধিকাৰ লাভ কৰিবলৈ সক্ষম হ'ব আৰু তেওঁলোকৰ সোণালী শৈশৱ আনন্দ স্ফূৰ্তিৰে অতিবাহিত কৰিব পাৰিব।।



*কেমেৰাৰ লেন্সত কলেজৰ সমীপত থকা লেংটিছিঙা আৱৰ্ত ভৱন*



*কেমেৰাৰ লেন্সত লেংটিছিঙা বজাৰৰ এটি দৃশ্য*

# এ. এফ.গোলাম ওচমানী ঃ অন্যায়ৰ বিৰুদ্ধে আজীৱন সংগ্ৰামেই যাৰ পৰিচয়।



ছফিউৰ ৰহমান
প্ৰাক্তন সাধাৰণ সম্পাদক, আমছু
সহকাৰী অধ্যাপক আৰ.জি এম. কলেজ

**অসমত** তেতিয়া অসম আন্দোলনৰ জুই। বিদেশী খেদা আন্দোলনত উত্তাল অসমৰ আকাশ-বতাহ। অসমত লাখ-লাখ বিদেশী আছে বুলি সদৌ অসম ছাত্ৰ সংস্থাৰ ফালৰ পৰা দাবী কৰাৰ পিছত অসমৰ জনগণ বিদেশী খেদাৰ বাবে ছাত্ৰ সংস্থাৰ নেতৃত্বত ব্যাপক গণ আন্দোলন গঢ়ি তুলিছিল। এটা সময়ত এই আন্দোলনটোৱে হিংসাত্মক ৰূপ লৈ ধৰ্মীয় আৰু ভাষিক সংখ্যালঘু সকলক হাৰাশাস্তি কৰিবলৈ ধৰিছিল। দাড়ি, টুপী, লুঙ্গী-পিন্ধা মানুহ পালেই ছাত্ৰ সন্থাৰ নেতৃত্ব বা আন্দোলনকাৰী সকলে বিদেশী বুলি শাস্তি দিছিল। বাটে-ঘাটে ছোৱা বুজি সংখ্যালঘু সকলক হত্যা কৰাটো স্বাভাৱিক ঘটনা হিচাপে পৰিগণিত হৈছিল। পাইকাৰী হাৰত সংখ্যালঘু ভোটাৰ সকলৰ নামত বিদেশী বুলি আপত্তি দৰ্শাই ভোটাৰ তালিকাৰ পৰা নাম কৰ্তন কৰাৰ ষড়যন্ত্ৰ চলাইছিল। ছাত্ৰ সন্থাৰ এক়ো-একোজন নেতাই হেজাৰ-হেজাৰ সংখ্যালঘু নাগৰিকৰ নামত আপত্তি দি শুনানী কেন্দ্ৰত শাৰী পাতি নাগৰিকত্বৰ পৰীক্ষাত অৱতীৰ্ণ হবলৈ বাধ্য কৰাইছিল। শুনানী কেন্দ্ৰৰ শাৰীত মুছলমান মহিলাই প্ৰসৱ কৰাৰ দৰে বিৰল আৰু অমানৱীয় ঘটনাও ঘটিছিল। অৱশেষত ১৯৮৩ ত আন্দোলনকাৰী সকলে সংখ্যালঘু মুছলমান সকলৰ ঘৰ-বাৰী জ্বলাই দি বিদেশী খেদাৰ চৰম পন্থা অৱলম্বন কৰি অসমৰ পৰা মানৱতা চিৰ দিনৰ বাবে বিদায় দিয়াৰ ব্যৱস্থা কৰিছিল। চৰম নিৰাপত্তাহীনতা আৰু নাগৰিকত্ব হেৰুৱাৰ আশংকাত ক্ষতিগ্ৰস্থ ব্ৰহ্মপুত্ৰ উপত্যকাৰ সংখ্যালঘু সকল তেতিয়া আছিল নেতৃত্বহীন অৱস্থাত। ঠিক তেতিয়াই সুদুৰ বৰাক উপত্যকাৰ শিলচৰৰ পৰা ব্ৰহ্মপুত্ৰ উপত্যকাৰ ধৰ্মীয় আৰু ভাষিক সংখ্যালঘু সকলৰ ওপৰত চলা এনে নিৰ্মম আৰু মানৱতাহীন অন্যায়ৰ বিৰুদ্ধে প্ৰৱল গণ আন্দোলন গঢ়ি তুলিবলৈ ব্ৰহ্মপুত্ৰ উপত্যকালৈ আগমণ হৈছিল এগৰাকী অন্যতম যোগ্য নেতা যাৰ নাম হ'ল এ. এফ. গোলাম ওচমানী। সৰ্বসাধাৰণৰ ওপৰত যাৰ পৰিচয় ব্যৰিষ্টাৰ ওচমানী চাহাব হিচাপে।

বৰাক উপত্যকাত ৰাজনৈতিক জীৱনৰ পাতনি মেলা ওচমানী চাহাবৰ জন্ম হয় ১/৪/১৯৩৩ ইং চনত। কলকতা আৰু বিলাতত

উচ্চশিক্ষা গ্ৰহণ কৰি আইনজীৱি হিচাপে কৰ্ম জীৱন আৰম্ভ কৰা ওচমানী চাহাব ১৯৭৮ চনত বৰাক উপত্যকাৰ বৰছুলা বিধান সভা সমষ্টিৰ পৰা পোণ প্ৰথমবাৰৰ বাবে অসম বিধান সভালৈ নিৰ্বাচিত হৈ গোলাপ বৰবৰা নেতৃত্বাধীন চৰকাৰৰ কেইবাটাও গুৰুত্বপূৰ্ণ দপ্তৰৰ মন্ত্ৰী হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল। বৰবৰা চৰকাৰৰ পতনৰ পিছতেই তেখেত ব্ৰহ্মপুত্ৰ উপত্যকালৈ ঢাপলি মেলিছিল। এই অঞ্চলৰ ধৰ্মীয় আৰু ভাষিক সংখ্যালঘু সকলৰ ওপৰত চলা তথাকথিত বিদেশী খেদা আন্দোলনকাৰীৰ অন্যায়ৰ বিৰুদ্ধে সংগ্ৰাম কৰাৰ দৃঢ় সংকল্প লৈ।

সদৌ অসম ছাত্ৰ সন্থাৰ নেতৃত্বত চলা এই অন্যায় আন্দোলনৰ বিৰুদ্ধে প্ৰতিবাদী সংগ্ৰাম গঢ়ি তোলাৰ বাবে কেন্দ্ৰস্থল হিচাপে তেখেতে বাছি লৈছিল বৰপেটা জিলাক। বৰপেটা জিলাক কেন্দ্ৰ হিচাপে লৈ তেখেত ব্ৰহ্মপুত্ৰ উপত্যকাৰ সংখ্যালঘু সকলৰ অস্তিত্বৰ সংগ্ৰামৰ নেতৃত্ব দিবলৈ আৰম্ভ কৰিছিল। বৰপেটা জিলাৰ হাউলীত তেখেতে পোণ প্ৰথমবাৰৰ বাবে বুদ্ধিজীৱি আৰু সচেতন সংখ্যালঘু নাগৰিক সকলক একত্ৰিত কৰি এখন সভা আহ্বান কৰিছিল। পৰৱৰ্তী সময়ত বৰ্তমানৰ উদালগুৰি জিলাৰ টংলাত জন্ম দিয়া হৈছিল নাগৰিক অধিকাৰ ৰক্ষা কমিটি ( C.R.P.C. )। প্ৰখ্যাত চিন্তাবিদ প্ৰয়াত কালীপদ সেনক সভাপতি আৰু ওচমানী চাহাবে সম্পাদক প্ৰধান হিচাপে ইয়াৰ নেতৃত্ব প্ৰদান কৰিছিল। এই গণ মঞ্চটোৱে আছিল ব্ৰহ্মপুত্ৰ উপত্যকাৰ ধৰ্মীয় সংখ্যালঘুসকলৰ প্ৰতিবাদী আৰু অধিকাৰ ৰক্ষাৰ প্ৰথম সংগঠিত ৰূপ। ছি আৰ. পি. ছি আৰু ১৯৮০ ৰ মাৰ্চত আব্দুল হাই নাগৰিদেৰক সভাপতি হিচাপে লৈ জন্ম হোৱা সংখ্যালঘু ছাত্ৰ সংগঠন 'আমছু' ৰ জৰিয়তে সংখ্যালঘুসকলৰ নাগৰিকত্বৰ প্ৰশ্নত কৰা চৰকাৰী-বেচৰকাৰী বিভিন্ন হাৰাশাস্তিৰ বিৰুদ্ধে দিল্লী অথবা দিছপুৰলৈ প্ৰতিবাদৰ আৱাজ তুলিছিল। জনগণৰ মাজত সভা-সমিতিৰ যোগেদি অন্যায় অবিচাৰৰ বিৰুদ্ধে ঐক্যবদ্ধ হোৱাৰ আহ্বান জনাইছিল। আন্দোলন চলা সময়ত প্ৰতিটো এলেকাৰ প্ৰতিজন দুৰ্যোগপূৰ্ণ মানুহৰ কাষলৈ দৌৰি গৈছিল। আন্দোলনৰ বলি হোৱা প্ৰতিজন ব্যক্তি বা প্ৰতিটো পৰিয়ালৰ কাষত থিয় দি তেখেতে সহায় আৰু সাহস প্ৰদান কৰিছিল। সংখ্যালঘু সকলৰ নিৰাপত্তা প্ৰদানৰ বাবে তেখেত সদায় সচেষ্ট আছিল। ওচমানী চাহাবে আহ্বান দিয়া প্ৰতিটো সংগ্ৰামী কাৰ্যসূচী অথবা জনসভাবোৰত ৰাইজৰ সহাৰি আছিল স্বতঃস্ফুৰ্ত্ত। হেজাৰ হেজাৰ জনগণৰ উপস্থিতিয়ে জনসভাবোৰ আকৰ্ষণীয় কৰি তুলিছিল। তেখেতে জনসভাবোৰত দিয়া ভাষণবোৰ শিক্ষিত অশিক্ষিত কৃষক মজদুৰ আদি সকলো শ্ৰেণীৰ মানুহে গভীৰ আগ্ৰহেৰে শুনিছিল। ৰাজনৈতিকভাৱে অপৰিপক্ক মানুহবোৰৰ বাবে তেখেতৰ প্ৰতিটো ভাষণ আছিল শ্ৰেণীকোঠাত দিয়া শিক্ষকৰ পাঠদানৰ দৰে। বৰপেটা জিলাৰ লাংলা উচ্চতৰ মাধ্যমিক বিদ্যালয় প্ৰাঙ্গণত অনুষ্ঠিত হোৱা এখন ৰাজহুৱা সভাৰ কথা এতিয়াও আমাৰ মনত পৰে। সিদিনা আছিল শুক্ৰবাৰ। জুমাৰ নামাজৰ অন্তত আৰম্ভ হোৱা সভাখনত কেইবা হাজাৰ মানুহৰ সমাগম

হৈছিল।সংখ্যালঘু মানুহৰ দুখ দুৰ্দশাৰ বিৱৰণ দি আৱেগিক ভাৱে দিয়া তেখেতৰ ভাষণত মুগ্ধ হৈ এজন বয়সীয়াল মানুহ সভাস্থলীৰ মাজৰ পৰা কান্দি কান্দি উঠি গৈ তেখেতৰ ভৰি চুই সেৱা কৰিছিল। এনে বিৰল দৃশ্যই সকলোকে আৱেগিক কৰি তোলাৰ উপৰিও সকলোকে কন্দুৱাইছিল।

১৯৮৫ চনত অসম চুক্তিৰ যোগেদি অসম আন্দোলনৰ সমাপ্তি ঘটোৱা হ'য়। এই চুক্তিৰ দ্বাৰা অসমৰ বিদেশী সমস্যা আৰু অসমৰ সামগ্ৰিক উন্নয়নৰ বাবে কিছুমান বিশেষ ব্যৱস্থা গ্ৰহণ কৰা হয়। বিদেশী সমস্যা সমাধানৰ বাবে গ্ৰহণ কৰা কেইটামান বিতৰ্কিত দফা আৰু সংখ্যালঘু সংগঠনবোৰক সম্পূৰ্ণ আঁতৰাই ৰাখি চুক্তি স্বাক্ষৰিত কৰা বাবে চুক্তিৰ বিপক্ষে গৰজি উঠিছিল ওচমানী চাহাব। তেখেতৰ নেতৃত্বত সৰ্বপ্ৰথম অসম চুক্তি বাতিলৰ দাবী উত্থাপন কৰা হয় আৰু অসমৰ সংখ্যালঘু প্ৰধান অঞ্চলবোৰত সভা সমিতিৰ যোগেদি চুক্তিৰ বিপক্ষে জনমত গঠন কৰা হ'য়। ইফালে আন্দোলনকাৰী ছাত্ৰ সন্থাৰ দাবীত' ৮৩ ৰ নিৰ্বাচনত গঠিত হোৱা অসম বিধান সভা ভঙ্গ কৰি দি নিৰ্বাচনৰ বাবে দিন ঘোষণা কৰা হ'য়। এই নিৰ্বাচনত অৱতীৰ্ণ হোৱাৰ বাবে ছাত্ৰ সংস্থাৰ নেতৃত্বত নতুন আঞ্চলিক ৰাজনৈতিক দল 'অসম গণ পৰিষদ' গঠন কৰা হয়। গোলাম ওচমানী চাহাবেই এই নৱগঠিত আঞ্চলিক ৰাজনৈতিক শক্তিৰ বিপক্ষে অসমৰ সংখ্যালঘু জনগণক ৰাজনৈতিক ভাবে ঐক্যবদ্ধ হোৱাৰ আহ্বান জনায় আৰু ইয়াৰ ফলশ্ৰুতিত' ৮৫ চনত নগাও জিলাৰ হোজাইত ওচমানী চাহাবৰ সম্পূৰ্ণ তৎপৰতা আৰু নেতৃত্বত জন্ম দিয়া হয় সংযুক্ত সংখ্যালঘু মৰ্চা( ইউ, এম, এফ) নামৰ নতুন সংখ্যালঘু ৰাজনৈতিক দল।

১৯৮৫ চনৰ ঐতিহাসিক নিৰ্বাচনত সংযুক্ত সংখ্যালঘু মৰ্চাই অভূতপূৰ্ব সফলতা অৰ্জন কৰিবলৈ সক্ষম হৈছিল। ধৰ্মীয় আৰু ভাষিক সংখ্যালঘু জনগণৰ বিপুল সহাৰিত বহুকেইখন সমষ্টিত অসম গণ পৰিষদৰ কৰ্মী-সমৰ্থকৰ দ্বাৰা ৰেগিং কৰা স্বত্বেও ১৭ খন আসনত জয়যুক্ত হৈ অসম বিধান সভালৈ নিৰ্বাচিত হৈছিল। প্ৰয়াত ওচমানী চাহাবে বৰপেটা জিলাৰ জনীয়া বিধান সভা সমষ্টিত অভিলেখ সংখ্যক ভোটৰ ব্যৱধানত নিৰ্বাচিত হৈ সংখ্যালঘু আন্দোলনটোক অসম বিধান সভাৰ মজিয়ালৈ লৈ যাবলৈ সক্ষম হৈছিল।

বিধানসভাত বিৰোধীৰ আসনত বহি ওচমানী চাহাবে সংখ্যালঘু সকলৰ দীৰ্ঘদিনীয়া সমস্যা আৰু অসম চুক্তিৰ বিতৰ্কিত দফাবোৰৰ ওপৰত বস্তুনিষ্ঠ পৰ্য্যালোচনা আগবঢ়াইছিল। নিৰ্বাচনৰ সময়ত অসম চুক্তি বাতিলৰ দাবী কৰা হৈছিল যদিও এজন প্ৰখ্যাত আইনজ্ঞ হিচাপে তেখেত অসম চুক্তি সন্দৰ্ভত কৈছিল—'The Assam Accord should be re-viewed' ওচমানী চাহাবৰ এই বক্তব্য ওপৰুৱা দৃষ্টিত নিৰ্বাচনৰ সময়ত চুক্তি বাতিল কৰা দাবীৰ সৈতে পাৰ্থক্য থকাৰ গইনা লৈ কংগ্ৰেছ দলৰ তদানীন্তন নেতৃত্বই কৌশলী আৰু ষড়যন্ত্ৰমূলক পৰিকল্পনাৰে সংখ্যালঘু নেতৃত্ব আৰু সংগঠনৰ মাজত বিভ্ৰান্তি প্ৰচাৰ কৰি একাংশ সংগঠন আৰু

নেতৃত্বক ওচমানী চাহাব আৰু সংযুক্ত সংখ্যালঘু মৰ্চাৰ বিৰুদ্ধে মাত মাতিবলৈ উচটনি দিছিল। তেওলোকে কৈছিল যে ওচমানী চাহাবে নিৰ্বাচনৰ সময়ত চুক্তি সন্দৰ্ভত কৰা দাবী আৰু বিধানসভাত প্ৰদান কৰা বক্তব্য পৰস্পৰ বিৰোধী অৰ্থাৎ ওচমানী চাহাবে অসম গণ পৰিষদ চৰকাৰৰ সৈতে আপোচকামী দৃষ্টিভঙ্গীৰে আগবাঢ়িছে। তেখেতে নৰমপন্থা অৱলম্বন কৰি সংখ্যালঘু আন্দোলনটো দূৰ্বল কৰাৰ পৰিকল্পনা কৰিছে বুলি তেওঁলোকে অভিযোগ উত্থাপন কৰে।

তদানীন্তন কংগ্ৰেছ নেতৃত্বৰ এনে চক্ৰান্তৰ বলি হৈছিল একাংশ ইউ.এম.এফ বিধায়কো। তেওঁলোকে ওচমানী চাহাবৰ সান্নিধ্যত থাকি কোনো ধৰণৰ স্বাৰ্থ সিদ্ধি কৰিব নোৱাৰাৰ অজুহাতত কংগ্ৰেছ দলৰ প্ৰলোভন আৰু সহায়ত দলটোক বিভাজন কৰিবলৈও কুণ্ঠাবোধ কৰা নাছিল। বিধায়কসকলৰ এনে কাৰ্যত ওচমানী চাহাবে আক্ষেপ প্ৰকাশ কৰি দাৰ্শনিকৰ দৰে বাংলা ভাষাত কোৱা আমি শুনিছিলো "বামুনেৰ ঘৰে কি বিড়াল থাকতে পাৰে" কিন্তু তাৰ মাজতো দৃঢ় মনোভাৱেৰে তেখেতে মাজে সময়ে ৰবীন্দ্ৰনাথৰ সেই মহান বাণী "যদি তোৰ ডাক শুনে কেওঁ না আসে, তবে একলা চলোৰে" আওৰাই ইউ.এম. এফ'ৰ কৰ্মী সমৰ্থকসকলক উদ্বুদ্ধ কৰিছিল। ১৯৮৫ চনৰ পৰা ১৯৯৮ ইং চনলৈ দীৰ্ঘ ১২ বছৰ সময় ওচমানী চাহাব আছিল সংখ্যালঘু ৰাজনৈতিক আন্দোলনৰ অবিসম্বাদী নেতা। এই সময়খিনিত বহু ৰাজনৈতিক উত্থান পতন হ'ল। বহু ঘটনা পৰিঘটনাই ৰাজনৈতিক জগতখনত যোগ বিয়োগ ঘটালে। ৰাজনৈতিক পৰিবৰ্তন আৰু বাস্তৱ পৰিস্থিতিক মানি লৈ ওচমানী চাহাবে নিজৰ স্বভাৱজাত আৰু আদৰ্শগত ৰাজনৈতিক চৰিত্ৰৰ সৈতে কিছু আপোচ কৰি কংগ্ৰেছৰ প্ৰতি কিছু নমনীয় হ'বলৈ ধৰিলে। ১৯৯৮ চনৰ লোকসভা নিৰ্বচনৰ পৰা ক্ৰমান্বয়ে তেখেত কংগ্ৰেছ দলৰ ওচৰ চাপিবলৈ ধৰা পৰিলক্ষিত হয়। ১৯৯৮ চনৰ লোকসভা নিৰ্বচনত কংগ্ৰেছ দলৰ সমৰ্থিত ইউ.এম.এফ. প্ৰাৰ্থী হিচাপে বৰপেটা লোকসভা সমষ্টিৰ পৰা প্ৰতিদ্বন্দ্বিতা কৰি ভাৰতৰ সংসদলৈ নিৰ্বাচিত হয়। তাৰ পিছৰ দুটা নিৰ্বাচনত তেখেত কংগ্ৰেছ দলৰ প্ৰাৰ্থী হিচাপে লোকসভা নিৰ্বাচনত নিৰ্বাচিত হ'বলৈ সক্ষম হৈছিল যদিও নিজৰ অদৰ্শ আৰু নীতিৰ পৰা বিচলিত হোৱা নাছিল।

নীতি আৰু আদৰ্শগত ভাৱে ওচমানী চাহাব আছিল কংগ্ৰেছ দলৰ সৈতে খাপ খাব নোৱাৰা এজন ৰাজনীতিক। কোনো দিনেই দূৰ্নীতি আৰু ব্যক্তিস্বাৰ্থৰ কথা চিন্তা নকৰা ওচমানী চাহাব প্ৰকৃতাৰ্থত অসমৰ সংখ্যালঘু সকলৰ দীৰ্ঘদিনীয়া সমস্যাবোৰৰ সমাধানৰ বাবে আৰু ৰাজনৈতিক বাস্তৱতাৰ প্ৰতি লক্ষ্য কৰি কংগ্ৰেছত যোগদান কৰিবলৈ বাধ্য হৈছিল। কংগ্ৰেছ দলৰ মাজত তিষ্ঠি থাকিবলৈ বৰ্তমান সময়ত যিবোৰ যোগ্যতাৰ প্ৰয়োজন ওচমানী চাহাবৰ গাত সেইবোৰ সমূলি নাছিল। অৱশ্যে তেখেতৰ উচ্চ গুণ সম্পন্ন আৰু মানৱীয় গুণাৱলীৰ বাবে কংগ্ৰেছ নেতৃ শ্ৰীমতী ছোনীয়া গান্ধী আৰু অন্যান্য শীৰ্ষ পৰ্য্যায়ৰ

নেতাবোৰে তেখেতক যথেষ্ট **সৈমান** কৰি চলিছিল আৰু শ্ৰদ্ধা কৰিছিল।

লোকসভালৈ নিৰ্বাচিত হোৱাৰ পিছৰে পৰা সংখ্যালঘু সকলৰ কল্যানৰ বাবে বহু চেষ্টা কৰিছিল। বিশেষকৈ কোকৰাঝাৰ, বৰপেটা, বঙাইগাঁৱৰ শৰণাৰ্থী সকলৰ পুনৰ সংস্থাপন আৰু চৰ-চাপৰি অঞ্চলৰ মাটিৰ সমস্যা আৰু ব্ৰহ্মপুত্ৰ আৰু ইয়াৰ উপনৈবোৰৰ গৰাখহনীয়া ৰোধ কৰাৰ বাবে ব্যক্তিগত পৰ্য্যায়তো বহু পদক্ষেপ গ্ৰহণ কৰিছিল। নিজৰ পকেটৰ ধন খৰচ কৰি আসমৰ এই জলন্ত সমস্যা বোৰক ৰাষ্ট্ৰীয় পৰ্য্যায়ত তুলি ধৰাৰ ববে বহু কাম কৰিছিল। কিন্তু ব্যক্তিগত মুনাফা আৰু ৰাজনৈতিক নেতৃত্বগত দ্বন্দ্বৰ বাবে আসমৰ বহু কংগ্ৰেছ নেতা বিশেষকৈ সংখ্যালঘু কংগ্ৰেছী সকলেও ওচমানী চাহাবৰ বিৰোধীতা কৰিছিল। তেওঁলোক ওচমানী চাহাবে উথাপন কৰা কথাবোৰ সত্যৰ ওপৰত প্ৰতিষ্ঠিত নহয় বুলি দিল্লীক বুজাইছিল আৰু ওচমানী চাহাবৰ প্ৰতিটো পদক্ষেপৰ বিৰোধ কৰিছিল। যাৰ ফলত এটা সময়ত তেখেত চৰম হতাশা আৰু মানসিক চাপত পৰি ভাৰসাম্যহীনতাত পৰা পৰিলক্ষিত হয় আৰু জীৱনৰ বাকী সময়খিনি নিজৰ আপোন ঠাই হিচাপে মনৰ মাজত স্থান দিয়া জনীয়া বিধানসভা সমষ্টিৰ প্ৰাণকেন্দ্ৰ কলগাছিয়াৰ আমগুৰী চৰত খেৰী ঘৰ সাজি প্ৰায় এটা আশ্ৰম সদৃশ পৰিৱেশত ব্যক্তিগত জীৱন যাপন কৰে।

দূৰ্নীতিৰ সৈতে কেতিয়াও আপোচ নকৰা আৰু ধন সম্পত্তিৰ প্ৰতি কোনো ধৰণৰ লোভ নথকা ওচমানী চাহাব প্ৰকৃতাৰ্থত এজন মানৱ দৰদী আৰু দেশৰ প্ৰতি দায়বদ্ধ নেতা আছিল। প্ৰসঙ্গত উল্লেখনীয় যে ব্যক্তিগত জীৱনত তেখেত আছিল এজন আত্যন্ত জেদী মানুহ। শিলচৰৰ এজন বয়োবৃদ্ধ মানুহৰ মুখত শুনামতে বিলাতৰ পৰা শিক্ষা সাং কৰি শিলচৰৰ ঘৰত থকা সময়ত তেখেত এটা বাঘৰ পোৱালী পুহিছিল। বিড়াল বা আন প্ৰাণী পোহাৰ পৰিৱৰ্তে বাঘৰ পোৱালী পোহপাল দিয়া কথাটোৱে তেখেতৰ জেদী আৰু সংগ্ৰামী চৰিত্ৰৰ কথা প্ৰমান কৰে। ইয়াৰোপৰি ৰাজনৈতিক ক্ষেত্ৰত তেখেত এজন আতি ধৈৰ্যশীল ব্যক্তি আছিল। ওচমানী চাহাবৰ সহযোগত মন্ত্ৰীত্ব পোৱা বহু মন্ত্ৰীয়ে তেওঁৰ বিৰুদ্ধাচাৰণ কৰা স্বত্বেও তেওঁলোকৰ বিপক্ষে কোনো কথা কোৱা নাছিল। বৰঞ্চ এই বিষয়ে আমি এদিন সোধাত তেখেতে এনেদৰে কৈছিল —"তোমৰা কি জান, ওদেৰকে আমাৰ বিৰুদ্ধাচাৰণ কৰতে দেও, মন্ত্ৰী হইতে আমাৰ দৰকাৰ ছিল, কিন্তু এখন জনসাধাৰণেৰ কাজ কৰতে হইলে ওদেৰ আমাৰ বিৰুদ্ধাচাৰণ কৰতে হইবো, কেননা মুখ্যমন্ত্ৰী যে তৰুণ গগৈ" এনে এজন চিন্তাশীল, দূৰদৰ্শী আৰু দায়িত্বশীল মহান নেতাৰ বিয়োগে আসমৰ অপূৰণীয় ক্ষতি সাধন কৰিলে। তেখেতৰ শুন্যস্থান কেতিয়া পূৰণ হ'ব আমি নাজানো। ওচমানী চাহাবৰ বিদেহ আত্মাই শান্তি পাওঁক আৰু বেহেস্তবাসী হওঁক এইয়ে আমাৰ কাম্য। ○

# ৰূপালী জয়ন্তীৰ দুৱাৰ ডলিত আমাৰ অনুভৱ



ছানিয়াৰা খাতুন
সভানেত্ৰী, লেংটিছিঙা গাঁও পঞ্চায়ত

"জাগোঁ মই -
আমাৰ নবীন জোৱান,
বুকুত জ্বলিছে মোৰ আগ্নিময়ী অভিমান
জাগোঁ মই আমাৰ অজেয় জোৱান"

জ্যোতিপ্ৰসাদ আগৰৱালাই লিখা এই কালজয়ী কবিতাফাঁকিয়ে ব্যক্ত কৰিছে অনেক কথা। কবি গৰাকীৰ দৰে আমিও জাগি আছো জনতাৰ কাৰণে, নৱ প্ৰজন্মৰ ভৱিষ্যতৰ ৰঙীন সপোনক দিঠকত পৰিণত কৰাৰ কাৰণে। আমি মাথো সেই সপোন বাস্তবায়িত কৰাৰ একোজন জাগ্ৰত সৈনিক।

২০১৯ ইং চনৰ পঞ্চায়ত নিৰ্বাচনত এক কঠিন প্ৰতিদ্বন্দিতাৰ অন্তত বৃহত্তৰ লেংটিছিঙাবাসীয়ে আমাৰ দৰে সাধাৰণ গৃহিনী, সমাজকৰ্মীক লেংটিছিঙা পঞ্চায়তৰ সভানেত্ৰীৰ পদত নিৰ্বাচিত কৰাৰ দিনৰ পৰাই সংকল্প লৈছিলো, ৰাইজৰ হকে কাম কৰাৰ, যুৱ প্ৰজন্মক সচেতন দায়িত্বশীল নাগৰিক হিচাপে গঢ়ি তোলাৰ। কিন্তু কৰ্মক্ষেত্ৰত নবীন তথা অনভিজ্ঞ হোৱাৰ বাবে আৰম্ভণিতে সঠিক পথ নিদৰ্শন পোৱা নাছিলো যদিও কিছুদিন পাছত হঠাতে সুবৰ্ণ সুযোগ আহি পৰে। সেই সুযোগ আহে আমাৰ আৱাসগৃহৰ গাতে লাগি থকা ৰাজীৱ গান্ধী মেম'ৰিয়েল কলেজৰ ৰূপালী জয়ন্তী উৎসৱ পালন কৰাৰ বাবে কৰ্তৃপক্ষই আমন্ত্ৰণ কৰা এখনি চিঠিৰ জৰিয়তে।

প্ৰসংগক্ৰমে উল্লেখযোগ্য যে আমাৰ ওচৰতে থকা মহাবিদ্যালয়খন ১৯৯২ চনৰ ১১ অক্টোবৰ তাৰিখে স্থানীয় গণ্য-মান্য ব্যক্তিসকলৰ প্ৰচেষ্টা আৰু জনদৰদী নেতা তথা প্ৰাক্তন মন্ত্ৰী প্ৰয়াত চন্দন কুমাৰ সৰকাৰদেৱৰ নেতৃত্বত স্থাপন হৈছিল। আমাৰ শশুৰ দেউতা মৰহুম আজহাৰুল ইছলাম চাহাবৰো এই ক্ষেত্ৰত যথেষ্ট অৱদান আছিল। আজি এই সকল ব্যক্তি আমাৰ মাজত নাই যদিও তেখেত সকলে দেখুৱাই যোৱা পথত আমি মসৃণভাৱে আগবাঢ়ি গৈ আছো।

লেংটিছিঙা অঞ্চলটি চৰাঞ্চলৰ গাতে লাগি থকা অৰ্থনৈতিকভাৱে পিছপৰা অঞ্চল। অলেখ আশা আকাংখা লৈ হিয়াভৰা দোৱা আৰ্শীবাদ দান কৰি হাড়ভঙা পৰিশ্ৰমেৰে মহাবিদ্যালয়খন ৰাইজে স্থাপন কৰিছে। যাৰ ফলত দুখীয়া দুৰ্বল শ্ৰেণীৰ লোকৰ ল'ৰা ছোৱালীয়ে এই মহাবিদ্যালয়খনত অধ্যয়ন কৰি জ্ঞানৰ পোহৰেৰে

উজ্বলি উঠিবলৈ সক্ষম হৈছে। এনেবোৰ কথা চিন্তা কৰি ৰূপালী জয়ন্তীৰ আয়োজন কৰিবলৈ আমন্ত্ৰণ কৰাত আমি নথৈ আনন্দিত হৈছিলো আৰু এই সম্পৰ্কীয় সভা-সমিতিবোৰত সক্ৰিয়ভাৱে উপস্থিত থাকি ৰাইজৰ হকে, ছাত্ৰ-ছাত্ৰীৰ উন্নতিকল্পে যৎকিঞ্চিৎ বৰঙণি আৰু সেৱা আগবঢ়োৱাৰ সংকল্প লৈছো। এই ক্ষেত্ৰত মোৰ স্বামী আবু বক্কাৰ ছিদ্দিক চাহাবেও যথেষ্ট ইতিবাচক ভূমিকা গ্ৰহণ কৰিছে। সময়ত ৰাইজে ইয়াৰ উচিৎ মূল্যায়ন কৰিব বুলি আশা ৰাখিছো।

যিয়েই নহওঁক, ৰাজীৱ গান্ধী মেম'ৰিয়েল কলেজখন ৰাইজৰ কলেজ, আমাৰ কলেজ, মোৰ কলেজ- এই মনোভাৱেৰে কাম কৰিলে ইয়াৰ উত্তৰোত্তৰ উন্নতি হ'ব। ইয়াৰ পৰিৱৰ্তে কোনোবাই অনুষ্ঠানটিৰ প্ৰতি নেতিবাচক ধাৰণা লৈ কৰ্মকৰ্তা সকলক আযথা সমালোচনা কৰি থাকিলে অনুষ্ঠানটিৰ ক্ষতিসাধন হ'ব পাৰে। তেনে কৰিলে ইতিহাসে কাকো ক্ষমা নকৰিব। কাৰণ ইতিহাস বৰ নিষ্ঠুৰ।।

পঞ্চায়তৰ সভানেত্ৰী হিচাপে আমি সদায় ৰাইজৰ লগত আছো আৰু ভৱিষ্যতেও থাকিম। ৰাইজৰ উন্নতিৰ কাৰণে আমি সৰ্বাধিক গুৰুত্ব দিব লাগিব শিক্ষা বিস্তাৰৰ ওপৰত। এই কাম অকলে কৰা সম্ভৱ নহয়। আমি সকলোৱে লগে ভাগে নিজৰ সামৰ্থৰ ভিত্তিত কৰিব পৰাখিনি কৰিবই লাগিব। তাৰ বাবে লাগিব এক ইতিবাচক মানসিকতা। আমি সেই মানসিকতাৰে আগবাঢ়ি আহিছো। আশা কৰো আপোনালোকেও আমাক সহায়-সহযোগ কৰি লেংটিছিঙাৰ দৰে সৰ্বদিশত পিছপৰা অঞ্চলটিক উন্নয়নৰ মডেল হিচাপে আগবঢ়াই নিব। ৰাজীৱ গান্ধী মেম'ৰিয়েল কলেজৰ ৰূপালী জয়ন্তী উৎসৱৰ জৰিয়তে সকলোকে এই আহ্বান জনালো।



*কেমেৰাৰ লেন্সত লেংটিছিঙা উচ্চতৰ মাধ্যমিক বিদ্যালয়, লেংটিছিঙা*



*কেমেৰাৰ লেন্সত পিৰাধৰা হাই মাদ্ৰাছা।*



*কেমেৰাৰ লেন্সত শ্বহীদ মিজানুৰ ৰহমানৰ কবৰ, ডুমেৰগুৰী, বৰ্তমান আই নদীৰ গৰ্ভত।*

# চৰ-চাপৰিৰ মুছলমান সমাজৰ প্ৰচলিত লোকগীত



ডঃ লিলি দাস
সহঃ অধ্যাপিকা, আৰ.জি.এম. কলেজ, লেংটিছিঙা

গীত-মাত সমূহ 'লোক সাহিত্য' বা 'জন সাহিত্য'ৰ অবিচ্ছেদ্য অংগ। মানুহৰ মুখে মুখে প্ৰচলিত হৈ অহা বাবে এইবোৰক মৌখিক সাহিত্য বুলিও কোৱা হয়। লোক-সাহিত্য লোক মনোধৰ্মী। লোক সাহিত্যত সময়ৰ সীমা নাই, ৰক্ষণশীলতাৰ চাপ নাই, গতিশীলতাৰ ধৰ্ম নাই। লোক-সাহিত্যৰ অন্যতম বাহন মুখ। গীত-মাতসমূহ সহজ-সৰল সাংগীতিক লয়ৰ লগতে লোক অনুভূতিৰ আবেগিক অভিব্যক্তি দেখা যায়। লোক সাহিত্যসমূহৰ যোগেদি মানৱ জীৱনৰ সুখ-দুখ, হৰ্ষবিষাদ, প্ৰেম-প্ৰীতি আদি বিভিন্ন অনুভূতি, সামাজিক চিত্ৰ, প্ৰকৃতিৰ বিচিত্ৰ ৰূপ আদি প্ৰকাশ পায়।

লোক সাহিত্যৰ অন্যতম অংগ হৈছে 'লোকগীত'। ইংৰাজী 'Folk Song' অৰ প্ৰতিশব্দ হিচাপে লোকগীত ব্যৱহাৰ হৈ আহিছে। লোক সাহিত্যৰ অন্যতম অংগ যদিও লোকগীত তথাপি লোকসাহিত্যতকৈ লোকগীতত আবেগ-অনুভূতিৰ বৈচিত্ৰ, কল্পনা-প্ৰাৱল্য, অলংকাৰৰ সৌন্দৰ্য আৰু গীতিসত্তাৰ আধিক্য দেখা যায়। বিভিন্ন সুৰ-লয়ত গাব পৰা গুণটোৱে লোকগীতৰ অন্যতম আকৰ্ষণ আৰু ই আদিম যুগৰে পৰা নিৰক্ষৰ জনগণৰ চিত্ত মোহিত আৰু পুলকিত কৰি আহিছে।

কল্পনা প্ৰৱণ অনুভূতিশীল মানৱ মনে বিভিন্ন সময়ত অপাৰ্থিব, আলৌকিক জগতত বিচৰণ কৰে। বসন্তৰ পৰশত গছৰ পাতৰ আৰত বৈ কুলিজনীয়ে কঁউ কুঁউকৈ মাতিলে, প্ৰিয়জনে আলফুলে মৰমেৰে মূৰত হাত বুলাই দিলে, মৰমেৰে আকোৱালি ললে, বাৰিষাৰ আকাশত জোনটোৱে মেঘৰ সৈতে লুকাভাকু খেলিলে, তৰাবোৰে আপোনমনে কথা-বতৰা পাতিলে ,শৰতৰ নিশা শেৱালী জোপাই শুভ্ৰ সুবাস বিলালে- এনেধৰণৰ পৰিবেশত কল্পনাপ্ৰৱণ মানৱ মন পুলোকিত হৈ পৰাৰ লগতে আনন্দৰ ভাৱনাত পৰিতৃপ্ত হৈ উঠে। এনেধৰণৰ আনন্দৰ কল্পনাৰ ভাৱনাসমূহে যেতিয়া আত্মপ্ৰকাশৰ পথ বিচাৰে, তেতিয়াই হয়তো জন্ম হয় গীত-মাতৰ। এজোপা ধুনীয়া গছক যদি লোকগীত বুলি ধৰা হয়, কোন কোন মালীয়ে সেই গছজোপা ৰুই ডাঙৰ-দীঘল কৰিলে, তাৰ হিচাপ কাৰো নাই কিন্তু এটা কথা ঠিক যে তাৰ ৰূপ সৌৰভত মুগ্ধ হৈ হেজাৰ জনৰ মনপখীহঁতে গছজোপালৈ উৰা মাৰিছে, তাৰ ৰস পান কৰিছে, তাৰ ফল ভোগ কৰি সকলোৰে মনপখী পৰিতৃপ্ত হৈছে।

অসম দেশ বিভিন্ন জাতি আৰু ভাষা-ভাষীৰ মিলনভূমি। এই লোকসকলৰ সমন্বয়ত গঢ়ি উঠা অসমীয়া সংস্কৃতি এখনি বাৰেবৰণীয়া ফুলনিবাৰীৰ দৰে জাতিষ্কাৰ হৈ আছে। বৃহত্তৰ অসমীয়া জাতি গঠনত অসমৰ বিভিন্ন জাতি-জনগোষ্ঠীসমূহৰ

ভিতৰত চৰ-চাপৰিত বসবাস কৰা মুছলমানসকলো অন্যতম। বৰ্তমান অসমৰ চৰ-চাপৰিবাসী মুছলমানসকল মুলত পূৰ্ব্ববংগ আৰু অভিভক্ত বঙ্গৰ পৰা প্ৰব্ৰজন কৰি অসমত থিতাপি লোৱা লোক। প্ৰব্ৰজনকাৰী মুছলমান লোকসকল ভিতৰুৱা অঞ্চলসমূহত বসবাস কৰে। তেওঁলোক বিশেষকৈ নদীৰ পাৰ নাইবা চৰত বসবাস কৰে। সেইবাবে তেওঁলোক 'চৰুৱা' বা 'ভাটিয়া' মুছলমান হিচাপে পৰিচিত। তেওঁলোকৰ অৰ্থাৎ প্ৰব্ৰজনকাৰী মুছলমানসকলৰ নিজা কথিত ভাষা আছে। বঙ্গৰ হিন্দু আৰু মুছলমানসকলৰ মাজত ধৰ্মীয় বিধি-বিধানৰ পাৰ্থক্য থাকিলেও সামাজিক ৰীতি-নীতি আৰু কৃষ্টি সংস্কৃতিত বিশেষ উল্লেখযোগ্য পাৰ্থক্য নাছিল। অধিকাংশ কৃষক সম্প্ৰদায়ৰ মুছলমান লোকসকলে চৰকাৰী ৰীতি-নীতি আৰু চৰকাৰী আচনিৰ দ্বাৰা আকৰ্ষিত হৈ অসমলৈ প্ৰব্ৰজিত হৈ আহিছিল। বিশেষকৈ তেওঁলোক দৰিদ্ৰতাৰ যন্ত্ৰনাত ভাৰাক্ৰান্ত হৈ নিজৰ আত্মীয়-স্বজন, ঘৰ-বাৰী পিছ পেলাই আহিলেও লগত লৈ আহিছিল অসমৰ বাবে সম্পূৰ্ণ নতুন এক সংস্কৃতি।

লোকগীত সমূহ হৈছে চহা প্ৰাণৰ অকৃত্ৰিম আৰু মুক্ত প্ৰকাশ। লোকগীত সমূহৰ সৃষ্টি হয় চহা, নিৰক্ষৰ আৰু সহজ সৰল, হোজা লোকসমাজৰ মাজত। লোকসমাজৰ মাজত সৃষ্ট গীতসমূহ বিভিন্ন ভাগত বিভক্ত। তেনেধৰণৰ এক প্ৰকাৰৰ গীত হৈছে নিচুকণি গীত। চৰ-চাপৰিৰ কৃষিনিৰ্ভৰ মহিলাসকলো পুৰুষসকলৰ সমানে কৰ্মপটু আৰু কষ্টসহিষ্ণু। গোটেই দিনটো বিভিন্ন কৰ্মৰ মাজেৰে তেওঁলোকে পাৰ কৰিবলগীয়া হয়। অৱসাদহীন কৰ্মৰ উপৰিও নিজৰ লৰা-ছোৱালী ডাঙৰ-দীঘল কৰাটো তেওঁলোকৰ প্ৰধান তথা এৰাব নোৱাৰা দায়িত্ব আৰু কৰ্তব্য। গতিকে তেওঁলোকে 'ঝুলনাত' শিশুক শুৱাই বিভিন্ন ধৰণৰ গীতমাত পৰিবেশ কৰি টোপনি নিওৱা পৰিলক্ষিত হয়। বাঁহৰ ডাঙৰ খৰাহীত ৰচী লগাই তেওঁলোকে ঝুলনা তৈয়াৰ কৰে। ঝুলনাত ধান খেৰ, কোমল কাপোৰ নাইবা 'কেথা' (কঠা) ৰে আৰামী বিছনা তৈয়াৰ কৰি শিশুক শুৱাই থয়। কিন্তু তাৰ মাজতেই কেতিয়াবা শিশুৱে খুব আমনি কৰাও দেখা যায়। আমনি কৰিলে মাকে বিভিন্ন ধৰণৰ গীত-মাতেৰে সন্তুষ্ট কৰাৰ চেষ্টা কৰে। গীতসমূহৰ মাজেৰে মাকৰ সন্তানৰ প্ৰতি থকা অপত্য স্নেহ প্ৰস্ফুটিত হৈ উঠে। ঝুলনাত শুৱাই থোৱাৰ সময়ত গোৱা এটি গীত হৈছে -

ডুলেৰে ডুলেৰে
ডুলনা গাছেৰ তলে।
সাপে কিলকিল কৰে,
সাপেৰ পেটে আণ্ডা
আমাগো গেদা-গেদী ঠাণ্ডা।।১

সাধাৰণতে শিশুৰ মন কল্পনাপ্ৰৱণ। কল্পনা প্ৰৱণ শিশু মনে অবাস্তৱ জগতত উটি-ভাহি ফুৰে। তেওঁলোকৰ মনত বাস্তৱ-অবাস্তৱ সম্পৰ্কে কোনো ধাৰণা নাই। গতিকে যিকোনো কথাকেই তেওঁলোকৰ মনে বিশ্বাস কৰে। ফৰকাল আকাশত যেতিয়া জোনবাই ওলায়, তেতিয়া আকাশত জোন দেখি কেচুৱাই ৰ' লাগি চাই থাকে। কেতিয়াবা সৰু কোমল হাতৰ ঠাৰি দুটি মেলি জোনবাইক মাতে। লগতে শিশু মনৰ লগত তাল মিলাই মাকেও কল্পনাৰ পখিলাৰ পাখিত উৰি জোনবাইক বিভিন্ন বস্তু দিয়াৰ প্ৰতিশ্ৰুতিৰে গীত গাই জোনবাইক মাতে-

আয় চান উৰিয়া
ভাত দিসু বাড়িয়া,
উন্নমাসে ঘোৰা দিমু
বাইসসা মাসে নাও দিমু,
ভাংগা মাসে পানী দিমু,

চালুন ভাইৰা পিঠা দিমু,
আংগো গেদা গেদি ৰে,
ঘুম দিয়া যায়।।২

সংসাৰলৈ নতুনকৈ অহা শিশুসকলৰ মন হেজাৰ প্ৰশ্নেৰে ভৰপুৰ। সিহঁত আশাত বন্দী। কিন্তু যেতিয়া সেই আশা সেমেকি উঠে, তেতিয়া সিহঁতে ঠেহ পাতে। শিশু সকলৰ ঠেঙ ভংগ কৰিবলৈ কেতিয়াবা সিহঁতৰ মনত ভয়ৰ গুটি সিঁচি দিবলগীয়া হয়। তেতিয়াহে সিহঁতে কান্দোন-কাটোন সামৰি টলকা মাৰি থাকে। শিশুৱে বাঘ শিয়াল দেখা নাই। বাঘ সিংহৰ ভয়াবহতা শিশুক কথাৰে বুজাব নোৱাৰি। গতিকে নিতৌ চুৰাপাতনিত 'হোৱা' 'হোৱা' কৰি ফুৰা শিয়ালক মাতি টোপনি নিয়াবলৈ চেষ্টা কৰা হয়। তেনেকুৱা ধৰণৰ এটা গীত হৈছে-

আয়ৰে বাঘ শিয়াল আয়
আমাগো গেদা / গেদীৰে
কামুৰ দিয়া যা।
নাৰে বাঘ শিয়াল আহিবি না
আমাগো গেদা/গেদী।
ঘুমাইবো কামোৰ দিবি না।। ৩

চৰ-চাপৰি বাসীসকল যিহেতু কৃষিজীৱী, সেইবাবে গৰু মহৰ লগত তেওঁলোকৰ এক বিশেষ সম্পৰ্ক বিজড়িত। গৰু চৰোৱা পৰম্পৰা তেওঁলোকৰ মাজত দেখিবলৈ পোৱা যায়। গৰখীয়াসকলে গোটেই দিনটোৰ বাবে গৰুবোৰক চৰণীয়া পথাৰলৈ লৈ যায়। দিনৰ দিনটো যেতিয়া পথাৰত থাকে, তেতিয়া তেওঁলোকৰ মনত অৱসাদ অহাটো স্বাভাৱিক। সেইবাবে গৰখীয়াসকলে অঞ্চল বিশেষে পুহ আৰু মাঘ মাহত 'পুসুবা' উৎসৱ পাতে আৰু 'মাগন গীত' গায়। গৰখীয়াসকলে নিশাৰ ভাগত গৃহস্থৰ ঘৰে ঘৰে গৈ মাগন গীত গাই টকা-সিকা অথবা চাউল সংগ্ৰহ কৰে। মাগন গীতবোৰ কামৰূপৰ 'মহো-হো' গীতৰ সৈতে সাদৃশ্য দেখিবলৈ পোৱা যায়। গীতটো এজনে লগাই দিয়ে আৰু বাকীসকলে পিছে পিছে গায়। গীতৰ তালে তালে বাঁহৰ লাঠিৰে মাটিত খুন্দিওৱা হয়। গীতৰ শেষত গৰখীয়াসকলে গৃহস্থক আশীৰ্বাদ দিয়ে। গীত সমূহ বিভিন্ন দিশেৰে সৌন্দৰ্যমণ্ডিত। কিছুমান গৰখীয়া গীতত প্ৰাকৃতিক সৌন্দৰ্য্য, নাৰীৰ সৌন্দৰ্য্য, প্ৰচলিত সামাজিক ৰীতি-নীতি সামাজিক ব্যৱস্থাৰ সুন্দৰ ছবি ফুটি উঠা দেখিবলৈ পোৱা যায়। নাৰীৰ সৌন্দৰ্য প্ৰকাশক তেনে ধৰণৰ এটি গীত হৈছে-

আইলাম ৰে ভাই এই বাড়ী
পাছদুৱাৰে কলা গাছ গাৰী
কলাগাছে ধলা ফুল,
নাৰীৰ মাথায় লম্বা চুল
সেয়ে নাৰী চুল বান্ধে,
সিটি-পাটি মাথায় বান্ধে। ৪

চৰ-চাপৰিৰ মুছলমান জনগনৰ মাজতো লোকাচাৰ, লোক বিশ্বাস প্ৰচলিত। দেশত যেতিয়া অনাবৃষ্টি, খৰাং হয়, তেতিয়া অঞ্চলবিশেষে ভেকুলী বিয়া, হুদুম পূজা পতি বৃষ্টিদেৱতাক বৰষুণ বিচাৰি প্ৰাৰ্থনা জনোৱাৰ দৰে চৰ-চাপৰিবাসীয়েও অনাবৃষ্টি আতৰাবলৈ কিছুমান নিয়ম পালন কৰে। তেনেধৰণৰ নিয়মসমূহ চৰ-চাপৰিবাসীৰ মাজত 'জাপ পুৰি গান' নামেৰে পৰিচিত / জনজাত। জাপ পুৰি গানত সৰু সৰু ল'ৰা-ছোৱালীসকল একেলগ হৈ এটুকুৰা ঠাই নিৰ্বাচন কৰি ঠাইখিনি খান্দি লৈ তাত পানী ঢালি দিয়ে। গাঁতটোৰ পাৰত সকলোৱে একেলগে বহি ভৰিৰে পানীখিনি লৰচল কৰি গান গাই বোকাময় কৰে। বোকাময় পানীখিনি ইজনে সিজনৰ গালৈ মাৰি পঠিয়ায়। বোকা পানীৰে লুতুৰি-পুতুৰি হৈ ছোৱালীসকলে বৰষুণক মাতি কিছুমান গীত গায়। তেনেকুৱা ধৰণৰ এটা গীত হৈছে-

কালা কইতৰ দিমু তোমাৰ পায়-
কালা আইয়া মেঘ সাইজা আয়
হৰিস চান্দেৰ গোপাল ৰে,
ধীৰে ধীৰে মেঘ সাইজা আয়। ৫

মানৱ জীৱনৰ এটি চিৰস্মৰণীয় ঘটনা হৈছে বিবাহ। মুছলমান ধৰ্মী লোকসকলৰ চৰ-চাপৰিবাসী মুছলমান সমাজত বিবাহ 'নিকাহ' বুলিহে জনাজাত। নিকাহৰ লগত বহুতো ৰীতি-নীতি, লোকাচাৰ, পৰম্পৰা জড়িত। নিকাহৰ বাবে নিৰ্ধাৰণ কৰা তাৰিখৰ আগদিনা হৈছে 'তেলাই পৰ্ব'। দৰা-কইনা উভয়ৰে ঘৰত উক্ত দিনটোত আত্মীয় স্বজনৰ উপস্থিতিত এক উখল-মাখল পৰিৱেশৰ সৃষ্টি হয়। পিছদিনা দৰা আহি কইনাঘৰত উপস্থিত হোৱাৰ পাছত যেতিয়া কইনাক সজাই-পৰাই তুলিবৰ বাবে দৰাঘৰৰ পৰা দিয়া যাবতীয় গহনা-গাঠৰি উভয়পক্ষৰ গণ্যমান্য ব্যক্তিৰ উপস্থিতিত চমজাই দিয়ে, তেতিয়া অলংকাৰ সম্পৰ্কীয় কিছুমান গীত আয়তীসকলে গায়। চৰ-চাপৰিবাসীৰ কাণত পিন্ধা অলংকাৰৰ ভিতৰত আছে- মাকৰী, জুমকা, মাছিপাত আদি। উক্ত অলংকাৰ সমূহৰ উল্লেখ বিয়াগীত পোৱা যায়-

সাত্তা সাজাইতে আৰো কিছু নাগেলো
বিযুমতি ৰাইয়ো, ফুলমতি ৰাইয়ো
সাত্তা সাজাইতে কাণেৰ মাকৰী নাগেলো
বিষমতি ৰাইয়ো ফুলমতি ৰাইয়ো।। ৬

আকৌ- কাণ মেৰা ঝুমকা দিবো
কা ভুলাইয়া হো
ডোমনা ডুমনীৰ বাবা
গুৱা কাটাইয়া হো।। ৭

গহনা-গাঠৰিৰ উপৰিও শাৰী আৰু আন আন যাৱতীয় সামগ্ৰীক একেলগে 'খুনচা' বুলি কোৱা হয়। খুনচাৰ বস্তু বাহানিবোৰেৰে আয়তীসকলৰ দ্বাৰা সজোৱা পৰ্ব আৰম্ভ হয়। কইনাক সজাই-পৰাই তোলা সময়ত গোৱা এটি গীত হৈছে-

বিয়াৰ সাজনী সাজো কন্যালো।
বিয়াৰ সাজনী সাজো,
বইসো দেখি সোণাৰ ময়না গয়না দিয়া গায়,
এমন সাজান সাজাব যেন মুনিৰ মন ভৰায়।
বিয়াৰ সাজনী সাজো। কন্যালো, ঐ
আইসো সখি বইসো দেখি চতুৰদিকে ঘুৰি
হাতে কন্যাৰ দাও ভৰাইয়া বেলৱাৰি চুৰি।
বিয়াৰ সাজনী সাজো। কন্যালো। ঐ
নাকে পিন্ধো নাক ধাপি আৰ নলকো বেসৰ,
নাক বিন্ধাইলে হয়তো ভালো আন্ধাৰে বাসৰ।
বিয়াৰ সাজনী সাজো। কন্যালো। ঐ
সিধা কৰো শিথি পাটি সোহাগ ও সিন্দুৰ।
সোহাগিনী হইও তুমি নতুন বন্ধুৰ।
বিয়াৰ সাজনী সাজো। কন্যালো- ঐ
ৰঙা ফিতা দিয়া বান্ধো মেঘ বৰণ চুল,
সেই খোপাতে তুইলা দিও গোন্ধ ৰাজেৰ ফুল।
বিয়াৰ সাজনী সাজো। কন্যালো- ঐ
কোমৰেতে ৰূপাৰ বিঠা ৰাঙা পায়ে মোল,
ৰূপৱতী আপোন ৰূপে কৰোগো টলমল।
বিয়াৰ সাজনী সাজো। কন্যালো। - ঐ
ৰাজ্যপতি শৰম কোনো পেন্ধ ৰাঙাশাৰী
সেই শাৰী পিন্ধিয়া তুমি যাইবো শশুৰবাৰী।
বিয়াৰ সাজনী সাজো। কন্যালো- ঐ ৮

বিয়াগীত সমূহৰ উপৰিও চৰ-চাপৰিবাসীৰ মাজত কিছুমান প্ৰেম-প্ৰীতি বিষয়ক লোকগীত শুনিবলৈ পোৱা যায়। সাধাৰণতে অলংকাৰৰ প্ৰতি মহিলাসকলৰ এক বিশেষ দুৰ্বলতা চিৰ সত্য কথা। স্বামীৰ ওচৰত কেতিয়াবা স্ত্ৰীয়ে গহনা-গাঠৰি বিচাৰি অভিমান কৰে-

ঝুমকা কিনা দে,
নাইইলে যামু বাপেৰ বাড়ী
ঝুমকা কিনা দে ৰে -৯

কিন্তু নিজৰ স্ত্ৰীৰ প্ৰতি স্বামীৰ মৰম চিৰস্বাস্বত্ব। হেজাৰ কষ্ট স্বীকাৰ কৰি হলেও নিজ পত্নীক পিন্ধাই উৰাই ৰাখিব পৰাটো স্বামীৰ বাবে এক বিশেষ গৌৰৱৰ কথা। পত্নীয়ে অভিমান কৰা যেন পালেই স্বামীয়ে পত্নীৰ মনোবাঞ্চা পূৰণৰ প্ৰতিশ্ৰুতি দিয়ে-

না না যাইঅ না প্ৰিয়ে-
তোমায় কিনা দিমু শাৰী
গুৱাহাটী থিকা আইনা দিমু
ৰঙীন পাটেৰ শাৰী।। ১০

কৃষিজীৱী চৰ-চাপৰিবাসীৰ মাজত কৰ্মৰ অৱসাদ দূৰ কৰাৰ বাবে কিছুমান কৰ্ম সংগীতো শুনিবলৈ পোৱা যায়। আহু ধান, মৰাপাট আদি নিকোৰাৰ সময়ত খেতি পথাৰত যেতিয়া গোটেই দিনটো কাম কৰি থাকিবলগীয়া হয়, তেতিয়া কৰ্মত প্ৰেৰণা যোগাবলৈ বা আনন্দমুখৰ পৰিবেশ সৃষ্টি কৰিবলৈ কিছুমান গীত গোৱা হয়। গায়কজনক 'ধায়াতী' বুলি কোৱা হয় আৰু গীতবোৰক স্থায়ীভাৱে 'জাৰি' বা 'ধুৱা' গীত বোলে। গীতবোৰৰ মাজেদি ইছলামধৰ্মীয় বিভিন্ন উপাখ্যান, আখ্যান কিছুমান কাল্পনিক কাহিনী প্ৰকাশ পায়।

গীত-মাতকে ধৰি সংস্কৃতিৰ আন আন দিশসমূহ হৈছে এটা জাতিৰ অমূল্য সম্পদ। সংস্কৃতিৰ যোগেদি এটি জাতিয়ে নিজৰ পৰিচয় প্ৰতিষ্ঠা কৰিব পাৰে। যি জাতিৰ সংস্কৃতি নাই সেই জাতিয়ে কেতিয়াও উন্নতিৰ পথত আগবাঢ়িব নোৱাৰে। সংস্কৃতিসম্পন্ন জাতিসমূহে নিজৰ পৰিচয় বিশ্বদৰবাৰত প্ৰতিষ্ঠা কৰিবলৈ সক্ষম হয়। অসমৰ চৰ-চাপৰিবাসী মুছলমান সমাজখনো সাংস্কৃতিক দিশেৰে চহকী বুলি কব পৰা নাযায় কাৰণ তেওঁলোকৰ মাজত যথেষ্ট সাংস্কৃতিক সমল আছে যদিও উদ্ধাৰ হোৱা নাই। তেওঁলোকৰ সাংস্কৃতিক সমলসমূহ গবেষণাৰ জৰিয়তে উদ্ধাৰ কৰা যথেষ্ট থল আছে। বৰ্তমানলৈ যিখিনি উদ্ধাৰ হৈছে, সেইখিনি যথেষ্ট বুলি কব নোৱাৰি। এই ক্ষেত্ৰত উঠি অহা নৱ-প্ৰজন্মৰ যুৱক-যুৱতীসকলৰ হাতত যথেষ্ট গধুৰ দায়িত্ব আৰু কৰ্তব্য আছে। তেওঁলোকে নিজৰ জাতিটোৰ সংস্কৃতি তথা পৰিচয় ৰক্ষাৰ ক্ষেত্ৰত দায়বদ্ধ হোৱা উচিত। ❍

**প্ৰসঙ্গ টোকা ঃ -**

১। আনোৱাৰ হোচেইন ঃ চৰ-চাপৰিৰ জীৱন আৰু লোকসংস্কৃতি, আনোৱাৰ হোচেইনৰ প্ৰবন্ধ, পৃষ্ঠা-৩০
২। উল্লিখিত, পৃষ্ঠা-৩২
৩। উল্লিখিত, পৃষ্ঠা-৩৩
৪। ৰেজাউল কৰিম ঃ চৰ-চাপৰি সমাজ আৰু অসমৰ মুছলমান, ৰেজাউল কৰিমৰ প্ৰবন্ধ, পৃষ্ঠা-৪৩
৫। উল্লিখিত, পৃষ্ঠা-৪৭
৬। নলিনীশৰ্মা (সম্পা) ঃ স্মৃতিগ্ৰন্থ, কাচেমা খাতুনৰ প্ৰবন্ধ, পৃষ্ঠা-১৪৮
৭। উল্লিখিত, পৃষ্ঠা- ১৪৯
৮। তথ্যদাতা ঃ গাজিবৰ ৰহমান, গোলাপাৰা, বয়স-৪৫
৯। আনোৱাৰ হোচেইন ঃ পূৰ্বল্লিখিত গ্ৰন্থ, পৃষ্ঠা-২৮
১০। উল্লিখিত -

<u>**সহায়ক গ্ৰন্থপঞ্জী ঃ**</u>


কৰিম, ৰেজাউল ঃ চৰ-চাপৰিৰ সমাজ আৰু অসমৰ মুছলমান, লোকয়ত প্ৰকাশ, ২০০০
গগৈ, লীল ঃ অসমীয়া লোক সাহিত্যৰ ৰূপৰেখা, বনলতা, ২০০১
হোছেইন, আনোৱাৰ ঃ চৰ-চাপৰিৰ জীৱন আৰু লোকসংস্কৃতি, ৰেহেনা শিকদাৰ, ২০০৫
শৰ্মা, নলিনী (সম্পা) ঃ চান্দবৰ্ত্তিপ্ৰ (স্মৃতিগ্ৰন্থ) অসম সাহিত্য সভা ঃ ত্ৰিষষ্ঠিতম বিলাসীপাৰা অধিবেশন, ১৯৯৭
সৰকাৰ, ৰমলা ৰায় ঃ ভৈৰবচুড়া (মুখপত্ৰ) বঙাইগাঁও জিলা সাহিত্য সভা, ২০১০

# ইছলাম ও নাৰী



দাবিৰ উদ্দিন আহমেদ (বি.এছ.ছি.,বি.এড.)
অৱসৰপ্ৰাপ্ত উপাধ্যক্ষ
চাক্‌লা উচ্চতৰ মাধ্যমিক বিদ্যালয়

এই ৭২৬ কৌটি জনসংখ্যাৰ সাধাৰণ দৃষ্টিত ক'বলৈ গ'লে আধা নাৰী ও আধা নৰ। নাৰী আৰু পুৰুষৰ মিলনেই আবহমান কালৰ পৰা এই বিশ্বত সুখৰ সংসাৰ বৰ্ত্তি আছে আৰু পৃথিৱী থাকে মানে এই প্ৰক্ৰিয়া চলি থাকিব। নাৰী-পুৰুষৰ অৰ্দ্ধাঙ্গিনী যাৰ অবিহনে এজনক বাদ দি আনজনৰ কথা কল্পনা কৰিব নোৱাৰি অৰ্থাৎ এজন আনজনৰ পৰিপূৰক, যেনেকৈ এখন দুচকীয়া বাহনৰ এটা চকা কিবা কাৰণত অকামিলা হ'লে সেই গাড়ীখন সম্পূৰ্ণৰূপে অকামিলা হয়, তেনেকৈয়ে এখন সুখৰ সংসাৰ কেতিয়াও নাৰী অবিহনে চলিব নোৱাৰে। নাৰী আৰু পুৰুষৰ মিলনেই এই ধৰাত সৃষ্টি বৰ্ত্তি আছে আৰু থাকিব। এই পৃথিৱীৰ আদি মানৱ বাবা আদম আৰু মা হাওঁয়া পুৰুষ আৰু নাৰী আছিল। সেয়েহে বিদ্ৰোহী কবি কাজী নজৰুল ইছলামে (বাংলা ভাষাত কোৱা কথাৰ অসমীয়া ৰূপান্তৰ) কৈছে -

" বিশ্বৰ যিমান মহান সৃষ্টি
চিৰ কল্যানকৰ,
আধাখিনি কৰিলে নাৰীয়ে
আধাখিনি তাৰ নৰ।"

যদি আমি ৰাতিপুৱা উঠিয়েই কাকতখন হাতত লওঁ তেতিয়াই আমি দেখো যে, পৃথিৱীৰ চুকে-কোণে অসংখ্য নাৰীয়ে অন্যায়, অত্যাচাৰ, শোষণ, নিপীড়ন আৰু ধৰ্ষণৰ দৰে ঘৃণনীয় অপৰাধৰ বলি হৈছে। এই কু-কামবোৰ পুৰুষ প্ৰধান সমাজৰ পুৰুষৰ দ্বাৰাই সংগঠিত হৈছে। ইয়াত যেন নাৰী সকলৰ প্ৰতিবাদ কৰিবলৈ একোৱেই নাই। যাৰ বাবেই নাৰীসকলে যুগে যুগে নিৰবে বহি চকুলো টুকি আছে। নাৰী স্বাধীনতাৰ কথা আহিলেই পশ্চিমীয়া ধনী দেশবোৰে ইছলামক জগৰীয়া কৰে। সেয়েহে এই বিষয়ত ইছলামিক দৃষ্টিৰে আলোচনা কৰাৰ প্ৰয়াস কৰিছোঁ।

ইছলামত বহু বিবাহ প্ৰথা কিয় প্ৰচলন হ'ল ? এই বিষয়ত পবিত্ৰ কিতাপত কৈছে Marry only one এই পৃথিৱীৰ কোনো ধৰ্মগ্ৰন্থই যেনে - গীতা, বেদ, ভাগৱত, ৰামায়ণ, মহাভাৰত আদিত কঁতো উল্লেখ নাই যে, এজন পুৰুষে কেবল মাত্ৰ এজনী তিৰোতাক বিবাহ কৰিব পাৰে। যদি আমি হিন্দু ধৰ্মৰ ধৰ্মগ্ৰন্থ আলোচনা কৰো তেন্তে দেখো যে, ৰজা দশৰথৰ একাধিক পত্নী আছিল। ভগৱান শ্ৰীকৃষ্ণওঁৱো একাধিক পত্নী আছিল। এঘাৰো শতিকাত ইহুদীসকলৰ মাজতো বহু বিবাহ প্ৰথা

প্ৰচলন আছিল। এতিয়া ইহুদী ৰাষ্ট্ৰত বসবাস কৰা ইহুদী সকলৰ মাজত বহুবিবাহ প্ৰথা বিলোপ হৈছে কিন্তু মুছলমান ৰাষ্ট্ৰত বসবাস কৰা ইহুদী সকলৰ মাজত এতিয়াও বহুবিবাহ প্ৰথা বিদ্যমান। খ্ৰীষ্টিয়ান সকলৰ মাজতো বহুবিবাহ প্ৰথা কেইবা শতিকা জুৰি চলি আছিল যদিও এতিয়া সেই প্ৰথা যাজকসকলে বিলোপ কৰি দিছে। ১৯৫৪ চনত হিন্দু বিবাহ আইন বলবৎ হোৱাত হিন্দু সকলৰ মাজত বহুবিবাহ প্ৰথা বিলোপ হৈছে। ১৯৭৫ চনত প্ৰকাশিত "ইছলামত নাৰীৰ মৰ্যদা" নামৰ কিতাপখনৰ ৬৬ আৰু ৬৯ নম্বৰ পৃষ্ঠাত কোৱা হৈছে যে, হিন্দু সকলৰ মাজত বহু বিবাহৰ হাৰ ৫.০৬ শতাংশ আৰু মুছলমানৰ মাজত বহু বিবাহৰ হাৰ ৪.৩ শতাংশ। ছুৰা নিচা কোৰাণ শ্বৰীফৰ আয়াত নং- ৩ আৰু ৪৩ ত কোৱা হৈছে যে, You can marry woman of your choice in two's three's four's, but if you cannot do justice marry only one পবিত্ৰ কোৰআনৰ বাহিৰে কোনো ধৰ্মগ্ৰন্থত এজনী তিৰোতাক বিবাহৰ কথা কোৱা নাই। আৰব দেশৰ প্ৰাক্ ইছলামিক যুগত এজন পুৰুষে তেওঁৰ ইচ্ছামতে যিমান সংখ্যক তিৰোতাক ইচ্ছা সিমান সংখ্যক তিৰোতাক বিবাহ কৰিব পাৰিছিল। কিন্তু হুছলামত এজন পুৰুষে সৰ্বোচ্চ চাৰিজনী তিৰোতাক একে সময়ত বিবাহ কৰিব পাৰে। কোৰআন বা হাদিছত কেতিয়াও কোৱা নাই যে যিজন পুৰুষে দুজনী তিৰোতাক বিবাহ কৰিছে, সেইজন এজনী তিৰোতাক বিবাহ কৰাজনতকৈ উত্তম। ইছ্লামত বিশেষ কিছুমান কাৰণত বহু বিবাহ সমৰ্থ কৰে, যেতিয়া দেশত যুদ্ধ-বিদ্ৰোহ হয় য'ত অসংখ্য পুৰুষৰ মৃত্যু হয়। যাৰ কাৰণে বহু সংখ্যক মহিলা বিধবা হয় আৰু সেই তিৰোতা, ল'ৰা-ছোৱালীবোৰক পোহপাল দিয়াৰ কাৰণে কোনো উপযুক্ত মানুহ নেথাকে, সমাজৰ প্ৰতিকূল অৱস্থাৰ পৰা সেই মহিলা সকলক ৰক্ষা কৰাৰ কাৰণে বহু বিবাহৰ প্ৰয়োজন আহি পৰে। বিভিন্ন নিচা জাতীয় দ্ৰব্য সেৱনৰ ফলত অকালতে বহু পুৰুষৰ মৃত্যু হয়, সাধাৰণতে মহিলা সকলে কম নিচা জাতীয় দ্ৰব্য সেৱন কৰে। নিচা জাতীয় দ্ৰব্য সেৱনৰ ফলত পুৰুষৰ মৃত্যুৰ হাৰ মহিলাতকৈ বেছি। এই বিধবা মহিলা সকলক ভৰণ পোষণ তথা চোৱাচিতা কৰাৰ কাৰণে তথা সমাজত হ'ব পৰা অনাকাঙ্খিত পৰিস্থিতিৰ পৰা ৰক্ষাৰ কাৰণে বহু বিবাহৰ প্ৰয়োজনীয়তা আহি পৰে।

আমেৰিকাৰ নিউয়ৰ্ক চহৰত মহিলাৰ সংখ্যা পুৰুষতকৈ এক নিযুত বেছি। আমেৰিকা যুক্তৰাষ্ট্ৰত পুৰুষতকৈ মহিলাৰ সংখ্যা ৭.৮ নিযুত বেছি। ব্ৰিটেইনত মহিলাৰ সংখ্যা পুৰুষতকৈ ৪ নিযুত বেছি। জাৰ্মানীত মহিলাৰ সংখ্যা পুৰুষতকৈ ৪ নিযুত বেছি। ৰাচিয়াত মহিলাৰ সংখ্যা পুৰুষতকৈ ৭ নিযুত বেছি। এই বিশ্বত মহিলাৰ সংখ্যা পুৰুষতকৈ যে বেছি সেই কথাত সকলো পণ্ডিতেই একমত। চিকিৎসা শাস্ত্ৰই আমাক সোঁৱৰাই দিয়ে যে কোনো পুৰুষ বা কোনো মহিলাই ওৱে জীৱন যৌন সম্ভোগ নকৰাকৈ থাকিব নোৱাৰে। যৌৱন প্ৰাপ্তি হোৱাৰ লগে লগে পুৰুষ আৰু মহিলাই বিপৰীত লিংগৰ প্ৰতি আকৰ্ষিত হয়। গতিকে সমাজত বিবাহ নামৰ অনুষ্ঠান নাথাকিলে সমাজত বহু অনাকাঙ্খিত ঘটনা ঘটিব পাৰে। যদি কোনো মহিলাই কিবা কাৰণত চিৰ ৰুগীয়া হয় আৰু

তাই যদি তাইৰ স্বামী বা তাইৰ ল'ৰা-ছোৱালীক প্ৰয়োজনীয় সেৱা কৰাত ব্যৰ্থ হয় তেনেক্ষেত্ৰত স্বামীৰ দ্বিতীয় বিবাহৰ প্ৰয়োজন আহি পৰে। কিন্তু দ্বিতীয় বিবাহ কৰিলেও দুয়োজনী তিৰোতাক সমদৃষ্টিৰে চাবই লাগিব। পৃথিৱীৰ ভিতৰত আমেৰিকাত সৰ্বাধিক যৌন অপৰাধ সংঘটিত হয়। কিয়নো অত্যাধিক যৌন স্বাধীনতাই ইয়াৰ মূল কাৰণ। আমেৰিকাৰ তদন্তকাৰী সংস্থা FBI য়ে কৈছে যে আমেৰিকাত ১৯৯০ চনত ১২৫৫ জনী তিৰোতা ধৰ্ষিতা হৈছিল। এই তথ্য আচল পৰিসংখ্যাৰ ১৬%। তাৰমানে ৬৪০০০ জনী তিৰোতা ধৰ্ষণৰ বলি হৈছিল। পৃথিৱীৰ ভিতৰত সভ্য মানুহৰ দেশ বুলি খ্যাত আমেৰিকাত প্ৰতিদিন ১৯০০ মহিলা ধৰ্ষণৰ বলি হয়। প্ৰাচীন সভ্যতাৰ দেশ আমাৰ ভাৰতবৰ্ষতো এনেকুৱা ঘটনা কম নহয়। আমাৰ দেশত প্ৰতি ৫৪ মিনিটত এজনী তিৰোতা ধৰ্ষণৰ বলি হয়। প্ৰতি ১ ঘণ্টা ৪৩ মিনিটত যৌতুক জনিত কাৰণত এজনী তিৰোতাৰ মৃত্যু হয়। যদি ভাৰতবৰ্ষত মুছলমান দেশৰ দৰে কঠোৰ পৰ্দা প্ৰথা থাকিলেহেঁতেন তেন্তে ধৰ্ষণৰ ঘটনা বহু পৰিমাণে কমিলেহেঁতেন। আমেৰিকাৰ তিৰোতাই অতিৰিক্ত স্বাধীনতা ভোগ কৰাৰ কাৰণে অধিক ধৰ্ষণৰ বলি হয়। ১৬% ধৰ্ষণ ঘটিলে মাত্ৰ ১ জনকহে আটক কৰা হয়। তাৰমানে ১.৬% অপৰাধীহে আটক হয়।

ইছলামত মহিলাক পুৰুষতকৈ চাৰিগুন বেছি মৰ্যদা প্ৰদান কৰিছে। ইছলামিক দেশ ইৰাণত যদি কোনোবাই যৌন অপৰাধ কৰে তেন্তে তাক ৰাজহুৱা স্থানত ফাঁচী দিয়া হয়। ছৌদি আৰবত যদি কোনোবাই যৌন অপৰাধ কৰে তেন্তে উভয়ক ককাললৈ মাটিত পুতি শিলগুটি দলিয়াই মৃত্যুদণ্ড বিহা হয়। সেই কাৰণেই মধ্য প্ৰাচ্যৰ দেশবোৰত যৌন অপৰাধ আমাৰ দেশৰ তুলনাত যথেষ্ট কম। ইছলামত নাৰীক সৰ্বদিশত সুৰক্ষা দিয়াৰ কাৰণে দিনে দিনে অমুছলমান মহিলাই ইছলামৰ প্ৰতি আকৰ্ষিত হৈ ইছলাম গ্ৰহন কৰিছে। গতিকে ইছলামত নাৰীৰ প্ৰতি বৈষম্য ভাব পোষণ কৰা একেবাৰে অমূলক ও ভ্ৰান্ত ধাৰণা। বৰঞ্চ ইছলামত নাৰীক সুৰক্ষা আৰু মৰ্যদাহে প্ৰদান কৰা হৈছে। ○

# মোৰ কৰ্মস্থলী ঃ অনুভৱ আৰু অভিজ্ঞতাৰ সমাহাৰ



মহৰ আলী মণ্ডল (উচ্চ বৰ্গ সহায়ক)
আৰ. জি. এম. কলেজ, লেংটিছিঙা

১৯৯২ চনত ৰাজীৱ গান্ধী মেম'ৰিয়েল কলেজখন প্ৰতিষ্ঠা কালৰ চালুকীয়া অৱস্থাত মহাবিদ্যালয়খনত যি কেইজন শিক্ষক-কৰ্মচাৰী নিযুক্তি পাইছিল সেই সকলৰ ভিতৰত ময়ো এজন। আজি চাওঁতে চাওঁতে মহাবিদ্যালয়খনে ভৰ যৌৱনত ভৰি দিলে আৰু বিয়াৰ (ৰূপালী জয়ন্তী) বয়স পাৰ হৈ গ'ল।

মনত পৰে ১৯৮০-৮১ চনৰ কথা। লেংটিছিঙাৰ বৃহত্তৰ চৰ অঞ্চলৰ জনসাধাৰণে ইয়াত এখন মহাবিদ্যালয়ৰ অভাৱ হাড়ে হাড়ে অনুভৱ কৰিছিল। তাৰ বাবে ইয়াৰ শিক্ষানুৰাগী মুৰব্বী তথা যুৱচামে মহাবিদ্যালয় স্থাপনৰ যো-জা আৰম্ভ কৰিলে যদিও নানা ঘাত-প্ৰতিঘাতৰ বাবে বাস্তৱত ৰূপ দিব পৰা নগ'ল। অৱশেষত ১৯৯২ চনত কলেজখন স্থাপন হ'ল। মহাবিদ্যালয়খনে আজি ২৭ বছৰত ভৰি দিলে। ইমান দিনৰ পাছতো মোৰ মনত ডাঠ কুঁৱলী ফালি সূৰ্যই পোহৰ বিলোৱাৰ দৰে ভাহি আহে অতীত স্মৃতি আৰু ঘটনাবোৰ। ১৯৯১ চনত অভয়াপুৰী দক্ষিণ সমষ্টিৰ জনসাধাৰণে এজন অতি কৰ্মদক্ষ যুৱকক বিধায়ক হিচাপে নিৰ্বাচন কৰে। সেইজনেই হ'ল আমাৰ সকলোৰে অতি আদৰৰ শ্ৰীযুত চন্দন কুমাৰ সৰকাৰ। এইজন চন্দন কুমাৰ সৰকাৰৰ আহ্বানত লেংটিছিঙা তথা ইয়াৰ ওচৰ-চুবুৰীয়া অঞ্চলৰ শিক্ষানুৰাগী জনসাধাৰণে স্বেচ্ছাই কলেজ স্থাপনৰ নিমিত্তে ভূমিদান কৰে লগতে সেই সভাতেই এই অধমেও এবিঘা মাটি দান দিয়াৰ বাবে অঙ্গীকাৰ কৰো। (পাছত কিনি দিয়া হৈছে)। সেই সময়ত চলিত শিক্ষাবৰ্ষৰ পৰাই পাঠদান আৰম্ভ কৰাৰ বাবে এটি অস্থায়ী টিনৰ এচালীয়া ভৱন নিৰ্মাণ কৰাৰ দিহা কৰে আৰু সভাত থকা সকলো শ্ৰেণীৰ জনসাধাৰণে হাত চাপুৰিৰে সমৰ্থন জনায়। এই সভাতেই মেৰেৰচৰ নিবাসী পণ্ডিত আব্বাছ উদ্দিন আহমেদ চাহাবৰ সুযোগ্য সন্তান শিক্ষাবিদ, লেখক সমালোচক এম. ছফিউৰ ৰহমান চাহাবক পৰিচালনা সমিতিৰ সম্পাদক আৰু কলেজৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ হিচাপে দায়িত্ব অৰ্পণ কৰে। লগতে নৱ গঠিত পৰিচালনা সমিতিৰ সভাপতি শ্ৰী চন্দন কুমাৰ সৰকাৰদেৱে উৰ্দ্ধতন কৰ্তৃপক্ষৰ লগত বিভাগীয় কাম-কাজ আগবঢ়াই লৈ যাবলৈ সম্পাদকক আহ্বান জনায়। কলেজৰ পাঠদান আৰম্ভ হোৱাত সকলোৰে মাজত আনন্দ বিৰাজ কৰিলে। মোৰ মনত পৰে চন্দন কুমাৰ সৰকাৰে প্ৰায়ে কলেজৰ খেল পথাৰৰ ঘাঁহনিত বহিয়েই বহুত কথা আলোচনা কৰিছিল। কলেজৰ কি কাম, কোন দিনা কি ভাৱে কৰিব লাগিব তাৰ দিহা কৰিছিল আৰু সকলো কামতে প্ৰত্যক্ষ ভাৱে সহায় কৰিছিল।

কলেজৰ ছাপৰা বনোৱা দিনত হাতে কামে লাগি থাকি সহায়-সহযোগ কৰা সকল আছিল

মাননীয় হাতেম আলী, আজাহাৰুল ইছলাম চাহাব, আব্দুৰ ৰৌফ আহমেদ, আব্দুছ ছামাদ ভূঞা, প্ৰহ্লাদ চন্দ্ৰ পাল, নুৰুল হক প্ৰামাণিক, হাজী আমাজাত হুছেইন, শেখ ছৈয়েদ আহমেদ, জুৰাণ আলী (মাষ্টাৰ) আদি অনেক বিশিষ্ট ব্যক্তি সকল।

যি কি নহওঁক, প্ৰতিষ্ঠা কালত মোৰ লগত এইখন মহাবিদ্যালয়ত নিযুক্তি লাভ কৰা শিক্ষক-কৰ্মচাৰীসকল আছিল ঃ

এম. ছফিউৰ ৰহমান ,ভাৰপ্ৰাপ্ত অধ্যক্ষ (মেৰেৰচৰ)
ৰীতা শৰ্মা, সহঃ অধ্যাপিকা (অভয়াপুৰী)
আয়ুব খান, সহঃ অধ্যাপক (বেহুলাপাৰা)
নাৰজিনা বেগম, সহঃ অধ্যাপিকা (অভয়াপুৰী)
ৰমজান আলী, সহঃ অধ্যাপক (বৰপেটা ৰোড)
দেৱান ছামছুল আলম, সহঃ অধ্যাপক, (কলগাছিয়া)
প্ৰদীপ গোস্বামী, সহঃ অধ্যাপক (বঙাইগাঁও)
তাহিৰা খাতুন, সহঃ অধ্যাপিকা (পাতিলাতহা)
ছবুৰা আহমেদ, সহঃ অধ্যাপিকা (মইনবৰী)
ৰাহেলা আহমেদ, সহঃ অধ্যাপিকা (মইনবৰী)
ববিতা শৰ্মা, সহঃ অধ্যাপিকা (গুৱাহাটী)
আৰতি বসাক, সহঃ অধ্যাপিকা (ধুপধৰা)
সঞ্জীৱ কুঃ দাস, সহঃ অধ্যাপক (লেংটিছিঙা)
চন্দ্ৰাশ্ৰী চক্ৰৱৰ্তী, সহঃ অধ্যাপিকা (শালকোচা)
মুকুল দাস, গ্ৰন্থগাৰিক (অভয়াপুৰী)
আবু বক্কৰ ছিদ্দিক, উচ্চ বৰ্গ সহায়ক (পশ্চিম লেংটিছিঙা)
আব্দুল কাদেৰ, নিম্ন বৰ্গ সহায়ক (নসত্ৰ)
আচলা দাস, সহঃ গ্ৰন্থাগাৰিক (ধুবুৰী)
ৰীতা মিশ্ৰ, সহঃ গ্ৰন্থাগাৰিক (ধুপধৰা)
চান্দ মাহমুদ, নিম্ন বৰ্গ সহায়ক (ডুমেৰগুৰী)
মজনুৰ ৰহমান, নিম্ন বৰ্গ সহায়ক (অভয়াপুৰী)
মধুমিতা চক্ৰৱৰ্তী , গ্ৰন্থগাৰিক সহায়ক (বিষ্ণুপুৰ, গুৱাহাটী)
মৰ্জিনা খাতুন, গ্ৰন্থগাৰিক সহায়ক (পশ্চিম লেংটিছিঙা)
জহিৰুল ইছলাম, চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰী (ঝাৰপাৰা)
গোলাম ৰাব্বানী, ৪ৰ্থ শ্ৰেণীৰ কৰ্মচাৰী (পশ্চিম লেংটিছিঙা)
লুৎফৰ ৰহমান, ৪ৰ্থ শ্ৰেণীৰ কৰ্মচাৰী (অভয়াপুৰী)
জহৰ আলী, নৈশ চকীদাৰ (পাৰেৰচৰ)
মুজাফৰ আলী, নৈশ চকীদাৰ (জানেৰমুখ)

এই সকলৰ ভিতৰত বহুকেইজন আজি ভিন্ন ভিন্ন ঠাইত কৰ্মৰত হৈ আছে। লিখক নিজে কৰ্মচাৰী হোৱাৰ উপৰিও প্ৰথম বৰ্ষৰ ছাত্ৰও আছিল। প্ৰথম বৰ্ষৰ বুৰঞ্জী বিষয়ৰ ছাত্ৰজনৰ প্ৰিয় বাইদেউ ছবুৰা আহমেদ বৰ্তমান হাউলীৰ শাইন্টা জুনিয়ৰ কলেজৰ অধ্যক্ষৰ পদ অলংকৃত কৰি আছে। প্ৰদীপ কুমাৰ গোস্বামী বৰ্তমান বঙাইগাঁও কলেজত কৰ্মৰত, মোক আটাইতকৈ মৰম আৰু সন্মান কৰা ছাৰ ৰমজান আলী বৰ্তমান বৰপেটাৰোড়স্থিত জি. এল. ছি. কলেজত কৰ্মৰত অৱস্থাত আছে, গুৱাহাটীৰ ববিতা শৰ্মা আজাৰা কলেজত কৰ্মৰত( বৰ্তমান কিছু বছৰৰ খবৰ নাজানো), চন্দ্ৰাশ্ৰী চক্ৰৱৰ্তী বৰ্তমান বিবাহ সূত্ৰে গুৱাহাটী নিবাসী আৰু এখন হাইস্কুলত কৰ্মৰত বুলি জানিব পাৰিছো, সন্দীপ কুমাৰ দাস বৰ্তমান কানাড়া বেংকৰ উপ-প্ৰবন্ধক হিচাবে দেশৰ বিভিন্ন ঠাইত সেৱা আগবঢ়াই আছে। মোৰ লগৰে উচ্চ বৰ্গৰ সহায়ক আবু বক্কৰ ছিদ্দিক এইখন কলেজত ৰাজনীতি বিজ্ঞান বিভাগৰ সহঃ অধ্যাপক হিচাপে কৰ্মৰত।

আগতে কোৱা এচালীয়া ঘৰ বনোৱা সময়ৰ কিছুমান ঘটনা আজিও মনত পৰে ববাবু আবু বক্কৰ ছিদ্দিক চাহাব মোক লগত লৈ সাঙী বান্ধি শালৰ খুটা কলেজলৈ কঢ়িয়াই আনিছিল। ক'ৰ পৰা কি বস্তু কেনেকৈ যোগাৰ কৰিব লাগে তেওঁ তাৰ দিহা পৰামৰ্শ আমাক দিছিল। তেওঁ সদায় হাতে-কামে লাগি আমাক উৎসাহ দিছিল। ইয়াত আৰু এজন বৰবাবুৰ কথা উল্লেখ নকৰিলে নিজকে ক্ষমা কৰিব নোৱাৰিম। তেওঁ হ'ল বৰ্তমান

লেংটিছিঙা উচ্চতৰ মাধ্যমিক বিদ্যালয়ত কৰ্মৰত আব্দুল হাকিম চাহাব। তেওঁ কলেজৰ আৰম্ভণি সময়ত অফিচৰ সকলো কাম-কাজ নিজে কৰি দিছিল। সদায় অফিচৰ কামৰ বিষয়ে দিহা পৰামৰ্শ দি আমাক অনেক উপকাৰ কৰিছিল। বহুতদিন, ৰাতি ৯-১০ টাতো তেওঁক খাটনি ধৰি টাইপৰ কাম কৰাই লৈছিলো। প্ৰথম বৰ্ষৰ ভৰ্ত্তিৰ প্ৰ-পত্ৰ ছাত্ৰ -ছাত্ৰীক তেওঁৰেই বিতৰণ কৰিছিল। এদিন মোক তেওঁ মাতি ২০ টা মান প্ৰ-পত্ৰ দি কেনেদৰে বিতৰণ কৰিব লাগে তাকো শিকাই দিছিল।

বৰ্তমানৰ লেংটিছিঙাৰ অতিথিশালাৰ ভেটিতেই আমাৰ কলেজৰ টিনৰ এচালীয়া ঘৰটো বনোৱা হৈছিল। ঘৰটোৰ দীঘ ১১৬ ফুট, প্ৰস্থ আছিল ২৫ ফুট । আগতে উল্লেখ কৰা ২০ টা ভৰ্ত্তিৰ প্ৰ-পত্ৰ আব্দুল হাকিম চাহাবে বিতৰণৰ বাবে মোৰ হাতত অৰ্পন কৰিছিল। সেইসময়ত কলেজৰ মাত্ৰ আৰম্ভণি অৰ্থৎ এডাল খুটি পুতাহে হৈছিল। প্ৰথম দিনা কলেজত আচবাবৰ ভিতৰত মাথো এটা টুলহে। সেই টুলৰ ওপৰতে প্ৰ-পত্ৰখিনি ৰাখি অফিচৰ কাম আৰম্ভ কৰিলো। মোৰ হাতেৰে অফিচৰ পৰা প্ৰথমতে যিখন প্ৰ-পত্ৰ বিতৰণ কৰো সেইখন গ্ৰহন কৰাৰ সৌভাগ্য হৈছিল বৰপেটা জিলাৰ তাৰাকান্দি পঞ্চায়তৰ তাৰাকান্দি নিবাসী ছাহজাহান আলী (বৰ্তমান চৰকাৰী স্কুলৰ শিক্ষক)। সেইদিনটো মোৰ সদায় স্মৰণীয় হৈ ৰ'ব।

কিছুদিনৰ ভিতৰত কলেজত পাঠদান আৰম্ভ হ'ল। কলেজৰ সকলো শিক্ষক-কৰ্মচাৰী অতি উৎসাহেৰে নিজ নিজ কৰ্তব্য আৰম্ভ কৰিলে। সকলোবোৰ যেন আমি এটা পৰিয়ালৰ সদস্য। মোৰ মনৰ কোনোবাখিনত ভাহি উঠে সেই পৰিয়ালৰ সদস্য সকলৰ মিলা-প্ৰীতিৰ দৃশ্য। এম. ছফিউৰ ৰহমান ছাৰ আমাৰ শিক্ষক-কৰ্মচাৰী সকলৰ কেৱল অধ্যক্ষই নাছিল, ভাল বন্ধুও আছিল। ছুটিৰ পিছত বহু সময়ত আমাৰ লগত মন খুলি মনৰ ভাৱ আদান-প্ৰদান কৰিছিল। তেখেতৰ ব্যক্তিগত জীৱনৰ অনেক স্মৰণীয় ঘটনা আমাৰ আগত কাব্যিক আৰু ৰসাল ভাষাৰে ব্যক্ত কৰিছিল। তেখেতৰ আচাৰ ব্যৱহাৰত আমি বৰকৈ মোহিত হৈছিলো। তেখেত অতি চাহ প্ৰিয় আছিল। সেইবাবে আমিও একাধিকবাৰ চাহ খাব লগাত পৰিছিলো। তেখেতৰ গল্পৰ জৰিয়তে আমি বহুত জ্ঞান লাভ কৰিছিলো। আমাৰ লগত গল্প-গুজৱ কৰিলেও কলেজৰ উন্নয়নমুলক কাম-কাজ কোনোদিনে পিছ পৰি থকা নাছিল। সময়ৰ কাম সময়ত নিজও কৰিছিল, আমাকো কৰাৰ আদেশ দিছিল। আগতেই উল্লেখ কৰা হৈছে যে লিখক নিজে এইখন কলেজৰ কেৱল কৰ্মচাৰীয়েই নহয় প্ৰথম বৰ্ষৰ ছাত্ৰও। প্ৰথম বৰ্ষত ১০৫ জন ছাত্ৰ-ছাত্ৰী ভৰ্ত্তি হৈছিল যদিও মাত্ৰ ২৫/৩০ জনহে নিয়মিতভাৱে শ্ৰেণীত উপস্থিত থাকিছিল। টোপগাঁৱৰ আছান আলী আহমেদ আমাৰ কলেজৰ প্ৰথম বৰ্ষৰ প্ৰথম ছাত্ৰ হোৱাৰ সৌভাগ্য অৰ্জন কৰিছিল। প্ৰথম বৰ্ষৰ বহুত ছাত্ৰ-ছাত্ৰীৰ নাম পাহৰি গলেও ৰিণিকি-ৰিণিকি ভাৱে মনত পৰা কেইজনমান ছাত্ৰ-ছাত্ৰীৰ নাম উল্লেখ কৰিলোঁ ঃ জয়নাল আবদীন, নুৰুল ইছলাম, ছাহজাহান, আনোৱাৰা খাতুন, মৰ্জিনা খাতুন (বৰ্তমান কলেজত কৰ্মৰত), ৰহিমা খাতুন, ৰেহেনা আকতাৰ আদি বহুতো।

লিখক নিজে ছাত্ৰ হৈ থকাৰ সময়ৰ এটা মজাৰ ঘটনাই মনৰ কোনোবা এটা কোণত খুন্দা মাৰি থাকে। বুৰঞ্জী বিষয়ৰ বাইদেউ ছবুৰা আহমেদৰ পাঠদানৰ অতি আগ্ৰহ আছিল। কিন্তু মাজে সময়ে এজনো ছাত্ৰ-ছাত্ৰী শ্ৰেণীত বিচাৰি নাপালে বাইদেউৰ শেষ ভৰসা আছিল এই অধমৰ ওপৰত।

মোৰ কামৰ অজুহাত থাকিলে নিজে কামবোৰ কৰিছিলি। তথাপিও এজন ছাত্ৰ লাগে। বহুত দিন বাইদেউ অধ্যক্ষৰ পৰা স্পেছিয়েল অৰ্ডাৰ লৈছিলি এই অধমজনক ছাত্ৰ হিচাপে পাঠদান কৰিবৰ বাবে। বাইদেউৰ এনে কামবোৰ হাঁহিৰ খোৰাক আছিল যদিও অধ্যক্ষ মহোদয়ে এইটো ডাঙৰ লক্ষণ বুলি কৈছিল। আমাৰ ছাৰৰ কথা আখৰে আখৰে ফলিয়ালে। ছবুৰা বাইদেউ আজি এখন জুনিয়ৰ কলেজৰ অধ্যক্ষ পদৰ দৰে গধুৰ দায়িত্বত।

আমাৰ কলেজৰ শিক্ষক-কৰ্মচাৰী সকলৰ মাননি দিয়াৰ ব্যৱস্থা পৰিচালনা সমিতিয়ে নিৰ্দ্ধাৰণ কৰিছিল। সহঃ অধ্যাপকৰ মাহিলী মাননি ৭০০.০০ টকা, কাৰ্যালয় সহায়কৰ ৪০০.০০ টকা আৰু চতুৰ্থ শ্ৰেণীৰ ৩০০.০০ টকা আছিল। সদায় আমি মাননিখিনি পোৱা নাছিলো যদিও মৰহুম আজাহাৰুল ইছলাম চাহাবে কলেজৰ সভাপতি চন্দন কুমাৰ সৰকাৰদেৱক ইয়াৰ বাবে এটা ব্যৱস্থা লবলৈ কাতৰভাবে মিনতি কৰিছিল। সভাপতি মহোদয়ে মনোযোগেৰে শুনিছিল আৰু তাৰ সুব্যৱস্থা কৰিছিল। প্ৰথম মাহত ২৩ দিনৰ মাননি পাইছিলো আৰু কিমান যে আনন্দ লাভ কৰিছিলো সেয়া ভাষাৰে প্ৰকাশ কৰা সম্ভৱ নহয়। মাননি সম্পৰ্কে আলোচনা কৰাৰ সময়ত মনত পৰে গুৱাহাটীৰ পৰা আহি সেৱা আগবঢ়োৱা অৰ্থনীতি বিভাগৰ সহকাৰী অধ্যাপিকা ববিতা শৰ্মালৈ। ববিতা বাইদেউ মাননিখিনি এটা খামত ভৰাই আঠা লগাই বন্ধ কৰি পেলাইছিল। খামৰ ওপৰত সুন্দৰ হাতৰ আখৰেৰে দেউতাৰ নাম আৰু ঠিকনা লিখিছিল। তাৰ কাৰণ সোধাত বাধ্য ছাত্ৰৰ দৰে কৈছিল " এইখিনি দেউতাৰ হাতত দিম, তেওঁৰ প্ৰাপ্য।" এইটো আছিল শিষ্টাচাৰ আৰু ভদ্ৰতাৰ নিদৰ্শন। ইয়াৰ পৰা আমাৰ শিকিবলগা বহুত কথা আছে। খান ছাৰে কলেজৰ কেইজনমান শিক্ষক-কৰ্মচাৰীক লগতলৈ কলেজৰ শুভাকাঙ্খী ব্যক্তিৰ লগত দেখা কৰি দিহা পৰামৰ্শ গ্ৰহন কৰে। এদিন মোকো লগতলৈ খান ছাৰে মৰহুম মহম্মদ আলী (অধিবক্তা) আৰু হুছেইন আলী (অধিবক্তা) চাহাবৰ লগত কলেজৰ দুৰ্দিন আৰু সুদিনৰ বিষয়ে বিতংভাবে আলোচনা কৰে। দুয়োজনে অতি গুৰুত্ব সহকাৰে আমাৰ মনৰ বেদনা অনুভৱ কৰে আৰু মহামূল্যবান সময় নষ্ট কৰি আমাক বহুতো গঠনমূলক পৰামৰ্শ আগবঢ়ায়। এই দুজনৰ ঐকান্তিক প্ৰচেষ্টাত বহুকেইখন কাৰ্যকৰী সভা হৈ যায়, শেষত স্থানীয় বিধায়ক ৰবিন বণিক্য চাহাবক সভাপতি আৰু মৰহুম আবুল হুছেইন ছাৰক সম্পাদক হিচাপে লৈ নতুন পৰিচালনা সমিতি গঠন কৰে। আবুল হুছেইন ছাৰক পাছত অধ্যক্ষৰ দায়িত্ব অৰ্পন কৰে। তেতিয়া পৰিচালনা সমিতিয়ে লেংটিছিঙা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ তথা আমাৰ সকলোৰে প্ৰিয় প্ৰয়াত মাণিক চন্দ্ৰ প্ৰামাণিক ছাৰক সম্পাদকৰ দৰে গধূৰ দায়িত্ব অৰ্পন কৰে। দিনৰ পিছত ৰাতি আৰু ৰাতিৰ পিছত দিন। কথাষাৰ যিদৰে এশ শতাংশ সত্য, ঠিক তেনেদৰে অতি কম দিনৰ ভিতৰত উজ্জ্বল পোহৰৰ দৰে জিলিকি উঠা কলেজ গঢ়া একোজন কৰিগৰৰ মন কলা ডাৱৰে ছানি ধৰিছিল। ১৯৯৬ চনৰ সাধাৰণ নিৰ্বাচনৰ সময়ৰ কথা। সেই সময়ৰ ৰাজনৈতিক কাল ধুমুহাই আমাৰ সকলোৰে চকুৰ সন্মূখতে কলেজৰ অৱস্থা একেবাৰে অন্ধকাৰাচ্ছন্ন কৰিছিল। কলেজৰ শিক্ষক-কৰ্মচাৰীখিনি ঘাট মাউৰা সন্তানৰ দৰে দিশাহাৰা হৈ পৰিছিলো যেন কলেজখন অভিভাৱকহীন হৈ পৰিল। সেই জটিল সময়ত অধ্যক্ষ এম. ছফিউৰ ৰহমান ছাৰে শাৰীৰিক অসুস্থতা আৰু সময়ৰ তাগিদাত এখন পত্ৰযোগে আমাৰ কলেজত কৰ্মৰত

অসমীয়া বিভাগৰ সহকাৰী অধ্যাপক আয়ুব খান ছাৰক কলেজখন চলাই লৈ যোৱাৰ বাবে দায়িত্ব অৰ্পন কৰে। সেই সময়ৰ কলেজৰ অৱস্থা কেনে আছিল তাক এই অঞ্চলৰ ৰাইজৰ নিশ্চয় মনত আছে। কলেজখন যাতে চলি থাকে তাৰ বাবে খান ছাৰে অধ্যক্ষ হিচাপে দায়িত্ব পালন কৰাটো এটা কঠিন কাম আছিল যদিও ধৈৰ্য সহকাৰে আগবাঢ়ি গৈছিল। ইয়াৰ পাছতে আবুল হুছেইন ছাৰে অধ্যক্ষৰ দায়িত্ব গ্ৰহন কৰিলে আৰু ছাৰৰ মূৰৰ বোজা অলপ কমিল আৰু শান্তিৰ নিঃশ্বাস এৰিলে ।

**সামৰণি ঃ-** সামৰণিত দুজন ব্যক্তিৰ বিষয়ে নকলে এই লেখনি আধৰুৱা হৈ ৰব যেন ভাৱিছো। তাৰে এজন হ'ল বৰ্তমান বৰপেটা লোকসভা সমষ্টিৰ সাংসদ মাননীয় আব্দুল খালেক চাহাব আৰু আনজন হ'ল বৰ্তমান কলেজত কৰ্মৰত ৰাজনীতি বিজ্ঞান বিভাগৰ মুৰব্বী অধ্যাপক ড০ আব্দুছ ছুবুৰ চাহাব। এই দুইজন ব্যক্তিয়ে মোক সদায় লিখা-মেলাৰ বাবে তাগিদা দি আহিছে। মাননীয় সাংসদ আব্দুল খালেক চাহাব জনীয়াৰ বিধায়ক হোৱাৰ পূৰ্বে আমাৰ কলেজত অসমীয়া বিভাগৰ অধ্যাপক হিচাপে সেৱা আগবঢ়াইছিল। তেখেতৰ অনুপ্ৰেৰণাত লেখা-মেলা কৰিছিলো। তাৰিখ মনত নাই যদিও কলেজৰ কোনো এটা বছৰেকীয়া খেল-ধেমালিৰ তত্বাৱধায়ক আছিল বৰ্তমানৰ সাংসদ চাহাব। তেখেতে মোক ৰৰ মৰম কৰিছিল আৰু খেল-ধেমালিত যোগদানৰ বাবে জোৰকৈ ধৰাত আকস্মিক বক্তৃতা, ছদ্মবেশ , কুইজকে আদি কৰি কেইবাটাও খেলত অংশলৈ পুৰস্কাৰ পোৱাৰ যোগ্য বুলি বিবেচিত হওঁ। কিন্তু মই কৰ্মচাৰীহে ছাত্ৰ নহয়, মোক অনুষ্ঠানিকভাৱে দিয়া সম্ভৱ নহয়। সেয়েহে মোক উৎসাহিত কৰাৰ কাৰণে তেখেতে মোৰ নাম বাতৰি কাকতত উঠোৱাৰ ব্যৱস্থা কৰে। কাকতত ৰাজীৱ গান্ধী মেম'ৰিয়েল মহাবিদ্যালয় সপ্তাহ' অনুষ্ঠিত শিৰোনামৰে বাতৰি প্ৰকাশ পায়। সেই বাতৰিত আৰজিনা বেগম আন্ত খেলত শ্ৰেষ্ঠ বক্তা হিচাপে বিবেচিত হয় বুলি বাতৰি প্ৰকাশ পায়। কথাবোৰ মনত পৰিলে আজিও শিহৰণ জাগে, মনটো পুলকিত হয়। খালেক ছাৰৰ দৰেই মোক লিখা-মেলাৰ ক্ষেত্ৰত যথেষ্ট অনুপ্ৰাণিত কৰি আহিছে ড০ আব্দুছ ছুবুৰ ছাৰেও। তেওঁ অসম সাহিত্য সভাৰ লগত ওতোঃপ্ৰোতভাৱে জড়িত। তেওঁ কলেজৰ মুখপত্ৰ, প্ৰাচীৰ পত্ৰিকা, প্ৰছপেক্টাচ আদিৰ লগত সদায় জড়িত থাকে। তেওঁ মোক সদায় কিবা এটা লিখিবৰ কাৰণে জোৰ কৰে যদিও মোৰ সেইবোৰ হৈ নুঠে। তথাপিও তেওঁৰ মান-সন্মান ৰক্ষাৰ্থে অলপ মনৰ ভাৱ প্ৰকাশ কৰিলোঁ। মই এটা কথা স্পষ্টভাৱে বুজি পালো যে মুখেৰে বহুত কিবা-কিবি ক'ব পাৰি, কিন্তু সেইটো কলমেৰে লিখিত ভাৱে প্ৰকাশ কৰাটো খুব কঠিন কাম। সেয়া মই এই মুহূৰ্তত হাড়ে-হাড়ে অনুভৱ কৰি আছো। সেইদৰে কাম এটা কৰাতকৈ আনক সমালোচনা কৰা উজু। আজিৰ সমাজ ব্যাৱস্থা, শিক্ষানুষ্ঠান আদিত সততে কটু কথা সহজেই কৈ দিয়া মানুহৰ হয়তো অভাৱ নাই। কিন্তু সেই সকলে কৰা ভাল কামৰ সংখ্যা বিচাৰি পোৱাটো পৰ্বতত কাছকণী বিচৰা লেখীয়া কাম। দুষ্কৰ্ম কৰা বহু লোক সমাজত আছে, কিন্তু সুকৰ্ম কৰিলেহে মানুহ অমৰ হৈ থাকে। কথাবোৰ বিজ্ঞ সমাজে অনুধাৱন কৰাটো সময়ৰ আহ্বান বুলি ভাৱো।

সদৌ শেষত মোৰ লিখনিৰ মাজেৰে কৰা অজানিত ভুলৰ বাবে ক্ষমা মাগিছো। নিজৰ ব্যক্তিগত অনুভৱ ব্যক্ত কৰোতে যিবোৰ কথা লিখা হ'ল, সেইবোৰ পাঠক সমাজে গ্ৰহণ কৰিলে আমাৰ শ্ৰম সাৰ্থক হ'ব। ○

# নাৰী শিক্ষাৰ প্ৰয়োজনীয়তা আৰু অগ্ৰগতি



ছোৰহাব আলী মণ্ডল
বাৰেগড়

শিক্ষা হৈছে মানৱ জাতিৰ উন্নয়নৰ সোপান। শিক্ষা জ্ঞানৰ পূৰ্বচৰ্ত্ত। শিক্ষাৰ উদ্দেশ্য হৈছে প্ৰকৃত জ্ঞানৰ সন্ধান দিয়া। নাৰীয়ে শিক্ষা-দীক্ষা, মাতৃত্বত কোনোগুণে পুৰুষতকৈ হেয়, নিকৃষ্ট হ'ব নোৱাৰে। প্ৰাক্ ইছলামী যুগক ঐতিহাসিক সকলে আইয়্যামে জাহেলিয়াত - বা মূৰ্খতাৰ, অসভ্য যুগ বুলি ক'বলৈ বাধ্য হৈছে। মানৱ ইতিহাসৰ এই কলংকময় অধ্যায়ত নাৰীয়ে, পুৰুষসকলৰ ভোগৰ সমগ্ৰীৰ বাহিৰে বিশেষ কোনো সামাজিক মৰ্যদা আদিত স্থান নেপাইছিল। সমগ্ৰ বিশ্বত প্ৰচলিত বিভিন্ন ধৰ্মৰ - হিন্দু, বৌদ্ধ, ইহুদী, পাৰচিক, খৃষ্টান ইত্যাদি ধৰ্মৰ নাৰীৰ কাৰুণ্যিক অৱস্থাই মানৱ বিধ্বংসীত গতিমুখী বিৰাজমান আছিল। মানৱ ইতিহাসৰ ঘোৰ অন্ধকাৰময়ত মানৱ যেতিয়া চৰম বিপৰ্যয়ত পতিত হৈছিল তেনে এটি সন্ধিক্ষণতে বিশ্বশান্তি মুক্তিৰ সাৰ্ব্বজনীন ধৰ্ম ইছলামে নাৰীৰ মৰ্যদা, শিক্ষা-অধিকাৰৰ ক্ষেত্ৰত বৈপ্লৱিক পৰিৱৰ্তন সাধান কৰে। হজৰত মহম্মদ (ৰছুল) ছঃ ৰ ঘোষণা এয়ে যে - ' শিক্ষা অৰ্জ্জন প্ৰত্যেক নৰ-নাৰীৰ বাবে ফৰজ।' (বাধ্যতামুলক) আল্লাই কৈছে - তেওঁ শিক্ষা দিছে কলমৰ মাধ্যমত। বিশ্বনবী (ছঃ)য়ে সুদূৰ চীন দেশত গৈ হ'লেও নৰ-নাৰীক শিক্ষা আহৰণৰ বাবে তাগিদ দিছে। বিশ্বত প্ৰথম লিখনি আৰম্ভ কৰে দক্ষিণ আৰবৰ লোকসকলে। (Philip Hitti) দ্ৰঃ [ History of the Arabs. পৃঃ ২৪০ ]। মধ্যযুগত জ্ঞান-বিজ্ঞান সকলোতে উন্নতি সাধনৰ বাবে মুছলিম বিশ্বৰ ওপৰতে নিৰ্ভৰ কৰিবলগীয়া হৈছিল। ইতিহাস তথা ক্যাম্বলৰ লিখনিৰ পৰাও জনা যায় যে - দশম আৰু একাদশ শতাব্দীৰ মুছলিম সমাজত জ্ঞান-বিজ্ঞান চৰ্চা ইমানেই ব্যাপকতাৰ আছিল যে - দহলাখ জনসংখ্যাৰ বাগদাদ আৰু কৰ্ডভা চহৰত শতকৰা এশজন লোকেই শিক্ষিত আছিল। ১২ বছৰৰ উৰ্দ্ধত প্ৰত্যেক ল'ৰা-ছোৱালীয়ে লিখা-পঢ়া জানিছিল। কোৰাণ-হাদীছ নিৰ্দ্দেশিত - শিক্ষা হৈছে, সংৰাষ্ট্ৰ পৰিচালক, চিকিৎক-শিক্ষক , অভিযন্তা, অধ্যাপক, আৱিস্কাৰক, অৰ্থনীতিবিদ, সাহিত্যিককে আদি কৰি মানৱ সমাজৰ কল্যাণৰ বাবে আল্লাহৰ প্ৰতি আনুগত্যশীল মানৱ সম্পদ গঢ়ি তোলা। এনে মানৱ সম্পদ গঢ়িবলৈ হ'লে প্ৰয়োজন উপযুক্ত শিক্ষানুষ্ঠান- প্ৰতিষ্ঠান গঢ়ি তোলাটো। হজৰত মহম্মদ (ছঃ) ইছলাম ধৰ্ম প্ৰচাৰৰ পিছৰ পৰাই বিশ্বৰ প্ৰতিটো দেশেই কোৰাণ আৰু হাদিছৰ নিৰ্দ্দেশ মতে - অকল পুৰুষ সকলেই শিক্ষিত হোৱা নাই মহিলা সকলো পিছপৰি থকা নাই।

ভাৰতবৰ্ষও ইয়াৰ ব্যাতিক্ৰম নাছিল। আৰব দেশত শতকৰা ৯৫ জনেই মুছলিম মহিলাই জ্ঞান ৰাখিছিল সিহঁতৰ মাতৃভাষাত। হজৰত মহম্মদ (ছঃ) ৰ কন্যা হজৰত ফাতিমা, স্ত্ৰী খাদিজা (ৰঃ) ও আয়েচা (ৰাঃ) প্ৰমূখ মহিলা সকল অকল শিক্ষিতাই নাছিল বৰঞ্চ আছিল বিদূষী। হজৰত আয়েচা (ৰাঃ) আছিল কবি, ৰাজনীতিবিদ আৰু যুদ্ধ বিশাৰদ। অকল আৰবতে নহয় তুৰস্ক, ইৰাণৰ মহিলাই পুৰুষৰ দৰে সকলো বিভাগতে অংশীদাৰ আছিল। তুৰস্কত তৃতীয় আঃ ৰহমানৰ সময়ত মহিলা ডাক্তৰ আছিল সাত হেজাৰ। ইৰাণৰ কথা ক'বলৈ গ'লে বিস্ময়ত অভিভূত হ'ব লগা হয় যে - ১৩১৬ খৃঃ ত তাত আছিল Ladies Association তাৰ সমূহ সদস্যাই আছিল সুশিক্ষিতা। তথ্য (The Muslim womenhood in Revolution : M.H. Zaidi, Calcutta 1937) ভাৰতৰ কথা ক'বলৈ গ'লে - চাদ বিবি, ৰাজিয়া চুলতানা, নুৰজাহান ও হজৰত মহল বুদ্ধিমতী আৰু শিক্ষিতা হিচাবে সৰ্ব্বজন বিদিত। পাৰ্চী, ইংৰাজী, ফৰাচী ভাষাত সু-পণ্ডিত হিচাবে মাইমুনা চুলতান শাহবানু এটি উল্লেখযোগ্য নাম। চুলতানা জাহান বেগম আছিল বৃটিছৰ উপাধিপ্ৰাপ্ত শিক্ষিতা মহিলা। খাদিজা বেগম লণ্ডনৰ ডিগ্ৰীপ্ৰাপ্ত আৰু আঠোটা ভাষাত এজনী পণ্ডিত হিচাবে ভাৰতীয় মহিলা। হালিমা খাতুন, প্ৰফেচাৰ খুৰশিদাৰা বেগম, মিচেচ জুম্মান খাঁন, মিচেচ নাজৰুদ্দিন, শিৰীণ বেগম - এওঁ সকলো আছিল উচ্চ শিক্ষিতা মহিলা বুদ্ধিজীবি। এইদৰে হেজাৰ হেজাৰ উচ্চ শিক্ষিতা মহিলাৰ নাম যথা বৰ্ণনা এই নিবন্ধটিত সন্নিবিষ্ট সম্ভৱ নহয়। আজিৰ বাংলাদেশৰ নেত্ৰী শেখ হাচিনা, বেগম খালেদা জিয়া আৰু পাকিস্থানৰ নেত্ৰী বেনাৰ্জিৰ ভূট্টোলৈ লক্ষ্য কৰি এয়া ভবাৰ কোনো কাৰণ নাই যে - মুছলমান সকল জাগিছে অমুছলমানৰ প্ৰভাৱত। বৰঞ্চ সমগ্ৰ পৃথিৱীৰ মহিলা সমাজৰ স্বাধীনতা, অধিকাৰ, শিক্ষা ও চেতনাৰ নেপথ্যত আছে ইচলামী সভ্যতাৰ প্ৰত্যক্ষ ও পৰোক্ষ প্ৰভাৱ। ১৯৫৬ খৃঃ ৰ পূৰ্বলৈকে হিন্দু মহিলা সিহঁতৰ মৃত 'মা-দেউতা' ৰ পৰিত্যক্ত সম্পত্তিৰ অংশ পোৱাৰ অধিকাৰৰ পৰা বঞ্চিত আছিল। মুছলমান মহিলাই যি অধিকাৰ ভোগ কৰি আহিছে হিন্দু মহিলাই সেই অধিকাৰ পোৱাৰ আৰম্ভণি হয় সুদীৰ্ঘ ১৩০০ বছৰৰ পিছতহে। কিন্তু বৰ্তমানত মুছলমান সমাজত শিক্ষা আৰু অৰ্থনৈতিক ক্ষেত্ৰত তুলনামূলক হিচাবে বহুত গুনে পিছপৰি থকাৰ কাৰণ এয়ে যে - ইচমাম বিদ্বেষী আৰ্ন্তজাতিক কু-চক্ৰান্তত, ৰাজনৈতিক ষড়যন্ত্ৰ আৰু সংখ্যাগৰিষ্ঠাৰ চাপত ক্ৰমশঃ অধঃগমনলৈ গতিমুখীতাত, বঞ্চিত অৱধাৰিত হৈছে শিক্ষা আৰু উন্নতিৰ পথৰ পৰা। ১৮৪০-১৮৫০ খৃঃ হিন্দু সমাজৰ মহিলা সকলৰ মৰ্যদা, লিখা-পঢ়া শিকাৰ কথা, ভবাহে হৈছিল। শিখ সকলৰ মহাগুৰু গুৰুনানকে কৈছে - 'বেদ পুৰাণৰ যুগ গুছি গৈছেহি, এতিয়া বিশ্ব পৰিচালনাৰ বাবে কোৰাণেই একমাত্ৰ দিগ নিৰ্দ্দশক গ্ৰন্থ।' এইদৰে ভাৰতৰ বিখ্যাত নেতা মহামানৱ মহাত্মা গান্ধীয়ে মহানবী (ছঃ) সম্পৰ্কে কৈছে - প্ৰচীচ্য যেতিয়া অন্ধকাৰত নিমজ্জিত প্ৰাচ্যৰ আকাশত তেতিয়া উদিত হ'ল উজ্বল নক্ষত্ৰ আৰু পৃথিৱীক দিলে পোহৰ আৰু স্বস্তি। ১৮৯৪ চনলৈকে হিন্দু সমাজৰ

মহিলা সকলৰ লিখা-পঢ়া শিকাৰ কল্পনা কৰাটোও অসাধ্যৰূপে গণ্য হৈ আছিল। ১৮৮৩ ৰ পৰা ১৯১০ লৈ এই সাত বছৰৰ শিক্ষিতা মহিলাৰ তালিকাত দেখা গৈছে বেছিভাগ মহিলাই আছিল হিন্দু ধৰ্ম বহিৰ্ভূত। ১৮৯৩ চনত নিউজিলেণ্ডত সৰ্বপ্ৰথম নাৰীৰ পূৰ্ণ অধিকাৰ প্ৰতিষ্ঠিত হয়। লাহে লাহে চীন, ইংলেণ্ড আদিত নাৰীৰ অধিকাৰ আইনে স্বীকৃতি লাভ কৰে। ভাৰতবৰ্ষতো সতীদাহ প্ৰথা, বিধবা বিবাহ প্ৰচলন আদি আইনৰ সৃষ্টি হয়। ৰুক্মিণীবাই আছিল নাৰী স্বাধীনতাৰ মুক্ত প্ৰতীক। আজিৰ নাৰীয়ে সমজৰ সকলো দিশত পুৰুষৰ সমানে খোজ পেলাবলৈ লৈছে। শিক্ষা, বিজ্ঞান আৰু প্ৰযুক্ত, ক্ৰীড়া, প্ৰশাসন আদি সকলো দিশতে আগুৱাই আহিছে। নিঃসন্দেহে এনে হোৱাৰ মূল কাৰণ হ'ল নাৰী জাগৰণ অথবা নাৰীমুক্তি আন্দোলন। পশ্চিমীয়া দেশবোৰত নাৰীৰ স্বাধীনতাক পুৰুষেই নিজৰ প্ৰয়োজনৰ কাৰণে বিভিন্ন উপায়ে বিভিন্ন স্তৰত কামত লগাইছে। আজিৰ বিশ্বত নাৰী মুক্তি বা নাৰী স্বাধীনতাৰ নামত যৌনচাৰ, নাৰীহৰণ, নাৰী ধৰ্ষণ, হত্যা, গৰ্ভপাতৰ প্ৰাব্যলতা, জাৰজ সন্তানৰ উৎপাদন, কুমাৰী মাতাৰ পয়োভৰে ভয়াবহ সামাজিক সমস্যা যথা মানৱ জাতি আকৌ অসভ্য যুগৰ সেই তিক্ততালৈ প্ৰত্যাগমন কৰিছে। নাৰীৰ উন্মুক্ততা যথা পৰ্দাহীনতা, অশালিনতাই, লজ্জাহীনতা, টি.ভি. চেনেল, ম'বাইলত ইউ. টি.বি. - ফেচবুকত নাৰীৰ উলঙ্গপনা বেহায়া কৰ্মকাণ্ডৰ প্ৰত্যক্ষতাই সমাজ জীৱন বিশৃংখলময় সাব্যস্থ হৈ পৰিছে। নাৰী জাতিৰ ক্ৰমাগত জীৱন ধাৰাত শিক্ষাদীক্ষাৰ বাধ্যবাধকতা কন্যা সন্তানৰ প্ৰতি কৰণীয়, স্বামী নিৰ্ব্বাচনৰ স্বাধীনতা, স্ত্ৰী হিচাবে মৰ্যদা, মাতৃত্বৰ শ্ৰেষ্ঠতা, স্বামী-পিতৃ-মাতৃ আৰু আত্মীয়ৰ সা-সম্পত্তিৰ অধিকাৰ এইবোৰ সকলোতে ইছলামৰ নাৰীয়ে আশানুৰূপ শ্ৰেষ্ঠত্ব অধিকাৰ লাভ কৰিছে। বিশ্বত নাৰীৰ উন্নয়নৰ ক্ষেত্ৰত ইছলামী ব্যৱস্থাৰ বিপৰীতে যিমানেই পন্থাৰ উদ্ভাৱন নকৰক কিয় বিফলতা, বিশৃংখলাহে প্ৰতিফলিত হৈ আছে। নাৰী-পুৰুষ উভয়ৰ প্ৰকৃতিগতভাৱে স্বতন্ত্ৰ অৱস্থানৰ ভিত্তিত ইছলামত নাৰীজাতিৰ প্ৰতি নিৰ্দ্দেৰ্শনা যথা মানৱ জাতিৰ বাবেই যি নিৰ্দ্দেশনা থকা স্বত্বেও শিক্ষা প্ৰকৃত জ্ঞানৰ অভাৱত নাৰীৰ জীৱনলৈ বিপৰ্যয় অব্যাহত। বিশ্বত পশ্চিমীয়া দেশবোৰৰ অনুসৰণ-অনুকৰণত নাৰী স্বাধীনতা বুলি যিটো ভবা তথা সেইমতে জীৱন ধাৰা চলাই যোৱা হয় এই স্বাধীনতাই নাৰীক উচ্ছৃঙ্খলত নিমজ্জিত কৰিছে তাৰ পৰিণাম আমি সকলোৱে ভোগ কৰিছোঁ। প্ৰগতি আৰু নাৰী স্বাধীনতাৰ দাবীত সোচ্চাৰ পাশ্চাত্য জগতসহ বিশ্বৰ বহুতো দেশৰে শান্তিপূৰ্ণ জীৱন-যাপন একেবাৰে দুৰ্লভ হৈ পৰিছে। নাৰী প্ৰগতিৰ ফলত জাৰজ সন্তানৰ সংখ্যা ক্ৰমৰ্দ্ধমানত বাঢ়ি গৈয়ে আছে। ব্ৰিটেইনত ১৫ ৰ পৰা ১৯ বয়সৰ যুৱতী সকলৰ গৰ্ভত ৪১,৭০০ শিশুৱে জন্মগ্ৰহন কৰে। ইয়াৰ শতকৰা ৮৭ ভাগেই হ'ল বিবাহ বন্ধনৰ বাহিৰৰ। যুক্তৰাষ্ট্ৰত ৬২ শতাংশ, জাপানত ১০ শতাংশ। Kinsey ৰ ৰিপোৰ্টত প্ৰকাশ যে - আমেৰিকাৰ পুৰুষ অধিবাসীৰ শতকৰা ৯৫ জন প্ৰচলিত নৈতিকমান অনুসাৰে নৈতিক দোষত দুষ্ট। চাৰি-পাঁচ বছৰীয়া শিশুসকলো যৌন অপৰাধত

লিপ্ত থকা দেখা যায়। কলেজীয়া ছাত্ৰ-ছাত্ৰীৰ শতকৰা ৬৭ জনীয়ে বিবাহ পূৰ্বক যৌন সম্ভোগ কৰি থাকে। যুবক-যুৱতীৰ অবৈধ যেন-সম্ভোগৰ ইত্যাদিৰ বাবে নাৰী প্ৰগতি আৰু স্বাধীনতাৰ যিটো পন্থা এয়া অনেকাংখতে দায়ী। বিশ্বৰ বুকুত আমেৰিকাতে যৌনৰোগ চিফিলিছসহ 'এইডছ' ৰ দৰে ভয়াংকৰ ৰোগৰ উৎপত্তি আৰু ক্ৰমবিকাশ অত্যন্ত বেছি। বিশ্বৰ ১৪০ টাতকৈ অধিক দেশৰ পৰা ১৯৮৮ চনৰ আগষ্টলৈকে ১,১১,০০০ অধিক 'এইডছ' ৰোগীৰ তালিকা পোৱা হয়। আফ্ৰিকাত ১৪,৮১৮ জন, আমেৰিকাত ৮০,০০০ জন ইউৰোপত ১৪,৬৮৪ জন ইত্যাদি বিশ্ব স্বাস্থ্য সংস্থাৰ এক বিবৃতিত এইদৰে প্ৰকাশ। কোৱা বাহুল্য যে - নাৰী প্ৰগতিৰ নামত স্বাধীন চেতিয়া, নাৰীৰ উন্মুক্ত যৌন মিলনৰ ব্যাপক প্ৰচলনৰ ফলত এক ভয়ংকৰ মহামাৰী ৰোগৰ উদ্ভৱ হৈছে। বিশ্ব স্বাস্থ্য সংস্থাৰ ডিৰেক্টৰ জেনেৰেল ডাঃ হিৰোশী নাকাজিমাই এসময়ত কৈছিল যে - জনসাধাৰণৰ এইডছ বিস্তাৰ কৰিলে জাত বিশেষ একেবাৰে ধ্বংস হৈ যাব পাৰে। আনকি সমগ্ৰ মানৱ জাতিৰো বিলুপ্তি ঘটিব পাৰে। স্মৰ্তব্য যে - বিশ্ব সভ্যতালৈ দৃষ্টিপাত কৰিলে - দেখা যায় যে - জ্ঞান-বিজ্ঞানৰ চৰম উন্নতিৰ যুগতো অপসংস্কৃতি, কু-পৰম্পৰাকে বজায় ৰখাত সমাজত সদায় অসুয়া, অশান্তিয়ে বিৰাজমান হৈ আছে। নাৰীই হ'ল ইছলামৰ সমাজৰ আত্মা। নাৰীৰ কোমল হৃদয়ৰ ত্যাগৰ দ্বাৰাই বলিষ্ঠ প্ৰত্যয়দীপ্ত আদৰ্শ পৰিয়াল আৰু সমাজ সংগঠিত হয়, ইছলামী সভ্যতাৰ ভিত্তি গঢ়ি উঠে। ত্ৰুটিপূৰ্ণ সভ্যতাৰ গৰাকীসকল, পশ্চাত্য আৰ্থিক সমাম্ৰজ্যবাদীসকলে সিহঁতৰ বিলাসভিত্তিক অপসংস্কৃতি, কুফুৰী জীৱন ব্যৱস্থাৰ দ্বাৰা ইছলামী সভ্যতা, সংস্কৃতি, ধৰ্মক সমূলি ধ্বংস কৰাৰ প্ৰয়াস তথা জঘন্য পৰিৱেশত সাব্যস্ত কৰাৰ বাবে যথা সাংস্কৃতি আগ্ৰাসন চলাইছে, সিহঁতৰ গণিকা সভ্যতাত অন্তৰ্ভুক্ত কৰাৰ বিভিন্ন কূটকৌশল অব্যাহত ৰাখি চলিছে। পশ্চিমৰ মানৱ অধিকাৰৰ শ্লোগান এতিয়া প্ৰহসনত পৰিণত হৈছেহি। নাৰী পুৰুষ সকলোৱেই উপলব্ধি কৰিব লাগিব যে - সুস্থ পৰিয়ালৰ পৰাহে সুস্থ সমাজ গঠন হোৱাটো সম্ভৱ। এনেদিশত বিশ্বত চলিত বিভিন্ন সভ্যতাৰ দৃষ্টান্ত স্বৰূপ শ্ৰেষ্ঠ সভ্যতাত অৱস্থান কৰি থকাটো সমুচিত হ'ব। মানৱৰ কল্যাণ য'ত প্ৰতিনিয়ত প্ৰৱাহমান তাৰ বিপৰীতে অৱস্থানৰতই সমূলি ধ্বংস হোৱাৰ বাহিৰে গত্যান্তৰ আছে জানো ??? ○

# প্ৰতিবাদৰ ভাষা



শ্ৰী ৰিপুঞ্জয় গগৈ

**কেঁচু বাটোৰেও** কান্দিলেহে মাকৰ গাখীৰকণ খাবলৈ পায় বুলি আমি কওঁ বা জানো। অৰ্থাৎ আবেদন অথবা প্ৰতিবাদ অবিহনে মানুহে নিজৰ প্ৰাপ্যটো লাভ নকৰে। মানুহৰ অকাংক্ষিত বস্তুটো পাবলৈ আৰু তাৰ বাটত হেঙাৰ হোৱা অবাঞ্ছিত অৱস্থাটো আঁতৰাবলৈ মানুহে সদায় সংগ্ৰাম কৰিবলগীয়া হয়। এই সংগ্ৰাম আবেদন-নিবেদনৰো হ'ব পাৰে, যুদ্ধ-প্ৰতিবাদৰো হ'ব পাৰে। প্ৰতিবাদ বুলিলে তাত সাধাৰণতে খং আৰু ঘৃণা থকে। প্ৰতিপক্ষৰ প্ৰতি তাত প্ৰেম সহানুভুতি সহমৰ্মিতা আদি নাথকে। গান্ধীবাদী অহিংস প্ৰতিবাদৰ বাটত প্ৰতিপক্ষৰ প্ৰতি থকা অহিংস ধাৰণা ভাববাদী ধাৰণাত বৰ্তি থাকিলেও অন্যায়কাৰী,বঞ্চনাকাৰীৰ প্ৰতি বাস্তৱিকতে মানুহে কেতিয়াও হিংসাহীন-ক্ৰোধহীন ভাব লৈ থকা সম্ভাৱনা নাথাকে। আমাক কোনোবাই অন্যায় কৰিব, বঞ্চনা কৰিব আৰু আমি তাৰ প্ৰতি ক্ৰোধহীন হৈ থাকিম এয়া অসচেতন অস্বাভাৱিক মানুহৰহে লক্ষ্যণ হ'ব।

য়াছেৰ আঁৰাফটৰ নেতৃত্বত পেলেষ্টাইনৰ স্বাধীনতা যুদ্ধ চলি থকা ভৰপক সময়তে পেলেষ্টাইনৰ প্ৰতিবাদী কবি মাহমুদ দাৰবিশে লিখা এটা কবিতাই পেলেষ্টাইনী মুক্তিযোদ্ধাক উদ্দীপ্ত কৰিছিল। কবিতাটোৰ কিয়দাংশ হৈছে- I attack none, I hate none - অৰ্থাৎ 'মই কাকো আক্ৰমণ নকৰো,কাকো ঘৃণাও নকৰো। কিন্তু মই যেতিয়া বঞ্চিত হ'ম, ভোকাতুৰ হ'ম, তেতিয়া মই মোক বঞ্চনাকাৰী শত্ৰুৰ মঙহ চোবাম।'

একেই সমধৰ্মী দক্ষিণ আফ্ৰিকাৰ বেঞ্জামিন মলেইছৰ কবিতাই আফ্ৰিকানসকলক প্ৰতিবাদৰ বাবে প্ৰেৰণা দিছিল। আমাৰ ৰাভাৰ ভাং ভাং লোহাৰ শিকলি ভাং, জ্যেতিপ্ৰসাদৰ মৃত্যু গচকি আনা জয় জিনি আদি গীত কবিতা, হীৰেন ভট্টাচাৰ্যৰ মোৰ তুমকলি তেজত তগবগাই এহেজাৰ এটা ৰণুৱা ঘোঁৰা অথবা (কাৰ) ডিঙিৰ জোখাৰে নিয়াৰিত কাঁচি গঢ়া আদি কবিতাই মানুহক প্ৰতিবাদৰ ভাষা দি সংগ্ৰামৰ বাবে জনসাধাৰণক উদ্বুদ্ধ কৰে। এনে গীত কবিতাৰ আবেদন অৱশ্যে আন্দোলন-সংগ্ৰামৰ একোটা অনুকূল ক্ষণত বৃদ্ধি পায়।

দেশ-বিশ্বৰ বিভিন্ন বিপ্লৱ-সংগ্ৰামৰ প্ৰতিবাদী ভাষাৰ বিষয়ে ক'বলৈ হ'লে অনেক খণ্ড মহাভাৰততো তাক নাটিবগৈ। আজিৰ সময়ত আমাৰ পৰিচিত ওচৰৰ সমাজখনত সংগটিত প্ৰতিবাদী আন্দোলনসমূহৰ ভাষা-ভংগীৰ কথাহে এই আলাপলৈ আনিব বিচাৰিছো।

শোষক বঞ্চনাকাৰীৰ সৃষ্ট অন্যায়-সমস্যা আৰু নিজৰ বিশেষ মানসিকতাৰ বাবে উদ্ভৱ হোৱা

সমস্যা সংকটৰ পৰিপ্ৰেক্ষিতত আমাৰ সমাজত নিতৌ অনেক আন্দোলনেৰে প্ৰতিবাদী কণ্ঠ উচ্চাৰিত হৈ আছে। চৌদিশে মাথো সমস্যা আৰু সমস্যা, অন্যায় আৰু বঞ্চনা। সংস্থাপনহীনতা, জনজাতীয় মৰ্যদা বিচৰা, পৃথক ৰাজ্য লাভ কৰা, সকলো দ্ৰব্যৰ মূল্য বৃদ্ধি হোৱা, নিৰ্বাচন পতা, নিৰ্বাচন নপতা, বান-গৰাখহনীয়া, বিদেশী বহিৰাগতৰ সমস্যা, দুৰ্নীতিকাৰীক ধৰা, নাৰী শ্লীলতা হানি হোৱা,বাট-পথ মেৰামতি নকৰা আদি এশ-এবুৰি সমস্যাক লৈ ৰাজ্যখনত অনেক ধৰণৰ প্ৰতিবাদ হৈছে। এই সকলো প্ৰতিবাদৰ নায্যতা আছে যদিও এইবোৰ প্ৰতিবাদৰ কিমানখিনি আন্তৰিকতা, কিমানখিনি কাৰ্যকাৰিতা আছে তাকলৈ কিন্তু সন্দেহ আছে। অসম বন্ধ (জিলা-মহকুমা আদিও ভাগে ভাগে বন্ধ হ'ব পাৰে) বাট-পথ, ৰেল অৱৰোধ কৰা আদিৰ মাজেদি আন্দোলনকাৰীয়ে নিজৰ 'সবল' অস্তিত্ব যিমান জাহিৰ কৰে সিমান কিন্তু দাবী কৰা উদ্দেশ্যটো সফল নহয়। সমাজৰ জ্বলন্ত সমস্যাক লৈ কৰা প্ৰতিবাদ বা তৎকালীনভাৱে সংগটিত হোৱা অমানৱীয় ঘটনা যেনে- হত্যা-ধৰ্ষণ, অত্যাচাৰ আদি প্ৰতিবাদত আজিকালি আমাৰ মানুহে যি তৎপৰতাৰে ৰাজপথলৈ ওলাই আহি প্ৰতিবাদমুখৰ হয় তালৈ চাই এনে লাগে যে আমাৰ মানুহে আজি কোনো অন্যায় সহ্য নকৰে। বিপ্লৱী প্ৰতিবাদেৰে ভৰি পৰিছে আমাৰ সমাজ। 'ধিক অসমীয়া মানুহ নহয়' বুলি ক'বলৈ কমলাকান্ত বা 'অসম গেল গেল' বুলি ক'বলৈ অম্বিকাগিৰীৰ ক্ষোভ-আক্ষেপৰ আজি আৰু প্ৰয়োজন নাই। আমাৰ মানুহবোৰে আজি মুঠেও কোনো অন্যায়-অনীতি নকৰে। সকলো অন্যায়-অনীতিৰ বিৰুদ্ধে প্ৰবল প্ৰতিবাদেৰে জঁপিয়াই পৰি ইতিপূৰ্বে উল্লেখ কৰা মাহমুদ দাৰবিশ, জ্যোতিপ্ৰসাদ, বিষ্ণু প্ৰসাদ, হীৰেণ ভট্টাচাৰ্যৰ বিদ্ৰোহী-বিপ্লৱী কবিতা আন্তৰিকতাৰে আওৰাই তাক কাৰ্যকৰী কৰে।

বাস্তৱিকতে জানো আমাৰ প্ৰতিবাদীসকল কমলাকান্ত, অম্বিকাগিৰীৰ ক্ষোভ ধিক্কাৰৰ পৰা মুক্ত হ'ব পাৰিছে? মাথোন এমুঠিমান প্ৰতিবাদকাৰীয়ে আন্তৰিকতাৰে আৰু শুদ্ধ কাৰ্যকৰী পথ-পদ্ধতিৰে প্ৰতিবাদ কৰাৰ বাহিৰে সৰহসংখ্যক প্ৰতিবাদকাৰীৰ প্ৰদৰ্শনকামিতা আৰু আনন্দ-উত্তেজনা চৰিতাৰ্থ কৰা নীচ প্ৰৱণতাত আন্দোলন-প্ৰতিবাদ হৈ পৰিছে পথভ্ৰষ্ট। বহু সময়ত প্ৰতিবাদ হৈ পৰিছে আনন্দ বা উত্তেজনা উৎপাদক নিত্যন্ত পাৰফৰমেন্স। বিশুদ্ধ সুখ-উত্তেজনাৰ হাথিয়াৰ। বহু আন্দোলনকাৰী- প্ৰতিবাদকাৰীয়ে আমাৰ এনে কথাত হয়তো জকি উঠিব। পিছে ভালদৰে লক্ষ্য কৰিলে আমি কি দেখা পাওঁ? এটা শিয়ালৰ হোৱাত হোৱা দিয়াৰ দৰে দুটামান নেতাৰ কথাত একো নুবুজাকৈ এখিনিয়ে জাকি মাৰি ওলাই প্ৰতিবাদী হোৱা দিয়ে। প্ৰতিবাদ কেতিয়াও আনন্দৰ কথা হ'ব নোৱাৰে। ই নহয় ৰং-তামাছাৰ পদ্ধতি। দুৰ্নীতি-অনীতি, বঞ্চনা-অত্যাচাৰৰ বিৰুদ্ধে মানুহে যেতিয়া প্ৰতিবাদ কৰে সেই প্ৰতিবাদৰ প্ৰেৰণা হয় প্ৰচণ্ড ক্ষোভ-ক্ৰোধ-অবদমিত শোক-বেদনা। পিছে আজি বিভিন্ন বঞ্চনাৰ প্ৰতিবাদৰ সময়ত বঞ্চিতজনৰ চকুৰে-মুখে এক ক্ৰোধ-ক্ষোভৰ অগ্নিশিখা দেখাৰ পৰিৱৰ্তে দেখো মুখত মিচিকিয়া হাঁহি, শুনো

আনন্দ-উত্তেজনাৰ বিকৃত কিৰিলি। এইবোৰ প্ৰতিবাদকাৰীৰ অভিনয় নে ল'ৰা ধেমালি? কেতিয়াবা আন্দোলনকাৰী-প্ৰতিবাদকাৰীৰ আন্দোলনৰ পদ্ধতি বা প্ৰতিবাদ কাৰ্যসূচীত দেখো আনৰ দৃষ্টি আকৰ্ষণ কৰা অদ্ভুত ফেচনৰ অথবা আত্মবিশ্বাসীৰ আজৱ ক্ৰিয়া-কাণ্ড, দেখো যুক্তিবাদীৰ বাবে পৰিত্যক্ত ধৰ্মীয় আচাৰ-অনুষ্ঠান। প্ৰতিবাদৰ নামত মুণ্ডন কৰাৰ অৰ্থ কি? কেতবোৰ হিন্দুৱে আপোনজনৰ মৃত্যুতহে মুণ্ডন কৰে। আপোনজনক সাঙীত উঠাই মৰিশালিলৈ নিয়ে। এইবোৰ ধৰ্মীয় ক্ৰিয়া-কাণ্ড-বঞ্চনাকাৰীৰ বিৰুদ্ধে কৰাৰ অৰ্থ জনো বঞ্চনাকাৰীক আত্মীয় ভবা আৰু এতিয়া তাক ত্যাগ কৰাৰ জানো নহয়? এইবোৰ প্ৰদৰ্শনকাৰী অথচ আত্মবিশ্বাসী প্ৰতিবাদী পদ্ধতিয়ে প্ৰতিবাদকে হাস্যাস্পদ কৰি তোলে আৰু প্ৰতিবাদৰ চোক নাইকিয়া কৰে। প্ৰতিবাদ কাৰ বিৰুদ্ধে কৰিছে তাৰ শক্তি অৱস্থানৰ বিৰুদ্ধে সঠিক জ্ঞান নাথাকিলে বন্ধ, অৱৰোধ, মিছিল-অনশন-ধৰ্মঘট আদিৰে একো কৰিব নোৱাৰি। আমাৰ গণতন্ত্ৰত অনেক ফাঁক-ফাঁকতি থাকিলেও তাত নূন্যতম গণতন্ত্ৰও আছে। আৰু আছে ৰাষ্ট্ৰযন্ত্ৰৰ জটিল পৰিগাঁথনি। এইবোৰ কথা আমাৰ বহু আন্দোলনকাৰীয়ে নাভাবি আন্দোলনত জঁপিয়াই পৰে। আজি বিভিন্ন আন্দোলন জংগী হৈ পৰা, আন্দোলন হলেই ভঙা-ছিঙা কৰি উগ্ৰ হিংসাত্মক ৰূপ লোৱাত এক বিশেষ সমাজ মনস্তত্ব আছে। ব্যতিক্ৰম বাদ দিলে নিজৰ ভাল ঘৰ-গাড়ী থকাসকলে আন্দোলনৰ উত্তেজনাত, প্ৰতিবাদীৰ পথত কেতিয়াও আনৰ ঘৰ-গাড়ী নাভাঙে, নজ্বলায়। এইবোৰৰ পৰা বঞ্চিতসকলে ক্ষোভ-খং আৰু বঞ্চনাৰ ঈৰ্ষাত এই হিংসাত্মক কাণ্ডবোৰ সাধাৰণতে কৰে। ব্ৰাজিলৰ প্ৰাক্তন ৰাষ্ট্ৰপতি ছিলভা দ্য লুলাই Xenophobia বা বিদেশী-বহিৰাগতৰ প্ৰতি থকা ভীতি সম্পৰ্কে কৈছিল যে দৰিদ্ৰ আৰু কৰ্মসংস্থাপনহীনতাই এই বহিৰাগত-ভীতি সৃষ্টি কৰে। আমাৰ ৰাজ্য বা দেশত হোৱা সামগ্ৰিক সংস্থাপনহীনতা বা দৰিদ্ৰতাই আজি উক্ত ভীতি বৃদ্ধি কৰি মানুহক প্ৰতিবাদী কৰিছে। সঠিক নেতৃত্ব বা পন্থাৰ অভাৱত প্ৰতিবাদী ভাষা-পদ্ধতি মাথোন বিকৃত হৈছে। ভোগবাদৰ প্ৰভাৱত প্ৰতিবাদৰ পথতো আনন্দ-উত্তেজনাই থিতি লৈছে। ○

(শ্ৰী গগৈ এজন বিশিষ্ট সাংবাদিক, চিন্তাবিদ আৰু দৈনিক 'খবৰ' কাকতৰ নিয়মীয়া স্তম্ভ লিখক)



*কেমেৰাৰ লেন্সত এম.আৰ.এম. হাইস্কুল, ডুমৰগুৰী*



*কেমেৰাৰ লেন্সত বিজনী ৰাজষ্টেটৰ ভগ্নাৱশেষ দালানভাঙা (লেংটিছিঙা)*

# মোৰ স্মৃতিপটত ৰাজীৱ গান্ধী সোঁৱৰণী মহাবিদ্যালয়



আতাউৰ আনছাৰী
প্ৰাক্তন ছাত্ৰ

ৰাজীৱ গান্ধী সোঁৱৰণী মহাবিদ্যালয়ত ৰূপালী জয়ন্তী উৎসৱ সম্পৰ্কে ছুবুৰ ছাৰৰ পৰা জানিব পাৰিলোঁ, ফেচবুকৰ জৰিয়তে মই এছ.এম.এছ. দিয়া বাবে, ছাৰে ফেচবুকতেই এছ.এম.এছ.ত মোক দেখা কৰিবলৈ কৈছিল। এদিন ছাৰক ফোন কৰি কলেজত দেখা কৰোঁ। ছাৰৰ লগত সাক্ষাৎ হোৱাত ছাৰে ক'লে " তুমি এই কলেজত পঢ়া প্ৰথম ছাত্ৰ জনৰ সাক্ষাৎকাৰ ল'ব পাৰিবা নেকি? "মই কলো " পাৰিম ছাৰ, আপুনি সহযোগ কৰিলে। ছাৰে আৰু ক'লে "তুমি প্ৰাক্তন ছাত্ৰ হিচাপে এটি প্ৰবন্ধ লিখিবা, লগতে ফটোও দিবা। "মই ক'লো হ'ব ছাৰ।" ছাৰৰ লগত ক্ষন্তেকীয়া সময়ৰ অন্তৰংগ মুহূৰ্তৰ আলাপ-আলোচনাই গুৰু শিষ্যৰ অটুট বান্ধোন যেন আৰু মজবুত হ'ল। সেই সময়খিনিত আয়ুব খান ছাৰো আছিল। খান ছাৰৰ লগতে কথা পাতি ভাল লাগিল। ছাৰ দুজনৰ পৰা বিদায় লোৱাৰ মুহূৰ্তত মোৰ বহু কথাই মনত পৰিব ধৰিলে। ছুবুৰ ছাৰে মোৰ পৰা লিখনি বিচৰাত মোৰ মনত এফালে বুজাব নোৱাৰা আনন্দ আৰু আনফালে কি লিখিম প্ৰবন্ধ, গল্প নে কবিতা ইত্যাদি ভাৱনাই জুমুৰি দি ধৰিলে। ভাৰি ভাৰি কলেজখনৰ পৰা ওলাই লেংটিছিঙা বজাৰ পালোঁ। এছ, ষ্টৌৰত অলপ সময় বহিলোঁ। এয়া মোৰ হাইস্কুলীয়া বন্ধু ছলেমানৰ ফটোষ্টেটৰ দোকান। তাত অলপ জিৰণী লৈ টিউচন পঢ়াবলৈ গ'লো। সন্ধিয়া ঘৰত আহিলোঁ। ঘৰত আহি বাইকখন ৰখা কোঠাটোত বাইকখন থৈ কাপোৰ-কানি সলালোঁ। তাৰ পিছত হাত মুখ ধুই ফ্ৰেছ হৈ বিছনাত শুই ভাৰি ভাৰি সাক্ষাৎকাৰৰ বাবে হেডিং আৰু শুধিবলগীয়া প্ৰশ্ন কেইটামান প্ৰস্তুত কৰিলোঁ। দুদিনমান পিছত ছুবুৰ ছাৰৰ লগত দেখা কৰিলোঁ আৰু ছাৰক প্ৰশ্ন কেইটা দেখুৱালোঁ। ছাৰে চাই মেলি আৰু কেইটামান প্ৰশ্ন সংযোগ কৰি দিলে আৰু ক'লে "এই গোটেইখিনি প্ৰশ্ন সজাই লিখি মোক দিবা। "ছাৰৰ কথামতেই আন এদিন মহাবিদ্যালয়ত গৈ সাক্ষাৎকাৰৰ বাবে সজোঁৱা প্ৰশ্নখিনি দি আহিলোঁ।

এতিয়া বাকী ৰ'ল মোৰ লিখনি। কি লিখিম এয়া ভাৰি থাকোতেই মোৰ মনলৈ আহিল বহু ধৰণৰ সাম্প্ৰতিক সময়ৰ প্ৰেক্ষাপটৰ ওপৰত লিখিব পৰা টপিকচ্ (Topics) কেইটামান শিৰোনাম লিখি পেলালোঁ আধৰুৱা হোৱাকৈ। যেনেকুৱা তাৰ ভিতৰত 'বিকাৰগ্ৰস্থ যুৱ সমাজ আৰু সাম্প্ৰতিক পৰিস্থিতি, কোন দিশে আজিৰ প্ৰজন্ম। কিন্তু হঠাৎ আকৌ মোৰ মনত পৰিল যে মোৰ কলেজীয়া জীৱনৰ কিছু স্মৃতি সুঁৱৰি এটি লেখা পঢুৱৈ সমাজলৈ আগবঢ়ালে ভাল হ'ব। সেয়ে মোৰ কলেজীয়া জীৱনৰ স্মৃতি কিছু দাঙি ধৰাৰ প্ৰয়াস

কৰিলোঁ

### স্মৃতিৰ স্নেপশট-১

মই অধ্যয়ন কৰা মহাবিদ্যালয়ৰ ৰূপালী জয়ন্তী উৎসৱৰ শুভক্ষণত মনলৈ উভতি আহিছে কিছু স্মৃতি, কিছু হৃদয়ৰ স্পন্দনৰ অনুভূতি। এইখন মহাবিদ্যালয়ৰ কিছুমান স্মৃতিয়ে মোৰ বাবে কেতিয়াবা আনন্দৰ বতৰা আৰু কেতিয়াবা বিষাদৰ বতৰা কঢ়িয়াই আনে। মোৰ বাবে বিষাদৰ বতৰা এই কাৰণেই যে মই সদীৰ্ঘ ১৩-১৪ বছৰ আগৰ কথা মনত পেলালে কেন্সাৰ ৰোগত আক্ৰান্ত হৈ দীৰ্ঘদিন ভূগি জেঠাই (ডাঙৰ খুৰা) এই মায়াৰ সংসাৰ এৰি যোৱাৰ প্ৰতিটো মুহূৰ্ত মনৰ দাপোনত ভাঁহি অহাৰ লগে লগে মোৰ হৃদপিণ্ডত ৰক্ত সঞ্চালন অধিক হোৱা বাবেই মই বেছি আৱেগিক হওঁ লগতে মই কলেজীয়া শিক্ষা সমাপ্ত নকৰাকৈ কলেজ এৰিব লগা হোৱাটো আজিও মোৰ মনটোৱে সহজভাৱে মানি ল'ব পৰা নাই। মোৰ ভাগ্যৰ কি নিৰ্মম পৰিহাস। মোৰ জীৱনৰ আটাইতকৈ গুৰুত্বপূৰ্ণ সেই সময়ত কলেজীয়া জীৱনৰ শিক্ষা আধৰুৱা হোৱা বাবেই মই তেতিয়াৰে পৰা আজিলৈকে উজুটি খাব লগা হৈছিল। যদিও মই পিছত বি.এ. পাছ কৰিলোঁ। কিন্তু সময়মতে ডিগ্ৰী ল'ব নোৱাৰা বাবেই হয়তো চাকৰি-বাকৰিৰ পৰা বঞ্চিত হ'বলগীয়া হৈছোঁ।

আনন্দিত হওঁ এই কাৰণেই যে ছাত্ৰ-বাইদেউ সকলে আৰু এই অঞ্চলৰ স্থানীয় ৰাইজৰ সহায়-সহযোগ, ত্যাগৰ বিনিময়ত লেংটিছিঙাৰ নিচিনা অতি পিছপৰা অঞ্চলত এই মহাবিদ্যালয়ে সম্প্ৰতি শিক্ষাৰ মানদণ্ড উন্নত কৰাৰ বাবে অহৰহ প্ৰচেষ্টা চলাই আছে। বিশেষভাৱে ধন্যবাদ জ্ঞাপন কৰিছোঁ যিসকল ছাৰ-বাইদেউয়ে প্ৰতিষ্ঠা কালৰ পৰাই অশেষ কষ্ট কৰি এইখন মহাবিদ্যালয়ত শিক্ষাদান কৰি আছে।

### স্মৃতিৰ স্নেপশট-২

২০০৩-২০০৪ বৰ্ষ আৰু ২০০৪-২০০৫ বৰ্ষ। দুটা বছৰ আমাৰ সময়ত বি.এ নিউ কোৰ্চত পঢ়িব লগা হ'ল। সেয়ে সময়মতে নতুন পাঠ্যপুথি পোৱা নাছিলোঁ। ইংৰাজী পাঠ্যক্ৰমখন ছাদুল্লা ছাৰে চিলেবাছ অনুসৰি বিভিন্ন গ্ৰন্থৰ পৰা ফটোষ্টেট কৰি আনি আমাক পাঠদান কৰিছিল। প্ৰায় দুমাহ যোৱাৰ পিছত ইংৰাজী পুথিখন বুক ষ্ট'ল সমূহত উপলব্ধ হ'ল। অন্যান্য বিষয়বোৰ কিছু প্ৰথমেই পাইছিলোঁ আৰু কিছু পিছত পাইছিলোঁ। মই অসমীয়া বিষয়টো মেজৰ হিচাপে লৈছিলোঁ। মেজৰৰ কিতাপ সমূহ সময়ত নোপোৱা বাবেই অসুবিধা হৈছিল। মেজৰ বিষয়টো তিনিজন ছাৰ-বাইদেৱে পাঠদান কৰিছিল। সকলোৱে পাঠদান ভালেই আছিল যদিও মই ড° ৰীতা বাইদেউৰ পৰা পূৰ্ণাংগ সঁহাৰি পাইছিলোঁ। আমি পঢ়ি থকা সময়ত এই কলেজখনৰ অধ্যক্ষ আছিল আছিৰ উদ্দিন আহমেদ ছাৰ। তেখেতৰ ব্যৱহাৰ অমায়িক আছিল। কলেজত পঢ়া সময়ত ৰীতা বাইদেউৰ ঘৰত যোৱাৰ কথা আজিও মনত পৰে। বাইদেউয়ে মোক আৰু সহপাঠী বন্ধুক ঘৰত মাতি লৈ চাহ জলপানেৰে আপ্যায়ণ কৰি মেজৰৰ নোট দিছিল। মোৰ মেজৰৰ নোট চুইটি, চেলিম, চুলতান, খায়েৰহঁতে লৈছিল (এজনৰ নাম পাহৰিলোঁ)। কেতিয়াবা নিঃসংগ সময়ত মোৰ বন্ধু-বান্ধৱীৰ কথা মনত পৰে। আন কিছুমান ঘনিষ্ঠ বন্ধু-বান্ধৱী - নুৰ আঞ্জুৱাৰা, আবিদা, খুৰশিদা, মান্নান, ছফৰ, জহিৰুল, ছুফিয়া, আলেমা, আলমিনাহঁতকো বহুত মনত পৰে। আল্লাহ-তায়ালাই আমাৰ সহপাঠী বান্ধৱী ছুফিয়াক (মেৰেৰচৰৰ) ইহজগতৰ পৰা পৰজগতলৈ লৈ

গৈছে। আল্লাহ্-তায়ালাই তাইক বেহেস্ত নছীব কৰক।

আমি যেতিয়া এইখন মহাবিদ্যালয়ত পঢ়িছিলোঁ, তেতিয়া বেছি পানী থকা সময়ত মৰা মানাহ নৈ নাৱেৰে পাৰ হ'ব লগা হৈছিল। শীত কালত অৱশ্য খোজকাঢ়ি গৈছিলো মানুহৰ খেতি পথাৰৰ আলিৰ ফুটপথৰ মাজেদি। সেই সময়ত সম্প্ৰতি হোৱা ৰাজ্যিক ঘাইপথটো তেতিয়া বান্ধি আছিল। অৱশ্য কলেজত পঢ়ি থকা সময়তেই লেংটিছিঙাৰ পৰা সন্তোষপুৰ, বৰতাৰী, ৰঙাপানী লৈ ৰাজ্যিক ঘাইপথটো মানুহ চলাচল কৰিব পৰাকৈ বান্ধিছিল। ঘাইপথৰ পৰা দক্ষিণে ভাৱালীপাৰা ১ম খণ্ড, পূৱফালে আমাৰ গাঁৱৰ পিনে ঝাৰপাৰা গাঁৱৰ মাজেদি সোমাই আহিছে। ৰাজ্যিক ঘাই পথটো সম্পূৰ্ণ হোৱা সন্তোষপুৰ-ভাৱালীপাৰা বজাৰৰ পৰা দক্ষিণ-পশ্চিম ফালে আমাৰ গাওঁ ভাৱালীপাৰা ১ম খণ্ড অঞ্চলটো। ৰাজীৱ গান্ধী সোঁৱৰণী মহাবিদ্যালয়খনলৈ আমি পঢ়ি থকা সময়ত ভাৱালীপাৰা, ডুমেৰগুৰী, লেংটিছিঙা, নসত্ৰ, পাখাকাটা, পিৰাধৰা, ছিকোটাৰী, সন্তোষপুৰ, বৰভিটা, বৰতাৰী, মইনবৰী, জয়পুৰ আদি অঞ্চলৰ পৰা ছাত্ৰ-ছাত্ৰী সকলে বহু কষ্ট কৰি আহিব লগা হৈছিল। মইনবৰী, জয়পুৰ, কাটাখালিৰ পৰা ছাত্ৰ-ছাত্ৰী সকলে নাঁৱেৰে অঁহা যোৱা কৰিছিল। ওপৰোক্ত গাঁৱসমূহ বঙাইগাঁও আৰু বৰপেটা জিলাৰ। আমি পঢ়ি থকা সময়ত আমাৰ মাজত আন্তৰিকতা আছিল। ছাৰ-মেডাম সকলেও আমাক খুব মৰম কৰিছিল। মোৰ লগত পঢ়া বহুতকে কলেজ এৰাৰে পৰা লগ পোৱা নাই। অৱশ্য কিছু বন্ধু বান্ধৱীৰ লগত মাজে সময়ে দেখা হয়। কথা পাঁতো। কলেজীয়া দিনৰ কথাবোৰ সোঁৱৰো, সামাজিক মাধ্যমৰ অতি জনপ্ৰিয় ফেচবুকৰ জৰিয়তে বহু পুৰণি বন্ধুৰ লগত নতুনকৈ সংযোগ স্থাপন হৈছে।

মানুহ এই পৃথিৱীৰ আজৱ মঞ্চৰ ভাৱৰীয়া। মানুহে জীৱনৰ বাটত শৈশৱৰ পৰা বৃদ্ধলৈকে বহু ধৰণে ভাওঁ দিবলগীয়া হয়। কেতিয়াবা ইচ্ছাকৃত আৰু কেতিয়াবা অনিচ্ছাকৃত ভাৱে। জীৱনৰ এই মঞ্চত বহুতেই এই ধৰাৰ বুকুত সফল আৰু অসফল হোৱা শুনা বা দেখা যায়। আমাৰ লগৰ বন্ধু-বান্ধৱীসকলৰ মাজতো জীৱনৰ বাটত কিছু সফল আৰু কিছু অসফল হৈছে। জীৱনৰ বাটত যিয়ে যি আসনতে নাথাক কিয় মুঠৰ ওপৰত আমাৰ সেই সময়ৰ মহাবিদ্যালয়ৰ দিনৰ কথা মনত পৰিলে অতীতৰ সেই স্মৃতিবোৰে আজিও হাতবাউলি মাতে।

ৰাজীৱ গান্ধী সোঁৱৰণী মহাবিদ্যালয়ৰ চৌহদত সোমোৱাৰ লগে লগে স্মৃতিপটত জল-জল পট-পটকৈ অতীতৰ প্ৰতিটো মুহূৰ্তৰ কথা মনলৈ আহে। আমি কোন কোন কোঠাত/ হলত পাঠ গ্ৰহণ কৰিছিলোঁ আৰু ক'ত ক'ত বহি আড্ডা দিছিলোঁ। সময়ৰ পৰিবৰ্তনৰ লগে লগে কলেজৰ আন্তঃগাঁথনি কিছু পৰিবৰ্তন হলেও কলেজখনৰ গেটত সোমোৱাৰ পিছত আমাৰ সময়ৰ প্ৰতিচ্ছবি মনত ভাঁহি উঠে। শেষত ৰাজীৱ গান্ধী সোঁৱৰণী মহাবিদ্যালয়ৰ ভৱিষ্যত উজ্জ্বল আৰু শুভ কামনা কৰি স্মৃতিপটৰ সোঁৱৰণ সামৰিলোঁ।। জয়তু ৰাজীৱ গান্ধী মেম'ৰিয়েল কলেজ।। ○

# অসমীয়া ভাষা সাহিত্য-সংস্কৃতিলৈ চৰ-চাপৰিবাসীৰ অৱদান ঃ এটি আলোকপাত



তাহমিনা খাতুন (প্ৰধান শিক্ষয়িত্ৰী)
নসত্ৰ পিৰাধৰা ছোৱালী এম. ই. মাদ্ৰাছা।

বৈচিত্ৰতাৰে পৰিপূৰ্ণ অসম ৰাজ্য। ৰাজ্যখনৰ শদিয়াৰ পৰা ধুবুৰীলৈ প্ৰবাল গতিত বৈ থকা চিৰ প্ৰবাহমান মহাবাহু ব্ৰহ্মপুত্ৰ আৰু ইয়াৰ উপনৈ সমূহৰ চৰ-চাপৰি অঞ্চলত বসবাস কৰা ৰাজ্যখনৰ দ্বিতীয় বৃহত্তম জনগোষ্ঠীটোৱেই হৈছে অভিবাসী মুছলমান সম্প্ৰদায়। পৃথিৱীৰ অন্য বহু জনগোষ্ঠীৰ দৰে এই জনগোষ্ঠীটোৱে নিজস্ব ভাষা সংস্কৃতি পৰিত্যাগ কৰি অসমীয়া ভাষা ক'লা-সংস্কৃতি গ্ৰহণ কৰি বৃহত্তৰ অসমীয়া জাতীয় জীৱনৰ লগত একাকাৰ হৈ গৈছে। এই লিখনিৰ জৰিয়তে "অসমীয়া ভাষা সাহিত্য-সংস্কৃতিলৈ চৰ-চাপৰিবাসীৰ অৱদান" শীৰ্ষক বিষয় উপস্থাপন কৰাৰ প্ৰয়াস কৰা হৈছে।

ইংৰাজৰ শাসন কালত ১৮৩৬ -১৮৭৩ চনলৈ ইংৰাজ চৰকাৰে অসমৰ কাৰ্যালয়, আদালত, শিক্ষানুষ্ঠান আদিত বাংলা ভাষা প্ৰৱৰ্তন কৰাত ১৯৫১ চনৰ লোকপিয়লত অসমীয়া ভাষা সংখ্যালঘু ভাষা ৰূপে পৰিগণিত হৈছিল। ভাষাক কেন্দ্ৰ কৰি অসমীয়া জাতীয় জীৱনলৈ যি বিপৰ্যয় নামি আহিছিল তাক মথিমূৰ কৰি অসমীয়া ভাষাৰ মৰ্যদা ৰক্ষা কৰিবলৈ আন্তৰিকতাৰে আগবাঢ়ি আহিছিল চৰ-চাপৰিবাসী মুছলমান সকলে। এওঁলোকৰ ঐকান্তিক প্ৰচেষ্টাৰ বাবেই ১৯৩১-১৯৫১ চনলৈ অসমীয়া ভাষা পুনৰুদ্ধাৰৰ সংগ্ৰামত লিপ্ত হয়। ফলশ্ৰুতিত ১৯৫১ চনৰ লোকপিয়লত অসমীয়া ভাষা সংখ্যাগুৰু ভাষা হিচাপে স্বীকৃতি ঘূৰাই পায়। অসমীয়া ভাষাৰ স্বকীয়তা ৰক্ষা, চৰকাৰী কাৰ্যালয়, আদালত আৰু শিক্ষানুষ্ঠানত অসমীয়া ভাষাৰ প্ৰয়োগ, গাৱেঁ-ভূঁঞে অসমীয়া ভাষাৰ প্ৰসাৰৰ হকে আৰম্ভ হোৱা ১৯৬০ চনৰ ভাষা আন্দোলন আৰু ১৯৭২ চনৰ মাধ্যম আন্দোলনতো সক্ৰিয় ভাৱে অংশ গ্ৰহণ কৰিছিল। ১৯৭২ চনৰ মাধ্যম আন্দোলনত খাৰুপেটীয়াত মোজাম্মিল হকে শ্বহীদ বৰণ কৰিব লগা হৈছিল। সুদীৰ্ঘ দিনৰ পৰাই অসমৰ চৰ-চাপৰিত বসবাস কৰা মুছলমান সকলে অসমীয়া ভাষাকেই মাতৃ ভাষা হিচাপে গ্ৰহণ কৰি আহিছে। ইয়াত কোনো দ্বি-মত নাই।

অসমীয়া ভাষাৰ চৰম বিপৰ্যয়ৰ সময়ত চৰ-চাপৰিবাসী মুছলমান সকলে ভাষাটোৰ মৰ্যাদাৰ হকে যিদৰে আগবাঢ়ি আহিছিল ঠিক তেনেদৰে অসমীয়া সাহিত্যৰ ভঁড়াললৈ ১৯৬০ ৰ দশকৰ পৰাই বিশেষকৈ প্ৰবন্ধ, কবিতা, গল্প, উপন্যাস, জীৱনী-সাহিত্য, নাট্য, সাহিত্য, অনুবাদ, সাহিত্য, সংবাদ সাহিত্যৰ ক্ষেত্ৰত চৰ-চাপৰিবাসী লেখক-লেখিকা সকলে যথেষ্ট অৱদান আগবঢ়াইছে। মোৰ এই নিৱন্ধটিত সবিশেষ দাঙি ধৰাটো হয়তো সম্ভৱ নহব, সকলোৰে পৰিচয় দিবলৈ হ'লে প্ৰবন্ধৰ কলেবৰ অতি দীঘলীয়া হৈ পৰিব। সেয়েহে এই লেখনিৰ জৰিয়তে স্বনামধন্য লেখক সাহিত্যিক

সকলৰহে চমু পৰিচয় দাঙি ধৰিছোঁ। "ষাঠিৰ দশকৰ পৰাই এই সমাজৰ হাতত কাগজ কলম উঠিছে। নাঙলৰ মুঠি ধৰা কঠোৰ হাতেৰে কলম চেপি ধৰিছে।" (ন অসমীয়াৰ সাহিত্য চৰ্চা-এম ইলিমুদ্দিন দেৱান)।

অসমীয়া কাব্য সাহিত্যলৈ অৱদান আগবঢ়োৱা চৰবাসীৰ ভিতৰত এম, ইলিমুদ্দিন দেৱান, ছকিনা খাতুন অন্যতম। খাতুনৰ প্ৰকাশিত কাব্যগ্ৰন্থ হ'ল-শিল্পীৰ ক্ৰন্দন (১৯৭৭), জীৱনৰ পাত (১৯৭৯), মন নিজৰা (১৯৯১) আৰু আম্মাৰ নিশব্দ ক্ৰন্দন। ইৰফানুল হকৰ হৃদয় মৰু, মন কৰবী, জাবেদ আলীৰ বিৰহিনী, কোনেনো বুজিব মোৰ হিয়াৰ বেদনা, আব্দুৰ ৰহমানৰ কোনে মোক ভাল পায়, এবনে ছৈয়েদৰ আৱেগৰ সুৰ, কামৰুজ জামানৰ সূৰ্য সন্ধান, এম মতিউৰ ৰহমানৰ জীৱন জুৰি, এম ইব্ৰাহিম আলীৰ অনুভূতিৰ সফুঁৰা, হেকিম আহমেদৰ অসমৰ ছঁবি, আব্দুল ৰহিম মুস্তাফিৰ নিলগৰ বাঁহী, দেৱান আব্দুল কাদিৰৰ মৰুপথ, খবিৰ আহমেদৰ যেতিয়ালৈকে জীয়াই থকে সূৰ্য, ইছমাইল হুছেইনৰ জীৱন আৰু মানুহ (১৯৯৪), বিজ্ঞাপন (২০০০), হাফিজ আহমেদৰ বাশবাৰীৰ ফজল মিএগ, স্বভাৱ কৱি শহৰ আলী আহমেদ , দেওকুৰাৰ জুলেখা বেগম, হাচিনা আহমেদ, পশ্চিম গোৱালপাৰাৰ শ্বৰিফুল ইছলাম, আসাদুজ জামান, ছাগলীয়াৰ নাজমা বেগম, কয়াকুছিৰ ছিদ্দিকুৰ ৰহমান, চান্দ মামুদ, সোনতলীৰ শ্বামিমা নাছৰিণ, মানকাচৰৰ ফজল হক, হেলেনা মণ্ডল, আখতাৰুল ইছলাম, আন এগৰাকী মাণৱতাবাদী কবি কাছেমা খাতুনৰ লবেজান (১৯৯০) আৰু দুৱাৰ বিচাৰি (১৯৯৪), তোমাৰ বাবে (১৯৯৫), আৰু অনুভূতি (১৯৯৭)। এই গৰাকী কবিৰ কবিতাই অসমীয়া কাব্য সাহিত্য জগতত এক বিশিষ্ট স্থান লাভ কৰিবলৈ সক্ষম হৈছে।

অসমীয়া গল্প সাহিত্যৰ ক্ষেত্ৰতো চৰবাসীৰ গল্পকাৰে যথেষ্ট অৰিহণা যোগাইছে। এওঁলোকৰ ভিতৰত অন্যতম হল- এম ইলিম উদ্দিন দেৱানৰ অসম ছহিদ, ড° অহিজুদ্দিন শ্বেখৰ সুত্ৰধাৰ, নতুন পৃথিৱী, জনজীৱন, বৰলুইতৰ ধাৰ, আঃ ৰহিম, মুস্তাফিৰ পদুম কলি, সোণালী সপোন, ফজলুল হকৰ ভাবসানী চৰৰ গদ্য (২০০০),হাফিজ আহমেদৰ পাৰ, আঃ কুদ্দুছৰ অঞ্জলী আদি। চৰ-চাপৰিৰ জীৱন যাত্ৰাৰ ওপৰত লিখিত এই গল্প সমূহে লিখনিয়ে অসমীয়া গল্প সাহিত্যৰ বিষয় বস্তুৰ পৰিধিও বিস্তৃত কৰি তুলিছে।

চিন্তামূলক প্ৰবন্ধ, আলোচনা, সমালোচনা আদি সাহিত্যৰ দিশতো চৰবাসী লেখক সকলে প্ৰভূত বৰঙনি আগবঢ়াইছে। তেওঁলোকৰ ভিতৰত আন্যতম হল- আব্দুল মান্নান (গুঃ বিঃ) , ইছমাইল হুছেইন (মন্দিয়া), ইছমাইল হুছাইন (কয়াকুছি), ড° ৰেজাউল কৰিম (গুনিয়ালগুৰী), চোহৰাব আলী মণ্ডল (আমবাৰী বাড়েগড়), এম ছফিয়ৰ ৰহমান (ডুবাচুৰী) আমজাদ আলী (পিৰাধৰা), তছিম উদ্দিন আহমেদ (চাপৰ), হজৰত আলী (নায়েৰ আলগা), খবিৰ আহমেদ (বাঘবৰ), আব্দুল খালেক (বৰতাৰী- বৰ্তমান বৰপেটাৰ সংসদ), আনোৱাৰ হুছেইন (জয়পুৰ), ড° অহিজউদ্দিন শ্বেখ, ড° নীল মোহন ৰায়, আবুশামা, আবু হানিফ, জমছেৰ আলী(বিজনী) হাফিজ আহমেদ (কপোহা) মোবাৰক হুছেইন (সোনতলী), বখশী হজৰত আলী আহমেদ (চানমামা) ড° আব্দুছ ছবুৰ (খানখোৱা চৰ ), হাতেম আলী (লেংটিছিঙা), হাসেম আলী হাজৰিকা, শ্বাৰফান আলী, নুৰুল আমীন, আব্দুৰ ৰহিম ভূএগ, মৰহুম তাজ উদ্দিন আহমেদ, শ্বহিদুল ইছলাম, বাহাৰুল ইছলাম, ৰৌশনাৰা খাতুন, কুলছুম আহমেদ, ড° নজিৰুল ইছলাম, কাছেমা খাতুন,

আনোৱাৰ হুছাইন (মন্দিয়া) আদি বহুত লেখকেও বিভিন্ন কাকত-আলেচনীত নানা বিষয়বস্তুলৈ প্ৰবন্ধ ৰচনাত ব্যস্ত আছে।

সম্প্ৰতি চৰ-চপিৰিৰ লেখক সকলে উপন্যাস ৰচনাতো হাত দিছে। নগাঁৱৰ ছামছুল হুদাৰ -হেৰোৱা দিন,ৰাজদ্ৰোহী, কস্তৰী, এজনী নেপালী ছোৱালী, বৰপেটাৰ ছকিনা খাতুনৰ কালজয়ী তৃষ্ণা , বিজনীৰ জমসেৰ আলীৰ-জুইয়ে পোৰা এণ্ডাৰ, পিৰাধৰাৰ আমজাদ আলীৰ-মানাহ নদীৰ ঘাট আদিয়ে এসময়ত সুধীজনৰ সমাদৰ পাইছিল। এই সকল উপন্যাসিকৰ উপন্যাস সমূহত চৰ-চাপৰিৰ জীৱন গাঁথাৰ কথা উদ্ভাসিত হৈছে। চুনাৰীৰ সিৰাজউদ্দিন শিকদাৰৰ-নদীৰ নাম শিয়ালদহ, মমতাজ আলীৰ-দুঃ সময়ৰ মালিতা, চেনিমাৰীৰ আমিৰ খানৰ মন দলিছা আদি উপন্যাসতো চৰ-চাপৰিবাসীৰ বাস্তৱ জীৱনৰ প্ৰতিফলন ঘটিছে। মীনা কুমাৰী মণ্ডলে ৰচনা কৰা 'জীৱন কল্লোল' উপন্যাসত নাৰীবাদী চেতনা প্ৰকাশ পাইছে। চাপৰৰ আব্দুছ ছামাদৰ উপন্যাস 'বৈ যায় চম্পাৱতী' ধন নন্দন প্ৰকাশনে প্ৰকাশ কৰি উলিয়াইছে।

জীৱনী সাহিত্যৰ দিশতো চৰ- চাপৰিৰ লেখক সকলৰ অৱদান মন কৰিবলগীয়া। উজিৰৰচৰৰ এম মজিদ খান ৰচিত জীৱনী আৰু শিশু সাহিত্য মিলি এওঁৰ গ্ৰন্থৰ সংখ্যা একুৰিৰো অধিক। এম. ইলিমুদ্দিন দেৱানৰ মানৱ মুকুট, হজৰত মহম্মদ (ছঃ), মহাকবি ইকবাল ,কাজি নজৰুল ইছলাম , মৌলানা আবুল কালাম আজাদ, আদি জীৱনী গ্ৰন্থ। সেইদৰে কবি ইছমাইল হুছেইন , অধ্যাপকচান্দ মাহমুদ, পাকা বেতবাৰীৰ ডঃ নীল মোহন ৰায়েও বহুতো জীৱনী গ্ৰন্থ ৰচনা কৰি অসমীয়া জীৱনী সাহিত্যৰ ভঁৰাল চহকী কৰিছে।

নাট্য সাহিত্যৰ দিশত চৰ-চাপৰিৰ নাট্যকাৰ সকলে বিশেষ অৰিহণা আগবঢ়াব পৰা নাই। বৰপেটাৰ ইছমাইল হুছেইনৰ 'The imp and the peasants bread'ৰ নাট্য ৰূপটো মন্দিয়া অঞ্চলত মঞ্চস্থ হৈছিল। হাফিজ আহমেদৰ একাংকিকা নাট সুখৰ সংহাৰ, কলগাছিয়াৰ মহছিন আলী খানৰ-মোৰ ভাৰতী মোৰ মা, ভূত আছে ভূত নাই, পঞ্চ আত্মাৰ খেলি-মেলি, পূৰ্ণাংগ নাটক ক্ৰমে বিষবৃক্ষ, ছেৰচাহ, ছায়েদ আলীৰ '৮৩' ৰ বেদনা, নিমিলা অংক, মুক্তি পথ, শপথ, পিৰাধৰাৰ আমজাদ আলীৰ নতুন সমাজ, নীল পৰি, মিজানুৰ ৰহমানৰ-বিদ্ৰোহী নাৰী, শ্বাৰফান আলীৰ-বিক্ৰাবালা, পবিত্ৰ মে দিৱস, সন্ত্ৰাসবাদী কাছাৰপেটীৰ মৰহুম মোকবুল হোছেইনৰ তেজাল ঘোঁৰা, নদীৰ পাৰে আদি সমাজ সচেতন মূলক একাংকীয়া নাট ৰচনা কৰিছে। অনুবাদ সাহিত্যৰ ক্ষেত্ৰতো চৰ-চাপৰিবাসী লেখক সকলে বহুতো মূল্যবান গ্ৰন্থ অসমীয়া ভাষালৈ অনুবাদ কৰিছে।

সংবাদ সাহিত্যলৈ চৰ-চাপৰিবাসীৰ অৱদান মনকৰিবলগীয়া। চৰ-চাপৰিবাসীৰ সাংবাদিক সকলৰ বিষয়ে আলোচনা কৰিবলৈ গ'লে কব লাগিব ইমদাদ উল্লাহ, ইছমাইল হুছাইন (মন্দিয়া), অধ্যাপক আঃ মান্নান, আতোৱাৰ ৰহমান, মেহদী আলম, জমসেৰ আলী বৰা, আব্দুল খালেক (বৰ্তমান সাংসদ), আব্দুৰ ৰহমান, আনোৱাৰ হুছেইন, তাজউদ্দিন আহমেদ, ছাহজাহান তালুকদাৰ, হাফিজ আহমেদ, খবিৰ আহমেদৰ সংবাদ সেৱাৰ কথা। গ্ৰাম্য সাংবাদিকতাৰ কথা কবলৈ গলে বঙাইগাওঁ জিলাৰ আউৱাল মজিদ, আমজাদ আলী, আমজাদ হুছেইন, আব্দুল জলিল, গোৱালপাৰা জিলাৰ মহম্মদ ছাদুল্লাহ, কেৰামত আলী শেখ, আনিছুৰ ৰহমান, আবু তালেব, আব্দুৰ ৰৌফ, পাসান আলী, শ্বৰিফুল ইছলাম উল্লেখ যোগ্য।

বৰপেটা জিলাৰ আব্দুল খালেক (সাংসদ)চাহাবে ১৯৯১ চনত বঙাইগাঁৱৰ পৰা সাপ্তাহিক সোমবাৰ কাকত এখন সম্পাদনা কৰি উলিয়াইছিল। ১৯৯৪ চনত বানাস নামৰ বৰ্তা আলোচনীখনো তেওঁৰ সম্পাদনাত প্ৰকাশ পাইছিল। ইয়াৰ ওপৰিও জিলা খনৰ পৰা হোছৰাব আলী আহমেদ, আতোৱাৰ ৰহমান, আনোৱাৰ হুছেইন, মৌলানা আব্দুল হামিদ, নুৰ মহম্মদ, সামেজ আহমেদ, আলতাব হুছাইন, জাহিদুল ইছলাম, ৰফিকুল ইছলাম আৰু মেছেৰ আলী আহমেদ , নগাওঁ জিলাৰ পৰা আমিনুৰ ৰহমান, মুখলেচুৰ ৰহমান, জিয়াউৰ ৰহমান, নুৰ মহম্মদ সৰকাৰ, ৰফিকুল ইছলাম আৰু বাশাৰ উল্লাহ মুজাদ্দাদী, ধুবুৰী জিলাৰ অহেদুজ জামান, কামাল মোস্তফা, সাজাহান আলী আহমেদ, হজৰত আলী,খাইৰুল জামান আদি ব্যক্তি সকলে সংবাদ সেৱাৰ লগত জড়িত হৈ সাহিত্য-সংস্কৃতিৰ লগতে সামাজিক উত্তৰণত উল্লেখযোগ্য ভূমিকা গ্ৰহন কৰি আছে।

বিভিন্ন জাতি-জনজাতিৰ বাৰে ৰহনীয়া কৃষ্টিৰ সমন্বয়ত সৃষ্টি হোৱা আসমীয়া সংস্কৃতিত অসমৰ চৰ-চাপৰি আঞ্চলৰ অধিবসী সকলৰ এক বিশিষ্ট অৱিহণা আছে। চৰাঞ্চলৰ সমাজ জীৱনৰ লগত পাৰস্পৰিক ভাৱে জড়িত লোকাচাৰ, লোক অনুষ্ঠান সমূহৰ মাজেৰে কৃষি কেন্দ্ৰিক লোকাচাৰ সমূহৰ বিষয়ে ইয়াত এটি সংক্ষিপ্ত আলোচনা আগবঢ়োৱা হৈছে।

চৰ-চাপৰি অঞ্চলত দৈনিন্দন জীৱনৰ বিভিন্ন কামত অতিন্দ্ৰীয় শক্তিৰ আশীষ কামনা কৰি এই গীত গোৱা হয়-

**গছ কটাগীত ঃ-** বাৰ কামনাৰ ভৰবে, তেৰ জুৱানৰ বল - এ হাইয়া বিশ ৰকমৰ নাম ধৰি গছ টানি আমি - এ হইয়া সোনাৰ মতো দেখি ৰূপৰমতো জ্বলে আমাৰ গছ খানিআপোন হইতে আহে-এ হাইয়া

**মাগন গীত ঃ-** অসমীয়া সমাজত মহোহো, এউৰিমগা গীতৰ সৈতে সদৃশ থকা গীত হৈছে চৰ চাপৰি অঞ্চলৰ মাগন গীত।এই গীতবোৰ চৰ-চাপৰিৰ সৰু সৰু লৰাবোৰে দল বান্ধি আঘোণ-পুহ মাহত গৃহস্থৰ ঘৰে ঘৰে গৈ পৰিৱেশন কৰি ধান-চাউল সংগ্ৰহ কৰি পুযুৰা বা সমূহীয়া ভোজ ভাত খায়।

আইলামৰে ভাই উৰিয়া
হাতীৰ কান্ধে চৰিয়া
হাতীৰ কান্ধ লেল-পেল কৰে
নেপা বাগুন গাছে ধৰে
নেপা বাগুন চিনৰ ভাত
আহৰে খায় কৰকৰা ভাত
কৰকৰা ভাত খায়াৰে
শিমল তালা যায়াৰে
শিমল তালা বাঘেৰ ভয়
বাঘা-বাঘি ডাইকা কয়
অ বাঘ তোৰ নাম কি
গৃহস্থ বাৰীৰ টিকনী।।

**ভুলা দাৰৰা বা মহ খেদা গীত ঃ-**চৰ-চাপৰি অঞ্চলত কাতি মাহক অপায় অমংগলৰ মাহ হিচাপে জনশ্ৰুতি মতে বিশ্বাস কৰি আহিছে। বিশেষকৈ কাতি মাহৰ শেষৰ দিনত বেলি ডুবাৰ লগে লগে গাঁৱৰ ল'ৰাইঁতে বাহৰ লাঠিত মৰা পাটৰ খৰি বান্ধি নিজ ঘৰৰ চোতালৰ পৰাই জুই লগাই গাঁৱৰ মুকলি কোনো এক ঠাইত সমবেত হৈ জুইৰ পোহৰেৰে উজলাই তুলি-

'কাতি গেলো
আঘোন আইলো
কৰা পুঠিমাছ দুৱাৰে পহৰৈলো- হুৰ ৰে........

বুলি জয় ধ্বনি দি গাঁৱৰ পৰা মহ বা অপায় অমংগল খেদি পঠোৱা হল বুলি বাহৰ লাঠি আৰু পোৱা খৰিৰ অৱশিষ্ট অংশ মাটিত পুতি থৈ আহে।

**গাস্যি বা গাছ্ কাটা ঃ-** গাস্যি অসমৰ চৰ-চাপৰি অঞ্চলৰ কৃষক সমাজে প্ৰতিবছৰে আহিন আৰু কাতি মাহৰ সংক্ৰান্তিৰ দিনা পালন কৰা এক পৰম্পৰাগত উৎসৱ। উদ্ভিদ ক্ষেত্ৰৰ অপূৰ্ব নিদৰ্শন সমৃদ্ধ এই উৎসৱৰ দিনা ৰাতি পৰিয়ালৰ লোকসকলে দুটালত ভাগ হৈ গছ-গছনি তথা বছৰত ফল-ফুল ধাৰণৰ কামনা কৰি খুহুতিয়া কথাৰে তৰ্ক যুদ্ধত লিপ্ত হয়। শেষত তৰ্ক যুদ্ধ শেষ হলে গছত দা- কুঠাৰ আদিৰে লাহে লাহে কোবাই বাকলি অলপ উঠাই বিৰোধী দলৰ অনুৰোধ মৰ্মে গছ কটা বন্ধ কৰা হয়। এয়াই হৈছে গাস্যি বা গছ কটা উৎসৱ। গাস্যিতে এইদৰে গোৱা হয় -

কাতি মাসেৰ আকালে গছ কাটুমনা আৰ।
গাছেৰ ফল বেচিয়া মাৰবো মাসেৰ ধাৰ।

**জাৰি গীত বা জাৰি গান ঃ-** জাৰি গান চৰ-চাপৰি মুছলমান সমাজৰ এটি জনপ্ৰিয় গীত। জাৰি শব্দৰ অৰ্থ হ'ল কান্দা বা শোক কৰা। প্ৰসংগ ক্ষেত্ৰ আৰু উপলক্ষ অনুসৰি জাৰি গান তিনি প্ৰকাৰৰ। যেনে ঃ- (ক) ভুই নিৰোৱাৰ সময়ত খেতি পথাৰত গোৱা (খ) নাও খেলাত গোৱা আৰু (গ) মহৰম উপলক্ষে গোৱা শোক গাঁথা। জাৰি গানৰ আঁত ধৰাজনক বয়াতি আৰু বয়াতিৰ বচন দোহৰা গায়ক সকলক দোহাৰী বা দোহাৰ বোলে। এনে গীতৰ নমুনা-

'আল্লাহ আল্লাহ বলো বান্দা
নবী কৰো সাৰ,
এই নামেৰে গুৰু কৰি জাৰি যে আমাৰ।'

**ঢেঁকী গীত ঃ-** ঢেঁকীদিয়া গীত চৰ-চাপৰি অঞ্চলত প্ৰচলিত মহিলা সকলৰ এটি জনপ্ৰিয় গীত। ধান বনা, চাউল কঁড়া, পিঠাগুৰী খুন্দা, চিৰা খুন্দা আদি বিভিন্ন কামত একাধিক মহিলাই ঢেঁকীশালত একেলগে কাম কৰে। দেহ-মনৰ অৱসাদ দুৰ কৰি আনন্দৰ মাজেৰে কাম সমাধা কৰাৰ অৰ্থে এই মহিলাসকলে পৰস্পৰৰ মাজত সুখ-দখৰ অনেক ধেমেলীয়া কথা পাতে আৰু এক শ্ৰেণীৰ থলুৱা গীত গায়। এই গীতবোৰকেই ঢেঁকী দিয়া গীত বুলি কোৱা হয়। ঢেঁকী দিয়া গীতৰ নমুনা-

বাৰা বানিতে পাৰবোনা গো
অ সাৰমনি ৰাজা
ৰাজা গুৰিয়া বিয়া কৰো আৰো কে
গুৰিয়া বিয়া কৰলো ও মেঘনাৰ কন্যা
আমাৰ শিংৰীৰ দুভাগ হবে আৰো কে।

**ধুৱাগান ঃ-** ধুৱা গান চৰ অঞ্চলত প্ৰচলিত এবিধ পৰম্পৰাগত গীত। ঘইকৈ আহু খেতিৰ বতৰত চ'ত, বহাগ মাহত আহুধান বা মৰাপাট খেতি পথাৰ নিৰাই দিয়াৰ সময়ত ধুৱা গান বা ধুৱা গীত গায়। ধুৱা গানৰ নমুনা-

শোনোৰে ভাই সকল
বোলে যাই দশেৰ কাছে
কি ভাবে আদম পয়দা
কৈৰাছেন খোদা।
এক দিন ফেৰেস্তাকে
ডাইকা বলে ৰে
তোমৰা আনোৰে
মাটি তুইলা
আপোন হস্থে ছুইনা মাটি
আদম বানাইছে
আদমেৰ জান দিলো ধৰে
আদম যায় জুম্মা ঘৰে
ডাইনে-বয়ে সব ফেৰেস্তা
ছালামো কৰে।
মকৰম তখন কি কাজ কৰে ৰে
আবাৰ পাছ উল্টা দিয়া যায়ৰে
সেই জন্য আল্লাহ তাকে চয়তান বানাইছে.....।।

**গাড়োৱাল গীত ঃ-** চৰ-চাপৰি অঞ্চলত কৃষিজিৱী সমাজত ম'হৰ গাড়ী বা গৰুৰ গাড়ীৰ ভুমিকা

গুৰুত্বপূৰ্ণ। গাড়ী চলোৱা ব্যাক্তিজনৰ সৰল জীৱনক লৈ সৃষ্টি হোৱা লোক গীতবোৰকে গাড়োৱাল গীত বোলা হয়। এই গীতৰ নমুনা-

অকি গাড়ীয়াল ভাই
গাড়ী চালাও ধীৰে
ঐনা দেশেৰ কিনাৰে
আস্তে চালাও গাড়ী
এক নজৰে দেখে যাই
দয়াৰ বাপেৰ বাৰী।।

**নাও খেলা ঃ-** নাও খেলা অসমীয়া সংস্কৃতিৰ এটা প্ৰধান অনুষ্ঠান। কৃষি জীৱি গ্ৰামবাসীয়ে বাৰিষাৰ বতৰত লোক উৎসৱ হিচাপে পালন কৰে। অবিভক্ত কামৰূপ আৰু গোৱালপাৰা জিলাৰ কৃষি কেন্দ্ৰীক অঞ্চল সমূহত অনুষ্ঠিত হোৱা ঐতিহ্য বাহী নাওখেল মনোৰম কৃষ্টি সম্পদ হিচাপে প্ৰদৰ্শিত হৈ আহিছে।

**বাইছালী গীত ঃ-** সময় সুবিধা বুজি চৰাঞ্চলৰ কৃষি জীৱি লোকসকলে নাও খেলৰ আয়োজন কৰে । নাও খেলত গোৱা গীতক বাইছালী গীত বোলা হয়। এই গীতত এজন গীদাল আৰু এজন দোল বাদক থাকে। গীতৰ তালে তালে বাইছাল সকলে বৈ'ঠা মাৰি যায়। গীতৰ নমুনা-

বৈঠা মাৰো বৈঠা মাৰো ৰে
অৰে বাইছাল ভাইয়াৰে
ও কি ছাড়িয়া বৈঠা মাৰিয়া যাইয়ো ৰে
বৈঠাৰো ছাপে-ছাপে সৰ্ব অংগ কাপিলো
সুন্দৰি মাইয়া লো আমাৰ
বন্ধু আমাৰ বৈ'ঠা বায় ৰে
এ কেমন বাইছাল ভাইয়া ৰে
নাও আইগায় আৰ পাইছায় ৰে
ছাৰিয়া বৈ'ঠা মাৰিয়া জাইছ ৰে
বৈঠাৰ মান হাল শাসীৰে
নাও চলে বাতাসে ৰে
ছাৰিয়া বৈঠা মাৰিয়া যাইস ৰে।।

**বিয়া গীত ঃ-**

অসমৰ চৰাঞ্চলৰ মুছলমান সমাজত বিবাহ উৎসৱত অতীজৰে পৰা প্ৰচলিত হৈ আহিছে মহিলা সকলে পৰিৱেশন কৰা এক বিশেষ ধৰণৰ নৃত্য গীত। বাদ্য যন্ত্ৰহীন এই পৰম্পৰাগত নৃত্য গীত পৰিৱেশন কৰাৰ সময়ত কইনাক মাজতে পাটীৰ ওপৰত বহুৱাই লৈ চৌপাশে মহিলা সকলে গীত গাই গাই কাঁহী ঘূৰাই নাচে। গীতৰ নমুনা-

উত্তৰ থাইকা আইলোৰে বিয়া
ঝমকা বাজিয়া
হায়গো ঝমকা বাজিয়া ।
বিবিৰ লাইগা আনছে শিংৰী
নিত্যৰ ওজন দিয়া
হায়গো নিত্যৰ ওজন দিয়া।
বিবিৰ লাইগা আনছে শাৰী
ফুলেতে বাছিয়া
বিবিৰ লাইগা আনছে পাল্কী
ৰঙে ৰং দিয়া
হায়গো ৰংঙে ৰং দিয়া।।

স্মৰ্তব্য যে অসমীয়া সাহিত্যৰ অটাইবোৰ দিশ লৈ বিশেষকৈ প্ৰবন্ধ, কৱিতা, গল্প, উপন্যাস, সংবাদ সাহিত্য-সংস্কৃতিৰ ক্ষেত্ৰত চৰ-চাপৰিবাসী লেখক কবি সকলে যথেষ্ট অৱদান আগবঢ়াইছে।এই প্ৰবন্ধটিত উচচমানৰ বহুতো সাহিত্যিকৰ নাম আনিচ্ছাকৃত ভাৱে বাদ পৰিছে । বিতংভাৱে লিখিব পৰা নহল। তাৰ বাবে ক্ষমা বিচাৰিছোঁ ।○

প্ৰসংগ পুথি ঃ-
১। অসমৰ লোক সংস্কৃতিত পৰম্পৰাগত উৎসৱ অনুষ্ঠান ঃ ধীৰেণ শৰ্মা
২। অসমীয়া ভাষা সাহিত্যলৈ চৰ-চাপৰিবাসী মুছলমানৰ অৱদান ঃ- ছোহৰাব আলী মণ্ডল।
৩। চৰ-চাপৰিবাসীৰ গীত-মাত আৰু সমগীতানুষ্ঠান ঃ- ধ্ৰুৱ কুমাৰ তালুকদাৰ।

# লেংটিছিঙা অঞ্চলত বৃত্তিমূলক শিক্ষাৰ গুৰুত্ব আৰু প্ৰাসংগিকতা



শ্ৰী সুভাষ চন্দ্ৰ সূত্ৰধৰ

বৃত্তিমূলক শিক্ষা এক অতি গুৰুত্বপূৰ্ণ বিষয়। এই শিক্ষাক কৰ্মমুখী, কৰ্মসংস্থাপনমুখী আৰু উৎপাদনমুখী শিক্ষা বুলিও ক'ব পৰা যায়। শিক্ষা ব্যৱস্থাৰ এক বাস্তৱ প্ৰয়োগিক দিশ হ'ল বৃত্তিমুখী শিক্ষা। লেংটিছিঙা অঞ্চলৰ কিছু সুকীয়া বৈশিষ্ঠ থাকিলেও দেশ বা ৰাজ্যৰ পৰা বিচ্ছিন্ন নহয়। সেয়ে লেংটিছিঙা অঞ্চলত বৃত্তিমুলক শিক্ষাৰ বিষয়টো বিচ্ছিন্নভাবে বিচাৰ নকৰি সামগ্ৰিক দৃষ্টিভংগীৰে চোৱা দৰকাৰ।

শিক্ষা, মানৱ জাতিয়ে আদিম যুগৰ পৰা সংগবদ্ধভাবে সংগ্ৰামৰ যোগেদি লাভ কৰি অহা প্ৰকৃতি আৰু সমাজ সম্বন্ধীয় অভিজ্ঞতা আৰু জ্ঞানৰ ফচল। মানুহে শ্ৰম প্ৰয়োগ কৰি প্ৰকৃতিক পৰিবৰ্তন কৰি নিজৰ প্ৰয়োজনীয় সামগ্ৰী উৎপাদন কৰে। মানুহৰ বাচি থকাৰ বাবে প্ৰয়োজনীয় সামগ্ৰীৰ উৎপাদন আৰু পুনঃ উৎপাদন প্ৰক্ৰিয়াৰ যোগেদি অধিকতৰ অভিজ্ঞতা আৰু জ্ঞান লাভ কৰে। গতিকে শিক্ষাৰো বিকাশ ঘটে। সমাজ ব্যৱস্থাৰ বিকাশৰ লগে লগে শিক্ষা আৰু শিক্ষা ব্যৱস্থাৰো বিকাশ ঘটিছে। এই বিকাশমান শিক্ষাই সমাজ ব্যৱস্থাৰ বিকাশৰ ক্ষেত্ৰত মানুহৰ ভূমিকাক অধিকতৰ কাৰ্যকৰ কৰিব পাৰিছে।

শিক্ষাই মানুহক নিজৰ অধিকাৰ আৰু অভাৱ সম্বন্ধে সচেতন কৰে। দেশত বহুতো বিদ্যালয়, কলেজ, বিশ্ববিদ্যালয়, পলিটেক্‌নিক ইঞ্জিনিয়াৰিং কলেজ সহ আৰু আন আন উচ্চ শিক্ষাৰ প্ৰতিষ্ঠান আছে যদিও জনসংখ্যাৰ বিপুলতাৰ নিৰিখত অপ্ৰতুল। জনসংখ্যাৰ এক বুজন সংখ্যক এতিয়াও মাধ্যমিক শিক্ষাৰ সুযোগৰ পৰা বঞ্চিত হৈয়ে আছে। আনহাতে প্ৰচলিত সাধাৰণ শিক্ষা ব্যৱস্থাৰ যোগেদি প্ৰতি বছৰ অসংখ্য ল'ৰা-ছোৱালীয়ে পাছ কৰা চাৰ্টিফিকেট হাতত লৈ কামৰ সুযোগ নাপাই ঘৰত বহি থাকিবলগীয়া হৈছে। এই প্ৰক্ৰিয়াত এক বৃহৎ নিবনুৱা বাহিনীৰ সৃষ্টি হৈছে। আমাৰ দেশৰ সংবিধানৰ প্ৰস্তাৱনাত সকলোৰে বাবে সমান সুযোগৰ কথা লিপিবদ্ধ আছে অথচ প্ৰদত্ত প্ৰতিশ্ৰুতি বাস্তৱায়িত কৰিবলৈ কোনো চৰকাৰেই যথোপযুক্ত কাৰ্যসূচী গ্ৰহণ কৰা নাই।

কেৱল চেতনাৰ সমৃদ্ধ বিকশিত মানুহ সৃষ্টিত শিক্ষাৰ ভূমিকাক আলোকিত কৰিলেই নহ'ব। মানুহৰ জীৱন জীৱিকাৰ সংগ্ৰামত শিক্ষাক হাতিয়াৰ ৰূপে পৰিবৰ্তিত কৰিব লাগিব। সাধাৰণ শিক্ষা ব্যৱস্থাই দেশৰ বৰ্তমান ভয়াবহ বেকাৰ সমস্যাৰ সমাধান কৰিব নোৱাৰে। এই ক্ষেত্ৰত বৃত্তিমূলক শিক্ষা ব্যৱস্থাই কাৰ্যকৰ ভূমিকা পালন কৰিব পাৰে। সম্ভাব্য পেছাগত কামৰ লগত সম্পৰ্কিত শিক্ষাই হৈছে বৃত্তিমূলক শিক্ষা।

আধুনিক বিশ্বত বিজ্ঞান-প্ৰযুক্তিৰ অস্বাভাৱিক বিকাশ ঘটিছে। তাৰ লগে লগে অৰ্থনৈতিক, সমাজিক, সাংস্কৃতিক সেৱা আদি ক্ষেত্ৰবো উন্নয়ন ব্যাপকভাৱে সংঘটিত হৈছে। ফলত কৰ্ম সংস্থাপনৰ সুযোগ তুলনামূলকভাৱে বৃদ্ধি পাইছে। দেশৰো ৰাষ্ট্ৰ ব্যৱস্থাৰ ধৰণৰ ওপৰত সৃষ্টি কৰ্ম সংস্থাপন সুযোগৰ বাস্তৱায়ন বহুলাংশে নিৰ্ভৰ কৰে। বৰ্তমান বিশ্বৰ প্ৰায়ভাগ দেশতেই পুঁজিবাদী ব্যৱস্থা প্ৰচলিত । ফলত চৰকাৰী ব্যৱস্থাৰ পৰিবৰ্তে ব্যক্তিগত খণ্ডৰ উদ্যোগত বৃত্তিমূলক শিক্ষাক কাৰ্যকৰ কৰি নিবনুৱা সমস্যা বহু পৰিমাণে সমাধান কৰিব পাৰিছে। আমাৰ দেশত পুঁজিবাদী উৎপাদন ব্যৱস্থাৰ লগত সামন্তবাদী উৎপাদন ব্যৱস্থা বিদ্যমান। ফলত গ্ৰামাঞ্চলৰ অৰ্থনৈতিক বিকাশ অতি মন্থৰ। কৰ্ম সংস্থাপনৰ সুযোগ সৃষ্টি আৰু তাৰ বাস্তাবায়ণত প্ৰয়োজনীয় ব্যৱস্থা চৰকাৰী কৰ্মসূচীত আশানুৰূপভাৱে নাই। প্ৰাপ্ত তথ্য মতে আমাৰ দেশত যোৱা ৪৫ বছৰৰ ভিতৰত বৰ্তমান নিবনুৱাৰ সংখ্যা সৰ্বাধিক। বাস্তৱ পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত সাধাৰণ শিক্ষাতকৈ বৃত্তিমূলক শিক্ষাৰ গুৰুত্ব বহু পৰিমাণে বৃদ্ধি পাইছে। মনত ৰাখিব লাগিব 'Right to work is equivalent to right to live' গতিকে সাধাৰণ শিক্ষাৰ সমান্তৰালভাৱে স্কুল, কলেজ আদি শিক্ষা প্ৰতিষ্ঠানবোৰত বৃত্তিমূলক শিক্ষা পাঠ্যক্ৰম প্ৰণয়নৰ ওপৰত চৰকাৰে গুৰুত্ব দিব লাগিব।

চৰকাৰী আৰু বেচৰকাৰী খণ্ডৰ বিভিন্ন প্ৰতিষ্ঠানৰ যোগেদি শিক্ষিত যুৱক-যুৱতীক প্ৰশিক্ষণ দিয়া হয় আৰু প্ৰশিক্ষণপ্ৰাপ্ত যুৱক-যুৱতীয়ে নিজৰ লগতে আনকো কামৰ সুযোগ কৰি দিব পৰা হৈছে। কম্পিউটাৰ, ম'বাইল ফোন, পৰিবহনত ব্যৱহৃত যান-বাহন সম্পৰ্কিত কাম-কাজ, টেইল'ৰিং আদিকে ধৰি বিভিন্ন নতুন নতুন ক্ষেত্ৰত প্ৰচুৰ সংখ্যক মানুহ নিয়োজিত হ'ব পৰা হৈছে বৃত্তিমূলক শিক্ষাৰ জৰিয়তে। এইবোৰ ক্ষেত্ৰৰ উপৰিও আৰু নতুন নতুন ক্ষেত্ৰ চিনাক্ত কৰি বৃত্তিমূলক শিক্ষাৰ পৰিধিৰ ভিতৰলৈ আনিব লাগিব। বৃত্তিমূলক শিক্ষাৰ প্ৰয়োগিক ক্ষেত্ৰবোৰো সমস্যা মুক্ত নহয়। দেশৰ সামগ্ৰিক অৰ্থনৈতিক বিকাশৰ ওপৰত বিষয়বোৰ নিৰ্ভৰশীল। কৃষিখণ্ডৰ উন্নয়ন সাধন নকৰাকৈ গ্ৰাম্যঞ্চলত কৰ্মসংস্থান সুযোগ বৃদ্ধি হোৱাটো সম্ভৱ নহয়। গতিকে কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰে গ্ৰামোন্নয়ন, স্ব-নিয়োজন প্ৰকল্প আৰু কৰ্ম দিৱস বৃদ্ধি আদি ক্ষেত্ৰত ধাৰ্য কৰা বাজেটৰ ধনৰ পৰিমাণৰ ওপৰত বিষয়বোৰ নিৰ্ভৰশীল। মানুহৰ চাহিদা বৃদ্ধিৰ ওপৰতো বৃত্তিমূলক শিক্ষাৰ প্ৰসাৰ নিৰ্ভৰ কৰে। গতিকে দেশ এখনৰ বিভিন্ন ক্ষেত্ৰ উন্নয়নৰ লগতে বৃত্তিমূলক শিক্ষাৰ বিকাশ চৰকাৰৰ দৃষ্টিভঙ্গীৰ ওপৰত নিৰ্ভৰ কৰে। সম্পদৰ কেন্দ্ৰীভৱন-ঘণীভৱনৰ সুযোগৰ বিপৰীতে বণ্টনৰ ব্যৱস্থা কৰা, গ্ৰামোন্নয়ন প্ৰকল্পবোৰত বাজেট বৰাদ্দ বৃদ্ধি কৰা আৰু আমোলাতান্ত্ৰিকতাৰ পৰিবৰ্তে উন্নয়নৰ কামত ক্ষমতাৰ বিকেন্দ্ৰীকৰণ কৰা - এইবোৰৰ যোগেদি কৰ্ম সংস্থাপনৰ সুযোগ বৃদ্ধি হ'ব, বজাৰৰ চাহিদা বৃদ্ধি হ'ব আৰু বৃত্তিমূলক শিক্ষাৰ প্ৰসাৰৰ ক্ষেত্ৰত থকা সমস্যা বহুলাংশে দূৰ হ'ব।

লেংটিছিঙা এক বৃহৎ বানবিধ্বস্ত অঞ্চল। ধৰ্মীয় আৰু ভাষিক সংখ্যালঘুলোকৰ বসবাস। সম্প্ৰতি ৰাজ্যিক ঘাইপথ অঞ্চলটোৰ মাজেৰে যোৱাৰ ফলত যোগাযোগ ব্যৱস্থাৰ উল্লেখনীয়ভাৱে উন্নত হৈছে। জনসংখ্যাৰ সৰহভাগেই কৃষিজীৱি। এফালে কৃষি উৎপাদন ব্যায় বৃদ্ধি, আনফালে প্ৰতিবছৰ বানপানীত ক্ষতিগ্ৰস্ত হৈ বহুতেই কৃষি কৰ্ম

ত্যাগ কৰিবলৈ বাধ্য হৈ গাঁৱলীয়া শ্ৰমিকত পৰিণত হৈছে। কৃষি কাৰ্যত কিছু পৰিমানে উন্নত পুঁজিবাদী যান্ত্ৰিক পদ্ধতিও প্ৰচলিত হৈছে। লেংটিছিঙা বজাৰখন এই বৃহৎ অঞ্চলটোৰ বাণিজ্য কেন্দ্ৰত পৰিণত হৈছে। অঞ্চলটোত একমাত্ৰ ক্ষুদ্ৰ শিল্পৰূপে বিড়ি উৎপাদন উদ্যোগটোৱে কিছু সংখ্যক মহিলাৰ কৰ্ম সংস্থাপনৰ সুযোগ কৰি দিছে। অঞ্চলটোত কোনো চৰকাৰী কাৰ্যালয় নাই। নিম্ন প্ৰাথমিক, উচ্চ প্ৰাথমিক, মাধ্যমিক, উচ্চতৰ মাধ্যমিক বিদ্যালয়বোৰৰ উপৰিও মাত্ৰ এখন কলেজ আছে। এইবোৰত অঞলটোৰ বুজন সংখ্যক শিক্ষিত যুৱক-যুৱতীৰ চাকৰি পোৱাৰ নিশ্চয়তা ক্ষীণ। এনে বাস্তৱতাত বৃত্তিমূলক শিক্ষাই অঞ্চলটোত গুৰুত্বপূৰ্ণ ভূমিকা লব পাৰে যদিও বিষয়টো তেনেই সহজ নহয়। ৰাজ্যখনত (Vocational) প্ৰবৰ্ত্তন কৰা স্কুল আৰু কলেজৰ সংখ্যা তেনেই তাকৰ। অঞ্চলটোত মাত্ৰ এখন উচ্চতৰ মাধ্যমিক বিদ্যালয়ত উক্ত পাঠ্যক্ৰম পঢ়োৱা হয়। গতিকে উচ্চতৰ মাধ্যমিক, কলেজীয়া ছাত্ৰ-ছাত্ৰী, শিক্ষিত যুৱক-যুৱতীকে ধৰি ৰাইজৰ মাজত 'বৃত্তিমূলক শিক্ষা' ৰ হকে অঞ্চলটোত (Vocational Education) ৰ প্ৰশিক্ষণ কেন্দ্ৰ গঢ়ি তোলাৰ দাবী গণ চেতনাৰ কাৰ্যসূচী লোৱা দৰকাৰ। কৃষিক্ষেত্ৰত উন্নত পদ্ধতিত নতুন নতুন শস্য উৎপাদন, শাক-পাচলি তথা ফুলৰ খেতিৰ প্ৰচুৰ সম্ভৱনা অঞ্চলটোত আছে। তাৰোপৰি মৎস্য উৎপাদন, হাঁহ-মুৰ্গী পালন, দুগ্ধ উৎপাদন আদিতো বৃত্তিমূলক শিক্ষাৰ প্ৰয়োজনীয়তা আছে। তাৰোপৰি কম্পিউটাৰ, টেইল'ৰিং, ম'বাইল ফোন, ইণ্টাৰনেট, বৈদ্যুতিক সৰঞ্জামৰ ব্যৱহাৰ, যান-বাহনৰ যন্ত্ৰাংশৰ মেৰামতি আদিৰ দৰে বিষয়বোৰৰ ওপৰত যুৱক-যুৱতীক প্ৰশিক্ষণ দিয়াৰ বাবে দক্ষ প্ৰশিক্ষক নিয়োগ কৰিব লাগিব আৰু তাৰ দ্বাৰা বহুতো কৰ্মসংস্থাপনৰ ব্যৱস্থা কৰিব পৰা যাব।

সৰ্বোপৰি যেতিয়ালৈ কামৰ অধিকাৰক আমাৰ দেশৰ সংবিধানত মৌলিক অধিকাৰৰূপে গ্ৰহণ কৰা নহ'ব, তেতিয়ালৈকে দেশৰ অন্যান্য অংশৰ লগতে এই অঞ্চলত বৃত্তিমূলক শিক্ষাৰ গুৰুত্ব আৰু প্ৰাসংগিকতা থাকি যাব।। ○

(লেখক শ্ৰী সুভাষ চন্দ্ৰ সূত্ৰধৰ লেংটিছিঙাৰ বাসিন্দা। তেখেত বৰ্তমান ভাওৰাগুৰী বিন্নাখাতা উঃ মাঃ বিদ্যালয়ৰ বিজ্ঞানাগাৰ প্ৰদৰ্শক হিচাপে কৰ্মৰত)

# বঙালী সমাজৰ 'পন' (যৌতুক) ব্যৱস্থা ঃ এটি বিশ্লেষণ



লক্ষ্মী সাহা
স্নাতক দ্বিতীয় ষাণ্মাষিক

বহু দিন আগৰে পৰা বিয়া বাৰুৰ ক্ষেত্ৰত আমাৰ সমাজত চলি অহা এটি প্ৰথা হৈছে 'পণ' অৰ্থাৎযৌতুক ব্যৱস্থা। আজিৰ পৰা সত্তৰ/আশী/নব্বৈ বছৰ আগত আমাৰ সমাজত অৰ্থাৎ বাংলাভাষী হিন্দু সমাজৰ লগতে মুছলমান সমাজতো পণ ব্যৱস্থা আছিল। সেই ব্যৱস্থাত দৰাই (পুৰুষ) বিয়া কৰাৰ সময়ত কইনাৰ ঘৰখনক যৌতুক হিচাপে বস্তু, সামগ্ৰী বা বিনা পাৰিশ্ৰমিকত শৰীৰিক কাম (গেবাৰি খটা) কৰি দিব লাগিছিল।

সময়ৰ পৰিবৰ্তনৰ লগে লগে এই পণ প্ৰথাৰ ব্যাপক ৰূপান্তৰ হয়। দৰা পক্ষৰ পৰিবৰ্তে কইনা পক্ষইহে পণ দিয়াৰ নিয়ম প্ৰচলন হয়। যাক বৰ্তমান সময়ত যৌতুক বুলি কোৱা হয়। যৌতুক প্ৰথাৰ ব্যাপক প্ৰচলনৰ ফলস্বৰূপে সমাজ তথা পাৰিবাৰিক জীৱনত যি নেতিবাচক প্ৰভাৱ পৰিছে, সেয়া সৰ্বক্ষণত উপলব্ধ হৈ আহিছে।

অসমৰ বঙালী হিন্দু সমাজখন অতি ভাল, সুন্দৰ সমাজ। ইয়াত সণাতন ধৰ্মৰ ৰীতি-নীতি, পৰম্পৰা আদিয়ে মানুহৰ মাজত বিভেদ আঁতৰাই শান্তি, ভাতৃত্ব আৰু ঐক্যৰ বান্ধোন কটকটীয়া কৰে। আমাৰ সমাজখনে অতি সহজে আনক আত্মীয় কৰি ল'ব পাৰে। এনে এখন ভাল সমাজত এটা ভয়ানক কু-প্ৰথা সোমাই আছে। এই প্ৰথাটো কৰ পৰা কেনেকৈ আহি থিতাপি ললে, সেয়া আমাৰ বাবে বোধগম্য নহয়। কিন্তু এই প্ৰথাই যে আমাৰ সমাজখনৰ গুণ-গৰিমা ম্লান কৰিছে, সেয়া অস্বীকাৰ কৰাৰ সাধ্য কাৰোৰে নাই। সেই ভয়ানক কু-প্ৰথাটো হৈছে যৌতুক প্ৰথা, যাৰ সৰ্বগ্ৰাসী ধ্বংসাত্মক ৰূপৰ কথা সকলোৰে জানে। আমাৰ সমাজখনত চলি অহা এনে যৌতুক জনিত ব্যাধিৰ বাবে বহুতৰে ছোৱালী উপযুক্ত সময়ত বিয়া-বাৰু দিয়াত সমস্যা সৃষ্টি হৈছে। বিয়া এখন বন্দোবস্ত কৰাৰ আগতেই ঘটকৰ জৰিয়তে যৌতুক (টকা, সম্পদ, আচবাব, গহনা পাতি) সম্পৰ্কে দৰাঘৰক এটা সম্যক ধাৰণা দিয়া হয়। সেই ধাৰণাৰ লগত এইবাৰ দৰ-দাম চলে, কি কি দিব লাগিব, ইত্যাদি সম্পৰ্কে। এই ক্ষেত্ৰত কইনাঘৰৰ পছন্দ-অপছন্দ, সামৰ্থ আদি গৌণ হৈ পৰে। সকলোৰে এইদৰে কোৱা শুনা যায় যে ছোৱালী আছে যেতিয়া, বিয়তো দিবই লাগিব। গতিকে খৰচৰ কথা চিন্তা কৰিলে হব নেকি? কিছুমানে আকৌ কয় বেটি জন্ম দিছা যেতিয়া টকা যোগাৰ কৰিবই লাগিব। অৰ্থাৎ বেটী জন্ম দিয়াটো যেন কাৰোবাৰ ইচ্ছাৰ ওপৰতহে নিৰ্ভৰ কৰে, নাইবা বেটী জন্ম হোৱাটো যেন পাপ অথবা অভিশাপহে।

বিয়া-বৰুৰ সময়ত কইনা চাবলৈ যোৱা মানুহবোৰে এনেকৈ প্ৰশ্ন কৰে বা চায় যেন তেওঁলোকে হাট বজাৰত গৰু ছাগলীহে কিনিব আহিছে। তেওঁলোকে তেতিয়া নিজৰ ছোৱালী বা ভাই-ভনীৰ কথা চিন্তাই কৰিব নোৱাৰে। তেওঁলোকৰ হয়তো ধ্যান ধাৰণা এটাই আমি দৰা ঘৰীয়া। আমাৰ কথামতেই সকলো হ'ব লাগিব।

বিয়া বন্দোবস্তি হোৱাৰ পিছতো দেখা যায় বিয়া ঘৰত আহি দৰাপক্ষক প্ৰথমতে ঠিক-ঠাক কৰি থোৱা মতে যৌতুক সমূহ নগদ বুজাই দিব লাগে। তাতে অলপমান কম-বেছি হ'লে কথা বিষম হোৱা দেখা যায়। আনকি বিয়াৰ আসনৰ পৰা দৰা উঠি যোৱাৰো বহুত নজিৰ আছে। এনে পৰিস্থিতিত আপুনিয়ে ভাৱকচোন ছোৱালী ঘৰৰ লগতে ছোৱালীজনীৰ অৱস্থা কেনে হ'ব পাৰে? অকণমান ভাৱকচোন, সেই ছোৱালী জনীৰ আপুনি দেউতা হোৱা হ'লে আপোনাৰ কেনে অৱস্থা হ'ব।

এইখিনিতে সদাশয় ৰাইজৰ জ্ঞাতাৰ্থে জনাওঁ যে যৌতুকৰ সমস্যাটো আলোচনা কৰোতে হিন্দু সমাজখনৰ কথা উল্লেখ কৰাৰ দুটামান কাৰণ আছে (১) এইখন সমাজত যৌতুকৰ সমস্যাটো অন্য সামাজিক গোট সমূহৰ তুলনাত যথেষ্ট বেছি। বঙালী হিন্দু সমাজত ছোৱালী বিয়া দিওঁতে অভিভাৱকে ত্ৰাহি মধুসুধন সুঁৱৰিব লগা হয়। (২) আমাৰ অন্যান্য জাতি-সম্প্ৰদায়ৰ মাজত এই সমস্যাটোলৈ যিমান আলোচনা-বিলোচনা কৰা হয় বা সমাধানৰ কাৰণে কাম কৰা হয়, তাৰ তুলনাত আমাৰ সমাজখনত এইটো বিষয়ত সজাগতা মুঠেই নাই।

মূলতঃ এই দুটা কাৰণত এই বিয়াটো উপস্থাপন কৰিছো। লগতে মই সৰু মানুহ। অন্যান্য সমাজ সম্পৰ্কতো মোৰ বৰ বেছি ধাৰণা নাই। গতিকে মোৰ চিন্তাধাৰাই ঢুকি পোৱাকৈ ওপৰোক্ত কথাখিনি কোৱা হৈছে। আশা কৰো আমাৰ সচেতন ব্যক্তি সকলে বিষয়টোৰ গুৰুত্ব অনুভৱ কৰি সমাজৰ ব্যাধিস্বৰূপ এই সমস্যাটো সমাধানৰ কাৰণে আগভাগ ল'ব। বঙালী হিন্দু সমাজৰ পৰাই আৰম্ভ হওঁক যৌতুক প্ৰথা বিলোপৰ কাৰ্যকৰী পদক্ষেপ। সেই পদক্ষেপ আমাৰ লেংটিছিঙাৰ পৰা সচেতন শিক্ষিত ব্যক্তিসকলে আৰম্ভ কৰি সমগ্ৰ অসম তথা ভাৰতৰ কাৰণে এক দৃষ্টান্ত স্থাপন কৰক, তাকেই কামনা কৰিছো। ১৯২৯ চনত পশ্চিম বংগৰ ৰাজা ৰামমোহন ৰায়, ঈশ্বৰ চন্দ্ৰ বিদ্যা সাগৰ, স্বামী বিবেকানন্দ আদি মনিষী সকলেপূৰ্বৰে পৰা চলি অহা সামাজিক তথা ধৰ্মীয় পৰম্পৰা যেনে বাল্য বিবাহ, সতীদাহ প্ৰথা বন্ধ কৰা, বিধবা বিবাহৰ পুণৰ প্ৰচলন কৰা আদি কামবোৰ শত-সহস্ৰ বাধাৰ মাজতো যদি কৰিব পাৰিছে, তেন্তে যৌতুকৰ দৰে সৰ্বজন ঘৃণীত ব্যৱস্থা এটা বন্ধ কৰিবলৈ কোনোবাই আগভাগ ললে, সি নিশ্চয় সকলোৰে বাবে আদৰণীয় আদৰ্শ স্বৰূপ হ'ব।

সামৰণিত কওঁ যে মই লেখা-মেলা কৰিব নাজানো। চিন্তা-চৰ্চাও একেবাৰে সীমিত। কিন্তু আমাৰ কলেজৰ ৰাজনীতি বিজ্ঞান বিভাগৰ শ্ৰদ্ধাৰ ছবুৰ ছাৰৰ উৎসাহ-উদ্দীপনা আৰু তাগিদাত পৰি কি লিখিলো, সেয়া হয়তো মই নিজেই ভালদৰে নাজানো। তথাপিও ছবুৰ ছাৰৰ সন্মান ৰক্ষাৰ কাৰণে কিবা এটা লিখিলো। ভুল হলে ক্ষমা কৰিব। লগতে যৌতুক প্ৰথা বিলোপ হওঁক, যৌতুক প্ৰথা নিপাত যা হওঁক, ল'ৰা আৰু ছোৱালীক সমান মৰ্যদা দিয়ক, এই কামনা কৰি মোৰ লিখনি ইয়াতে সামৰিলোঁ।

# জীৱন বৃক্ষৰ দৰে ধৈৰ্য্যশীল হ'ব লগে



ইকবাল হুছ্ছইন
সাধাৰণ সম্পাদক, ছাত্ৰ একতা সভা, ২০১৯-২০

মানুহৰ ধৈৰ্য শক্তি কম। কম ধৈৰ্যশীল হোৱা বাবেই জীৱনলৈ বহু সময়ত অশান্তি আৰু বিপদ নামি আহে। পৃথিৱীত জীয়াই থাকিবলৈ হ'লে কেতিয়াবা সুখ আৰু দুখৰ সন্মুখীন হ'ব লাগে। মানুহৰ জীৱন উদ্ভিদ এজোপাৰ দৰে হ'ব লাগে। উদ্ভিদ এজোপাই থিয় হ'বলৈ মাটিৰ গৰ্ভ ফালি শিপাৰে বান্ধে। ইয়াৰ পিছত জীৱন ধাৰণৰ বাবে মুক্ত আকাশৰ বুকুত ডাল পাতৰ উদ্যোগ পাতে। মানুহক ছাঁ দিয়ে, ফল দিয়ে উশাহ লৈ জীয়াই থকিব পৰা অ£জেন গেছ দিয়ে। এই বৃক্ষৰ আছে অপৰিসীম ধৈৰ্য্য। যি ধৈৰ্য্য অতুলনীয়। আমাৰ জীৱনটোও তেনে হব লাগে। সহনশীলতা, ধৈৰ্য আৰু নৈতিকতাৰে পৰিপূৰ্ণ। প্ৰকৃতিৰ আদৰ্শৰে জীৱনৰ আদৰ্শ গঢ়িব পাৰিলে জীৱন মহান হ'বই। তেনে জীৱন হ'ব সুন্দৰ আৰু উপভোগ্য। নগ্নতাই নিজক হত্যা কৰে। জীৱনক বৰ সহজতে আৱৰি ধৰে। বিষন্নতাৰে ভৰা জীৱনটো এক ৰণক্ষেত্ৰ। এই ৰণক্ষেত্ৰৰ বাট বুলোতে সমগ্ৰ শক্তি প্ৰয়োগ কৰে, আহৰণ কৰে জ্ঞান। একাগ্ৰতা জ্ঞান আৰু উপলব্ধিৰে মানুহে জুখিব খোজে জীৱনৰ অৰ্থ, প্ৰাপ্তিৰ পৰিসীমা। জীৱনৰ প্ৰকাশ ঘটে কৰ্মৰে। সেই বাবে কৰ্ম সৎ আৰু সুন্দৰ হ'ব লাগে। প্ৰবল আত্ম বিশ্বাসেৰে লক্ষ্য স্থিৰ কৰি কাম কৰিব লাগে। কাম কৰিলেহে জীৱনত সফলতাৰ এভাৰেষ্টত আৰোহণ কৰিব পাৰে। ○

"Get back back to the past and make your future"

"গতিকে জীৱনৰ প্ৰেমত পৰা, সেই জীৱনে তোমাক ইতিহাসৰ উপহাৰ দিব।"

# আমাৰ মহাবিদ্যালয়, আমাৰ গৌৰৱ



শ্বাবানা আকতাৰ
স্নাতক, চতুৰ্থ ষন্মাষিক

আমাৰ মহাবিদ্যালয়খনৰ নাম 'ৰাজীৱ গান্ধী মেম'ৰিয়েল কলেজ।' ১৯৯২ চনত প্ৰতিষ্ঠিত এই মহাবিদ্যালয়খনৰ নামৰ মাজতেই ইয়াৰ মহত্ব জড়িত হৈ আছে। ভাৰতৰ সপ্তম গৰাকী প্ৰধানমন্ত্ৰী স্বৰ্গীয় ৰাজীৱ গান্ধী মহাশয়ৰ নামত নামাকৰণ কৰাৰ মাজতে সেই মহত্ব নিহিত হৈ আছে।

ৰাজীৱ গান্ধী তেওঁৰ জীৱনৰ আদি কালছোৱাত ভাৰতৰ ৰাজনৈতিক পথাৰখনৰ লগত জড়িত হোৱা নাছিল। কিন্তু ঘটনাক্ৰমে তেখেতৰ মাতৃ ইন্দিৰা গান্ধীক আকস্মিক ভাৱে দুষ্কৃতিকাৰীয়ে হত্যা কৰাত কংগ্ৰেছ দল আৰু ভাৰতৰ কৌটি কৌটি জনতাৰ আহ্বানত ১৯৮৪ চনত ৰাজীৱ গান্ধীয়ে বৈমানিকৰ পৰা প্ৰধানমন্ত্ৰীৰ আসনত অধিষ্ঠিত হয়। প্ৰধানমন্ত্ৰী হিচাপে ৰাজীৱ গান্ধী কিমানদূৰ সফল হ'ব বা তেখেতে সঠিকভাৱে দেশ তথা দলক নেতৃত্ব দিব পাৰিবনে নে, নাই এই লৈ জল্পনা-কল্পনা, সংশয় সমালোচনা চলি থকাৰ মাজতে ৰাজীৱ গান্ধীয়ে ভাৰতৰ কাৰণে কেইটামান উল্লেখযোগ্য কাৰ্য সফলভাৱে সম্পাদন কৰি সমালোচকৰ মুখ বন্ধ কৰিবলৈ সক্ষম হৈছিল। দেশ-বিদেশৰ পৰা অৰ্জন কৰিছিল প্ৰশংসা আৰু সন্মান।

আধুনিক ভাৰতবৰ্ষৰ উন্নয়নৰ জয়যাত্ৰা অব্যাহত ৰাখিবলৈ হ'লে তথ্য-প্ৰযুক্তিৰ ক্ষেত্ৰত যে আগবাঢ়ি যাব লাগিব সেই কথা ৰাজীৱ গান্ধীদেৱে খুউব ভালকৈ অনুধাবন কৰিব পাৰিছিল। সেই কাৰণে তেখেতে দেশৰ চুকে-কোনে তথ্য-প্ৰযুক্তি সেৱা, কম্পিউটাৰৰ ব্যৱহাৰ, টেলিকম ক্ষেত্ৰৰ ব্যাপক সংস্কাৰ সাধন কৰাৰ লগতে বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ অধ্যয়ন তথা গৱেষণাত উৎসাহ উদ্দীপনা সৃষ্টি কৰিছিল। তেখেতৰ ঐকান্তিক প্ৰচেষ্টাত - 'ৰাষ্ট্ৰীয় শিক্ষানীতি (১৯৮৬) প্ৰস্তুত কৰা হৈছিল। ১৯৮৭ চনত চাম পিট্ৰোডা'ৰ সহযোগত টেলিকমিউনিকেচনচ'ৰ ক্ষেত্ৰত উন্নতি সাধনৰ কাৰণে ছয়টা ক্ষেত্ৰ বাছনি কৰিছিল। সেইবোৰ হ'ল - জল সৰবৰাহ, শিক্ষা বিস্তাৰ, পুষ্টি, দুগ্ধ উৎপাদন, তৈল বীজ ইত্যাদি। প্ৰয়াত গান্ধীৰ প্ৰচেষ্টাত গাঁৱে-ভূঁৱে, চহৰে-নগৰে PCO গঢ়ি তোলা, ৰেলৰ টিকট সংৰক্ষণৰ কাৰণে কম্পিউটাৰ প্ৰযুক্তি ব্যৱহাৰ, ভোটাৰ বয়স ২১ বছৰৰ পৰা ১৮ বছৰলৈ হ্ৰাস কৰা ইত্যাদি।

ভাৰতবৰ্ষত টেলিকম ক্ষেত্ৰত ৰাজীৱ গান্ধীদেৱে যি অভূতপূৰ্ব সংস্কাৰ সাধন কৰিছিল, তাৰ কাৰণে তেখেতক "Father of Information Technology and Telecom Revolution of India বুলি কোৱা হয়। ৰাজীৱ গান্ধী আমাৰ দেশখনক নেতৃত্ব দিয়াৰ সময়ত সদায়ে

কৈছিল " India is an old country but a young nation .... I am young and I too have a dream, I dream of India strong, Independent, Self-Reliant and in the front rank of the nations of the world, in the service of mankind." তেখেতৰ সেই উদ্দীপ্ত ভাষণে সমগ্র দেশৰ যুৱ শক্তিক অনুপ্রাণিত কৰিছিল। ধৰ্মীয় মেৰু বিভাজনৰ পৰা তথ্য-প্ৰযুক্তি, শিক্ষা, স্বাস্থ্য, কৃষি, ইত্যাদি সৰ্বত্ৰে নৱ-জাগৰণৰ সূচনা হৈছিল। সেই কাৰণে তেখেতক Architect of Digital India বুলি কোৱা হয়। কিন্তু দুৰ্ভাগ্যৰ কথা যে আজিৰ শাসকগোষ্ঠীয়ে এহাতে ডিজিটেল ইণ্ডিয়াৰ কথা কয়, আনহাতে তেওঁলোকে প্ৰাচীন ধ্যান-ধাৰণা, ধৰ্মান্ধতাৰ সহায় নোলোৱাকৈ শাসন পৰিচালনা কৰিবলৈ অপাৰগ। সমাজখনক ভাগ ভাগ কৰা এই সকলৰ সৈতে ৰাজীৱ গান্ধীৰ চিন্তা-চৰ্চা, কৰ্ম পদ্ধতিৰ যে আকাশ-পাতাল পাৰ্থক্য আছে, সেয়া দিনৰ পোহৰৰ দৰেই সত্য।

ৰাজীৱ গান্ধী মহাশয়ৰ এনে ধৰণৰ গুণ-গৰিমা দেশ-বিদেশত প্ৰচুৰ প্ৰশংসা বুটলিবলৈ সক্ষম হৈছিল। তেখেতৰ সম্পৰ্কত ব্ৰিটিছ প্ৰধানমন্ত্ৰী জন মেজৰে কৈছিল " He (Rajiv Gandhi) was a very brave man, a man of very rare Qualities" এনে এজন সৰ্বগুণাকৰ প্ৰধানমন্ত্ৰীক আততায়ীয়ে হত্যা কৰাৰ পিছতেই নিউজিলেণ্ডৰ প্ৰধানমন্ত্ৰী জিম বল্গাৰে কৈছিল " It's a tragedy for India and a tragedy for democracy" এই ছেগতে তেখেতৰ প্ৰতি আমি কলেজ পৰিয়ালৰ তৰফৰ পৰা জনালোঁ স-শ্ৰদ্ধ প্ৰণাম।

আমাৰ লগতে বৃহত্তৰ লেংটিছিঙাবাসীৰ সৌভাগ্য যে তেনে এজন মহান ব্যক্তি ভাৰতৰত্ন ৰাজীৱ গান্ধীৰ নামেৰে নামাংকিত এখন মহাবিদ্যালয়ত আমি অধ্যয়ণ কৰাৰ সুযোগ পাইছো। আমাৰ গৌৰৱ আমাৰ মহাবিদ্যালয়খন। লগতে আমাৰ মহাবিদ্যালয়খনত যিসকল শিক্ষাগুৰুৱে পাঠদান কৰি আছে, তেখেতসকলেও যথেষ্ট ত্যাগ আৰু কষ্ট স্বীকাৰ কৰি জ্ঞানৰ প্ৰদীপ জ্বলাই ৰাখিব পাৰিছে। পোনতে আমাৰ এইখন মহাবিদ্যালয়ৰ শিক্ষাগুৰু তথা কৰ্মচাৰী সকলে প্ৰায় ২০ বছৰ কাল বিনা পাৰিশ্ৰমিকতে শিক্ষাদান কৰি পেটত গামোচা বান্ধি হ'লেও এই অঞ্চলৰ দুখীয়া নিচলা ছাত্ৰ-ছাত্ৰীৰ মাজত জ্ঞানৰ আকৰ বিলাইছিল। সেইসকল শিক্ষক কৰ্মচাৰীৰ মাজৰে একাংশৰ চাকৰি ২০১৩ চনৰ পৰা প্ৰাদেশীকৰণ হ'ল যদিও আন বহু সংখ্যক শিক্ষাগুৰুৰ চাকৰি এতিয়াও প্ৰাদেশীকৰণ হোৱা নাই। তৎস্বত্ত্বেও তেখেতসকলে বিচলিত নহৈ শিক্ষাদানৰ দৰে যি মহান দায়িত্ব পালন কৰি আছে, সেয়া কম কথা নহয়। আমি এইসকল শিক্ষাগুৰুকলৈয়ো গৌৰৱ কৰোঁ।

আমাৰ মহাবিদ্যালয়খনৰ সমস্যা বহুত আছে। তাৰে ভিতৰত প্ৰধান সমস্যা সমূহ হৈছে ঃ-

১) অধিকাংশ শিক্ষকৰ পদ প্ৰাদেশীকৰণ নোহোৱাকৈ থকা।
২) ছাত্ৰ-ছাত্ৰীৰ কাৰণে ভাল জিৰণী কোঠাৰ অভাৱ।
৩) খেল-ধেমালিৰ পৰ্যাপ্ত সুবিধাৰ অভাৱ।
৪) বিজ্ঞান সন্মত গ্ৰন্থাগাৰৰ অভাৱ।
৫) বাহন ৰখা ঠাই (Cycle Stand) ৰ অভাৱ।
৬) কেণ্টিনৰ দুৰাৱস্থা।

৭) বিজুলি পাংখাৰ পৰ্যাপ্ত সুবিধা নথকা।
৮) কম্পিউটাৰ লে'বৰ অভাৱ। ইত্যাদি, ইত্যাদি।

এনেবোৰ অভাৱ-অভিযোগ থকা স্বত্বেও লেংটিছিঙাৰ দৰে এখন পিছপৰা অঞ্চলত আমাৰ মহাবিদ্যালয়খনৰ শিক্ষাগুৰু তথা কৰ্মচাৰীসকলে সীমিত সম্পদেৰে যি আদৰ্শ দেখুৱাই আছে, তাৰ বাবে আমি গৌৰৱ অনুভৱ কৰোঁ। বিদ্যা-শিক্ষাৰ লগতে আমাক লিখা-মেলা কৰাৰ কাৰণে তাগিদা দিয়া বহিঃ জগতৰ লগত সম্পৰ্কে স্থাপনৰ কাৰণে বাতৰি কাকত, আলোচনী আদি পঢ়া, সমাজ সেৱাৰ কাৰণে উদগণি দিয়া শিক্ষকো আমাৰ মহাবিদ্যালয়খনত আছে। তেখেতসকলৰ কাৰণে আমাৰ গৌৰৱ কৰিবৰ থল বিচাৰি পাওঁ।

সামৰণিত ক'ব বিচাৰিছোঁ যে, ওপৰত উল্যেখ কৰা অভাৱ সমূহ পূৰণ কৰিব পাৰিলে, নিশ্চয়কৈ আমাৰ মহাবিদ্যালয়খন জাকত জিলিকা হ'ব। সম্পূৰ্ণ হ'ব বাইজৰ আশা-আকাংখা। তাৰ কাৰণে আমাৰ সন্মানীয় চৰকাৰ, কৰ্তৃপক্ষ তথা এই অঞ্চলৰ সদাশয় ব্যক্তি সকল আগবাঢ়ি আহিব লাগিব। চৰকাৰে যেনেদৰে বিত্তীয় অনুদান আগবঢ়াব পাৰে, তদ্ৰুপ ৰাইজেও ব্যক্তিগতভাৱে নিজৰ নামত বা পিতৃ-মাতৃৰ নামত কিবা নহয় কিবা এটা সম্পদ আগবঢ়াই সেই কাম কৰিব পাৰে। আমাৰ সমাজত তেনে দানবীৰৰ হয়তো অভাৱ নহ'ব। অনাগত দিনত আমি তেখেতসকলক লৈয়ো যাতে গৌৰৱ কৰিব পাৰো, সেই সুবিধাকণ আমাক ৰাইজে দিয়ে যেন। ○



*কেমেৰাৰ লেন্সত লেংটিছিঙা-বৰতাৰী সংযোগী ৰাজ্যিক ঘাই পথৰ মানাহ নদীৰ ওপৰৰ কংক্ৰিটৰ দলং।*



*কেমেৰাৰ লেন্সত মান-আহোমৰ শেষ যুদ্ধৰ সাক্ষী হাদিৰাচকীৰ ওচৰৰ ফুলবা-চতলাখাত মানাহ আৰু ব্ৰহ্মপুত্ৰৰ সংগমস্থলৰ সেই বিখ্যাত শিলাখণ্ড*



*কেমেৰাৰ লেন্সত নসত্ৰ ছিনিয়ৰ মাদ্ৰাছা, নসত্ৰ*



*কেমেৰাৰ লেন্সত মেৰেৰচৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়*

# অবিভক্ত গোৱালপাৰা জিলাৰ চৰ অঞ্চলত প্ৰচলিত লোকগীত ঃ এটি আলোচনা



ড° বন্দনা কলিতা

লোকগীত সহজ-সৰল চহা প্ৰাণৰ আবেগ-অনুভূতিৰ স্বতঃস্ফূৰ্ত প্ৰকাশ। ব্যক্তিমনৰ অনাবিল আনন্দ নাইবা হিয়াভৰা কাৰুণ্যৰ বহিঃপ্ৰকাশতে লোকগীতৰ সৃষ্টি। নিৰক্ষৰ চহা কবিসকলৰ মৌখিক সৃষ্টি এই গীতবোৰ মানুহৰ মুখে মুখে বাগৰি যুগে যুগে প্ৰচলিত হৈ আহোঁতে এইবোৰে বিভিন্ন যুগৰ সমাজৰ বিভিন্ন চিত্ৰ কঢ়িয়াই আনে। সেয়ে লোকগীতবোৰ বিভিন্ন সমাজৰ আচাৰ-বিচাৰ, ধৰম-কৰম, ৰীতি-নীতি সমাজ ব্যৱস্থাৰ উপৰি সমাজৰ অৰ্থনীতি, ৰাজনীতি আদিৰো আংশিক ইতিহাস হিচাবে পণ্ডিতৰ দৃষ্টিত ধৰা পৰে। এনে কাৰণতে লোকসাহিত্যৰ বিচাৰত লোকগীতবোৰৰ মূল্য সৰ্ব্বাধিক বুলি বিবেচিত হৈ আহিছে।

অসমীয়া লোকগীতৰ পথাৰখনত গোৱালপৰীয়া লোকগীতৰ এক সুকীয়া বৈশিষ্ট্য আছে। গোৱালপৰীয়া লোকগীতৰ সুৰৰ বিশেষত্বই গীতবোৰক স্বকীয় মৰ্যদা দিছে।

চৰ-চাপৰিৰ জনসাধাৰণৰ মাজত হিন্দু-মুছলমান উভয় সম্প্ৰদায়ৰ লোক আছে। সেয়ে চৰ-চাপৰিৰ গীত-মাতবোৰ এটা বিশেষ সম্প্ৰদায় বা জনগোষ্ঠীৰ গীত নহয়। চৰ-চাপৰিৰ জনগোষ্ঠীবোৰৰ সৰহ ভাগৰেই পূৰ্বপুৰুষ অবিভক্ত ভাৰতবৰ্ষৰ বংগৰ পৰা অসমলৈ আহিছিল বাবে তেওঁলোকৰ জনসাহিত্য বা লোকসাহিত্যত বংগীয় প্ৰভাৱ বিদ্যমান। সেয়ে গীতবোৰৰ বেছিভাগৰেই এটা বৈশিষ্ট্য হ'ল ইবোৰৰ ধৰ্ম নিৰপেক্ষ চৰিত্ৰ। মূলতঃ কৃষি জীৱন আৰু প্ৰকৃতিৰ সৈতে জড়িত এই গীতবোৰৰ মূল উপপাদ্য হ'ল মানৱ প্ৰেম, ভাগৱত প্ৰেম, জীৱনৰ আনন্দ আৰু বিষাদ আদি।[১]

আমাৰ এই আলোচনাত অবিভক্ত গোৱালপাৰা জিলাৰ চৰ-অঞ্চলত প্ৰচলিত লোকগীত সমূহৰ চমু আভাস তলত দাঙি ধৰা হৈছে।

**ধুৱাগীত ঃ**

কৃষিৰ কাম কৰোঁতে গোৱা গীতবোৰক চৰ অঞ্চলৰ মুছলমান সকলৰ মাজত ধুৱাগীত ৰূপে জনা যায়। সেয়ে চাপৰি অঞ্চলত যেতিয়া মৰাপাটৰ খেতি আৰম্ভ হয় তেতিয়া গৃহস্থৰ ইচ্ছা অথবা কৃষি ভূমিত কাম কৰা, দিন-মজুৰি কৰা সকলৰ আগ্ৰহৰ ওপৰত ভিত্তি কৰি এক আনন্দমুখৰ পৰিৱেশত খেতি নিকোৰা দেখিবলৈ পোৱা যায়। সেই বিশেষ পৰিৱেশটোত এক বিশেষ শ্ৰেণীৰ গায়ক এজনে খেতিত কাম কৰা, খেতিয়ক সকলতকৈ কিছু সুকীয়া আৰু ৰংচঙীয়া পোছাক পৰিধান কৰে। তেওঁৰ হাতত আৰু ডিঙিত স্বাভাৱিকতে ৰংচঙীয়া (বিশেষকৈ ৰঙা) ৰুমাল বন্ধা

থাকে। ভৰিত থাকে ঘুংগুৰু ডিঙিত ওলোমাই লয় এটা ঢোল। গায়কজনে নিজে গোৱা গীতৰ ছন্দে ছন্দে বিশেষ ভঙ্গীমাত নৃত্য কৰাৰ দৰে আগ পিছ কৰি ঢাক-ঢোল বজাই গীত গায়। পিছত খেতিত কাম কৰি থকা প্ৰতিজন লোকে সেই গীতটোত অংশ লয়। সুৰ লগাই বিশেষ ভঙ্গীমাত গোৱা লোকজনক 'বয়াতী' বোলা হয় আৰু গীতবোৰক স্থানীয় ভাৱে 'জাৰি' বা 'ধুৱাগীত' বোলে।[২] এই গীতবোৰত জীৱ-জগতৰ সৃষ্টি ৰহস্য, কাৰবালাৰ হাছন-হুছেইনৰ কাহিনীৰ উপৰিও হিন্দুধৰ্মৰ কাহিনীৰ প্ৰভাৱ দেখা যায়। তলত গীতৰ নিদৰ্শন দাঙি ধৰা হ'ল -

**ইছলাম ধৰ্মৰ প্ৰভাৱ থকা ধুৱা গীত ঃ**

"একদিন জিয়াদ মোৰে ফাঁকি দিয়া নিছে
নবীৰ বৌজা ছাইৰে কাৰবালাতে অ'ৰে
কাৰবালাতে যাইয়া দেখিবে অ' সব কামোৰ যিৰাইছেৰে
ফোৰাৎ নদীৰ কুলে বইসা আছে।
পানী খাওৱা বন্ধ কৰছেৰে
অ' হয়া হাছান-হুছেনৰে।"

**হিন্দু ধৰ্মৰ প্ৰভাৱ থকা ধুৱা গীত ঃ**

"অ' ৰে জনকপুৰে কি ঘটনা ঘটলোৰে,
লক্ষণেৰ ভাই ৰাম সে আসিলেনৰে।
ঐ, জনকপূৰে ধনুক ভাঙিয়াৰে,
ৰামে বিয়া কৰিলো সীতা দেৱীকৰে
আৰে তাই দেইখ্যা ৰাৱণ ৰাজাৰে
জ্বলিয়া মৰে লংকাপুৰীতে।"[৩]

**ভাটিয়ালী বা ভাটিআলি গীত ঃ**

চৰ-চাপৰিৰ আটাইতকৈ জনপ্ৰিয় গীত সমূহৰ ভিতৰত অন্যতম হ'ল ভাটিয়ালী গীত। ভাটিয়ালী গীতবোৰৰ উৎপত্তিস্থল হ'ল অবিভক্ত ভাৰতবৰ্ষৰ বঙ্গ ভাটি বা নামনি অঞ্চলত। সুৰমা আৰু মেঘনা নদীৰ উপত্যকা অঞ্চলত ভাটিয়ালী গীতবোৰে পূৰ্ণতা লাভ কৰাৰ পিছত পৰৱৰ্তী সময়ত পূৰ্ববঙ্গৰ নৈপৰীয়া অঞ্চললৈ গীতবোৰৰ প্ৰসাৰণ ঘটে আৰু বঙ্গৰ দৰিদ্ৰ কৃষক সকল ইংৰাজৰ দিনত অসমলৈ আহি ব্ৰহ্মপুত্ৰ, মানাহ, বেঁকী, পহুমৰা, কল আই আদি নদীৰ পাৰত বসবাস কৰাৰ বাবে সেই চৰ-চাপৰি অঞ্চলতো গীতবোৰৰ বিস্তৃতি ঘটে।

ভাটিয়ালী গীতবোৰ নদী কেন্দ্ৰীক হোৱা বাবে নাৱৰীয়া, মাছমৰীয়া সকলৰ লগত এই গীতবোৰৰ সম্পৰ্ক সুগভীৰ। চৰ অঞ্চলৰ লোকসকলৰ মাজত প্ৰচলিত তেনে কিছুমান গীত তলত দাঙি ধৰা হ'ল -

"পদ্মা হইতে আইলাম আমি আসামেৰি চৰ
বৃৰমপুত্ৰই ভাঙলো আমাৰ সেইনা সোণাৰ ঘৰ;
সেই ঘৰ ছাৰিয়া যাবো কোথায় উপায় বলনা
সাৰা জীৱন দুঃখে গেল' আৰচো সহেনা।"

**মাৰফতী বা মুৰ্শিদী গীত ঃ**

অসমীয়া দেহবিচাৰৰ গীতৰ সৈতে মাৰফতী বা মুৰ্শিদী গীতৰ ভাৱ আৰু বস্তুগত সম্পৰ্ক আছে। এই গীতবোৰ চৰ-চাপৰিৰ বয়সিয়াল লোকৰ মাজত অতি প্ৰিয়। মুৰ্শিদী গীতত গুৰু ভক্তিৰ কথা থাকিলেও নাও, নদী,

প্ৰকৃতি, ঘৰ আদি ৰূপক হিচাপেও ব্যৱহাৰ হোৱা দেখা যায়। ক্ষেত্ৰবিশেষে মুৰ্শিদী গীতক বাউল গীত বুলিও কোৱা হয়। বাউলগীত হ'ল তত্ত্বমূলক দেহবিচাৰৰ গীত। জাত-পাত আৰু ধৰ্মীয় আধিপত্যবাদৰ বাবে বঙ্গৰ নিম্ন বৰ্গৰ হিন্দু-মুছলমান সকল নিগৃহীত হৈ দেশান্ত হোৱাৰ উদাহৰণ আছে। চৰ-চাপৰিত থিতাপি লোৱা মুছলমান আৰু হিন্দু সম্প্ৰদায়ৰ কৃষকসকলৰ এটা অংশয়ো এসময়ত উচ্চ বৰ্ণৰ অত্যাচাৰ, অৱহেলা আৰু আধিপত্যবাদৰ পৰা ৰক্ষা পাবলৈ নিৰাপদ স্থান পাবলৈ নিৰাপদ স্থান আৰু ভূমি বিচাৰি চৰ-চাপৰিলৈ আহিছিল। এইসকল লোকে লগত লৈ আহিছিল মুৰ্শিদী আৰু বাউল গীতৰ সমন্বয়বাদী ধাৰা -

"জাতৰে বড়াই কি,
ইহকালে পৰকালে কৰে কি?
মোৰ মনে কয় - অগ্নি জ্বলিয়ে দেই জাতেৰ্ মুখে,
এক জাতেৰ বোজা নিয়ে
চিৰকাল কাটাইলাম মানী লোকে হয়;
মানেৰ গৌৰৱ, কুলেৰ গৌৰৱ
ধান্দাবাজি সব দেখি।
লোকে পেটেৰ জ্বালায় দেশান্তৰী হয়,
হিন্দু-মুছলমানেৰ বোজা মাথায় কৰে বয়,
কাৰ বা জাতে কেবা দেখে ঘৰে আইলে চিহ্ন কি?"

সাধাৰণতে ৰাতিৰ ভাগত মুৰ্শিদী গানৰ বৈঠক বহে। এই গানত সুৰৰ এক অপূৰ্ব মাদকতা আছে।

**বিয়াৰ গীত ঃ**

বিবাহ অনুষ্ঠানৰ বিভিন্ন অৱস্থাৰ লগত সংগতি ৰাখি আয়তীসকলে গোৱা গীতক বিয়াগীত বোলা হয়। চৰ-অঞ্চলত বসবাস কৰা হিন্দু আৰু মুছলমানৰ উভয় সম্প্ৰদায়ৰ লোকৰ মাজত বিয়াগীত প্ৰচলন দেখা যায়। কইনাক উদ্দেশ্য কৰি দৰাপক্ষই গোৱা গীত -

কান্দিলে কাটিলে ঝুমুৰ চাৰিয়া যাবাৰ নাহয় ৰে
সোণাৰ ঝুমুৰ কান্দিছ না ৰে
কান্দিলে কাটিলে ঝুমুৰ চাৰিয়া যাবাৰ নাহয় ৰে
হাত ভৰি তোৰ দিছোং খাৰু আৰু কিবা লাগে ৰে
সোণাৰ ঝুমুৰ কান্দিছ না ৰে
কান্দিলে কাটিলে ঝুমৰ চাৰিয়া যাবাৰ নাহয় ৰে
সোণাৰ ঝুমুৰ কান্দিছ না ৰে
বাপেৰ বাৰী যাবি ঝুমুৰ দিছোং ফিটাৰ চেণ্ডেল
আৰু কিবা লাগে ৰে
কাণত দিব সোণাৰ ঝুমকা আৰু কিবা লাগে ৰে
সোণাৰ ঝুমৰ কান্দিছ না ৰে
কান্দিলে কাটিলে ঝুমৰ চাৰিয়া যাবাৰ নাহয় ৰে
সোণাৰ ঝুমুৰ কান্দিছ না ৰে
গলত দিছোং গলাৰ হাচ্‌লা আৰু কিবা লাগে ৰে
সোণাৰ ঝুমৰ কান্দিছ না ৰে

এই গীতটোৰ মাজেদি পিতৃগৃহ এৰি যাবলগীয়া হোৱাত কইনা গৰাকীৰ মনৰ দুখৰ ছৱি ফুটি উঠিছে। বিয়াৰ সময়ত যেতিয়া কইনা গৰাকীয়ে নিজৰ ঘৰখন এৰি থৈ যাবলগীয়া হয় তেতিয়া কান্দি থকা দেখা যায়। কান্দি কান্দি থাকিলেও কিন্তু দৰাজনে কইনাগৰাকীক এৰি থৈ যাব নোৱাৰে। সেয়ে দৰাজনে ঝুমুৰ নামৰ কইনাগৰাকীক বিভিন্ন বস্তু দিয়াৰ কথাৰে বুজনি দিব বিচাৰিছে।

**কইনাক গা ধুওৱাৰ সময়ত গোৱা গীত ঃ**

"সোণাৰ তুলমূল কতই ৰাখিম
তোক ব্ৰহ্মা জালে ঘিৰিয়া
ৰসিয়া জামাই দেখিয়া আমাই
বাবাই জব দিলে যাচিয়া
সোণাৰ তুলমূল ক'তই ৰাখিম
পাকা ঘৰ দেখিয়া মায়ে
জব দিলো যাচিয়া
ৰসিয়া জামাই দেখি
বাবাই জব দিলো বাজাৰ দিয়া
ক'তই ৰাকবো তোক ব্ৰহ্মা জালে ঘিৰিয়া
সোণাৰে তুলমূল ক'তই ৰাখিম।"

এই গীতটোৰ মাজত এজনী ছোৱালীক এদিন বিয়া দি আনৰ ঘৰলৈ উলিয়াই দিব লাগিব সেই সত্য কথাটো প্ৰকাশিত হৈছে। অতি মৰমৰ সোণাৰ তুলমূল হ'লেও ব্ৰহ্মা জালেৰে ঘেৰি ৰাখিব নোৱাৰে। সেয়ে দেউতাকে ৰসিকতাপূৰ্ণ জোঁৱাই দেখি আৰু মাকে পকাঘৰ দেখি ছোৱালীজনীক বিয়া দিম বুলি কথা দিছে।

এনেদৰে অসমীয়া লোকসাহিত্যৰ পথাৰখনত চৰ অঞ্চলত প্ৰচলিত লোকগীত সমূহেও উল্লেখযোগ্য ভূমিকা গ্ৰহণ কৰি আহিছে। এই লোকগীত সমূহে লোকজীৱনৰ সামগ্ৰিক চিত্ৰ সুন্দৰভাৱে দাঙি ধৰিছে। লোকগীত সমূহক লোক জীৱনৰ প্ৰাণৰ স্পন্দন বুলিব পাৰি। ❍

(লেখিকা ড০ বন্দনা কলিতা, মহাত্মা গান্ধী মহাবিদ্যালয় (চলন্তাপাৰা) ৰ অসমীয়া বিভাগৰ সহঃ অধ্যাপিকা।)

**সহায়ক গ্ৰন্থপঞ্জী ঃ**

১। দত্ত, বীৰেন্দ্ৰনাথ ঃ গোৱালপৰীয়া লোকসংস্কৃতি; পাণবজাৰ, গুৱাহাটী, ১৯৭৬।

২। হোছেইন, আনোৱাৰ ঃ চৰ-চাপৰিৰ জীৱন আৰু লোকসংস্কৃতি।

৩। হোছেইন, ইছমাইল ঃ অসমৰ চৰ-চাপৰিৰ লোক সাহিত্য।

৪। হোছেইন, আনোৱাৰ (সম্পা)ঃ চৰ-চাপৰিৰ জীৱন চৰ্যা।

# অতীতে ৰিঙিয়ায়ঃ বিলুপ্তিৰ পথত পৰম্পৰাগত খেল-ধেমালি আৰু লোক-সংস্কৃতি



আনোৱাৰ হুছেইন

মানুহ সমাজপ্রিয় জীৱ। সমাজত বসবাস কৰি মনৰ ভাৱ আদান-প্রদান কৰা, সুখ-দুখ, উৎসৱ-পাৰ্বণ আদিত অংশ গ্ৰহণ কৰি মানুহে স্বাভাৱিক জীৱন যাপন কৰে। এইদৰে অতীতৰে পৰা বসবাস কৰি অহাৰ ফলত আমাৰ সমাজত সৃষ্টি হৈছে কিছুমান পৰম্পৰাগত খেল-ধেমালি, সংস্কৃতি আৰু লোকাচাৰ। এইবোৰে আমাৰ ঐতিহ্য বহন কৰে । আমাৰ সামাজিক মূল্যবোধ, সভ্যতা, সংস্কৃতি আদি এইবোৰ পৰম্পৰাৰৰ ওপৰত নিৰ্ভৰ কৰে।

নামনি অসমৰ বঙাইগাঁও জিলাৰ এক প্ৰান্তীয় অঞ্চল হ'ল লেংটিছিঙা। ভাষিক আৰু ধৰ্মীয় সংখ্যালঘু বসতি প্রধান এই অঞ্চলত সৰুতে আমি যিবোৰ খেল-ধেমালি, উৎসৱ পাৰ্বণ আদি দেখা পাইছিলো বা নিজেও তাৰে কিছুমানত যোগদান কৰি আমোদ-ফুৰ্তি কৰিছিলোঁ, আজিৰ তাৰিখত সেইবোৰ প্ৰায় পাহৰণিৰ গৰ্ভত। সেইসমূহ খেল-ধেমালিৰ কিছু আভাষ তলত চমুকৈ দাঙি ধৰাৰ প্ৰয়াস কৰিলোঁ।

## হা-ডু-ডু খেল ঃ



আমাৰ এই অঞ্চলত হা-ডু-ডু খেল কেতিয়াৰ পৰা কেনেকৈ আৰম্ভ হৈছিল, তাৰ কোনো দস্তাবেজ নাই। আমি জন্মৰ পিছৰ পৰাই এইবিধ খেল প্ৰচলন থকা দেখিছিলোঁ আৰু মাজে সময়ে আমিও বন্ধুবৰ্গৰ লগত এইবিধ খেলত অংশ গ্ৰহণ কৰি ফুৰ্তি-তামাচা কৰিছিলোঁ। এইবিধ খেলৰ বিশেষত্ব এই যে স্বীকৃতিপ্ৰাপ্ত খেল ময়দানৰ বাহিৰেও গাঁৱৰ পতিত জমি, বালিচৰ, আদিতো খেলিব পাৰি । শৰীৰ চৰ্চাৰ কাৰণে ই এবিধ উপযোগী খেল। বৰ্তমানৰ 'কাবাডী' খেলৰ লেখীয়া এইবিধ খেল লুপ্ত হোৱাৰ দৰে হৈছে।

## টাংগুটি ঃ



টাং গুটি এবিধ পুৰণি খেল, ইয়াক 'টুংগিবাৰী' বুলিও কয়। এই খেল চেমনীয়াসকলে খেলে। এই খেলত প্ৰায় ২ ফুটমান বাঁহৰ মিহি লাঠি আৰু তিনি চাৰি ইঞ্চিমান বাঁহ বা কাঠৰ মাৰি এডাল থাকে। এই মাৰিডাল সৰুকৈ ২/৩ (ইঞ্চিমানৰ) খন্দা গাঁতৰ ওপৰত ৰাখি বাঁহৰ লাঠিডালেৰে কোবাই খেলা

হয়। আনটো ২-৩ ফুট ওখ লাঠি বা বাঁহৰ খুটি মাটিত পুতি তাৰ ওপৰত সেই তিনি-চাৰি ইঞ্চি মাৰিডালত ৰাখি তল বা সন্মুখৰ পৰা কোবাইয়ো এই খেল খেলা হয়। ইয়াক 'গাছ টুংগিবাৰী' বুলি কোৱা হয়। সাধাৰণতে এই দুয়োটা খেল ৬ জনমানে লগ লাগি খেলাৰ নিয়ম। গৰখীয়াসকলে গৰু চৰাই থকা সময়ত এইবিধ খেল খেলিছিল।

**ৰচী টনা খেল ঃ**



অতীজৰে পৰা এইবিধ খেল আমাৰ গাঁৱে-ভূঁৱে প্ৰচলন হৈ আছে। এইবিধ খেলত বয়সৰ কোনো সীমাৰেখা নাই । ল'ৰা, বুঢ়া সকলোৱে দুটা দলত বিভক্ত হৈ এইবিধ খেলত ভাগ লয়। আমোদ-প্ৰমোদৰ কাৰণে, সামাজিক উৎসৱ-পাৰ্বণ, সমাৰোহ আদিত এইবিধ খেল খেলা হয়।

**হাউ খেল ঃ**



সৰু থকোতে আমি এবিধ খেল খেলিছিলোঁ যাৰ নাম হ'ল হাউ খেল। এইবিধ খেলৰ বাবে আহল-বহল ঠাই অলপমান লাগে। খেলত এবিধ ঘাই খুটা বা কেন্দ্ৰবিন্দু থাকে। ইয়াত কোনো এটা দলৰ এজনে ঘাই খুটাৰ ওচৰত থিয় হ'ব আৰু বাকী কেইজনে নিৰ্দিষ্ট দুৰত্বত অৱস্থান গ্ৰহণ কৰিব। তাৰ পাছত নিৰ্ধাৰিত সময়মতে ঘাই খুটাৰ ওচৰত থকাজনে প্ৰতিপক্ষৰ ওচৰলৈ খেদি গৈ কোনোবা এজনক চুই আহিব লাগে। এইদৰে খেদি থকোতে খেলুৱৈজনে মুখেৰে "হাউ কুট, হাউ কুট বুলি উচ্চাৰণ কৰিব লাগে।

**কুকুৰা যুঁজ ঃ**



সৰু ল'ৰা-ছোৱালীৰ মাজত প্ৰচলিত এবিধ জনপ্ৰিয় খেল হ'ল - কুকুৰা যুঁজ। সাধাৰণতে এইবিধ খেল দুটা দলৰ মাজত খেলা হয়। দুই দলৰ একো একোজন খেলুৱৈয়ে বাওঁ হাত সোঁ কান্ধত থৈ সোঁহাতৰ সোঁভৰি দাঙি ধৰি ইটোৱে সিটোক খুন্দা মাৰে। এইদৰে খুন্দা-খুন্দি লাগি যেতিয়ালৈকে কোনো এজনৰ হাত সুলকি নপৰে বা বাগৰি নপৰে তেতিয়ালৈকে এই খেল চলি থাকে। কিন্তু যিজনৰ হাত প্ৰথমে সুলকি পৰে বা যিজন প্ৰথমে বাগৰি পৰে তেওঁক পৰাজিত বুলি কোৱা হয়। বৰ্তমানেও এইবিধ খেল কিছুমান ঠাইত প্ৰচলন থকা দেখা যায়।

**শিলগুটি বা চেংগুটি ঃ**



পাঁচটা শিল লৈ দুজন বা ততোধিক সৰু ল'ৰা ছোৱালীয়ে মাটিৰ ওপৰত বহি লৈ এইবিধ খেল খেলে। এই খেলৰ কিছুমান নিৰ্দ্দিষ্ট ঢাপ আছে। খেলৰ মাজত যদি কোনো এটা ঢাপত খেলুৱৈজনে ভুল কৰে তেতিয়াহলে পৰৱৰ্তী খেলুৱৈজনে খেলিবলৈ সুবিধা পায়। গোটেই কেইটা ঢাপ সমাপ্ত কৰাৰ পাছত খেলুৱৈজনে একোটা নম্বৰ লাভ কৰে। এইদৰে খেলখন চলি থাকে।

**চোৰ-পুলিচ খেল ঃ**



সৰুতে আমি চোৰ-পুলিচ খেল খেলিছিলোঁ। সাধাৰণতে চাৰিজন ল'ৰা-ছোৱালী লগ হৈ চাৰি টুকুৰা কাগজত চোৰ, পুলিচ, দাৰোগা, হাকিম আদি পৃথকে পৃথকে লিখি চাৰি ভাজমান কৰি ওপৰৰ পৰা এৰি দিছিলোঁ। তাৰ পাছত আমি সেইবোৰ এটাকৈ টানি লৈ খুলি চাই যাৰ ভাগত 'পুলিচ' লিখা কাগজ পৰিছিল, তেওঁ ক'ব লাগিছিল 'পুলিচ' বুলি। লগতে তেওঁ অনুমান কৰি চোৰ লিখা কাগজৰ টুকুৰা ভাগত পৰাজনক নিৰ্দ্দিষ্টকৈ কৈ দিব লাগিছিল। পুলিচজনে সঠিকভাৱে অনুমান লগাই কৈ দিব পাৰিলে তেওঁ নিৰ্দ্দিষ্ট ৮০ নম্বৰ, হাকিম হ'লে ১০০ , দাৰোগাই ৯০ আৰু চোৰজনে (০০) নম্বৰ পাইছিল। অনুমান ভুল হ'লে পুলিচজনেহে শুণ্য (০০) আৰু চোৰজনে ৭০ নম্বৰ পোৱাৰ নিয়ম আছিল। খেলবিধ যথেষ্ট জনপ্ৰিয় আছিল। সাধাৰণতে বৰষুণৰ বতৰত আমি এইবিধ খেল খেলি মজা পাইছিলোঁ। চোৰজনে ধৰা নপৰাৰ কাৰণে নানা ধৰণৰ ট্ৰিক (কৌশল) অৱলম্বন কৰিছিল।

**গাদম খেল ঃ**



শৈশৱত আমি 'গাদম' নামৰ এবিধ খেল খেলিছিলোঁ। এই বিধ খেলত আমি খেলুৱৈ অনুপাতে ছয়টা বা আঠটা কোঠ কাটি বা দাগ দি লৈ খেলিছিলোঁ। খেলখনত নিজ দলৰ মানুহে বিপক্ষ দলৰ প্ৰতিদ্বন্দিক কেৰা কাটি দৌৰা দৌৰি কৰি কোঠৰ সিমূৰলৈ যাব লাগিছিল। বিপক্ষই তেওঁক চুব পাৰিলে সেইজন খেলুৱৈ 'আউট' বুলি গণ্য কৰি কোঠৰ পৰা বাহিৰ কৰি দিয়া হৈছিল। এনেকৈ ক্ৰমাগতভাৱে আটাইকেইজন খেলুৱৈ আউট হোৱাৰ পিছত প্ৰতিপক্ষই খেলাৰ সুযোগ পাইছিল। স্বাস্থ্যৰ পক্ষে অতি উপকাৰী এইবিধ খেল যথেষ্ট জনপ্ৰিয় আছিল।

**কচুগুটি খেল ঃ**



এইবিধ খেল দুজন প্ৰতিযোগীৰ মাজত খেলা হয়। প্ৰতিজনৰ ১৫ টাকৈ কচুগুটি থাকে। মাটিত দাগ দি কচুগুটিবোৰ বহুৱাৰ পিছত যিকোনো এজনে প্ৰথম

চাল দিয়ে। তাৰ পিছত আনজনে দিয়ে। চালবোৰ এনেদৰে দিয়া হয় যাতে তেওঁ প্ৰতিপক্ষৰ গুটি খাব পাৰে। খেলৰ শেষত যিজনে বেছি গুটি খাব পাৰে, তেওঁকেই বিজয়ী বুলি গণ্য কৰা হয়। সৰু ল'ৰা-ছোৱালী আৰু গৰখীয়া সকলৰ মাজত এইবিধ খেল এটা সময়ত বৰ জনপ্ৰিয় আছিল।

**লাঠি খেল ঃ**



দুজন প্ৰতিযোগীৰ মাজত লাঠি খেল খেলা হয়। দুয়োজনৰে হাতত এডালকৈ লাঠি আৰু আত্মৰক্ষাৰ কাৰণে এটা ঢাল থাকে। ইয়াত এজনে আনজনক আক্ৰমণ প্ৰত্যাক্ৰমণ কৰে। আক্ৰমণৰ পৰা ৰক্ষা পাবৰ কাৰণে ঢাল ব্যৱহাৰ কৰা হয়। তাৰ মাজতো যিজনে বেছিকৈ আক্ৰমণ কৰিব পাৰে বা প্ৰতিপক্ষক ঘাইল কৰিব পাৰে, তেওঁকেই ইয়াত বিজয়ী বুলি ঘোষণা কৰা হয়। বিজয়ীজনক ৰাইজে বাঃ বাঃ দিয়ে। ধনী মানুহ সকলে সাধাৰণ ৰাইজৰ মনোৰঞ্জনৰ কাৰণে ঘৰুৱা উৎসৱ-পাৰ্বনত এইবিধ খেলৰ আয়োজন কৰিছিল।খেলৰ সময়খিনিত দুই-চাৰিজনে দুগ-দুগি বজাই প্ৰতিযোগীসকলক উত্তেজিত কৰে আৰু ৰাইজক আমোদ দিয়ে।

**কলপাতৰ ভোজভাত ঃ**



লেংটিছিঙা অঞ্চলত পূৰ্বৰে পৰা প্ৰচলিত এটি পৰম্পৰা হ'ল সৰু সৰু ল'ৰা-ছোৱালীয়ে বছৰৰ কোনো এটা দিনত (সাধাৰণতে ঠাণ্ডাৰ দিনত) কলপাতেৰে সৰু ঘৰ বনাই লৈ তাৰ বাহিৰত ভাত ৰান্ধি কণী, মাছ বা মাংসৰে ভোজভাত খোৱা। এই ভোজভাত পৰ্ব যথেষ্ট ফুৰ্তি আৰু আনন্দৰ আছিল। এয়া ছোৱালী বিলাকৰ ৰন্ধা বঢ়াৰ আখৰা বুলিও কব পাৰি।

**নাতিৰ প্ৰতি ককাৰ মৰমৰ চানেকি ঃ**



আগতে প্ৰচলন থকা কল বা তামোলৰ ঢোঙলত নাতি-নতিনীক বহুৱাই লৈ ককা-আইতাই টানি লৈ যোৱা পৰম্পৰাই সমাজৰ মৰম-চেনেহক প্ৰকাশ কৰে। আজিৰ তাৰিখত ই লুপ্ত প্ৰায়।

যি নহওঁক, সৰু কালৰ ঘটনা আৰু আমাৰ সমাজত প্ৰচলন থকা বাৰে বৰণীয়া পৰম্পৰাই হৈছে আমাৰ চালিকা শক্তি। সেইবোৰ মনত পৰিলে এতিয়া 'নষ্টালজিক' অনুভৱ কৰোঁ। ○

(লেখক, লেংটিছিঙা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ শিক্ষক তথা হাসিন অফছেট প্ৰেছৰ স্বত্বাধিকাৰী)

# স্বাস্থ্য সজাগতা



ফজলুৰ ৰহমান (বি.ফাৰ্ম)
লেংটিছিঙা প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ

**স্বাস্থ্যই** পৰম সম্পদ। শৰীৰ ভাল থাকিলে মন ভালেই থাকে আৰু ভাল মনেৰেহে আমি সকলো কামত মনোনিৱেশ কৰি সফল হ'ব পাৰো। গতিকে স্বাস্থ্যৰ প্ৰতি সজাগ হোৱাটো অতিকৈ জৰুৰী।

প্ৰথমে নিজৰ শৰীৰৰ প্ৰতি নজৰ ৰাখিব লাগে। তাৰ পিছত পৰিয়ালৰ প্ৰতি আৰু সামাজিক তথা সমূহীয়া স্বাস্থ্যৰ প্ৰতি সজাগতা আনিব লাগে।

অসমৰ অধিকাংশ এলেকাৰ মানুহ স্বাস্থ্যৰ প্ৰতি যত্নবান নহয়। বিশেষকৈ চৰ-চাপৰি বা দুৰ্গম অঞ্চলত থকা লোকসকল স্বাস্থ্যৰ প্ৰতি বৰ অৱহেলিত। ইয়াৰ মূল কাৰণ হৈছে অশিক্ষিত বা স্বাস্থ্যৰ প্ৰতি থকা জ্ঞানৰ অভাৱ। তাৰোপৰি দুৰ্গম অঞ্চল হোৱাৰ বাবে চৰকাৰে ৰূপায়ণ কৰা স্বাস্থ্য আঁচনি সমূহ সেই অঞ্চল সমূহত ঢুকি নাপায়। যাৰ বাবে সিহঁতৰ স্বাস্থ্যৰ প্ৰতি থকা জ্ঞান বা সজাগতা দিনে দিনে লোপ পাই আহিছে। ফলত কিছুমান ব্যক্তি কম বয়সত নানা ধৰণৰ জটিল ৰোগত আক্ৰান্ত হৈ মৃত্যু মুখত পৰিব লগা হয়। গতিকে স্বাস্থ্যৰ প্ৰতি সুদৃষ্টি, সুচিন্তা ৰখাটো সকলো নাগৰিকৰ একান্ত প্ৰয়োজন। স্বাস্থ্য সজাগতা শুন্য (০) বয়সৰ পৰা বৃদ্ধলৈ জৰুৰী। আজিকালি জন্মৰ পৰাই চিকিৎসালয়ত নানা ধাৰণৰ ভেক্‌ছিন দিয়া হয়। এই ভেক্‌ছিনেই বৃদ্ধলৈকে সবল ভাবে চলাৰ সুযোগ প্ৰদান কৰে। এই ধৰণৰ সজাগতা নল'লে বৃদ্ধ বয়সত নানা ধৰণৰ ৰোগ যেনে-T.B., মধুমেহ, Heart Disease আদিত ভুগিব লগা হয়।

সঁচা অৰ্থত ক'বলৈ গ'লে স্বাস্থ্য সজাগতাৰ বিষয়ে বৰ্ণনা কৰিলে শেষ নহ'ব। তথাপি অলপ চুটিকৈ হলেও লিখিবলৈ ওলাইছো যাতে ইয়াৰ দ্বাৰা সমাজৰ বা জনসাধাৰণৰ উপকাৰ। নিজৰ শৰীৰ নিৰোগী, সুস্থ আৰু মন সুখী ৰখাটোৱে স্বাস্থ্যৰ প্ৰতি সজাগতা ৰখা। নিজে পৰিস্কাৰ-পৰিচ্ছন্ন আৰু নিৰোগী হৈ থকাৰ লগতে আনক তেনে কাম কৰিবলৈ অনুৰোধ বা উপদেশ দিয়া ব্যৱস্থাক স্বাস্থ্য সচেতন বুলি ক'ব পাৰি।

স্বাস্থ্যৰ প্ৰতি অৱহেলিত আৰু অনীহা দেখা যায় চৰ অঞ্চলৰ জনসাধাৰণ মাজত। যি দুই এজন শিক্ষিত হৈছে নিজৰ মৰমৰ গাওঁখন এৰি বাধ্যতামূলক কাৰণতে হওঁক বা নিজৰ লাভালাভৰ বাবেই হওঁক, তেখেতসকল চহৰলৈ গুচি যায়। যাৰ বাবে শিক্ষিত মানুহ দুজনমানৰ ভাল কথা বা পৰামৰ্শৰ পৰা গাঁও বা চৰ অঞ্চলৰ জনসাধাৰণ বঞ্চিত হৈ আছে। মানুহ অনুসন্ধিৎসু প্ৰাণী। নজনা কথা জানিবলৈ, নুশুনা কথা শুনিবলৈ আৰু নোপোৱা বস্তু পাবলৈ ইচ্ছা কৰে। কিন্তু স্বাস্থ্যৰ প্ৰতি জানিও নজনাৰ ভাও জুৰি থাকে। আজিকালি গাঁও অঞ্চলৰ মানুহৰ হাতত ১৫/২০ হাজাৰ টকীয়া ম'বাইল লৈ ঘুৰি ফুৰে, কিন্তু স্বাস্থ্যৰ সজাগতাৰ বিষয়ে সভা-সমিতি পাতিলে সেইবোৰত মানুহ

নাথাকে বা মনোযোগেৰে কথাবোৰ নুশুনে এয়া দুৰ্ভাগ্যজনক।

স্বাস্থ্য সম্পৰ্কীয় অধ্যয়ণৰ পৰা দেখা গৈছে যে, জনসাধাৰণে স্বাস্থ্যৰ প্ৰতি ভাবুকি অহা কামবোৰ অভ্যাসত পৰিণত কৰিছে যেনে - সদায় দোকানত বহি চাহ খাব আৰু লগে লগে তামোল-পান খাব। এইটো এটা Mouth Cancer হোৱাৰ লক্ষণ। কাৰণ মিঠাৰ লগত কেতিয়াও চুন খাব নালাগে। এজনে বিড়ি খাই দহজনক বেমাৰৰ সৃষ্টি কৰি আছে। আজিকালি দহজন কঁহ থকা মানুহৰ কাঁহ পৰীক্ষা কৰিলে এজনৰ T.B. Positive হয়। গতিকে মানুহ সজাগ হোৱাৰ সময় এতিয়াও আছে। এই ক্ষেত্ৰত যুৱচাম আগবাঢ়ি আহিব লাগিব, লগতে চৰকাৰী আঁচনিত সহায়-সহযোগিতা আগবঢ়াব লাগিব। গতিকে মানুহৰ এই অভ্যাসবোৰ পৰিৱৰ্তন কৰি মুল সুঁতিলৈ আনিলে সঁচাকৈ নিজে আৰু পৰিয়ালৰ লগতে সমাজৰ তথা দেশৰ উন্নতি হ'ব। বৰ্তমান গাঁৱৰ মানুহবোৰ দেখা গৈছে যে বেমাৰ হ'লেই দোকানৰ পৰা দৰব কিনি খোৱাটো এটা অভ্যাস হৈছে। দোকানীয়ে নাজানে দৰবৰ পাৰ্শ্বক্ৰিয়া, গুণাগুণ বা ক্ষতি। গতিকে বেমাৰ হ'লে প্ৰথমে চিকিৎসালয়লৈ গৈ চিকিৎসকৰ পৰামৰ্শ মতে দৰব খাব লাগে। কিন্তু সাম্প্ৰতিক সময়ত মানুহ শিক্ষিত হৈয়ো চিকিৎসালয়লৈ যাওঁতে টান পায় আৰু সাধাৰণ ঔষধ দোকানৰ পৰা ঔষধ কিনি খায়। এনে দৰবে শৰীৰৰ Resistance ক্ষমতা হ্ৰাস কৰে। ফলত বেমাৰ ভাল নহয়।

সদৌ শেষত সকলো জনসাধাৰণক আহ্বান জনাওঁ যে স্বাস্থ্যৰ প্ৰতি সজাগ হওঁক লগতে আনকো স্বাস্থ্য ৰক্ষাত সহায় কৰি দেশকজটিলতাৰ পৰা ৰক্ষা কৰক।। ○

# বিশ্ব বন্য প্ৰাণী দিৱস (০৩ - ০৩ - ২০২০)



**ড° মৰমী বৰঠাকুৰ তালুকদাৰ**

চকুবোৰৰ প্ৰেমত পৰো  
প্ৰেম কি নুবুজতেই  
নাজানোতেই  
চকুবোৰ আপোন  
কৰ্ণফন মেকুৰী চকু  
চৰাই কজলা চকু  
গৰুৰো  
কুকুৰবোৰৰ চকুত মায়া  
থাকে  
হৰিণৰো  
চকুবোৰত লুকাই থাকে হৃদয় ...  
তোমাৰ প্ৰেমিক হিয়াৰ  
গোপন চাৱনিতো  
এযুৰি চকু  
পৃথিৱীময় প্ৰাণীৰ দুচকুৰ  
আকুলতা বুকুত  
প্ৰেম য'ত থাকে হৈ অমৃত ...

# সম্পূৰ্ণ শিক্ষাৰ ক্ষেত্ৰত ছাত্ৰ-ছাত্ৰী, শিক্ষক আৰু অভিভাৱকৰ ভূমিকা



আছাদুল ইছলাম
স্নাতক দ্বিতীয় ষন্মাষিক।

আমি পৃথিৱীৰ প্ৰতিজন মানুহেই একো একোজন ছাত্ৰ-ছাত্ৰী / কোনোবাই স্কুলৰ, কোনোবাই কলেজৰ, কোনোবাই বিশ্ববিদ্যালয় আৰু কোনোবাই সংসাৰৰ / আমাৰ প্ৰতিজন মানুহৰ নিজা নিজা সংসাৰখনো একো একোটা বিদ্যালয়। এই বিদ্যালয়ত যিজনে জয়ী হ'ব পাৰিছে তেওঁ ধনী, আনহাতে যিজনে পৰাজিত হৈছে তেওঁ দুখীয়া। মানুহে কয় ঈশ্বৰে মানুহক ভাল-বেয়া, ধনী-দুখীয়া বনায়। এই কথাষাৰ মানি ল'ব নোৱাৰি। মানুহ এজনৰ ভাল-বেয়া , ধনী-দুখীয়া তাৰ নিজৰ কৰ্মৰ ওপৰত নিৰ্ভৰ কৰে। যিজনে ভাল কাম কৰে বা সদায় সৎ পথত চলে তেওঁ ভাল হয় আৰু যিজনে বেয়া কাম কৰে তেওঁ বেয়া হয় বা বেয়াৰ পিনে ঢাল খায়।

আমাৰ অভিভাৱক সকলে সদায় ল'ৰা-ছোৱালীৰ লিখা-পঢ়াৰ ক্ষেত্ৰত তাৰ কোনটো বস্তুৰ অভাৱ বা নাটনি, সেইটো সময়মতে পূৰণ কৰিলেহে ছাত্ৰ-ছাত্ৰীৰ জীৱনত উন্নতি ঘটিব। ল'ৰা-ছোৱালীয়ে যাতে জীৱনত উন্নতি কৰিব পাৰে তাৰ কাৰণে অভিভাৱক সকলে ল'ৰা-ছোৱালীৰ লিখা-পঢ়া, কাম-কাজ আদিৰ ওপত সদায় লক্ষ্য ৰাখিব লাগে, লগতে ছাত্ৰ-ছাত্ৰীয়ে স্কুলত থকা সময়ত শিক্ষক সকলেও ছাত্ৰ-ছাত্ৰীৰ উন্নতিৰ কাৰণে যথেষ্ট অৰিহনা আগবঢ়াব লাগে। স্কুলীয়া জীৱনত শিক্ষক সকলেই ছাত্ৰ-ছাত্ৰীৰ লগতে প্ৰকৃত বন্ধুত্ব ভাৱ গঢ়াই ল'ব লাগে।

আজি কালি বেছিভাগ শিক্ষকে শিক্ষাক তাৰ বৃত্তি হিচাপে লোৱা দেখা যায় আৰু কেৱল নিৰ্ধাৰিত ক্লাচখিনি কৰি নিজৰ দায়িত্ব সমাপ্ত কৰে। কিন্তু আমাৰ মহাবিদ্যালয়ত শিক্ষক সকলে সময়মতে ক্লাচ কৰে ইয়াৰ উপৰি অৰ্থনৈতিক, ৰাজনৈতিক, সামাজিক, সাংসাৰিক, শৰীৰ চৰ্চা আদি বিষয়ৰ ওপৰত শিক্ষা দিয়ে। বিশেষকৈ ড° আব্দুছ ছবুৰ ছাৰে বিভিন্ন ধৰণৰ শিক্ষা দিয়ে লগতে ছাত্ৰ-ছাত্ৰীৰ অৰ্থনৈতিক অৱস্থাৰ বিষয়ে চিন্তাচৰ্চা কৰে। বিশেষকৈ আৰ্থিক বাবে দুৰ্বল ল'ৰা-ছোৱালীৰ নামভৰ্তিৰ সময়ত ফিচ্ দিব নোৱাৰিলে সেইখিনি ড° আব্দুছ ছবুৰ ছাৰে দিয়ে, কিতাপ কিনি দিয়ে আৰু কলেজ ইউনিফৰ্ম বনাই দিয়ে এইবোৰ ক্ষেত্ৰত ছাৰে যথেষ্ট সহায় কৰে।

ওপৰৰ আলোচনাৰ পৰা এটা কথা স্পষ্ট যে, প্ৰকৃত শিক্ষকৰ কৰ্তব্য আৰু দায়িত্ব পালন কৰাটো বহুত কষ্টকৰ যদিও শিক্ষকতা পৃথিৱীৰ সকলোবোৰ সেৱা আৃ কামৰ ভিতৰত শ্ৰেষ্ঠ। শিক্ষাগুৰু আৰু ছাত্ৰ-ছাত্ৰীৰ মাজত যি মধুৰ সম্পৰ্ক গঢ়ি উছে সেই সম্পৰ্ক পিতৃ-মাতৃৰ বাহিৰে পৃথিৱীৰ কতো নাই। এই বৃত্তিত নিয়োজিত শিক্ষক-শিক্ষয়িত্ৰীয়ে, অভিভাৱক আৰু ছাত্ৰ-ছাত্ৰী নিজৰ কৰ্তব্য আৰু দায়িত্ব পালন কৰিলে সমাজ তথা দেশ এখনৰ উন্নতি হ'ব। ○

# ৰাজীৱ গান্ধী মেম'ৰিয়েল কলেজত প্ৰথম ভৰ্ত্তি হোৱা ছাত্ৰৰ মনৰ কথা আৰু তেখেতৰ অনুভৱঃ

সাক্ষাৎকাৰ ভিত্তিক বাৰ্তালাপ ঃ
সাক্ষাৎ গ্ৰহণঃ ড° আব্দুছ ছবুৰ



আছান আলী আহমেদ

১। ৰাজীৱ গান্ধী মেৰেৰিয়েল কলেজ সম্পৰ্কে প্ৰথমে কাৰ পৰা জানিলে / শুনিলে ?

**উত্তৰঃ** মোৰ পিতা এজন ব্যৱসায়ী আছিল। তেখেতে লেংটিছিঙা নিবাসী মাননীয় আলহাজ হাতেম আলী চাহাবক বিচাৰি যায় আৰু তেখেত ৰাজীৱ গান্ধী মেমৰিয়েল কলেজ স্থাপন সম্পৰ্কে বহা সভাত লগ পাই জানিব পাৰিছিল যে লেংটিছিঙাত এখন কলেজ স্থাপন কৰা হ'ব। সেই কথা প্ৰথম মই মোৰ পিতা বাবুৰ আলী আহমেদৰ পৰা শুনিছিলোঁ।

২। অভয়াপুৰী কলেজ, নৱজ্যোতি কলেজ আদিৰ বিষয়ে জানিও আপুনি কিয় আৰ.জি. এম. কলেজত নাম ভৰ্ত্তিৰ কথা ভাবিলে ?

**উত্তৰঃ** অভয়াপুৰী কলেজ, নৱজ্যোতি কলেজ আদিৰ বিষয়ে জানিও মই আৰ.জি.এম. কলেজখনত ভৰ্ত্তি হৈছিলো কাৰণ মোৰ পিতৃৰ আদেশ পালন কৰা তথা আমাৰ চৰাঞ্চলৰ বৃহত্তম অনুষ্ঠানৰ স্বাৰ্থত আমাৰ পিছৰ প্ৰজন্মৰ সৰ্বাঙ্গীন উন্নতিলৈ চাই আমাৰ বুদ্ধিজীৱি সকলৰ চিন্তা ধাৰাক আদৰণি জনাই লেংটিছিঙা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ উচ্চবৰ্গ সহায়ক মাননীয় আব্দুল হাকিম চাহাবৰ সহযোগিতাত মই সিদ্ধান্ত লৈছিলো মই যেন প্ৰথম ছাত্ৰ হৈ আমাৰ পিছপৰা অঞ্চলৰ উন্নতিৰ বাট মুকলি কৰিব পাৰোঁ। মোৰ সেই সপোন আল্লাহ তায়ালাই বাস্তৱত পৰিণত কৰিছিল আৰু মই প্ৰথম ছাত্ৰ হিচাপে ভৰ্ত্তি হোৱাৰ সুযোগ পাইছিলোঁ।

৩। নতুন কলেজখনত আপুনি নাম ভৰ্ত্তি কৰাৰ পিছত আপোনাৰ কেনে অনুভৱ হৈছিল ?

**উত্তৰঃ** নতুন কলেজখনত ভৰ্ত্তি হৈ মই আশা কৰা ধাৰণাতকৈ অধিক ছাত্ৰ-ছাত্ৰী তথা শিক্ষাগুৰু সকলৰ অধিক মৰম চেনেহৰ লগতে মাননীয় জয়নাল আবেদিনৰ নিচিনা এজন সৎ চিন্তাধাৰা, সৎ মনোভাৱৰ ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক পাই সকলোকে উৎসাহিত ও মনোৰঞ্জন কৰি ৰখাত কলেজীয়া সময় আনন্দময় কৰি কটাইছিলো। কলেজখনৰ শিক্ষাগুৰু তথা সকলো কৰ্মচাৰীয়েই সমূহ ছাত্ৰ-ছাত্ৰীক নিজৰে পৰিয়াল বুলি ভাবিছিল আৰু অতি মৰম চেনেহৰ বান্ধোনত বান্ধখোৱা দেখি তেতিয়াই মোৰ অনুভৱ হৈছিল সকলোৰে আশা পূৰণ হ'ব।

৪। কলেজখনত পঢ়ি থকা সময়ত আপোনাৰ বিশেষ কিবা স্মৰণীয় আছে নে? যদি আছিল অলপ কব কি?

**উত্তৰঃ** আৰ.জি.এম. কলেজখনত পঢ়ি থকা সময়ত শিক্ষাগুৰু সকলে ছাত্ৰ-ছাত্ৰী সকলক আদৰ্শবান ব্যক্তি হিচাপে গঢ় দিবলৈ সদায় আপ্ৰাণ চেষ্টা চলাইছিল। সেই সময়ত মোৰ ঘৰৰ আৰ্থিক অৱস্থা

অতি শোচনীয় আছিল যদিও মাননীয় আছিৰ উদ্দিন আহমেদ আৰু মাননীয় ৰীতা শৰ্মা বাইদেউৱে মোক বিশেষ ভাৱে কিতাপ-পত্ৰ দি বিভিন্ন দিশত সহায় কৰিছিল। তাৰ বাবে তেখেতসকলৰ ওচৰত মই চিৰকৃতজ্ঞ। মোৰ কলেজীয়া কালত কলেজৰ তৰফৰ পৰা কোনো ধৰণৰ মাচুল বা বৰঙনি লোৱা নাছিল। তাৰ বাবে সেই সময়খিনি মোৰ বাবে চিৰস্মৰণীয় হৈ আছে আৰু থাকিব।

**৫। আপুনি নামভৰ্ত্তি কৰাৰ সময়ত মনলৈ কিবা সংশয় আহিছিল কি নাইবা কোনোবাই আপোনাক নিৰুৎসাহ কৰিছিল নেকি? যদি কৰিছিল সেইবোৰৰ ক্ষেত্ৰত আপোনাৰ প্ৰতিক্ৰিয়া কি আছিল?**

**উত্তৰঃ** আৰ.জি.এম. কলেজত পঢ়ি থকা সময়ত বহুতো মানুহে মোক বিভিন্ন ধৰণৰ কথা শুনাইছিল, মোক নিৰুৎসাহ কৰিছিল। কিন্তু আমি সকলোবোৰ কথা নীৰৱে সহ্য কৰি মনত এটা বিশ্বাস ৰাখিছিলো যে ধৈৰ্য্যৰ ফল সদায় মিঠা। সেই সময়ত অভয়াপুৰী কলেজলৈ গৈ পৰীক্ষা দি থকা সময়ত হঠাতে আৰ.জি.এম. কলেজখনৰ দুজন ছাত্ৰ বহিস্কাৰ আৰু মোৰ কাষতে বহা এজন ছাত্ৰক অতি নিষ্ঠুৰ ভাৱে পৰীক্ষা হলৰ পৰা বাহিৰ কৰি দিয়াত মই ভয়তে লিখিব পৰা নাছিলোঁ। সেই সময়ত মাননীয় আয়ুব খান মহাশয়ে সাহস দিয়াত ইংৰাজী পৰীক্ষা দিব পাৰিছিলো। ৰাজনীতি বিজ্ঞান বিষয়ৰ পৰীক্ষা দিবলৈ যোৱাৰ পথত মোক সাপে কামোৰে। ওজাৰ চিকিৎসা লৈ ডুমুৰীয়া পাৰ নহওঁতেই মোৰ নতুন ছাইকেলখন বেয়া হৈ যায় আৰু এনে বিপদৰ সময়ত অভয়াপুৰী কলেজলৈ যাতায়তৰ ব্যৱস্থা সিমান ভাল নাছিল। ইপিনে সৰ্প দংশনৰ অসহ্য বিষ আৰু আগদিনা পৰীক্ষা হলত ঘটা ঘটনাই মোক মানসিকভাৱে অতি দুৰ্বল কৰি পেলাইছিল। সেই কাৰণে মই পৰীক্ষা কেন্দ্ৰত যাওঁতে পলম হৈছিল। তথাপি মই পৰীক্ষা দিছিলো যদিও এক ঘণ্টামান মই লিখিব পৰা নাছিলোঁ। ইমানবোৰ বাধা-বিঘিনি নেওঁচি মই মোৰ লক্ষ্যত আগবাঢ়ি গৈছিলোঁ।

**৬। মহাবিদ্যালয়খনে লেংটিছিঙাৰ নিচিনা পিছপৰা অঞ্চলৰ ৰাইজক আশাঁ কৰামতে সেৱা আগবঢ়াব পাৰিছে বুলি ভাবেনে?**

**উত্তৰঃ** আৰ.জি.এম. কলেজখনে আমাৰ চৰাঞ্চলৰ প্ৰাণকেন্দ্ৰ লেংটিছিঙাৰ নিচিনা পিছপৰা অঞ্চলৰ ৰাইজৰ আশা কৰা মতে সম্পূৰ্ণ সেৱা আগবঢ়াব পাৰিছে। তাৰ কাৰণ প্ৰতি বছৰে মহাবিদ্যালয়খনত ভাল ফলাফল দেখুৱাই বহু দূৰ-দূৰণিৰ পৰা শিক্ষাৰ্থী কলেজখনলৈ অহাৰ প্ৰক্ৰিয়া ,পাঠদানৰ ক্ষেত্ৰত অইন কলেজৰ তুলনাত কলেজখনত যথেষ্ট ভাল আৰু নাম ভৰ্ত্তিৰ ক্ষেত্ৰত দিনক দিনে বৃদ্ধিৰ হাৰ যথেষ্ট বাঢ়িয়েই আছে। মই ভৱা মতে আৰ.জি.এম. কলেজখন ৰাইজে আশা কৰা মতে সম্পূৰ্ণ সেৱা আগবঢ়াব পাৰিছে।

**৭। নতুন প্ৰজন্মৰ প্ৰতি আপোনৰ কি আহ্বান?**

**উত্তৰঃ** উঠি অহা নতুন প্ৰজন্মলৈ মোৰ আহ্বান ত্ৰিপাক্ষিক যোগসুত্ৰত পাঠদানৰ আংশীদাৰ হৈ, নিজৰ লক্ষ্যস্থানত উপনীত হবলৈ ভৱিষ্যৎ জীৱন যাপনৰ মানদণ্ড উন্নত পৰ্যায়লৈ আগবঢ়াই বিশেষ কৃতিত্বৰ জৰিয়তে নিজকে সদায় সৎ, পাৰদৰ্শিতা, ধৈৰ্যশীলতা, কৰ্তব্যপৰায়ণতা আৰু অসীম বিশ্বাসৰ জৰিয়তে সমাজ তথা দেশৰ গৌৰৱ অৰ্জনত মোৰ তৰফৰ পৰা সমূহ ছাত্ৰ-ছাত্ৰী তথা নতুন প্ৰজন্মলৈ হিয়াভৰা অভিনন্দনেৰে আহ্বান জনালোঁ।

**৮। ভাৰবৰ্ষৰ প্ৰয়াত ৰাষ্ট্ৰপতি ড° এ.পি.জে. আব্দুল কালাম মহাশয়ে কৈছিল "মানুহে**

সপোন দেখিব লাগে।" ৰাজীৱ গান্ধী মেমৰিয়েল কলেজখনকলৈ আপোনাৰ কিবা সপোন আছেনে?

উত্তৰ ঃ হয়, আছে। এদিন এই কলেজখন আমাৰ অসমৰ ভিতৰত বিখ্যাত হওঁক আৰু অধিক সুনাম কঢ়িয়াই পিছপৰা অঞ্চলৰ শিক্ষাৰ মানদণ্ড উন্নত কৰক,অৰ্থনৈতিক ,সামাজিক আদি সকলো ক্ষেত্ৰত বিশেষ পৰিবৰ্তন সাধন কৰি নতুন যুগৰ সুচনা কৰিব বুলি মোৰ ধাৰণা।

সদৌ শেষত এই অঞ্চলৰ সকলো ৰাইজ ,এই কলেজখন গঢ়ি তোলাত অশেষ চেষ্টা কৰা, আগৰণুৱা ব্যক্তিসকল, কলেজখনৰ সকলো শিক্ষাগুৰুৰ লগতে কৰ্মচাৰীসকল আৰু নতুন প্ৰজন্মৰ উঠি অহা সমূহ ছাত্ৰ-ছাত্ৰীলৈ মোৰ হিয়াভৰা শুভেচ্ছা জনাই মোৰ ভুল ভ্ৰান্তিৰ ক্ষমা বিচাৰি আমাৰ অনুভৱৰ ইমানতে সামৰণি মাৰিলোঁ।

।। জয়তু ৰাজীৱ গান্ধী মেম'ৰিয়েল কলেজ।। ○

---

# নাৰী শিক্ষাৰ প্ৰয়োজনীয়তা



ৰেহেনা খাতুন
স্নাতক ষষ্ঠ যাণ্মাষিক

নাৰী আৰু পুৰুষ দুটা ভিন্ন শব্দ যদিও একেটা মুদ্ৰাৰে ইপিঠি সিপিঠি। এটাৰ অবিহনে আনটো অসম্পূৰ্ণ। নাৰী পুৰুষৰ প্ৰতিদ্বন্দী নহয়, পৰিপূৰকহে। নাৰী আৰু পুৰুষ উভয়ৰ অৱদানতহে সমাজ এখনৰ উন্নয়ন নিৰ্ভৰ কৰে। কিন্তু পৰিতাপৰ বিষয় এই যে আমাৰ সমাজত এতিয়াও অৰ্ধ শতাধিক নাৰী অন্ধকাৰত ডুব গৈ আছে। নিতৌ হাজাৰ হাজাৰ মহিলা কুসংস্কাৰ, অন্ধবিশ্বাসৰ বলি হৈ মৃত্যুমুখত পৰিব লগা হৈছে। এতিয়াও মহিলাসকলে সমাজ তথা দেশৰ উন্নয়নত সম্পূৰ্ণৰূপে আগবাঢ়ি আহিব পৰা নাই। তাৰ কাৰণ হিচাপে যদি আমি চাবলৈ যাও তেতিয়াহ'লে আমি দেখা পাম নিৰক্ষতৰতা বা অনগ্ৰসৰতাই হৈছে তাৰ একমাত্ৰ কাৰণ।

যেতিয়ালৈকে দেশত নাৰীসকল শিক্ষিত হৈ সুমাতৃ হব নোৱাৰে তেতিয়ালৈ আমাৰ শিক্ষা ফলপ্ৰসু হব নোৱাৰে। মহিলাসকলৰ শিক্ষাৰ ওপৰতে দেশ এখনৰ অভ্যন্তৰীণ বিকাশ নিৰ্ভৰ কৰে। তেওঁলোকৰ মাধ্যমেৰেই এখন সমাজৰ পৰা আন এখন সমাজলৈ শিক্ষা বিস্তাৰিত হয়। সেয়ে দেশৰ ভৱিষ্যতৰ লগত নাৰী শিক্ষাৰ ওতোঃপ্ৰোত সম্পৰ্ক আছে।

আজিৰ দিনত নাৰী শিক্ষাৰ বাবে, যদিও আমাৰ সমাজ পূৰ্বৰ তুলনাত সচেতন হৈছে বা নিজৰ ছোৱালীৰ শিক্ষা দীক্ষাৰ প্ৰতি আগ্ৰহী হৈছে ; সমাজৰ লগত যিদৰে শিক্ষা প্ৰযুক্তি আদি তীব্ৰ

গতিৰে আগবাঢ়িছে, শৈক্ষিক পৃথিৱীত যি প্ৰতিযোগিতা চলিছে, নাৰী সমাজত মাধ্যমিক শিক্ষা আৰু উচ্চ শিক্ষাৰ প্ৰয়োজনীয়তা (ইছলামী শিক্ষাই হওঁক বা সাধাৰণ শিক্ষাই হওঁক) যিদৰে বৃদ্ধি পাইছে, সেই অনুপাতে চালে নিশ্চয় বুজিব পাৰিব, বহু কথাই ধৰা পৰিব যে আমাৰ সমাজত নাৰী শিক্ষাৰ প্ৰতি আমি কিমান সচেতন হৈছোঁ, কিমান গুৰুত্ব প্ৰদান কৰিছোঁ, কিমানখিনি কৰ্তব্য পালন কৰিছোঁ। স্পষ্টকৈ কব পাৰি যে নাৰী শিক্ষাৰ বাবে বহুতো কৰিবলগীয়া আছে। আমি দেখিবলৈ পাইছো যে আমাৰ ছোৱালীবিলাকে যেনে তেনে নিজৰ নাম ঠিকনা লিখিব পৰা হলে বা অ,আ, ক,খ শিকি কোৰআন হাদীছ বুজিব পৰা হল (উচ্চ মাধ্যমিক শিক্ষাৰ কথা ভাবিবই নোৱাৰে) মানে বিয়াৰ উপযুক্ত হৈ গ'ল। আনকি বহু সময়ত দেখা যায় (কবলৈ লাজো লাগে) যে কেৱল নিজৰ ছোৱালীৰ আকাৰ গঠন চাইয়েই আনৰ ঘৰলৈ খেদি পঠায়। বয়সো চাব নালাগে, শিক্ষা দীক্ষাৰো খবৰ নাই, যেন ছোৱালীজনীক বিয়া দিব পাৰিলেই ৰক্ষা।

এই লজ্জাজনক কৰ্ম তথা নিন্দনীয় পৰিৱেশৰ বাবে দুটা শ্ৰেণী দায়ী। ছোৱলীৰ অভিভাৱক আৰু সমাজৰ সেই শ্ৰেণী, যি শ্ৰেণীয়ে ছোৱালীৰ আকাৰ আৰু গঠন চাই, বয়স আৰু শিক্ষাৰ প্ৰতি গুৰুত্ব নিদি, দেখা শুনাত অলপ ভাল দেখিলেই বিয়াৰ ব্যৱস্থা কৰিবলৈ অধৈৰ্য হৈ পৰে। শিক্ষা জীৱন আধাতে সমাপ্ত কৰি ১৫,১৬,১৭ বয়সতে বিয়া দি তেওলোকক ধ্বংসৰ পথলৈ ঠেলি দিয়ে।

দেশ এখনৰ উন্নয়ন নিৰ্ভৰ কৰে সেই দেশৰ শিক্ষা ব্যৱস্থাৰ ওপৰত। যি দেশৰ শিক্ষা ব্যৱস্থা উন্নত আৰু প্ৰায়বোৰ লোক শিক্ষিত সেই দেশৰ উন্নতিও উৰ্ধগামী। পৃথিৱীৰ উন্নত দেশবোৰৰ লগত তুলনা কৰিলে দেখা পাও সেই দেশবোৰৰ লোকসকলৰ জীৱন যাত্ৰা আমাতকৈ বহুত ওপৰত। শিক্ষা ব্যৱস্থাও বহুত উন্নত। উন্নয়নৰ প্ৰথম চৰ্তই হ'ল শিক্ষা। দেশৰ উন্নয়নৰ লগত শিক্ষাৰ ওতঃপ্ৰোত সম্পৰ্ক আছে। শিক্ষাই মানুহক জ্ঞানৰ পথ দেখুৱাই পৰিচালনা কৰে, ভৱিষ্যত নিয়ন্ত্ৰণ কৰে। দেশৰ ভৱিষ্যত প্ৰজন্মৰ উন্নতি নিৰ্ভৰ কৰে মহিলাসকলৰ ওপৰত। মহিলাসকল শিক্ষিত হ'লেহে আমাৰ দেশৰ ভৱিষ্যত প্ৰজন্ম শিক্ষিত হ'ব। ভৱিষ্যত প্ৰজন্ম শিক্ষিত হ'লেহে দেশখন উন্নয়নৰ পথত আগবাঢ়িব পাৰিব।

জাতিৰ পিতা মহাত্মা গান্ধীয়ে কৈছিল- 'এজন পুৰুষক শিক্ষা দিয়া মানে এজন ব্যক্তিক শিক্ষা দিয়া, এগৰাকী নাৰীক শিক্ষা দিয়া মানে দহগৰাকী ব্যক্তিক শিক্ষা দিয়া, এটা পৰিয়ালক শিক্ষিত কৰা, এখন সমাজক শিক্ষিত কৰা'। যেতিয়ালৈ দেশত নাৰীসকল শিক্ষিত হৈ সু মাতৃ হব নোৱাৰে তেতিয়লৈ আমাৰ শিক্ষা ফলপ্ৰসু হ'ব নোৱাৰে। মহিলাসকলৰ শিক্ষাৰ ওপৰতে দেশ এখনৰ আভ্যন্তৰীণ বিকাশ নিৰ্ভৰ কৰে।

তেওঁলোকৰ মাধ্যমেৰেই এখন সমাজৰ পৰা আন এখন সমাজলৈ শিক্ষা বিস্তাৰিত হয়। সেয়ে দেশৰ ভৱিষ্যতৰ লগত নাৰী শিক্ষাৰ ওতোঃপ্ৰোত সম্পৰ্ক আছে। আনহাতে এজন শিশুৰ প্ৰথম শিক্ষা আৰম্ভ হয় ঘৰখন- তথা মাতৃগৰাকীৰ পৰা। জন্মৰ পাছতে এটি শিশুৱে

প্ৰথম লগ পায়। মাত ফুটাৰ পৰা আৰম্ভ কৰি জীৱনৰ আদি পাঠ ক খ গ ঘ সকলোবোৰ শিকে মাতৃগৰাকীৰ পৰা। সেয়ে মাতৃগৰাকীক শিশুৰ শিক্ষাৰ প্ৰথম শিক্ষয়িত্ৰী বুলি কোৱা হয়। দেশৰ ভৱিষ্যত এই শিশুসকলক সুশিক্ষা দিবলৈ মহিলাসকল শিক্ষিত হোৱাটো বাঞ্ছনীয়। শিশুসকল শিক্ষিত হ'লেহে দেশত নিৰক্ষৰতাৰ দৰে মহাব্যাধি নোহোৱা হ'ব।

এগৰাকী শিক্ষিতা মহিলাৰ চিন্তাধাৰা, ভাৱভংগী যিকোনো দিশতে এগৰাকী অশিক্ষিতা মহিলাতকৈ বহুগুণে উন্নতমানৰ হোৱা দেখা যায়। এগৰাকী শিক্ষিতা মহিলাৰ আত্মবিশ্বাস আৰু আত্মনিৰ্ভশীলতা বহু বেছি। যিকোনো বিষয় তেওঁলোকে সমালোচনাৰ দৃষ্টিভংগীৰে ফঁহিয়াই চাই নিজে সিদ্ধান্ত লব পাৰে। এগৰাকী শিক্ষিতা নাৰীয়েহে দৈনন্দিন জীৱনৰ ঠেক পৰিসৰ ভাঙি চুৰমাৰ কৰি দিব পাৰে। শিক্ষাই ঘৰৰ চাৰি বেৰৰ দেৱালৰ মাজত আৱদ্ধ এগৰাকী নাৰীৰ বাবেই সুন্দৰ বহিৰ্জগতত প্ৰৱেশ কৰাৰ এক উন্মুক্ত দ্বাৰ। এগৰাকী শিক্ষিত নাৰীয়ে দেশৰ আইন কানুনবোৰ ভালদৰে বুজিব পাৰে। নাৰী জাগৰণ তথা নাৰী সবলীকৰণো শিক্ষিতা মহিলাইহে আনিব পাৰে। দৰিদ্ৰতা দূৰীকৰণ, স্বাস্থ্য, সমতা স্থাপন, সুস্থিৰ অৰ্থনীতি, পুষ্টিহীনতা, মহিলা সবলীকৰণ আদি বিভিন্ন ক্ষেত্ৰত শিক্ষাই এক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰি আহিছে।

মন কৰিবলগীয়া কথা এয়ে যে শিশুৰ অধিকাৰ আইন, সাক্ষৰ ভাৰত মিছন বা অন্য কোনো শিক্ষা বিষয়ক আঁচনি আদি বিভিন্ন কাৰণত এতিয়াও সম্পূৰ্ণৰূপে সফল হ'ব পৰা নাই। আজি শিশুৰ আধিকাৰ আইনে শিশুৰ শিক্ষা বাধ্যতামূলক কৰিছে যদিও এতিয়াও সকলো শিশুকে সামৰি লব পৰা নাই। ঠিক তেনেদৰে সাক্ষৰ ভাৰত মিছনে এতিয়াও বহুত ভিতৰুৱা ঠাইৰ মহিলাসকলক চুবগৈ পৰা নাই। তাৰ বাবে অকল চৰকাৰ বা সমাজখনক দোষাৰোপ কৰি থাকিলে সমস্যাৰ সমধান নহয়। চৰকাৰী কাৰ্যসূচী বা আইন প্ৰণয়নৰ ওপৰত ভৰষা কৰি বহি থাকিলে নাৰী শিক্ষা বিস্তাৰ কৰা সম্ভৱ নহয়। তাৰ বাবে আমি সমাজৰ প্ৰত্যেকজন নাগৰিকে সচেতন হব লাগিব। সমাজৰ প্ৰতিগৰাকী লোকে স্ত্ৰী-শিক্ষা বিস্তাৰৰ বাবে হাতে কামে কৰি দেখুৱাব লাগিব। তেতিয়াহে নাৰীশিক্ষাৰ সুফল পোৱা যাব। নাৰী শিক্ষাৰ বাবে অন্তৰায় হৈ পৰা সমস্যাসমূহ সমাধানৰ বাবে বিজ্ঞানসম্মত পদ্ধতি আমি হাতত ল'ব লাগিব। আমি বিভিন্ন নাৰী সংগঠনে ঠায়ে ঠায়ে কৰ্মশালা, সজাগতা শিবিৰ, বিভিন্ন ধৰণৰ অনুষ্ঠান পাতি নাৰীসকলক অনুপ্ৰাণিত কৰিব পাৰিলে নিশ্চয় মহিলাসকল আগবাঢ়ি আহিব। বিভিন্ন অনুষ্ঠান বা প্ৰতিষ্ঠানৰ যোগেদি নাৰীসকলক বৃত্তিমূলক প্ৰশিক্ষণ দি আত্মনিৰ্ভৰশীল কৰাব পাৰিলে কিছু সুফল পোৱা যাব। নহ'লে অদূৰ ভৱিষ্যতে এই নিৰক্ষৰ লোকসকল সমাজৰ বোজা হৈ পৰিব। দেশৰ প্ৰগতিত হেঙাৰ হৈ পৰিব। নাৰী জাতি শিক্ষিত হ'লেহে দেশৰ উন্নয়ন ত্বৰান্বিত হ'ব। ○

## ৰূপালী জয়ন্তীৰ প্ৰাক্‌ক্ষণত মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ প্ৰথম সাধাৰণ সম্পাদকৰ অনুভৱ ঃ



১৯৯২ খ্ৰীষ্টাব্দৰ ১১ অক্টোবৰ তাৰিখে স্থাপিত ৰাজীৱ গান্ধী মেম'ৰিয়েল কলেজখনৰ আনুষ্ঠানিকভাৱে শ্ৰেণী আৰম্ভ হৈছিল ১৯৯৩ চনৰ পৰা। প্ৰথম বৰ্ষত সৰ্বমুঠ ১০৫ জন ছাত্ৰ-ছাত্ৰীৰে পাঠদান প্ৰক্ৰিয়া আৰম্ভ হৈছিল। তাকৰীয়া ছাত্ৰ-ছাত্ৰীক লৈ পাঠদান আৰম্ভ হোৱাৰ সমান্তৰালকৈ মহাবিদ্যালয় কৰ্তৃপক্ষই অন্যান্য আনুষংগিক দিশবোৰতো সমানেই গুৰুত্ব দিছিল। যাৰ ফলস্বৰূপে চালুকীয়া অৱস্থাতো মহাবিদ্যালয়খনত ছাত্ৰ-ছাত্ৰীৰ সমস্যা আদি পূৰণ কৰি সৌহাৰ্দমূলক পৰিৱেশ ৰচনাৰ কাৰণে গঠন কৰা হৈছিল "ছাত্ৰ কএকতা সভা।" এই সভাখনে সেই সময়ত দৃষ্টান্তমূলক কাম- কাজ কৰিব নোৱাৰিলেও আজিৰ তাৰিখত সেইখন ছাত্ৰ একতা সভাৰ নাম সমানে উচ্চাৰিত হোৱাত আমি যথেষ্ট সুখ অনুভৱ কৰিছোঁ।

আৰম্ভনিৰে পৰা মহাবিদ্যালয়খনত বিদ্যায়তনিক দিশৰ সা-সুবিধা বুলিবলৈ প্ৰায় একোৱে নাছিল। টিন, বাঁহ, খেৰৰ জুপুৰি সদৃশ কেচা মাটিৰ মজিয়াত পাঠদান চলিছিল। শিক্ষক-কৰ্মচাৰী আৰু ছাত্ৰ-ছাত্ৰীৰ সংখ্যা সীমিত হোৱা স্বত্বেও প্ৰত্যেকৰে আছিল দৃঢ় মনোবল; যাক হাজাৰ বাধা-বিঘিনিয়ে টলাব পৰা নাছিল। ইংৰাজীত এষাৰ কথা আছে-"A smooth Sea naver made a skilled Sailor" (শান্ত সাগৰে দক্ষ নাবিকৰ জন্ম নিদিয়ে)। আজিৰ তাৰিখত মহাবিদ্যালয়খনৰ ৰূপালী জয়ন্তীৰ প্ৰাক্‌ক্ষণত সেইষাৰ কথাই বাৰে বাৰে মোৰ মানসপটত ভাঁহি উঠি আছে। সেই সময়ত যদি আমি সমস্যাবিলাকৰ পৰা পলায়ন কৰিলোহেঁতেন বা হাত সাৱটি বহি থাকিলোহেঁতেন, তেন্তে মহাবিদ্যালয়খন কলিতে ধ্বংস হলেহেঁতেন।

যি কি নহওঁক, ৰাজীৱ গান্ধী মেম'ৰিয়েল কলেজখন এখোজ দুখোজকৈ আগবাঢ়ি আহি আজি শৈক্ষিক ক্ষেত্ৰখনত উজলি উঠিবলৈ সক্ষম হৈছে। অনাগত দিনবোৰত কলেজখনে যাতে সকলো ক্ষেত্ৰতে উজ্বলি উঠি ৰাইজৰ হিয়াৰ আমুঠ হ'ব পাৰে তাকে কামনা কৰিলোঁ।

আহক, আমি সকলোৱে মিলি এইখন মহাবিদ্যালয়ক "Knowledge College" হিচাপে গঢ় দিয়াৰ অংগীকাৰ লওঁ হক। ○

।। জয়তু ৰাজীৱ গান্ধী মেম'ৰিয়েল কলেজ ।।

ধন্যবাদেৰে -

**জয়নাল আবেদিন**

# ৰাজীৱ গান্ধী মে'মৰিয়েল কলেজৰ ৰূপালী জয়ন্তীৰ অনুভৱ

ৰাজীৱ গান্ধী মে'মৰিয়েল কলেজখন প্রতিষ্ঠা হোৱাৰ আজি প্রায় ২৮ বছৰ হ'ল। নিয়মমতে আমি ২০১৭ ইং চনতেই মহাবিদ্যালয়খনৰ ৰূপালী জয়ন্তী অনুষ্ঠিত কৰিব লাগিছিল যদিও বিভিন্ন অসুবিধাৰ বাবে সেই কাম ২০১৯ আৰু ২০২০ চনত দুটা পৰ্য্যায়ত কৰিবলৈ লোৱা হৈছে। এই কাম কৰোতে সমাজৰ সৰ্বস্তৰৰ ব্যক্তিক যাতে সামৰি লৈ সকলোৰে মতামত, অনুভৱ আদি সন্নিৱিষ্ট কৰা হয় তাৰ প্রতি যথেষ্ট গুৰুত্ব প্রদান কৰা হৈছিল। তাৰেই অংশ হিচাপে আমি লেংটিছিঙা অঞ্চলৰ কেইগৰাকীমান প্রতিভাশালী যুৱতী তথা প্রাক্তন ছাত্রীয়ে ৰাজীৱ গান্ধী মে'মৰিয়েল কলেজৰ ৰূপালী জয়ন্তী সম্পৰ্কে প্ৰকাশ কৰা অনুভৱ সদাশয় পাঠক সমাজলৈ আগবঢ়ালো।



আমি পঢ়ি অহা কলেজখনে ৰূপালী জয়ন্তী উৎসৱ পালন কৰিবলৈ লোৱাটো অতিশয় আনন্দ আৰু সুখৰ মুহূৰ্ত বুলি অনুভৱ হৈছে। আমি মহাবিদ্যালয়খনত অধ্যয়ণ কৰি থকা অৱস্থাত বাৰে বাৰে দেখিছিলো ছাৰ-বাইদেউ সকলৰ মলিন মুখ। কাৰণ, সেই সময়ত কলেজখন প্রাদেশীকৰণ হোৱা নাছিল। তাৰ মাজতো তেখেত সকলে অতি আগ্ৰহেৰে আমাক পাঠদান কৰি জীৱনৰ বাটতঅগ্ৰসৰ হোৱাত সহায় কৰিছিল। আজিও বহু ছাৰ-বাইদেউৰ চাকৰি নিয়মীয়াকৰণ হোৱা নাই। তাৰ বাবে মনত কষ্ট পাওঁ, আত্মাটোৱে হাঁহাকাৰ কৰি উঠে। যিয়েই নহওঁক ৰাজীৱ গান্ধী মহাবিদ্যালয়খনে বৃহত্তৰ লেংটিছিঙা অঞ্চলৰ নাৰী শিক্ষাৰ ক্ষেত্ৰত যি অৱদান আগবঢ়াই আছে সেয়া অতুলনীয়,অনন্য। এই ছেগতে আমাৰ মহাবিদ্যালয়খনৰ নাম চাৰিওফালে উজলি উঠক, তাকেই কামনা কৰিলো।

**জাহানাৰা খাতুন**, বি.এ. বি.এড.
(প্রাক্তন ছাত্রী)



বহুত ভাল লাগিছে। ইমান সুখ অনুভৱ কৰিছোঁ যে সেয়া ভাষাত প্ৰকাশ কৰিব নোৱাৰিম। এই আনন্দৰ মূলতেই হৈছে কলেজখনৰ সফলতা। বিদ্যায়তনিক দিশৰ লগতে লেখা-মেলা ,খেল ধেমালি ইত্যাদি সকলো ক্ষেত্ৰতে কলেজখনে অনাগত দিনত অধিক সফলতা কঢ়িয়াই আনিব বুলি আশা কৰিলো। কাম এটাৰ মান আৰু কৰ্মীজনৰ মান অবিচ্ছেদ্য। উদাসীনতাৰে কাম কৰিলে কোনো

ফল পোৱা নাযায়। গতিকে ৰাজীৱ গান্ধী মে'মৰিয়েল কলেজখনে যি কৰ্মৰ জৰিয়তে আজিৰ পৰ্যায় পাইছে, সেই কৰ্মৰ লগত জড়িত সমূহ কৰ্মকৰ্তাসকলক আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলো।

**শ্বৰীফা ছুলতানা (প্ৰাক্তন ছাত্ৰী**
এন.ই. এফ. ল' কলেজৰ পৰা আইনৰ স্নাতক



ৰাজীৱ গান্ধী মে'মৰিয়েল কলেজৰ ৰূপালী জয়ন্তীৰ অনুষ্ঠান পাতিবলৈ লোৱাত বৰ ভাল লাগিছে। প্ৰাক্তন ছাত্ৰী হিচাপে কলেজখনৰ এই অগ্ৰগতিত গৌৰৱ অনুভৱ কৰিছো। আমাৰ শিক্ষাগুৰু সকলে পেটত গামোছা বান্ধি প্ৰায় ১৫/২০ বছৰকাল বিনা বেতনে হাড়ভাঙা পৰিশ্ৰম কৰি কলেজখনক আজি এই পৰ্য্যায়লৈ আনিবলৈ সক্ষম হৈছে। আজিও বহুত শিক্ষাগুৰুৰ পদ প্ৰাদেশীকৰণ নোহোৱাত আনন্দৰউৎসৱৰ মাজত কৰবাত যেন বিষাদৰ কলীয়া ডাৱৰে আৱৰি ধৰে। গতিকে চৰকাৰ তথা বিভাগীয় মন্ত্ৰী মহাশয়ক অনুৰোধ জনাওঁ যাতে এই সকল শিক্ষাগুৰুৰ কথা বিবেচনা কৰে। শেষত ৰূপালী জয়ন্তীৰ কাৰ্যসূচী সফল হোৱাৰ কামনা কৰিলো।

**মেহবুবা ছুলতানা (প্ৰাক্তন ছাত্ৰী**
ইংৰাজী বিষয়ত স্নাতকোত্তৰ
U.S.T, Meghalaya



আমাৰ মহাবিদ্যালয়; আমাৰ গৌৰৱ। আমি এই বিদ্যালয়খনক লৈ কেবাটাও কাৰণত গৌৰৱ অনুভৱ কৰো (ক) আমি ইয়াৰ প্ৰাক্তন ছাত্ৰী (খ) আমাৰ ছাৰ-বাইদেউ সকল নৈতিক আৰু মানৱীয় গুণেৰে সমৃদ্ধশালী (গ) আমাৰ এই অঞ্চলতো লক্ষ, লক্ষ টকা দামৰ মাটি দান কৰাৰ বদান্যতা দেখুৱাব পৰা বহল মনৰ ব্যক্তি আছে (ঘ) আমাৰ মানুহখিনি হোজা, আশিক্ষিত হ'লেও তেওঁলোক বিদ্যানুৰাগী আৰু সৃজনীশীল (ঙ) লেংটিছিঙা অঞ্চলৰ মানুহে ৰাজনীতিৰ লগতে সমাজনীতিৰ প্ৰতিও সমানেই সচেতন, সেই কথা প্ৰতীয়মান হৈছে। মোৰ ভাল লাগিছে আৰু এটা কাৰণত যে মোৰ দেউতা, অন্যান্য আত্মীয়-স্বজনে লগ-লাগি মহাবিদ্যালয়খনৰ ৰূপালী জয়ন্তী সফল কৰাৰ বাবে অহোপুৰুষাৰ্থ কৰি আছে। এই আটাইবোৰ কাৰণত ৰাজীৱ গান্ধী মে'মৰিয়েল কলেজৰ ৰূপালী জয়ন্তীৰ প্ৰাক্ক্ষণত মনটো ভাল লাগিছে। শেষত এই জয়ন্তীৰ সৰ্বতোপ্ৰকাৰ সফলতা কামনা কৰিলো।

**আছমিনা পাৰবিন (প্ৰাক্তন ছাত্ৰী)**
বৰ্তমান বঙাইগাঁও আইন মহাবিদ্যালয়ৰ ছাত্ৰী

# DEPARTMENTWISE TEACHING STAFF

## ASSAMESE


Dr. Reeta Sarma
HoD.


Mr. Ayub Khan
Asstt. Prof.


Mr. A.R. Sikder
Asstt. Prof.


Dr. Sujit Das
Asstt. Prof.


Dr. Lily Das
Asstt. Prof

## ENGLISH


Mr. Abul Kalam Azad
Asstt. Prof. (HoD.)


Mr. Sadullah Dewan
Asstt. Prof.


Mr. Akter Hussain
Asstt. Prof.

## POLITICAL SCIENCE


Dr. Abdus Sobur
Asstt. Prof.(HoD.)


Mr.Bellal Hussain
Asstt. Prof.


Mr.Abu Bakkar Siddique
Asstt. Prof.

## ARABIC


Mr. Shahidur Rahman
Asstt. Prof. (HoD.)


Mr. Sofiur Rahman
Asstt. Prof.


Mr. Abdur Rashid
Asstt. Prof.

## HISTORY


Mr.Abdul Khaleque
Asstt. Prof.(HoD.)


Mr.Saidul Islam
Asstt. Prof.


Dr. Abu Bakkar Siddique
Asstt. Prof

## ECONOMICS


Mr.Zahangir Alam
Asstt. Prof.(HoD.)


Dr. Ruzena Khatun
Asstt. Prof.


Dr. Fazar Ali
Asstt. Prof.

## EDUCATION


Mr.Rofiqul Islam
Asstt. Prof.(HoD.)


Mr.Abdur Rezzak
Asstt. Prof.

## GEOGRAPHY


Mr. Golam Sarrowar
Asstt. Prof.(HoD.)


Mr. Kamal Mostafa
Asstt. Prof.

## MATHEMATICS


Mr. Sofique Uz Zaman
Asstt. Prof.(HoD.)

# NON-TEACHING STAFF


Mr. Muzafor Ali Ahmed
Librarian


Mr. Mahor Ali Mondal
Sr. Asstt.


Mr. Abdul Kader Mondal
Sr. Asstt.


Mrs. Pingki Bhowmik
Asstt. Librarian


Mr. Jahirual Islam
Jr. Asstt.


Mrs. Morjina Khatun
Jr. Asstt.


Mr.Rofiqul Islam
Library Asstt.


Mr.Shahil Rana
Office Asstt.


Mr. Mofidul Islam
Jr. Asstt.


Johirul Islam
Grade - IV


Lutfar Rahman
Grade - IV


Saiful Islam
Grade - IV


Jahur Ali
Grade - IV


Md. Muzaffar Ali
Grade - IV



# ভূমি দাতা সকল


মৰহুম ময়েজুদ্দিন সৰকাৰ


আলহাজ মৰহুম আতাহাৰুল ইছলাম


আলহাজ মৰহুম আহেৰ আলী সেখ


আলহাজ মৰহুম আজগৰ আলী


মৰহুম ছামছুল হক (মাষ্টাৰ)

মৰহুম জোহৰাব আলী বেপাৰী


আব্দুছ ছালাম


আব্দুল কৰিম


আলহাজ হাতেম আলী


প্ৰহ্লাদ চন্দ্ৰ পাল

মৰহুম নৈয়াম উদ্দিন বেপাৰী

মৰহুম মোকছেদ আলী


আলহাজ্ব আমজাদ হুছেইন


স্বপন কুমাৰ সৰকাৰ


খলিলুৰ ৰহমান

মতিৰৰ ৰহমান


মহৰ আলী


গোলাম ৰব্বানী


জয়নাল আবেদিন


আব্দুল কাদেৰ

## মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাকালৰ
## সভাপতি, অধ্যক্ষ, গ্ৰন্থাগাৰিক আৰু উচ্চবৰ্গৰ সহায়ক


শ্ৰীযুত চন্দন কুমাৰ সৰকাৰ
সভাপতি


এম. ছফিউৰ ৰহমান
অধ্যক্ষ


শ্ৰী মুকুল দাস
গ্ৰন্থাগাৰিক


আবু বক্কৰ ছিদ্দিক
উচ্চবৰ্গ সহায়ক

## প্ৰতিষ্ঠাকালৰ পৰা বৰ্তমানলৈ মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক সকলৰ একাংশ


[illegible]


[illegible]


[illegible]


[illegible]


[illegible]


[illegible]


[illegible]


[illegible]


[illegible]


[illegible]


[illegible]


[illegible]


[illegible]


[illegible]


মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ সন্মিলনীৰ একাংশ



কৰ্ণধাৰ সমিতি
ৰূপালী জয়ন্তী উদযাপন, ২০১৯-২০২০ ইং
ৰাজীৱ গান্ধী মেম'ৰিয়েল কলেজ, লেংটিছিঙা

# ৰূপালী জয়ন্তী উপলক্ষে গঠিত উপ-সমিতি সমূহ



বিত্ত উপ-সমিতি



খাদ্য উপ-সমিতি



সাংস্কৃতিক উপ-সমিতি

# ৰূপালী জয়ন্তী উপলক্ষে গঠিত উপ-সমিতি সমূহ



শোভাযাত্ৰা উপ-সমিতি



স্বেচ্ছাসেবক উপ-সমিতি



স্বাস্থ্য উপ-সমিতি

## ৰূপালী জয়ন্তী উপলক্ষে গঠিত উপ-সমিতি সমূহ



প্ৰচাৰ উপ-সমিতি



মঞ্চ আৰু আদৰণি তোৰণ উপ-সমিতি

## মহাবিদ্যালয় ছাত্ৰ একতা সভা, ২০১৯-২০২০





I am extremely delighted to know that Rajiv Gandhi Memorial College is Celebrating Silver Jubilee with colourful and creative programmes. This will rejuvinate the people associated with this institution. I feel proud on the eve of the silver Jubilee that my father sheikh Syed Ahmed was one of the proposer of this institution with leading role. My Grand father Late Aser Ali Sheikh donated land for establishment of the college. Still my father has been play ing a key role to organise the ceremony.I have said the above lines not to do publicity of my family but to encourage people to provide help and Co-operation to make Lengtisinga area a centre of wisdom. At the same time, I feel proud that I am a part of an education loving family who can sacrifice for the upliftment of a backward Society. Thank you. wish you all the best.

Shabana Ajmi, Lengtisinga
A Student of University Law College
Gauhati University.



I am pleased to know that Rajiv Gandhi Memorial College is celebrating Silver Jubilee with extensive Schedule.The college has already over come many hardles and challenges. But it has not been facing heavy challenges from reactionary forces including ruling elite class. I know, the respected teachers and other staff members, whose Services are yet to be regularised, have been facing identity crises. But one thing to remember that "there is Day light after Dark Night." Be calm, be tolerate and let stand like JNU. Hope that the Silver Jubilee will make people determinate to work in positive direction.

**Anjuman Gulnas Arifa Rahman**
Ph.D. Scholar Deptt. of Physics
JNU : Delhi



বৰ ভাল লাগিছে। খবৰটো যেতিয়া প্ৰথম শুনিছো, তেতিয়াৰ পৰাই মনটো আনন্দেৰে ভৰি পৰিছে। আমাৰ একেবাৰে ওচৰৰ ঘৰৰ কাষৰ মহাবিদ্যালয়খনে আজি ভৰ যৌৱন কালত ৰূপ সজ্জাৰে সাজোন কাচোন কৰি এটি উৎসৱ উৎযাপন কৰিবলৈ গৈছে। এনে এক সময়ত এই উৎসৱৰ আয়োজন চলিছে যেতিয়া নেকি বসন্তৰো আগমন ঘটিছে। গতিকে এই সময় আনন্দৰ সময়, নৱ-ৰূপত সজাই পৰাই তোলাৰ সময়। ৰাজীৱ গান্ধী কলেজখনে নৱ-ৰূপত সাজি-কাচি ওলাই বিশ্ববাসীক নতুনত্ব আৰু সৃজনীশীল বতৰাৰ সুবাস বিলাওঁক,এই কামনা কৰিলো।

**পাৰমিতা সুত্ৰধৰ,লেংটিছিঙা,**

বড়োলেণ্ড বিশ্ববিদ্যালয়ৰ অংক বিভাগৰ

স্নাতকত্তোৰ

# FIGHT FOR RIGHTS



**Liakat Ali Ahmed**
**Advocate**
**Abhayapuri**

**The** Citizenship is the most important right of every individual in a country. The Citizenship right is a right to have all rights under the sovereignty. Without Citizenship ,no one can think of other necessary rights which are guaranteed by the constitution. The citizenship right is the mother right of all other rights. It is the sovereign state who can provide Citizenship and terninate Citizenship under the certain Acts and Rules. The Conatitution of India provides for single and uniform Citizenship for the whole part of India. The population of any country is divided into two classes one is Citizen and other is non Citizen. Some rights are provided only for the citizen of the country and some rights can be enjoyed by the both classes.

But in Assam the Citizenship becomes the game of magic chair, which is being played by the Government. The people of Assam have already divide into two groups, each group turns the pages of History for his own sake and own benefits. Before and after independence it has been trying continuously by the politicians to divided the people of Assam as immigrants and indigenous Assamese. Specially the Brahmaputra valley in Assam has been a place of violence between the two groups since independence. Under the immigrants (Expulsion from Assam) Act 1950 the then Government of Assam had driven huge nos. of East Bengal origin Muslims from Assam. In the year of 1979 the All Assam Student Union and the All Assam Ganasangram parishad were involved to fight out the issue.

After a long six years of Assam agitation ( 1979-1985) which was headed by ASSU ( All Assam Student's Union) and AAGSP ( All Assam Gana Sangram Parisad) for deportation of Foreigners ended by the ASSU and AAGSP by signing Assam Accord in 1985 with the then government of India.

During the Assam agitation many people of linguistic and religious minorities were killed, Only at Nellie

about 5000 Minority people were killed and burnt their dwelling houses at Nellie and nearby villages of it and also the militants / reactionaries killed huge no's of minority people at chaulkhowa chapari. More than 400 houses of religious minority people were burnt including a mosque and rendered more than 3000 people homeless in North Lakhimpur. Also in the erstwhile District of Darang,Kamrup, Goalpara and Nowgaon huge no's of linguistic and religious people were killed. Even the Government could not control the militants or the Government did not want to control them. In this way the Assamese people witnessed an incident of holocaust of own people and own property. The Educational institutions were forcefully closed and the Examinations were boycotted. The communications of people were restricted. Every where the atmosphere was created by the agitators to hate the linguistic and religious minority people. The agitators motivated the easy going Assamese people to hate 'Dariwala' and 'Lungiwalas' only the basis of suspicior. At the time that the situation which might destroy the Assam, the Union Government accorded with the leader's of AASU and AAGSP to restore the normalcy in Assam in the Year of 1985. The Assamese people from all sections welcomed the Assam accord, specially the AASU accepted the Assam accord as the hallowed deed.

To understand the Assam accord - 1985, herein some relevant clauses on foreigner's issue of Assam accord have been pasted below-

**Foreigners issue:**

**5.1** For purposes of detection and deletion of foreigners, 1.1.1966 shall be the base date and year.

**5.2** All persons who come to Assam prior to 1.1.1966, including those amongst them whose name appeared on the electoral rolls used in 1967 elections shell be regularized.

**5.3** Foreginers who come to Assam after 1-1-1966 (inclusive) and upto 24thMarch, 1971 shall be detected in accordance with the provisions of the Foreigners Act, 1946and the Foreigners (Tribunals) Order 1964.

**5.4** Names of Foreigners so detected will be deleted from the electoral rolls in force. Such persons will be required to register themselves before the registration Officers of the respective districts in accordance with the provisions of the registration of Foreigners Act, 1939 and the registration of Foreigners rules, 1939.

**5.5** For the purpose, Government of India will undertake suitable strength-

ening of the Government machinery.

**5.6** On the Expiry of a period of ten years following the date of detection, the names of all such persons which have been deleted from the electoral rools shall be restored.

**5.7** All persons who were expelled earlier, but have since reentered illegally in to Assam shall be expelled.

**5.8** Foreigners who came to Assam on or after March 25, 1971 shall continue to be detected, deleted and practical steps shall be taken to expel such foreigners.

**5.9** The Government will give due consideration to certain difficulties expressed by the AASU/AAGSP regarding the implementation of the Illegal Migrants (Determination by Tribunals) Act, 1983.

Also there are other clauses of the accord which have been agreed for speedy all round economic development, Education, Science and technology, improve the standard of living and re-open paper mill, jute mills etc. But the attentions drawn only on the foreigner's issue in Assam. Every day so called patriotic (?) of Assam are trying to create new formula to deprive the minority people from their rights in Assam. The easy going Assamese people started to believe that the Muslims in Assam are foreigners snd they are coming continuously from Bangladesh. Even the then Governor of Assam S.K.Sinha reported to the then president of India " **The influx of these illegal migrants is turning some Districts of lower Assam in to a Muslim Majority region. it will be then only be a matter of time when a demand for theie merger with Bangladesh may be made."** The report as it is meant for the religious minority people that the final conspiracy has been made to turn this land as Jammu and Kashmir. Lt. General S.K.Sinha who shall be remembered as the champion of the country to create doubt and faith among the communities in Assam.

For that imaginary report by the constitutional person, the Religious minorities have been suffering in their own land. Most of the minority people in Assam are economically poor and illiterate and they have to earn their livelihood by hard working as daily labourers. To earn their livelihood, they are compelled to go in different places of Assam snd other provinces of North East. As they are coloured as illegal migrants having beared Tupi, Lungi etc, the Assamese speaking people of Upper Assam as well as North East who have been motivated by the Champions of extrem nationalist sentiments come

out to ask questions to these labourers about their citizenship and catch their ears and pulls their hairs calling them Bangladeshi, also some times the labourers from minority community are assaulted physically and push them to the police station alleging them as Bangladeshi. Such labourers have to prove their citizenship before the police and always they are able to prove their citizenship by submitting the documents prior to 25th March 1971. Though the MLAs and MPs are elected by these people but they do not raise any question against the culprits and even do not claim to the proper forum to punish the culprits.

Interstingly, both The union and the state Government has no any rule & regulations to solve this problem. Besides this problem has been benifitting the both Governments as well as the politicians to woe the voters during election time. In the meantime, under the direction of the state Government huge No's of voters are marked as 'D' voters. No enquiry is made in this respect, It is observed that in a same house one is marked as 'D' and another is allowed as regular voter. It is the officer who is engaged to prepare the voter list by the election commissioner can insert the letter 'D' against the name of the voters. The nib of the pen of the officer is the destiny of Minority people in Assam. Once the letter 'D' is inserted with the name of voter then he/she has to go to the Foreigners Tribunal after receiving Notice to prove his/her citizenship. But the matter is not so easy to be declared as Indian as there is snomone who is waiting to declare him/her as foreigners to retain in service otherwise government shall terminate his/her service. What a trapping centre in the name of foreigner's Tribunal is created for the minority people ! where no justice can be expected. The border police also sends cases/reports to the SP Border of the District alleging people as foreigners, accordinly the SP Border forwards the Cases/ Reports to the ForeignersTribunal. But due to minor discrepancies of names and age in the documents / records, the procedee has to lose his/ her citizenship in the hand of members ! (member who is engaged for that purpose by the upper team) For example, The Foreigner's Tribunals do not supply the copies of main grounds of suspicion to the procedee, the members prevent Engaged Advocates for the alleged foreigner/ procedee from cross-examining the investigation officers and tribunals could declare individuals as foreigners even after their

citizenship had been previously upheld by another tribunal. Sometimes documents are believed as genuine but the person who subietted these documents is declared as foreigner stating that he/she could not establish hie/her linkage with the legacy document holder. Maximum no's of cases are not properly enquired by the enquiry officer's, Even the enquiry officer does not visit the place and does not give opportunity to produce relevant documents. Sometimes it is seen that through the enquiry officer's report that the person agsinst whom these members are controlled by the state Government and can terminate their services at anytime. In 2017,nineteen former members of Assam's Foreigners Tribunals who were terminated, **appealed against the Government's decision regarding extend of their period of contracts wnen it expired, after two years of service. In reply of notice, the Assam Government submitted an affidavit that the members** had not been renewed due to their "poor" and "unsatisfactory" performances. The Government also attached a perfomance-appraisal report of the tribunals members.

The perfoemance report is showing of the priorities of the state Government in the subject of appointments-specifically, it is paying attention on the percentage of foreigners declared. The evaluation report provided statistics about the performance by 72 tribunal members, which comprised 63 former advocates and nine former district judges. The report disclosed the number and percentage of cases disposed by the members, the number and percentage of declared foreigners, the Governments opinion on the number, and whether the number should be retained or terminated. It is crystal clear after perusal of the report that the members who declared a greater number of foreigners were to be retained in their services in comparison to those who declared fewer foreigner.

On 19th July 2019, in reply to a question (vide question No. 3804) the minister of state of home affairs declared in the parliament that up to March/2019, 1.17 lakh people have been declared by the foreigners Tribunal and out of these 63,959 thses have been declared foreigners by Ex-parte order. Also the Centre reported the Supreme Court that 938 people are detained in Six detention centres in Assam and 823 of them have been declared as foreigners by tribunals. The Government has not taken any measure to release or deport the persons who have

been detained in the detention camp. They have been detained for indefinite time. Even the MLA's and MP's who represent the minority people never raise a question in the house to release them from the detention camp. Fortunately a petition was filed by Harsh Mander (Human rights and peace worker etc.) before the supreme court vide WP(C)1045/2018 and in the case the Honourable Supreme Court directed to release those detenese who have completed three years in the detention camp. As per order of the Supreme court many of the detenues are released by the Government. In this way the minority linguistic and religious people have been trochured physically and mentally by the Governments for the political benefit only. The enquiry officer / border police without any enquiry only for the pressure of invisible political power has been sending foreigners cases via SP (Border) to the foreigners Tribunal.

The minority people are always ready to be tested to prove their citizenship, they want to co-opperate with the porcedure to prove their citizenship. It is seen in the NRC updation process which have been done by the Government of Assam under the Order of honourable Supreme Court in the year of 2014 in a case fild by " Assam Public Works" an organization. During the process of NRC Undation, the cooperation
of Minority people including some non political Organizations of the community were
praise worthy. The Minority people did not hesitate to go anywhere of Assam for the verification of their documents. But In the name of verification, they hade to lose their property and even lives. The minority people became so glad that the NRC updation process has been surprvising by the honourable Supreme court and there is no chance of entry of political posion in it.

At last the NRC is finally published under the direction of the highest court in the country with the following out comes :-

There were a total of 3,30,27,661 applicants for inclusion their names in the NRC. Out of these. The applications for the NRC filed consisting the numbers of total Names3,3027661

a. 3,11,21,004 names have been included in the final NRC.

b. 19,06657 names have been excluded from the final NRC.

The history of Assam is crying that during the Assam agitation (1979-1985) those who were killed only on

the basis of suspicion the family members of those deceased have been included in the NRC and it is clear indication that the persons who were killed by the militants were not foreigners. The militants must be feeling ashamed in their lives and grave that they had killed legal citizens of Assam. We have accepted the NRC, which is done under the supervision of the Supreme Court, but some section of people may deny because their brain is operated by the political doctors who are suffering from their own brain tumour.

The excluded persons are not yet declared foreigners as they can appeal before the Foreigners Tribunal within 120 days after receipt of notice with the grounds of exclusion.

It is ovserved that a large number of children and women are excluded from the NRC. Many names of minority peopl are excluded from the NRC due to the lack of linkage document.In some cases the name of children are excluded but their parents name are included in the NRC. Now those children have to move before the foreigners tribunal to prove their Citizenship. A new chapter has been started where the Member ("Thikadar"as they are appointed by the Government on periodic Contract for 2 Years) will have to exercise his / her power to accept/ deny the documents of the appeallant.

That the Honourable Gauhati High Court laid down the principles in para No. 97 in deciding the case of State of Assam - vs- Muslem Mondal by the full bench decision is as follows-

"Fair investigation and fair trial being the basic / fundamental right of a person which are concomitant to preservation of the fundamental right of a person under Artice 21 of the constitution , there has to be a fair and proper investigation agency before making a reference to the tribunal." Now question arises,

"Will the minority people get fair investigation and fair Trial ?"

The minority people who are crying to get justice to be legally identified as citizens of their own Country, will they get it or they will be "dishonoured" like a prophet in his own country" as quoted by the Supreme Court in a judgement of a case vide case No WP (C) No. 562/2012 (petitioner-Assam Sanmilita Mahasangha and ors.VS Union of India and ors.)

How long will the minority people fight to get Rights ? ○

# IMPACT OF LITERATURE ON SOCIETY



**Abul Kalam Azad**
**Asstt.Professor**

**Impact** of English literature on society literature is the miror of a society. without literature we cannot imagine a civilized society in this world because literature has major impact on the devloprnent of society it has changed political system and also shape the civilizarion beause the injustice of society. literature presents us the complete perview of human.expriences and to connect on basic levelsof human desire and emotion.in inportent aspeet of literature lies in how it can helpto expend the horizons of its reader.

What is the impotence of literature is society.Liteture is importent in society that it gives to the readers insight to whole history and varieties cultures of this universe. it also exposes their minds to aware such as love war and justice.

Literature helps expand horizons. An importent aspeet of literature lies in how it can help expand the horoizons of its readers it gives its readers inside look into how cultures from there parts of the world differ from their own and how customs from other countries help shape how their citenzens view the world by opening their minds to what different cultures have to offer readers of literature become more accepting of the unique difference of people from around the world. it can also give them unique insights into own past present cultures and can help them make a strong cunnection to others in their own cultures.

Literature gives look into the past, present and future.

Literature provides a window into the past allowing readers to see how their ancestors and other dealt with day to day life. reader can see where their own people came fro, and how the country they live in become it what it is to day.

literature can also lets reader look back at the mistakēs made by their predecessors. and hopfully avoid those same mistakes.

Modern literature gives readers a view into present day politics and sometime gives us an importent view into the lives of people around us. Fictional literature can also give readers special inside into the minds of writers to see how they envision the future might turn out including both things and the bad.

Literature helps build critical thinking skills. Literature helps build crucial critical thinking skills. readers can learn more about symboliswith in the pages of book and it help their devlop the ability to find the hidden meaning within every day life. ferther more they can make connection between the chreacter and the themes of book and how that could apply to real lifel. Literature makes for better writers.

Literature also makes readers question their own writing abilities. by taking a look inside the mind of the writer who wrote a particular book, readers can get a better understanding of why a writer imagined and wrote abuot a particular subject. it could be a look into the polities and drama of the time or it could be a look into the imagination of the authour whose relating his thoughts on a subject matter that importent to him ultimately literature is a look into the mind of the reader and it can help inform us about how we feel about the world around us.

What role does Literature play in society. The true role of literature can be debated but one belief is that literarure is the mirror of society. the vast majority of books both fiction and nonfiction describe the world people live in with hreat accuracy and give readers a chance refleet.

Literature has the power to shine a light on society's belief and practices it forces readers to ask questions start connections and look for answers even if one true answer does not exist. the themes chracters and lessons literature are ones that call all be compared to true people and events readers see in the real world in that senes is a reflecting of society.

Don't believe your Luck
But believe your hard work
by A.P.J. Abdul Kalam ○

# EDUCATION SYSTEM IN THE CHAR-CHAPARIS OF ASSAM : PROBLEMS AND REMEDIES



Dr. Md. Eakub Ali

**Assam,** the abode of the multilingual and multicultural Assamese society is a north-eastern state covering an area of 78,438 sq. km which is about 2.4 percent of the total land area of the democratic Republic of India. According to 2011 census, the state is inhabited by 22.63 million people belonging to different racial stocks, ethnic identity and religious background. Char-chaparis cover an area of 3608 sq. km of the Brahmaputra basin, which account for 4.6 percent and 9.35 percent of the state's total area and population respectably. In these char areas the Muslims, the Nepalis, the Missings, the Ahoms, the schedule tribes, the schedule castes and some upper caste Hindus have been living with the glorious heritage of "unity in diversity" since long. Their literacy rate and state of education are very dismal. A part of the char areas of Assam, the largest river island Majuli achieved a special dignity, permanence and heritage in the world. The people living in Majuli are rich in education, culture and economy compared to the people residing in many places outside the char areas of Assam. Except Majuli and Sadiya where the light of education spread during the British regime, the present study tries to highlight in brief the education system in the other char-chaparis of Assam.

Char-chaparis are an integral part of the fluvial regime of the mighty river Brahmaputra and its tributaries in the Indian state of Assam. The word 'char" means a small land surrounded by water in a river while "chapari" means an area of sandy land of the bank of a river attached to the main land. It is found that innumerable mid-channel bars or river islands locally called char-chaparis detached from the geographical main land dot the 720 km. stretch of the mighty river Brahmaputra. The char areas of Assam are distributed across 23 sub-divisions of 14 districts along the course of the river Brahmaputra from Sadiya in the

east to Dhubri in the west. The survey conducted by the Directorate of Char Areas Development, Assam, 2001–2002 and Census of India's provisional data, 2001 shows that 4,34,754 families comprising 24,90,397 people reside in 2251 char villages straddling in 299 gaon panchayats in the state. Some 68% of the char dwellers are below poverty line (BPL). The state of education in the char areas of Assam is very depressing which retards and reverses the dynamic wheel of progress in the state in particular and the country in general.

During the pre-independence period, especially during the first half of the 20th century, the state of Assam was remarkably backward in education. Except the urban areas and some developed places, the whole of the state rarely got scope for undergoing modern education system brought to India by the British. The char areas also plunged into the darkness of illiteracy during that period. Of course, during the period from the second to fourth decades in the 20th century, the light of primary and secondary education began to spread in some char villages of Assam. The places like Mazarchar, Baghmara Char, Alopati, Tarabari, Moinbari and Kachumara in Barpeta district; Jaleswar, Chunari, Chirakuti in Goalpara district; Mankachar, Sukchar, Hamidabad, Chakla, in undivided Dhubri district; Sontoli, and Goroimari in Kamrup district are exemplified as some of the noted places where some primary, middle and high schools were established during that period. Though the religious minority char people in particular and the majority of the Muslims living in other parts of Assam in general used to speak Bengali dialect for household interaction, the schools they established in the region were all Assamese medium schools which made them speak Assamese in public and accept it as their mother tongue spontaneously and voluntarily. The Assamese spoken by the educated char people is pure Assamese and devoid of the influence of their Bengali dialects.

The process of assimilation in the char-chaparis with the mainstream Assamese people contributed a lot to increase the number of Assamese linguistic people from 31.4% in 1931 to 56.7% in 1951 in Assam. In this regard the then Census Superintendent R. B. Vaghaiwalla says, "There is a striking increase in the percentage of people who speak Assamese in 1951 (56.7) over those of 1931 which was obly 31.4 percent: There is an equally striking decrease in the percentage of

the people speaking Bengali which is only 16.5 against 26.86 in 1931" (Dutta 418). Explaining this increase in number of the Assamese linguistic people in Assam, A. P. Jain the then leader of the Parliamentary Committee says, "We were told that all the Muslim Bengalis of the Brahmaputra valley, who had formerly registered themselves as Bengali speaking had in 1951 voluntarily declared themselves as Assamese Speaking" (Dutta 420). Char-chapari Sahitya Parishad, Mazarchar Sahitya Sabha, Baghmara Char Sahitya Sabha, Mahachara Sahitya Sabha, etc. which are the wings of Asom Sahitya Sabha are some of the noted organizations through which the char people have continued their contributions to the Assamese literature and language in the state.

During the First Five Year Plan started in 1952, a substantial number of primary schools were established in different char-chaparis with active initiative of the char people like those established in some mainland places of Assam. During that period some L. P. Schools, M. E. Schools and M. V. Schools were established in some places with active initiative of the Government of Assam. But unfortunately very few schools were established in the char-chaparis with such initiative of the government. Therefore, the char people themselves initiated to establish some schools in their locality with utmost diligence and poor economic support, and subsequently these were brought to the purview of government sanction as per norms. Of course, the char dwellers established these venture educational institutions in either the long lasting or permanent char places used as human habitats, which were fertile, safe from flood and erosion, and which could be communicated with the nearest developed villages and towns by the country boats. There are many remote char villages where schools cannot be seen even in this 21st century.

In the latter half of the 20th century, though huge bulk of Primary Schools, M. E. Schools, M. E. Madrassas and High Schools were established in the char areas of Assam, these were fewer in number compared to the necessity of the char dwellers living in the region. The students from the char areas of Assam were, therefore, dependant on the higher secondary schools and colleges situated at the nearest places of the riverine mainland for their higher education. The educational institutions established at places like Mazarchar, Alopati, Baghmara Char, Mandia, Kachumara

